

# অসমীয়া বিভাগ

# বিলাসীপাৰা কলেজৰ চমু ইতিবৃত্ত



*জগদানন্দ বৰকলিতা,* অধিবক্তা
প্ৰাক্তন ছাত্ৰ।

বাৰেৰহণীয়া সাংস্কৃতিক সম্ভাৰে সমৃদ্ধ অবিভক্ত গোৱালপাৰা জিলা প্ৰাক্-স্বাধীনতা কালত জমিদাৰী আমোলৰ সামন্ততান্ত্ৰিক শাসনৰ অধীনত থকাত আধুনিক শিক্ষাৰ ক্ষেত্ৰত অতি পিছ পৰা আছিল। অতীজত সংস্কৃত টোল সমূহে পৌৰাণিক গ্ৰন্থ, ভাষা সাহিত্য, ব্যাকৰণ আদি অধ্যয়নৰ দ্বাৰা এই অঞ্চলত উনবিংশ শতিকালৈ ৰাজ পৃষ্ঠপোষকতাত আৰু কিছু ব্যক্তি বিশেষৰ প্ৰচেষ্ঠাত শিক্ষা প্ৰদান কাৰ্য্য চলিছিল। বিংশ শতিকাৰ প্ৰাৰম্ভণিৰ পৰা আধুনিক শিক্ষাৰ প্ৰাথমিক স্তৰত বঙলা মাধ্যমৰ বিদ্যালয় সমূহ জিলাখনত মন্থৰ গতিত অত তত প্ৰতিষ্ঠা হবলৈ ধৰে। বিলাসীপাৰাতো আধুনিক প্ৰাথমিক শিক্ষাৰ সূচনা তেনেদৰেই হয়। মাধ্যমিক আৰু উচ্চ-মাধ্যমিক শিক্ষা আৰম্ভ হয় ১৯২৮ চনত শিক্ষানুৰাগী চাপৰ জমিদাৰ নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱে তেখেতৰ প্ৰয়াত পিতৃৰ নামত বঙলা মাধ্যমৰ ইন্দ্ৰ নাৰায়ণ একাডেমী প্ৰতিষ্ঠাৰ দ্বাৰা। এই বিদ্যালয়ত বিলাসীপাৰাৰ এক বিস্তৃত অঞ্চলৰ সকলো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়নৰ সুযোগ লাভ কৰিছিল। দূৰৈৰ ছাত্ৰৰ কাৰণে ছাত্ৰাবাসৰ ব্যৱস্থাও আছিল। ইয়াৰ ঠিক ১২ বছৰ পিছত স্থানীয় ৰাইজৰ ঐকান্তিক প্ৰচেষ্ঠাত ১৯৪০ চনত অবিভক্ত গোৱালপাৰা জিলাৰ প্ৰথমখন অসমীয়া মাধ্যমৰ ৰোকাখাতা উচ্চতৰ মাধ্যমিক বিদ্যালয় বিলাসীপাৰাত স্থাপিত হয়। পিছে কলেজীয়া উচ্চশিক্ষা গ্ৰহণৰ আকাঙ্খা এই অঞ্চলৰ দুখীয়া বিদ্যাৰ্থীৰ সেই সময়ত দূৰাকাঙ্খা হৈয়েই আছিল। এই সময়ত দ্বিতীয় মহাসমৰৰ উখল-মাখলৰ মাজতে ১৯৪২ চনত স্বাধীনতা সংগ্ৰামৰ অন্তিম ভাৰত ত্যাগ আন্দোলন আৰম্ভ হয়। বিলাসীপাৰাতো এই আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰে আৰু বহুতো নেতা কাৰাবন্দী হয়। ১৯৪৫ চনত পণ্ডিত জৱাহৰলাল নেহেৰু তেখেতৰ অসম আগমন কালত বিলাসীপাৰালৈ আহি স্থানীয় আই.এন.এ খেল পথাৰত এক বিশাল জনসভাত ভাষণ দি ৰাইজক দেশ প্ৰেমত উদ্বুদ্ধ কৰি তুলে। ভাৰত ত্যাগ আন্দোলনৰ এনে এক ধামখুমিয়াৰ মাজতে ১৯৪৬ চনত অবিভক্ত গোৱালপাৰা জিলাত প্ৰথমখন উচ্চশিক্ষাৰ প্ৰতিষ্ঠান ধুবুৰীৰ ভোলানাথ কলেজ স্থাপিত হয়। ফলত এই অঞ্চলৰ আৰ্থিকভাবে সচ্ছল কিছু ছাত্ৰ-ছাত্ৰী ধুবুৰীৰ ভোলানাথ কলেজত উচ্চশিক্ষা গ্ৰহনৰ সুযোগ পায়। কিন্তু দুখীয়া ভৈয়াম আৰু চৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ উচ্চশিক্ষা গ্ৰহণৰ সপোন, সপোন হৈয়েই ৰয়। দেশ স্বাধীনতা লাভ কৰাৰ পাছত এটা দশক এনেদৰেই পাৰ হৈ গ'ল। অলস এই সময়ত স্থানীয় কিছু শিক্ষাপ্ৰেমী ব্যক্তিয়ে এই অঞ্চলৰ দুখীয়া ছাত্ৰ-ছাত্ৰীৰ কলেজীয়া শিক্ষা লাভৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিবলৈ ধৰিলে। এনে এক পৰিস্থিতিত ১৯৫৮ চনৰ প্ৰাৰম্ভণিতে হঠাৎ চাপৰ জমিদাৰীৰ প্ৰাক্তন জমিদাৰ মাননীয় নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱ টান নৰীয়াত পৰে আৰু স্থানীয় চিকিৎসক ডাঃ অমৰেন্দ্ৰ কুমাৰ দাস (মন্টু ডাক্তৰ) দেৱক মাতি লৈ যায়। তেখেতৰ সুচিকিৎসাত চৌধুৰীদেৱ লাহে লাহে সুস্থ হৈ উঠে। তেখেতৰ চিকিৎসাৰ কালছোৱাত এদিনাখন চৌধুৰীদেৱে ডাঃ দাসৰ আগত প্ৰকাশ কৰে যে তেখেতে তেখেতৰ ওঠৰোকঠীয়া ৰং মহল 'কীৰ্তি মন্দিৰ' ৰাইজৰ হিতাৰ্থে কোনো এক অনুষ্ঠানত দান দিব বিচাৰে। এই কথা শুনি ডাঃ দাসদেৱ আনন্দ আৰু বিষ্ময়ত অভিভূত হয়। বিষ্ময় এই কাৰণেই যে ১৯৫৬ চনত চৰকাৰে জমিদাৰী সমূহ অধিগ্ৰহণ কৰাৰ পিছত জমিদাৰ সকলৰ আৰ্থিক অৱস্থা বৰ সূচল নাছিল। এনে অৱস্থাত সেইসময়ত প্ৰায় ২০ লাখ টকাৰ অধিক মূল্যৰ অপূৰ্ব কাৰুকাৰ্য খোচিত কীৰ্তি মন্দিৰ (১৩২৮ ভাস্কৰাব্দৰ আহাৰ মাহত ঢাকাৰ প্ৰখ্যাত সদানন্দ মিস্ত্ৰীয়ে নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰি উলিয়ায়) আৰু তৎসংলগ্ন প্ৰায় আঢ়ৈ বিঘা ভূমি কোনো অনুষ্ঠানক দান দিয়া ভাবিব নোৱাৰা কথা। কিন্তু প্ৰজাবৎসল দানশীল জমিদাৰ চৌধুৰীদেৱ সৰ্বজন হিতায় জীৱনজোৰা এনে কাৰ্য্যই কৰি আহিছে। ডাঃ দাসে সবিনয়ে তেখেতক জনালে যে তেওঁ এই বিষয়ত বিলাসীপাৰাৰ বিশিষ্ট ব্যক্তিসকলৰ লগত অনতিপলমে আলোচনা

কৰিব। সেই সম্পৰ্কে ডাঃ দাস মহোদয়ে স্থানীয় অসম ন্যাসনাল ক্লাব আৰু লাইব্ৰেৰীত ১৮ আগষ্ট ১৯৫৮ তাৰিখত বিলাসীপাৰাৰ বিশিষ্ট ব্যক্তিসকলৰ এখনি সাধাৰণ সভা আহ্বান কৰিলে। সভাত উপস্থিত আছিল মাথো আঠ গৰাকী ব্যক্তি। সভাত তলত উল্লেখ কৰা ধৰণে সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰে আৰু জমিদাৰ মহোদয়ক সাক্ষাৎ কৰিবলৈ ৯জনীয়া এটি স্বজাতি দল গঠন কৰি দিয়ে।

*A general meeting of the patrons of education of Bilasipara is held to-day the 18th August, 1958 at 7 P.M. in the local Assam National Club under the presidentship of Sri. Mahendra Kr. Saha, B.A., B.T. and the following resolutions are unanimously passed.*

*1. That as many of the poor students of Bilasipara and of the surrounding area can not provide for higher education else where, a college be started at Bilasipara with the possible resources as expediously as possible.*

*2. That as Sri. Nripendra Narayan Choudhury, Ex-Zamindar Chapar Estate is said to have expressed his pious desire for making a gift of the 'Kirti Mandir' for some noble cause, a deputation be sent to him with the request of giving the building for the proposed college.*

*3. That the undermentioned persons be deputed to see Sri. N.N. Choudhury with the prayer for making a deed of gift of the building known as the Kirti Mandir and also of the surrounding land and houses for starting the proposed college. (i) Sri. Shib Kr. Chakraborty, (ii) Sri. Nripendra Nath Chakraborty, (iii) Sri. Jagadananda Chakraborty, (iv) Sri. Rahimuddin Ahmed, (v) Dr. Amarandra Kr. Das, (vi) Md. Deraj Uddin Sarkar, (viii) Sri. Ram Chandra Lahiri & (ix) Sri. Rabindranath Roy.*
*The meeting terminated with vote of thanks to the chair.*

-Sd/- M.K.Saha,
President 18-8-1958


A general meeting of the patrons of Education of Bilasipara is held today, the 18th August, 1958 at 7 P.M. in the local Assam National Club under the presidency of Sri Mahendra Kumar Saha B.A., B.T. and the following resolutions are unanimously passed.

1. That as many of the poor students of Bilasipara and of the surrounding area cannot provide for higher education elsewhere, a college be started at Bilasipara with all possible resources as expeditiously as possible.

2. That as Sri Nripendra Narayan Choudhury, Ex-Zamindar, Chapor Estate is said to have expressed his pious desire for making a gift of the Kirti-mandir for some noble cause, a deputation be sent to him with the request of giving the building for the proposed College.

3. That the undermentioned persons be deputed to see Sri N.N. Choudhury with the prayer for making a deed of gift of the building known as the Kirti mandir and also of the surrounding land and houses for starting the proposed College.
(i) Sri Shib Kumar Chakravarty
(ii) " Nripendra Nath Chakravarty
(iii) " Jagadananda Chakravarty
(iv) Sri Mahendra Kumar Saha
(v) Md. Rahimuddin Ahmed
(vi) Dr. Amarendra Kumar Das
(vii) Md. Derajuddin Sarkar
(viii) Sri Ram Chandra Lahiri
(ix) " Rabindra Nath Ray

The meeting terminates with a vote of thanks to the Chair.

M. Saha
President
18.8.58

[illegible]

১৮ আগষ্ট ১৯৫৮ তাৰিখৰ সভাত মনোনীত কৰা সজাতি দলৰ সদস্যসকলে জমিদাৰ মহোদয়ক সাক্ষাৎ কৰি তেখেতৰ লগত কলেজ প্ৰতিষ্ঠাৰ বিষয়ে যি আলোচনা কৰে ২০-৮-১৯৫৮ তাৰিখৰ অসম ন্যাসনেল ক্লাবত শ্ৰীনৃপেন্দ্ৰ নাৰায়ণ চক্ৰৱৰ্ত্তী মহোদয়ৰ পৌৰহিত্বত অনুষ্ঠিত সভাত সেই বিষয়ে বিতংকৈ আলোচনা কৰে। সভাত উপস্থিত আছিল ১৩ গৰাকী ব্যক্তি।


Meeting held on 20.8.58 in the National club.

A meeting is held today to hear the versions of the Ex-zeminder regarding the donation of his property from the deputationists.

1. After detailed discussion regarding the various opinions expressed before the deputationists and individual members by the Zeminder, this meeting expresses the view that the Zeminder be requested to hand over his property to a trust board by a legally valid members. The doner be requested to include the following 4 gentlemen including persons of his choice in the trust board contemplated by him.

1. Sri Shew Bhagawan Agarwalla
2. " Rahimuddin Ahmed
3. " Shib Kr. Chakraborty
4. " Jagadananda Chakraborty.


2. The deputationist formed in the previous meeting be requested to meet the ex-zeminder and the D.C. and acquaint them with the view of this meeting.

3. The next meeting will be held on 22nd evening in the National club. Secretary, National club be requested to arrange the meeting on 22nd inst.

N. Chakraborty
President
20/8/58.

সভাই জমিদাৰ মহোদয়ক তেখেতে দান কৰিব বিচৰা সম্পত্তিৰ এখন দলিল যোগে তেখেতে মনোনীত কৰা Trust Board ক হস্তান্তৰ কৰিবলৈ অনুৰোধ জনাই সেই Trust Board ত (১) শ্ৰীশিউ ভগবান আগৰৱালা, (২) মহম্মদ ৰহিম উদ্দিন আহমেদ, (৩) শ্ৰীশিব কুমাৰ চক্ৰৱৰ্ত্তী আৰু (৪) শ্ৰীজগদানন্দ চক্ৰৱৰ্ত্তীৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ অনুৰোধ জনায়। সভাই সজাতি দলক জমিদাৰ মহোদয় আৰু জিলা উপায়ুক্ত মহোদয়ক সভাৰ মতামত জনাবলৈ দায়িত্ব অৰ্পন কৰে।

ইয়াৰ পাছত সভাই ডাঃ অমৰেন্দু কুমাৰ দাস আৰু অসম ন্যাসনেল ক্লাবৰ সম্পাদক সুবোধ কুমাৰ চক্ৰৱৰ্ত্তীদেৰক পৰিবৰ্ত্তী সভাসমূহ যৌথভাবে আহ্বান কৰিবলৈ দায়িত্ব দি বিলাসীপাৰাৰ বিস্তীৰ্ণ অঞ্চলৰ বিশিষ্ট শিক্ষাপ্ৰেমী ব্যক্তিসকলক মাতি এখন সাধাৰণ সভা অহ্বান কৰিবলৈ পৰামৰ্শ দিয়ে। সেইমতে, ২২-৮-১৯৫৮ তাৰিখত অসম ন্যাসনেল ক্লাবত শ্ৰীমহেন্দ্ৰ কুমাৰ সাহা দেৱৰ পৌৰহিত্বত এখনি সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত শ্ৰীজগদানন্দ চক্ৰৱৰ্ত্তী, শ্ৰীৰহিম উদ্দিন আহমেদ, শ্ৰীৰাম চন্দ্ৰ লাহিড়ী, শ্ৰীনৃপেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী আৰু সুশান্ত কুমাৰ চক্ৰৱৰ্ত্তীকলৈ এখন উপ-সমিতি গঠন কৰি দিয়ে। এই উপ-সমিতিখনক এজন উকিল নিয়োগ কৰি কীৰ্তি মন্দিৰ আৰু তৎসংলগ্ন মাটিৰ এখন দান-দলিল প্ৰস্তুত কৰাৰ কাৰণে যাৱতীয় তত্বাৱধান কৰিবলৈ কতৃত্ব প্ৰদান কৰে।

ইয়াৰ পিছত ২৭-৮-১৯৫৮ তাৰিখত শ্ৰীগঙ্গাৰাম শৰ্মাদেৱৰ পৌৰহিত্বত আন এখন সাধাৰণ সভা ন্যাসনেল ক্লাৱত অনুষ্ঠিত হয়। সেই সভাৰ ১নং প্ৰস্তাৱযোগে শ্ৰীজে.এন.দাস, আই.এ.এছ, উপায়ুক্ত গোৱালপাৰা জিলাক সভাপতি হিচাপে লৈ বিলাসীপাৰা আৰু ইয়াৰ সংলগ্ন অঞ্চলৰ ৫৬জন বিশিষ্ট ব্যক্তিৰে এখন সাধাৰণ কমিটি গঠন কৰে। সভাৰ ৩নং প্ৰস্তাৱযোগে

প্ৰস্তাৱিত কলেজৰ নাম "নৃপেন্দ্ৰ নাৰায়ণ কলেজ", বিলাসীপাৰা নামেৰে সৰ্বসন্মতভাৱে নামকৰণ কৰে।







৪নং প্ৰস্তাৱ যোগে জিলা উপায়ুক্ত মহোদয়ক সভাপতি, শ্ৰীমহেন্দ্ৰ কুমাৰ সাহাক সম্পাদক আৰু লছমীনা আগৰৱালাক কোষাধ্যক্ষ হিচাবে লৈ প্ৰথমে ১৬ জনীয়া পিছত আৰু ৪জনক অন্তৰ্ভুক্ত কৰি ২০ জনীয়া এখন কলেজ কাৰ্য সমিতি গঠন কৰে।

কাৰ্য্যকৰী সমিতি ঃ- (১) উপায়ুক্ত ধুবুৰী জিলা - সভাপতি, (২) মেনেজাৰ চাপৰ ষ্টেট ঃ শ্ৰীমহেশ চন্দ্ৰ নাথ - সভাপতি, (৩) শ্ৰীএন.এন. চৌধুৰী-উপ-সভাপতি (৪) মোঃ উমৰ উদ্দিন-উপ-সভাপতি। (৫) শ্ৰীসুধীৰ কুমাৰ বৰুৱা- সভাপতি, (৬) শ্ৰীমহেন্দ্ৰ কুমাৰ সাহা-সম্পাদক, (৭) শ্ৰীজগদানন্দ চক্ৰৱৰ্ত্তী-যুগ্ম সম্পাদক, (৮) শ্ৰীজয়ন্ত কুমাৰ চক্ৰৱৰ্ত্তী- সম্পাদক, (৯) শ্ৰীদেৱাজ উদ্দিন সৰকাৰ -যুগ্ম সম্পাদক, (১০) ডাঃ অমৰেন্দ্ৰ কুমাৰ দাস- যুগ্ম সম্পাদক, (১১) শ্ৰীলছমীনা আগৰৱালা-কোষাধ্যক্ষ, (১২) সম্পাদক মাৰোৱাৰী এছোছিয়াছন-সভ্য, (১৩) শ্ৰীশিৱ কুমাৰ চক্ৰৱৰ্ত্তী-সভ্য, (১৪) শ্ৰীজ কুমাৰ মেধী-সভ্য, (১৫) শ্ৰীশৰৎ চন্দ্ৰ সিংহ-সভ্য, (১৬) শ্ৰীবিমল চন্দ্ৰ চৌধুৰী-সভ্য, (১৭) শ্ৰীপঞ্চানন মেধী-সভ্য, শ্ৰীৰহিম উদ্দিন আহমেদ-সভ্য, (১৯) শ্ৰীনৃপেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী-সভ্য, (২০) শ্ৰীৰাম চন্দ্ৰ লাহিড়ী - সভ্য।

ইতিমধ্যে হোৱা বিতং আলোচনাৰ অন্তত মাননীয় নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰী মহোদয়ে ৯ নভেম্বৰ ১৯৫৮ ত ৫,৩০৫ নং দান-দলিল যোগে তেখেতৰ অপূৰ্ব কাৰুকাৰ্য্য খোচিত কীৰ্তি মন্দিৰ কলেজ কৰ্তৃপক্ষক হস্তান্তৰ কৰে। কলেজ কৰ্তৃ বিভিন্ন প্ৰাৰম্ভিক প্ৰস্তুতিৰ অন্তত ১০ আগষ্ট,১৯৬০ তাৰিখৰ এক ঐতিহাসিক দিনৰ শুভ মূহুৰ্ত্তত কলেজ স্থাপনৰ লগত বিশিষ্ট ব্যক্তিসকল স্থানীয় শিক্ষাপ্ৰেমী ৰাইজ বিলাসীপাৰা চহৰৰ মাজপথেদি বিপুল হৰ্ষ উল্লাসেৰে 'নৃপেন্দ্ৰ নাৰায়ণ ক নামফলি এখনলৈ (এই লিখকে নামফলিখন কান্ধতলৈ কঢ়িয়াইছিল) শোভাযাত্ৰা কৰি আহি কীৰ্তি মন্দিৰত উপস্থিত হৈ আনু মাঙ্গলিক কাম-কাজখিনি সমাপন কৰি নামফলিখন কীৰ্তি মন্দিৰৰ সন্মুখৰ চালৰ ওপৰত স্থাপন কৰি কলেজ প্ৰতিষ্ঠাৰ শু সম্পন্ন কৰে।

কলেজৰ প্ৰথম অৱস্থাত জিলা উপায়ুক্তক সভাপতি আৰু আই.এন. একাডেমীৰ প্ৰধান শিক্ষক মহেন্দ্ৰ কুমাৰ সাহ সম্পাদক হিচাবে লৈ কলেজ পৰিচালনা সমিতিখন গঠন হৈছিল, যদিও পিছলৈ কামৰ সুবিধাৰ কাৰণে জিলা উপায়ুক্তৰ ৰোকাখাতা হাইস্কুলৰ প্ৰধান শিক্ষক নৃপেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী মহোদয়ক সভাপতি মনোনীত কৰা হয়। তেখেত ১৯৬৭ চৰকাৰে মনোনীত কৰা পৰিচালনা সমিতি গঠন নকৰালৈ এই পদত কাৰ্য্য নিৰ্বাহ কৰিছিল। সম্পাদক মহেন্দ্ৰ

সাহাদেৰ তেখেতৰ স্কুলৰ কামৰ হেঁচাৰ কাৰণে কিছুদিন পিছত সম্পাদকৰ দায়িত্ব এৰাত গঙ্গাৰাম শৰ্মাদেৰ সম্পাদকৰ গুৰুদায়িত্ব চম্ভালে।

ইতিমধ্যে নিয়োগ পত্ৰ প্ৰেৰণ কৰা কলেজৰ অধ্যক্ষ শ্ৰীপ্ৰফুল্ল প্ৰাণ চাং কাকতিদেৰ আৰু আন শিক্ষক কৰ্মচাৰী সকল কলেজত যোগদান কৰিলে আৰু ১৯৬০-৬১ চনত শিক্ষা বছৰৰ ইন্টাৰমেডিয়েট প্ৰথম বাৰ্ষিক শ্ৰেণীৰ নাম ভৰ্ত্তিৰ অন্তত ৩১ গৰাকী ছাত্ৰ-ছাত্ৰীকলৈ শ্ৰেণীত পাঠদান আৰম্ভ হয়। প্ৰথম অৱস্থাত চাকৰিয়াল ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ কাৰণে পুৱা আৰু দিনৰ দুটা শ্বেপত পাঠদান অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰা হৈছিল। কিছুদিন পিছত পুৱাৰ শ্বেপ সলনি কৰি নিশাৰ শ্বেপ খোলা হৈছিল। পাঠ্য বিষয়সমূহ আছিল English, MIL (Assamese & Bengali), History, Civics, Logic & Commercial Geography. জনা যায় সেই বছৰতে গুৱাহাটী বিশ্ববিদ্যালয় দুবছৰীয়া ইণ্টাৰমেডিএড পাঠ্যক্ৰম সলনি কৰি এবছৰীয়া প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী আৰু তিনি বছৰীয়া স্নাতক পাঠ্যক্ৰম আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু Civics বিষয়টো উঠাই দি প্ৰাক-বিশ্ববিদ্যালয় শ্ৰেণী আৰু স্নাতক শ্ৰেণীত ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতি এই দুটা পাঠ্য বিষয় কৰে। যিহওক কলেজ পূৰ্ণদ্দোমে চলি থাকিল। কলেজৰ অধ্যক্ষ মহোদয় আৰু পৰিচালনা সমিতিয়ে গুৱাহাটী বিশ্ববিদ্যালয়, অসম চৰকাৰ, শিক্ষা বিভাগ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ লগত পূৰ্ণপৰ্য্যায়ৰ যোগাযোগ আৰম্ভ কৰে। ১৯৬১ চনৰ ১৮ জানুৱাৰী তাৰিখে তেতিয়াৰ অসমৰ মাননীয় অৰ্থমন্ত্ৰী আৰু পিছলৈ ভাৰতৰ মহামান্য ৰাষ্ট্ৰপতি জোনাব ফকৰ উদ্দিন আলী আহমেদ মহোদয় কলেজত পদাৰ্পন কৰি ছাত্ৰ-ছাত্ৰী আৰু বিপুল ৰাইজৰ উপস্থিতিত আনুষ্ঠানিক ভাবে কলেজৰ দ্বাৰ উন্মোচন কৰে।

কলেজৰ শিক্ষক, কৰ্ম্মচাৰী সকলৰ দা-দৰমহা আৰু আন আন খৰচৰ জোৰা মাৰিবলৈ কলেজ কৰ্ত্তৃপক্ষই ভালেমান ব্যৱস্থা গ্ৰহন কৰে। অৰ্থ সংগ্ৰহৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ ৰাইজে সম্পূৰ্ণ সহযোগ আগবঢ়ায়। সাধাৰণ ৰাইজৰ পৰা বৰঙণি, হাট বজাৰৰ বস্তু বিক্ৰীৰ পৰা বৰঙণি, মেলা আদিৰ পৰা বৰঙণি সংগ্ৰহৰ ব্যৱস্থা কৰা হৈছিল। প্ৰয়াত হীৰেণ শৰ্মাদেৰৰ নেতৃত্বত চুবুৰীয়া গাওঁবোৰৰ পৰা ধান-ম'ৰাপাট আদি উৎপন্ন বস্তু সংগ্ৰহ কৰা হৈছিল। এই বস্তুসমূহ সংগ্ৰহ কৰাৰ কাৰণে দুটা কেম্প পতা হৈছিল। এটা ৰাণীগঞ্জৰ বিলাসীপাৰা উন্নয়ণ খণ্ড ভৱনত আৰু আন এটা ফুটকীবাৰীত প্ৰথমতে ডিছ্‌পেন্সাৰী ভৱনত আৰু পিছত প্ৰয়াত বিনয় কুমাৰ ব্ৰহ্মৰ ঘৰত। কেম্পসমুহত থাকি ১৯৬১ চনত যিসকল ছাত্ৰই ধান-ম'ৰাপাট আদি খেতিয়ক গাওঁবাসী ৰাইজৰ পৰা সংগ্ৰহ কৰিছিল তেওঁলোক হল ঁঅনিমেষ বৰ্মন, শ্ৰীমহম্মদ বিন ৰেজ্জাক সৰকাৰ (মিন্টু সৰকাৰ), শ্ৰীনিৰঞ্জন শৰ্মা, শ্ৰীজগদানন্দ বৰকলিতা, ঁপৰেশ কুমাৰ বৰকলিতা, শ্ৰীসুভাষ কণ্ঠ আদি। প্ৰয়াত প্ৰভাত চন্দ্ৰ দেৱৰ নেতৃত্বত বগৰীবাৰী মহামায়া ধামৰ বিষুৱাৰ মেলাত কেম্প কৰি থাকি তলাবন্ধ টিনৰ বাকচত বৰঙণি সংগ্ৰহ কৰা ছাত্ৰ আৰু অনাছাত্ৰসকল আছিল- ঁঅনিমেষ বৰ্মন, শ্ৰীজগদানন্দ বৰকলিতা, শ্ৰীমহম্মদ বিন ৰেজ্জাক সৰকাৰ (মিন্টু সৰকাৰ), শ্ৰীৰমেল সৰকাৰ, ঁনৰোত্তম সিংহ, ঁপৰেশ কুমাৰ বৰকলিতা, শ্ৰীআলোক নাথ চক্ৰৱৰ্ত্তী (গাকটাপাৰা), ঁমৃগেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী, ঁকণ্ঠী দে আদি। সাতদিন ধৰি চলা এই বিষুৱাৰ মেলাত কেইবা হেজাৰ টকা সংগ্ৰহ কৰা হৈছিল। বিলাসীপাৰা মাৰোৱাৰী এছোচিয়েচনে এক বুজন পৰিমাণৰ ধন (১২,৫০০.০০) কলেজ কৰ্ত্তৃপক্ষলৈ আগবঢ়াইছিল। বিশেষভাবে উল্লেখনীয় যে, ১৯৫৯ চনত প্ৰতিষ্ঠিত বিলাসীপাৰা নগৰ সমিতিয়ে কলেজৰ আৰ্থিক চাহিদা পুৰাবলৈ বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। নগৰ সমিতিৰ প্ৰথম গৰাকী সভাপতি আছিল চাপৰ ষ্টেটৰ মেনেজাৰ প্ৰয়াত মহেশ চন্দ্ৰ নাথ আৰু উপ-সভাপতি আছিল জোনাব দেৰাজ উদ্দিন সৰকাৰ। বিলাসীপাৰা নগৰ সমিতিৰ অধীনত কেবাখনো হাট আছে, সেই হাট সমুহ ডাকত (লিজত)দি নগৰ সমিতিয়ে বুজন পৰিমাণৰ ধন সংগ্ৰহ কৰে। এই হাটসমূহৰ ভিতৰত গো-হাট (গৰু বেচা-কিনা বজাৰ)খন নগৰ সমিতিয়ে অপেক্ষাকৃত কম ধনৰ বিনিময়ত কলেজ কৰ্ত্তৃপক্ষক লিজত দিছিল। কলেজ কৰ্ত্তৃপক্ষই এই গো-হাটখন পুণৰ ডাকত দি বুজন পৰিমাণৰ ধন তাৰ পৰা লাভ কৰিবলৈ সক্ষম হৈছিল। সেই প্ৰক্ৰিয়া ১৯৬০ চনৰ পৰা কলেজে ঘাটি-মঞ্জুৰী নপোৱালৈকে প্ৰায় দহ বছৰ ধৰি চলি আছিল। ইয়াৰ উপৰিও কলেজৰ আচবাব পত্ৰ ডেক্স-বেঞ্চ, লাইব্ৰেৰীৰ কাৰণে কিতাপ, আলমাৰি আদি সংগ্ৰহ কৰাৰ ক্ষেত্ৰত শিক্ষক সকলেও আগভাগ লৈছিল। ৰোকাখাতা হাইস্কুলৰ প্ৰধান শিক্ষক প্ৰয়াত নৃপেন্দ্ৰ নাৰায়ণ চক্ৰৱৰ্ত্তী আৰু প্ৰয়াত দেৰাজ উদ্দিন সৰকাৰদেৱে ভালেমান কিতাপ কলেজ পুথিভঁৰাললৈ দান দিছিল।

স্থানীয় ঠিকাদাৰ প্ৰয়াত মাখোন চক্ৰৱৰ্ত্তীৰ দ্বাৰা কলেজ কৰ্ত্তৃপক্ষই প্ৰথম অৱস্থাত ৪০ জোৰা ডেক্স-বেঞ্চৰ লগতে টেবিল, চেয়াৰ আৰু ভালেকেইটা শিশু কাঠৰ আলমাৰি কলেজ কাৰ্য্যালয় আৰু পুথিভঁৰালৰ কাৰণে বনাই লৈছিল।

১৯৬২ চনত কলেজৰ প্ৰথমচাম ছাত্ৰ-ছাত্ৰী ইন্টাৰমেডিএড পৰীক্ষা ধুবুৰীৰ ভোলানাথ কলেজত অৱতীৰ্ণ হয়। এই পৰীক্ষাত কলেজৰ ৬ গৰাকী ছাত্ৰ উত্তীৰ্ণ হয়, তেওঁলোক হল- (১) আব্দুল আজিজ সৰকাৰ, (২) শ্ৰীমহম্মদ বিন ৰেজ্জাক সৰকাৰ (মিন্টু সৰকাৰ), (৩) ্ছামছুল হক, (৪) শ্ৰীআব্দুল লতিফ, (৫) শ্ৰীছামছুল হক আহমেদ আৰু (৬) জ্যোতিষ পাল।

কলেজখনৰ চালুকীয়া অৱস্থাত শিক্ষক সকল সুবিধা পালেই আন কলেজলৈ গুচি গৈছিল। কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰফুল্ল প্ৰাণ চাং কাকতি দেৱ তেখেতৰ ব্যক্তিগত কাৰণত কলেজৰ পৰা ৩১-১২-১৯৬২ তাৰিখত আঁতৰি যায়। ১৯৬৩ চনৰ পহিলা মাৰ্চৰ পৰা সেইসময়ৰ জেষ্ঠতম প্ৰবক্তা শ্ৰিৰ পূজন ৰামকানুদেৱক কলেজ পৰিচালনা সমিতিয়ে প্ৰথম অৱস্থাত Officiating আৰু পিছলৈ কলেজৰ অধ্যক্ষৰ পদত নিয়োগ কৰে।

কলেজে ১৯৬২-৬৩ শিক্ষা বছৰৰ পৰা প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ Affiliation লাভ কৰে। ১৯৬৩ চনৰ আৰম্ভণিৰ পৰা কলেজ কৰ্ত্তৃপক্ষই কলেজখনৰ চৰকাৰী মঞ্জুৰীৰ কাৰণে অসম চৰকাৰৰ শিক্ষা বিভাগ আৰু শিক্ষা সঞ্চালকালয়ৰ ওচৰত বিশেষভাবে খাটনি ধৰে। ১৯৬২ চনৰ অসম বিধান সভা নিৰ্বাচনত জোনাব দেৱাজ উদ্দিন সৰকাৰদেৱ বিলাসীপাৰাৰ পৰা বিধায়ক নিৰ্বাচিত হয়। কলেজ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেখেত এগৰাকী আগৰুণুৱা ব্যক্তি আছিল। তেখেত বিধায়ক নিৰ্বাচিত হোৱাত কলেজৰ বাবে সুবিধাৰ হল। এই সময়ত অসমৰ শিক্ষা মন্ত্ৰী আছিল কলংপৰীয়া ৰোমান্টিক কবি দেৱকান্ত বৰুৱাদেৱ। কলেজ খনৰ চৰকাৰী মঞ্জুৰীৰ কাৰণে কলেজ কৰ্ত্তৃপক্ষই তেওঁৰ ওচৰত বাৰুকৈ আবেদন জনালে। তেখেতে ১৯৬২ চনত এবাৰ কলেজ পৰিদৰ্শন কৰি যায়। কিন্তু বাৰে বাৰে আবেদন কৰা সত্ত্বেও কলেজে চৰকাৰী মঞ্জুৰী পোৱাত বিফল হয়। জানিব পৰা মতে এই বিফলতাৰ কাৰণ কলেজৰ নামটো। দেশ স্বাধীন হোৱাৰ পিছত প্ৰদেশ সমূহ পুণৰ গঠন কৰাৰ সময়ত তেতিয়াৰ গোৱালপাৰা জিলাৰ প্ৰায়ভাগ ৰজা জমিদাৰে অসম প্ৰদেশৰ লগত নহয় পশ্চিমবঙ্গ প্ৰদেশৰ লগতহে তেওঁলোকৰ জমিদাৰীৰ এলেকাসমূহ চামিল কৰাৰ পক্ষপাতি আছিল। চাপৰৰ জমিদাৰ নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱ তেওঁলোকৰ ভিতৰত এজন আছিল। গতিকে তেখেতৰ প্ৰতি অসম চৰকাৰ এক প্ৰকাৰ ৰুষ্ঠ হৈ আছিল। সেয়ে তেখেতৰ নামত কলেজখন প্ৰতিষ্ঠিত হোৱাত কলেজখনক চৰকাৰী মঞ্জুৰী দিয়াত চৰকাৰে ঘৰোতৰ আপত্তি দৰ্শালে। এই আপত্তিৰ পৰিপ্ৰেক্ষিতত কলেজখনে এক গভীৰ সংকটৰ সন্মুখীন হয়। কলেজ পৰিচালনা সমিতিয়ে এই সম্পৰ্কত বহুতোবাৰ আলোচনাত বহে। নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱ আৰু বিলাসীপাৰাৰ ৰাইজৰ লগতো এই সম্পৰ্কে বিশদভাবে আলোচনাৰ অন্তত ১৯৬৫ চনৰ ৩১ মে' তাৰিখে নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱৰ লগত সম্পাদিত হোৱা দান-দলিল বাতিল কৰি ৫৩৮৭ নং নতুন ক্ৰয়-বিক্ৰয় দলিল এখন (কলেজ কৰ্ত্তৃপক্ষই অতি দুখ আৰু পৰিতাপেৰে) কলেজ কৰ্ত্তৃপক্ষ আৰু নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱৰ মাজত সম্পন্ন হয় আৰু ১৯৬৬ চনৰ ৫ জানুৱাৰী তাৰিখে অনুষ্ঠিত কলেজ পৰিচালনা সমিতিৰ ২নং প্ৰস্তাৱযোগে নৃপেন্দ্ৰ নাৰায়ণ কলেজৰ নাম 'বিলাসীপাৰা কলেজ' লৈ সলনি কৰে এই নাম সলনিকৰণ একমাত্ৰ চৰকাৰী হেঁচাতহে কৰিবলগীয়া হয়। নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱৰ অমূল্য দান আৰু মহানুভৱতাৰ কথা কলেজৰ ইতিহাসত চিৰদিন অম্লান হৈ থাকিব আৰু বিলাসীপাৰীয়া ৰাইজ তেখেতক চিৰটিকাল শ্ৰদ্ধাৰে সুঁৱৰিব।

এই নাম সলনিৰ কথা অসম চৰকাৰ আৰু শিক্ষা বিভাগক তাৎক্ষনিতভাবে জনোৱাত চৰকাৰৰ শিক্ষা বিভাগে ১৯৬৬ চনৰ জুলাই মাহৰ পৰা কলেজখনলৈ মাহিলী ১৫০০/- (এহেজাৰ পাঁচশ) টকাকৈ Govt. Letter No. ECL.46/ 66/23 dtd. 10-1-67 যোগে বিশেষ মঞ্জুৰী হিচাপে আগবঢ়ায়। ইয়াৰ পিছত ১৯৬৭ চনত অসমৰ শিক্ষা বিভাগে গোৱালপাৰা জিলাৰ উপায়ুক্তক সভাপতি আৰু কলেজ অধ্যক্ষক সম্পাদক হিচাবে লৈ অসম কলেজ মেনেজমেন্ট আইন মতে প্ৰথমবাৰৰ বাবে কলেজৰ পৰিচালনা সমিতিখন গঠন কৰি দিয়ে। এইদৰে তিনিটা বছৰ অতিক্ৰম কৰাৰ পিছত ১৯৬৯ চনৰ পহিলা চেপ্তেম্বৰ পৰা Govt. Letter No. G(A) RC.22/68/136 dtd. 26-7-69 যোগে কলেজখনে চৰকাৰী ঘাটি মঞ্জুৰী লাভ কৰে। ইতিমধ্যে কলেজে ভাৰত চৰকাৰৰ বিশ্ববিদ্যালয় অনুদান আয়োগৰ F-2 পৰ্য্যায়ৰ কলেজত তালিকাভুক্ত হয়। গুৱাহাটী বিশ্ববিদ্যালয়ে কলেজখনলৈ ১৯৬৪-৬৫ শিক্ষাবৰ্ষৰ পৰা তিনিবছৰীয়া স্নাতক পৰ্য্যায়লৈ Affiliation প্ৰদান কৰে আৰু ১৯৭২-৭৩ শিক্ষাবৰ্ষৰ পৰা অংক বিষয়টো পাঠ্যবিষয় হিচাবে খোলাৰ অনুমতি দিয়ে।

১৯৭২ চনৰ শেষৰ ফালে দুগৰাকী ব্যক্তিয়ে কলেজৰ অধ্যক্ষ শ্ৰীশিৱ পূজন ৰামকানুদেৰৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ আনি ধুবুৰী আদালতত গোচৰ তৰে। এই গোচৰৰ চেলুলৈ কলেজ পৰিচালনা সমিতিয়ে কোনো কাৰণ দৰ্শোৱাৰ জাননী নিদিয়াকৈ কলেজৰ কাৰণে অক্লান্তভাবে কাম কৰি থকা অধ্যক্ষ ৰামকানুদেৰক চাকৰিৰ পৰা নিলম্বিত কৰে আৰু শিক্ষা সঞ্চালকৰ পৰা এই নিলম্বনৰ অনুমোদন আনিবলৈ সক্ষম হয়। সেই নিলম্বনৰ তিনি মাহৰ পিছতে কলেজ পৰিচালনা সমিতিয়ে তেওঁক চাকৰিৰ পৰা বৰ্খাস্ত কৰে যদিও এই নিয়ম বহিৰ্ভুত কাৰ্য্যত শিক্ষা সঞ্চালকে অনুমোদন দিয়াৰ পৰা বিৰত থাকে। অধ্যক্ষ ৰামকানু দেৰক নিলম্বনৰ পিছত ১০-০৩-১৯৭৩ তাৰিখৰ পৰা কিছুদিনৰ বাবে জ্যেষ্ঠতম প্ৰবক্তা শ্ৰীমনোমোহন দাসদেৱে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাবে কাম চলোৱাৰ পিছত অসমৰ এগৰাকী প্ৰখ্যাত সাহিত্যিক, শিক্ষাবিদ ড° মহেন্দ্ৰ বৰাদেৱ ২২-০৭-১৯৭৩ তাৰিখত কলেজৰ অধ্যক্ষৰ পদ অলংকিত কৰে আৰু কলেজখনত চলি থকা বিশৃংখল পৰিবেশ আঁতৰাই সুষ্ঠ শৈক্ষিক পৰিবেশ সৃষ্টি কৰে যদিও অলপ দিনৰ পিছতে তেখেত ইয়াৰ পৰা আতঁৰি গৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ 'ৰিডাৰ' পদত যোগদান কৰে। ইয়াৰ পিছত ইংৰাজী বিভাগৰ এগৰাকী প্ৰবক্তা শ্ৰীদীনবন্ধু ভট্টাচাৰ্যদেৱ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাবে কাৰ্যভাৰ গ্ৰহণ কৰি কাম কাজ চলাই যোৱাৰ পিছত ৩০-০৪-১৯৭৪ তাৰিখে বাছনি প্ৰাপ্ত নগাওঁৰ বুদ্ধেশ্বৰ গোঁহাইদেৱ কলেজৰ অধ্যক্ষ হিচাবে যোগদান কৰে আৰু প্ৰায় এবছৰকাল সুকলমে কাৰ্য্য নিৰ্বাহ কৰাৰ পিছত নগাওঁলৈ গুচি যায়। ফলত আন এগৰাকী জ্যেষ্ঠ প্ৰবক্তা শ্ৰীঅৰুণ কুমাৰ চক্ৰবৰ্ত্তীদেৱ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাবে কাম চলাই যায়। ইয়াৰ পিছত গুৱাহাটীৰ আৰ্যবিদ্যাপিঠ কলেজৰ শ্ৰীনগেন্দ্ৰনাথ ঠাকুৰীয়াদেৱ বাছনি প্ৰাপ্ত অধ্যক্ষ হিচাবে ১০-০৮-১৯৭৮ তাৰিখত কলেজত যোগদান কৰে আৰু প্ৰায় দুবছৰকাল অধ্যক্ষকতা কৰি কলেজৰ জ্যেষ্ঠতম প্ৰবক্তা শ্ৰীমনোমোহন দাস দেৰক কাৰ্যভাৰ চমজাই দি পুণৰ নিজ কলেজলৈ গুচি যায়। ইতিমধ্যে ধুবুৰী আদালতত শ্ৰীশিৱ পূজন ৰামকানুদেৰৰ বিৰুদ্ধে চলি থকা মকৰ্দমাত আদালতে ৰামকানুদেৰক নিৰ্দোষ হিচাপে ৰায়দান কৰে আৰু ৰামকানুদেৱ অসম শিক্ষাধিকাৰৰ নিৰ্দেশমৰ্মে ৩ মাৰ্চ ১৯৮১ তাৰিখে কলেজৰ অধ্যক্ষ হিচাবে যোগদান কৰাৰ লগে লগে প্ৰায় একদশক জোৰা কলেজত চলি থকা বিশৃঙ্খল পৰিবেশৰ অৱসান ঘটে।

১৯৮২ চনত কলেজে Education আৰু Commercial Geography বিষয় দুটা খোলাৰ কাৰণে বিশ্ববিদ্যালয়ৰ অনুমতি লাভ কৰে আৰু কলেজ কতৃপক্ষই বাইহাটা চাৰিআলিৰ শ্ৰীমতী মিনতি ডেকাক Education ৰ আৰু গুৱাহাটীৰ শ্ৰীমতী কুলদা দেৱীক Commercial Geography বিষয়ৰ প্ৰবক্তা হিচাবে নিয়োগ কৰি পাঠদান আৰম্ভ কৰে। পদ দুটি অমঞ্জুৰীকৃত হোৱা বাবে কিছুদিন পিছত শ্ৰীমতী ডেকা বঙাইগাওঁলৈ আৰু শ্ৰীমতী দেৱী গুৱাহাটী বিশ্ববিদ্যালয়লৈ গুচি যায়। ১৯৮৪ চনত চৰকৰে Education বিষয়ত পদ এটি মঞ্জুৰী দিয়াত সেই পদত গুৱাহাটীৰ শ্ৰীমতী অঙ্গিৰা মজুমদাৰক সেই পদত কলেজ কৰ্ত্তৃপক্ষই নিযুক্তি দিয়ে আৰু Commercial Geography বিষয়টো ছাত্ৰ-ছাত্ৰীৰ অভাৱত কলেজৰ পাঠ্য বিষয়ৰ পৰা উঠাই লয়। কলেজে মেজৰ খোলা ক্ষেত্ৰত প্ৰথমতে অসমীয়া আৰু ৰাজনীতি বিজ্ঞান পিছলৈ ইংৰাজী, অৰ্থনীতি, বুৰঞ্জী, অংক, দৰ্শন আৰু শিক্ষা বিষয়ত পৰ্য্যায়ক্ৰমে মেজৰ খোলে।

১৯৮৯ চনৰ পহিলা অক্টোবৰ তাৰিখত বিলাসীপাৰা ধুবুৰী জিলাৰ এটি প্ৰশাসনিক মহকুমা হিচাবে তৎকালিন অসমৰ মাননীয় মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তদেৱ মহকুমা সদৰ বিলাসীপাৰাত উদ্বোধন কৰে। মহকুমাখনৰ দ্বিতীয় গৰাকী মহকুমাধিপতি হিচাবে শ্ৰীধ্ৰুৱজ্যোতি হাজৰিকাদেৱ ১০-১১-১৯৮৯ তাৰিখে বিলাসীপাৰাত যোগদান কৰে। সেই সময়ত বিলাসীপাৰা কলেজৰ পৰিচালনা সমিতিৰ সভাপতি আছিল মহকুমাধিপতি। তেখেত কলেজ পৰিচালনা সমিতিৰ সভাত কলেজত বিজ্ঞান শাখা প্ৰৱৰ্ত্তনৰ বিষয়টো উত্থাপন কৰে আৰু এই বিষয়ত বিশদভাবে আলোচনাৰ বাবে এখন ৰাজহুৱা সাধাৰণ সভা আহ্বান কৰিবলৈ অধ্যক্ষ ৰামকানুদেৰক পৰামৰ্শ আগবঢ়ায়। অধ্যক্ষ মহোদয়ে সেই মৰ্মে এখন ৰাজহুৱা সাধাৰণ সভা কলেজত আহ্বান কৰে। সভাত উপস্থিত ৰাইজে বিজ্ঞান শাখা কলেজত প্ৰৱৰ্ত্তন কৰা বিষয়টো বিতংকৈ আলোচনা কৰাৰ অন্তত এখন 'ফিজিবিলিটি' কমিটি গঠন কৰি দিয়ে। সেই 'ফিজিবিলিটি' কমিটিয়ে কলেজত বিজ্ঞান শাখা প্ৰৱৰ্ত্তন কৰাৰ সপক্ষে যুক্তি সহকাৰে মতামত প্ৰকাশ কৰি তেওঁলোকৰ প্ৰতিবেদন কলেজ কৰ্ত্তৃপক্ষৰ ওচৰত দাখিল কৰে। কলেজ পৰিচালনা সমিতিয়ে এই প্ৰতিবেদন খৰচিমাৰি আলোচনাৰ পিছত ১০-১১-১৯৯০ তাৰিখত অনুষ্ঠিত পৰিচালনা সমিতিৰ ৬নং প্ৰস্তাৱ যোগে ১৯৯১-৯২ শিক্ষাবৰ্ষৰ পৰা কলেজত বিজ্ঞান শাখা প্ৰৱৰ্ত্তন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি ধুবুৰী জিলাৰ মাননীয় উপায়ুক্ত মহোদয়ৰ দ্বাৰা কলেজৰ বিজ্ঞান ভৱনৰ

আধাৰশিলা স্থাপন কৰে। কলেজৰ ছাত্ৰ-ছাত্ৰীৰ পৰা সংগৃহীত ভৰন মাচুল, অসম চৰকাৰৰ লটাৰী তহবিলৰ পৰা প্ৰথমে ১লাখ আৰু পিছলৈ ৩ লাখ টকাৰ অনুদানেৰে ১২০ ফুট দীঘল আৰু ৩০ ফুট বহলৰ এটা আটক ধুনীয়া দুমহলীয়া আৰ.চি.চি. বিজ্ঞান ভৱন লগতে পূৰ্ণ পৰ্য্যায়ৰ এটি বিজ্ঞানাগাৰ আৰু পানী যোগান ব্যৱস্থাৰে প্ৰস্তুত হৈ উঠে। এই ভৱন নিৰ্মাণ ক্ষেত্ৰত সেই সময়ৰ কলেজ পৰিচালনা সমিতিৰ সদস্য সৰ্বশ্ৰী অৰুণ কুমাৰ দাস, গণেশমল শেঠীয়া, মদনমোহন সাহা, প্ৰবক্তা ৰাজু বৰদলৈ আৰু প্ৰয়াত জব্বাৰ আলীদেৱে নেৰানেপেৰাকৈ লাগি থাকি নিৰ্মাণ কাৰ্য্য খৰতকীয়া আৰু সুচাৰুৰূপে সম্পন্ন কৰে। ১৯৯১-৯২ শিক্ষাবৰ্ষৰ পৰা উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক শ্ৰেণীৰে পাঠদান আৰম্ভ কৰি দুবছৰ পিছৰ পৰা স্নাতক পৰ্য্যায়ৰ পাঠ্যক্ৰম আৰম্ভ হয়। বিজ্ঞান শাখাৰ আৰ্থিক দিশ টনকীয়াল কৰাৰ কাৰণে প্ৰথম অৱস্থাত মহকুমাধিপতি মহোদয়ৰ তত্বাৱধানত আৰু সেইসময়ত বিলাসীপাৰাৰ নগৰ সমিতিৰ কাৰ্যবাহী বিষয়া শ্ৰীমতী ইন্দ্ৰাৱতী দাস মহোদয়াৰ সক্ৰিয় সহযোগত বিলাসীপাৰা নগৰ সমিতিৰ নতুন বে-চৰকাৰী বাচ-আস্থানৰ মাহিলী ২,৫০০/- টকা ভাড়াৰ পৰা ১,৭৫০/- টকা, স্থানীয় ইন্দ্ৰপুৰী চিনেমা হলৰ প্ৰতি টিকটৰ পৰা ১০ পইচাকৈ, এ.অ.চিৰ কেৰাচিন তেল বিক্ৰীৰ প্ৰতি লিটাৰৰ পৰা ২ পইচাকৈ বৰঙণি আৰু ছাত্ৰ-ছাত্ৰীৰ মাহিলী মাচুলেৰে বিজ্ঞান শাখাৰ আৰ্থিক চাহিদা পূৰ কৰাৰ চেষ্টা কৰা হৈছিল।

পৰ্য্যায়ক্ৰমে অসম উচ্চতৰ মাধ্যমিক শিক্ষা প্ৰৰ্যদে উচ্চতৰ মাধ্যমিকলৈকে Affiliation আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে স্নাতক পৰ্য্যায়লৈ প্ৰথমতে Affiliation আৰু পিছলৈ Permanent Affiliation মঞ্জুৰ কৰিছে। অসম চৰকাৰেও উচ্চতৰ মাধ্যমিক আৰু স্নাতক পৰ্য্যায় লৈকে Govt. Concurrance মঞ্জুৰ কৰিছে। উল্লেখযোগ্য যে বিজ্ঞান শাখাৰ সাধাৰণ পাঠ্যক্ৰম Physics, Chemistry, Zoology, Botany, আৰু Mathematics বিষয়ৰ লগতে আটাইকেইটা বিষয়ত Major খোলা হৈছে। শিক্ষকসকলৰ আশাশুধীয়া চেষ্টাত আৰম্ভণিৰে পৰা বিজ্ঞান শাখাৰ ফলাফল অতি উন্নত। কিন্তু পৰিতাপৰ বিষয় কলেজ কৰ্তৃপক্ষই নেৰানেপেৰাকৈ লাগি থকা সত্বেও আজিলৈ চৰকাৰে কলেজৰ বিজ্ঞান শাখাটো ঘাটি মঞ্জুৰী বা প্ৰাদেশীকৰণ কৰা নাই। ফলত এই শাখাত কৰ্মৰত ১৬ গৰাকী শিক্ষক আৰু ৮ গৰাকী কৰ্মচাৰীৰ আৰ্থিক দুৰাৱস্থাৰ সীমা নহোৱা হৈছে।

কলেজ লাইব্ৰেৰীত পাঠ্যপুথি আৰু প্ৰসঙ্গ পুথিলৈ প্ৰায় ২০ হেজাৰৰ অধিক সংখ্যক কিতাপ আছে। এই কিতাপ সমূহৰ সিংহভাগ বিশ্ববিদ্যালয় অনুদান আয়োগৰ Books and Journal শিতানত মঞ্জুৰ কৰা ধনৰ দ্বাৰা ক্ৰয় কৰা। কলেজ পাঠ্যক্ৰমত প্ৰতিটো বিষয়ৰ পৰ্যাপ্ত কিতাপ পুথি-ভঁৰালত আছে। ইয়াৰ উপৰিও Reading Room ত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ধৰণৰ Journal আৰু বাতৰি কাকত আলোচনী আদি পঢ়াৰ সুবিধা পায়। সেই জোনাকী যুগৰে পৰা আজিলৈ অসমীয়া লেখক-লেখিকাসকলৰ উৎকৃষ্ট গ্ৰন্থসমূহৰ উপৰিও দেশী-বিদেশী বিশিষ্ট লেখক-লেখিকাৰ ইংৰাজী, বঙলা গ্ৰন্থ আৰু অনুবাদ সাহিত্য লাইব্ৰেৰীত ঠাই খাই আছে, শিক্ষক, ছাত্ৰ-ছাত্ৰীয়ে হেঁপাহ পলুৱাই পঢ়িবহে লাগে। এইখিনিতে উনুকিয়াব পাৰি যে বিলাসীপাৰা তথা ধুবুৰী জিলাৰ এগৰাকী শ্ৰেষ্ট সাহিত্যিক, পুৰাতাত্বিক, গোৱালপাৰীয়া লোক সংস্কৃতিৰ বিশেষজ্ঞ, বুৰঞ্জীবিধ, স্বাধীনতা সংগ্ৰামী, অভিনেতা, নাট্যকাৰ, সমাজ কৰ্মী বিলাসীপাৰা কলেজৰ এগৰাকী প্ৰাক্তন সভাপতি সদ্যপ্ৰয়াত শিৱানন্দ শৰ্মাদেৱে তেখেতৰ ব্যক্তিগত গ্ৰন্থাগাৰৰ প্ৰায় ১০০খন মান অতি মূল্যৱান গ্ৰন্থ বিলাসীপাৰা কলেজ লাইব্ৰেৰীলৈ ২০০৯ চনত দান দি গৈছে। এই গ্ৰন্থবোৰ কলেজ লাইব্ৰেৰীৰ অতি মূল্যৱান সম্পদ ৰূপে পৰিগণিত হৈছে। প্ৰয়াত শৰ্মাদেৱ পৰিচালনা সমিতিৰ সভাপতি হৈ থাকোতে ১৯৮৮ চনত তদানিন্তন অসম চৰকাৰৰ মাননীয় ৰাজহ মন্ত্ৰী শ্ৰীথানেশ্বৰ বড়োদেৱৰ লগত তেখেত নিজে যোগাযোগ স্থাপন কৰি কলেজ সংলগ্ন প্ৰায় ১ বিঘা চৰকাৰী মাটি কলেজে লাভ কৰাত অৰিহণা যোগায়।

১৯৬২ চনত চীনৰ ভাৰত আক্ৰমণৰ সময়ত কলেজত এন.চি.চি. ইউনিট এটা প্ৰতিষ্ঠিত হয়। এন.চি.চিৰ অফিচাৰ আছিল কলেজৰ বুৰঞ্জী বিভাগৰ অধ্যাপক গোপাল চন্দ্ৰ কলিতাদেৱ। ১৯৬৪ চনত শ্ৰীজগদানন্দ বৰকলিতা আৰু বিষ্ণু চক্ৰৱৰ্ত্তীৰ নেতৃত্বত ৩০ জনীয়া 'কেডেট'ৰ দল এটি বিশ্বনাথ চাৰিআলিত কলেজ সমূহৰ এন.চি.চি.ৰ প্ৰথম কেম্পিংত যোগদান কৰে।

খেল-ধেমালীৰ ক্ষেত্ৰতো কলেজখনে পিছ পৰি থকা নাই। আন্ত-মহাবিদ্যালয় খেল প্ৰতিযোগিতাত যোগদান কৰি কেবাবাৰো সুনাম অৰ্জন কৰাৰ নিদৰ্শন আছে। কলেজ সপ্তাহতো বিভিন্ন খেল প্ৰতিযোগিতাত সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰী যোগদান কৰা দেখা যায়। সেইদৰে নৃত্য-গীত আদিৰো চৰ্চা ছাত্ৰ-ছাত্ৰীসকলৰ আছে। কলেজৰ বিভিন্ন অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে উন্নতমানৰ নৃত্যগীত আদি অতীজৰে পৰা পৰিৱেশন কৰি আহিছে। বিশেষকৈ থলুৱা নৃত্য-গীত (গোৱালপাৰীয়া)ৰ কথা আৰু ক'বই নালাগে। অৱশ্যে নাটক আদি অভিনয় কৰা ক্ৰমান্বয়ে কমি আহিছে। কলেজৰ জিম খানাতো শৰীৰ চৰ্চা কৰা বহুতো ছাত্ৰৰ ধাউতি পৰিলক্ষিত হয়। সামাজিক কাম-কাজতো ছাত্ৰসকলক আগ্ৰহ দেখা যায়। বিশেষকৈ কলেজৰ উন্নয়নৰ ক্ষেত্ৰত ছাত্ৰ

একতা সভাই কলেজখনৰ উন্নয়ণৰ কাৰণে তেওঁলোকৰ তহবিলৰ ১০% আচুতীয়াকৈ ৰখা ধনেৰে ভালেমান কাম কৰি অহা দেখা গৈছে।

কলেজৰ ভৱন আদি নিৰ্মাণ আৰু সংস্কাৰ সাধনৰ ক্ষেত্ৰত ২০০৩-০৪-০৫ আৰ্থিক বছৰত বিলাসীপাৰা পূৰ সমষ্টিৰ মাননীয় বিধায়ক শ্ৰীপ্ৰশান্ত কুমাৰ বৰুৱাদেৰৰ বিধায়ক এলেকা উন্নয়ণ পুঁজিৰ পৰা ৩.২৯ লাখ টকা মঞ্জুৰীৰ ধনেৰে কীৰ্তি মন্দিৰৰ পূৰ্ণ-সংস্কাৰ সাধন কৰা হয়। ইয়াৰ উপৰিও প্ৰাক্তন বিধায়ক জোনাব শ্ৰীআনোৱাৰ হুচেইন মহোদয়ে তেখেতৰ বিধায়ক এলেকা উন্নয়ণ পুঁজিৰ পৰা ১ লাখ টকা, প্ৰাক্তন সাংসদ ঁনুৰ ইছলাম চাহাবৰ এলেকা উন্নয়ণ পুঁজিৰ পৰা ৭৫ হেজাৰ টকা কলেজৰ শ্ৰেণীকোঠা নিৰ্মাণ কৰাৰ কাৰণে আগবঢ়ায়। বিশ্ববিদ্যালয় অনুদান আয়োগৰ ষষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনাৰে পৰা আজিলৈ গৃহ নিৰ্মাণ শিতানত আগবঢ়োৱা মঞ্জুৰীৰ ধনেৰে দুটা বৃহৎ আৰ.চি.চি. দুমহলীয়া গৃহ নিৰ্মাণ কৰা হৈছে। ইয়াৰ উপৰিও ডি.আৰ.ডি.এ. নিজা তত্ত্বাৱধানত ১০ লাখ টকাৰে আন এটি আৰ.চি.চি. গৃহ নিৰ্মাণ কৰি দিছে। বৰ্ত্তমান ধুবুৰী সংসদীয় সমষ্টিৰ সাংসদ জোনাব মৌলানা বদৰুদ্দিন আজমল চাহাবে তেখেতৰ সমষ্টি উন্নয়ণ পুঁজিৰ পৰা কলেজৰ 'অডিটৰিয়ম' এটি নিৰ্মাণৰ যোৱা ১০-৫-২০১০ তাৰিখত ভিত্তি স্থাপন কৰি ১০ লাখ টকা আৰু বিজ্ঞান শাখাৰ উন্নয়ণৰ কাৰণে ৫ লাখ টকাৰ অনুদান হিচাবে আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। ইয়াৰ উপৰিও ধুবুৰী জিলা পৰিষদৰ মঞ্জুৰীৰ ধনেৰে সংখ্যালঘু ছাত্ৰীসকলৰ কাৰণে এটি ছাত্ৰী নিবাস নিৰ্মাণৰ প্ৰস্তুতি চলি আছে। ২০০৩-০৪ চনত বিলাসীপাৰা পশ্চিম সমষ্টিৰ প্ৰাক্তন বিধায়ক শ্ৰীআলি আকবৰ মিঞা ডাঙৰীয়াই তেওঁৰ বিধায়ক এলেকা উন্নয়ণ পুঁজিৰ পৰা ২ লাখ টকা অনুদান আগবঢ়াই তেখেতৰ নিজা তত্ত্বাৱধানত কলেজ 'এলুম্‌নী' এচোচিয়েচনৰ কোঠালি এটি পোষ্টসহ আৰ.চি.চি. চাল এখন প্ৰস্তুত কৰি দিয়ে। প্ৰাক্তন সাংসদ আব্দুল হামিদ মহোদয়েও গৃহ নিৰ্মাণৰ ক্ষেত্ৰত কিছু ধন কলেজ খনলৈ আগবঢ়ায়।

বিশেষভাৱে উল্লেখনীয় যে বিশ্ববিদ্যালয় অনুদান আয়োগৰ অধীনত ২০০৪ চনত ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদৰ বিশেষজ্ঞ দল এটি কলেজ পৰিদৰ্শন কৰে। তেখেত সকলৰ অনুমোদন মৰ্মে কলেজে সন্মানীয় বি. গ্ৰেড (B Grade) লাভ কৰে।

কলেজ সমূহ চৰকাৰীকৰণ আৰু অৱসৰ প্ৰাপ্ত শিক্ষক-কৰ্মচাৰীসকলক পেঞ্চন দিয়াৰ কাৰণে দীৰ্ঘদিন দিন ধৰি চলা বিভিন্ন আলোচনা বিলোচনা আৰু আন্দোলনৰ অন্তত অসম চৰকাৰে যোৱা ১ জানুৱাৰী ২০০৫ তাৰিখৰ পৰা কাৰ্য্যকৰী অহাকৈ অসমৰ ঘাটি মঞ্জুৰী প্ৰাপ্ত কলেজসমূহ প্ৰাদেশীকৰণ কৰে আৰু অৱসৰ প্ৰাপ্ত কলেজ শিক্ষক কৰ্মচাৰীসকলক ১ ডিচেম্বৰ ২০০৫ তাৰিখৰ পৰা অৱসৰকালিন ভাতা (পেঞ্চন) প্ৰদান কৰাৰ কথা ঘোষণা কৰে। চৰকাৰৰ এই ঐতিহাসিক ঘোষণাই বিলাসীপাৰা কলেজকো সাঙুৰি লৈছে আৰু লঘনে-ভোকে জীয়াতু ভুগি থকা অৱসৰ প্ৰাপ্ত কলেজ শিক্ষক কৰ্মচাৰীসকলক ইয়াৰ দ্বাৰা বাৰুকৈ উপকৃত কৰিছে।

পৰিশিষ্টত মাথো এইখিনিকে ক'ব পাৰি- প্ৰাক্তন জমিদাৰ নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৰৰ লগত আলাপৰ পিছত ডাঃ অমৰেন্দ্ৰ কুমাৰ দাসদেৰে অসম ন্যাসনেল ক্লাবত আহ্বান কৰা ১৮-৮-১৯৫৮ তাৰিখৰ প্ৰথমখন সাধাৰণ সভাত উপস্থিত হৈছিল ৮ গৰাকী বিলাসীপাৰাৰ বিশিষ্ট ব্যক্তি- তেওঁলোক হ'ল- (১) ডাঃ অমৰেন্দ্ৰ কুমাৰ দাস, (২) ঁমহেন্দ্ৰ কুমাৰ সাহা, (৩)ঁজগদানন্দ চক্ৰৱৰ্ত্তী, (৪)ঁসুবোধ কুমাৰ চক্ৰৱৰ্ত্তী, (৫)ঁশিৱ কুমাৰ চক্ৰৱৰ্ত্তী, (৬) ঁফণী বোস, (৭) ঁ আব্দুল আজিজ সৰকাৰ আৰু (৮) ঁফণীন্দ্ৰ কুমাৰ চক্ৰৱৰ্ত্তী। এই ৮ গৰাকী ব্যক্তিয়ে প্ৰথমখন সভাতে বিলাসীপাৰাত এখন কলেজ প্ৰতিষ্ঠা কৰাৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছিল। ইয়াৰ ২ দিন পিছত ২০-০৮-১৯৫৮ তাৰিখৰ সভাত প্ৰথম সভাত উপস্থিত থকা ৮ গৰাকী ব্যক্তিৰ লগত আৰু ৫ গৰাকী ব্যক্তি - (১) নৃপেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী, (২) ব্যামকেশ শৰ্মা, (৩) মহম্মদ আলি সৰকাৰ আৰু দুগৰাকী ব্যক্তিক লৈ মুঠ ১৩ গৰাকী ব্যক্তি উপস্থিত আছিল। ইয়াৰ পিছৰ সভা সমূহত গঙ্গাৰাম শৰ্মা, লক্ষ্মীনাৰায়ণ আগৰৱালা, ৰহিম উদ্দিন আহমেদ, দেৰাজ উদ্দিন সৰকাৰ, পুলকানন্দ কলিতা, হীৰেন শৰ্মা, প্ৰভাত দেৱ, উপেন্দ্ৰ বিজয় দাস, নৰেন্দ্ৰ চন্দ্ৰ দাস, ননীমোহন দাস, ৰবীন ৰায়, প্ৰবোধ চন্দ্ৰ চক্ৰৱৰ্ত্তী, ৰাম চন্দ্ৰ লাহিড়ী, শিউ ভগবান আগৰৱালা আদি বিশিষ্ট ব্যক্তিসকল যোগদান কৰি কলেজ প্ৰতিষ্ঠাৰ কামত দেহে-কেহে লাগিছিল। এখেত সকলক আজি শ্ৰদ্ধাৰে সুৰোঁৰিছো। এই মুষ্টিমেয় ব্যক্তি কেইগৰাকীয়ে পিছলৈ গোটেই বিলাসীপাৰাৰ ৰাইজ আৰু ইয়াৰ বিস্তৃৰ্ণ অঞ্চলৰ জনসাধাৰণক জড়িত কৰি কলেজ প্ৰতিষ্ঠাত অগ্ৰহসৰ হয় আৰু ১৯৬০ চনৰ ১০ আগষ্ট তাৰিখত কলেজ স্থাপনৰ বীজ ৰোপন কৰে। সেই বীজ গজালি মেলি আজি এক মহীৰুহত পৰিণত হৈ আছে। এই ৫০ বছৰে কিমান জনে যে এই বৃক্ষত সাৰ পানী দিলে তাৰ সীমা সংখ্যা নাই। এই বিগত সময়খিনিৰ নানা ঘটনা পৰিঘটনাৰে অতিবাহিত হল অৰ্ধশতাব্দী। সেইবোৰ লিপিবদ্ধ কৰিবলৈ এখন মহাভাৰতৰ প্ৰয়োজন হব। ভৱিষ্যতে কোনোবাই হয়তো এই দুৰুহ কাম কৰিবলৈ কাপ হাতত লব। আজি মাথো এইখিনিকে ক'ব পাৰি জমিদাৰ চৌধুৰীদেৰৰ ভৱন আৰু ভূমিদান আৰু লগতে বিলাসীপাৰাৰ কতিপয় শিক্ষাপ্ৰেমী ব্যক্তিৰ অক্লান্ত চেষ্টা আৰু বিলাসীপাৰীয়া ৰাইজে হিয়া উজাৰি দিয়া সহায় সহযোগেৰে প্ৰতিষ্ঠা লাভ কৰা বিলাসীপাৰা কলেজ এই অঞ্চলৰ সৰ্ব শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক কলেজীয়া শিক্ষা প্ৰদানৰ মহতি প্ৰচেষ্টা সময়ৰ গতিৰ লগত খোজ মিলাই ব্ৰতী হৈ থাকিব চিৰটিকাল।

# শিক্ষাবিদ জোনাব ৰহিম উদ্দিন আহমেদ



জোনাব ৰহিম উদ্দিন আহমেদ মহোদয় বিলাসীপাৰা কলেজ প্ৰতিষ্ঠাৰ আৰম্ভণীৰ পৰা অতঃপ্ৰত ভাৱে জড়িত হৈ আছিল। ১৯৫৮ চনৰ ১৮ আগষ্ট তাৰিখত স্থানীয় অসম ন্যাসনেল ক্লাবত কলেজ প্ৰতিষ্ঠাৰ প্ৰথম খন সাধাৰণ সভাত চাপৰ জমিদাৰীৰ প্ৰাক্তন জমিদাৰ নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰী দেৱক সাক্ষাৎ কৰি কলেজ প্ৰতিষ্ঠাৰ কাৰণে তেখেতৰ কীৰ্তি মন্দিৰ দান দিবলৈ অনুৰোধ জনাবলৈ গঠন কৰা সজাতি দলত আহমেদ চাহাব এগৰাকী সদস্য মনোনীত হৈছিল। এই সজাতি দলৰ অনুৰোধ মৰ্ম্মে চৌধুৰী দেৱে তেখেতৰ কীৰ্ত্তি মন্দিৰ কলেজ প্ৰতিষ্ঠাৰ কাৰণে দান দিবলৈ সন্মতি জনাইছিল আৰু ১৯৬০ চনৰ ১০ আগষ্ট তাৰিখে বিলাসীপাৰা কলেজ প্ৰতিষ্ঠা লাভ কৰে। তেখেতে কলেজ প্ৰতিষ্ঠা দিনৰ পৰা কলেজখনৰ উন্নয়ণৰ ক্ষেত্ৰত যতপৰনাস্তিৰ অৰিহণা আগবঢ়াই আহিছিল। আহমেদ চাহাব অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত শৰৎ চন্দ্ৰ সিংহ দেৱৰ অতি ঘণিষ্ঠ ব্যক্তি আছিল। তেখেতৰ মুখ্যমন্ত্ৰী কালত আহমেদ দেৱ ১৯৭২ চনত বিলাসীপাৰা কলেজৰ পৰিচালনা কমিটিৰ সম্পাদকৰ পদত অধিষ্ঠিত হয়। আহমেদ দেৱে ১৯৭৩ চনত অসমৰ এগৰাকী প্ৰখ্যাত কবি, সাহিত্যিক, শিক্ষাবিদ পণ্ডিত, ড০ মহেন্দ্ৰ বৰা দেৱক এইখন কলেজৰ অধ্যক্ষ পদত নিয়োজিত কৰি এক উল্লেখিত অৱদান আগবঢ়ায়।

জোনাব ৰহিম উদ্দিন আহমেদ মহোদয় ১৯৬১ চনত স্থাপিত বিলাসীপাৰাৰ দ্বিতীয়খন অসমীয়া মাধ্যমৰ উচ্চ মাধ্যমিক (পিছত উচ্চতৰ) বিলাসীপাৰা পাব্লিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আছিল। তেখেতে এগৰাকী তীক্ষ্ণ মেধা সম্পন্ন ব্যক্তি আছিল। তেওঁ যিদৰে অতি দক্ষতাৰে বিদ্যালয় প্ৰশাসন চম্ভালিছিল ঠিক তেনেদৰে ছাত্ৰ-ছাত্ৰীসকলোক মৰম চেনেহ মিশ্ৰিত অনুশাসনেৰে শৃঙ্খলাবদ্ধ ভাৱে বিদ্যালয়ৰ শ্ৰেণীসমুহ নিয়াৰিকৈ অনুষ্ঠিত কৰাইছিল। তেখেত এগৰাকী শিক্ষাবিদৰ উপৰিও বিলাসীপাৰাৰ সামাজিক আৰু ৰাজনৈতিক দিশতো ভালেখিনি অৰিহণা আগবঢ়াই থৈ গৈছিল।

বিলাসীপাৰা কলেজৰ সোণালী জয়ন্তী উৎসৱৰ শুভ মুহুৰ্ত্তত আহমেদ দেৱক আমি শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ।

\- সম্পাদনা সমিতি



# বিলাসীপাৰা মহাবিদ্যালয়ৰ

# অতীত ৰোমন্থন

✍ মনোমোহন দাস
প্ৰাক্তন প্ৰবক্তা আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষ
বিলাসীপাৰা মহাবিদ্যালয়।

বিলাসীপাৰা মহাবিদ্যালয় স্থাপিত হয় ১৯৬০ চনৰ ১০ আগষ্ট তাৰিখে। সেই সময়ত বৰ্তমান ধুবুৰী জিলাত ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ বাহিৰে আন কোনো তেনেকুৰা উচ্চ শিক্ষানুষ্ঠান স্থাপন হোৱা নাছিল, যাৰ বাবে কেৱল আঢ্যবন্ত পৰিয়ালৰ ল'ৰা-ছোৱালীৰ বাহিৰে আন দুখীয়া ঘৰৰ ল'ৰা-ছোৱালীয়ে তাত গৈ পঢ়া-শুনা কৰিব নোৱাৰিছিল। সেয়েহে বিলাসীপাৰা অঞ্চলৰ কেইজনমান বিশিষ্ট ব্যক্তিৰ আশাশুধীয়া চেষ্টাৰ ফলত বৰ্ত্তমান ধুবুৰী জিলাৰ বিলাসীপাৰাত দ্বিতীয়খন মহাবিদ্যালয় স্থাপন হয় তেতিয়াৰ বিলাসীপাৰাৰ জমিদাৰ ঁনৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে তেওঁৰ বাস ভৱনটো বাদ দি দান কৰা ৰাজহাউলীটোত আৰু সেই মৰ্মে মহাবিদ্যালয়খনৰ নাম ৰখা হয় নৃপেন্দ্ৰ নাৰায়ণ মহাবিদ্যালয়, চমুকৈ এন.এন. কলেজ আৰু সেই মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষজন নিযুক্ত হয় তেতিয়াৰ কটন মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ঁপ্ৰফুল্লপ্ৰাণ চাংকাকতি। মই এই মহাবিদ্যালয়খনত অসমীয়া বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰো ইংৰাজী১৯৬২ চনৰ চেপ্টেম্বৰ মাহৰ কোনো এক তাৰিখে।

মহাবিদ্যালয়খনত যোগদান কৰি প্ৰথম অৱস্থাত মই খুবেই হাতাশ হৈছিলোঁ মহাবিদ্যালয়খনৰ শোচনীয় অৱস্থা দেখি। বহুতকেইটা বিভাগত প্ৰবক্তা নাছিল। ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও তেনেই তাকৰীয়া। তদুপৰি অধ্যক্ষ ডাঙৰীয়াই নিজেই মহাবিদ্যালয়খনৰ শোচনীয় অৱস্থাৰ কথা কৈ মোক প্ৰায় হাতাশ কৰি দিছিল। মই মহাবিদ্যালয়খনত নিযুক্ত হোৱাৰ সময়ত মাত্ৰ দুজনহে প্ৰবক্তা আছিল। এজন অৰ্থনীতি বিজ্ঞানৰ গৌৰীপুৰৰ ঁশিৱাপূজন ৰাম কাণু আৰু আনজন হ'ল বুৰঞ্জী বিভাগৰ প্ৰবক্তা আৰু পাছত নলবাৰীৰ বৰভাগ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ঁগোপাল চন্দ্ৰ কলিতা। তেতিয়া অসমত অসমীয়া বিভাগত এম.এ.ডিগ্ৰী লোৱা মানুহৰ সংখ্যা নিচেই কম আছিল। গতিকে বহুতো মহাবিদ্যালয়ত তেতিয়া অসমীয়া বিভাগৰ প্ৰবক্তা নাছিল। সেয়েহে ভাল ভাল মহাবিদ্যালয়ৰ অধ্যক্ষই মোক ব্যক্তিগত চিঠিৰে আমন্ত্ৰণ কৰিছিল, তেওঁলোকৰ মহাবিদ্যালয়ত কাম কৰিববলৈ। কিন্তু দুখৰ বিষয় এৰাব নোৱাৰা কেতবোৰ অসুবিধাৰ বাবে মই সেই সকল অধ্যক্ষৰ অমন্ত্ৰণ ৰক্ষা কৰিব নোৱাৰিলোঁ। সেই সময়ৰ বহুতো গণ্য-মান্য ব্যক্তিয়ে মহাবিদ্যালয়খনৰ অনিশ্চিত ভৱিষ্যত সম্বন্ধে কৈ মোক প্ৰায় হতাশ কৰি তুলিছিল। সেই সময়ত মই বিলাসীপাৰাত যিসকল ব্যক্তিক লগ পাইছিলো , সেই সকলৰ ভিতৰত অধ্যক্ষ গৰাকী ব্যক্তিত্বশীল ব্যক্তি আছিল। তেতিয়াৰ বিলাসীপাৰা নগৰ সমিতিৰ নগৰ পালিকা ঁজগদানন্দ চক্ৰৱৰ্ত্তী। তেওঁ মোক কৈছিল, ''দাস, আপোনালোক হতাশ নহ'ব। আমি নাখাই হ'লেও মহাবিদ্যালয়খনক বচাই ৰাখিম। তেওঁৰ যেনে কথা তেনেই কাম। তেতিয়াৰ বিলাসীপাৰা নগৰ সমিতি খনে আছিল মহাবিদ্যালয়খনৰ ধনৰ মূল উৎস। অইনতঃ পৌৰসভাই মহাবিদ্যালয়খনক প্ৰত্যক্ষভাবে কোনো অৰ্থ সাহায্য দিব নোৱাৰে। কি কৌশল কৰি তেওঁলোকে মহাবিদ্যালয়খনক অৰ্থ সাহায্য দিছিল তাক উল্লেখ কৰাটো নিষ্প্ৰয়োজন। চমুকৈ ক'ব লাগিলে সেইজন নগৰ পালিকা আৰু সেইখন নগৰ সমিতিয়ে আছিল মহাবিদ্যালয়ৰ জীৱন-দাতা।

কিন্তু দুখৰ বিষয় কোনো এক অৱাঞ্চিত পৰিস্থিতিত মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ঁপ্ৰফুল্লপ্ৰাণ চাংকাকতি মহাবিদ্যালয়ৰ পৰা গুচি যোৱাত মহাবিদ্যালয়খনৰ জ্যেষ্ঠ প্ৰবক্তা ঁশিৱপূজন ৰাম কাণুই মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰূপে নিযুক্তি পায়।

প্ৰথম অৱস্থাত মহাবিদ্যালয়খনত যিদৰে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম আছিল, সেইদৰে বিদ্যায়তনিক পাঠ্য বিষয় আৰু প্ৰবক্তাৰ সংখ্যাও তেনেই তাকৰ আছিল। সেই পাঠ্য বিষয় কেইটা আছিল - ইংৰাজী, অসমীয়া, বঙালী, অৰ্থনীতি বিজ্ঞান, ৰাজনীতি বিজ্ঞান, বুৰঞ্জী আৰু তৰ্কশাস্ত্ৰ আৰু দৰ্শন (Logic and philosophy)

এই খিনিতে এষাৰ কথা নক'লে নহ'ব যে, বিলাসীপাৰা মহাবিদ্যালয় স্থাপনৰ ক্ষেত্ৰত বিলাসীপাৰাৰ তদানীন্তন জমিদাৰ ঁনৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ অৱদানো কম নাছিল। তেওঁৰ নিজস্ব সতি-সন্ততি নাছিল। ঁজগদানন্দ চক্ৰৱৰ্ত্তীকেই আদি কৰি মহাবিদ্যালয়ৰ উদ্যোক্তাসকলৰ অনুৰোধক্ৰমে জমিদাৰী উচ্ছেদৰ পিছত তেওঁৰ সেই ৰাজহাউলীটো মহাবিদ্যালয়ৰ নামত দান কৰি দিয়ে এটি চৰ্তত,

সেই চৰ্তটো হ'ল, তেওঁৰ নামেৰে মহাবিদ্যালয়খনৰ নামাকৰণ হ'ব লাগিব। সেই মৰ্মেই মহাবিদ্যালয়খনৰ নাম ৰখা হয় নৃপেন্দ্ৰ নাৰায়ণ মহাবিদ্যালয়, চমুকৈ এন.এন.কলেজ।

ইয়াৰ পিছত আহিল মহাবিদ্যালয়খনৰ স্বীকৃতিৰ (Affiliation and Grand and Aid) কথা। বিশ্ববিদ্যালয়ে মহাবিদ্যালয়খনক স্বীকৃতি দিব নোখোজে। ইয়াৰ মূলতে মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ প্ৰফুল্লপ্ৰাণ চাংকাকতি বুলি সন্দেহ কৰা হৈছিল। সেয়েহে সেই সময়ৰ নগৰ পালিকা জগদানন্দ চক্ৰৱৰ্তীৰ নিৰ্দেশক্ৰমে অধ্যক্ষই মোক মহাবিদ্যালয়ৰ স্বীকৃতিৰ বাবে বিশ্ববিদ্যালয়লৈ পঠাই দিছিল। তেতিয়াৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক (Registrar) আছিল, বৰপেটাৰ চিদানন্দ দাস। যিজন ব্যক্তি আছিল মোৰ আত্মীয়, যাৰ বাবে মই স্বীকৃতিৰ আবেদনটো হাতে হাতে আনিব পাৰিছিলোঁ।

প্ৰথম অৱস্থাত আমি এই তাকৰীয়া অধ্যাপকসকলে মহাবিদ্যালয়খনৰ উন্নতিৰ বাবে কম খাটিবলগীয়া নহৈছিল। আমি প্ৰবক্তাসকলে ছাত্ৰসকলক লগত লৈ বতৰৰ সময়ত গাঁৱে গাঁৱে গৈ ধান সংগ্ৰহ কৰিছিলোঁ আৰু সেই ধান বিক্ৰী কৰি যি টকা পাইছিলো সেই টকাখিনি মহাবিদ্যালয়ৰ ফাণ্ডত জমা দিছিলোঁ। সেই সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ লগত শিক্ষকসকলৰ এক মধুৰ সম্পৰ্ক আছিল। তেওঁলোকে আমাক যথেষ্ট সন্মান কৰিছিল আৰু আমিও তেওঁলোকক মৰম কৰিছিলোঁ। উৎসৱ-পাৰ্বনত তেওঁলোকে আমাক নিমন্ত্ৰণ কৰি খুৱাইছিল।

তাৰ পিছত মহাবিদ্যালয়খনৰ সন্মুখত উদ্ভৱ হ'ল ঘাটি মঞ্জুৰিৰ সমস্যা। ঘাটি মঞ্জুৰিৰ বাবে লাগতিয়াল সকলোবোৰ চৰ্ত (Terms and Condition) পূৰণ হোৱাৰ পাছতো ৰেকাৰে মহাবিদ্যালয়খনক ঘাটি মঞ্জুৰি নিদিয়ে। তেওঁলোকৰ কথা হ'ল কোনো ব্যক্তি বিশেষৰ নামত মহাবিদ্যালয়ক ঘাটি মঞ্জুৰি দিব নোৱাৰে। অথচ ব্যক্তি বিশেষৰ নামত অসমত বহুতো মহাবিদ্যালয় আছে। এই ক্ষেত্ৰত কিছু ৰাজনৈতিক গোন্ধ থকা বুলি অনুমান কৰা হৈছিল। ভাৰতৰ স্বাধীনতা লাভৰ পিছত ৰাজ্য পুণৰ গঠনৰ সময়ত বিলাসীপাৰাৰ জমিদাৰ নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে যেন সেইসময়ৰ অবিভক্ত গোৱালপাৰা জিলাখনক বঙ্গদেশৰ লগত চামিল কৰিবলৈ দৃঢ়ভাৱে চেষ্টা চলাইছিল। পিছে এই সম্পৰ্কে সঠিক তথ্য জানিব পৰা হোৱা নাই। চাপৰৰ শৰৎ চন্দ্ৰ সিংহই ইয়াৰ বিৰোধিতা কৰি ইয়াক অসমৰ লগতে ৰাখে। সেয়েহে শৰৎ চন্দ্ৰ সিংহই তেতিয়াৰ অসমৰ শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱাক কৈ মহাবিদ্যালয়খনক ঘাটি মঞ্জুৰি দিয়াৰ ক্ষেত্ৰত বাধা দিছিল। অৱশেষত যিহওক উপা[য়] নাপাই কলেজ কৰ্তৃপক্ষই কলেজখনৰ নাম নৃপেন্দ্ৰ নাৰায়[ণ] কলেজ'ৰ পৰিৱৰ্তে 'বিলাসীপাৰা কলেজ' ৰাখিলে আৰু লগে লগে চৰকাৰে ঘাটি মঞ্জুৰি দিলে ১৯৬৯ চনৰ ১ চেপ্টেম্বৰ কোনোবা এটা তাৰিখত।

এইখিনিতে এষাৰ কথা নক'লে নহ'ব যে, এখ[ন] মহাবিদ্যালয়ৰ আৰ্থিক বা শৈক্ষিক মানদণ্ড নিৰ্ভৰ ক[ৰে] মহাবিদ্যালয়ৰ আৰ্থিক উৎস আৰু অধ্যক্ষজনৰ দক্ষতা আ[ৰু] সদিচ্ছাপুৰ্ণ আন্তৰিকতাৰ ওপৰত। কিন্তু বিলাসীপা[ৰা] মহাবিদ্যালয়খনৰ ক্ষেত্ৰত আমি এই দুয়োটাৰে অভাৱ দেখিবলৈ পাইছিলো, যাৰ বাবে আজিলৈ এই মহাবিদ্যালয়খনৰ তে[নে] কোনো উন্নতি লক্ষ্য কৰা নাযায়। এই মহাবিদ্যালয়খনত বহুতে গুণী-জ্ঞানী, দক্ষ আৰু উচ্চ ব্যক্তিত্বসম্পন্ন অধ্যক্ষ নিযুক্তি দি[য়া] হৈছিল। কিন্তু দুখৰ বিষয় কিছুমান অবাঞ্ছিত পৰিস্থিতি[ত] তেওঁলোকে ইয়াৰ পৰা যাবলগীয়া হয়। এই মহাবিদ্যালয়খন[ত] যিসকল অধ্যক্ষই কাম কৰি গ'ল সেই সকলৰ ভিতৰত আধুনি[ক] কবি ড০ মহেন্দ্ৰ বৰা, ড০ নগেন ঠাকুৰীয়া, ড০ যতীন্দ্ৰ না[থ] তালুকদাৰ, ড০ সুধীৰ কুমাৰ মণ্ডল আদিয়েই প্ৰধান।

বৰ্তমান মহাবিদ্যালয়খনত মেজৰ কেইবাটাও বিষয় খোলা হৈছে। মই মহাবিদ্যালয়খনত ভাৰপ্ৰাপ্ত অধ্যক্ষ হৈ থক[া] কালত বিজ্ঞান শাখাটোও খোলে। এই মহাবিদ্যালয়খনত ১৯৯১-৯২ শিক্ষাবৰ্ষত বিজ্ঞান শাখা মুকলি কৰা হয়। কি[ন্তু] দুখৰ বিষয় এই বিজ্ঞান শাখা খুলিবৰ আজি বিশ বছৰ হ'[ল] আজিলৈ ই ঘাটি মঞ্জুৰি নাপালে। আশা কৰো বিজ্ঞান শাখা[ৰ] বাবেও কলেজখনে অতি সোনকালে ঘাটি মঞ্জুৰি পাব।

অৱশেষত মই এষাৰ কথা উল্লেখ নকৰি নোৱাৰিছোঁ সেইটো হ'ল এখন কলেজৰ ৰাজ অট্টালিকাসম গৃহ হ'লে[ই] নহ'ব। তাৰ এটা চিৰজ্যোতিষ্মান আত্মাও থাকিব লাগিব। সে[ই] জ্যোতিষ্মান আত্মা অৰ্থাৎ মহাবিদ্যালয়খনৰ শিক্ষা বিষয়[ক] উন্নতিও হ'ব লাগিব। কিন্তু তাৰ বাবে লাগিব অধ্যক্ষ, ছাত্ৰ ছাত্ৰী, শিক্ষক আৰু ৰাইজৰ ঐকান্তিক প্ৰচেষ্টা। অৱশেষত মই প্ৰাক্তন প্ৰবক্তা তথা ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে মহাবিদ্যালয়খন[ৰ] উত্তৰোত্তৰ উন্নতি কামনাৰে মোৰ লিখনি সামৰিলোঁ।



# বিহঙ্গম দৃষ্টিত বিলাসীপাৰা কলেজৰ স্মৃতিৰ টুকুৰা



শ্রীসুভাষ চক্রৱৰ্ত্তী, বঙাইগাঁও।

পল পলকৈ সময় আগবাঢ়ি গৈ দিন, মাহ, বছৰ অতিক্রম কৰি যুগৰ সূচনা কৰে। সময়ৰ দলিলত ৰৈ যায় ইতিহাস তাৰ। শোক, বেজাৰ, হাহাকাৰৰ মাজতো সুখ, আনন্দ আৰু সুন্দৰৰ লুকাভাকু আছে। সেই আস্থাৰে জীৱন আগবাঢ়ে। অতীত মধুৰ ক্ষণবোৰ কেতিয়াও মোচ নেযায় মনৰ পৰা। অতীতৰ সেই মন ৰেঙোৱা দিনবোৰৰ কথা পাগুলি থকাৰ পৰতে খবৰ পালো বিলাসীপাৰা কলেজখনে পঞ্চাশ বছৰ গৰকিছে। সোণালী জয়ন্তী পালন কৰিব। খবৰটো পাই বৰ ভাল লাগিল। বহুত স্মৃতি বিজৰিত সেইখন কলেজৰ কথা মনত পেলাবলৈ যত্ন কৰিছো আজি। শাৰীৰিক অসুস্থতাৰ হেতু কথাবোৰ ভালদৰে জুকিয়াই মনলৈ আনিব পৰা নাই। ইংৰাজী ১৯৬০ চনৰ কথা। মই তেতিয়া শালকোচা হাইস্কুলত চাকৰি কৰি আছিলো, তেনেতে শ্রদ্ধেয় গঙ্গাৰাম শৰ্মা মহাশয়ৰ 'এপইন্টমেন্ট' লেটাৰ এখন পালো বিলাসীপাৰা কলেজত 'জইন' কৰিব লাগে। তেতিয়া বিলাসীপাৰা কলেজখনৰ নাম আছিল এন.এন.কলেজ (নৃপেন্দ্র নাৰায়ণ কলেজ) সেই সময়ত অসমৰ মুখ্যমন্ত্রী আছিল বিমলা প্রসাদ চলিহা, শিক্ষা মন্ত্রী আছিল দেৱকান্ত বৰুৱা, এ.পি.চি.চি ৰ গুৰুত্বপূৰ্ণ পদত আছিল শৰৎ সিংহদেৱ। আমি শুনা পালো সিংহদেৱৰ পৰামৰ্শ মতে এন.এন.কলেজখন বিলাসীপাৰা কলেজ হ'ল।

সেইসময়ত বিলাসীপাৰাত মাত্র তিনিখন হাইস্কুল আছিল। আই.এন.এ. একাডেমী, ৰোকাখাতা হাইস্কুল আৰু পাব্লিক হাইস্কুল। দূৰ-দুৰণিৰ পৰা ছাত্র-ছাত্রীখিনি আহি অশেষ কষ্ট কৰি শিক্ষা গ্রহণ কৰিছিল। শিক্ষাৰ মানদণ্ডও উন্নত আছিল। নিষ্ঠা আৰু সততাৰে শিক্ষাগুৰুসকলে পাঠদান কৰিছিল। আধুনিক শিক্ষণ পদ্ধতিয়ে ঢুকি নোপোৱাৰ পৰতো সেইকালৰ ছাত্র-ছাত্রী সমাজৰ একো-একোজন সুখ্যাতি সম্ভৱা হৈ উঠিব পাৰিছিল। ইং ১৯৪৭ চনলৈ মইও ৰোকাখাতা হাইস্কুলৰে ছাত্র আছিলোঁ।

বৰ্তমান বিলাসীপাৰা কলেজখন তাহানিৰ এন.এন কলেজখনত ইং ১৯৬০ চনত চেপ্টেম্বৰ মাহত মই যোগদান কৰিলো। অধ্যক্ষ পদত কটন কলেজৰ দৰ্শন বিভাগৰ অৱসৰ প্রাপ্ত অধ্যাপক প্রফুল্ল প্রাণ চাংকাকতি, প্রবক্তা হিচাবে নবেন্দু চক্রৱৰ্ত্তী, বুৰঞ্জী বিভাগত, ৰমেশ শৰ্মা, অসমীয়া বিভাগত, সুবোধ বাগচী, বঙালী বিভাগত, চাহাব উদ্দিন ইংৰাজী বিভাগত, পৌৰ বিজ্ঞান আৰু বাণিজ্যিক ভূগোলত মই যোগদান কৰিলো। কিছুদিনৰ পিছত নবেন্দু চক্রৱৰ্ত্তী নলবাৰীলৈ গুচি যোৱাত তেখেতৰ ঠাইত গোপাল কলিতা আহি যোগদান কৰিলে। চাহাব উদ্দিন চাহাবো কিছুদিন থাকি গুচি যোৱাত ইংৰাজী বিভাগৰ যজ্ঞেশ্বৰ ৰাও যোগদান কৰে। ৰমেশ শৰ্মাও কিছুদিন থাকি গুচি যোৱাত বৰপেটাৰ মনোমোহন দাসে, অসমীয়া বিভাগত যোগদান কৰে। কিছুদিনৰ পিছত যজ্ঞেশ্বৰ ৰাও গুচি যোৱাত, জ্ঞান ভৌমিক নামেৰে বিশিষ্ট জ্ঞানী ভদ্রলোক এগৰাকী ইংৰাজী বিভাগত যোগদান কৰিলে। দ্বিতীয় বছৰ ইং ১৯৬১ চনত শিৱপূজন ৰামকাণু পৌৰ বিজ্ঞান বিভাগত যোগদান কৰিলে। এনেদৰেই কিছুদিন চলাৰ পিছতো কলেজৰ শিক্ষাৰ মানদণ্ড উন্নত পৰ্যায়ৰ আছিল। অসম চৰকাৰৰ বিত্ত মন্ত্রী ফকৰুদ্দিন আলি আহমেদ সেই সময়ত কলেজখনলৈ আহিছিল আৰু এখন ৰাজহুৱা সভা পাতিছিল। D.D.P.I.(N.C.C.) শ্রীদুলাল ভূঞা কলেজলৈ আহিছিল আৰু Visiting বহীত সুন্দৰ মন্তব্য দিছিল।

সময়ৰ লগে লগে সমাজ জীৱনৰ বিভিন্ন পৰিৱৰ্তন আহিল। শৈক্ষিক ক্ষেত্রতো বিভিন্ন পৰিৱৰ্তন আহিল। আজিৰ প্রচাৰৰ বিভিন্ন মধ্যমত দেখা আৰু শুনা পোৱা বাতৰিৰ যোগেদি শিক্ষানুষ্ঠানসমূহৰ পৰিবেশ আৰু পৰিস্থিতি সমূহে প্রতিজন সচেতন ব্যক্তিক চিন্তিত কৰি তুলিছে। এটা সময়ত শিক্ষানুষ্ঠান সমূহৰ পৰিবেশ সুকীয়া আছিল। শিক্ষক আৰু ছাত্রৰ সমাহাৰত গঠিত এক পৱিত্র অনুষ্ঠান য'ত ছাত্র-ছাত্রী সকলৰ ব্যক্তিত্ব বিকাশৰ সকলো জ্ঞান অতি নিষ্ঠাৰে গ্রহণ কৰিছিল। শিক্ষকসকলেও নিজৰ দায়িত্ব সততাৰে সম্পাদন কৰিছিল যাৰ বাবে তেখেতসকল শ্রদ্ধা ভাজন বুলি অভিহিত হৈছিল। শিক্ষানুষ্ঠানক এক পবিত্র মন্দিৰ বুলি জ্ঞান কৰি মূৰ দোৱাইছিল। এতিয়া সেই ছবিৰ বহুত সলনি হ'ল। আধুনিক হ'ল তাৰ ঋণাত্মক দিশৰ অনুকৰণেই সেই ছবিৰ পৰিৱৰ্তন হ'বলৈ বাধ্য হৈছে। ই শুভ লক্ষণ কেতিয়াও হব নোৱাৰে। আজিৰ দিনত

সেইবোৰ কথাই ভৰাই তোলে। তাহানিৰ বিলাসীপাৰা কলেজখনলৈ মনত পৰে আৰু মনত পৰে ছাত্ৰছাত্ৰীসকললৈ। কিমান সুন্দৰ আছিল সেই শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ মধুৰ সম্পৰ্ক। শাৰীৰিক অসুস্থতাই পাহৰাই পেলালেও আজিও লাল ভাই অংশুমান চক্ৰৱৰ্ত্তী, অনিমেষ বৰ্মন, দীনবন্ধু কলিতা, চামচুল হক, হামিদ আদি ছাত্ৰ আৰু ছাত্ৰীৰ ভিতৰতো মায়া চক্ৰৱৰ্ত্তী, মনোৰমা দাস, শ্ৰুতি চক্ৰৱৰ্ত্তী আদিলৈ আজিও মনত পৰে। কেৰানী জয়নাৰায়ণ ঘোষ, চতুৰ্থ বৰ্গৰ সহায়ক ধৰণী ঘোষলৈ এতিয়াও মনত পৰে।

প্ৰিন্সিপাল প্ৰফুল্ল প্ৰাণ চাংকাকতি যেনেদৰে সৰৱৰহী তেনেদৰে খুহুতীয়া স্বভাৱৰ আছিল। আমাৰ ষ্টাফৰ সকলোখিনি কৰ্মচাৰীৰ সৈতে এটি আপোন পৰিয়ালৰ সম্পৰ্ক গঢ়ি উঠিছিল। প্ৰিন্সিপালৰ ভাতৃ ভাৱাপন্ন অমায়িক ব্যৱহাৰে আমাক একত্ৰিত হ'বলৈ প্ৰেৰণা যোগাইছিল। এতিয়াও মনত পৰে তেখেতৰ ধেমেলীয়া কীৰ্ত্তি-কলাপবোৰ। তেওঁ কাৰোবাক দহ টকা এটা দিবলগীয়া থাকিলে পইছাখিনি চাৰিবাৰ মান গন্তি কৰি দিয়া দৃশ্য বৰ আমোদজনক আছিল। পোষ্ট অফিচৰ লেটাৰ বক্সত কিবা চিঠি ড্ৰপ কৰিবলীয়া থাকিলেও চাৰিবাৰ মান পৰীক্ষা-নিৰীক্ষা কৰি চাইছিল। এনেবোৰ ধেমেলীয়া আৰু সচেতনতাৰে আমাৰ মাজত বৰ আপোনপোন হৈ পৰিছিল। ডঃ সৰ্ব্বপল্লে ৰাধাকৃষ্ণণৰ প্ৰত্যক্ষ ছাত্ৰ হিচাবেও চাংকাকতিয়ে গৌৰব অনুভৱ কৰিছিল।

আমাৰ ক্লাছবোৰ চলিছিল জমিদাৰে দান দিয়া বৃহৎ এচলীয়া ঘৰ এটাত। তাতেই অধ্যক্ষৰ কোঠা, আমাৰ ষ্টাফৰ কোঠা, ছাত্ৰ-ছাত্ৰীক ক্লাছৰ কোঠা। পৰম শান্তি আৰু সুস্থ পৰিবেশেৰেই ক্লাছবোৰ চলি গৈছিল। গৌৰাং নদীৰ পাৰত সুন্দৰ পৰিৱেশত কলেজখন এখন পবিত্ৰ ঋষিৰ আশ্ৰম সদৃশ আছিল। ইং ১৯৬১ চনৰ এপ্ৰিল মাহত ৰবীন্দ্ৰ শতবাৰ্ষিকী উদ্‌যাপন হৈছিল। উদ্‌যাপন সমিতিৰ মই সম্পাদক আছিলো কৰ্মোদ্যামী উদ্যোক্তাসকলৰ পৰা সহায়ৰ অভূতপূৰ্ব সঁহা লাভ কৰিছিলোঁ। শ্ৰীমান প্ৰণৱ দাসে নিজে আৰ্ট কৰি ৰবী নাথ ঠাকুৰৰ ফটো এখন আঁকি কমিটীক দিছিল।

কলেজখনৰ পৰিচালনাৰ দায়িত্ব আছিল গোৱালপা জিলাৰ উপায়ুক্ত গোলোকেশ্বৰ বৰুৱা সভাপতি, গঙ্গাৰাম শ সম্পাদক, সদস্য হিচাবে ৰহিমুদ্দিন আহমেদ, জগদানন্দ চক্ৰৱ নৃপেন চক্ৰৱৰ্ত্তী, শিৱকুমাৰ চক্ৰৱৰ্ত্তী, ৰামলাহিড়ী আদি সক ব্যক্তিসকল। সাম্প্ৰতিক কালত শৈক্ষিক জগতৰ সংঘাতম পৰিস্থিতিৰ কেৱলৰ পৰা বিলাসীপাৰা কলেজখন চিৰমুক্ত হৈ সুস্থ বাতাৱৰণেৰে শিক্ষা জগতৰ এক অম্লান পাথেয় হৈ ৰও তাকে কামনা কৰিলোঁ।

************





# মোৰ দুখ

ড° প্ৰণৱ কুমাৰ মহন্ত।

"কোনোবা ধুবুৰী" এই ব্যাকাংশ আমাৰ মাজত ব্যৱহাৰ হৈ আহিছে। ই কেৱল ভৌগালিক দূৰত্ব নুবুজায়। ই এক মানসিক দূৰত্বৰ প্ৰকাশ। এই কথাই অসমৰ আৱেগিক ঐক্য ব্যাহত কৰি আহিছে। সাধাৰণ মানুহেই নহয়, প্ৰখ্যাত ব্যক্তিয়েও এই কথা অনুভৱ কৰে। অসমখন এখন বৃহৎ ৰাজ্য নহয়। তথাপি কিয় অন্য অঞ্চলৰ মানুহ এই জিলাৰ মানুহৰ সমস্যা বুজি নাপায়। প্ৰয়াত স্বনামধন্য লেখক ৰেৱতী মোহন দত্ত চৌধুৰীয়ে তেওঁৰ এক লিখনিত অসমৰ বাতৰি কাকত মাধ্যমে, এই অঞ্চলৰ বান সমস্যা ৰাজ্যখনত তুলি নধৰাৰ কাৰণে দুখ কৰিছে। আমাৰ মাজত ভাৰত চৰকাৰে অসমক অৱহেলা কৰাৰ কথা দীৰ্ঘদিন চলি আহিছে। সচাঁ কথা কবলৈ হলে ই এক ফ্যাশনত পৰিণত হৈছে। অথচ অবিভক্ত গোৱালপাৰাৰ এক বৃহৎ অংশত উন্নয়ণৰ পোহৰ পৰা নাই। কৃষ্টিৰ ক্ষেত্ৰত বহুত দিনলৈকে এই অঞ্চলৰ কৃষ্টি সংস্কৃতিক আমি গ্ৰহণ কৰিব পৰা নাছিলো। সুখৰ বিষয় ইয়াৰ পৰিবৰ্ত্তন হৈছে যদিও ই যথেষ্ট নহয়। ভাৰতৰ সংগীতৰ যাদুকৰ ড০ ভূপেন হাজৰিকাই এই ক্ষেত্ৰত আগভাগ লৈছিল। প্ৰয়াত প্ৰতিমা পাণ্ডে বৰুৱাই গোৱালপাৰীয়া লোকগীতক সমগ্ৰ ৰাজ্যখনত জনপ্ৰিয় কৰাত বিশেষ ভূমিকা পালন কৰিছিল। তথাপি একাংশ মানুহে গোৱালপাৰীয়া সকলক 'বঙালী' বুলি কব খোজে। সেই সকলৰ এই কথা বুজাৰ সময় নাই যে এই অঞ্চলৰ এক সুকীয়া সংস্কৃতি আছে। পৰিস্থিতিৰ ক্ৰমাৎ পৰিবৰ্তন নোহোৱা নহয়। কিন্তু সীমান্ত অঞ্চলৰ ক্ষেত্ৰত যিটো সেইটোৱেই হৈছে এই অঞ্চলত। ইয়াত মানুহৰ উপাধিও সন্দেহৰ আৱৰ্ত্তত। যেনে- সৰকাৰ, বৰ্ম্মন, মণ্ডল আদি উপাধি ধাৰীসকলক অনা-অনমীয়া বুলি গণ্য কৰা হয়। বিলাসীপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে যোগদান কৰা শ্ৰীসুধিৰ মণ্ডলৰ বিৰুদ্ধে এজন ব্যক্তিয়ে নিজৰ দাবী সাব্যস্ত কৰিবলৈ 'বঙালী' বুলি আপত্তি কৰিছিল উৰ্দ্ধতন মহলত। আমাকো এই কথাৰে প্ৰভাৱিত কৰিবলৈ চেষ্টা কৰিছিল। চতুৰ মানুহে আমাৰ আৱেগিক ঐক্য ব্যাহত কৰাৰ চেষ্টা কৰে।

মোৰ দুখৰ দ্বিতীয় কাৰক হ'ল এনে ধৰণৰ। ১৯৬৪ চনৰ পৰা ২০০০ চনলৈ এই বিলাসীপাৰা মহাবিদ্যালয়ত শিক্ষক হিচাপে কাম কৰিছিলো। ১৯৬৪ চনৰ পৰা ১৯৬৯ চনলৈ আৰ্থিক দিশত আমি দুখীয়া আছিলো। কিন্তু এই সময়খিনিয়েই আছিল প্ৰাচুৰ্য্যৰ সময়। ভাতৃত্ববোধ, ছাত্ৰৰ প্ৰতি কৰ্ত্তব্য, শিক্ষণৰ ক্ষেত্ৰত দায়িত্ববোধ এইবোৰেও আছিল আমাৰ সম্পদ। ১৯৮৬ চনত আমি ইউ.জি.চি স্কেল পালো। আমি ধনৰ ধনী হ'লো।




ইয়েই আমাক দুখীয়া কৰি পেলালে। কামৰ প্ৰতি উৎসৰ্গাৰ ভাব, মহাবিদ্যালয়খনৰ প্ৰতি 'মৰম' এইবোৰ ক্ৰমে কমি আহিল। অন্ততঃ কিছু শিক্ষকৰ ক্ষেত্ৰত এই কথা প্ৰযোজ্য। আটাইবোৰ শিক্ষক হয়তো এনেকুৱা নহয়। ইয়াৰ পিছৰ সময়ত কথা মই নকও। কাৰণ ২০০০ চনৰ পিছৰ সময়খিনিৰ বিষয়ে মই নাজানো। অৱসৰৰ পিছত বিলাসীপাৰা এৰি মই নগাঁও পালোহি। মোৰ সেৱাৰ অন্তলৈকে পীড়াত ভুগিলো। মই কেৱল আনৰ কথা কব খোজো নাই। ই মোৰ আত্মসমালোচনাহে।

মোৰ দুখৰ তৃতীয় কাৰণটো হ'ল এনেকুৱা। সময় আগবঢ়াৰ লগে লগে একোখন ঠাইৰ উত্তৰণ ঘটে যদিও অপৰাধ আৰু নেতিবাচক ৰাজনীতিয়ে সামাজিক অৱক্ষয় আনে।

তথাপিও প্ৰতিখন ঠাইৰ বহুত ইতিবাচক দিশ থাকে। কিন্তু বৰ্তমান বিলাসীপাৰাৰ বা-বাতৰিত যোগাত্মক কথা প্ৰকাশ নহ
কেৱল কিছুদিন আগতে বাতৰি কাকতত দেখিলো শিল্পী প্ৰণৱ দাসৰ (এসময়ৰ মোৰ ছাত্ৰ) বিষয়ে ড০ হৰিচৰণ দাস এক ফি
লেখ। সেইদিনা খুব ভাল লাগিছিল। কিন্তু, সেই ভাল লগা আছিল সাময়িক। আজিকালি যেতিয়া বিলাসীপাৰাৰ বাতৰি প্ৰ
হয় তেতিয়া ইয়াৰ বিষয় হয় মাৰপিত, দুৰ্নীতি, ডকাইতি আৰু হত্যা। ই মোক দুখ দিয়ে।

মোৰ বৰ্তমান স্থান নগাঁৱত। বহুতেই জানে মই বিলাসীপাৰা মহাবিদ্যালয়ত দীৰ্ঘকাল শিক্ষাকতা কৰিছিলো। সেয়ে যে
কেৱল এনে বাতৰিয়েই বাতৰি কাকতত আৰু টি.ভিত ওলায়, মই লজ্জিত হওঁ। অথচ, এনে নহয় যে বিলাসীপাৰাত ইতি
একেবাৰেই নাই। এই সুযোগতে মই বিলাসীপাৰাৰ সাংবাদিকসকলক কিছু যোগাত্মক খবৰ সংগ্ৰহ কৰি নিজ নিজ কাক
টি.ভিলৈ পঠাবলৈ অনুৰোধ কৰিলো।

বিলাসীপাৰা কলেজত সোনালী জয়ন্তী বৰ্ষত উপনিত হোৱাত আন্তৰিক ভাবে উৎফুল্লিত হৈছো। এই চেগতে
ছাত্ৰ-ছাত্ৰীসকলৰ জনাইছো হিয়া-ভৰা মৰম আৰু শুভকামনা। সতীৰ্থ শিক্ষক ও বন্ধু সকললৈ জনাইছো আন্তৰিক প্ৰীতি
শুভেচ্ছা। আশা ৰাখিছো বিলাসীপাৰা কলেজ অদূৰ ভৱিষ্যতে সৰ্বস্তৰত উন্নয়ন সাধন কৰি আমাৰ শিক্ষা জগতত এক আ
স্থান দখন কৰিবলৈ সক্ষম হব।

সদৌ শেষত প্ৰায় গোটেই জীৱন অতিবাহিত কৰি অহা বিলাসীপাৰাবাসী ৰাইজলৈ জনাইছো আন্তৰিক শ্ৰদ্ধা।



# সোণোৱালী অতীতৰ মধুৰ স্মৃতিয়ে

শ্ৰীযতীন্দ্ৰ চন্দ্ৰ বৰুৱা,
প্ৰাক্তন অধ্যাপক, অৰ্থনীতি বিভাগ।

অতীতৰ কৰ্ম্মক্ষেত্ৰৰ সোঁৱৰণীবোৰ যেন ৰং বিৰঙৰ পাখি লগা পখিলা। পাখি মেলি ওচৰলৈ উৰি আহে আৰু ধৰিব খুজিলেই পখিলাৰ দৰে উৰি গুছি যায়। তথাপিও চোন অতীতৰ ঘটনা পৰি ঘটনাবোৰ সৌ সিদিনাৰ যেনহে লাগে। নিষ্ঠুৰ সময়ে কালৈকো অপেক্ষা কৰি নাথাকে। সেইবাবেই অতীত বৰ্ত্তমানেও সময়ৰ ওচৰত হাৰ মানে। দিন বাগৰি বছৰ আহে। আকৌ বছৰো অতীত হয়। ই যেন নিয়তিৰ নিয়ম। সোঁৱৰণীৰ বতাহজাকে যেন সময়ৰ ধূলি মাকতিৰে আৱৰা আৱৰনটো আঁতৰাই দি অতীতৰ ছবিখন স্পষ্টৰূপে দাঙি ধৰিব খোজে। জীৱনৰ অৱসৰ কালীন সময়ত (বিশেষকৈ ভাটি বয়সত) কোনো ব্যক্তিৰ জীৱনবোধে যেতিয়া চিন্তাৰ গভীৰতাত ডুব মাৰে তেতিয়া ব্যক্তিগৰাকীৰ মনটোৱে বৰ্ত্তমানৰ পৰিধি ভেদ কৰি সুদূৰ অতীতলৈ দৌৰ মাৰে আৰু জীৱনৰ ৰঙিণ ছবিবোৰৰ কথা ৰোমন্থন কৰি বিমল আনন্দ লভে; আৰু ইয়ে বিভিন্ন দুখ ও সংঘাট জৰ্জৰিত নিষ্ঠুৰ বৰ্ত্তমানৰ সমাজখনক দুঃচিন্তাবোৰৰ পৰা অলপ সময়ৰ বাবে হলেও পৰিতাপ দিয়ে। এইখিনিতে কবি "Thamas more" ৰ কবিতা এফাঁকিলৈ মনত পৰি গ'ল -

"Oft in the stilly night
Ere slumber's chain has bound me
Fond memory brings the light
Of other days around me."

১৯৬৬ চনৰ অক্টোবৰত কলেজৰ প্ৰবক্তা পদৰ বাবে একেলগে বিলাসীপাৰা আৰু পাচিঘাট গৱৰ্নমেন্ট কলেজৰ পৰা দুখন সাক্ষাৎকাৰৰ (Interview) নিমন্ত্ৰণী পত্ৰ পাওঁ। দুয়োখনৰে সাক্ষাৎকাৰৰ তাৰিখ এদিনৰ অগা-পিচাকৈ থকাত এখনতহে উপস্থিত হ'ব পৰা যাব। কিয়নো এখন ঠাই অসমৰ সুদূৰ পূবত আৰু আনখন সুদূৰ পশ্চিমত। মনটোত উগুল-থুগুল লাগিল। এখনত সাক্ষাৎকাৰ দি পিছদিনা আনখনলৈ গৈ পোৱা অসম্ভৱ। ইফালে অৰ্থবিজ্ঞানৰ এম.এ.পাছ কৰাৰে পৰা নিজৰ অৰ্হতা কামত লগাবলৈ মনটো উদগ্ৰীৱ হৈ আছিল। আমি ঘৰৰ জ্যেষ্ঠতম পুত্ৰ হোৱা বাবে মা-দেউতাহঁতে ওচৰৰ ঠাই বুলি বিলাসীপাৰালৈ যাবলৈ পৰামৰ্শ দিলে। পাচিঘাট চৰকাৰী কলেজ হলেও ময়ো মা-দেউতাৰ পৰামৰ্শ মানিয়েই কোনোদিনে নেদেখা নুশুনা ঠাই বিলাসীপাৰালৈবুলি নলবাৰী হৈ ৰাতিপুৱাৰ ট্ৰেইনত গৈ কোকৰাঝাৰ ষ্টেচনত নামিলো ইন্টাৰভিউৰ আগদিনাখন। কলেজীয়া বন্ধু অৰুণ চন্দ্ৰ তালুকদাৰ কোকৰাঝাৰ বেছিক ট্ৰেইনিং চেন্টাৰত ইনষ্ট্ৰাক্টৰ। মোক পাই বন্ধু তালুকদাৰ খুব খুচি। পিছদিনা ৰাতিপুৱাই তেওঁ মোক "মাই নাও" নামৰ বিলাসীপাৰালৈ যোৱা ৮ বজাৰ বাছ এখনত উঠাই দি শুভেচ্ছাৰে কলে, "একেবাৰে জইন কৰি আহিব, দুই বন্ধু একেলগে থাকি চাকৰি কৰিম।" ৯-১৫ মি. মান বজাত বাচখন "ইন্দ্ৰ নাৰায়ণ একাডেমী" (INA) কাষতে লগা বাচষ্টেশ্বনত ৰাখিলেগৈ। বাচৰ পৰা নামিয়েই সুন্দৰ চেহেৰাৰ হৃষ্টপুষ্ট ল'ৰা এজন পালো। তেওঁক সোধাত তেওঁ কলেজৰে ছাত্ৰ বুলি কৈ মোক ফিল্ডখনৰ সিপাৰলৈ লৈ গ'ল। দুয়ো ৰিক্সাখনত উঠি ললো। ছাত্ৰজনে মোক কৈ গ'ল "এইটো বেচৰকাৰী বাচ আস্থান, সিফাঁলে মেইন ৰাস্তাৰ ওচৰত ট্ৰেঞ্চপোৰ্ট ষ্টেচন আছে।" আমি দক্ষিণৰফালে গৈ আছিলো আৰু ল'ৰাজনে সোঁহাতে থকা ক্ৰমে-"পাব্লিক হাইস্কুল," "ইন্দ্ৰ নাৰায়ণ একাডেমী", "বেঙ্গলী প্ৰাইমাৰী স্কুল" দেখুৱাই দিলে। অলপ পিছতে চক এটা পালো। চ'কটোৰ সন্মুখৰফালে "পৰিদৰ্শন বঙলা" আৰু "টাউন কমিটীৰ অফিচ"। ৰিক্সাখন বাওফালে ঘূৰিল। এইবাৰ আমাৰ বাওহাতৰ ফালে ক্ৰমে "বিলাসীপাৰা থানা" আৰু "ছাব্ পোষ্ট অফিচ" আৰু সোঁফালে ক্ৰমে "টাউন জে.বি.স্কুল, আৰু আধা ভঙা অৱস্থাত থকা দুমহলীয়া ওখ কাঠৰ ডাঙৰ ঘৰ। জানিব পাৰিলো এই ঘৰটোৱেই বোলে প্ৰথমে চিনেমা হ'ল আছিল আৰু পিছত ইয়াত মিলিটাৰী কেম্প পতা হৈছিল। তাতেই এই ৰাস্তাটো শেষ হৈছে আৰু ই গৌৰাঙ্গ নদীৰ পাৰৰ ৰাস্তা সদৃশ বান্ধটোত (মথাউৰি) লগ লাগিছে। কলেজখনৰ পূৱ কাষেদি কুলুকুলু সুৰে বৈ যোৱা গৌৰাঙ্গ নদীখনে কলেজখনৰ সৌন্দৰ্য বৰ্দ্ধনৰ লগতে পৰিৱেশ আৰু স্বাস্থ্য সন্মত জলবায়ুৰো ভাৰসাম্য ৰক্ষা কৰি আহিছে। আনহাতে ই যেন কলেজখন ও বিলাসীপাৰা চহৰখনকে অতন্দ্ৰ প্ৰহৰীৰৰ দৰে সুৰক্ষা প্ৰদান কৰি আহিছে। কলেজখন চাপৰ ইষ্টেটৰ জমিদাৰ স্বৰ্গীয় নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ মনোমোহা

প্ৰাসাদোপম বঙলাটোত অৱস্থিত। দেখি বৰ ভাল লাগিল আৰু জমিদাৰী আমোলৰ কথা মনত পৰিল। কলেজখনৰ সোঁফালে মস্ত দীঘলীয়া ঘৰ এটা। এইটোতেই তেতিয়া চাৰ্কেল অফিচটো আছিল। কেবাটাও ৰুম আছিল। জমিদাৰে এই বঙলাটো আৰু ইয়াৰ পিছফালে থকা "নাট মন্দিৰ" বুলি জনা প্ৰকাণ্ড ঘৰটো কলেজৰ বাবে দান কৰি মহানুভৱতাৰ পৰিচয় দিয়া কথাটোৱে আমাক বাৰুকৈয়ে আপ্লুত কৰি তুলিছিল। এই বঙলাটোৰ পিছফালে থকা দ্বিতীয় বঙলাটোত (দুমহলীয়া) ওপৰ মহলাত জমিদাৰ চৌধুৰীৰ বাসস্থান আছিল। জমিদাৰে দান কৰা ঘৰটোত তেতিয়াৰ কলেজৰ অফিচ ষ্টাফ কমন ৰুম, শ্ৰেণী কোঠা, লাইব্ৰেৰী, প্ৰিন্সিপালৰ কোঠা ইত্যাদি সকলোবোৰ সুন্দৰকৈ জুৰিছিল।

আমাৰ সাক্ষাৎকাৰ পৰ্ব্ব হৈ যোৱাত কিছু পিছতে অধ্যক্ষজনে মাতি পঠিয়ালে আৰু অতি শীঘ্ৰে কামত যোগদান কৰিবলৈ আমন্ত্ৰণ জনালে। কলেজখনৰ ভৱিষ্যৎ খুব ভাল বুলি দৃঢ়তাৰে কলে। বাচ ষ্টেণ্ডৰ পৰা কলেজলৈ যোৱা পথটোৰ দুয়োকাষে ইমানবোৰ শিক্ষানুষ্ঠান টাউন কমিটিৰ অফিচ, থানা, ডাকঘৰ, ডাক বঙলা, চাৰ্কেল আফিচ আদি দেখি আৰু কলেজৰ অবয়বটো দেখি আমাৰ মনে ইতিমধ্যেই ইতিবাচক সিদ্ধান্ত লৈছিল। আমি হাঁহি মুখেৰে সোনকালে অহাৰ চেষ্টা কৰিম বুলি কৈ বিদায় লৈ বাচ ষ্টেণ্ডলৈ আহিলো।

পিছদিনা সন্ধিয়া ঘৰ পালোহি। আমি শীঘ্ৰে চাকৰিত যোগদান কৰিব লাগে বুলি কোৱাত মা-দেউতাই কোনো আপত্তি নকৰি যাবলৈ অনুমতি দিলে। কলেজত যোগদান কৰাৰ দিনাখনে কলেজৰ অধ্যক্ষই প্ৰথমে এটা শ্ৰেণীত পৰিচয় কৰি দিলে। বাকীবোৰ শ্ৰেণীত অধ্যাপক মহন্তই লৈ গ'ল। সেইদিনাৰ দিনটোৰ আনন্দ মই এতিয়াও পাহৰিব পৰা নাই। যেন মোৰ কৰ্ম্ম জীৱনৰ এক বিশেষ পাতনি। অধ্যক্ষ 'কানু' আৰু বুৰঞ্জীৰ অধ্যাপক গোপাল কলিতাই আমাক আন অধ্যাপকসকলৰ লগত আৰু অফিচৰ কৰ্ম্মচাৰী সকলৰ লগত পৰিচয় কৰাই দিলে। আটায়ে আমাৰ প্ৰতি খুব আগ্ৰহ দেখুৱালে। আমাৰ খুব ভাল লাগি গ'ল।

কিছুদিন যোৱাৰ পিছত বহুতো কথা জানিব পাৰিলো। কলেজখনে তেতিয়া এড্ হক (Ad hoc grant) মঞ্জুৰি পাইছে। সেই বছৰেই এড্ হক্ মঞ্জুৰি আগতে মাহিলী ১,৫০০ টকাৰ পৰা বৃদ্ধি হৈ ১৮০০ হৈছে। এই মঞ্জুৰি দুখনমান কলেজৰ বাবে বিশেষ মঞ্জুৰি আছিল। ৰাইজৰ দান বৰঙণি টাউন কমিটীৰ সহায়, হাট বজাৰৰ লেচীৰ পৰা পোৱা ধন ছাত্ৰ-ছাত্ৰীৰ মাচুলৰ অংশ বিশেষ আন আন সাহায্যৰ ওপৰত কলেজখনৰ বিত্তীয় ব্যৱস্থা নিৰ্ভৰ কৰে। আমি তাত প্ৰথমে গৈ পোৱাৰ সময়তে কলেজৰ অফিচৰ কৰ্ম্মচাৰী দুজন আছিল জমিদাৰ আমোলৰ অৱসৰ প্ৰাপ্ত কৰ্ম্মচাৰী জগদিশ চন্দ্ৰ চক্ৰৱৰ্ত্তী (বৰবাবু) আৰু হেমেন্দ্ৰ সান্যাল (কেৰানী)। দুয়োজনে বৃদ্ধলোক। পিয়ন আছিল ধৰনী কান্ত ঘোষ আৰু চৌকিদাৰ আছিল "সুখদেৱ"। কলেজৰ প্ৰবক্তাসকল আছিল ইংৰাজীত দীনবন্ধু ভট্টাচাৰ্য, অসমীয়াত মনোমোহন দাস, বেঙ্গলীত গীতা গুহা ৰায়, বুৰঞ্জীত ৰবীন্দ্ৰ বৰঠাকুৰ, অৰ্থনীতি বিজ্ঞানত ড° প্ৰণৱ কুমাৰ মহন্ত, ৰাজনীতি বিজ্ঞানত অৰুণ কুমাৰ চক্ৰৱৰ্ত্তী আৰু দৰ্শনত মহম্মদ হুছেইন। তেতিয়া লাইব্ৰেৰিয়ানৰ দায়িত্ব কোনো এজন প্ৰবক্তাক দিয়া হৈছিল। নৈশ শাখাও খোলা হৈছিল আৰু তাৰ বাবে আমাক মাহিলী ৬০ (ষাঠি) টকা বেতন দিয়া হৈছিল। আমাক গৱৰ্ণমেন্ট স্কেলতেই দৰ্ম্মহা দিছিল। তেতিয়া আমি মাহিলী দৰ্মহা ২৩৫ টকা (মূল দৰ্মহা = ২০০ + ডি.এ ৩৫ = ২৩৫ টকা) পাইছিলোঁ। কিন্তু এই দৰ্মহা আমাৰ বাবে তেতিয়া যথেষ্ট আছিল। কাৰণ বিলাসীপাৰাত খোৱা-বোৱাৰ বয় বস্তু উভৈনদী আছিল। দাম অতি সস্তা। গৰুৰ গাখীৰ প্ৰতি লিটাৰত মাত্ৰ ৫০ পইচা, কণী টকাত ১৪/১৫টা, মাছবোৰ ভাগ বা গোট হিচাবে কিনিছিলো। ভাল চাউল কে.জিত ৫০/৭০ পইচা, মঙহ কে.জিত ২/৩ টকা ইত্যাদি। আন বস্তুবোৰৰ দামো এই অনুপাতে আমাৰ মনত পৰে আমি টেম্পপোৰ্টত তাৰপৰা নলবাৰীলৈ আহিলে নিম্ন শ্ৰেণীত (Lower Class) ত ভাড়া লৈছিল ৮.৫০ পইচা। একেখন বাচৰে আগৰ ফাল দুশাৰী চিট (Uppar Class) আৰু পিছৰ ফালৰ বাকীবোৰ চিট নিম্ন শ্ৰেণী (Lower Class) আছিল। আজি এইবোৰ সপোন সপোন লাগে। গাখীৰ, মাছ মঙহ, কণী নানা মিঠাই বিলাসীপাৰাৰ খাটি পণ্য বস্তু আছিল। আমি গৈ কলেজত যোগদান কৰাৰ দিনাই দেখিলো আই.এন.এ. ফিল্ডখনত প্ৰকাণ্ড পেণ্ডেল। গম পালো ভাৰত বিখ্যাত তথা বিশ্ববিখ্যাত বিশিষ্ট নৃত্যবিদ উদয় শঙ্কৰ আৰু তেওঁৰ নৃত্য-দলে নৃত্য প্ৰদৰ্শন কৰিব। অধ্যক্ষ কানুৰে সৈতে আমি এই নৃত্যদলটো নৃত্য পৰিৱেশন উপভোগ কৰি নিজকে নিজকে ধন্য মানিলো। দলটোৰ ৩৬জনীয়া নৃত্যবিদসকলে ভিন ভিন নৃত্যৰে আমাক মোহিত কৰিলে। অৱশ্যে উদয় শঙ্কৰৰ যথেষ্ট বয়স হোৱাত তেওঁৰ 'Muscle Movement' মঙহ পেশীৰ নাচহে দেখুৱালে। কিছুদিন বিৰতিৰ পিছত পালো ভাৰতৰ বিখ্যাত মল্লবীৰ সকলৰ মল্লযুদ্ধ এই ফিল্ডখনতে। মানৱ পৰ্ব্বত (Man Mountain) কিংকং, দ্বাৰা সিং, জেনি মাৰ্ফি, এছ ৰান্ধৱা আদি বিশ্বখ্যাত মল্লবীৰৰ মল্লযুদ্ধ। এই মল্লযুদ্ধ বন্ধু এজনৰ লগত চাই ভালেই লাগিল। ১৯৫৮ চনতে গুৱাহাটীত জজ খেল পথাৰত প্ৰথমবাৰ এই সকলৰ মল্লযুদ্ধ দেখিছিলো।

বহুদিন বিৰতিৰ পিছত এখন বৃহৎ সঙ্গীত সন্ধিয়া এই ফিল্ডতেই উপভোগ কৰিলো। উক্ত অনুষ্ঠানত ভূপেন হাজৰিকা, হেমন্ত মুখাৰ্জী, সন্ধ্যা মুখাৰ্জী, বাপ্পী লাহিড়ী বিশিষ্ট গায়ক-গায়িকা সকলৰ গীত পৰিৱেশন উপভোগ কৰাৰ সৌভাগ্য আমাৰ ঘটিছিল।

প্ৰতি বছৰে তাত ৰাসমেলা, দুৰ্গা পূজা, কালি পূজা, বৰ ধুমধামেৰে পতা হয়। এই পূজাবোৰত বিশেষকৈ ৰাসমেলা আৰু দুৰ্গা পূজাৰ সুন্দৰ সুন্দৰ মূৰ্ত্তি, নানা কৌশল ও সাজ সজ্জাৰে সজ্জিত পূজা পেণ্ডেল আদিৰ মন মুহিব পৰা সৌন্দৰ্যই বিলাসীপাৰাবাসীৰ অতি উন্নত শিল্প-কুলাকুশলতাৰ পৰিচয় দিয়ে।

আমি জানো নদী মাতৃক দেশ বা ঠাই সদায় বসবাসৰ উপযোগী। ঐতিহ্যমণ্ডিত গৌৰাঙ্গ নদীয়ে বিলাসীপাৰা চহৰৰ কাষেদি বৈ গৈ বিলাসীপাৰাৰ জলবায়ু স্বাস্থ্য সন্মত কৰি ৰাখিছে। গৌৰাঙ্গৰ সিটো পাৰত চৰাঞ্চল। এই গাওঁবোৰ প্ৰধানকৈ মুছলমান বসতিস্থল আৰু কৃষি প্ৰধান অঞ্চল। এইবোৰ অঞ্চলত প্ৰচুৰ পৰিমাণে মৰাপাট, ধান, গম, জলকীয়া, মচুৰ, মাটি মাহ, মগু-মাহ, ধনীয়া, সৰিয়হ, কল, কুঁহিয়াৰ, অমিতা, পিয়াজ, বেঙেনা নানা শাক-পাঁচলি উৎপাদন হয়। তাৰোপৰি গৰু, ছাগলী, মহ, হাহ-কুকুৰা আদি চৰবাসীসকলে সৰহ পৰিমাণে পালন কৰে। কৃষিৰ এই উৎপাদিত বস্তুবোৰ গৌৰাঙ্গ নৈখনেৰে নাঁৱেৰে বিলাসীপাৰা বজাৰলৈ আমদানি কৰে। বিলাসীপাৰাক এক বৃহৎ বাণিজ্যিক কেন্দ্ৰ কৰি গঢ়ি তুলিছে। মঙ্গলবাৰ আৰু শনিবাৰে হাট বহে। এই হাটৰ দিনত দিনে ১০০/১৫০ খনলৈ নাওঁ নদীৰ কাষত গোট খাইছিল। কলেজৰ ওচৰৰ ঘাটটোত বহুবোৰ নাওঁ বান্ধিছিল। তেতিয়াই তাত ভাপ কলেৰে চলোৱা নাওঁ তালৈ আহিছিল। এই হাটবাৰৰ দুদিন বিভিন্ন অঞ্চলত পৃথকে 'মৰাপাট হাট', 'গৰু হাট', 'ছাগলী হাট', 'ধান হাট', 'মুৰ্গী-পাৰ হাট', 'শাক-পাঁচলি, মাহ-মচুৰ' আদিৰ হাট পৃথকে পৃথকে একোটা বৃহৎ অঞ্চলত বহে। ইয়াৰ উৎপাদিত মৰাপাট, সৰিয়হ, মুৰ্গী, ছাগলী আদি বিভিন্ন দূৰ ঠাইলৈ ৰপ্তানি হয়।

বাৰে বৰণীয়া জাতি, ভাষা, সংস্কৃতিৰ মহামিলনৰ ঠাই বিলাসীপাৰা।

বিলাসীপাৰা কলেজৰ সোঁণালী জয়ন্তী বৰ্ষ উদ্‌যাপন দিনত আমি নিশ্চয়কৈ সুঁৱৰিব লাগিব বিদ্যানুৰাগী তথা মহানুভৱ চাপৰ ইষ্টেটৰ জমিদাৰ প্ৰয়াত নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱক। ভূমিৰে সৈতে তেখেতৰ ৰাজহাউলীৰ সন্মুখৰ ফালে থকা প্ৰকাণ্ড কীৰ্ত্তি মন্দিৰটো কলেজ প্ৰতিষ্ঠাৰ বাবে দান কৰাটো বিদ্যোৎসাহী পুৰুষৰ মহান উদৰতাৰ পৰিচায়ক। প্ৰথমতে কলেজখনৰ নাম "এন.এন.কলেজ" (নৃপেন্দ্ৰ নাৰায়ণ কলেজ) আছিল। পিছতহে ৰাজনীতিৰ মেৰ-পেচত চৰকাৰী অনুদান লাভ কৰিবলৈ এই নাম সলনি কৰি "বিলাসীপাৰা কলেজ" নাম দিয়া হ'ল। আজিৰ এই শুভক্ষণত এই মহান ব্যক্তি গৰাকীলৈ আমাৰ সশ্ৰদ্ধ ভক্তি জনালো। তেখেতৰ আত্মাই শান্তি লভক এয়েই আমাৰ কামনা। ইয়াৰ উপৰিও বিলাসীপাৰা ৰাইজৰ তথা আন সদাশয় ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টা ও আৰ্থিক বৰঙণিয়ে বিলাসীপাৰা কলেজ প্ৰতিষ্ঠা আৰু উন্নতিত যথেষ্ট বৰঙণি যোগাইছে। এই মহান ত্যাগী, নিষ্ঠাবান ব্যক্তিসকলৰ মোৰ মনত পৰা সকল হ'ল - জগদানন্দ চক্ৰৱৰ্ত্তী, গঙ্গা ৰায় শৰ্ম্মা, ডেৰাজ উদ্দিন আহমেদ, ৰহিম উদ্দিন আহমেদ, নৃপেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী, মদন সাহা, শিব কুমাৰ চক্ৰৱৰ্ত্তী, মহেন্দ্ৰ সাহা, পুলকানন্দ বৰকলিতা, হীৰেণ শৰ্মা, লক্ষীনাৰায়ণ আগৰৱালা ইত্যাদি বিদ্যোৎসাহী ব্যক্তি আৰু (উল্লেখ নথকা) আন আন সকলক আজি এই শুভ দিনত আমি শ্ৰদ্ধাৰে সুঁৱৰিব লাগিব। তেখেতসকলৰ এই মহান ত্যাগ আৰু কৰ্ম্মৰ বাবে আমি সকলোৰে তেখেতসকলৰ স্বীকাৰ কৰা ঋণ নৈতিক কৰ্তব্য হোৱা উচিত।

# বিলাসীপাৰা মহাবিদ্যালয়ৰ অতীত স্মৃতি ৰোমন্থন -

✍ শ্ৰীসুৰল চন্দ্ৰ মহন্ত
বিলাসীপাৰা মহাবিদ্যালয়ৰ প্ৰথম চামৰ
স্নাতক ডিগ্ৰী প্ৰাপ্ত প্ৰাক্তন ছাত্ৰ।

জীৱন সূতীৰ চাকনৈয়া ভেদ কৰিবলৈ মনৰ মাজত পুহিৰখা অদম্য হেঁপাহত বাধা দিয়াটো জানো অসম্ভৱ? তেনে এটা পৰিবেশত বিলাসীপাৰা মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ স্মৃতি গ্ৰন্থৰ বাবে হাতত কাপ তুলি লৈছো স্মৃতিৰ মণিকোঠাৰ পৰা কিছু কথা লিখাৰ বাবে।

জীৱনৰ শিক্ষা আধাৰুৱা কৰি চাকৰিত সোমাই পৰিয়ালৰ আৰ্থিক দুৰৱস্থা দূৰীকৰণত মনোনিবেশ কৰাটো ভাবিব নোৱাৰা সাথৰ যেন অনুভৱ হৈছিল। উনৈশ শতিকাৰ আঠৰান্ন চনতে বিলাসীপাৰালৈ চাকৰি সংক্ৰান্তত আহো। তেতিয়া বিলাসীপাৰা এখন গাওঁ।

১৯৬২ চনত তেতিয়াৰ বিলাসীপাৰা এন.এন. কলেজত মই নৈশ শাখাৰ প্ৰথম চাম ছাত্ৰ হিচাবে স্নাতক ডিগ্ৰীৰ তিনি বছৰীয়া পাঠ্যক্ৰমৰ প্ৰথম বাৰ্ষিকত ছাত্ৰ হিচাবে অধ্যায়নত ব্ৰতী হবলৈ পাই নথৈ আনন্দিত হৈছিলো। মনত পুহি ৰখা অদম্য হেঁপাহক বাস্তৱায়িত কৰাৰ স্বপ্ন সাৰ্থক হোৱা যেন বোধ হৈছিল। মহাবিদ্যালয়খনৰ সৰ্বাগীন উন্নতি কল্পে দান বৰঙণি তোলা কামত ব্যস্ত হবলৈ পাই নিজকে ধন্য মানিছিলো। এই মহাবিদ্যালয়খনত তিনি বছৰ অধ্যয়নৰ অন্তত উনৈশ শতিকাৰ পয়ষষ্ঠি চনত কলা বিভাগত মহাবিদ্যালয়খনৰ প্ৰথম চামৰ স্নাতক ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হওঁ। প্ৰয়াত মহেজ উদ্দিন, দীনবন্ধু বৰকলিতা (আৰু আন তিনিগৰাকী সহপাঠীৰ নাম বৰ্ত্তমান মনত পৰা নাই) সৈতে কলা শাখাত স্নাতক ডিগ্ৰী লাভ কৰিব পাৰি নিজকে ধন্য মানো। এই মহাবিদ্যালয়তে সহপাঠী হিচাবে শ্ৰীপ্ৰভাত চন্দ্ৰ ৰায় (বিলাসীপাৰা), প্ৰয়াত শ্ৰুতি চক্ৰৱৰ্ত্তী শৰ্মা, প্ৰয়াত দেৱাজ উদ্দিন সৰকাৰ (তেতিয়াৰ স্থানীয় বিধায়ক) ৰ কন্যা মমতাজ সৰকাৰক ছাত্ৰী হিচাবে লগ পাইছিলো। স্নাতক পৰীক্ষাত প্ৰথম চাম ছাত্ৰৰ ভিতৰত ছজন ছাত্ৰ উত্তীৰ্ণ হোৱাত মহাবিদ্যালয় কৰ্তৃপক্ষই এখন বৃহৎ শোভাযাত্ৰাত আমাক সন্মুখত ৰাখি বিলাসীপাৰা চহৰৰ ৰাজ আলিয়েদি পৰিক্ৰমাৰ কথা আজিও মনত সজীৱ হৈ আছে। আমি বিলাসীপাৰা ৰাইজলৈ এই সুখ্যাতি আনিবলৈ পাই আজিও উৎফুল্লিত হওঁ। এইখিনিতে এটা কথা উল্লেখ নকৰিলে মনটো যেন পাতলাব নোৱাৰা অৱস্থা হয় - মহাবিদ্যালয় কৰ্তৃপক্ষই এখন সৰ্ম্বদ্ধনা সভাৰ আৰু নৈশ ভোজৰ আয়োজন মহাবিদ্যালয় প্ৰাঙ্গনত অনুষ্ঠিত কৰিছিল। সেই সভাত উত্তীৰ্ণ হোৱা ছজন ছাত্ৰৰ ভিতৰত লিখকে দুই এষাৰ বক্তব্য ৰাখিবলৈ পাই আনন্দিত হোৱাৰ লগতে ধন্য হওঁ। মহাবিদ্যালয়খনৰ এই মৰম তথা আশীৰ্বাদৰ বাবে আজিও সেই মুহূৰ্তবোৰ আজিও মোৰ মানস পটত সজীৱ হৈ আছে।

প্ৰয়াত জগদানন্দ চক্ৰৱৰ্ত্তী, তেতিয়াৰ চেয়াৰমেন বিলাসীপাৰা টাউন কমিটি আৰু মহাবিদ্যালয়ৰ সভাপতি প্ৰয়াত নিপেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তীদেৱে আমাক ফুলৰ মালা পিন্ধাই আদৰণি জনাইছিল। সেই অনুষ্ঠানে আমাৰ মন আপ্লুত কৰিছিল আৰু লগতে মহাবিদ্যালয়খনৰ প্ৰতি ভক্তি, শ্ৰদ্ধা নিবেদনৰ অকৃতিম ভাব জাগি উঠিছিল। আজি আশীৰ দেওনাত ভৰি দিয়া সময়ত মনলৈ ভাব জাগে অসমৰ আগশাৰীৰ কটন মহাবিদ্যালয়ৰ আই.এছ.চি. পঢ়া সময়ত কলেজীয়া জীৱনত যিখিনি সময় অতিবাহিত কৰিছিলো তাতকৈ কম সময় এন.এন. মহাবিদ্যালয়, বিলাসীপাৰাত ছাত্ৰ জীৱন অতিবাহিত কৰিলেও তাৰে বহু স্মৃতি মনত বিৰিঙি উঠি থাকে।

বিলাসীপাৰা মহাবিদ্যালয় ১৯ শতিকাৰ ষাঠি চনত স্থাপিত হয়। চাপৰ ষ্টেটৰ জমিদাৰ নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱে কলেজৰ মাটি আৰু ঘৰ দান দিয়াৰ বাবে তেখেতৰ নামেৰে প্ৰথমতে এই কলেজৰ নাম নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰী কলেজ নামেৰে নামকৰণ কৰা হৈছিল।

লিখকে নৈশ শাখাৰ ছাত্ৰ হিচাপে মহাবিদ্যালয়খনৰ প্ৰতি সহায়-সহযোগ আগবঢ়াবলৈ দৃঢ় প্ৰতিজ্ঞাবদ্ধ আছিল। সেয়েহে হাতত দান-পাত্ৰ (তলা লগোৱা) লৈ বিলাসীপাৰা বজাৰ, শালকোচা বজাৰ, বগৰীবাৰী বজাৰ আদি ঠাইত অৰ্থ সংগ্ৰহৰ বাবে গৈছিলো। লগত আৰু কেইবাজনো আগৰনুৱা ছাত্ৰ বন্ধু মহেজ উদ্দিন, প্ৰভাত চন্দ্ৰ ৰায় আদিও এই কামত সক্ৰিয় সহযোগ কৰিছিল। বিলাসীপাৰাৰ সাধাৰণ ৰাইজ, মাৰোৱাৰী সস্থা বিলাসীপাৰা নগৰ সমিতি আদিয়ে বুজন পৰিমাণৰ ধন সাহাৰ্য্য হিচাবে আগবঢ়োৱা হেতুকে মহাবিদ্যালয়খন অতি কম সময়ৰ ভিতৰতে আৰ্থিক দিশত সচ্চল হৈ উঠে। সেইবাবে বছা-বছা শিক্ষক মকৰল কৰাটো মহাবিদ্যালয় কৰ্তৃপক্ষৰ বাবে কিছু উজু হয়। মহাবিদ্যালয়খনৰ

প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰফুল্ল প্ৰাণ চাংকাকতি মহোদয় চাকৰি এৰি গুচি যোৱাত শিৱ পূজন ৰামকানুদেৰ অধ্যক্ষ পদত নিযুক্ত হয় আৰু কেইবাজনো কৃতী প্ৰবক্তাই মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী শিক্ষাদানত ব্ৰতী হয়। কেইবছৰমান পিছত নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱৰ নামত স্থাপন হোৱা এই মহাবিদ্যালয়খনৰ নাম সলনি কৰি বিলাসীপাৰা মহাবিদ্যালয় হিচাবে নতুনকৈ নামকৰণ কৰা হয়। অসমৰ সুযোগ্য সন্তান প্ৰয়াত ফকৰুদ্দিন আলী আহমেদ, তেতিয়াৰ অসমৰ বিত্ত মন্ত্ৰী আৰু পিচলৈ ভাৰতৰ ৰাষ্ট্ৰপতি হোৱা এই গৰাকী স্বনামধন্য ব্যক্তিয়ে এই মহাবিদ্যালয়খনত পদাৰ্পন কৰি মহাবিদ্যালয়খনৰ আনুষ্ঠানিক ভাৱে ১৯৬১ চনত কলেজৰ দ্বাৰ উন্মোচন কৰে।

বিলাসীপাৰা মহাবিদ্যালয়খনে নানা সংঘাত অতিক্ৰম কৰি আজি পঞ্চাছ বছৰত পদাৰ্পন কৰিছে। এই মহাবিদ্যালয়খন বৰ্ত্তমানে উন্নত পৰ্য্যায়ৰ মহাবিদ্যালয়লৈ উন্নিত হোৱাত স্থানীয় ৰাইজ সুখী হৈছে। মহাবিদ্যালয়ৰ এই সোণালী জয়ন্তী বৰ্ষ উপলক্ষে ওপৰ উ ল্লেখিত কথাখিনি লিখিবলৈ পাই নথৈ আনন্দিত হৈছোঁ। এই লেখনীৰ জৰিয়তে মহাবিদ্যালয় কতৃপক্ষ, শিক্ষক মণ্ডলিৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিলোঁ। ছাত্ৰ-ছাত্ৰী ভাই-ভনী সকললৈ আন্তৰিক মৰম আৰু প্ৰীতি যাচিলোঁ। সোণালী বৰ্ষ অনুষ্ঠানটি সৰ্বাঙ্গ সুন্দৰৰূপে সমাপন হওক এই কামনা কৰিলোঁ।

বিলাসীপাৰা মহাবিদ্যালয়ৰ নাম চিৰকাললৈ জাতিষ্কাৰ হৈ ৰওক-এই আশা নিবেদন কৰিলো আৰু লগতে লিখনীত হোৱা অজানিত ভূল ত্ৰুটিৰ বাবে সকলেৰে ওচৰত ক্ষমা বিচাৰিলোঁ। ভক্তি সহকাৰে।

।। জয়তু বিলাসীপাৰা মহাবিদ্যালয়।।



# সোঁৱৰণী

অৰ্দ্ধেন্দু নাথ চক্ৰৱৰ্ত্তী
প্ৰাক্তন ছাত্ৰ।

আজিৰ পৰা প্ৰায় চল্লিশ বছৰ পূৰ্ব্বে বিলাসীপাৰা মহাবিদ্যালয়খনৰ এজন সাধাৰণ ছাত্ৰ হিচাবে প্ৰত্যক্ষভাৱে জড়িত হোৱাৰ সৌভাগ্য হৈছিল।

অৱশ্যে, তাৰ কিছু আগতেও মহাবিদ্যালয়খনৰ লগত পৰোক্ষভাবে জড়িত আছিলোঁ এটি ছাত্ৰ সংগঠনৰ কৰ্ম্মী হিচাবে। সেয়ে পুৰণি কথা, পুৰণি স্মৃতি মাজে-সময়ে ভুমুকি মাৰি থাকে যদিও সেয়া নিজৰ হৃদয়ৰ গভীৰতম স্থানত লুকাই আছিল। প্ৰকাশ কৰাৰ কোনো সুযোগ নাছিল।

হঠাতে সিদিনা এই স্মৃতি গ্ৰন্থৰ মূখ্য সম্পাদক ডাঙৰীয়াই ফোন যোগে অনুৰোধ কৰাত মহাবিদ্যালয়খন আৰু মোৰ ছাত্ৰ জীৱনৰ দুই-এটি কথা লিখিবলৈ সাহস কৰিলো। ভুল হলে সুধী সমাজে মোক ক্ষমা কৰে যেন।

১৯৬০ চনত স্থাপিত কলেজখনত বহুত অভাৱ আছিল। এই অভাৱ সমূহ লৈ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অসন্তোষ বিৰাজ কৰি আছিল। এই অভাৱ অসন্তোষখিনি নিৰাময়ৰ কাৰণে মই আৰু মোৰ লগৰ কিছুমানে কলেজখনলৈ অহাত আমি ছাত্ৰ-ছাত্ৰীসকলে কিবা এটা কৰি দেখুৱাব পাৰিম বুলি নিজকে প্ৰবোধ দিছিলো। যদিও, আমি নিজে সিমানখিনি আশ্বস্ত নাছিলো। কাৰণ কলেজখনৰ সমস্যা বহুতো আছিল। তাৰ ভিতৰত প্ৰধানকৈ -- ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে আসন তথা ঘৰ-দুৱাৰৰ অভাৱ।

সেই সময়ত একতা সভাৰ সাধাৰণ সম্পাদক আছিল শ্ৰীছুৰত জামাল আৰু অন্যান্য সদস্যৰ লগতে ময়ো আছিলো ক্ৰীড়া সম্পাদক হিচাবে।

পিছৰবাৰৰ ছাত্ৰ-নিৰ্ব্বাচন হোৱাত সম্ভবতঃ ১৯৭২ চনত মই সাধাৰণ সম্পাদক হিচাবে নিৰ্ব্বাচিত হওঁ। তেনে সময়তে ডিব্ৰুগড়ৰ পৰা ড০ মহেন্দ্ৰ বৰাদেৱে আহি অধ্যক্ষৰ আসন অলংকৃত কৰে। ড০ বৰাৰ আগমনে মহাবিদ্যালয়খনত এক নতুন ৰূপ দান কৰে। তেখেতৰ দৃষ্টি-ভঙ্গি, শিক্ষাদান আদিয়ে সকলোক আকৃষ্ট তথা মোহিত কৰে। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ উৎসাহ বাঢ়ি গল আৰু শৈক্ষিক পৰিবেশৰ লগতে মহাবিদ্যালয়খনে যেন জী পাই উঠিল।

ড০ বৰাদেৱৰ পৰামৰ্শ মতে ছাত্ৰ ইউনিউন নাম সলনি কৰি বিলাসীপাৰা মহাবিদ্যালয় ছাত্ৰ একতা সভা নামেৰে নামকৰণ হ'ল আৰু এখন সংবিধানো প্ৰণয়ন কৰিলে।

তেতিয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৰবেচি ৪০০-৪৫০ জনমানহে আছিল। সেইখিনি ছাত্ৰ-ছাত্ৰীৰ পৰা সামান্য হাৰত সংগৃহীত মাচুলৰ দ্বাৰা কোনো কাম কাজ কৰা, যেনে - খেল-ধেমালীৰ সঁজুলী কিনা আৰু অন্যান্য কামৰ বাবে যথেষ্ট নাছিল। ছাত্ৰ-ছাত্ৰীসকলক সকলো সা-সঁজুলি যোগান ধৰিব নোৱাৰা নিজৰে বৰ দুখ লাগিছিল।

ড০ বৰাদেৱৰ উপস্থিতি তথা তেখেতৰ পৰামৰ্শ মতে চলি কলেজখনে প্ৰাণ পালে যদিও সেই সুখৰ দিন বৰ বেচিদিন নিটিকিল। তিনিমাহ মান পিছতে তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ ৰিডাৰ হিচাপে তেওঁ যোগদান কৰিলে। ড০ বৰাদেৱৰ পিছত নগাওঁ কলেজৰ পৰা শ্ৰীবুদ্ধেশ্বৰ বৰগোহাঁই, গুৱাহাটীৰ পৰা শ্ৰীনগেন্দ্ৰ নাথ ঠাকুৰীয়া আদি সকলে অধ্যক্ষ চকীত বহিল যদিও মহাবিদ্যালয়খনৰ সমস্যাসমূহ দূৰ নহল।

ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাবে কলেজখনৰ উন্নতিৰ হকে চৰকাৰী বিষয়া, ৰাজনৈতিক নেতা আদিলৈ তাত বাটি কাঢ়িও কোনো সুদল লাভ কৰিব নোৱাৰিলো। মোৰ কলেজীয়া ছাত্ৰ জীৱনৰ তেনে অৱস্থাতে ওৰ পৰিল।

১৯৮৩ চনত শ্ৰীযুত শিব পূজন ৰাম কানুদেৱ কলেজৰ স্থায়ী অধ্যক্ষৰ আসনত আসীন হ'ল। তেতিয়াৰ পৰা কলেজখনত এক সুস্থ শৈক্ষিক পৰিবেশ গঢ়লৈ উঠিব ধৰিলে।

কলেজীয়া জীৱন তেনেকৈয়ে নানা সমস্যাৰ মাজেৰে শেষ কৰি অৱশেষত অসম চৰকাৰে মোক অনুশাসক নিকায় (GB) সদস্য মনোনীত কৰাত নতুন নিকায়খনে সকলো কথা নতুনকৈ চিন্তা কৰি কলেজখনৰ সাৰ্বিক উন্নয়ণৰ দিশত মনোনিবেশ কৰি ভালেখিনি সফলো হও।

এনেকৈয়ে আৰম্ভ আৰু শেষ হ'ল মোৰ কলেজীয়া জীৱন। নানা অসুবিধাৰ মাজতো কলেজীয়া জীৱনৰ বহুতো ৰঙিন ছবি মাজে মাজে স্মৃতিত ভুমুকি মাৰি তাহানিৰ কথা মনত পেলাই দি থাকে।

তেতিয়াৰ আৰু এতিয়াৰ বিলাসীপাৰা কলেজখন একে হৈ থকা নাই। নানা ঘাত-প্ৰতিঘাতৰ মাজতে ঠন ধৰি উঠিছে বিলাসীপাৰা মহাবিদ্যালয়। তাৰ বাবে মোৰো বৰ আনন্দ লাগিছে।

# স্মৃতি

শ্ৰীমতী অপৰ্ণা চক্ৰৱৰ্ত্তী
প্ৰাক্তন ছাত্ৰী

অতীত মধুৰ, অতীত বিষাদৰ, সেই এৰি অহা অতীত দিনবোৰ হে যোৱা কাৰ্য বা ঘটনাই মানুহক আনন্দও দিয়ে আৰু তেনেকৈ দুখো দিয়ে। ভাৱিলে সপোন সপোন যেন লগা কলেজীয়া জীৱনৰ কিমান যে ছবি মনৰ দাপোনত ভাহি উঠে।

১৯৬৪ চনত মেট্ৰিক পাছ কৰিছোঁ। পাছ কৰাৰ পিছত বাবা (দেউতা) ই মোক N.N. College (আগতে কলেজৰ নাম আছিল) ভৰ্ত্তি কৰাই দিলে। বুকুত কি যে উগুল-থুগুল ভাৱ কি কৰিম, কি নকৰিম লাগিছিল। তেতিয়া কলেজৰ Class হয় ৰাতিপুৱা (Morning Shift) ত। School আৰু Collage ৰ Class ৰ ধৰণবোৰ একে নহয়। ভিতৰি ভিতৰি বৰ ভয় খালোঁ। পিছত যেনিবা সকলো ঠিক হৈ গ'ল। তেতিয়াৰ Pre-University এবছৰীয়া Course । এবছৰৰ ভিতৰতে Final পৰীক্ষা শেষ হৈ আজৰি।

সেই সময়ত শিক্ষক-ছাত্ৰৰ সম্পৰ্ক গুৰু শিষ্যৰ দৰে মধুৰ আছিল। ছাৰসকলক আমি স্কুলৰ ছাৰৰ দৰেই শ্ৰদ্ধা-ভক্তি কৰিছিলোঁ। আমাক (ছাত্ৰ-ছাত্ৰী)ক মৰমৰ চকুৰে তেখেতসকলে চাইছিল। তেতিয়া ছাত্ৰ-ছাত্ৰীও সিমান বেছি নাছিল। আবেলি প্ৰায়ে ছাৰ-বাইদেউ (বাইদেউ তেতিয়া এগৰাকী হে আছিল) সকলে প্ৰত্যেক (সম্ভৱ স্থলত) ছাত্ৰ-ছাত্ৰীৰ ঘৰলৈ ফুৰিবলৈ গৈছিল, পঢ়া-শুনাৰ খা-খবৰ লবলৈ। আমিও বৰ আনন্দ পাইছিলোঁ। তেখেত সকলে আমাক বৰ উৎসাহ দিছিল।

কিছুদিন পিছত দিনৰ ভাগত (day shift) class আৰম্ভ হয়। কলেজৰ Ric-Nic, খেল-ধেমালি, আবৃত্তি, নাটক আদিত অংশ গ্ৰহণ কৰিছিলোঁ আৰু সফলতাও মিলিছিল।

১৯৬৭ চনত বিদ্যালয় এখনত Primary শাখাত চাকৰি এটাত নিযুক্তি পালোঁ। তেতিয়া Day Shift ত পঢ়িবলৈ এটা সমস্যাত পৰিছিলোঁ। Class কেনেকৈ কৰিম? ৰাতি পঢ়িবলৈ বহুতো ছাত্ৰ-ছাত্ৰী ওলাল আমি Principal ছাৰক বিশেষভাৱে অনুৰোধ কৰাত তেখেত ৰাতিৰ Class (Night Shift) অনুষ্ঠিত কৰিবলৈ মান্তি হ'ল। ৰাতিৰ Class ত ছাত্ৰতকৈ ছাত্ৰীৰ সংখ্যা বেছি আছিল, ফলত Class বিলাক সদায় সম্পূৰ্ণ কৈ হৈছিল। ছাত্ৰবিলাকে অভিযোগ কৰিছিল যে এই ছাত্ৰীবিলাকৰ কাৰণে আমি সদায় শেষ Period লৈ Class কৰিব লাগে। ৰাতিৰ Class ৰ সময়ত আমি বৰ মনোযোগেৰে Class কৰিছিলোঁ। কাৰণ দিনৰ ভাগত ঘৰুৱা কাম-বন আৰু চাকৰি কৰি ৰাতিৰ ক্লাচত ফাকি দিয়া নাছিলোঁ। সন্ধিয়া আমি যেতিয়া কলেজলৈ যাওঁ তেতিয়াই সকলো শিক্ষক আহে আৰু কেৰাণী বাবু দুগৰাকী আহে, আমাক চোৱা চিতা কৰিবলৈ। আমি কলেজৰ সুস্থ পৰিবেশত চাৰিওফালে নিৰাপদে ফুৰাচকা কৰিছিলো। তেতিয়া বিলাসীপাৰাত Electric Light হোৱাই নাছিল। আমি হেচাক্ৰ পোহৰত Class কৰিছিলোঁ। তেতিয়া কলেজৰ সৌন্দৰ্য অতি মনোমোহা আছিল। কলেজৰ কাষেদি গৌৰাং নদী বৈ গৈছিল। নদীৰ সিপাৰে বিস্তীৰ্ণ চৰ অঞ্চল। চৰ অঞ্চলৰ মানুহৰ বিলাসীপাৰালৈ নাৱেৰে অহা যোৱা। আমি এদিন Plan কৰিছিলো যে ৰাতি Class নথকা সময়ত নাৱেৰে ফুৰিম। সেয়ে মাজে মাজে আমি নাৱেৰে ফুৰিছিলো। এদিন আমাৰ লগৰে বাইদেউ এজনী নাৱত থিয় হৈ আছিল। মই কৈছিলোঁ বহিবলৈ। তেওঁ একো নহয় বুলি কলে যদিও মই কিন্তু তেওঁৰ হাত এখন ধৰি আছিলোঁ এনেতে নাওখন ওলপ কাতি হোৱাত তেওঁ চিঞৰ মাৰি নাৱতে পৰি গল। ভাগ্য ভাল পানীত নপৰিল। সিদিনাৰ পৰা আমাৰ নৌকা বিহাৰ বন্ধ হল। অৱশ্যে এইবোৰ কথা কোনেও নাজানিছিল। সচাঁকৈয়ে জোনাক ৰাতি নাৱেৰে ফুৰি যে কিমান ভাল লাগিছিল এতিয়া সেইবোৰ সপোন সপোন যেন লাগে। আমাৰ সময়ত কলেজত প্ৰত্যেকৰ লগত প্ৰত্যেকৰে যি মিলা-প্ৰীতি আছিল সেয়া অতুলনীয়।

এতিয়া জীৱনৰ শেষ ছোৱাত উপনীত হৈছোঁ। আমাৰ লগত পঢ়া বন্ধু-বান্ধৱীহঁতক লগ পাবলৈ আৰু তেওঁ লোকৰ বিষয়ে জানিবলৈ বৰ মন যায়। তেনেকৈ ছাৰ বাইদেউসকলৰ কথাও জানিবলৈ ইচ্ছা যায়। সময় নীৰৱে অতিবাহিত হৈ আছে। কলেজীয়া জীৱনৰ কিমান স্মৃতি। সেই সোণালী দিনবোৰৰ কথা মনত পৰিলে যেনেকৈ মন ৰোমাঞ্চিত হৈ উঠে তেনেকৈ বিষাদেও কেতিয়াবা হিয়া আৱৰি ধৰে। হেৰোৱা দিনবোৰৰ কথাভাবি চাওতে চাওতে কলেজ স্থাপনৰ পঞ্চাশটা বছৰ পাৰ

হৈ গ'ল। সোণালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ জো-জা চলি আছে। আমি অধীৰ আগ্ৰহে সেই দিনলৈ অপেক্ষা কৰি আছো। ন-পুৰণি ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী একগোট হৈ অতীত স্মৃতি ৰোমন্থন কৰাৰ লগতে আমাৰ এই পবিত্ৰ শিক্ষা মন্দিৰৰ সৰ্বাঙ্গীন উন্নয়ণৰ কাৰণে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাম।

# কল্যাণকামিতাৰ প্ৰসঙ্গত উপযোগিতাবাদ

শ্ৰীৰাজেশ্বৰ তামুলী
প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ,
বিলাসীপাৰা কলেজ

ৰাজনৈতিক দৰ্শনত সৰ্বসাধাৰণ পাঠকৰ সহজে দৃষ্টিগোচৰ নোহোৱা অথচ ব্যৱহাৰিক ৰাজনীতিত গভীৰ তথা সুদূৰ প্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰা অন্যতম আদৰ্শ হ'ল উপযোগিতাবাদ (Utilitarianism)। ইয়াৰ উদ্ভৱ হয় উনবিংশ শতিকাৰ প্ৰথম ভাগত ইংলেণ্ডত। শিল্পবিপ্লৱে আনি দিয়া ব্যক্তিস্বাতন্ত্ৰ্যবাদী ধাৰণা আৰু সামাজিক তথা অৰ্থনৈতিক বৈষম্যই সমসাময়িক ইংলেণ্ডৰ বৌদ্ধিক জগতত এক তীব্ৰ আলোড়ন সৃষ্টি কৰিলে। এনেকুৱা পটভূমিতেই ৰচিত হল উপযোগিতাবাদী আদৰ্শৰ। ইয়াৰ প্ৰাণপ্ৰতিষ্ঠাতা আছিল জেৰেমী, বেন্থাম আৰু তেওঁৰ ঘণিষ্ঠ সহযোগী হ'ল দুই পিতা-পুত্ৰ ক্ৰমে জেমচ্ মিল আৰু জন ষ্টুৱাৰ্ট মিল। আনহাতে গ্ৰোট, আলেকজেন্দাৰ বেইন, জন অষ্টিন আৰু অৰ্থনীতিবিদ ৰিকাৰ্ডো ইয়াৰ উল্লেখযোগ্য পৃষ্ঠপোষক। অৱশ্যে উপযোগিতাবাদী ধাৰণাৰ আভাষ গ্ৰীক দাৰ্শনিক এপিকিউৰাচৰ সময়ৰ পৰাই বিভিন্ন লিখনিত পৰিলক্ষিত হয়।

উপযোগিতাবাদ "সুখবাদ" (Hedonism) নামৰ মনস্তাত্বিক নীতিৰ ওপৰত আধাৰিত। এই নীতিমতে প্ৰত্যেক মানুহ সুখ-দুখৰ বিচাৰ-বিবেচনাৰে (Pleasure and pain) পৰিচালিত হয়। অৰ্থাৎ সকলোৱে দুখ-কষ্ট পৰিহাৰ কৰি সুখৰ অধিকাৰী হ'ব বিচাৰে। কিন্তু সকলোৰে বাবে এয়া সম্ভৱ নহয় কাৰণে সুখীৰ লগতে অসুখী মানুহৰো সৃষ্টি হয়। তদুপৰি সুখ-প্ৰয়াসী কিছুমান লোকে নিজৰ স্বাৰ্থত আনক অসুখী কৰিবলৈ কুণ্ঠাবোধ নকৰে। তেতিয়াহ'লে সুখবাদ আত্মকেন্দ্ৰিক, স্বাৰ্থপৰ, সামাজিক চেতনাহীন মানুহৰ নীতি। কিন্তু নহয়, মানৱ প্ৰকৃতিৰ গভীৰ বিশ্লেষণৰ দ্বাৰা উপযোগিতাবাদে সুখবাদৰ স্থূল তাৎপৰ্য পৰিমাৰ্জিত কৰিছে আৰু মানুহক আপোনপেটীয়া স্বভাৱৰ ব্যক্তিৰ পৰিৱৰ্তে সামাজিক চেতনাসম্পন্ন পৰহিতাকাঙ্খী মানুহ বুলিহে গন্য কৰিছে। দৰাচলতে সময় বিশেষত ভোগতকৈ ত্যাগৰ দ্বাৰা অধিক সুখ অনুভূত হয়। সেয়েহে অসমীয়া কবিয়েও উপযোগিতাবাদী সুৰতে গাইছে "পৰৰ দুখত কান্দিব জানিলে কান্দোনতো সুখ পায়।" উপযোগিতাবাদৰ আন এটা বিশেষত্ব হ'ল স্বাধীনতাৰ ভেটি হিচাবে "প্ৰাকৃতিক অধিকাৰ"ৰ ধাৰণা অগ্ৰাহ্য। তেনেকুৱা স্বাধীনতা প্ৰাক্-সামাজিক কালতহে সম্ভৱ। টমাছ হিল গ্ৰীণে কৈছে যে মানুহে নিজৰ ইচ্ছাপূৰণৰ স্বাধীনতা পাবলৈ হ'লে আনৰ ইচ্ছা পূৰণৰ স্বাধীনতাক স্বীকৃতি দিব লাগিব। তাৰ মানে স্বাধীনতা আৰু দায়িত্ব অঙ্গাঙ্গী। লৰ্ড ব্ৰাইচেও কৈছে, "চুবুৰীয়াৰ খাবলৈ ৰুটি নাথাকিলে মোৰ কেক খোৱাৰ অধিকাৰ নাই।" আধ্যাত্মিক দৰ্শনৰ মতেও জীৱাত্মাৰ সমষ্টিয়েই পৰমাত্মা আৰু জীৱৰ প্ৰতি প্ৰেমেই ভগৱৎ প্ৰেম। আকৌ সুখী হ'বলৈ সামগ্ৰিক ভাবে সুখৰ পৰিৱেশ আৱশ্যকীয়। প্ৰদূষণযুক্ত পৰিবেশত সুস্বাস্থ্য বিচৰাটো যেনেকুৱা, অসুখী মানুহ থকা সমাজত সুখ আশা কৰাও তেনেকুৱা।

উপযোগিতাবাদী ধাৰণাত সুখৰ মানদণ্ড দুটা- পৰিমাণগত (Quantitative) আৰু গুণগত (Qualitative)। দুয়োবিধৰ ভিতৰত দ্বিতীয়বিধ শ্ৰেষ্ঠ। প্ৰকৃতাৰ্থত সুখানুভূতি গুণবাচকহে, পৰিমাণবাচক নহয়। জন ষ্টুৱাৰ্ট মিলে কৈছে যে বোকাত লুতুৰি-পুতুৰি হৈ খাদ্যৰ সন্ধানত ব্যস্ত গাহৰিতকৈ খোৱা-শোৱা বাদ দি দুদিন-দুৰাতি পথৰ দাঁতিত থিয় হৈ থাকি দাৰ্শনিক চিন্তাত মগ্ন ছক্ৰেটিছৰ সুখ উচ্চ পৰ্যায়ৰ।

সুখবাদে ব্যক্তিবাদৰ লগত আপোচ কৰে। কিন্তু উপযোগিতাবাদীৰ হাতত ই সমাজবাদী ৰূপ ধাৰণ কৰিছে। ব্যক্তিবাদৰ ঘোষিত নীতি হ'ল, "নূন্যতম সংখ্যক লোকৰ বাবে সৰ্বোচ্চ পৰিমাণৰ সুখ"। কিন্তু সমাজবাদৰ লক্ষ্য, "সৰ্বোচ্চ সংখ্যকৰ বাবে নূন্যতম সুখ"। দুয়োটাৰ বিৰোধ চিৰবিৰাজমান। ব্যক্তিবাদত শ্ৰেণীবৈষম্যই বঞ্চিত অংশক অসুখী কৰে আৰু সমাজবাদত অধিক যোগ্যসকলৰ আহৰণৰ স্বাধীনতাত হস্তক্ষেপ প্ৰয়োগ হয়। উপযোগিতাবাদে সমাজবাদৰ সৰ্বোচ্চ সংখ্যকৰ লগত ব্যক্তিবাদৰ সৰ্বোচ্চ সুখৰ সমন্বয় সাধন কৰি এই বিৰোধ দূৰ কৰিব পাৰি বুলি বিশ্বাস কৰে। অৰ্থাৎ জাতি, ধৰ্ম, ভাষা, বৰ্ণ, লিঙ্গ আৰু শ্ৰেণীনিৰ্বিশেষে সমূহ জনসাধাৰণৰ কল্যাণ কামনাই হ'ল উপযোগিতাবাদৰ চৰম লক্ষ্য।

উপযোগিতাবাদ মূলতে এটা নৈতিক দৰ্শন আছিল যদিও কালক্ৰমত অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰতো ই প্ৰবেশ কৰে। কিয়নো আদৰ্শ বাস্তৱায়িত কৰিবলৈ অৰ্থনৈতিক আৰু ৰাজনৈতিক আঁচনিৰ প্ৰয়োজন। বিংশ শতিকাৰ বিজ্ঞান-

প্রযুক্তিৰ বিকাশ আৰু বিশেষভাৱে দ্বিতীয় বিশ্বযুদ্ধৰ ধ্বংসলীলাই বিপৰ্যস্ত কৰা মানৱজাতিৰ উদ্ধাৰৰ বাবে প্ৰায় এক শতিকা পাছত ই জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হয়। আনকি উগ্ৰ ব্যক্তিবাদ স্বীকৃত আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে ৰাষ্ট্ৰতো কল্যাণকামিতাক আদৰি লোৱা হৈছে। কল্যাণকামিতা সংবিধানিক ব্যৱস্থা নহয়। ই হ'ল এটা উদাৰ মানৱীয় আদৰ্শ যাৰ বাবে লাগে জনসাধাৰণৰ মাজত সহমৰ্মিতা, ভাতৃত্ববোধ আৰু হিতৈষী মনোভাৱ। ইয়াৰ বাবে প্ৰয়োজন এটা অনুকূল পৰিৱেশ। জন ষ্টুৱাৰ্ট মিলে সাৰ্বজনীন শিক্ষাকেই এইক্ষেত্ৰত প্ৰাথমিক চৰ্ত বুলি বিবেচনা কৰিছে।

ভাৰতবৰ্ষইও কল্যাণকামী আদৰ্শ গ্ৰহণ কৰিছে যদিও সংবিধানত ইয়াৰ স্পষ্ট উল্লেখ নাই। বৰং সংবিধানৰ চতুৰ্থ অংশৰ ৩৬ পৰা ৫১ নং অনুচ্ছেদলৈ বৰ্নিত কেইটামান নিৰ্দেশাত্মক নীতিৰ জৰিয়তে ভাৰতক এখন কল্যাণকামী সমাজলৈ ৰূপান্তৰিত কৰাৰ পদক্ষেপ লোৱা হৈছে। কঠোৰ সাংবিধানিক বাধ্যবাধকতা নাই যদিও এই নীতিসমূহ গান্ধীজীৰ কল্পনাৰ "ৰামৰাজ্য' প্ৰতিষ্ঠাৰ পূৰ্বচৰ্ত। জনকল্যাণৰ স্বাৰ্থত এইবোৰৰ আলমত চৰকাৰে প্ৰয়োজনীয় বিধি প্ৰস্তুত কৰিব পাৰে।

কল্যাণকামিতা কোনো এখন সমাজ বা দেশৰ শাসন নীতি নহয়, ই হৈছে মহান মানৱতাবাদী দৰ্শন। ছেগা-চোৰোকাকৈ ইখন-সিখন দেশৰ জনগণৰ কল্যাণেই সমগ্ৰ মানৱজাতিৰ কল্যাণ নুসুচায়। বৰ্ত্তমানৰ গোলকীয় গাঁৱৰ (Global Village) এচুকৰ কান্দোনৰ বিননি অন্যচুকত মুহূৰ্ততে শুনিবলৈ পোৱা যায়। সেয়েহে পৃথিৱীত যুদ্ধৰ সম্ভাৱনা দূৰ কৰি শান্তিৰ বাতাৱৰণ ৰচনা কৰাৰ লগতে মানৱজাতিৰ কল্যাণৰ অৰ্থে সন্মিলিত ৰাষ্ট্ৰসংঘৰ অধীনত বিশ্ব স্বাস্থ্য সংস্থা (WHO), আন্তৰ্জাতিক বনুৱা সংগঠন (I.L.O), আন্তঃ ৰাষ্ট্ৰীয় শিক্ষা, বিজ্ঞান আৰু সাংস্কৃতিক সংগঠন (UNESCO) আদিৰ লেখীয়া ভালেমান বিশেষ অভিকৰণ গঢ়ি তোলা হৈছে। সকলোৰে লক্ষ্য-বিশ্বৰ সমূহ জনসাধাৰণৰ দুখৰ ওৰ পেলাই যথাসম্ভৱ সুখৰ সন্ধান কৰা। তদুপৰি কল্যাণকামী আদৰ্শই ব্যক্তিগত উদ্যোগত "ৰেড্‌ক্ৰচ ছচাইটী" লায়ন্স ক্লাৱ আদি অজস্ৰ কল্যাণমুখী সংগঠন সৃষ্টিত উদগনি যোগাইছে। এনেদৰেই সঙ্কীৰ্ণ সুখবাদী ব্যক্তিবাদেৰে পাতনি মেলি উপযোগিতাবাদ কল্যাণকামী আদৰ্শৰ ৰূপত মানৱতাবাদী দৰ্শনলৈ উন্নীত হৈছে।





# বিলাসীপাৰা মহাবিদ্যালয়ৰ স্মৃতি

ছোহৰাব আলী শ্বেখ
অধিবক্তা
প্ৰাক্তন ছাত্ৰ (ইতিহাস বিভাগ)

বিলাসীপাৰা মহাবিদ্যালয়ক নামনি অসমৰ ভিতৰত এখনি উল্লেখযোগ্য শিক্ষা প্ৰতিষ্ঠান বুলিলে বঢ়াই কোৱা নহয়। ইতিহাস প্ৰসিদ্ধ জমিদাৰ ঁনৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ ৰংঘৰত প্ৰথম কলেজ আৰম্ভ হৈছিল বুলি আমি জানো আৰু এইখন কলেজে ধুবুৰী জিলাৰ লগতে সমগ্ৰ অসমৰ ভিতৰত সুখ্যাতি অৰ্জন কৰাৰ উদাহৰণ আছে। অবিভক্ত গোৱালপাৰা জিলাৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা উচ্চ শিক্ষা গ্ৰহণৰ বাবে আহি দুখীয়া ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ঠাইত 'জয়গীৰ' থাকি উচ্চ শিক্ষা লাভ কৰা উদাহৰণ বিৰল। বিলাসীপাৰা মহকুমাৰ ধৰ্মীয় সংখ্যালঘু অধ্যুষিত বিশাল চৰাঞ্চলৰ কঠিন যাতায়াতক আওকান কৰি এইখন মহাবিদ্যালয়ত অধ্যয়ন কৰি বহুতে আজি ডাঙৰ শিক্ষাবিদ বুদ্ধিজীৱী প্ৰবক্তা, আৰক্ষী বিভাগৰ উচ্চ বিষয়া, অধিবক্তা আদি হৈ সমাজত সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। কলেজৰ শিক্ষাগুৰু সকলে বিভিন্ন ধৰণৰ সমস্যা আৰু ঘাত-প্ৰতিঘাতৰ মাজত ছাত্ৰ-ছাত্ৰীসকলোক শিক্ষা প্ৰদান কৰি উচ্চ শিক্ষাৰ বাট মুকলি ৰাখিছে। মোৰ ছাত্ৰ জীৱনত এইখন মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰুৰ লগতে মোৰ জীৱনৰ পথ প্ৰদৰ্শক হিচাবে প্ৰয়াত প্ৰবক্তা জুৰাণ আলী ছাৰে মোৰ জীৱনত চিৰস্মৰনীয় হৈ থাকিব। মই যেতিয়া ১৯৯১-৯২ ইং চনত এই মহাবিদ্যালয়ত স্নাতক ১ম বৰ্ষত ভৰ্ত্তি হওঁ তেতিয়া এইখন মহাবিদ্যালয়ত গণিত আৰু ইতিহাস বিভাগৰ Major বিষয় প্ৰথম আৰম্ভ হয়। ইতিহাস বিষয়ৰ মেজৰ পাঠ্যক্ৰমত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই সীমিত আছিল। মই যেতিয়া ৰাজনীতি বিষয়ত মেজৰ বিষয়লৈ ভৰ্ত্তি হ'ব ধৰিছিলো তেতিয়া প্ৰয়াত প্ৰবক্তা জুৰাণ আলীদেৱে মোক শিক্ষা লাভ কৰি ভবিষ্যৎ চাহিদা হিচাবে ধুনীয়াকৈ বুজাই কোৱাত মই ইতিহাস বিভাগত মেজৰ বিষয়ত নাম ভৰ্ত্তি কৰিলোঁ। মই তেতিয়া দেখিছো প্ৰয়াত জুৰাণ আলীয়ে অতি নিষ্ঠাৰে শিক্ষা প্ৰদান কৰিছিল যাতে নিজ বিষয়ত ছাত্ৰ-ছাত্ৰীয়ে সুনাম অৰ্জন কৰি উত্তীৰ্ণ হ'ব পাৰে আৰু বিশ্ব বিদ্যালয়ত নাম ভৰ্ত্তিৰ সুযোগ লাভ কৰিব পাৰে। তেখেতৰ তেনে নিষ্ঠা দেখি মইয়ো পঢ়া-শুনাত যিমান পাৰো মনযোগ দিছিলো যাতে শিক্ষাগুৰু সকলৰ অশেষ কষ্টৰ ফল আমি লাভ কৰিব পাৰো। যেতিয়া স্নাতক চুৰান্ত পৰীক্ষাৰ ফলাফল ১৯৯৪ চনত ঘোষণা কৰিলে তেতিয়া ইতিহাস বিভাগৰ মেজৰ বিষয়ত আমি সকলো ছাত্ৰ-ছাত্ৰীয়ে ভাল নম্বৰ লৈ কৃতকাৰ্য্যতা অৰ্জন কৰিবলৈ সক্ষম হ'লো আৰু তাৰ ভিতৰত আমি চাৰিজন ক্ৰমে, ৰবিউল ইছলাম (প্ৰাক্তন ছাত্ৰ), আব্দুৰ ৰহমান, আনজুৱাৰা বেগমে আৰু মই গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়াৰ সুযোগ পালো। উল্লেখযোগ্য যে পোন প্ৰথমবাৰৰ বাবে ইতিহাস বিভাগত গুৱাহাটী বিশ্বঃবিদ্যালয়ত এইখন কলেজৰ পৰা উচ্চ শিক্ষা লাভ কৰাৰ সুযোগ আহৰণ কৰিছিলো। আনকি গণিতৰ মেজৰ বিষয়ত ৰফিকুল ইছলামে একে বছৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত ১ম শ্ৰেণীৰ ১ম স্থান দখল কৰি সুনাম অৰ্জন কৰিবলৈ সক্ষম হয় আৰু এইখন মহাবিদ্যালয়লৈ গৌৰব কঢ়িয়াই আনিছিল। মই তেতিয়া দেখিছিলো শিক্ষাগুৰু সকলে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিটো ক্ষেত্ৰতে আছিল বাবে শিক্ষা গুৰু সকলে চিৰস্মৰণীয় হৈ থাকিব লগতে কলেলজৰ বৰ্ত্তমান অৱসৰপ্ৰাপ্ত Head Asstt. জগদানন্দ বৰকলিতাদেৱে আমাক সকলো প্ৰকাৰৰ দিহা পৰামৰ্শ আগবঢ়াইছিল বাবে তেখেতৰ ওচৰত চিৰকৃতজ্ঞ।

আজি মহাবিদ্যালয়খন ৫০ বছৰত ভৰি দিছে আৰু সোণালী জয়ন্তী পালন কৰিবলৈ লোৱাত মই নথৈ আনন্দিত হৈছো। ইতিহাস প্ৰসিদ্ধ এইখন মহাবিদ্যালয় বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজত আজি বিজ্ঞান শাখালৈ উন্নীত হৈছে আৰু দুখীয়া ছাত্ৰ-ছাত্ৰীসকলে পলমকৈ হ'লেও বিজ্ঞান শিক্ষা লাভ কৰাৰ সুযোগ পাইছে। ভবিষ্যৎ প্ৰজন্মক শিক্ষাৰ ঘাই প্ৰতিষ্ঠান হিচাবে কলেজখন আশাৰ ৰেঙণি কৰিয়াই আনিব আৰু নামনি অসমৰ ভিতৰত শিক্ষা, সংস্কৃতি, কলা-বিজ্ঞান আৰু বাণিজ্যিৰ একমাত্ৰ কেন্দ্ৰস্থল হিচাবে বিলাসীপাৰাৰ ভৈয়াম অঞ্চলৰ লগতে চৰাঞ্চলৰ দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাণিজ্য শিক্ষাৰ বাবে অনতি পলমে বাণিজ্য শাখা প্ৰবৰ্ত্তন কৰিবলৈ কলেজ কৰ্ত্তৃপক্ষক অনুৰোধ জনালো। কলেজখনত সকলো বিষয়ত স্নাতোকত্তৰ পাঠ্যক্ৰম প্ৰবৰ্ত্তন কৰি শিক্ষাৰ ক্ষেত্ৰত ধুবুৰী শিক্ষাৰ লগতে নামনি অসমৰ ভিতৰত এক উল্লেখযোগ্য স্থান লাভ কৰিব বুলি আশা কৰিলো। কলেজৰ উন্নয়নৰ স্বাৰ্থত যাতে ৰাজনীতি কৰা নহয় তাৰ বাবে মহাবিদ্যালয় কৰ্ত্তৃপক্ষৰ লগতে সমূহ ৰাইজক

অনুৰোধ জনালো আৰু আমি সকলোৱে মিলি কলেজখন যাতে আদৰ্শ কলেজলৈ ৰূপান্তৰিত কৰিব পাৰো তাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হওঁ আহক!

সদৌ শেষত কলেজৰ সোণালী জয়ন্তী উৎসৱৰ সময়ত আমি ন পুৰণি ছাত্ৰ-ছাত্ৰীসকলে আৰু ন পুৰণি শিক্ষা গুৰু সকলে একগোট হৈ পুৰণি স্মৃতি ৰোমান্থন কৰাৰ লগতে বৰ্ত্তমান কলেজখনৰ সৰ্ব্বাঙ্গীন উন্নয়নৰ হকে মাৰ বান্ধি থিয় হ'বলৈ ঐক্যবদ্ধ প্ৰচেষ্টা চলাবলৈ আশা পালি ৰলো।

।। জয়তু বিলাসীপাৰা মহাবিদ্যালয় ।।



# অবিভক্ত গোৱালপাৰা জিলাৰ সৰ্ব প্ৰথম শিক্ষানুষ্ঠান তাৰিণীপ্ৰিয়া চতুষ্পাঠী

কিংশুক চক্ৰৱৰ্ত্তী
প্ৰবক্তা, বিলাসীপাৰা কলেজ।

বৰ্তমান যুগৰ দৰে শৃংখলাৱদ্ধ আৰু আনুষ্ঠানিক শিক্ষা ব্যৱস্থা প্ৰাচীন কামৰূপ আৰু আহোম যুগত নাছিল। শিক্ষাৰ অনুষ্ঠান বুলিলে সেই সময়ত ব্ৰাহ্মণ পণ্ডিতসকলৰ দ্বাৰা পৰিচালিত 'টোল' 'চতুস্পাঠী' আৰু ' পাঠশালা' সমূহক অৰ্থ কৰা হৈছিল। মূলতঃ এই শিক্ষানুষ্ঠানবোৰ পণ্ডিতৰ ঘৰত নাইবা মঠ মন্দিৰৰ লগত গঢ়ি তোলা হৈছিল। আকৌ ৰজা-ৰাণীৰ আৰ্থিক সহায়তা আৰু পৃষ্ঠপোষকতাত বহুতো 'টোল' 'চতুষ্পাঠী' আৰু ' পাঠশালা' গঢ়ি উঠিছিল। বুৰঞ্জীৰ পাতত ইয়াৰ সমল পোৱা যায়। 'গুৰু চৰিত কথা' মতে মহেন্দ্ৰ কন্দলিৰ টোলত শ্ৰীমন্ত শংকৰদেৱে চাৰিবেদ, চৈধ্য শাস্ত্ৰ, অষ্টাদশ পুৰাণ, মহাভাৰত, সংহিতা, চৈধ্য ব্যাকৰণ, অষ্টাদশ তন্দ্ৰ, অষ্টাদশ কাব্য, ওঠৰ কোষ অধ্যয়ন কৰি সৰ্বশাস্ত্ৰ বিশাৰদ হয়। কোচ নৃপতিসকলেও ব্ৰাহ্মণ পণ্ডিতসকলক ভূমিদান কৰি শিক্ষানুষ্ঠান স্থাপন কৰিবলৈ উদগনি দিছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহই সংস্কৃত শিক্ষাৰ বাবে কাশী, নৱদ্বীপ আদিলৈ ব্ৰাহ্মণৰ ল'ৰা পঠিয়াইছিল। বৰৰজা ফুলেশ্বৰী কুঁৱৰীয়ে ৰাজ্যত শিক্ষা বিস্তাৰৰ বাবে ভালেমান টোল স্থাপন কৰিছিল। ৰংপুৰ নগৰত তেওঁ সাজি দিয়া টোলখন 'বৰৰজাৰ পঢ়াশালি' নামেৰে প্ৰখ্যাত হৈছিল। ভাৰতবৰ্ষত তথা অসমত পশ্চিমীয়া শিক্ষাৰ বিকাশ হৈছিল খৃষ্টান মিছনেৰীসকলে অহাৰ পিছত। কিন্তু ইয়াৰ বিকাশ হৈছিল কিছুমান নিৰ্দ্দিষ্ট অঞ্চলত।

পুৰণি গোৱালপাৰা জিলা বুলিলে যাক অৰ্থ কৰা হয় তাৰ সৰহ ভাগেই আছিল বিজনী ৰাজ্যৰ ভূমিখণ্ড। উল্লেখযোগ্য যে মানসৰ পৰা সংকোশলৈকে বিজনী ৰাজ্যৰ বিস্তৃতি আছিল। ইয়াৰ শাসক আছিল চন্দ্ৰ নাৰায়ণ। পৰৱৰ্ত্তীকালত এই বিজনী ৰাজ্য মোগলসকলৰ তলতীয়া ৰাজ্যত পৰিণত হয়। ১৭৬৫ চনৰ হিচাপ অনুসৰি এই বিজনীত চাৰি প্ৰকাৰৰ জমিদাৰী গঢ়ি উঠিছিল। যেনে বিজনীৰ জমিদাৰ, মেচপাৰাৰ চৌধুৰী জমিদাৰ, গৌৰীপুৰৰ বৰুৱা জমিদাৰ, চাপৰ-পৰ্বতজোৱাৰৰ জমিদাৰী। গৌৰীপুৰৰ ৰাজ পৰিয়ালৰ বংশাৱলীত উল্লেখ কৰা মতে সম্ৰাট চাহজাহানৰ আমোলত এই বংশৰ চতুৰ্থ পুৰুষ কবিশেখৰ বৰুৱাই 'ৰাজা' উপাধি লাভ কৰিছিল। অৱশ্যে তেতিয়া এই ৰাজ পৰিয়ালটোৱে গৌৰীপুৰৰ পৰা ৫/৬ মাইল দূৰত ৰাঙামাটি নামৰ ঠাই এখনত বসবাস কৰিছিল। আনুমানিক ১৮৫৫ চনত প্ৰতাপ চন্দ্ৰ বৰুৱাই ৰাঙামাটিৰ পৰা গৌৰীপুৰলৈ ৰাজধানী স্থানান্তৰ কৰিছিল। ৰজা প্ৰতাপ চন্দ্ৰ বৰুৱা আছিল অতি ধৰ্ম পৰায়ণ আৰু বিদ্যোৎসাহী ব্যক্তি। মূলতঃ তেওঁৰ পৃষ্ঠপোষকতাত গৌৰীপুৰত ১৮৩৪ চনত "তাৰিণীপ্ৰিয়া চতুষ্পাঠী" নামৰ সংস্কৃত ভাষাৰ টোলখন প্ৰতিষ্ঠা কৰিছিল। তাৰিণীপ্ৰিয়া আছিল প্ৰতাপ চন্দ্ৰ বৰুৱা ৰ মাতৃদেৱী। চতুষ্পাঠীৰ অৰ্থ হ'ল য'ত চাৰিখন বেদক অধ্যয়ন বা পাঠ কৰা হয়। যিহেতু গৌৰীপুৰৰ বৰুৱা ৰাজ পৰিয়ালখন আগত ৰাঙামাটিত বসবাস কৰিছিল, সেয়েহে প্ৰাৰম্ভিক পৰ্যায়ত টোলখনৰ পত্তন তাতেই কৰা হৈছিল কিন্তু পৰৱৰ্ত্তী সময়ত ইয়াক গৌৰীপুৰৰ মাজমজিয়াত প্ৰতিষ্ঠা কৰা হৈছিল। তাৰিণীপ্ৰিয়া দেৱী আছিল ৰজা ধীৰ চন্দ্ৰ বৰুৱাৰ ঘৈণীয়েক আৰু প্ৰতাপ চন্দ্ৰ বৰুৱাৰ মাতৃদেৱী। অতি প্ৰাচীন সময়ত ইয়াত তিনিটা বিভিন্ন পৰ্যায়ৰ পাঠ দান কৰা হৈছিল—'আদ্য' (যি নেকী আধুনা মেট্ৰিকৰ সমপৰ্যায়ৰ), 'মধ্যমা' (আধুনা উচ্চতৰ মাধ্যমিকৰ সমান) আৰু সদৌ শেষত 'কাব্য' (আধুনা স্নাতক পৰ্যায়ৰ সমান) অৱশ্যে এতিয়া পঢ়োৱা পৰ্যায় সমূহ হ'ল প্ৰৱেশিকা, মধ্যমা আৰু শাস্ত্ৰী। শাস্ত্ৰী পৰ্যায়ত পঢ়োৱা বিষয় হ'ল ৰত্নমালা ব্যাকৰণ। উল্লেখযোগ্য যে তাৰিণীপ্ৰিয়া চতুষ্পাঠীত যিটো পুঁথি ভঁৰাল আছে তাত এতিয়াও বহুতো মূল্যৱান আৰু দুস্প্ৰাপ্য কিতাপ, সাঁচীপাতৰ পাণ্ডুলিপি, পুৰণি নথি পত্ৰ সংৰক্ষিত কৰি ৰখা হৈছে। স্বাধীনতাৰ বহুপূৰ্বে আৰু পিছত সত্তৰৰ দশক লৈকে এই চতুষ্পাঠীত অসমৰ বিভিন্ন প্ৰান্ত তথা বাংলাদেশৰ বিভিন্ন প্ৰান্তৰ পৰা বহু ছাত্ৰ অধ্যয়নৰ বাবে আহিছিল। চতুষ্পাঠীত ছাত্ৰ থকাৰ হোষ্টেলগৃহ আছিল যি এতিয়াও বিদ্যমান। শিক্ষা আছিল বিনামূলীয়া আৰু ৰজাৰ ঘৰৰ পৰা ছাত্ৰক জলপানী (Scholarship) দিয়াৰ ব্যৱস্থা আছিল। কিছুমান ছাত্ৰই আকৌ গুৰুগৃহত বসবাস কৰি চতুষ্পাঠীত পঢ়িছিল। মহামহোপাধ্যায় পণ্ডিত আদ্যনাথ ন্যায়ভুষণৰ গৃহত এনেকুৱা ছাত্ৰাবাসৰ ধ্বংসাৱশেষ এতিয়াও বিদ্যমান। যিহেতু লিখাপঢ়াৰ প্ৰচলন এটা সময়ত ব্ৰাহ্মণ শ্ৰেণীৰ মাজত সীমিত আছিল সেয়েহে চতুষ্পাঠীত ব্ৰাহ্মণঘৰৰ ল'ৰাই পঢ়িবলৈ আহিছিল। অৱশ্যে পৰৱৰ্তী কালত অব্ৰাহ্মণ ঘৰৰ ল'ৰা ইয়াত পঢ়িবলৈ অহাৰ দৃষ্টান্ত আছে। গৌৰীপুৰৰ ৰাজ পৰিয়ালৰ বৰ

ৰাজকুমাৰী নীহাৰবালা বৰুৱাৰ ঐকান্তিক প্ৰচেষ্টাত ১৮৯৯ চনত প্ৰতিষ্ঠিত প্ৰতাপ চন্দ্ৰ ইনষ্টিটিউচনত পৰৱৰ্তীকালত মহিলা শিক্ষাৰ প্ৰচলন কৰা হৈছিল। এই তাৰিণীপ্ৰিয়া চতুষ্পাঠীতো বহুতো মহিলাই শিক্ষা গ্ৰহণ কৰিছিল। অৱশ্যে মহিলাৰ বাবে আৱাসিক শিক্ষাৰ কোনো ব্যৱস্থা নাছিল। এই বিখ্যাত চতুষ্পাঠীত অধ্যাপনা কৰিছিল বহুতো গুণৱান আৰু কীৰ্তিমান ব্যক্তিসকলে। ইয়াৰ কেইজনমান বিখ্যাত অধ্যাপকৰ নাম হ'ল পণ্ডিত প্ৰৱৰ যজ্ঞপতি বিদ্যাবাগীশ, জগন্নাথ ন্যায় পঞ্চানন, ৰাধানাথ তৰ্কলংকাৰ, বৈকুণ্ঠ নাথ বিদ্যানিধি, কৃপানাথ বাচস্পতি, কীৰ্তিনাথ শিৰোমণি, মহামহোপাধ্যায় আদ্যনাথ ন্যায়ভূষণ, লক্ষীপতি তৰ্কশাস্ত্ৰী প্ৰমুখ। ইয়াৰ মাজত মহামহোপাধ্যায় পণ্ডিত আদ্যনাথ ন্যায়ভূষণ আছিল অসমৰ প্ৰথম 'মহামহোপাধ্যায়' উপাধি পোৱা পণ্ডিত। ১৯০৯ চনত কলিকতাৰ ফোৰ্ট উইলিয়ামত লৰ্ড মিন্টোৱে এই বিৰল সন্মান আদ্যনাথ চক্ৰৱৰ্ত্তীদেৱক প্ৰদান কৰিছিল। বিদগ্ধ এই পণ্ডিত প্ৰৱৰৰ জন্ম হৈছিল বিলাসীপাৰাৰ হাকামা গাওঁত আৰু তেখেত হৈছে সম্পৰ্কত মোৰ অজো ককাদেউতা। আনহাতে, লক্ষীপতি তৰ্কশাস্ত্ৰী আছিল ৰাষ্ট্ৰপতি জ্ঞানী জৈল সিংহৰ দ্বাৰা পুৰস্কৃত এজন সুশিক্ষক। ৰজাৰ দিনত অধ্যাপক সকলক মাননী দিয়াৰ উপৰিও বহুতো সা-সম্পত্তি প্ৰদান কৰা হৈছিল। অৱশ্যে এতিয়া অসম চৰকাৰ কৰ্তৃত্বত দৰমহা দিয়া হয়।

বিচাৰ কৰি চালে স্পষ্ট হ'ব যে তাৰিণীপ্ৰিয়া চতুষ্পাঠীখনেই আছিল তদানীন্তন পশ্চিম অসমৰ অৰ্থাৎ পুৰণি গোৱালপাৰা জিলাৰ প্ৰথমখন ৰাজহুৱা শিক্ষানুষ্ঠান। ১৯ শতিকাৰ প্ৰথম ফালে অসমত পশ্চিমীয়া শিক্ষাৰ বিশেষ কোনো সম্প্ৰসাৰণ হোৱা নাছিল। ১৮২৬ চনৰ ইয়ান্দাবুৰ সন্ধিমতে অসম বৃটিছ সকলৰ অধীন হয়। বাংলাদেশৰ তদানীন্তন গভৰ্ণৰ জেনাৰেল লৰ্ড উইলিয়াম বেন্টিঙ আছিল অতি বিদ্যোৎসাহী জেনাৰেল। তেওঁ ১৮৩৫ চনত ঘোষণা কৰিছিল যে এতিয়াৰ পৰা চৰকাৰ প্ৰদত্ত অৰ্থ ইংৰাজী ভাষাৰ মাধ্যমত পাশ্চাত্য জ্ঞান-বিজ্ঞান শিক্ষাৰ বাবে ব্যয়িত হব। "তাৰিণীপ্ৰিয়া চতুষ্পাঠী" স্থাপন হৈছিল এই ঘোষণাৰ এবছৰ পূৰ্বত অৰ্থাৎ ১৮৩৪ চনত। ইয়াৰ আগত বৃহত্তৰ গোৱালপাৰা জিলাৰ বিদ্যোৎসাহী ব্যক্তিসকলে নৱদ্বীপ, কাশী, বেনাৰচ আদি ঠাইলৈ গমন কৰিছিল। গোৱালপাৰা জিলাৰ অতি ওচৰতে আছিল ৰংপুৰ জিলা (এতিয়া বাংলাদেশৰ অন্তৰ্ভুক্ত) আৰু ইয়াৰ কালেক্টৰ ডিগবি অতি বিদ্যোৎসাহী ব্যক্তি আছিল। তেওঁৰ পৃষ্ঠপোষকতাত উনবিংশ শতিকাৰ প্ৰথমফালে এই অঞ্চলত আধুনিক শিক্ষাৰ বিকাশ হ'বলৈ আৰম্ভ কৰিছিল। পুৰণি গোৱালপাৰা জিলাৰ সদৰ আছিল ধুবুৰী। এই ধুবুৰীত প্ৰতিষ্ঠিত হৈছিল প্ৰথমখন ইংৰাজী ভাষাৰ বা পশ্চিমীয় শিক্ষা প্ৰচাৰৰ স্কুল। ১৮৮৭ চনত প্ৰতিষ্ঠিত এইখন স্কুলৰ নাম হ'ল "ধুবুৰী গৰ্ভনমেণ্ট স্কুল"। ১৮৯৯ চনত ৰজা প্ৰভাত চন্দ্ৰ বৰুৱাই গৌৰীপুৰত স্থাপন কৰিছিল "প্ৰতাপ চন্দ্ৰ ইনষ্টিটিউচন" নামৰ স্কুল। ১৯২৮ চনত বিলাসীপাৰাত নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে স্থাপন কৰিছিল "ইন্দ্ৰনাৰায়ণ একেডেমী" নামৰ স্কুলখন। এই স্কুলবোৰত বাঙলা ভাষাৰ মাধ্যমেৰে শিক্ষাদান কৰা হৈছিল। ১৯৪০ চনত ৰোকাখাতাত স্কুল পাতি অসমীয়া ভাষাৰ মাধ্যমেৰে শিক্ষাদানৰ ব্যৱস্থা কৰা হৈছিল। ১৯৪৬ চনত শালকোচাত শ্ৰীযুত চৈতন্যদেৱ চক্ৰৱৰ্ত্তীৰ উদ্যোগত "শালকোচা হাইস্কুল"খন স্থাপন কৰা হৈছিল। অৰ্থাৎ স্বাধীনতা পোৱাৰ আগতেই এই অঞ্চলৰ ৰজা-জমিদাৰৰ আৰু শিক্ষিত ৰাইজৰ পৃষ্ঠপোষকতা আৰু উদ্যোগত বহুতো স্কুল স্থাপন হ'বলৈ আৰম্ভ কৰিছিল। উচ্চ শিক্ষাৰ বাবে এই অঞ্চলৰ ল'ৰা ছোৱালীয়ে গুৱাহাটীৰ কটন কলেজ, কোচবিহাৰৰ ভিক্টৰিয়া কলেজ, ৰংপুৰৰ কাৰমাইকেল কলেজ নাইবা কলিকতাৰ প্ৰেছীডেন্সি কলেজলৈ গৈছিল। ১৯৪৬ চনত ধুবুৰীত প্ৰতিষ্ঠা কৰা হয় ভোলানাথ মহাবিদ্যালয়; যিখন সেই সময়ত পুৰণি গোৱালপাৰা জিলাৰ একমাত্ৰ মহাবিদ্যালয় হিচাপে পৰিগণিত হৈছিল। পুৰণি গোৱালপাৰা জিলাৰ প্ৰায়বিলাক শিক্ষানুষ্ঠান গঢ়ি তোলাৰ উদ্যোগ লৈছিল সেইসময়ৰ ৰজা-জমিদাৰসকলে। বৰ্তমান ধুবুৰী জিলাৰ অন্যতম পুৰণি কলেজ হ'ল "বিলাসীপাৰা কলেজ"। ইয়াক প্ৰতিষ্ঠা কৰিছিল তদানীন্তন বিলাসীপাৰাৰ বিদ্যোৎসাহী ব্যক্তিসকলে আৰু সহায়তাৰ হাত আগবঢ়াইছিল জমিদাৰ নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱে। ইয়াক প্ৰতিষ্ঠা কৰা হয় ১৯৬০ চনত।

পুৰণি গোৱালপাৰা জিলাৰ শিক্ষা ক্ষেত্ৰত তাৰিণীপ্ৰিয়া চতুষ্পাঠীখনে কি ধৰণৰ শৈক্ষিক ভূমিকা গ্ৰহণ কৰিছিল তাৰ সুস্পষ্ট বিৱৰণ পোৱা যায়চতুষ্পাঠীত সংৰক্ষিত পৰিদৰ্শকৰ প্ৰতিবেদনত (Inspection Report)। ১৯১৫ চনত তদানীন্তন বৃহত্তৰ অসমৰ D.P.I. শ্ৰীযুত J.R. Cunningham জে. আৰ. কানিংহামে ২৯/১১/১৯১৫ চনত চতুষ্পাঠীখনক পৰিদৰ্শন কৰি লিখিছিল *"This is one of the very few tolls in the province in which the study of Sanskrit learning is persued in the old sprit and under old condition. The record of the toll in the public examination of this province and of Bengal speaks to the success of instruction......." again " it was suggested that Gauripur as the most advanced centre of Sanskrit learning at present in Assam Velly*

*should have a place on the Sanskrit examination Board."* এই প্ৰতিবেদনত কানিংহামৰ চহী এতিয়াও সুস্পষ্ট হৈ আছে। তাৰিণীপ্ৰিয়া চতুষ্পাঠী ১৯১৬ চনত পৰিদৰ্শন কৰিবলৈ আহিছিল সেইসময়ৰ অসমৰ চীফ কমিচনাৰ কে. চি. আৰ্ল (K.C.Earle)। তেখেতৰ প্ৰবিদেনত পোৱা যায় *"The annual expenditure for the Estate is Rs. 3,138/- excluding expenditure on houses. All the teachers and 25 students are given boarding allowances besides the salaries and allowances to the Adyapakas."* এনেকুৱা বহুতো প্ৰতিবেদনত চতুষ্পাঠীখনৰ শৈক্ষিক পৰিৱেশ, শৈক্ষিক মানদণ্ড তথা সেইসময়ৰ আৰ্থ-সামাজিক অৱস্থাৰ বিষয়ে ধাৰণা পোৱা যায়। তদুপৰি অসমৰ বহুতো পণ্ডিত আৰু লেখক এই চতুষ্পাঠীৰ গুণগান কৰি গৈছিল। ডাঃ অন্নদা প্ৰসাদ চক্ৰৱৰ্ত্তীয়ে কৈছিল যে তাৰিণীপ্ৰিয়া চতুষ্পাঠীৰ শিক্ষকমণ্ডলী আছিল বৰেণ্য ব্যক্তি আৰু ছাত্ৰসকলেও ভৱিষ্যত জীৱনত একোজন বিদগ্ধ পণ্ডিতৰূপে খ্যাতি লাভ কৰিছিল। বিলাসীপাৰাৰ প্ৰখ্যাত পণ্ডিত ৰজনীকান্ত দেৱ শৰ্মাই এই চতুষ্পাঠীখনক অসমৰ নালন্দা বুলি নামাকৰণ কৰা গৈছে বুলি কৈছিল।

গৌৰীপুৰৰ ৰজাৰ দিনত প্ৰতিষ্ঠিত তাৰিণীপ্ৰিয়া চতুষ্পাঠীখনে এটা সময়ত বৃহত্তৰ গোৱালপাৰা জিলাৰ শৈক্ষিক চাহিদা পুৰণ কৰিছিল যদিও এতিয়া ইয়াত এক নীৰৱতাহে বিৰাজ কৰিছে। অসম চৰকাৰে ইয়াক প্ৰাদেশীকৰণ কৰিলেও ইয়াৰ তেনেকুৱা উন্নয়ন এতিয়াও স্পষ্ট হোৱা নাই। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্টভাৱে হ্ৰাস পাইছে; ধ্বংস হ'ব ধৰিছে ইয়াৰ ৰজাৰ দিনত গঢ়ি তোলা ঘৰখনো। স্বাধীনোত্তৰ যুগত বিদ্যালয়-মহাবিদ্যালয়ত সংস্কৃত ভাষাৰ চৰ্চা ক্ৰমে হ্ৰাস পাইছে। এতিয়া ছাত্ৰ-ছাত্ৰীয়ে জীৱিকা কেন্দ্ৰিকভাৱে পঢ়াৰ বিষয়ে পছন্দ কৰাৰ ফলত সংস্কৃত ভাষা-সাহিত্যৰ প্ৰাসঙ্গিকতা প্ৰায় নাইকিয়া হৈছে যাৰ বাবে সংস্কৃত ভাষা মাধ্যমৰ টোল-চতুষ্পাঠীৰ গুৰুত্ব হ্ৰাস পাইছে। সেয়েহে তাৰিণীপ্ৰিয়া চতুষ্পাঠী যেন এক জৰাগ্ৰস্থ প্ৰৱীণ ব্যক্তিত পৰিণত হৈছে যাৰ ওচৰত গৌৰৱোজ্বল শৈক্ষিক অভিজ্ঞতাৰ বাহিৰে আন একো নাই।

প্ৰাসঙ্গিক পুথি-আলোচনীঃ-

১। চৌধুৰী, ড° ৰবীন্দ্ৰ নাৰায়ণ (২০০০) ঃ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ।

২। দেৱী, ড° লক্ষ্মী (১৯৮৪) ঃ অসম দেশৰ বুৰঞ্জী।

৩। Dr. Barman Santoo : Zamindari System in Assam During British Rule.

৪। তামুলী, দীপা (২০০৫) ঃ গদাধৰৰ পাৰে পাৰে।

৫। শৰ্মা, কনকচন্দ্ৰ (১৯৯৯)ঃ "মহামহোপাধ্যায় উপাধিকাৰী অসমৰ বিৰল পণ্ডিত কেইগৰাকী" দৈনিক অগ্ৰদূত ঃ ১১জুন, ১৯৯৯

৬। দত্ত, দেবব্ৰত (১৯৯১)ঃ ভাৰতবৰ্ষেৰ ইতিহাস।

৭। কৰ্মকাৰ, অমূল্য কুমাৰ (২০০৪)ঃ ইতিহাসেৰ আলোকে ইন্দ্ৰ নাৰায়ণ একাডেমী।

৮। চক্ৰৱৰ্ত্তী, ডঃ অন্নদা প্ৰসাদ (২০০৫)ঃ হাকামা আৰু ইয়াৰ ছাত্ৰ সমাজ স্মতিচয়ন।

৯। স্মৃতিগ্ৰন্থ ঃ মানস কন্যা মমঃচৈতন্যদেৱ চক্ৰৱৰ্ত্তী (শালকোচা)

১০। চাৰ গেইট্, এডোৱাৰ্ড (১৯২৬) ঃ অসম বুৰঞ্জী।

উক্ত ৰচনাখনৰ বাবে তাৰিণীপ্ৰিয়া চতুষ্পাঠীৰ প্ৰাক্তন শিক্ষক শ্ৰীযুত অজয় দেৱৰ মূল্যৱান সাক্ষাৎকাৰ লোৱা হৈছে। শ্ৰীযুত দেৱৰ ওচৰত আমি কৃতজ্ঞতাজ্ঞাপন কৰিছোঁ।

**********



# বিলাসীপাৰা মহাবিদ্যালয়ৰ হৃদপিণ্ডটো

ডঃ হৰিচৰণ দাস, পুথিভঁৰালী।

শিক্ষানুষ্ঠান একোখনৰ মূল উদেশ্য হৈছে জ্ঞান বিতৰণ কৰা। জ্ঞান বিতৰণৰ প্ৰধান আহিলা হৈছে 'পুথি'। এখন শিক্ষানুষ্ঠান যদি এটা শৰীৰ হয়, তেনেহ'লে তাৰ ৰক্তবাহী ধমনীবোৰ হৈছে এই কিতাপ বিলাক আৰু এই কিতাপ বিলাক য'ত জমা ৰখা হয় সেয়ে হৈছে পুথিভঁৰাল বা গ্ৰন্থাগাৰ। হৃদপিণ্ডত মানুহ বা জীৱ-জন্তুৰ শৰীৰৰ তেজ জমা হয় আৰু তাৰ পৰাই শৰীৰৰ আন আন ঠাইলৈ সৰবৰাহ হয়। একেদৰেই শিক্ষানুষ্ঠান এখনতো গ্ৰন্থসমূহ জমা হয় আৰু তাৰ পৰা শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীলৈ বিতৰণ হয়। সেইবাৰেই গ্ৰন্থাগাৰকেই শিক্ষানুষ্ঠান এখনৰ হৃদপিণ্ড বুলি অভিহিত কৰা হয়। সেয়েহে বিলাসীপাৰা মহাবিদ্যালয়ৰ হৃদপিণ্ডটো হৈছে ইয়াৰ গ্ৰন্থাগাৰটো। এই গ্ৰন্থাগাৰত পুথিৰ সংখ্যা বৰ্ত্তমান কুৰি হেজাৰ দুশ পয়ষষ্ঠিখন। এই পুথিসমূহৰ প্ৰায় যাঠি শতাংশই পাঠ্যপুথি। ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যপুথিৰ যোগান ধৰি তেওঁলোকক আৰ্থিক সকাহ দিবৰ বাবে আমি প্ৰতি পোন্ধৰ দিনৰ মূৰে মূৰে দুখনকৈ পুথি পঢ়িব পৰাৰ দিহা কৰি দিওঁ আৰু তাৰ বাবে তেওঁলোকক দুখনকৈ কাৰ্ড দিয়া হয়। দুখন কাৰ্ডৰ বিনিময়ত ছাত্ৰ-ছাত্ৰীসকলে দুখন কিতাপ ল'ব পাৰে আৰু তাক পোন্ধৰ দিনৰ মূৰত ঘূৰাই দি নতুন পুথি লোৱাৰ নিয়ম। যিসকল ছাত্ৰ-ছাত্ৰীৰ মেজৰ বিষয় থাকে তেওঁলোকক গ্ৰন্থাগাৰৰ পৰা চাৰিখনকৈ কাৰ্ড দিয়া হয়। এই কাৰ্ডৰ বিনিময়ত তেওঁলোকে একেলগে চাৰিখন কিতাপ ল'ব পাৰে। পোন্ধৰ দিনৰ মূৰে মূৰে এই পুথি ঘূৰাই দি তেওঁলোকে পুণৰ কিতাপ ল'ব পাৰে। এনেদৰে গড়ে একোজন ছাত্ৰই এই গ্ৰন্থাগাৰৰ পৰা বছৰি কমেও আঁশীখন কিতাপ পঢ়িব পাৰে। কিন্তু বেছিভাগ ক্ষেত্ৰতে দেখা যায় ছাত্ৰ-ছাত্ৰীসকলে পুথি নিয়মীয়াকৈ ঘূৰাই নিদি পৰীক্ষাৰ আগে আগে প্ৰ-পত্ৰ ভৰ্ত্তিৰ সময়ত তেওঁলোকে গ্ৰন্থাগাৰৰ পৰা ধাৰলৈ লোৱা পুথি ঘূৰাই দিয়ে। ফলত তেওঁলোকে মাথোন দুখন বা চাৰিখনহে পুথি পঢ়িবলৈ পায়। কিন্তু যদি তেওঁলোকে পুথি পঢ়ি নিয়মীয়াকৈ ঘূৰাই দি আকৌ নতুন কিতাপ ধাৰ লৈ থাকে তেনেহ'লে ৮০ৰ পৰা ১০০খনলৈ পুথি গ্ৰন্থাৰৰ পৰা পঢ়িব পাৰে।

গ্ৰন্থাগাৰত থকা এই ২০,২৬৫খন কিতাপৰ ভিতৰত ৪,৩৩২খন বিজ্ঞান বিষয়ৰ কিতাপ। বাকী থকা কলা বিভাগৰ কিতাপৰ প্ৰায় ৩ হেজাৰ কিতাপ প্ৰসংগ পুথি বা 'ৰেফাৰেন্স বুক'। এই প্ৰসংগ পুথি সমূহৰ প্ৰায় ৫০০ অসমীয়া প্ৰসংগ পুথি। বাকী ২০০০ প্ৰসংগ পুথি ইংৰাজী, বঙলা, ইতিহাস, শিক্ষা, দৰ্শন, জীৱ-বিজ্ঞান, ৰসায়ন বিজ্ঞান, গণিত, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি বিজ্ঞান, পৰিবেশ অধ্যয়ন, সাধাৰণ জ্ঞান আদি বিষয়ক। শেহতীয়াকৈ গ্ৰন্থাগাৰত এ.আই.ই.ই.ই, এল.আই.চি,বেঙ্ক, সেনাবাহিনী, বন-বিভাগ, এ.চি.এছ, নেট, শ্লেট আদি প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰায় ২০০ পুথি সংগ্ৰহ কৰা হৈছে। এই পুথিসমূহ ছাত্ৰ-ছাত্ৰীসকলক কেৰিয়াৰ সম্পৰ্কীয় জ্ঞান দিবৰ বাবে ক্ৰয় কৰা হৈছে। অৱশ্যে এই পুথিসমূহ ঘৰলৈ নিবলৈ দিয়া নহয়। ছাত্ৰ-ছাত্ৰীসকলে এই পুথিসমূহ গ্ৰন্থাগাৰৰ পঢ়া কোঠালীতে পঢ়িব লাগে। প্ৰসংগ পুথি সমূহো ঘৰলৈ নিবলৈ দিয়া নহয়। পঢ়ুৱৈ সকলে গ্ৰন্থাগাৰৰ পঢ়া কোঠালীতে এই পুথি সমূহ পঢ়িব লাগে।

গ্ৰন্থাগাৰলৈ এঘাৰখন বিভিন্ন বিষয়ৰ আলোচনী বা জাৰ্ণেল, ১৫খন কাকত নিয়মীয়াকৈ আহে। উক্ত জাৰ্ণেল আৰু কাকতসমূহো ঘৰলৈ নিবলৈ দিয়া নহয়। ছাত্ৰ-ছাত্ৰীসকলে গ্ৰন্থাগাৰৰ পঢ়া কোঠালীত পঢ়িব লাগে। ছাত্ৰ-ছাত্ৰীসকলে অৱশ্যে বাতৰি কাকত বা আলোচনী আদি পঢ়া-কোঠালীতে পঢ়ে। মহাবিদ্যালয় খোলা থকা দিনত কাকত আলোচনী পঢ়া ছাত্ৰ-ছাত্ৰীক ঠাই দিব নোৱাৰা অৱস্থা হয়গৈ। গ্ৰন্থাগাৰৰ পঢ়া কোঠালীটো ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ তুলনাত যথেষ্ট সৰু। গ্ৰন্থাগাৰটোৰ বাবে এটা আহল-বহল পঢ়া কোঠালীৰ অতি প্ৰয়োজন। অৱশ্যে শিক্ষকসকলৰ বাবে পঢ়িবলৈ গ্ৰন্থাগাৰত সুকীয়া পঢ়া কোঠালীৰ দিহা কৰা হৈছে।

গ্ৰন্থাগাৰ অধ্যয়ন চক্ৰঃ- বিলাসীপাৰা মহাবিদ্যালয় গ্ৰন্থাগাৰৰ ২০০৩ চনত এটা অধ্যয়ন চক্ৰ খোলা হয়। এই চক্ৰৰ দ্বাৰা এখন 'কেৰিয়াৰ ইনফৰমেচন বুলেটিন' প্ৰকাশ কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে সাজু হ'ব পৰাকৈ 'দলীয় আলোচনা' বা 'গ্ৰুপ-ডিচকাচন'ৰ এক বিশেষ শ্ৰেণী আবেলি ডেৰ বজাৰ পৰা গ্ৰন্থাগাৰৰ পঢ়া

কোঠালীতে অনুষ্ঠিত কৰা হৈ আহিছে। সংখ্যাত তাকৰীয়া হ'লেও এই দলীয় আলোচনাত অংশ লোৱা কিছুসংখ্যক ছাত্রই তেওঁলোকৰ কৰ্মস্থলত প্রতিষ্ঠা লাভ কৰাটো আমাৰ বাবে আনন্দৰ কথা।

সেউজ-পত্রিকা ঃ- প্রকৃতি সংগঠন অৰণ্য সুৰক্ষা সমিতি অসমৰ সহযোগিতাত বিলাসীপাৰা মহাবিদ্যালয় গ্রন্থাগাৰৰ তৰফৰ পৰা ২০০৩ চনৰ জুলাইৰ পৰা 'সেউজ পত্রিকা' প্রকাশ পাই আহিছে। পৰিবেশ আৰু প্রকৃতি বিষয়ক এই পত্রিকাখনিয়ে প্রকৃতি প্রেমী ৰাইজৰ শুভেচ্ছা লাভ কৰিছে। ৰাষ্ট্ৰীয় স্বীকৃতিদাতা আৰু পুণৰীক্ষণ পৰিষদ (NAAC) এ 'সেউজ-পত্রিকা' সম্পৰ্কে প্ৰশংসামূলক এটি টোকা তেওঁলোকৰ পৰ্য্যালোচনা আৰু মূল্যাঙ্কনৰ প্ৰতিবেদনত উল্লেখ কৰি গৈছে।



## বিলাসীপাৰা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিকৰ প্ৰচেষ্টা

# ওছমানিয়া বিশ্ববিদ্যালয়ৰ গৱেষণা বৈঠকত শংকৰদেৱৰ যুগৰ জ্ঞান পৰিচালনা পদ্ধতিৰ আলোচনা

**বিলাসীপাৰা, ১ ফেব্ৰুৱাৰী ঃ** ওছমানিয়া বিশ্ববিদ্যালয়ত তেলেংগানা আন্দোলনে তীব্ৰ ৰূপ লোৱাৰ সময়তে যোৱা ১০ জানুৱাৰী তাৰিখে বিশ্ববিদ্যালয়খনৰ ইউ জি চি একাডেমীক ষ্টাফ কলেজে আয়োজন কৰা গৱেষণা পদ্ধতি সম্পৰ্কীয় এলানি প্ৰশিক্ষণৰ কাৰ্যসূচীত আলোচিত হয় অসমত শংকৰদেৱৰ যুগৰ জ্ঞান পৰিচালনা পদ্ধতি সম্পৰ্কে। এই কাৰ্যসূচীত অসমৰ পৰা প্ৰতিনিধিত্ব কৰা বিলাসীপাৰা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ডঃ হৰিচৰণ দাসে বিষয়টো উত্থাপন কৰে। তেওঁ কয় যে শ্ৰীমন্ত শংকৰদেৱৰ সময়ত সত্ৰসমূহৰ জৰিয়তে এক প্ৰণালীবদ্ধ তথা বিজ্ঞানসন্মত জ্ঞান পৰিচালনা পদ্ধতি গঢ়ি উঠিছিল। সাঁচিপতীয়া পুথিৰ জৰিয়তে জ্ঞানৰ সংৰক্ষণ আৰু বিতৰণ কৰা হৈছিল। সত্ৰসমূহৰ গ্ৰন্থাগাৰ গঢ়ি উঠিছিল আৰু এই গ্ৰন্থাগাৰবিলাকত সাঁচিপতীয়া পুথিৰ প্ৰতিলিপি প্ৰস্তুত কৰা হৈছিল। এই উদ্যোগৰ লগতে লেখাৰু, কাকতি, গন্ধীয়াসকল জড়িত হৈ পৰিছিল আৰু জ্ঞানৰ বিতৰণৰ ক্ষেত্ৰত 'পাঠক' নামৰ পদৰো সৃষ্টি কৰা হৈছিল যি পদ বৰ্তমানৰ বিশ্ববিদ্যালয়সমূহত 'ৰীডাৰ' নামেৰে প্ৰচলন কৰা হৈছে। এই জ্ঞান পৰিচালনা পদ্ধতি আজিৰ তথ্যপ্ৰযুক্তিৰ যুগৰ তুলনাত মন্থৰ আছিল যদিও সুসংহত আছিল আৰু এনে জ্ঞান পৰিচালনা পদ্ধতি বৰ্তমানো অসমৰ সত্ৰসমূহত প্ৰচলিত হৈ আছে। পশ্চিমবংগ, মহাৰাষ্ট্ৰ, কৰ্ণাটক, অন্ধ্ৰ প্ৰদেশৰো গৱেষক মণ্ডলীয়ে অংশ লোৱা এই গৱেষণা বৈঠকত এই প্ৰসংগই যথেষ্ট সঁহাৰি লাভ কৰে আৰু পাঁচশ বছৰৰো আগতে যে এক সুসংহত 'নলেজ মেনেজমেণ্ট ছিষ্টেম' বা জ্ঞান পৰিচালনা পদ্ধতি অসমত প্ৰবৰ্তন কৰিছিল শ্ৰীমন্ত শংকৰদেৱে, সেই বিষয়ে গৱেষক মণ্ডলী অৱগত হৈ সন্তুষ্টি লাভ কৰে। তেওঁলোকে ডঃ দাসক বৰ্তমানৰ আধুনিক গৱেষণা পদ্ধতিৰ জৰিয়তে শংকৰদেৱৰ দিনৰ 'নলেজ মেনেজমেণ্ট ছিষ্টেম আৰু বৰ্তমানৰ নলেজ মেনেজমেণ্ট ছিষ্টেম'ৰ এক তুলনামূলক অধ্যয়ন বা গৱেষণা চলাই নিবলৈ আহ্বান জনায় আৰু এইক্ষেত্ৰত বিশ্ববিদ্যালয় অনুদান আয়োগে আৰ্থিক সাহায্য আগবঢ়াব বুলি আশা প্ৰকাশ কৰে। গৱেষণা প্ৰশিক্ষণৰ এই কাৰ্যসূচী উদ্বোধন কৰে ওছমানিয়া বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ ডীন ডঃ পুৰুষোত্তম ৰাৱে আৰু সামৰণী অনুষ্ঠানত নালগোণ্ডাৰ মহাত্মা গান্ধী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ ভি গংগাধৰ উপস্থিত থাকে।

## বিলাসীপাৰা তথা ধুবুৰী জিলাত
# উচ্চ শিক্ষাৰ অভাব আৰু বৰ্ত্তমান শিক্ষা ব্যৱস্থা

দিলীপ কুমাৰ চক্ৰৱৰ্ত্তী।

অসমৰ ভিতৰত অবিভক্ত গোৱালপাৰা জিলা তথা ভাৰত বাংলাদেশ সীমান্তৱৰ্ত্তী বৰ্ত্তমানৰ ধুবুৰী জিলা শিক্ষাৰ ক্ষেত্ৰত আটাইতকৈ পিছ পৰা। স্বাক্ষৰতাৰ ক্ষেত্ৰত এই জিলাখন জাতীয় আৰু ৰাজ্যিক হাৰৰ তুলনাত বহুতো তলত পৰি আছে। নাৰী শিক্ষাৰ ক্ষেত্ৰতো এই অঞ্চল অসম্ভৱ পিছ পৰি আছে। আকৌ চহৰ অঞ্চলৰ মানুহৰ শিক্ষাৰ তুলনাত গাঁও অঞ্চলৰ মানুহ শিক্ষাৰ ক্ষেত্ৰত বহুতো পিছ পৰি আছে। বিশেষকৈ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ দাতি কাষৰীয়া চৰ চাপৰি আঞ্চলৰ মানুহ শিক্ষাৰ ক্ষেত্ৰত আজিও বহুতো পিছ পৰি আছে।

অবিভক্ত গোৱালপাৰা জিলাত অতীতত শিক্ষাৰ মূল কেন্দ্ৰ আছিল গৌৰীপুৰ আৰু ধুবুৰী চহৰ। অবিভক্ত গোৱালপাৰা জিলাৰ সদৰ ধুবুৰীত প্ৰায় এশ ত্ৰিশ বছৰ পূৰ্ব্বত যেনেকৈ স্থাপিত হৈছিল ধুবুৰী ল'ৰাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, তেনেকৈ গৌৰীপুৰৰ জমিদাৰ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱাৰ উদ্যোগত প্ৰতিষ্ঠিত হৈছিল প্ৰতাপ চন্দ্ৰ ইনষ্টিটিউট ১৮৮৯ চনত। ইয়াৰ উপৰি সংস্কৃত শিক্ষাৰ বাবে গৌৰীপুৰ চহৰত গৌৰীপুৰৰ জমিদাৰৰ পৃষ্ঠপোষকতাত স্থাপিত হৈছিল তাৰিণী প্ৰিয়া সংস্কৃত চতুষ্পাঠী আৰু ধুবুৰীত প্ৰতিষ্ঠিত হৈছিল হৰি সভা সংস্কৃত চতুষ্পাঠী। সংস্কৃত চতুষ্পাঠী দুখনত অসমৰ বিভিন্ন প্ৰান্তৰ বহুতো ছাত্ৰ অধ্যয়ন কৰিবলৈ আহিছিল। আনকি বহুতো দুখীয়া পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক গৌৰীপুৰৰ ৰাজ পৰিয়ালে আৰ্থিক সাহায্য প্ৰদান কৰি শিক্ষা দীক্ষাৰ ক্ষেত্ৰত সহায়তাৰ হাত আগবঢ়াইছিল। উচ্চ শিক্ষা প্ৰতিষ্ঠান অবিভক্ত গোৱালপাৰা জিলাত নাছিল বুলিয়েই কব পাৰি। ১৯৪৬ চনত লক্ষীপুৰৰ জমিদাৰৰ উদ্যোগত ভোলানাথ মহাবিদ্যালয় নামেৰে এখন মহাবিদ্যালয় স্থাপন কৰা হয়। অবিভক্ত গোৱালপাৰা জিলা বৰ্ত্তমানৰ ধুবুৰী, কোকৰাঝাৰ, বঙ্গাইগাঁও, গোৱালপাৰা আৰু চিৰাং জিলাত এইখনেই আছিল প্ৰথমখন মহাবিদ্যালয়। এই মহাবিদ্যালয়খন প্ৰথমতে ধুবুৰী চহৰৰ ২ নং ওৱাৰ্ডত এ চি দাশগুপ্ত ৰোডত বৰ্ত্তমান বিদ্যালয় সমূহৰ উপ-পৰিদৰ্শকৰ কাৰ্য্যালয়ত আৰম্ভ কৰা হৈছিল যদিও স্থানাভাৱৰ কাৰণে ১৯৫৯ চনত বৰ্ত্তমানৰ কলেজ ৰোডৰ বৃহৎ ভূ-খণ্ডলৈ স্থানান্তৰিত কৰা হয়। ইয়াৰ পিছত এইখন মহাবিদ্যালয়ত কলাৰ লগতে বিজ্ঞান শাখাও মুকলি কৰা হয়। সেই সময়ত অবিভক্ত গোৱালপাৰা জিলাৰ উপৰি বৰ্ত্তমানৰ গাৰোপাহাৰ জিলাৰ তিনিখন জিলাৰ পৰা অসংখ্য ছাত্ৰ-ছাত্ৰী আহি এই মহাবিদ্যালয়ত অধ্যয়ন কৰিছিল। আনকি সেই সময়ত মেট্ৰিক পৰীক্ষা দিয়াৰ কেন্দ্ৰও কেৱলমাত্ৰ ধুবুৰীত থকা মেট্ৰিক পৰীক্ষাৰ সময় ছোৱাত সমগ্ৰ জিলা আৰু পাৰ্শ্বৱৰ্ত্তী গাৰোপাহাৰ জিলাৰ পৰা অসংখ্য ছাত্ৰ-ছাত্ৰী ধুবুৰীলৈ আহিছিল মেট্ৰিক পৰীক্ষা দিবলৈ। সেই সময়ত বৰ্ত্তমানৰ নিচিনা হোটেল লজ আদি নথকাত পৰীক্ষাৰ এমাহ/দুমাহ আগৰে পৰাই পৰীক্ষাৰ্থী সকলৰ অভিভাৱক সকলে চিনাকি মানুহৰ ঘৰত নিজৰ সন্তানক ৰাখি পৰীক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল।

অবিভক্ত গোৱালপাৰা জিলাৰ বিলাসীপাৰা চহৰত ১৯৬০ চনতে স্থাপিত হৈছিল বিলাসীপাৰা মহাবিদ্যালয়। এটা সময়ত বিলাসীপাৰা অঞ্চলত কেবাখনো হাইস্কুলৰ পৰা অত্যন্ত মেধাবী ছাত্ৰ-ছাত্ৰীয়ে কৃতিত্বেৰে মেট্ৰিক পাছ কৰাৰ নিদৰ্শন আছে। বিলাসীপাৰা চহৰত ৰোকাখাতা হাইস্কুল, ইন্দ্ৰ নাৰায়ণ একাডেমী, পাব্লিক উচ্চতৰ মাধ্যমিক বিদ্যালয় আদি বিভিন্ন শিক্ষা প্ৰতিষ্ঠান স্থাপিত হৈছিল। লক্ষ্য কৰা গৈছিল এটা সময়ত বিলাসীপৰাৰ পৰা প্ৰায় প্ৰতিবছৰে মেট্ৰিক পৰীক্ষাৰ ফলাফলত কৃতিত্বৰ তালিকাত বিলাসীপাৰাৰ ছাত্ৰ-ছাত্ৰীয়ে কেতিয়াবা প্ৰথম দহজনৰ ভিতৰত, আকৌ কেতিয়াবা কেইবাটা বিষয়ত লেটাৰ মাৰ্ক সহ সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। যি সময়ত উত্তীৰ্ণৰ হাৰ আছিল অত্যন্ত কম আৰু তৃতীয় বিভাগত উত্তীৰ্ণ হ'ব পৰাটোৱেই অধিকাংশ ছাত্ৰ-ছাত্ৰীৰ বাবে কঠিন আছিল, সেই সময়ত বিলাসীপাৰা আছিল ব্যতিক্ৰম আৰু চানেকি। সেইখন বিলাসীপাৰা চহৰত আজিৰ পৰা পঞ্চাশ বছৰ পূৰ্ব্বে এখন মহাবিদ্যালয় স্থাপন কৰি যিসকলে উচ্চ শিক্ষাৰ বাট মুকলি কৰিছিল আজি সেই মহাবিদ্যালয়ৰ সোঁণালী জয়ন্তী উদ্‌যাপনৰ মূহুৰ্ত্তত সেই সকল দূৰদৃষ্টিসম্পন্ন বিদ্যোৎসাহী আগৰণুৱাৰ অৱদানক শ্ৰদ্ধাৰে সুঁৱৰিছো। তেখেতসকলৰ সেই

সময়ৰ অৱদানৰ বাবেই আজি এই মহাবিদ্যালয়খনে পঞ্চাশ বছৰ সম্পূৰ্ণ কৰাৰ সুযোগ লাভ কৰিলে। লগতে এই পঞ্চাশ বছৰত অসংখ্য দুখীয়া, পিছপৰা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষাৰ দুৱাৰ মুকলি কৰিলে আৰু তেওঁলোকক সমাজত প্ৰতিষ্ঠিত হোৱাৰ সুযোগ দান কৰিলে।

প্ৰসঙ্গক্ৰমে এইটোও ক'ব লাগে যে মহাবিদ্যালয়ৰ পঞ্চাশ বছৰৰ যেনেকৈ সোঁণালী আনন্দময় স্মৃতিৰ অলেখ ইতিহাস আছে, তেনেকৈ কূটিল ৰাজনীতিৰ চক্ৰান্তত পৰি শিক্ষা প্ৰতিষ্ঠানখনে সুস্থ শৈক্ষিক পৰিৱেশ হেৰুৱাই পেলোৱাৰো বেদনাদায়ক ইতিহাস আছে। সি যি নহওক সেই সকলো ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি বৰ্ত্তমানে মহাবিদ্যালয়খনে দোপতদোপে উন্নতিৰ স্বাক্ষৰ ৰাখি, আগত দিনত মহাবিদ্যালয়খনে সময়ৰ প্ৰয়োজন পূৰ্ণ কৰিব পৰা শিক্ষাদান ব্যৱস্থা গঢ়ি তুলিববৈলে সক্ষম হওক এয়াই সকলো ৰাইজে কামনা কৰে। মহাবিদ্যালয়খনে সোঁণালী জয়ন্তী সম্পূৰ্ণ কৰি হীৰক জয়ন্তী, প্লাটিনাম জয়ন্তী, শতবৰ্ষ অতিক্ৰমী যুগ যুগ ধৰি জ্ঞানৰ অফুৰন্ত ভঁৰালৰ পৰা জ্ঞান বিতৰণ কৰক এয়েই সকলোৰে কামনা।

সামগ্ৰিকভাৱে ধুবুৰী জিলাত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান বুলিববৈলে নাই। ১৯৪৬ চনত ধুবুৰীত ভোলানাথ মহাবিদ্যালয় স্থাপিত হোৱাৰ পিছত ১৯৬০ চনত বিলাসীপাৰা মহাবিদ্যালয় স্থাপিত হয়। ইয়াৰ পিছত গৌৰীপুৰত প্ৰমথেশ বৰুৱা মহাবিদ্যালয়, সাপটগ্ৰামত সাপটগ্ৰাম মহাবিদ্যালয়, মানকাচৰত মানকাচৰ মহাবিদ্যালয়, চাপৰত ৰত্নপীঠ মহাবিদ্যালয়, গোলকগঞ্জত চিলাৰায় মহাবিদ্যালয়, ধুবুৰীত ছোৱালী মহাবিদ্যালয়, হালাকুৰাত হালাকুৰা মহাবিদ্যালয় স্থাপিত হয়। ১৯৮৭ চনত প্ৰয়াত দীনেশ ৰঞ্জন সৰকাৰৰ চেষ্টাত স্থাপিত হয় ধুবুৰী আইন মহাবিদ্যালয়। তেখেতৰ অক্লান্ত চেষ্টাত এই আইন মহাবিদ্যালয়ৰ পৰা অসংখ্য দুখীয়া ছাত্ৰ-ছাত্ৰী আইনৰ স্নাতক হ'বৈলে সক্ষম হয়। অসমৰ বাহিৰেও উত্তৰঙ্গ, ত্ৰিপুৰা, মেঘালয় আৰু আন আন ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীয়েও এই আইন মহাবিদ্যালয়ৰ পৰা আইনৰ স্নাতক হৈ প্ৰতিষ্ঠিত হ'বৈলে সক্ষম হয়। কিন্তু তেখেতৰ মৃত্যুৰ পিছত বৰ্ত্তমানে সুস্থ পৰিচালনাৰ অভাৱত ধুবুৰী আইন মহাবিদ্যালয়খনে অৰ্দ্ধমৃতাৱস্থাত জীয়াই আছে। এয়া অত্যন্ত বেদনাদায়ক কথা।

ধুবুৰী ভোলানাথ মহাবিদ্যালয়ত মাত্ৰ চাৰিটা বিষয়ক লৈ স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰা হৈছিল যদিও মৃতাৱস্থাত পৰিণত হৈছে। এইখন মহাবিদ্যালয়ত ইন্দিৰা গান্ধী জাতীয় মুক্ত বিশ্ববিদ্যালয়ৰ শাখা খোলা হৈছে যদিও ছাত্ৰ-ছাত্ৰীৰ কিমানখিনি সঁহাৰি লাভ কৰিছে সেয়া কৰ্তৃপক্ষই সঠিককৈ ক'ব পাৰিব। কিছু বছৰ আগতে ধুবুৰীত বি এড কলেজো স্থাপিত হৈছে।

ধুবুৰী জিলাত বহুতো দাবীৰ পিছতো চৰকাৰৰ বিমাতৃসুলভ নীতিৰ বাবে আজিও এইখন জিলাত কেন্দ্ৰিয় বিশ্ববিদ্যালয়, ৰাজ্যিক বিশ্ববিদ্যালয় বা তাৰ ক্যাম্পাছ, চিকিৎসা মহাবিদ্যালয়, অভিযান্ত্ৰিক মহাবিদ্যালয়, কৃষি মহাবিদ্যালয়, আই আই টি আদিৰ এটাও স্থাপিত নহ'ল। আনকি যোৱা পাঁচটা দশকৰ পৰা দাবী কৰি অহাৰ পিছতো আজিলৈ এটা পলিটেকনিক শিক্ষা প্ৰতিষ্ঠান বা ফৰেষ্ট স্কুল পৰ্যন্ত ইয়াত প্ৰতিষ্ঠিত নহ'ল। ফলত এই অঞ্চলৰ দুখীয়া ছাত্ৰ-ছাত্ৰীয়ে বিপুল অৰ্থব্যয় কৰি ধুবুৰী জিলাৰ বাহিৰত আৰু বহুতো ব্যক্তিয়ে অসমৰ বাহিৰতো উচ্চ শিক্ষা লাভ কৰিববৈলে যোৱা পৰিলক্ষিত হৈছে।

ধুবুৰী জিলাৰ বিভিন্ন প্ৰান্তত স্বাধীনতাৰ আগৰে পৰা সাধাৰণ শিক্ষাৰ সমান্তৰালকৈ ইছলাম ধৰ্মীয়, দ্বীনি শিক্ষাৰ বাবেও অসংখ্য মক্তব, মাদ্ৰাছা, ছিনিয়ৰ মাদ্ৰাছা, হাফিজিয়া মাদ্ৰাছা, খাৰিজীয়া মাদ্ৰাছা আদিৰ মাধ্যমেৰে শিক্ষা দান কাৰ্য্য চলি আছে। বৰ্ত্তমান সময়ত ধুবুৰী জিলাৰ বিভিন্ন মাদ্ৰাছাৰ সংখ্যাও দ্ৰুতগতিত বাঢ়িছে।

ঠিক একেদৰে দেখিববৈলে পাওঁ সমগ্ৰ জিলাখনতে বেচৰকাৰী ইংৰাজী মাধ্যমৰ বিদ্যালয় অসংখ্য গঢ়ি উঠিছে। ইয়াৰ বাহিৰেও শঙ্কৰদেৱ শিশু নিকেতন, অসম জাতীয় বিদ্যালয় আদি বিদ্যালয়ৰ শাখাও সমগ্ৰ জিলাখনতে স্থাপিত হৈছে। বিলাসীপাৰা চহৰ আৰু মহকুমাতো এনে বহুতো শিক্ষা প্ৰতিষ্ঠান গঢ়ি উঠা দেখা গৈছে।

ইয়াৰ বাহিৰেও আমি দেখববৈলে পাওঁ সমগ্ৰ জিলাখনতে বিভিন্ন প্ৰতিষ্ঠানে কম্পিউটাৰ শিক্ষা কেন্দ্ৰ স্থাপন কৰিছে। লগতে দূৰৱৰ্ত্তী শিক্ষা (Distance Education) প্ৰদানৰ নামতো অসংখ্য কেন্দ্ৰ গঢ়ি উঠিছে। কিন্তু সেইবোৰ কেন্দ্ৰৰ অধিকাংশতেই বিপুল পৰিমাণৰ অৰ্থ লৈ ভৰ্ত্তী কৰোৱাৰ পিছত কেৱলমাত্ৰ চিলেবাছ, গাইড লাইন আদি প্ৰদান কৰিয়েই কৰ্ত্তব্য সমাপন কৰে। প্ৰকৃত অৰ্থত শিক্ষক নিযুক্ত কৰি ছাত্ৰ-ছাত্ৰীক

পাঠদান দিয়াৰ বাবে বিদ্যালয় গৃহ বা তেনেধৰণৰ সুব্যৱস্থা এইবোৰ প্ৰতিষ্ঠানৰ নাই। এইবোৰ প্ৰতিষ্ঠানক প্ৰকৃতাৰ্থত শিক্ষাৰ যোগাযোগ কেন্দ্ৰ বা কমিছন এজেন্টৰূপেহে অভিহিত কৰিলে বোধকৰো ভাল হ'ব। লক্ষ্য কৰিলে দেখা যায় কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ পৰা আৰম্ভ কৰি অক্সফোৰ্ড, ক্যামব্ৰিজ আদিতো শিক্ষা প্ৰদানৰ নামত এনেবোৰ কেন্দ্ৰ গঢ়ি উঠিছে।

সামগ্ৰিকভাৱে ধুবুৰী জিলা তথা বিলাসীপাৰা মহকুমাৰ শিক্ষা জগতৰ চিত্ৰখন এনেধৰণৰ অথচ আমি লক্ষ্য কৰিলে দেখিবলৈ পাওঁ অবিভক্ত গোৱালপাৰা জিলাৰেই অঙ্গ ধুবুৰী জিলাৰ প্ৰতিৱেশি জিলা কোকৰাঝাৰ জিলাৰ ৰাইজে ৰাজনৈতিক হেঁচা প্ৰয়োগ কৰি কেন্দ্ৰিয় বিশ্ববিদ্যালয়ৰ ক্যাম্পাছ, ৰাজ্যিক বিশ্ববিদ্যালয়ৰ ক্যাম্পাছ সহ উচ্চ শিক্ষাৰ বিভিন্ন প্ৰতিষ্ঠান লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰতিবেশি বঙ্গাইগাওঁ জিলাতো বহুতো বছৰ পূৰ্বে আই টি আই, পলিটেকনিক আদি স্থাপিত হৈছে। কিন্তু ধুবুৰী পিছ পৰি আছে। এটা সময়ত ১৯৮৩ চনত ধুবুৰীত কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপনৰ দাবীত আন্দোলন গঢ়ি উঠিছিল। কিন্তু ৰাজনৈতিক ঐক্য আৰু জনগণৰ অসচেতনৰ কাৰণে সেইদাবী পূৰণ নহ'ল। সম্প্ৰতি ধুবুৰীৰ সাংসদ মৌলানা বদৰুদ্দিন আজমলে ধুবুৰী জিলাত আলিগড় বিশ্ববিদ্যালয়ৰ এটি ক্যাম্পাছ স্থাপনৰ দাবী জনাইছে বুলি বাতৰি প্ৰকাশ পাইছে।

সি যি কি নহওক, কথাতে আছে ৰাইজে নখ জোকাৰিলে নৈ বয়। ধুবুৰী জিলাৰ ৰাইজেও যদি জাতি-ধৰ্ম, ভাষা-বৰ্ণ, দল-মত নিৰ্বিশেষে উচ্চ শিক্ষাৰ দুৱাৰ মুকলি কৰাৰ কাৰণে সচেতন আৰু ঐক্যবদ্ধ ভাৱে প্ৰচেষ্টা আৰম্ভ কৰে আৰু ইতিবাচক পদক্ষেপ গ্ৰহণ কৰে তেনেহলে শিক্ষাৰ ক্ষেত্ৰত পিছপৰি থকা আমাৰ এই দৈন্য দুৰ্দশাও অতি সোনকালে আঁতৰ হ'ব বুলি মোৰ বিশ্বাস। বিলাসীপাৰা মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষৰ পৰাই সেই যাত্ৰা আৰম্ভ হওক এয়েই সকলো ৰাইজে কামনা কৰে।

আৰু এটা বিষয় লক্ষ্য কৰিবলগীয়া। সেয়া হৈছে সত্তৰৰ দশকৰ পিছত ধুবুৰী জিলাত বহুতো মহাবিদ্যালয়, কণিষ্ঠ মহাবিদ্যালয় আদি স্থাপিত হৈছে। কিন্তু সেইবোৰ ক'লা, বিজ্ঞান আৰু বাণিজ্য শাখাতেই সীমাবদ্ধ হৈ আছে। আনকি বহুতো বিষয় আৰম্ভ কৰাই হোৱা নাই। অধিকাংশ চৰকাৰী মাধ্যমিক বিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিভিন্ন বিষয়ৰ পদবোৰ খালি হৈ আছে। সেই বিদ্যালয়বোৰত চিলেক্টেড অধ্যক্ষ বা উপাধ্যক্ষ নাই। শিক্ষকৰ অভাৱত ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বিষয়ৰ পাঠ গ্ৰহণৰ পৰা বঞ্চিত হৈ আছে। ফলত চৰকাৰী বিদ্যালয়সমূহত প্ৰকৃতাৰ্থত পাঠদান নহয়। যিসকলৰ অৱস্থা স্বচ্ছল তেওঁলোকে প্ৰাইভেট টিউচনৰ মাধ্যমেদি শিক্ষাগ্ৰহণ কৰি ভাল ফলাফল লাভ কৰে। কিন্তু দুখীয়া ঘৰৰ ছাত্ৰ-ছাত্ৰীয়ে সেই সুযোগৰ অভাৱত মাজবাটতে শিক্ষা সাং কৰিবলগীয়া হয়। এনে অৱস্থাত চৰকাৰী শিক্ষা ব্যৱস্থাটো ধোৱা চাঙত উঠাৰ পৰিৱেশ সমগ্ৰ ৰাজ্যতে বিৰাজ কৰিছে। এয়া এক সামাজিক প্ৰত্যাহ্বান বুলিয়েই ক'ব পাৰি। বিলাসীপাৰা মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষত শিক্ষাবিদসকলে এই বিষয়টোৰ প্ৰতিও দ'কৈ চিন্তা-ভাৱনা কৰা প্ৰয়োজন। লগতে ৰাজ্যৰ শিক্ষা ব্যৱস্থাটোক ৰাজনৈতিক হস্তক্ষেপ আৰু প্ৰভাৱৰ পৰাও মুক্ত কৰা প্ৰয়োজন। তেনেহলে ছাত্ৰ-ছাত্ৰীয়ে উপযুক্ত শিক্ষা গ্ৰহণ কৰিব পাৰি।



# শৈক্ষিক পৰিৱেশ গঢ়াত ছাত্ৰ, শিক্ষক আৰু অভিভাৱকৰ দায়িত্ব আৰু কৰ্তব্য

হৃদয়ানন্দ দাস, প্ৰাক্তন অধ্যক্ষ,
বিলাসীপাৰা পাব্লিক উচ্চতৰ মাধ্যমিক বিদ্যালয়।

'অভিভাৱক জনক' যদি আমি পান কুওঁতা জনৰ লগত ৰিজাও তেতিয়া হলে এই আপ্তবাক্যৰ মাজতে নিহিত হৈ থকা দেখিম শৈক্ষিক পৰিৱেশ গঢ়াত ছাত্ৰ, শিক্ষক আৰু অভিভাৱকৰ দায়িত্ব আৰু কৰ্তব্য কিমান অসীম।

এই বিষয়ে বিশ্লেষণ কৰিবলৈ যোৱাৰ আগতে শিক্ষা, শিক্ষক, বিদ্যাৰ্থী আৰু শৈক্ষিক পৰিবেশ সম্পৰ্কে কিছু কতা ফহিয়াই চোৱাৰ প্ৰয়োজন আছে।

কবলৈ গলে শিক্ষাৰ অৰ্থ হৈছে জ্ঞানৰ পোহৰ। যি জ্ঞানে আমাৰ মনৰ পৰা অজ্ঞান অন্ধকাৰ দুৰ কৰি আমাৰ মন-প্ৰাণ জ্ঞানৰ আলোকেৰে আলোকিত কৰি তুলিব পাৰে -সেয়াই হ'ল শিক্ষা। দেশ ভক্ত তৰুণ ৰাম ফুকনদেৱে শিক্ষাৰ উদ্দেশ্য সম্পৰ্কে কবলৈ গৈ কৈছিল-'শিক্ষাৰ উদ্দেশ্য মন প্ৰশস্ত কৰা, চিন্তা শক্তি বঢ়োৱা, শিক্ষাৰ্থীক নানা ভাব দি ভৱিষ্যত জীৱন যুদ্ধত দেশৰ আৰু জগতৰ কল্যাণ সাধনত সৰ্বতো প্ৰকাৰে যোগ্যবান কৰা'-।' মহাত্মা গান্ধীৰ মতে -'শৰীৰ, মন আৰু আত্মাৰ সামগ্ৰিক বিকাশেই শিক্ষা। যাৰ দ্বাৰা মানুহ বিনম্ৰ, পৰোপকাৰী, সেৱা ভাবাপন্ন আৰু কৰ্ম-পটু হব পাৰে'।

ছাত্ৰক এনে শিক্ষাৰে শিক্ষিত কৰি দেশৰ সুনাগৰিক হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত শিক্ষক সকলৰ ভূমিকা যে অসীম সেয়া অনস্বীকাৰ্য। সেয়ে শিক্ষাৰ ক্ষেত্ৰত শিক্ষক হ'ল ধাৰক-বাহক সকলো। তৈত্তিৰীয় উপনিষদত মাতৃদেৱ ভৱ', 'পিতৃদেৱ ভৱ' ৰ লগত 'আচাৰ্য্যদেৱ ভৱ' বুলি কৈ গুৰুৰ মহত্ব পিতৃ-মাতৃৰ তুল্য বুলি কৈছে। আনহাতে প্ৰাচীন ভাৰতৰ মুনিবৰ মনুৱে শিক্ষক সকলক সাক্ষাৎ 'পৰম ব্ৰহ্ম' বুলি কৈছে। সেয়ে প্ৰাচীন ভাৰতীয় সকলৰ শিক্ষক বন্দনাত কোৱা হৈছে - "THE TEACHER IS BRAHMA, THE TEACHER IS BISHNU, THE TEACHER IS WHOLESOME GOD MOHESHWARA, THE TEACHER IS THE ENTIRE UNIVERSE." প্ৰাচীন কালৰ ঋষি মুনি সকলৰ পৰা সাম্প্ৰতিক কালৰ বৌদ্ধিক চিন্তা নায়ক সকলেও শিক্ষক সকলক যি সময়ত এনে মৰ্য্যাদাপূৰ্ণ আৰু পূজ্য আসনত বহুৱাইছে, সেইক্ষেত্ৰত শিক্ষক সকলৰ দায়িত্ব আৰু কৰ্তব্য কেনে হব লাগে, কি কৰা উচিত সি সহজে অনুমেয়।

ছাত্ৰ সম্পৰ্কে কব লগা কথা হ'ল - ছাত্ৰ জীৱনটো মানৰ জীৱনৰ ভেটি স্বৰূপ। সুচিন্তিতভাবে আৰু দৃঢ়ভাবে না সাজিলে গোটেই জীৱনত নানা দুখ অশান্তি ভোগ কৰিবলগা হয়। জীৱনটো হাহাকাৰত পৰিণত হয়। তলৰ কৱিতা ফাঁকিত এই নিকা সত্যৰ সুন্দৰ নিদৰ্শন পৰিস্ফুত হোৱা দেখা যায়।

গোটোৱা গোলাপ কলি    সময় থাকতে তুমি
জীৱনৰ সোঁত বলি যায়,
যিটি ফুলে হাঁহি আজি    ফুলনি ফুলাই তুলে
কাইলৈ নেহাঁহে দুনাই।

অৰ্থাৎ সময় থাকতে জীৱনটো মহিয়ান আৰু গৰিয়াণ কৰি গঢ়ি তুলিবাৰ কাৰণে অৱশ্যকীয় বস্তুবোৰ সংগ্ৰহ কৰি লোৱা উচিত। কাৰণ ছাত্ৰৰ কাৰ্য প্ৰণালীৰ ওপৰতে শৈক্ষিক পৰিৱেশ ভাল বা বেয়া হোৱাটো বহুলাংশে নিৰ্ভৰ কৰে।

এতিয়া প্ৰশ্ন হল শৈক্ষিক পৰিবেশ বুলিলে আমি কি বুজো। পৰিৱেশৰ ইতিবাচক দিশটোৰ কথা বিবেচনা কৰিলে দেখা যায়, যি পৰিবেশত শিক্ষকে ফলপ্ৰসূ শিক্ষা প্ৰদান কৰিব পাৰে আৰু ছাত্ৰই সেই ফলপ্ৰসূ শিক্ষা গ্ৰহণ কৰি ভৱিষ্যত জীৱনত একো একো জন দুৰন্ত সৈনিক হিচাপে পৰিয়ালৰ, দেশৰ, দহৰ মঙ্গলৰ বাবে কাম কৰি যাবলৈ উদগনি পায়। সেয়াই হৈছে শৈক্ষিক পৰিবেশ। পৰিৱেশৰ ইতিবাচক দিশটোৰ কথা বাদ দি নেতিবাচক দিশটোৰ কথা ভাবিলৈ সমানন্তৰাল ভাবে দুটা কথা আমাৰ মনলৈ আহে- পৰিৱেশে ছাত্ৰ-ছাত্ৰীক শিক্ষালাভৰ কাৰণে যাবতীয় সু-সুবিধা প্ৰদান কৰিব পাৰে বা সা-সুবিধাৰ পৰা বঞ্চিত কৰিব পাৰে। দ্বিতীয়তে অনুকুল পৰিৱেশে ছাত্ৰ-ছাত্ৰীৰ মন শিক্ষালাভৰ প্ৰতি আকৰ্ষিত কৰিব পাৰে, প্ৰতিকূল পৰিবেশে শিক্ষালাভৰ প্ৰতি তেওঁলোকৰ মনত বিৰাগ জন্মাব পাৰে। তৃতীয়তে সৰুৰে পৰা পাই অহা ঘৰুৱা পৰিবেশে লৰা-ছোৱালীক শিক্ষাৰ প্ৰতি শ্ৰদ্ধাশীল হবলৈ শিকাব পাৰে বা অন্যথাই পৰিবেশে তেওঁলোকক শিক্ষাক অবজ্ঞা কৰিবলৈ উদগনি দিব পাৰে। লৰা-ছোৱালী শিক্ষা আহোৰণৰ বাবে অনুকুল পৰিবেশ সৃষ্টি কৰাৰ ক্ষেত্ৰত শিক্ষক আৰু অভিভাবক দুয়ো যদি সমানভাবে সচেতন হৈ নুঠে তেন্তে লৰা-

ছোৱালীৰ শিক্ষা আপোনা আপুনি সন্তোষজনকভাবে আগ বাঢ়িব বুলি আশা কৰিব নোৱাৰি।

পৰিবেশৰ এক মৌলিক উপাদান হ'ল পৰিয়াল। সেই কাৰণে কোৱা হয় -

Home, Home, Sweet Home
There is no place like- Home.

ঘৰেই শিশুৰ আচল শিক্ষাৰ ঠাই। প্ৰাচীন কালত গুৰুকুল শিক্ষাত- গুৰু গৃহত থাকি পবিত্ৰ পৰিবেশত, বিদ্যাৰ্থীয়ে সকলো বস্তু সত্য, শিৱ, সুন্দৰৰ মাজেদি অৱলোকন কৰি যি শিক্ষা লাভ কৰিছিল- তাত ছাত্ৰ আওঁ বাটে যোৱাৰ কোনো শংকা বা ভয় নাছিল। সময়ৰ লগে লগে শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তন হোৱাটো একো স্বাভাবিক নহয়। কিন্তু আজিৰ ভোগবাদী সমাজ ব্যৱস্থাত আমাৰ প্ৰতিটো পৰিয়াল আদৰ্শচ্যুত নহলেও অধিক সংখ্যক পৰিয়াল আদৰ্শচ্যুত হৈছে বুলি কলে সত্যৰ অপলাপ কৰা নহব। শিশুক সকলো কথা হাতে কামে শিকাই দিব নেলাগে, তেওঁলোকে বহু কথা দেখি দেখি বহু কথা শুনি শুনি, বহু নিশিকিবলগীয়া কথা শিকে। wordsworth' ৰ মতে "Environment Covers all the out-side fectors that have acted on the indivisual since he began life."

ওপৰত উল্লেখ কৰা কথাখিনি সন্মুখত ৰাখি শৈক্ষিক পৰিবেশ গঢ়াত ছাত্ৰ, শিক্ষকৰ উপৰিও অভিভাৱকৰ দায়িত্ব কেনে হোৱা উচিত সম্পৰ্কে দীৰ্ঘদিনীয়া শিক্ষক জীৱনৰ অভিজ্ঞতাৰে কিছু কথা এই লেখনীৰ জৰিয়তে ফহিয়াই চোৱাৰ চেষ্টা কৰিছো।

প্ৰথমতে ছাত্ৰ-ছাত্ৰী অৰ্থাৎ বিদ্যাৰ্থী সকলৰ কথাটোকে আলোচনা কৰিবলৈ লৈছো। The student of today is the citizen of tomorrow' অৰ্থাৎ আজিৰ ছাত্ৰই কাইলৈ দেশৰ নাগৰিক। নাগৰিক বুলি কওঁতে সুনাগৰিকৰ কথাই কোৱা হৈছে। যি সুনাগৰিকৰ ওপৰতে দেশৰ, দহৰ মঙ্গল সাৰ্থিত হব পাৰে। ইয়াৰ কাৰণে লগে সুস্থ শৰীৰ আৰু নিৰ্মল চৰিত্ৰ। দেশৰ ভৱিষ্যত আশাৰ ফুল স্থুল, দেশৰ ভবিষ্যত নাগৰিক এই ছাত্ৰসকলৰ দৈহিক, মানসিক, আধ্যাত্মিক উন্নতিত সমগ্ৰ জাতিৰ উন্নতি, সমগ্ৰ জাতিৰ মহাকল্যাণ সাধিত হব লাগিব। বিশ্ব বিদ্যালয়ৰ দীঘল দীঘল ডিগ্ৰীয়ে ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষিত কৰিব পাৰে, কিন্তু সুনাগৰিক কৰিব পাৰে বুলি আমাৰ মনে নধৰে। বিশ্ববিদ্যালযৰ ডাঙৰ ডিগ্ৰীয়ে শিক্ষাৰ মাপাকাঠি হলে আমাৰ দেশৰ অৱস্থা এনে দুখ লগা নহলহেঁতেন।

অসংযত, অব্ৰহ্মচাৰী সন্তান- প্ৰতিভাহীন, মূৰ্খ, স্বাৰ্থপৰ, ঠেক ডাবৰ আৰু দুষ্ট বুদ্ধি সম্পন্ন হয়। নিজৰ সুখেই এই সকলক জীৱনৰ একমাত্ৰ লক্ষ্য, এক মাত্ৰ আদৰ্শ হৈ উঠে। এনেকুৱা সন্তান জাতীয় জীৱনৰ মূৰ্তিমান অভিশাপ স্বৰূপ,জাতীয় উন্নতিৰ ক্ষেত্ৰত ৰাধা স্বৰূপ।

শিক্ষক জীৱনৰ ক্ষুদ্ৰ অভিজ্ঞতাৰে এটি কথা ভালকৈ উপলব্ধি হয়-"ভেটি সুদৃঢ় নহলে তাৰ ওপৰত ওখ দৌল যেনেকৈ নিৰ্মান কৰিব নোৱাৰি, সেইদৰে ছাত্ৰ জীৱনত ব্ৰহ্মচাৰ্য্য ব্ৰত সু-প্ৰতিস্থিত নহলে তেওঁ লোকৰ ভৱিষ্যতে জীৱনো "আৰ্হি জীৱন" ৰূপে গঢ়ি তুলিব নোৱাৰি।

আমাৰ ঘৰ, চৌদিশৰ পৰিবেশ আৰু বৰ্তমান শিক্ষা পদ্ধতিও এনে কাৰণ যুক্ত যে ছাত্ৰসকলে ব্ৰহ্মচাৰ্য ব্ৰত আৰু আদৰ্শ জীৱন-যাপন পৰিপন্থী বহু কথাই ছাত্ৰ অৱস্থাৰ পৰাই শিকে। সেয়ে তেনে ছাত্ৰৰ দ্বাৰা বিদ্যালয়ত পাঠদান কক্ষত বা বাহিৰত উচ্ছৃঙ্খল বা যি কোনো অশালীন ব্যৱহাৰ প্ৰদৰ্শনত আচৰিত হবলগীয়া একো নেথাকে। ছাত্ৰ অৱস্থাত আদৰ্শ জীৱন যাপনৰ কোনো অনুশীলন ৰথকাৰ বাবেই, আজি ছাত্ৰসকলক পৰীক্ষা গৃহত অসৎ বৃত্তি অবলম্বন কৰাত বাধা দিবলৈ গৈ শিক্ষকসকল অৱধাৰিত ভাবে অপমানিত আৰু লাঞ্চিত হব লগাত পৰিছে। ইয়াতকৈ আৰু দুখৰ কথা কি থাকিব পাৰে। এনে পৰিস্থিতিৰ পৰা হাত সৰাৰ কাৰণে আমাৰ শিক্ষা জীৱনৰ উপলব্ধিৰ পৰা ঋষি নিৰ্দেষিত কেতবোৰ নিৰ্দেশৰ কথা আলোচনা কৰিছো। আশাকৰো এই নিৰ্দেশবোৰ পালন কৰি চলিলে ছাত্ৰ-ছাত্ৰীসকলে নিজস্বা কৰণীয় কৰ্তব্যৰ দ্বাৰা শৈক্ষিক পৰিবেশ উন্নতৰ পৰা উন্নতৰ কৰি আদৰ্শ জীৱন যাপন কৰিব পাৰিব বুলি আমাৰ দৃঢ় বিশ্বাস।

বিদ্যাৰ্থীসকলে শৈক্ষিক পৰিবেশ উন্নত কৰাৰ ক্ষেত্ৰত নিম্ন লেখিত নিয়ম সমূহ পালন কৰা উচিত বুলি ভাবো।

১। ছাত্ৰ জীৱনত উন্নতি কৰিব লগা হলে ছাত্ৰক লাগে বিষয়ৰ প্ৰতি আগ্ৰহ আৰু একাগ্ৰতা। চঞ্চল চিত্তত আগ্ৰহ আৰু একাগ্ৰতা নাহে। উদাহৰণ স্বৰূপে টৌ খেলি থকা পানীত কোনো বস্তুৰে প্ৰতিবিম্ব নপৰে। ঠিক তেনেকৈ চঞ্চল চিত্তত কিহৰেইবা প্ৰতিবিম্ব পৰিব। ছাত্ৰাৱস্থাত সেয়ে মনৰ চঞ্চলতা দুৰিকৰণ কাৰণে নিতৌ নিয়মীয়া ভাবে পাঠৰ আগত ছাত্ৰ-ছাত্ৰীসকলে প্ৰাৰ্থনা আৰু ধ্যান কৰিব।

২। 'শৰীৰ মাদ্যং খলু ধৰ্ম সাধনম্'। সুস্থ, সবল দেহেই সকলো সাধনাৰ মূল বস্তু। ছাত্ৰ জীৱন সাধনাৰ জীৱন। গতিকে এই সাধনাত সিদ্ধি লাভ কৰিবলৈ হলে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে যেন অধ্যয়ন ৰত অৱস্থাত শাৰীৰিক আৰু মানসিক ব্ৰহ্মচাৰ্য পালনৰে

নিজৰ দেহ মন নিকা কৰি ৰাখে।

৩। নীতি শাস্ত্ৰত ব্ৰহ্মমূৰ্হুতত শৰ্য্যা এৰাৰ বিশেষ প্ৰশস্তি আছে। 'Early to bad and early to rise, makes a man healthy, wealthy and wise.'বেচি ৰাতি নৌহওঁতেই শোৱা আৰু নিচেই পুৱাতে উঠা সু-অভ্যাসে মানুহক স্বাস্থ্য, সম্পদ আৰু জ্ঞানৰ অধিকাৰী কৰে।

৪। বিশেষ পৰ্ব উপলক্ষে বা কৰাবলৈ যাবৰ সময়ত গুৰুজন সকলক প্ৰণাম কৰিব।

৫। ছাত্ৰাবস্থাত কোনো প্ৰকাৰৰ নিচাত আসক্ত হব নেপায়। ছাত্ৰাবস্থাত মদ, ভাং, কানি, ধপাত, চিগাৰেট আদি খোৱা নিচাত আসক্ত হলে এইবোৰে দৈহিক আৰু মানসিক বিকাশৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰে।

৬। স্কুল কলেজৰ ছাত্ৰীৰ আবাসৰ ফালে বা ছাত্ৰীসকল অহা যোৱা কৰা বাটৰ কাষত থিয় হৈ সিহঁতলৈ চাই থকা দোষণীয়। ছোৱালীহঁতৰ ফালে এনেকৈ এক দৃষ্টিৰে চোৱাটো পুৰুষৰ পক্ষে ভদ্ৰতা বিৰোধী আৰু ব্ৰহ্মচাৰ্য্য বিৰোধী।

৭। ছোৱালীহঁতে স্কুল কলেজলৈ যাবৰ সময়ত অধিক ৰূপসজ্জা কৰাটো নিতান্তই অনুচিত। সাধাৰণ সালিনতা সম্পন্ন পৰিচ্ছত পৰিধান কৰিব। তেওঁলোকে বাহিৰৰ ঐশ্বৰ্য্যৰ প্ৰতি ভ্ৰূক্ষেপ নকৰি অন্তৰৰ ঐশ্বৰ্য্যৰে ঐশ্বৰ্য্যশালিনী হবলৈহে চেষ্টা কৰা উচিত।

৮। ভাৰতীয় আদৰ্শমতে চৰিত্ৰৰ সাধনাই দেৱত্বৰ সাধনা। সেই কাৰণে কোৱা হয়- *'If money is lost, nothing is loss, if health is lose, something is loss, but if character is lost, everything is loss'*. ছাত্ৰ জীৱনেই চৰিত্ৰ গঠনৰ উপযুক্ত সময়। সুৰুচি, কৰ্তব্য পৰায়ণতা, স্বদেশ প্ৰীতি, সত্য পৰায়ণতা আদি সদ গুণেৰে গুণবান হৈ উঠাটোৱেই আদৰ্শ চৰিত্ৰৰ লক্ষণ।

৯। জ্ঞান অৰ্জনৰ নিমিত্তে ছাত্ৰ জীৱনেই সৰ্বোৎকৃষ্ট সময়। পাঠ্য-পুস্তকৰ গণ্ডীৰ মাজতে জ্ঞানৰ পৰিষৰ সীমাবদ্ধ ৰাখিলে সেই শিক্ষা হয় অসম্পূৰ্ণ। এতেকে পাঠ্য বিষয়ৰ বাহিৰেও বিভিন্ন কিতাপ অধ্যয়ণ কৰি জ্ঞানৰ পৰিধি বৃদ্ধি কৰাটো ছাত্ৰ-ছাত্ৰীৰ বাবে পৰম আৱশ্যক।

সেয়ে ছাত্ৰ অৱস্থাখিনিক সাধনাৰ সময় বুলি গণ্য কৰি সদাচাৰ বিধি সমূহ আখৰে আখৰে পালন কৰি আদৰ্শ জীৱন যাপন কৰিবলৈ যত্নবান হোৱা উচিত। নহলে নিজৰ, সমাজৰ আৰু দেশৰ বোজা স্বৰূপ হৈ দেশ মাতৃকাৰ অযোগ্য আৰু অবাঞ্চিত সন্তান হিচাপে সকলোৰে দ্বাৰা অৱহেলিত হব লাগিব। জীয়াই থকা কালচোৱাত দুৰ্ভোগ ভূগি নিজৰ লগতে আনকো যাতনা দিয়াত বাহিৰে একো কাম নেথাকিব।

এতিয়া শৈক্ষিক পৰিবেশ উন্নত কৰাৰ ক্ষেত্ৰত শিক্ষক সকলৰ ভূমিকা কেনে হোৱা উচিত সেই কথালৈ আহিছো।

শিক্ষকতা এক মহান বৃত্তি। এই মহান বৃত্তিৰ লগত জড়িত শিক্ষকসকলৰ দায়িত্ব আৰু কৰ্তব্যও মহান। *"A teacher is a friend, Philosopher and guide of the students"*. এই প্ৰসিদ্ধ বাক্য শাৰীয়েই শিক্ষকজনৰ কৰ্তব্যৰ চানেকি। শিক্ষকজন বহু গুণ বিশিষ্ট হোৱাৰ উপৰিও কুশলী, যোগ্য, দক্ষ, চৰিত্ৰবান, হাস্যৰসিক, বাগ্মিতা-সম্পন্ন আদি বিবিধ গুণৰ অধিকাৰী হব লাগিব। ছাত্ৰ-ছাত্ৰীসকল যিহেতু অনুকৰণ প্ৰিয় সেয়ে শিক্ষকজনৰ চৰিত্ৰৰ প্ৰভাবো ছাত্ৰ-ছাত্ৰীৰ ওপৰত পৰাটো নিতান্তই স্বাভাবিক। মুঠতে শিক্ষকতাৰ বৃত্তিত নিয়োজিত সকলে এই বৃত্তিত থাকি কাম কৰিব লাগিলে বৃত্তিটোৰ প্ৰতি থাকিব লাগিব গভীৰ আস্থা, আত্মসন্তুষ্টি আৰু নিষ্ঠা। শিক্ষকসকলৰ (সাধাৰণকৰণ কৰা হোৱা নাই) নিজৰ বৃত্তিৰ ক্ষেত্ৰত যদিহে এধানি মনেও ভৰসা থাকে, সেই ভৰসা তেওঁলোকে বাস্তবায়িত কৰিব পাৰিছেনে ? পৰা নাই নিশ্চয়। পৰাহেঁতেন এজন সিক্ষকে নিজস্ব ন্যস্ত দায়িত্ব আৰু কৰ্তব্যক অৱহেলা কৰি টিউচনত অধিক মনোনিবেশ নকৰিলেহেঁতেন। এনে পৰিস্থিতিত শিক্ষানুষ্ঠানবোৰৰ অৱনমিত মান উন্নত কৰাৰ কাৰণে অহোপুৰুষাৰ্থ কৰিব লাগিব এইবোৰ শিক্ষানুষ্ঠানত কাম কৰা শিক্ষকসকলে। তেওঁলোকে শিক্ষকতাৰ বৃত্তিটোক এক মহান বৃত্তি হিচাপে গ্ৰহণ কৰি অধুনা দোষ-দুষ্ট স্বভাৱবোৰ পৰিহাৰ কৰিব লাগিব। উদাহৰণ স্বৰূপে-দেৰিকৈ শিক্ষানুষ্ঠানলৈ অহা, সোনকালে শিক্ষানুষ্ঠান ত্যাগ কৰা, নিয়মীয়াকৈ শ্ৰেণীত পাঠদান নকৰা বদ অভ্যাসবোৰ ত্যাগ কৰিব লাগিব।

চৰকাৰ আৰু বিভাগীয় কৰ্তপক্ষৰো এই ক্ষেত্ত শেন-দৃষ্টি থাকিব লাগিব, যাতে কৰ্তব্যত ফাকি দিয়া শিক্ষকৰ ক্ষেত্ৰত দোষ অনুপাতে চাকৰি-বিধি অনুসৰি (আৱশ্যক হলে সেই দৰে চাকৰিবিধি প্ৰস্তুত কৰি) উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়। কিয়নো প্ৰাদেশীকৃত বিদ্যালয় বা মহাবিদ্যালয়ত কাম কৰা শিক্ষক সকল ব্যক্তিগত খণ্ডত কাম কৰা শিক্ষক সকলতকৈ কোনো গুণে হীন নহয়। আন হাতে প্ৰাদেশীকৃত বিদ্যালয়, মহাবিদ্যালয় সমূহত কাম কৰা শিক্ষক সকলে বৃত্তিগত ভাবে যি দৰমহা বা আন-আন সা-সুবিধা পায় তাৰ তুলনাত ব্যক্তিগত খণ্ডৰ বিদ্যালয়, মহাবিদ্যালয়ত কাম কৰা শিক্ষক সকলে বহু কম দা-দৰমহা বা নূনতম আন সা-সুবিধা গ্ৰহণ কৰিয়েই ক্ষান্ত থাকিব লগাত পৰে। তৎসত্বেও ব্যক্তিগত খণ্ডৰ স্কুল-কলেজ

বিলাকৰ পৰীক্ষাৰ ফলাফল প্ৰদেশীকৃত স্কুল-কলেজৰ তুলনাত ভাল হোৱাৰ একমাত্ৰ কাৰণ সেইবোৰ স্কুল-কলেজত পাঠদানৰ কৰ্মদিন বেচি। আনহাতে ফলাফল ভাল কৰাৰ কাৰণে তেওঁলোকে যিখিনি শ্ৰম দিব লাগে সেইখিনি শ্ৰম তেওঁলোকে দিবই লাগিব। অন্যথায় তেনেজন শিক্ষক বিনা বাক্য ব্যয়ে স্কুলৰ পৰা হব লাগিব বিতাৰিত। প্ৰাদেশীকৃত বা চৰকাৰী স্কুল-কলেজৰ শিক্ষক সকলৰ ক্ষেত্ৰত এই ভয়টো নথকাৰ বাবে কোনো কোনো শিক্ষানুষ্ঠানৰ শৈক্ষিক পৰিবেশ-"গিৰি নোহোৱা গৰু, ঢাকোণ, নোহোৱা চৰু'ৰ লেখিয়া হৈ পৰিছে। এইখিনিতে স্কুল শিক্ষানুষ্ঠান সমূহৰ মুৰব্বীসকলৰো গুৰু দায়িত্ব আছে। তেখেত সকলেও এইখিনিতে ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান সমূহৰ মুৰব্বীসকলে শিক্ষানুষ্ঠান পৰিচালনা কৰাৰ ক্ষেত্ৰত শিক্ষক সকলৰ পাঠ্যদান আৰু ছাত্ৰ সকলৰ পাঠ গ্ৰহণ প্ৰক্ৰিয়া যিদৰে কোঠৰ নিয়মানুবৰ্তিতা পালন কৰাত সচেষ্ঠ থাকে এইদৰে প্ৰাদেশীকৃত বা চৰকাৰী অনুষ্ঠান সমূহৰ মুৰব্বী সকলেও তীক্ষ্ণ দৃষ্টি ৰাখিলে এইবোৰ শিক্ষানুষ্ঠানৰো শিক্ষাৰ ক্ষেত্ৰত আমূল পৰিবৰ্ত্তন আহিব-ই-ধূৰূপ।

তৃতীয়তে ঘৰেই শিশুৰ আচল শিক্ষাৰ ঠাই আৰু মাকে শিশুৰ আচল শিক্ষক। তেতিয়াহ'লে ঘৰখনতো পঢ়া শুনা কৰাৰ বাবে এক সুন্দৰ শৈক্ষিক পৰিবেশ থাকিব লাগিব। ইয়াৰ দায়িত্ব বিশেষত পিতৃ-মাতৃৰ।

প্ৰতিজন পিতৃ-মাতৃয়ে বিচাৰে যে তেওঁলোকৰ সন্তান ডাঙৰ হৈ এজন জাকত-জিলিকা ব্যক্তি হওঁক। এই আকাঙ্খা অমূলক নহয়। মানুহে সতি-সন্ততিৰ মাজত নিজক চাবলৈ চেষ্টা কৰে আৰু নিজৰ অপুৰ্ণ আশাবোৰ তেওঁলোকৰ মাজেৰে পুৰণ কৰিবলৈ হেঁপাহ কৰে। প্ৰকৃত শিশুক সকলোতকৈ বেচি বুজি পাব লাগে পিতৃ-মাতৃয়ে। কিন্তু প্ৰায় ক্ষেত্ৰতে এইটো হই নুঠে। কাৰণ তেওঁলোকে হয় সন্তানৰ প্ৰতি থকা মৰমৰ বাবে বা নিজস্ব দৃষ্টি ভঙ্গীৰ প্ৰভাৱত এটা দিশৰ পৰাহে সন্তানৰ কামবোৰ চায়। ফলস্বৰূপে নিৰপেক্ষ বিচাৰৰ অভাব ঘটে আৰ দোষ-গুণবোৰ ফহিয়াই চোৱাত অক্ষম হয়। ঘৰখনৰ শৈক্ষিক পৰিবেশ নিৰ্ভৰ কৰে পৰিয়ালৰ দৃষ্টিভঙ্গীৰ ওপৰত। সেয়ে পিতৃ-মাতৃয়ে সুষম পৰিবেশৰ বাবে মন কৰিব লগীয়া বিষয় সমূহ হ'ল -

১। পূৰ্বচিন্তন নোহোৱাকৈ যি কোনো কাৰ্যত হাত দিয়াটো উচিত নহয়, এইটো লৰা-ছোৱালীক হৃদয়ঙ্গম কৰাব লাগিব।

২। অভিভাৱক সকলে তেওঁলোকৰ সন্তান সকলেক সৰুৰে পৰা এই কথাৰ জ্ঞান দিব লাগে যে তেওঁ যি কাম কৰে সেই কামৰ ফলটো তেওঁৰ উপৰিও আৰু দহজনে ভোগ কৰিব। গতিকে সকলোবোৰ কামেই এক সামাজিক দায়িত্ব স্বৰূপ।

৩। প্ৰত্যেক পিতৃ-মাতৃয়ে সন্তান সকলৰ মনত আত্ম-সন্মানবোধ বিকাশ কৰিবৰ বাবে সততে যত্নপৰ হব লাগিব।

৪। কথাত কটা যায়, কথাত বঁটা পায়। ভবিৰ পিছল খালে নিজে দুখ পায় কথাৰ পিচল খালে বিপদ ঘটায়। এই আপ্তবাক্য সমূহৰ পৰা এইটোৱে প্ৰতিয়মান হয় যে আমি আমাৰ সতি সন্ততিক কথা বতৰাত সংযমী আৰু মিঠামুখীয়া হবলৈ শিকাব লাগে। কাৰণ আমি আনৰ পৰা যেনে ব্যৱহাৰ পাবলৈ ইচ্ছা কৰো আনকো আমি তেনে ব্যৱহাৰ কৰা উচিত। আমি যদি আনৰ কটু কথা শুনি ভাল নাপাও, আনেও আমাৰ কটু কথা শুনি নিশ্চয় ভাল নেপাব।

৫। জীৱনত কৃতকাৰ্যতা লাভ কৰিবলৈ হ'লে অধ্যাৱসায়ী হব লাগিব। পিতৃ-মাতৃয়ে এই অভ্যাসটো তেওঁলোকৰ সন্তানক মুখেৰে শিকোৱাতকৈ আৰ্হিৰে অৰ্থাৎ কামত নিজে অধ্যৱসায়ী হৈ শিকাব পাৰিলে বেচি ভাল।

৬। পিতৃ-মাতৃয়ে নিজ সন্তানক পৰিপাটি হবলৈ শিকাবলৈ হলে পিতৃ-মাতৃ নিজে পৰিপাটি হব লাগিব। কাৰণ শিশুৱে দেখিহে শিকে।

৭। স্থান কাল-পাত্ৰ ভেদৰ জ্ঞান এক ডাঙৰ জ্ঞান। কিয়নো উপযুক্ত সময়ত, উপযুক্ত স্থানত, উপযুক্ত ব্যক্তিক কোৱা কথাই উপযুক্ত ফল প্ৰদান কৰে। সন্তানক সেই শিক্ষাও অভিভাৱকেই দিব লাগে।

৮। পৰনিন্দা, পৰচৰ্চাৰ পাঠটো সন্তানে পিতৃ-মাতৃৰ পৰাই গ্ৰহণ কৰে। এই ক্ষেত্ৰত অভিভাৱক সকল সতৰ্ক হোৱা উচিত।

সতি-সন্ততিৰ বাবে পিতৃ-মাতৃয়েই আটাইতকৈ ডাঙৰ শিক্ষক। বৈজ্ঞানিক সকলেও পৰীক্ষা কৰি পাইছে যে ঘৰত আৰু বিশেষকৈ কম বয়সত যিমানখিনি কথা শিকা যায়, সেইখিনিয়েই মানুহৰ সকলতকৈ গুৰুত্বপূৰ্ণ শিক্ষা বুলি পৰিগণিত হয়। মানুহৰ স্বভাৱ-চৰিত্ৰ, আচাৰ-ব্যৱহাৰ এই সকলো এই সময়চোৱাত গ্ৰহণ কৰা ঘৰুৱা শিক্ষাৰে ফল। সেয়ে পিতৃ-মাতৃয়ে সন্তানক যিমান সম্ভৱ ভাল কথা আৰু কম বয়সতে শিকাব লাগে। এনেবোৰ কথাৰ দ্বাৰা নিজৰ ঘৰখনতে অভিভাৱকৰ যত্নও শিশুৱে পাব পাৰে এক সুস্থ, সুন্দৰ শৈক্ষিক পৰিবেশ।

পঠন-পাঠন প্ৰক্ৰিয়াটো যদিও শিক্ষক, ছাত্ৰ আৰু অভিভাৱকৰ ওপৰত নিৰ্ভৰশীল তথাপি শিক্ষক সকলৰ দায়িত্ব এই ক্ষেত্ৰত অপৰিসীম। গতিকে নিজ গুৰু দায়িত্ব নিজে

অন্তৰেৰে উপলব্ধি কৰি সেই অনুপাতে কাম কৰি গলে চৰকাৰী শিক্ষানুষ্ঠান সমূহৰ আজিৰ দুৰৱস্থা দূৰ হোৱাত বেচি পলম নেলাগিব।

এই ক্ষেত্ৰত আমাৰ বুদ্ধিজীৱি আৰু অভিভাৱক সকলৰ লগতে পৰিচালনা সমিতি আৰু চৰকাৰী সংশ্লিষ্ঠ কতৃপক্ষই উদাসীনতা বাদ দি জাগ্ৰত প্ৰহৰীৰ দৰে নিজ নিজ কৰ্তব্য কৰি যাব লাগিব।

মাতৃদুগ্ধ যদি শিশুৰ কাৰণে সৰ্বোৎকৃষ্ট হব পাৰে তেন্তে মাতৃভাষাৰ জৰিয়তে প্ৰদান কৰা শিক্ষা সৰ্বোৎকৃষ্ট হব নোৱাৰিব কিয়। আনহাতে ইংৰাজী যিহেতু এটি আন্তজাৰ্তিক ভাষা গতিকে এইবোৰ শিক্ষানুষ্ঠানত ইংৰাজী শিক্ষাৰ ওপৰতো গুৰুত্ব দিয়াৰ ব্যৱস্থা সংশ্লিষ্ট কতৃপক্ষ দ্বাৰা হোৱা উচিত।

দ্বিতীয়তে ব্যক্তিগত খণ্ডৰ স্কুলবোৰৰ প্ৰতি পৰোক্ষ ভাবে যি চৰকাৰী পৃষ্ঠপোষকতা সেই পৃষ্ঠপোষকতা বন্ধ হব লাগিব। কিয়নো এইবোৰ স্কুলত কব নোৱাৰাকৈ ব্যৱসায়িক চিন্তা-চৰ্চা প্ৰকট হৈ উঠা দেখা গৈছে।

তৃতীয়তে চৰকাৰী বা প্ৰাদেশীকৃত শিক্ষানুষ্ঠান সমূহত অৱস্থিত ৰাজনৈতিক হস্তক্ষেপ নাইকিয়া হব লাগিব। কিয়নো বাস্তৱ ক্ষেত্ৰত আমি দেখা পাইছো নিযুক্তিৰ ক্ষেত্ৰত অৰ্হতাৰ ওপৰত কোনো মূল্য নিদি প্ৰয়োজনীয়তাৰ ওপৰত লক্ষ্য নেৰাখি দলীয় স্বাৰ্থৰ কাৰণে সংস্কৃত বিষয়ৰ শিক্ষকৰ ঠাইত অংকৰ শিক্ষক বা অসমীয়া বিষয়ৰ শিক্ষকৰ ঠাইত অংকৰ শিক্ষক নিযুক্তি দিয়া দেখা গৈছে। আনহাতে প্ৰাদেশীকৃত যি স্কুল কলেজবোৰৰ অৱস্থা - Every body's business no body's business ৰ লেখীয়া হৈছে। এনেবোৰ শিক্ষানুষ্ঠানৰ ঘৰ-দুৱাৰ ভাঙি গলেও চাওঁতা কোনো নাই। এই ক্ষেত্ৰতো চকু দিয়াৰ ব্যৱস্থা হব লাগিব।

সেয়ে চৰকাৰী বা প্ৰাদেশীকৃত শিক্ষানুষ্ঠানবোৰ Centre of Excellence হিচাপে গঢ়ি উঠাত শিক্ষক সকলৰ উপযুক্ত ভূমিকা, অভিভাৱক সকলৰ সহযোগিতা, চৰকাৰৰ পৃষ্ঠপোষকতা লাগিবই। শিক্ষকতাৰ বৃত্তিক অধিক আকৰ্ষণীয় কৰি তুলি উপযুক্ত মেধাৱী সকলক এই বৃত্তিত নিজকে নিয়োগ কৰাৰ বাতাবৰণ সৃষ্টি কৰিব পাৰিলে নিশ্চয় বৰ্তমান অৱস্থাৰ সলনি হব। সেয়ে অৱহেলিত চৰকাৰী শিক্ষানুষ্ঠানবোৰৰ শিক্ষা ব্যৱস্থাৰ পূৰ্ণ আধুনিকৰণ হব লাগে, শিক্ষক, ছাত্ৰ সকলেও পঢ়ে, পঢ়ায় ৰূৰে পান। এই তিনি নিচিন্তে আন এনে আপ্ত বাক্যত গুৰুত্ব প্ৰদান কৰিব লাগে। আনপক্ষে শিক্ষা ব্যৱস্থা বহুমুখী হোৱাটো বাঞ্চনীয় যাতে শিক্ষা সমাপ্ত কৰাৰ পিছত - নিবনুৱা হৈ বহি থাকি- পৰিয়াল তথা সমাজৰ সমস্যা হিচাপে পৰিগণিত হব নেলাগে।

এইদৰে শিক্ষা বৃত্তিটোৰ মহত্ব বৃদ্ধিত সকলোৱে হাত-উজান নিদিলে উন্নত দেশসমূহৰ সতে ফেৰ মৰা দূৰৰ কথা অবাঞ্চিত পৰিস্থিতিয়ে শিক্ষা জগতখনক কলুষিত কৰি দেশ আৰু জাতিৰ ভৱিষ্যত তিমিৰাচ্ছন্ন কৰি তুলিব ই ধূৰূপ।

# গোৱালপাৰীয়া লোকগীতত পশ্চিম অসমৰ সমাজ-জীৱনৰ চিত্ৰ

করুণা কান্ত শৰ্মা,
বিভাগীয় মুৰব্বী তথা সহযোগী অধ্যাপক,
অসমীয়া বিভাগ, বিলাসীপাৰা কলেজ।

পৃথিৱীৰ সকলো জাতি-জনজাতি, ভাষা-সম্প্ৰদায় আৰু ধৰ্মীয় গোষ্ঠীৰ লোক-সাহিত্য, লোক-সংস্কৃতিয়ে স্বকীয় বৈশিষ্ট্য আৰু ঐতিহ্য পৰম্পৰাৰে সমুজ্জ্বল আৰু সমৃদ্ধিশালী হৈ সাহিত্যৰ ইতিহাসত এক বলিষ্ঠ ভূমিকা বহন কৰি আহিছে। ভাষা-সম্প্ৰদায় আৰু জাতিৰ বৈচিত্ৰ্যতা আৰু একতাৰ সমন্বয়ত সংমিশ্ৰিত অসমীয়া জাতিৰ লোক সাহিত্য আৰু লোক সংস্কৃতিৰ ভঁৰালখন অতি চহকী। নামনি অসমৰ একেবাৰে পশ্চিম প্ৰান্তৰ চহা শ্ৰমজীৱী লোকজীৱনৰ মাজতো লোক সংস্কৃতি আৰু লোক সাহিত্যৰ বৰ্ণাঢ্য সমলেৰে পৰিপুষ্ট এখনি বিশাল ক্ষেত্ৰ বিৰাজমান। সেইবোৰৰ ভিতৰত গোৱালপাৰীয়া লোকগীতসমূহ বিচিত্ৰ বিষয়বস্তু, ভাৱ-অনুভূতি আৰু ৰূপ কল্পেৰে সমুজ্জ্বল। কিন্তু গোৱালপাৰীয়া লোকগীত এই অভিধাটি অতি অৰ্বাচীন। ১৯৬২ চনৰ পৰাহে গোৱালপাৰীয়া লোকগীতে অসমীয়া গীতি সাহিত্য কাননৰ ইতিহাসত স্বকীয় স্থান নিৰ্ণয় কৰিবলৈ সমৰ্থ হয়। এই প্ৰসঙ্গত গোৱালপাৰীয়া লোকগীতৰ অপ্ৰতিদ্বন্দ্বী সাম্ৰাজ্ঞী ড০ প্ৰতিমা বৰুৱা পাণ্ডেৰ যুক্তিনিষ্ঠ বক্তব্য এফাঁকি উল্লেখ কৰাতো প্ৰণিধানযোগ্য -" মোৰ জানা হিচাপে গোৱালপাৰীয়া লোকগীত বুলিয়া কোনো গীত ছিলেক না। সৰ্বসাধাৰণ চাষা ভূষা মানুষেৰ মুখে মুখে আখ্যানমূলক বা নানা ধৰণেৰ গান কৰা মানুষগুলাই নানা সুৰ দিয়া গান কৰিছিলেক। এই ক্ষেত্ৰে কাকো আমৰা Pioneer কৰাৰ পাঙনা। এই গীত গুলা গোৱালপাৰীয়া লোকগীত বুলিয়া নামাকৰণ কৰা ক্ষেত্ৰত ভূপেনদাৰ, (ড০ ভূপেন হাজৰিকাক) অস্বীকাৰ কৰা যাবাৰ নয়।" সঁচা কথা চহা জীৱনৰ সাধাৰণ মানুহৰ বৰ্ণাঢ্য জীৱন শৈলীৰে সংপৃক্ত বিচিত্ৰ ভাৱ-অনুভূতি প্ৰকাশৰ বিবিধ সুৰ, তাল, মান, লয়েৰে অবিভক্ত গোৱালপাৰা জিলাৰ চৰ-চাপৰি, গাঁৱ-ভূঁই, নৈ-নিজৰাৰ তট, হাবি-বনানী, হাঁতী-মʼহৰ বাথানত প্ৰচলিত গীতৰাজি বহুদিনলৈ শ্ৰুতিৰ মাধ্যমেৰে লোক সমাজত সীমাবদ্ধ হৈ আছিল। ১৯৫৫ চনত গৌৰীপুৰৰ ৰাজহাউলীত প্ৰতিমা বৰুৱাৰ কণ্ঠত নিভাঁজ, সুন্দৰ, স্পষ্ট আৰু জড়তাহীন শব্দোচ্ছাৰণেৰে সাৱলীলভাৱে নিগৰিত গীত কেইটিমান শুনি সুধা কণ্ঠ সুৰ সম্ৰাট ড০ ভূপেন হাজৰিকাই অকপটে ঘোষণা কৰিলে - "এই সুৰ গীত বিশ্বসভালৈ নিব লাগিব, বুঢ়া লুইতৰ দুয়োপাৰে ছটিয়াব লাগিব সুৰৰ সফুঁৰা।" আৰু সেই আঁচনি মতে এইচ.এম.ভি কেছেট কোম্পানীৰ বেনাৰত ড০ ভূপেন হাজৰিকা আৰু প্ৰতিমা বৰুৱাৰ দ্বৈত কণ্ঠত কেইটামান আৰু প্ৰতিমা বৰুৱাৰ একক কণ্ঠত কেইটামান গোৱালপাৰীয়া লোকগীত বাণীবদ্ধ হʼল। ইয়াৰ পাছত ১৯৫৬ চনত ড০ ভূপেন হাজৰিকাৰ 'এৰাবাটৰ সুৰ' আৰু ১৯৫৭ চনত তেখেতৰে 'মাহুত বন্ধুৰে' বাংলা বোলছবিখনত প্ৰতিমা বৰুৱাই নেপথ্য কণ্ঠ শিল্পী হিচাপে কেইবাটাও গোৱালপাৰীয়া লোকগীত পৰিৱেশন কৰে। ইয়াৰ বাহিৰেও ড০ ভূপেন হাজৰিকাই সঙ্গীত পৰিচালনা কৰা 'পলাশৰ ৰং' বাংলা ছবি 'গজমুক্তা' ঋত্বিক ঘটকৰ 'বগলাৰ বংগ দৰ্শন' আদি ছবিকেইখনতো প্ৰতিমা বৰুৱাই গোৱালপাৰীয়া 'দেশী গীত' পৰিৱেশন কৰি সফলতাৰ জখলাৰে বগাই গোৱালপাৰীয়া লোকগীতক জগতসভালৈ উলিয়াই লৈ গৈছিল। ড০ ভূপেন হাজৰিকা, ড০ বীৰেন্দ্ৰ নাথ দত্ত, ৰুদ্ৰ বৰুৱা, পুৰুষোত্তম দাস, ৰত্ন ওজা আদিৰ যৎপৰোনাস্তি আশাশুধীয়া প্ৰচেষ্টাত ১৯৬২ চনৰ প্ৰথম ভাগত প্ৰতিমা বৰুৱাই গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ যোগে - হস্তীৰ কন্যা হস্তীৰ কন্যা, কেনেহে ৰাধে তোৰ বিৰস মন আৰু একবাৰ হৰি বোল মন ৰসনা- এই তিনিটা গীতত কণ্ঠ নিগৰাই গোৱালপাৰীয়া লোকগীতক জগত সভালৈ আগুৱাই লৈ যায় অসমৰ মাটি, পানী, বায়ু আৰু লোক জীৱনৰ গোন্ধ থকা নামনি অসমৰ স্বকীয় বৈশিষ্টেৰে সমুজ্জ্বল তথা নামনি অসমৰ লোকজীৱনৰ প্ৰাণৰ গীত হিচাপে। এই যাত্ৰা পথেৰে গোৱালপাৰা অঞ্চলৰ দেশী

গীতে গোৱালপাৰীয়া লোকগীত অভিধাৰে লোক গীতি সাহিত্যৰ ইতিহাসৰ কাননত নিজস্ব স্থান আৰু সুকীয়া মৰ্যাদা নিৰ্ণয় কৰিবলৈ সমৰ্থ হয়।

গোৱালপাৰীয়া লোকগীতসমূহক থুলমূলকৈ এইকেইটা ভাগত বিভক্ত কৰিব পাৰি, যেনে- নাওঁ খেলৰ গীত, বিয়া গীত, এঁউৰীমগা গীত, ঘৰুৱা জীৱনৰ বিবিধ বিষয়ক গীত, জীৱ-জন্তুৰ বিষয়ে বিবিধ গীত, পালাগানৰ গীত, বাৰমাহী গীত আৰু বিবিধ পূজা পাৰ্বনত গোৱা গীত। এই গীতসমূহৰ প্ৰধান সুৰ চাৰিটা -ভাওৱাইয়া, চট্‌কা, চৰুৱা আৰু মইষালী। গীতবোৰৰ লগত দোতৰা, সাৰিন্দা, কৰতাল, বেনা, ঢাক, নাগেৰা, সানাই, ঢোল, ডগৰ, খেকৰ, খঞ্জুৰী, বাঁহী আৰু ৰংৰাস আদি বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰা হয়। বৰ্তমান যুগত হাৰ-মনিয়াম, গীটাৰ, ভাওলীন আদি পাশ্চাত্য আধুনিক যন্ত্ৰ সঙ্গীত ব্যৱহাৰ কৰা দেখা যায়। গোৱালপাৰীয়া লোকগীতত ধৰ্মীয় পৰম্পৰা, লোকবিশ্বাস, প্ৰাচীন ঐতিহ্য-পৰম্পৰা, দেৱ-দেৱতা, ঈশ্বৰ-ভকত, সমাজৰ আচাৰ-নীতি, লোক-জীৱনৰ সুখ-দুখ, আশা-আকাংক্ষা, হা-হুতাশা, পোৱা-নোপোৱা আদি চহা জীৱনৰ বিভিন্ন চিত্ৰ বিৰিঙি উঠিছে। এই গীতবোৰ কৃষি, বেপাৰ, বাণিজ্য, হালোৱা, হজুৱা, পমুৱা, ৰোৱনী, দাৱনী আদি সাধাৰণ খাটিখোৱা মানুহৰ প্ৰেম-প্ৰীতি, সুখ-দুখ, বিৰহ-যন্ত্ৰণা, পোৱা-নোপোৱা আদি বৰ্ণিল চিত্ৰেৰে সমুজ্জ্বল। গোৱালপাৰীয়া লোকগীতসমূহত নিঃসীম নিসৰ্গৰ জোন, বেলি, তৰা, নদ-নদী, জান-জুৰি, পাহাৰ-পৰ্বত, ৰ'দ-বৰষুণ, গৰু-ম'হৰ খুটি, হাঁতী-ম'হৰ বাথান, মাছ-মৰা, নাওঁখেলা, বণিজ বেহাবলৈ যোৱা আদিৰ সজীৱ চিত্ৰও অংকিত হৈছে। কিছুমান গীতত দেহবিচাৰৰ গীত, বৰগীত, ব'ৰাগী গীত, টোকাৰী গীত আদিৰ দৰে দেহৰ ক্ষণভঙ্গুৰতা, আত্মাৰ অবিনশ্বৰতা, জীৱনৰ আসাৰতা, ধন-জন, জীৱন-যৌৱনৰ ক্ষণস্থায়ীত্ব আদিৰে সমপৃক্ত পাৰমাৰ্থিক ভাৱধাৰাৰ প্ৰতিফলন ঘটিছে।

বিশ্বনিয়ন্তাৰ বিচিত্ৰ ধৰাত মানৱী জনম, জীৱন-যৌৱন, ধন-সম্পত্তি, পুত্ৰ-কন্যা, গাড়ী-ঘোঁৰা, সুন্দৰী-ভাৰ্য্যা, অট্টালিকা আদি সকলোৱে অস্থায়ী ক্ষণভঙ্গুৰ। সকলোৱে নিয়তিৰ হাতত ক্ৰীড়নক স্বৰূপ আৰু নিয়তিৰ হাতৰ কূটিল নাগ পাশত সকলোৱেই এদিন কালৰ বুকুত লয় যাবয়। সেয়ে জীৱদ্দশাত মানুহে মিছা মায়াত আৱদ্ধ হৈ দম্ভ, অহংকাৰ, হিংসা, অসূয়া, শঠতা, কপটতা আদি অসৎ তথা অপসংস্কৃতি মূলক কামত আৱদ্ধ হ'ব নেপায়। কিয়নো পঞ্চভূতযুক্ত দেহ পিঞ্জৰাৰ পৰা এদিন আত্মা পক্ষী অনন্ত ধামলৈ উৰি গৈ পৰমাত্মাত বিলীনপূৰ্বক নশ্বৰ দেহা ধূলি-মাটি-পানীত মিহলি হৈ যাব। দুৰ্ভগীয়া মানৱে জীৱনৰ গভীৰ তত্ত্ব অনুধাৱন কৰিব নোৱাৰি বা চৰ্মচক্ষুৰে জীৱন আৰু জগতৰ সত্য আৰু গূঢ় তাৎপৰ্য বুজি নাপাই মিছা মায়াত আৱদ্ধ হৈ মায়া মৰীচিকাৰ পাছে পাছে লৰৰি শৈশৱ, কৈশোৰ, যৌৱন আৰু পৌঢ়ত্বকাল অতিক্ৰমি বৃদ্ধ কালত ভাৱি চিন্তি কোনো দিশে পাৰাপাৰ নোপোৱা হয়। সেয়ে পাৰ্থিৱ জীৱনৰ কৰ্মফলভোগী মানৱে জগত, জীৱন আৰু আত্মাৰ গূঢ়াৰ্থ অনুধাৱন কৰি মায়া মৰীচিকাৰ পাছে পাছে লৰৰি নুফুৰি সময় থাকোতে জীৱনটো যথাৰ্থ কৰ্মত নিয়োজিত কৰি আত্মাৰ শাশ্বত জ্যোতি আৰু প্ৰজ্ঞাৰ অমোঘ বাণীৰে মানৱী জনম সাৰ্থক কৰাৰ বাবে স্বভাৱকবিয়ে হৃদয় বিগলিত আহ্বান জনাইছে -

দিনে দিনে খসিয়া পৰিবে/ ৰঙ্গিলা দালানেৰ মাটি,
গোসাঁইজী কোন ৰঙ্গে/ বান্ধিছেন ঘৰ মিছা দ্বন্দ্ব বাদে
গোসাঁইজী, কোন ৰঙ্গে/ আৰ হাড়েৰ ঘৰখানি চামেৰ ছাউনি,
বান্ধে বান্ধে তাৰ জোৰা।

বিশ্বব্ৰহ্মাণ্ডৰ এই চিৰসুন্দৰ পৃথিৱীলৈ মানুহে কেইদিনমানৰ বাবে বণিজ বেহাবলৈ আহে। আৰু বিশাল পৃথিৱীৰ প্ৰকাণ্ড ৰঙ্গমঞ্চত মঞ্চাভিনয় শেষ হোৱাৰ লগে লগে মানৱী জনমৰ নৰনাট সামৰি প্ৰত্যেকে আপোন ঘৰলৈ গমন কৰে। দুৰ্ভগীয়া মানৱৰ কিছুমানে সমগ্ৰ জীৱনটোৱে বিয়োগান্তক আৰু বিষাদাত্মক নাটত মঞ্চাভিনয় কৰি আৰু আন কিছুমানে আনন্দদায়ক আৰু বেদনাদায়ক নাটত অভিনয় কৰি আনন্দাশ্ৰু আৰু বেদনাশ্ৰুৰে জীৱন নাটৰ যৱনিকা পেলায়। কিছুমানে আকৌ গ্ৰীণ ৰুমত সোমাই সাজ-সজ্জা কৰাৰ দৰে জীৱনৰ প্ৰস্তুতি পৰ্বতে আকস্মিকভাৱে মঞ্চৰ পৰা প্ৰস্থান কৰিবলগীয়া হয়। বহু জনমৰ সাধনাৰ ফলত সৌন্দৰ্যশালী তথা ঐশ্চৰ্যমণ্ডিত পৃথিৱীত জনম লভা সুন্দৰ মানৱী জীৱনটোৱে পৃথিৱীৰ উমাল কোলাত ৰং ৰহইচ কৰিবলৈ নৌপাওঁতে আচম্বিতে অন্তৰ্লীন হ'বলগীয়া হোৱাত পৰম দুখত দুঃখিত গীতিকবিয়ে মনৰ ব্যথা বেদনা লোকগীতিৰে প্ৰকাশ

কৰিছে। শাস্ত্ৰোক্ত বিধান অনুসৰি পৰজনম আৰু আত্মাৰ পুনৰাগমনৰ কথা আমি জানিলেও বাস্তৱত যিহেতু এই কাৰ্য দেখিবলৈ নাপাও সেয়ে মানৱী জনমটো সুখে সন্তোষেৰে অতিক্ৰম কৰিব নোৱাৰাতো চৰম দুৰ্ভাগ্য আৰু পৰিতাপৰ কথা হিচাপে গীতৰ কলিত অনুৰণিত হৈছে। এই সংসাৰত কোনো কাৰো আপোন নহয়, মাথো ভৱসংসাৰত হাট বেহাওতে লগ পোৱা দুদিনৰ সঙ্গীহে, একমাত্ৰ আচল বন্ধু হৈছে পৰম পুৰুষ পৰমেশ্বৰ।

তুই জীৱন ছাড়িয়া গেইলে ৰে/ জীৱন কান্দিবে বাপ ভাই
শ্মশান ঘাটে সোণাৰ দেহা/ পুৰিয়া কৰিবে ছাই (জীৱন ৰে)
ভাই বোলো ভতিজা বোলো ৰে/জীৱন সম্পত্তিৰে ভাগী।
মৰণ কালে কেউ কাৰো নয়/গোবিন্দ নাম সাথী (জীৱন ৰে)।

সেয়ে হৰিনাম শ্ৰৱন-কীৰ্ত্তন ব্যতিৰেকে এই ভৱসংসাৰত সাৰ বস্তু একোৰেই নাই। মনুষ্য জনমত জীৱন-যৌৱন, ধন-সম্পত্তি, পুত্ৰ-কন্যা কোনো স্থাৱৰ-অস্থাৱৰ সম্পত্তিক লৈ গৌৰৱ আৰু অহংকাৰ কৰিব নালাগে বুলি বিবেকবান আৰু জ্ঞানী লোকসকলে কয়। কুমাৰৰ চাকৰ ভঙা ছিঙা চৰুৰ সদৃশে মানৱী দেহা ভাঙি চিঙি গ'লে অৰ্থাৎ প্ৰাণহীন পাৰ্থিৱ শৰীৰক আকৌ জোৰা লগাব নোৱাৰি। প্ৰাণহীন নিঃসাৰ শৰীৰ পঞ্চভূতত বিলীন হোৱাৰ লগে লগে স্থাৱৰ-অস্থাৱৰ কোনো সম্পত্তিৰ মূল্য নোহোৱা হৈ পৰে; কিয়নো টকা-পইচা, ধন-সম্পত্তি কোনো পাৰ্থিৱ বস্তুকে মানুহে লগত লৈ নাযায়। মাথো নানা ঘাত-প্ৰতিঘাত, সংঘাটেৰে আকীৰ্ণ মানৱী জনমৰ সমগ্ৰ পথপৰিক্ৰমাত আৰু সংগ্ৰামশীল জীৱনত অৰ্জা যশ-কীৰ্তি আদি ভাল গুণৰাশি জগতত ৰাখি থৈ হৰিনাম সাৰোগত কৰি নশ্বৰ দেহ ত্যাগেৰে আত্মা-পৰাত্মাত বিলীন হ'বলৈ বৈকুণ্ঠ ধামলৈ গমন কৰে।

একবাৰ হৰি বোলো মন ৰসনা/মানৰ দেহেৰ গৈৰৱ কৈৰো না
মানৰ দেহা মাটিৰ ৰে ভাণ্ড/ ভাঙিলে হ'বে খণ্ড ৰে খণ্ড
ভাঙিলে দেহা জোৰা নিবে না।

গোৱালপাৰীয়া লোকগীতত ম'হ, মৈষাল, হাঁতী, মাউত, ম'হৰ খুটি, হাতীৰ বাথান, চিকাৰ, চিকাৰী, মাছমৰীয়া, নাঁৱৰীয়া, নদ-নদী, কৃষি-কৃষক, ৰোৱনী, দাৱনী, শিপিনী, হালোৱা, হজুৱা, পমুৱা আদি সাধাৰণ খাটিখোৱা শ্ৰেণীৰ মানুহৰ বৰ্ণাঢ্য জীৱন চিত্ৰ সুন্দৰভাৱে প্ৰতিফলিত হৈছে। দতাল হাঁতীৰ মাউতে সদ্য বিৱাহিত ন-পত্নীক ঘৰত এৰি থৈ আহি যেতিয়া জমিদাৰৰ নিৰ্দেশ মৰ্মে হাঁতী চিকাৰ কৰিবলৈ বা ধৰিবলৈ তিনি চাৰি মাহৰ বাবে গভীৰ অৰন্যানীলৈ যাত্ৰা কৰিবলীয়া হয় তেতিয়া বিচ্ছেদ কাতৰত বিৰহ-বিধুৰা স্বামী-স্ত্ৰী উভয়েৰে দাৰুণ সন্তাপ অতি হৃদয়স্পৰ্শি হৈ উঠে।

বালু তিল তিল পঙ্খী কান্দে/ বালুতে পৰিয়া
গৌৰীপুৰেৰ মাহুত কান্দেও/ সখী ঘৰ বাড়ী ছাড়িয়াসখী ও....
আইওক ছাড়িলং, বাইওক ছাড়িলং,/ ছাড়িলং সোণাৰ পুৰি
বিয়াও কৰিয়া ছাড়িয়া আসিলুং ও/ সখী অলপ বয়সেৰ নাৰী সখী ও
ও মোৰ দন্তাল হাতীৰ মাহুত ৰে।

হস্তীৰ কন্যাৰ মাহুত বন্ধুৰ প্ৰতি থকা হৃদয়ৰ মান-অভিমান, ক্ষোভ-আক্ষেপ, বিৰহ-যন্ত্ৰণা আৰু মমতাহীন দাৰুণ সন্তাপ চহা কবিৰ স্বভাৱসুলভ কাব্যভঙ্গীৰে-স্বতঃস্ফূৰ্তভাৱে অনুৰণিত হৈছে। নৱ-বিৱাহিত তৰুণী পত্নীৰ পৰা আঁতৰত থাকিবলগীয়া হোৱাত মাহুতৰ অন্তৰত যিদৰে দাৱাগ্নিৰ দাহন দাউ দাউ কৈ জ্বলিছে, ঠিক তেনেদৰে প্ৰবাসী স্বামীৰ অৱমাননাত সদ্য বিৱাহিত গাভৰু পত্নীকো শূণ্য আলয়ত চৌদিশৰ পৰা অন্ধকাৰে আৱৰি পেলাইছে। চন্দ্ৰবিহীন আকাশত অগণন তাৰকাৰাশিৰ জ্যোতি নিষ্প্ৰভ হোৱাৰ সদৃশে স্বামীবিহীন আলয়ত নাৰীৰো ৰূপ, সৌন্দৰ্য, জীৱন, যৌৱনৰ কোনো মূল্য নাথাকে। এই সকলো বিৰহ বিধুৰা নাৰী মনৰ কথা গোৱালপাৰীয়া লোকগীতত চিত্ৰিত হৈছে।

যেদিন মাহুত শিকাৰ যায়/ নাৰীৰ মন মোৰ ঝুৰিয়া ৰয় ৰে
আকাশতে নাই ৰে চন্দ্ৰ, তাৰা কেমন জ্বলে
যেবা নাৰীৰ পুৰুষ নাই ৰে/ সখী ওতাৰ ৰূপে কি কাম কৰে, সখী ও
............

নৈ-নিজৰাৰ পাৰে পাৰে হাবি-বনানিৰ আঁৰে আঁৰে ম'হৰ খুটিত কাম কৰিবলৈ গোৱালপাৰালৈ আহিব ওলোৱা মৈষালক তেওঁৰ যুৱতী ভাৰ্যাই হকা বাধা কৰিছে। কিয়নো স্বামীবিহীন ঘৰখনত দিনতে এন্ধাৰ দেখা গাভৰু পত্নীৰ সন্দেহ জানোচা তন্ত্ৰ-মন্ত্ৰ, জৰাফুকাত পাকৈত গোৱালপাৰীয়া যুৱতীয়ে সন্মোহন বিদ্যাৰে স্বামী দেৱতাৰ যথাসৰ্বস্ব লুণ্ঠন কৰি পৰকীয়া প্ৰেমত লিপ্ত কৰায়। সুৱাসিত ফুলৰ সৌৰভ থকালৈকেহে মধুমত্ত ভোমোৰাই ফুলৰ মৌ

পান কৰিবলৈ উৰি আহে, সৌৰভ আৰু মধুবিহীন ফুলৰ ওচৰলৈ ভোমোৰা কেতিয়াও উৰি নাহে। ঠিক তেনেদৰে ৰূপ, যৌৱন, কমনীয়তা থকালৈকে পুৰুষে নাৰীৰ সান্নিধ্য বিচাৰে, বিগতাযৌৱনা নাৰীৰ ওচৰলৈ কোনো পুৰুষ নহাৰ দৰে হয়তো যুৱতী ভাৰ্যাৰ বয়স ভাটি দিলে স্বামী দেৱতা তাইৰ ওচৰলৈ উভতি নাহিব বুলি সন্দেহ জন্মিছে।

ধিকো ধিকো ধিকো মইষাল ৰে / মইষাল ধিকো গাবুৱালি

এ হেন সুন্দৰী নাৰী ক্যামনে যাইবেন ছাড়ি, মইষাল ৰে।

আৰে তখনে না কইচুং মইষাল ৰে/ মইষাল না যান গোৱালপাৰা

গোৱালপাৰাৰ চেংৰীগুলা জানে ধূলা পৰা, মইষাল ৰে

কিন্তু গাভৰু পত্নীৰ হকা বধা নুশুনি ম'হৰ খুটিলৈ অহা স্বামী দেৱতাৰ অৱমাননাত ঋতুৱে ঋতুৱে মনৰ গতি প্ৰকৃতি সলনি হোৱা চঞ্চলা-চপলা-উন্মনা গাভৰু পত্নীৰ মন বিৰিণা বনত কালিদাসৰ মেঘদূত কাব্যৰ বিৰহী যক্ষৰ সদৃশে বিৰহৰ দাবাগ্নি দাউ দাউকৈ জ্বলে। বিৰহৰ তীব্ৰতাত মানসিক যন্ত্ৰণা তথা পীড়ন সহ্য কৰিব নোৱাৰি মৈষাল স্বামীক চাকৰি ত্যাগ কৰি ঘৰলৈ উভতি আহিবলৈ আকুল আহ্বান জনাইছে। পৰিস্থিতিৰ তাড়নাত প্ৰয়োজন হ'লে তাই ডিঙিৰ হাৰডাল বিক্ৰী কৰি পোৱা ধনেৰে স্বামীক চাকৰিত অৰ্জা বেতন ঘৰতে যোগান ধৰিব বুলি দৃঢ়তাৰে কৈছে।

বাথান ছাড়ো বাথান ছাড়ো ৰে/ মৈষাল ঘুৰিয়া আইসো বাড়ি

গালাৰহাৰ বেচেয়া দিম মুই/ ঐ চাকৰিৰ কড়ি, মৈষাল ৰে

আজি প্ৰাণ কান্দে মৈষাল বন্ধু ৰে।

গাভৰু পত্নীয়ে যেতিয়া দেখিলে স্বামী নাচোৰ বান্দা তেওঁ বাথানলৈ যাবই যাব, তেতিয়া অন্য উপায় নেদেখি স্বামীক ভীতি বিহ্বল কৰিবলৈ ক'বলৈ ধৰিলে যে বাথানত বহুতো মৈষালক ম'হে শিঙেৰে হানি খুচি-বধ কৰে; গতিকে তেওঁ জীৱনটোক তুচ্ছ জ্ঞান কৰি তালৈ যোৱাতোৱে উচিত নহ'ব।

কি ও মোৰ মৈষাল আচোৰে হানিয়া মাৰিবে

আৰে বাথানে না যান মোৰ মৈষাল ৰে

আচোৰে হানিয়া মাৰিবে ৰে

আৰে ভাতো ৰান্ধিছুং মাছো ভাজিছুং

মৈষালেৰ খাবাৰ বাদে ৰে।

কিছুমান গীতত স্বভাৱকবিৰ কল্পনাত মুঞ্জৰি উঠা নৈসৰ্গিক জগতৰ নদ-নদী, জান-জুৰি, হাবি-বননিৰ নান্দনিক চিত্ৰও প্ৰকাশ পাইছে। গঙ্গাধৰ, গদাধৰ নদীৰ তট আৰু চৌপাশৰ অনাবিল প্ৰাকৃতিক অনুপম শোভাচিত্ৰই আৰু পাহাৰ-পৰ্বতৰ ফুল্ল মল্লিকাৰাজিয়ে কবিৰ হৃদয়-মন, আলফুল হাতেৰে পৰশি গৈছিল। সেয়ে অপৰূপ ৰূপৰম্য প্ৰাকৃতিক সৌন্দৰ্য সুষমাই ৰোমাঞ্চিত কৰা নাৰী মনে কল্পনাৰ ৰাজকোঁৱৰ বিচাৰি হৃদয়ত আল্পনা অঁকাৰ চিত্ৰেৰে অনেক গীতি কবিতাও ৰচিত হৈছে —।

গঙ্গাধৰেৰ বাতায় বাতায় ৰে / ওৰে কাশিয়া থোপা থোপা

তাৰি তলে সোণাৰ বন্ধু বাজায় দোতোৰা ৰে

গঙ্গাধৰেৰ বাতায় বাতায় ৰে / ওৰে নানা জাতেৰ ফুল

ছাড়িয়া দে মোৰ শাৰীৰ আনচল/ ঝাড়িয়া বান্দিম চুলি ৰে

কিছুমান গীতত যমুনা নদীলৈ পানী আনিবলৈ যোৱাৰ চলেৰে গোপীনীয়ে কৃষ্ণ কানাইৰ সতে কৰা পৰকীয়া প্ৰেম-প্ৰীতিৰ কথা প্ৰতীকাত্মক ভাৱ-কল্পনাৰে চহা কবিয়ে নাৰী মনৰ প্ৰেম-প্ৰীতি, বিৰহ-যন্ত্ৰণা আৰু আশাভঙ্গৰ বিষাদ-বেদনা লোকগীতত বৰ্ণাইছে। যমুনাৰ ঘাটলৈ যোৱা গোপীনীসকলে ৰাধাৰ উপস্থিতিৰ বাবে মুখ থেকেচা খাবলগীয়া হোৱাৰ দৰে চহা সমাজৰ প্ৰেমানুৰাগী নাৰীসকলেও পৰ পুৰুষৰ সতে পীৰিতি কৰিবলৈ গৈ আন নাৰীৰ উপস্থিতিৰ বাবে মনোবাঞ্চা পূৰণ কৰিব নোৱাৰাৰ চিত্ৰও গোৱালপাৰীয়া লোকগীতত চিত্ৰিত হৈছে।

নাযাইও যমুনাৰ জ্বলে/নন্দেৰ বেটা চিকণ আৰ কালা

কালা দিলেক বিষম জ্বালা /সই নাযাইও যমুনাৰ জ্বলে

কদম গাছে হেলানীৰে দিয়া / কালা বজায় মোহন বাঁশী

কিছুমান গীতত প্ৰকৃতিৰ অনিৰ্বচনীয় নান্দনিক সৌন্দৰ্য তথা মনোহাৰিণী বৰ্ণচ্ছটা বিভিন্ন অলংকাৰ, উপমাৰ আভূষণেৰে গীতি কবিয়ে প্ৰকাশ কৰিছে -।

ওৰে দিনেৰ শোভা সূৰুয ৰে মোৰ /আইতেৰ শোভা চাঁন

ওৰে হালুৱাৰ শোভা হাল কুৰি /জমিৰ শোভা ধান

বনেৰ শোভা সুন্দৰ ফুল ৰে/মাটিৰ শোভা ঘাস

অনাদি অনন্ত কালৰে পৰা প্ৰকৃতিৰ লগত মানুহৰ নিবিড় সম্পৰ্কৰ কথা ভাৰতীয় তথা অসমীয়া প্ৰাচীন সাহিত্যৰাজিত সম্পৃক্ত হৈ আহিছে। নাৰী মনৰ বিৰহ-

বেদনা, হা-হুতাশা, পোৰা-নোপোৰা প্ৰকৃতি ৰাজ্যৰ চৰাই-চিৰিকটি, নদ-নদী, জান-জুৰি, গছ-বিৰিখেও কাৰুণ্য আৰু সহানুভূতিৰে প্ৰকাশ নকৰাকৈ থকা নাই।

নদীৰ পাৰেৰ কুৰুৱাৰে মোৰ /জামেৰ গাছেত শুয়া
কেনে কান্দেন অমন কৰিয়াৰে কুৰুৱা /চক্ষেৰ জল ফেলেয়াৰে
ওৰে কুৰুৱাৰে মুইয়ো কান্দোং চিটুলি বিধুৱা হুয়া

****************************

ঢাল কাউৱাটাৰ কান্দন শুনিয়া /মনেৰ আগুন জ্বলে
মুই নাৰীটা বসিয়াৰে কান্দোং কুৰুৱাৰে /পতিকো হাৰেয়াৰে
না মিটিল মোৰ মনেৰ আশাৰে কুৰুৱা /ভাঙ্গিলো মোৰ বাসা
ভৰা যৌৱন কেমনে কাটাব কুৰুৱাৰে /পতিকো হাৰেয়াৰে

প্ৰৱাসত কাম কৰিবলৈ যোৱা স্বামীৰ অৱমাননাত বিৰহ-বিধুৰা পাট গাভৰু নাৰী হৃদয়ৰ জ্বালা-যন্ত্ৰণা কালিদাসৰ মেঘদূত কাব্যৰ বিৰহী যক্ষই মেঘক সন্দেশ বাৰ্তা দি পঠোৱাৰ দৰে গোৱালপাৰীয়া লোকগীততো চৰাই-চিৰিকটি, নদ-নদী আদি প্ৰকৃতিৰ নিৰ্বাক-অবোধ প্ৰাণী আৰু উদ্ভিদ আদিৰ সহৃদয়তাৰে প্ৰতীকাত্মকভাৱে প্ৰকাশ পাইছে –।

ওকি বগিলাৰে /জাকে জাকে উৰি যাও ৰে উজানা দেশে
তুই যাইস আগে আগে/তোৰ বন্ধু যায়ৰে সাথে সাথে
জ্বলিয়া মৰোং হা হুতাশে/পতিধন মোৰ গেইচেৰে পৰদেশ
গদাধৰেৰ উজানিতে /দেবাধৰ্মাৰ পাটেৰ কাছে
বন্ধু গেইছে বণিজ কৰিবাৰে।

স্বভাৱকবিয়ে কিছুমান গীতত এলাচী, ডালচিনি, জাইফল, লং, কৰ্পূৰ, জালুক, জীৰা, তামোল, পাণ আদি উপমানেৰে নাৰী হৃদয়ৰ ভগ্ন বীণাৰ কৰুণ মূৰ্চনাৰ অব্যক্ত বেদনা প্ৰকাশ কৰিছে।

ছোট এলাচী বড়োৰে এলাচী ডালচিনি আই
ঘিৰিয়া বান্ধিবে বাড়ীৰে আয়মন কুলি
আয়মন কুলিৰ মায়েৰ কান্দোনে
গঙ্গাধৰেৰ কাছাৰ হিড়িৎ হিড়িৎ কৰিয়া ভাঙে
আয়মন কুলি।

নাওঁ, নাঁৱৰীয়া, বঠাৰ ছেও, পাল, ডিঙৱা, নদ-নদীৰ প্ৰতীকেৰে নাৰী মনৰ ন যযৌ- ন তস্থৌ দোদুল্যমান অৱস্থাৰ কথা কিছুমান লোকগীতত বৰ্ণিত হৈছে।

ও নায়েৰ মাঝি ৰে /তুমি যাও কোথায়
নাও চলেয়া যাও মাঝি / কোন বা দৰিয়ায়।।
পাল তুলিয়া যাও মাঝি / কিসেৰ আশাত
তোৰ লাগিয়া বসিয়া থাকিম / নদীৰে ঘাটাত।।
ভাবিতে ভাবিতে মোৰ / ও পৰাণেৰ মাঝি
ঘাটেৰ পাৰত বান্ধিম ঘৰ / মনেৰ মতন সাজি।।

**********************

নদীৰ ঢেউ দেখিয়া পৰাণ উৰিয়া যায়।
এহেন সোণাৰ তৰী জলে ভাসিয়া যায়।।
নাই গো নদীৰ কূল কিনাৰা, হলফে উঠে ফেনা।
ঐ ঘাটেতে আদালত ফৌজাদাৰী থানা।।

সাউদে বণিজ তথা বেহা-বেপাৰলৈ যোৱাৰ কথাও কিছুমান গীতত স্বতঃস্ফূৰ্তভাৱে প্ৰকাশ পাইছে। সদ্য বিৱাহিত পত্নীক ঘৰত অকলে এৰি বণিজলৈ ওলোৱা স্বামীক বাৰণ কৰিবলৈ সদ্যহতে খুড়াককে বণিজলৈ পঠাবলৈ অনুৰোধ কৰাৰ কথা গীতৰ মাজত প্ৰকাশ পাইছে।

তখন কেনে নাই যান সাধু ও/সাধু বণিজ কৰিবাৰে
আৰাৰ বাঁশ কাটিয়া মোৰ পৰাণ সাধু /সাধু বান্দো কলাৰ ভুঁৰা
এবাৰো বণিজ যাউক সাধু ও /সাধু তোমাৰ দয়াৰ খুড়া।

কিছুমান লোক গীতত চোৰ-চাতুৰী, ঠগ-প্ৰৱঞ্চনা, আভুৱাভৰা মিথাচাৰ আদিৰ বিষয়েও চহা কবিৰ কাব্যিক ফচলত প্ৰকাশ পাইছে।

নাক ডাংৰাৰ বেটাটা চউক ডাংৰাৰ নাতিটা
মোক ভুলালু সতেৰ খাডু দিয়া /তখন না কচিস তুই ৰে
হাল চাৰিখান গৰু পাচ হাল / চেউটি গৰুৰ নেখা জোখায় নাই
ওৰে বাড়ি আসিয়া দেখিলু মুই /চতুৰালি কৰিলু তুই
ঘৰত হিনা তোৰ ছনে দিবাৰ নাই /তখনে না কচিস তুই ৰে
মোটা চাউল খাই না সৰু চাউলেৰ নেখা জোখায় নাই।

জীৱন-সংসাৰ, ঘৰ-গৃহস্থালী, গৰু-গোহালি, ৰন্ধা-বঢ়া, শাক-পাচলী, মা-মছলা, মাছ-মাংস, ৰন্ধন-প্ৰণালী আৰু সুস্বাদু-ব্যঞ্জন আহাৰ হিচাপে ভোজন কৰা আৰু আ অতিথিক আপ্যায়ন কৰোৱাৰ কথাও কিছুমান লোক গীতত জীৱন্ত ৰূপত চিত্ৰিত হৈছে।

নামনি অসমৰ লোকগীতৰ বৰ্ণাঢ্য কাননত ধাইনাম বা নিচুকনি গীতৰ ভঁৰালখনো বৰ্ণোজ্জ্বল সুষমাৰে পৰিপূৰ্ণ। কামৰূপ অঞ্চলৰ ওমলা গীতত কাণখোৱা নামৰ কিবাটোৰে আন শিশুৰ কাণ খাই খাই আমাৰ মইনাৰ ওচৰ চপাৰ সদৃশে নামনি অসমৰ নিচুকনি গীতটো কাণখোৱা নামৰ অচিনাকি দৈত্যটোৰ কথা শুনি অবোধ শিশুটি টোপনি যোৱাৰ কথা সাৱলীলভাৱে প্ৰকাশ পাইছে।

আয়ৰে আয় আয় / কাণ খোৱা হাউ
জাকৈৰ চিঙিল বাউ/ খালৈৰ চিঙিল ডৰি
কাণ খাওৱাৰ ভাঙিল ভৰি / আমাৰ ময়নাৰ ঘুম আসিল
হাকু দাকু কৰি।

হাঁতী-ঘোঁৰা, ম'হ-উট আদিৰ পিঠিত চৰি ফুৰি বা ওমলি মৰমৰ শিশুটি ডাঙৰ-দীঘল হোৱাৰ বিবিধ চিত্ৰেৰে নামনি অসমৰ কিছুমান নিচুকনি গীত ৰচিত হৈছে।

ঢুলে ময়না ঢুলে / হাঁতী কান্দত চৰে
হাঁতী মাৰে লাঠি / যাই পৰে গোঁসাই ঘৰেৰ কাঠি
সিও কাঠি ভাঙা/ আমাৰ মুনু ধাঙা

নাওঁ খেলৰ গীতৰো নামনি অসমৰ লোকগীতৰ ভঁৰালত এক বিশেষ স্থান আছে। এইবোৰ গীতত চহা জীৱনৰ বিচিত্ৰ ভাৱ কল্পনা বিৰিঙি উঠিছে।

বৈঠা মাৰো বৈঠা মাৰো ৰে / আৰে ও বাইসাল ভাইয়াৰে,
ওকি ছাড়িয়া বৈঠা মাৰিয়া যাইস্ ৰে।।
বৈঠাৰো ছাপে ছাপে সৰ্ব অঙ্গ কাঁপিলো;
সুন্দৰী ৰাধে লো আমাৰ বন্ধু মোৰ বৈঠা বায়।।

সেইদৰে বিভিন্ন পূজা-পাৰ্বন, উৎসৱ-অনুষ্ঠান, সামাজিক ৰীতি-নীতি, আচাৰ-বিচাৰ, লোকোৎসৱ আদিত পাৰম্পাৰিকভাৱে প্ৰচলিত হৈ অহা গীত নৃত্যানুষ্ঠানে নামনি অসমৰ লোকগীতৰ ভঁৰালখনি সমৃদ্ধ কৰি ৰাখিছে।

আখ্যানমূলক নাট্যধৰ্মী লোক-গীত নৃত্যানুষ্ঠানৰ ভিতৰত নামনি অসমত বহুলভাৱে প্ৰচলিত অনুষ্ঠান বিশেষেই হৈছে কুশান গান। ৰামায়ণ মহাকাব্যৰ লৱ-কুশৰ চৰিত্ৰৰ গইনা লৈয়ে এইবিধ গীতক কুশান গান কোৱা হয় আৰু কুশান গানত ৰামায়ণৰ আধাৰিত পদকে গোৱা হয়। কুশান গানত মুখ্য চৰিত্ৰ গীদাল, এজন দোৱাৰী আৰু কেইজনমান পাইল থাকে। গীদালে হাতত বেনা লৈ

নয়া জামাই সাতাৰ খেলায়/ ডাইলেৰ উপৰ দিয়া
মোৰ ভাইজিয়ে কয়, মোৰ ননদিয়ে কয়
মুই সুন্দৰী ৰান্দন জানং না
কচু পাতেৰ ছেকা ৰান্দিনু, তাতো নাদিলং আদা
তাৰ বাদে মোক ধৰি মাৰে, বুঢ়া ঠাকুৰ দাদা

মাছ-কাছ, শাক-পাচলি, মা-মছলা, ঠিকে ঠিকে যোগাৰ দিয়াৰ পাছতো ন কইনাই সু-স্বাদু আহাৰ তৈয়াৰ কৰিব নোৱাৰাৰ অপৰাধত শাহু, ননদ, জা আদিৰ পৰা ককৰ্থনা-ভৰ্ৎসনা শুনাৰ বাহিৰেও স্বামীৰ হাতত মাৰ-কিল খোৱাৰ বৰ্ণনাও গোৱালপাৰীয়া লোকগীতত চিত্ৰিত হৈছে।

পূবেৰ ঘৰত ধৰি মাৰে মোক পশ্চিমৰ ঘৰ কাঁপে
দক্ষিণ ঘৰেৰ চালকুমৰা ধুপ ধুপিয়া পৰে
******************************
এমন মাইৰ মাৰিল মোক হাতেৰ ভাঙিল শাখা
এইবাৰ নাইওৰ গেইলে কালে আৰ নাহইবে দেখা

বিয়া-বাৰুৰ, আচাৰ-অনুষ্ঠানৰ লগত জড়িত দৰা-কইনাক নোৱোঁৱা, ধুওৱাঁ, পানী তোলা, গোসাঁই পূজা কৰা, আখৈ তোলা কইনাক বিদায় দিয়া আদি প্ৰসঙ্গত বিবিধ বিয়াগীত গোৱাৰ দস্তুৰ নামনি অসমৰ লোকগীতত বিৰাজমান। উজনি অসম আৰু মধ্য অসমৰ বিয়াগীতৰ তুলনাত নামনি অসমৰ বিয়াগীতৰ বিবিধতা নাথাকিলেও বিভিন্ন প্ৰসঙ্গত গোৱা বিয়াগীতৰ ভঁৰালখন যথেষ্ট চহকী। দৰা-কইনাক নোৱোৱাঁ-ধুওৱাঁৰ সময়ত কিছুমান বিয়াগীত গোৱাৰ প্ৰচলন আজিও আছে।

হালধি ডগ্মগ্ বাচাৰে / চিত ফাটিয়া পৰে বাচা ৰূপৰে
কতেনো আছা দয়াৰ মাওৰে / আঞ্চলে বান্ধিয়া ৰাখ বাচাৰ ৰূপৰে
মাশ কালাই বটিলুং / মাটাৰ মুটুৰ হেৰাম
বৰ কালাই বটিলুং ফালা / সুখীতাৰে ছাওৱা ভোক দুখ পাইলৰে
কিনো বামুণেৰ হেলা হেৰাম

বিৱাহযোগ্য কন্যাক বিয়া দি লোকৰ ঘৰলৈ উলিয়াই দিয়া ট্ৰেজিক মুহূৰ্তটি পিতৃ-মাতৃৰ বাবে অত্যন্ত মৰ্মান্তিক আৰু হৃদয় বিদাৰক দৃশ্য।

ও কন্যা ৰে ও কন্যা ৰে এ / কন্যা ছাড়িয়া না যাইস মোকে
তুই কন্যা ছাড়িয়া গেইলে / কায় দেখিবে মোক কন্যা ৰে।
শেষ কালত পৰিচং মুই ৰে / ও কন্যা কায়ো নাই মোৰ সাথত
তুই কন্যা ছাড়িয়া গেইলে / কেমনে থাকিম মোৰ ঘৰত ৰে।

ৰামায়ণ আশ্রিত কাহিনী গাই দিয়ে আৰু চোক্ৰীসকলে তাকে দোহাৰী ঘূৰি ঘূৰি নাচে গায়। মাজে মাজে দোৱাৰীৰ লগত কথোপকথন ভঙ্গীৰে নাট্যানুষ্ঠানৰ পৰিৱেশ সৃষ্টি কৰে। দৰ্শকক মনোৰঞ্জন দিয়াৰ মানসেৰে চোক্ৰীসকলে কিছুমান লঘু গীত-নৃত্যৰ অৱতাৰণা কৰাও দেখা যায়। প্ৰথমতে সৰস্বতী বন্দনা গাই মূল কুশান গানৰ গীত-নৃত্য অভিনয় কৰা নিয়ম।

বন্দনা গীতের কথা ৰইলেক ভালে ভালে/ মেঘনাদ বধের দুই চাইৰ কথা

একবাৰ শুনিয়া নেও সকলে/ পুত্ৰ শোকে মন্দোদৰী কৰিছে ক্ৰন্দন

মন্দোদৰীৰ ক্ৰন্দনতে বসিলেক ৰাৱণ/ হায়ৰে পুত্ৰ শোকে মন্দোদৰী কৰিছে ক্ৰন্দন।

বাঁশ পূজাৰ গীত অবিভক্ত গোৱালপাৰা জিলাত প্ৰচলিত নামনি অসমৰ আন এবিধ উল্লেখযোগ্য লোক-সংস্কৃতিৰ অমূল্য সম্পদ। বাঁশ পূজাৰ গীতক মদন কামদেৱৰ পূজাৰ গীত নামেৰেও জনা যায়। এই বাঁশ পূজা তিনি প্ৰকাৰৰ যেনে - (১) খাৰা বাঁশ পূজা, (২) চাতালি বাঁশ পূজা আৰু (৩) মাদাৰেৰ বাঁশ পূজা। মদন কামদেৱৰ পূজাত বাঁশক মদন বা কামদেৱৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰা হয়। গীদাল, দোৱাৰী সমন্বিতে গীত-বাদ্য গাই বজাই বাহডালক প্ৰথমতে ৱৰণ কৰি লয়। বাহডাল ভালদৰে চাচি-চুৰকি, গোটেইটো গাতে ৰঙীন কাপোৰ মেৰিয়াই আৰু চোৰৰ আদি বান্ধি থিয়কৈ পুতি পাণ-তামোল আম পাত আদিৰে পূজাৰ্চনা কৰা হয়। প্ৰথম দুবিধ পূজা অকল হিন্দুসকলেহে কৰে, কিন্তু মাদাৰেৰ বাঁশ পূজা হিন্দু মুছলমান উভয়েৰে মাজত প্ৰচলিত। নিৰ্দিষ্ট জোখত কটা বাঁহডাল সাত্বিক নিয়ম নীতিৰে পূজা পাতল কৰি গীত বাদ্য পৰিৱেশনেৰে ঘৰে ঘৰে নচুৰাই ফুৰা হয়। এই পূজা চ'ত মাহৰ পৰা আৰম্ভ হয়।

এড়ুল বেড়ুল গাওখানি চিকণ চাৰিপাত / তাহাৰ জলে তুষ্ট হৈলে আউলি জগন্নাথ

চৈত্ৰমাস আসিয়া গৈল ভাং হৈল জাটিয়া / বাইৰতে আছে ভাঙেৰ আগাল পইৰতে আছে সুৰা।

কেহো নিল কাটি দাও কেহনিল কোবা / ভাল ভাল জাটিয়া ভাঙেৰ গোৰায় দিল ঢালা।।

নামনি অসমত প্ৰচলিত কাতি পূজাৰ গীত আন এবিধ অসমীয়া লোক সাহিত্যৰ অমূল্য সম্পদ। এইবিধ গীতেও লোক-সংস্কৃতিৰ বিশাল পথাৰখন সমৃদ্ধ কৰিছে। কাতি মাহৰ সংক্ৰান্তিৰ দিনাৰে পৰা আঘোণ মাহৰ পোন্ধৰ দিনমানলৈ কাতি পূজাৰ নৃত্য-গীতানুষ্ঠান পৰিৱেশিত হয়। কাতি পূজাৰ উপাস্য দেৱতা চিৰকুমাৰ কাৰ্তিক দেৱতাৰ চিৰকুমাৰত্বক উপহাস কৰি নাৰীসকলে কুঁহিলাৰে নিৰ্মিত দেৱতাগৰাকীক আসনত উপবিষ্ট কৰাই তাৰ চাৰিওফালে ঘূৰি ঘূৰি গীত-নৃত্য পৰিৱেশন কৰে। পুৰুষ বৰ্জিত এই পূজা নাৰীসকলে সমূহীয়াভাৱে পালন কৰাৰ বাহিৰেও কোনোবাই অকলেই অনুষ্ঠিত কৰিলেও কৰিব পাৰে। বিশেষকৈ নিঃসন্তান নাৰীসকলে সন্তান কামনাৰে কাতি পূজা কৰে। এই পূজা নিশা ন-দহ বজাত আৰম্ভ হৈ পিছদিনা ৰাতিপুৱালৈকে চলে। প্ৰথমতে উপাস্য দেৱতা গৰাকীৰ বন্দনা গীত গাই তাৰ পাছত সৃজনীমূলক গীত-নৃত্য পৰিৱেশন কৰে। কাতি পূজাৰ গীতৰ অনুষঙ্গত কিছুমান পৰকীয়া প্ৰেম-প্ৰীতিমূলক আৰু প্ৰতীকাত্মক গীতো গোৱা হয়।

কল'তো কল'ৰে আঠীয়া কল'ৰে/ দেখুং বন্ধুৰা কাৰবাৰী যায়

পৰাৰ পুৰুষ আপোনাৰ নাহয় / পৰভাতে পলায়।

*********************

দূৰ হাতে আইলৰে বাদুৰ / কলা খাবাৰ আশে

হাতেৰ ক'ল হাতে ৰইল / বাদুৰ গেল দূৰ দেশে

গো পূজাৰ গীতেৰেও নামনি অসমৰ লোক-গীতি সাহিত্যৰ ভঁৰালখন সমৃদ্ধ। গৰুক বিভিন্ন উপলক্ষ্যত লক্ষ্মী স্বৰূপে পূজা কৰাৰ প্ৰথা কৃষিজীৱী ভাৰতীয় জনগণৰ মাজত অতীজৰে পৰা প্ৰচলিত হৈ আহিছে। নামনি অসমৰ অবিভক্ত গোৱালপাৰা জিলাত কৃষিজীৱী জনসাধাৰণে বিষুৱা আৰু পুষ্ণা বা মাঘী পূৰ্ণিমাত পশুধন গৰু ম'হক পাৰম্পাৰিকভাৱে প্ৰচলিত নিয়ম নীতিৰে তেল, হালধি, নিমপাত আদিৰে গা প্ৰক্ষালণ কৰাই যথাবিহিত ভাৱে গোহালিত ধূপ-ধূনা চাকি-প্ৰদীপ জ্বলাই পূজা উপাসনাৰে খাদ্য সম্ভাৰ আগবঢ়াই লক্ষ্মী স্বৰূপে প্ৰতিবছৰে সেৱা সৎকাৰ কৰি আহিছে। এই নিৰ্দিষ্ট উপলক্ষৰ বাহিৰেও গৰু-ম'হৰ আকস্মিকভাৱে বেমাৰ আজাৰ হ'লে তাৰ পৰা পৰিত্ৰাণ বিচাৰি ব্যক্তিগত গো-পূজা, গোহালি পূজা ভাৰ দিয়া পূজা, গৰুক ভাত দিয়া পূজা, গোহালি সুত কৰা পূজা আদিৰে বিভিন্ন উপলক্ষত গোধনক পূজা কৰাৰ প্ৰথা নামনি অসমত অদ্যাৱধি প্ৰচলিত। প্ৰতিবিধ পূজা

উপাসনাৰে প্ৰধান লক্ষ্য আৰু উদ্দেশ্য হৈছে গৰু, গোহালি, খেতিপথাৰ আৰু শস্যৰ অপায় অমঙ্গল দূৰ কৰি সবাৰে শ্ৰীবৃদ্ধি আৰু মঙ্গল কামনা কৰা। প্ৰাচীন জনবিশ্বাস, সামাজিক প্ৰথা আৰু পাৰম্পাৰিকভাৱে প্ৰচলিত পূজা উপাসনা অনুষঙ্গত কিছুমান গীত পৰিৱেশন কৰে।

গোৰক্ষ নাথে ডাকি বোলে শোন শিৱ কাম।
শিৱ নাম ডাকি বোলে শোন গোৰক্ষ নাথ।।
তোমাৰ বন্দনা যে গোৱালিত হয়।
সেই গোৱালিৰ ৰোগ ব্যাধি চাৰিয়া পলায়।।
শোন শোন গোৱালিনী শোন শোন দিয়া মন।
কিঞ্চিৎ দুধ ননী আনি দিবা এখন।।

পশ্চিম অসমৰ অবিভক্ত গোৱালপাৰা জিলাত লোকনাট্য পৰম্পৰাৰ এক ইতিহাস প্ৰসিদ্ধ খ্যাতি আছে। এই লোক-নাটসমূহৰ অনুষঙ্গতো কিছুমান গীত-নৃত্য পৰিৱেশন কৰা হয়। সেইবোৰৰ ভিতৰত কুশান গান, ভাৰী গান, পালা গান, বাঁশী পুৰাণৰ গান, পদ্দা পুৰাণৰ গান, মাৰে পূজাৰ গান, ভাসান যাত্ৰাৰ গান, সোণাৰায় গান, হুদুম পূজাৰ গান, বাঁশ পূজাৰ গান, কাতি পূজাৰ গান আদিয়ে প্ৰধান। ব্যঘ্ৰদেৱতাক সন্তুষ্ট কৰিবৰ কাৰণে সোণাৰায় পূজা-গীত-নৃত্য পৰিৱেশন কৰে বুলি এই অঞ্চলত এক জনবিশ্বাস আছে। মুখ বাঁশীৰ সংগত গীদাল, দোৱাৰী আৰু পাইলে পদ্দা পুৰাণৰ গীত গাই নৃত্য অভিনয়ৰ মাজেৰে বাঁশী পুৰাণৰ গীত পৰিৱেশন কৰে। সৰ্পদেৱী বিষহৰী, মা মনসা বা পদ্মা দেৱীক সন্তুষ্ট কৰিবলৈ পদ্মা পুৰাণৰ গীত মনসা পূজাৰ অনুষঙ্গত গোৱা হয়। গীদাল, দোৱাৰী আৰু কেইজনমান পাইলে পদ্মা পুৰাণৰ বিষয়বস্তুৰ আধাৰত চান্দ সদাগৰৰ পুত্ৰ লখিন্দাৰৰ জন্ম, বিৱাহ, বিৱাহ ৰাত্ৰি সৰ্প দংশন আৰু পুনৰ জন্ম লাভেৰে চান্দ সদাগৰৰ সাত পুত্ৰ-বোৱাৰী আৰু ধন সম্পত্তি ঘূৰাই পাই চান্দ সদাগৰে দেৱীক পূজা কৰাৰ প্ৰতিশ্ৰুতি দিয়া লৈকে কাহিনী ভাগ সামৰি গীত, নৃত্য আৰু অভিনয়েৰে উপস্থাপন কৰা হয়। পদ্মা, শিৱ, চান্দ সদাগৰ, বেউলা লখিন্দাৰ আদি চৰিত্ৰৰ কথোপকথনৰ জৰিয়তে নাটকীয় পৰিৱেশৰ সৃষ্টি কৰা হয়। ভাসান যাত্ৰাৰ গানো পদ্মা পুৰাণৰ গান বা বিষহৰি গানৰ অঙ্গ বিশেষ। মৃত স্বামীক কলৰ ভূঁৰত সতী বেউলাই কোলাত লৈ নৈৰে ভটিয়াই স্বৰ্গ ৰাজ্যলৈ বুলি অনিৰ্দেশ যাত্ৰা কৰা শোক বিহ্বলা পৰিৱেশ পৰিস্থিতিকে গীদাল আৰু পাইলে পদ্মা পুৰাণৰ গীত পদেৰে অতি হৃদয় স্পৰ্শিভাৱে পৰিৱেশন কৰে। মাৰে পূজাৰ গানো সৰ্পদেৱী মনসা বা পদ্মাৰ পূজা বিধিৰ উপলক্ষত গোৱা এবিধ গীত। ইয়াত গীদাল, দোৱাৰী আৰু পাইলে সুকবি নাৰায়ণদেৱ, দুৰ্গাৱৰ আৰু মনকৰৰ মনসা পূজাৰ অনুষঙ্গত গোৱা গীত-পদৰ লগত বংগীয় মনসা কবিৰ মনসা মঙ্গলৰ গীত পদৰ মৌখিক মিশ্ৰণ ঘটাই গীত, পদ, নৃত্য অভিনয়ৰ জৰিয়তে উপস্থাপন কৰে। মাৰে পূজাৰ গানত এজনী দেওধনী থাকে। দেওধনীৰ অভিনয় সুলভ নৃত্য বচনভঙ্গীৰ মাজেৰে হাস্য, কৌতুক আৰু পৰিহাসমূলক পৰিৱেশৰ সৃষ্টি কৰা হয়। পালাগান বা দোতৰা গানো পশ্চিম অসমৰ আন এবিধ লোক নাট্যানুষ্ঠান। কুশান গানৰ দৰে এই গানতো এজন গীদাল, দোৱাৰী আৰু কেইজনমান পাইল থাকে। গীদালে হাতত দোতৰা লৈ কিছুমান ধৰ্মনিৰপেক্ষ, সম্প্ৰদায় নিৰপেক্ষ লৌকিক তথা পাৰম্পাৰিক কাহিনী গীত-নৃত্যৰ মাজেৰে পৰিৱেশন কৰে। গীদালে দোতৰা সংগত কৰা বাবে ইয়াক দোতৰা গানো কোৱা হয়। কোনো কোনো অঞ্চলত কেচ্ছা বন্দী নামেৰেও এই অনুষ্ঠান অনুষ্ঠিত কৰে। এই গান দুই ধৰণৰ খাড়াতালি আৰু সৈনা তালি। অবিভক্ত গোৱালপাৰা জিলাত তথা উত্তৰবঙ্গৰ কোনো কোনো অঞ্চলত বিশিষ্ট ভূমিকা পালন কৰি অহা আন এবিধ লোক-সংস্কৃতিৰ গীত-নৃত্যমুখৰ উপাদান হ'ল হুদুম পূজাৰ গীত। এই লোকানুষ্ঠানৰ আচাৰ-অনুষ্ঠান সম্পূৰ্ণ নাৰী কেন্দ্ৰীক আৰু নাৰী প্ৰধান। এই অঞ্চলৰ লোক বিশ্বাস আছিল যে অনাবৃষ্টিৰ কালত এই পূজা অনুষ্ঠিত কৰি নৃত্য-গীত কৰিলে পৃথিৱীলৈ বৰুণ দেৱতাই বৰষুণ নমাই দি প্ৰকৃতি জগত সজীৱ আৰু উৰ্বৰা কৰে। জনবিশ্বাস আশ্ৰিত এই পূজাৰ নিয়ম অনুযায়ীমহিলাসকলে অনাবৃষ্টিৰ সময়ত এটি হুদু চৰাই ধৰি আনি নিশা পথাৰলৈ গৈ তেওঁলোকে সম্পূৰ্ণ বিবস্ত্ৰা বেশেৰে হুদু চৰাইটো মাজত ৰাখি গোটেই নিশা গীত-নৃত্য পৰিৱেশন কৰে। আৰু হুদু চৰাই নাপালে এটি কল পুলিকে পুতি হুদু চৰাইৰ প্ৰতীক হিচাপে অৱলম্বন কৰি ওৰে নিশা গাই আৰু নাচে। এই গীতৰ কথাংশ আৰু নৃত্য-ভঙ্গিমা অতি অশ্লীল আৰু যৌনগন্ধি। সেয়ে এই অনুষ্ঠান সম্পূৰ্ণৰূপে পুৰুষ বৰ্জিত অনুষ্ঠান। গীতবোৰ দুইধৰণৰ - কিছুমান মাৰ্জিত ৰূপৰ আৰু আনবোৰ অমাৰ্জিত

তথা অশ্লীল।

নামনি অসমৰ অবিভক্ত গোৱালপাৰা জিলাত মানুহ মৰিলে মৃতকক সৎকাৰ কৰিবলৈ শ্মশানলৈ নিয়াৰে পৰা, শৱ সৎকাৰ কৰা, পিণ্ড-শ্ৰাদ্ধাদি কৰা, মুখাগ্নি দিয়া বিবিধ উপলক্ষত কিছুমান মৌখিক গীত বৰ দুখ লগাকৈ পৰিৱেশন কৰি গোটেই পৰিৱেশটিকে উৎকট বেদনাদায়ক কৰি তোলে। এই গীত এজন গীদালে লগাই দিয়ে আৰু ছয় সাতজনমান পাইলে দোহাৰী গাই যায়। এই গীতবোৰক ঝালিমাটিৰ গান নামেৰে জনা যায়।

ঘৰখানি বান্ধিলং দেশেৰ ভাই/ খাবাৰ লবাৰ আশে,
সিও ঘৰ ভাঙেয়া নিল মোৰ / হুৰ্কা বাতাসে।
******************************

মাডলি ভাঙিয়া গেল খসিয়া পৰিল ৰুৱা / তাতে
বসিয়া ভোজন কৰে শগুণ বপুৰা।
কাকহৈল বৰ টেঙৰ শৃগাল মহাদানী/ দোকান দিয়া
মাংস খায় টানি টানি।

এই বোৰ কামৰূপী লোক-গীতৰ শাখা দেহবিচাৰৰ লোকগীত আৰু উলটা পুৰাণৰ লোকগীতৰ সমধৰ্মী গোৱালপাৰীয়া লোকগীত।

অসমীয়া লোক-সাহিত্যৰ অমূল্য সম্পদসমূহৰ ভিতৰত পশ্চিম অসমৰ ৰাজবংশীসকলে অসমীয়া নিচুকনি বা ধাইনামৰ সমাৰ্থক স্বৰূপে ব্যৱহাৰ কৰা গীতবোৰক নিন্দালি গীত বুলি কয়। কেচুৱা আৰু শিশু-কিশোৰক টোপনি নিয়াবৰ বাবে গোৱা গীতবোৰক কিছুমানে আকৌ 'চাওৱা নিন্দা পঠোৱা' বা 'চাওৱা ঝিত কৰোৱা' গীত নামেৰেও অভিহিত কৰে। শিশুক ভয় ভীত খুৱাবলৈ আৰু সন্মোহিত কৰাৰ মানসেৰে প্ৰকৃতি জগতৰ জীৱ-জন্তু, চৰাই-চিৰিকটি, বিভিন্ন সৰীসৃপ প্ৰাণী, দৈত্য-দানৱ, ভূত-প্ৰেত, জোন-বেলি আদি কাল্পনিক চৰিত্ৰৰ কথা কৈ ধাই বুঢ়ীমাক , ককাদেউতাক আদিয়ে এইবোৰ গীত ছন্দত সাঁজি সুৰ লগাই গাই ল'ৰা-ছোৱালীক জীত কৰাৰ সময়তো ব্যৱহাৰ কৰি বিমল আনন্দ লভে। তেওঁলোকে গোৱাৰ সময়ত চকু-মুখ, নাচোন-বাগোন, শাৰীৰিক অঙ্গি-ভঙ্গি প্ৰদৰ্শন কৰি আৰু মুখেৰে দৈত্য-দানৱৰ বিকট চিঞৰ-বাখৰ, মাত আদি উলিয়াই কেচুৱা, শিশু সন্তান আদিক এখনি কাল্পনিক জগতৰ বিচিত্ৰ ক্ৰীড়া ভূমিলৈ লৈ গৈ সন্মোহিত কৰি তেওঁলোকক টোপনি নিয়াই।

হুৰো ৰে চয়কা / কতো ধান খাইস
ধান পাকিলে চিৰা দিমো / ডালত বসিয়া খাইস
ডাল ডুল ভাঙেয়া / তেলি পাৰত ঘাইস
তেলি দিবে তেল গাম্চা / মালি দিবে ফুল
ৰাজাৰ বেটি খোপাটি / হাজাৰ টাকাৰ মূল
* * * * * * * * *

বাঘ মাৰিব যাবু / পান্তা ভাত খাবু
ভয় বা খাইস / ভুৰুত
* * * * * * * * *

একটা তাৰা দুইটা তাৰা / তাৰাৰ মাও অন্তিহাৰা।
পাচিলাবাড়ীত হামাকুৰ / পাক পাৰে জোনাকুৰ।।

গোৱালপাৰীয়া লোক-কৃষ্টি, লোক-সংস্কৃতি আৰু লোক-সাহিত্যৰাজিৰ বিশাল প্ৰাঙ্গণৰ ভিতৰত পশ্চিম অসমৰ বুঢ়া লুইতৰ দুয়োপাৰৰ চৰ-চাপৰিত বসবাস কৰা অভিভাষী মুছলমান সম্প্ৰদায়ৰ বৰ্ণাঢ্য লোক-সংস্কৃতি আৰু লোক-সাহিত্যক অন্তৰ্ভুক্ত নকৰিলেও তেওঁলোকৰ লোক সাহিত্যৰ ভঁৰালখন তেনেই তাকৰীয়া নহয়। তেওঁলোকৰ বিভিন্ন উৎসৱ-পাৰ্বন, আচাৰ অনুষ্ঠানৰ উপলক্ষত বিয়া গীত, কাণ বিন্ধোৱা গীত, কোল বিয়া গীত, জাগ্লুৰী খেল গীত, পুযুৰা গীত, লাঠী-বাৰী খেল গীত, নাওঁ খেল গীত, ঘোঁৰা খেল গীত, বসন্তৰ বিষাদ গীত, জৰা-ফুকা মন্ত্ৰ গীত আদিয়ে প্ৰাধান্য লাভ কৰি আহিছে। এইবোৰৰ অন্তৰ্ভুক্তিয়ে গোৱালপাৰীয়া লোক-সংস্কৃতিৰ বিশাল ভাণ্ডাৰটো যথেষ্ট পৰিমাণে সমৃদ্ধ কৰিব নিশ্চয়।

পশ্চিম অসমৰ গোৱালপাৰীয়া লোক-গীতিপুঞ্জত পাৰমাৰ্থিক ভাৱধাৰাৰ গীতসমূহৰ বাহিৰে প্ৰায়বোৰ গীততে নাৰী মনৰ প্ৰেম-প্ৰীতি, বিৰহ-বেদনা, হা-হুতাশা, আশা-আকাংক্ষা আৰু পৰকীয়া প্ৰেমৰ কথা প্ৰাঞ্জলভাৱে প্ৰকাশ পাইছে। গোৱালপাৰীয়া লোকগীতৰ বৰ্ণাঢ্য ক্ষেত্ৰখন যথেষ্ট চহকী। বিচিত্ৰ গীতবোৰৰ মাজত পশ্চিম অসমৰ চহা লোক-জীৱনৰ সামাজিক, প্ৰাকৃতিক, অৰ্থনৈতিক, ধৰ্মীয়, লৌকিক, পাৰম্পাৰিক, ঐতিহ্যপূৰ্ণ ৰীতি-নীতি, পিন্ধা-উৰা, খোৱা-লোৱা, ৰন্ধন প্ৰকৰণ আদি বিবিধ চিত্ৰ প্ৰতিফলিত হোৱাই নহয়; এই গীতবোৰক পশ্চিম অসমৰ সামাজিক, সাংস্কৃতিক, সাহিত্যিক, ভাষিক, বৌদ্ধিক, পাৰম্পাৰিক আৰু জন-জীৱনৰ ঐতিহাসিক জীৱন্ত দলিল

বুলিও ক'ব পাৰি। যিবোৰ গীতি সাহিত্যৰ জৰিয়তে গোৱালপাৰীয়া অসমীয়া লোক-সংস্কৃতিয়ে স্বকীয় বৈশিষ্ট্য আৰু সুকীয়া মৰ্যাদাৰে সমুজ্জ্বল হৈ বিশ্ব লোক-সংস্কৃতিৰ প্ৰেক্ষাপটত নিজস্ব স্থান নিৰ্ণয় কৰিবলৈ সমৰ্থ হৈছে। সাহিত্যৰ নান্দনিক দৃষ্টিভঙ্গীৰে বিচাৰ কৰিলেও দেখা যায় গোৱালপাৰীয়া গীতি সাহিত্যৰাজিত বিৰিঙি উঠা বিভিন্ন ৰস আৰু অলংকাৰে লোক-সাহিত্যসমূহৰ মাধুৰ্য দুগুণে চৰাইছে। লোক-গীতি সাহিত্যসমূহৰ উদ্‌ঘাটন, বিচাৰ, বিশ্লেষণ, সংৰক্ষণ আৰু গৱেষণাই অসমীয়া লোক-সাহিত্য আৰু লোক- সংস্কৃতিৰ গৌৰৱোজ্জ্বল মানচিত্ৰখনি অধিক মহীয়ান আৰু গৰিমামণ্ডিত কৰি তুলিব নিশ্চয়।



# মানসিক বিকাশ আৰু সামাজিক শৃংখল

ইচলাম মনোৱাৰা আবেদীন

পৃথিবীৰ বিভিন্ন প্ৰান্তত শিশুৰ মানসিক বিকাশ সম্পৰ্কে বিশেষজ্ঞ সকলে বিভিন্ন ধৰণৰ গবেষণা কৰি আহিছে। শিশু এটিৰ মানসিক বিদ্যা, বুদ্ধি, স্মৃতি শক্তি আদিৰ বিকাশ মাতৃগৰ্ভৰ পৰাই আৰম্ভ হয়। মাতৃ শব্দটোৰ ভিত্তিতেই সমগ্ৰ জীৱ জাতিটোৰ অস্তিত্ব নিহিত হৈ আছে। সমাজ গঠনৰ পূৰ্বেও প্ৰতিটো শিক্ষা আৰু ব্যক্তিত্ব গঠনৰ মূল ভূমিকা মাতৃসকলে বহন কৰি আহিছে।এজনী মাতৃৰ ভূমিকা সম্পৰ্কে, ঘৰ খনত মাতৃ গৰাকীৰ দায়িত্ব সম্পৰ্কে "চেমুৱেল স্মাইলছে কৈছিল" The home is the woman's kingdom. he state her world, there she governs by affection by kindness and power gentleness. মাতৃ এগৰাকীৰ সঠিক তথ্য আৰু শুদ্ধ প্ৰভাৱে শিশুৰ ভবিষ্যত জীৱনৰ বাট সুদূৰ প্ৰসাৰী হৈ উঠে। ঘৰখনেই হয় শিশুৰ প্ৰথম আৰু প্ৰধান পঢ়াশালী। এই গৃহ পৰিবেশতেই শিশুৰ শিক্ষা আহৰণৰ প্ৰথম পদক্ষেপ। ঘৰুৱা অৱস্থাৰ ভাল-বেয়া প্ৰভাৱখিনি লগত লৈহে এটি শিশুৰ প্ৰাথমিক স্কুল ভৰ্ত্তি কৰোৱা হয়। এগৰাকী মাতৃৰ পৰা শিশুটোৱে যিবোৰ আবেগিক নিৰাপত্তা পায় সেইবোৰ আগন্তুক জীৱনত যথেষ্ট পৰিমানে প্ৰভাৱ বিস্তাৰ কৰিব। অনুশাসন বুলিলে আমি সামাজিক অনুশাসন বুজোঁ "এগৰাকী মাতৃয়ে ঘৰখনত শিশুৰ ওপৰত যেনেধৰণৰ অনুশাসন চলাইছে সেয়া ভালদৰে পৰ্য্যাবেক্ষন কৰিলে দেখা যাব যে যদি অনুশাসন শাস্তিমূলক হয়, তেতিয়া শিশুটোৰ ক্ৰিয়া আচৰণ অৱদমিত তথা সংকুচিত প্ৰভাৱ পেলাব পাৰে আৰু সেইটোৱে শিশুটিৰ বাবে যথেষ্ট ক্ষতিকাৰক হব, ভীতিগ্ৰস্থ আৰু ৰুগীয়া হৈ পৰিব। সেইবাবে মাতৃজাতিটো সদায় সজাগ হব লাগিব যে গৃহ পৰিবেশত আত্ম অনুশাসনমূলক অনুশাসন প্ৰবৰ্ত্তন কৰা উচিত।

আনহাতে মাতৃৰ লগতেই পিতৃৰো যথেষ্ট দায়িত্ব আৰু কৰ্ত্তব্য আছে। আমাৰ মাজত থকা শিক্ষিত অশিক্ষিত অভিভাৱকৰ ভিতৰত শিক্ষিত অভিভাৱকৰ যথেষ্ট দায়িত্ব আৰু কৰ্ত্তব্য আছে। কিছুমান অভিভাৱকে লৰা-ছোৱালীক স্কুলত পঠিয়াই দিয়াটোৱে শেষ দায়িত্ব বুলি ভাবে তেতিয়াহলে ভুল কৰা হব। প্ৰকৃতাৰ্থত আমাৰ মাজতেই এচাম অভিভাৱক নিৰ্লিপ্ত আৰু উদাসীন হৈ পৰিছে। ইয়াৰ ফলতেই যুৱ সমাজৰ মাজত উশৃংখলতাই দেখা দিছে। শিশুৰ মানসিক বিকাশ ঘটিলেহে তেওঁলোক সুস্থ মনৰ নাগৰিক হব পাৰিব আৰু সমাজৰ গুৰু দায়িত্ব বহন কৰিব পাৰিব। উশৃংখল মানসিকতাই সমাজত বিশৃংখলতাৰ সৃষ্টি কৰে আৰু তেনেকুৱা ধৰণৰ পৰিস্থিতিত সমাজৰ অনুশাসন নোহোৱা হয়। সমাজত উশৃংখল মানসিকতাৰ শিশু বা নাগৰিক সংখ্যা অধিক হলৈ সামাজিক অনুশাসন ভঙ্গ কৰা প্ৰৱনতা বৃদ্ধি পায়। অপকৰ্মই অপকৰ্মীক উৎসাহিত কৰাৰ বাবেই সমাজত সাংঘাতিক ধৰণে ক্ষতি হয়। আনহাতে উশৃংখলতা যদি গতানুগতিকতাত পৰিণত হয় তেতিয়াহলেও তাৰ ফল ভয়াবহ হয় কাৰণ যিসকল ব্যক্তি উশৃংখল মনোভাৱৰ হয় তেওঁলোক ভাল-বেয়া, ন্যায়-অন্যায়, উচিত-অনুচিত, ভদ্ৰ-অভদ্ৰৰ মাজত পাৰ্থক্য দেখা নাপায়। তেওঁলোক যিবোৰ ঘটনাৰ সৃষ্টি কৰে সেইবোৰ গুৰুতৰ অপৰাধ জনিত হলেও সেইবোৰ অপৰাধ শ্ৰেণীৰ মাজত নপৰে বুলি দাবী কৰে। সাম্প্ৰতিক পৰিবেশত শিশু অপৰাধীৰ সংখ্যা দিনক দিনে বৃদ্ধি পাই আহিছে। আজি টেলিভিচন আৰু বিভিন্ন বাতৰি কাকতবোৰত বিভিন্ন আলোচনীবোৰত এটা কথায় উত্থাপন হৈ আছে যুৱ সমাজ সচাঁকৈয়ে উশৃংখল নে? আনফালে অসমৰ কিছুমান স্বনামধন্য বিদ্যালয় যেনে গুৱাহাটী মহৰ্ষি বিদ্যা মন্দিৰ, গুৰুকুল গ্ৰামাৰ স্কুল অথবা দুধনৈ নবোদয় বিদ্যালয়ত ঘটা ঘটনাবোৰে গোটেই দেশখনেই জোকাৰি পেলাইছিল। ইয়াৰেই প্ৰধান কাৰণ হল শিশুৰ উশৃংখল মানসিকতা।

যুৱ প্ৰজন্ম বিপথে গৈছে বুলি বিভিন্নজনৰ বক্তব্যবোৰ গভীৰভাৱে উপলব্ধি কৰিলে বিশ্ববিখ্যাত দাৰ্শনিক ৰুচোৰ

মতামতটোৰ বিষয়ে মনত পৰে– *All Children are good by birth as they are in the hands of author of the nature, but man meddle with them and they become evil.* যুৰ সমাজৰ মাজত আন এটা কাৰণ হল শিক্ষাৰ অভাৱ। অশিক্ষিত শ্ৰেণীৰ মানুহবোৰ ভাল বেয়া ন্যায় অন্যায় বিচাৰ কৰিব নোৱাৰে আৰু সামান্য কথাতেই সমাজত বিশৃংখলতাৰ সৃষ্টি কৰে। গতিকে শিক্ষিত পৰিয়ালৰ মাজত সামাজিক গাথনি বেলেগধৰণৰ হয়। সকলো সামাজিক গোষ্ঠীৰ পৰিয়ালৰ মাজত ভিন্নতা থাকিব পাৰে কিন্তু এইটো সত্য যে প্ৰতিখন পৰিয়ালেই নিজ পৰিয়ালৰ শিশুসকলৰ মানসিক বিকাশৰ পৰিপুষ্টিৰ অধিনৰ বাবে নিজ নিজ ভূমিকা গ্ৰহণ কৰি আহিছে। অভিভাৱকে নিজৰ শিশুটোক নিজস্ব ধৰণে গঢ় দি অভিভাৱক গৰাকীয়ে এখন শৃংখল সমাজ গঠনৰ দিশত অৰিহণা যোগাব পাৰে। শিশুৰ অন্তৰত যিটো ভাবৰ বীজ ৰোপন হয় সিয়ে ফলে ফুলে জ্যোতিষ্কাৰ হৈ উঠে।

আজিৰ এই একবিংশ শতিকাত শিশু এটিৰ মনৰ পৰা কুসংস্কাৰ, অন্ধবিশ্বাস গোড়ামী সাম্প্ৰদায়িকতা, স্বাৰ্থপৰতা, অহংভাব উচ্চনীচৰ ভেদাভেদ আদি ভাববোৰ আতঁৰাই বিজ্ঞানসন্মত দৃষ্টিৰে গঢ়ি তুলিব পাৰিলে মানসিক দিশটো বহুতধৰণে উন্নত হব আৰু সেই শিশুৱে নিজৰ সমাজখনক বলিষ্ঠ ৰূপত উন্নতিৰ পথত আগুৱাই লৈ যাব পাৰিব আৰু নিজৰ পৰিয়ালৰ উপৰিও সমাজৰ প্ৰতিজন ব্যক্তিৰ মঙ্গলজনক সেৱা আগবঢ়াব পাৰিব। সমাজৰ শৃংখলা ৰক্ষাৰ বাবে শিক্ষকৰ অৱদাত কম নহয়। ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষক হল ধৰ্মপিতৃ। সমগ্ৰ সমাজখনেও শিক্ষকক অভিভাৱক হিচাবে আখ্যা দিয়ে। গতিকে শিক্ষক এগৰাকীয়ে নিজৰ নিজৰ দায়িত্ব কৰ্ত্তব্য নিষ্ঠাৰে পালন কৰি এখন সুস্থ সমাজ গঢ়ি তোলাত সহায় কৰে। শিক্ষক শ্ৰেণীটো যদি ছাত্ৰ-ছাত্ৰী তথা সমাজৰ বাবে ত্যাগ স্বীকাৰ কৰে তেতিয়াহলে সমাজখন উন্নতিৰ জখলত আগবাঢ়ি যাব পাৰিব।

সদৌ শেষত এই কথাফাকি ভালদৰেই জানো যে আত্মবিশ্বাসৰ ওপৰতেই মানুহৰ জীৱনটো পৰিপূৰ্ণ ভাবে বাচি থকাটো নিৰ্ভৰ কৰিব আৰু তেতিয়াৰ পৰাই। আমি আমাৰ অন্তৰাত্মাৰ প্ৰতি গভীৰ বিশ্বাস জগাই তুলিব পাৰিম।

এই অধ্যাত্মিক চেতনাই শান্তি আৰু নিৰ্ভৰযোগ্যতা শক্তি আনি দিয়ে তাৰ পৰাই গঢ়ি উঠে মনৰ এক বিশাল শক্তি আৰু এই শক্তিৰ পৰাই মানসিক উৎকৰ্ষ সাধন হয়।



## চৰ চাপৰিৰ উচ্চ-শিক্ষাত

# বিলাসীপাৰা মহাবিদ্যালয়ৰ অৰিহণা

হজৰত আলী
বয়জেৰ আলগা,বিলাসীপাৰা।

যুগৰ আহ্বান আৰু উচ্চ শিক্ষাৰ প্ৰয়োজনত বৃহৎ বিলাসীপাৰা অঞ্চলৰ কিছু সংখ্যক দূৰদৰ্শী আৰু শিক্ষাপ্ৰেমী বিশিষ্ট ব্যক্তিয়ে চাপৰ জমিদাৰীৰ প্ৰাক্তন জমিদাৰ নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱৰ দান দিয়া গৃহত ১৯৬০ চনত বিলাসীপাৰা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰে। বিলাসীপাৰা মহাবিদ্যালয়খন মহকুমাৰ এখন উচ্চ শিক্ষানুষ্ঠান। ষাঠিৰ দশকৰ পৰা বিলাসীপাৰাৰ বিস্তৃৰ্ণ অঞ্চলৰ পৰা ছাত্ৰ-ছাত্ৰী মহাবিদ্যালয়ত অধ্যয়ন কৰি জীৱন গঢ়ি তুলিছে। মহকুমাৰ অধিকাংশ চৰ-চাপৰিৰ ধনী, দুখীয়া মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে বিলাসীপাৰা মহাবিদ্যালয়ত কম খৰচতে পঢ়াৰ সুযোগ লাভ কৰি আহিছে। বিশেষকৈ নায়েৰ আলগা, মায়াৰচৰ, ছুৱাপাতা, হাতীপোতা, মাসানেৰ আলগা, গুটিপাৰা, কাজাইকাটা, ডুবাচুৰী, বয়জেৰ আলগা, শগুণমাৰী আদি অঞ্চলত আজি প্ৰায় প্ৰতি ঘৰতেই স্নাতক যুৱক-যুৱতী ঘূৰি ফুৰিছে। চৰ-চাপৰিৰ পৰা প্ৰবক্তা, অধিবক্তা, অভিযন্তা, আৰক্ষী বিষয়া আদিৰ সৃষ্টি হৈছে এইখন মহাবিদ্যালয়ৰ পৰা উৰ্ত্তীণ হৈ যোৱা ছাত্ৰ-ছাত্ৰীসকল। তদুপৰি মহাবিদ্যালয়খনৰ আটাইতকৈ উল্লেখনীয় দিশটো হৈছে শিক্ষা-দীক্ষাত অনুন্নত আৰু বিশেষকৈ চৰ অঞ্চলৰ নাৰী শিক্ষাত তেনেই পিছপৰা নাৰীৰ উচ্চশিক্ষাৰ সুবিধা আগবঢ়োৱা। আজি এই কথা গৌৰৱ কৰি ক'ব পাৰি যে, এইখন শিক্ষানুষ্ঠানৰ যোগেদি চৰ অঞ্চলৰ নাৰী সমাজত পৰম্পৰাগত ভাৱে চলি অহা অসীম কষ্ট, পৰিশ্ৰম, দুখ নেওচি চৰৰ ছাত্ৰীয়ে মাধ্যমিক বিদ্যালয়ৰ দেওনা পাৰ হৈ উচ্চশিক্ষাৰ বাটত খোজ দিব পাৰিছে! আজি চৰবাসী ছাত্ৰ-ছাত্ৰীয়ে অনেক ক্ষেত্ৰত প্ৰতিযোগিতা কৰিব পৰা হৈছে। এই আমূল পৰিবৰ্ত্তন আমাৰ অতি মৰমৰ বিলাসীপাৰা মহাবিদ্যালয়ে আগবঢ়োৱা শিক্ষাৰ কাৰণে সম্ভৱ হৈছে।

বিলাসীপাৰা মহাবিদ্যালয়ৰ শিক্ষাৰ মানদণ্ড আৰু পৰীক্ষাৰ ফলাফলকৈলে এই অঞ্চলৰ সকলোৱে গৌৰৱ কৰিব পাৰে। অসমৰ আগশাৰীৰ যি কেইখন মহাবিদ্যালয় আছে সেইবোৰৰ তুলনাত বিলাসীপাৰা মহাবিদ্যালয়খন কোনো ফালৰ পৰা পিছপৰা নহয়। সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে মানুহৰ চিন্তাধাৰাৰ পৰিবৰ্ত্তন হৈছে। সেই অনুপাতে মানুহৰ চাহিদা আৰু অৱশ্যকতাবো পৰিবৰ্ত্তন হৈছে। সেয়ে অৱশ্যক অনুসৰি আমাৰ জ্ঞান গৰিমাৰ লক্ষ্য আৰু শ্ৰমৰো পৰিবৰ্ত্তন হোৱাটো বাঞ্চনীয়। সেয়ে আমাৰ মহাবিদ্যালয়ৰ যিবোৰ পাঠ্য বিষয়া আছে তাতেই সন্তুষ্ট নাথাকি আৰু কেইটামান সময় উপযোগী বিষয় পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰি কলেজখনক দোপত-দোপে আগুৱাই নিব লাগিব।

যিসকল মহান ব্যক্তিয়ে এই মহাবিদ্যালয়খন স্থাপন কৰিছিল তেখেতসকল আজি ইহধামত নাই। বৰ্তমান পুৰুষে সময় উপযোগী ব্যৱস্থা গ্ৰহণত অৱহেলা কৰিলে সেই মহান ব্যক্তিসকলৰ আত্মাক অৱমাননা কৰা হব। মহাবিদ্যালয়ৰ সকলো শিক্ষক ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকলে নিজা নিজা দায়িত্ব নিষ্ঠাৰে পালন কৰি আমাৰ বিস্তৃত অঞ্চলত উচ্চশিক্ষাৰ নতুন নতুন পদ মুকলি কৰক সোঁণালী বৰ্ষ তিথিত এয়াই চৰবাসী ৰাইজৰ একান্ত কামনা।

# নৱকান্ত বৰুৱাৰ কবিতা
# অৰ্থবহ এক মধুৰ ব্যঞ্জনা

✍ শ্ৰীমতী বিভা নাথ, প্ৰৱক্তা
অসমীয়া বিভাগ।

অসমীয়া কবিতাক আধুনিকতা প্ৰদান কৰাত যিসকল কবিয়ে সৰ্ব্বাধিক সাৰ্থকতা লাভ কৰিছে সেই সকলৰ ভিতৰত নৰকান্ত বৰুৱা বিশেষভাবে সমাদৃত নাম। নতুন পাঠকৰ বাবে তেওঁৰ কবিতাসমূহ আছিল মন চুই যোৱা, হৃদয়তন্ত্ৰীত অনুৰণন জগাই তোলা এক স্বপ্নাৱেশ ভাবৰ গুঞ্জন; যাক একান্তমনে উপলব্ধি কৰিবলৈ মন যায় অথচ যি সহজবোধ্যও নহয়। অসমীয়া কবিতাক আধুনিকতাৰ সাজ পিন্ধাইছিল প্ৰথম হেম বৰুৱাই আৰু তেওঁৰ লগে লগেই একে বাটেৰে বাট বুলিছিল কবিতাৰ আধুনিক খনিকৰ নৰকান্ত বৰুৱাই। এওঁলোকৰ কবিতাৰ মাজেৰেই আধুনিক কাব্যধাৰাৰ উপকৰণ, প্ৰতীকবাদ, চিত্ৰকল্পবাদ, অভিব্যক্তিবাদ ইত্যাদি পাশ্চাত্য বাদ-বৈচিত্ৰ্যৰ ৰূপ অসমীয়া কবিতাৰ মাজলৈ স্পষ্ট আৰু নিবীড়ভাবে সোমাই আছে। এই ক্ষেত্ৰত নৰকান্ত বৰুৱা নিজেই যেন এক কাব্য-শৈলী, যি শৈলী আন বহু প্ৰতিভাশালী কবিৰো প্ৰেৰণা হৈ পৰিছে।

'জয়ন্তী' যুগৰ পৰা কাব্যৰ সাধনা কৰা নৰকান্ত বৰুৱাই নব্বৈৰ দশকলৈ কৰি গৈছিল অসমীয়া কবিতাৰ চিন্তা-চৰ্চা। প্ৰকৃতাৰ্থত 'হে অৰণ্য, হে মহানগৰ' নামৰ কবিতা-পুথিখনৰ যোগেদি তেওঁ লৈ আহিছিল আধুনিক কবিতাৰ ধাৰা। নৰকান্ত বৰুৱাৰ কবিতাসমূহত প্ৰকাশ পাইছে তীব্ৰ সমাজ চেতনা আৰু ঐতিহ্যচেতনা, মানবীয় মূল্যবোধৰ অৱক্ষয়ত ওপজা দুখবোধ, যান্ত্ৰিক নগৰীয়া জীৱনৰ কদৰ্যতাৰ প্ৰতি ঘৃণা, বিষাদ গ্ৰস্থ কৰুণ-মধুৰ প্ৰেম, নষ্টালজিক সুখৰ আৱেশ, গ্ৰাম্য সৰল জীৱনৰ প্ৰতি ভালপোৱা, মানৱীয়তা, আধুনিক জীৱন আৰু সমাজে প্ৰতি খোজতে উপহাৰ দিয়া দ্বিধা-সংশয় অথচ সুন্দৰ সমাজ এখনলৈ থকা হাবিয়াস আৰু ভৱিষ্যতৰ সোণালী স্বপ্নৰ ছবি। নগৰীয়া জীৱন কবিৰ প্ৰত্যক্ষ চিনাকি। সেই নগৰৰ কঠিনতা আৰু নিষ্ঠুৰতাই কবিক আঘাত দিয়ে প্ৰায়েই —

"কাৰ্ফুৰ সময় হ'ল
সূৰ্যস্নাতা নগৰীৰ আচলৰ শেষ ৰশ্মিকণো
শুহি ল'লে ৰাতিৰ আকাশে;
নিস্তব্ধ মৰণ নামে। নগৰীৰ ধমনী কৰোঁ অনুভৱ
কাজিৰঙা ডবকাৰ আৰণ্যক আৰণ্যক অপস্মাৰ
সৰীসৃপ-ক্ৰুৰ-মৃত্যু .......... সৰ্পিল জীৱন;"
( হে অৰণ্য, হে মহানগৰ)

'পলস' আৰু 'ইয়াত নদী আছিল' নৰকান্ত বৰুৱাৰ সৰ্বকালৰ দুটি শ্ৰেষ্ঠ কবিতা। 'পলস' কবিৰ প্ৰখৰ ঐতিহ্য চেতনাৰ ইংগিত আৰু আশাবাদী মনৰ জিলিকনি। ইতিহাসৰ লগত বন্ধা থাকে ভৱিষ্যতৰ জীৱন। অতীতৰ হাত ধৰিয়েই বৰ্তমানে গতি কৰে ভৱিষ্যতৰ দিশে। সমগ্ৰ কবিতাটি প্ৰতীকী ব্যঞ্জনাৰে মধুৰ। পূৰ্বপুৰুষৰ অস্তিত্ব ৰক্ষা কৰে আৰু কৰিব পাৰে মাথো উত্তৰ পুৰুষেহে -'আমাৰ নাতিৰ নতুন পামৰ নাঙলৰ সীৰলুত আমি সাৰ পাম'। আনহাতে হেৰাই যাবলৈ ধৰা প্ৰকৃতিৰ দৰে পূৰ্বপুৰুষৰ (ককাদেউতা, বুঢ়ী আইতা) বুকুতেই লুকাই থাকে জীৱন দায়িনী শক্তি। 'ইয়াত নদী আছিল' - শিৰোনামটোৰে বহন কৰিছে বিশেষ তাৎপৰ্য অৰ্থাৎ নদী আছিল, এতিয়া নাই। নদী পোত খাই সৃষ্টি হৈছে মৰুভূমিৰ। নদীক প্ৰাণচঞ্চল গতিময়তাৰ প্ৰতীক ৰূপে লৈছে কবিয়ে। আনহাতে ই ব্যক্তিহৃদয়কো সূচায়। নদী অবিহনে কবিয়ে এখন শুকান পৃথিৱীৰ ইংগিত দিছে য'ত উজানৰ বগা মাছে নিজৰা ৰূপোৱালী নকৰে, য'লৈ বহাগৰ ঢল নাহে। তেনেদৰে ব্যক্তিহৃদয়ৰ অনুভূতিহীনতাই জন্ম দিছে লোভৰ, কুটিলতাৰ; ধ্বংস হৈছে সৃষ্টিশীলতা। এই কবিতাটিয়ে কঢ়িয়াই আনিছে জীৱন আৰু পৃথিৱীৰ এক ক্ষয়িত সংবাদ —'ছাঁয়াময়া জিঁয়া এটি বালিয়ে বালিয়ে উৰি, পানীৰ কাৰণে ঘূৰি ক'ৰবাত বাট হেৰুৱায়।'

কবিতাক লৈ কবি বৰুৱাৰ পৰীক্ষাৰ অন্ত নাই. জীৱন-জিজ্ঞাসা আৰু জীৱনৰ সত্য উদ্‌ঘাটনৰ চেষ্টাত ৰত কবিমনে বাৰে বাৰে বিচাৰি চালে জীৱনৰ অৰ্থ; ভিন ভিন আংগিকেৰে সজাই তুলিলে কবিতা। ফলস্বৰূপে অন্য কবিৰ কবিতাতো তেওঁৰ কবিতাৰ ধ্বনি-প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়।

ভাববস্তুৰ বুদ্ধিদীপ্ত ব্যঞ্জনা, ৰূপৰ বিচিত্ৰতা, ছান্দিক কৌশলৰ নতুনত্বৰে কবি নৰকান্ত বৰুৱাই যি এক কাব্যধাৰা সৃষ্টি কৰি গৈছে সিয়েই আধুনিক অসমীয়া কবিতাৰ বিবৰ্তনৰ ইতিহাসো দাঙি ধৰে। সেইবাবেই কোৱা হয় "নৰকান্ত বৰুৱা নিঃসন্দেহে আধুনিক কবিতাৰ বুৰঞ্জীত আটাইতকৈ তাৎপৰ্যপূৰ্ণ নাম।"

'সম্ৰাট' আৰু 'ৰাৱণ' কবিতাত মহাকাব্যৰ বুকুৰ পৰা অনা দুটি চৰিত্ৰক কবিয়ে নতুন ৰূপত আবিষ্কাৰ কৰিছে। ৰাৱণৰ হৃদয়-গৃহ্বৰত যেন লুকাই আছে শিল্পীসুলভ সুষমা আৰু সৌন্দৰ্য পিয়াসী প্ৰেমিক এজন। সেইদৰে সম্ৰাট ধৃতৰাষ্ট্ৰৰ মনত শিপাই আছে কেৱল পৰাজয়ৰ গ্লানি। ৰাৱণে নাপালে তেওঁৰ প্ৰেমৰ মৰ্যাদা আনহাতে ধৃতৰাষ্ট্ৰ- পিতৃ, ৰজা, পতি ৰূপে তেওঁ কেৱল এক বিফল অস্তিত্ব।

গ্ৰাম্য জীৱনৰ সৰলতা, প্ৰকৃতিৰ চিনাকি ছবিৰ বুকুত কবিয়ে বিচাৰি পায় নিবীড় প্ৰশান্তি। নগৰৰ কদৰ্যতাত যি সুখ উপলব্ধ নহয়, সেই সুখৰ স্পৰ্শ আছে, চিনাকি মাটিৰ সুবাস আৰু সৰল প্ৰাণৰ অকৃত্ৰিমতাত। 'তামোলৰ পিক সনা আইতাৰ জধলা চুমাত' আছে কবিয়ে বিচাৰি ফুৰা শান্তিৰ উম। কেতিয়াবা কবিৰ বাবে শান্তিৰ অৰ্থ 'জীৱিকাত জীৱনৰ আবিৰ সানিব খোজা এমুঠি মৰম' আৰু 'পোণাটি বুকুত লৈ ভাগৰুৱা শেতেলীত পকোৱা মুগাৰে বোৱা লখিমীৰ ঘাম-চেঁচা ছাল।' কবিয়ে লোক মন, লোক কবিতাকো লৈ আহিছে আধুনিক কবিতালৈ। লোকগীত-লোকগাঁথা কবিৰ আজন্ম চিনাকি। সেয়ে লোকগাঁথাৰ পৰা বাঁৰীকোঁৱৰ, তেজীমলা, কমলা কুঁৱৰী, ফুলকোঁৱৰ, মণিকোঁৱৰৰ দৰে চৰিত্ৰসমূহেও তেওঁৰ কবিতাত বিচৰণ কৰিছে।

নৰকান্ত বৰুৱাৰ প্ৰেমৰ কবিতাবোৰৰ আবেদনো সুকীয়া। কবিৰ বাবে প্ৰেম কেতিয়াবা জীৱনৰ প্ৰেৰণা, কেতিয়াবা বিষাদৰ ছায়াৰে আবৰা, গধূলিৰ গাওঁৰ বাঁহীৰ দৰে মায়াময় অথচ কৰুণ-মধুৰ সোঁৱৰণীৰে সেমেকা এক কোমল অনুভূতি —

"বহুতো আকাশ পাৰ হৈ অহা
ধুমুহা পখীৰ এটি লহমাৰ নীড় -
বহুতো সপোন পাৰ হৈ অহা
কেঁচা টোপনিৰ ভিৰৰ মাজত
সেই এটা মাথোঁ
উজাগৰ ৰাতি, —
মনত পৰেনে, অৰুন্ধতী?"

(এটা প্ৰেমৰ গদ্য)

কাল্পনিক ভাব-বিলাসৰ প্ৰৱণতাৰে ৰচিত এই ধৰণৰ কবিতাত প্ৰেমৰ উন্মাদনা নাই, আছে মাথোঁ হৃদয় উদ্বেলিত কৰা কোমল মতলীয়া ৰাগী। বাস্তৱবাদী কবি হলেও নৰকান্ত বৰুৱাৰ কবিতাত ৰোমান্টিক মাধুৰ্য উপলব্ধি কৰিব পাৰি। কবিৰ 'তেজীমলা', 'বৰষুণ', 'স্বনিমন্ত্ৰণ', 'লখিমী' ইত্যাদি কবিতাত ৰোমান্টিক ভাবাবেগৰ আকুলতা অনুভৱ হয়। মানুহ আৰু জীৱনক ভালপোৱা কবিয়ে কিন্তু সকলোতকৈ ভাল পায় যন্ত্ৰণাজৰ্জৰ এই পৃথিৱীক -"মাথোন এই পৃথিৱীখনক ভাল পাই গলো

এই কথাটোকে কিমান বাৰ যে কলো
কিমান ভাবেৰে কলো।"

(উভতি নহাৰ কবিতা)

কাব্যসাধনাৰ সুদীৰ্ঘ সময়ছোৱাত জীৱনক কবিয়ে অন্তৰ্মুখী দৃষ্টিকোণেৰে চাইছে। অনুভূতি আৰু আধ্যাত্মিকতা, জীৱন আৰু মৃত্যু, বিশ্বাস আৰু অবিশ্বাসৰ দোমোজাত তেওঁ হৈ পৰিছে দ্বিধাগ্ৰস্থ আৰু চিৰ বিষাদ গ্ৰস্থ এজন মানুহ। জনসমুদ্ৰত থাকিও অনুভৱ কৰে নিঃসংগতা। 'হেজাৰ লোকৰ ভিৰ' সাঁতুৰি আহিও তেওঁ যেন 'চিৰ-অকলশৰীয়া'।

নৰকান্ত বৰুৱাৰ কবিতাৰ ভাব জগত ইমানেই বিচিত্ৰ যে সেইবোৰক আমাৰ এই ক্ষুদ্ৰ নিবন্ধত আবদ্ধ লগতে বিচাৰ কৰিববলৈ আমাৰ প্ৰতিভাৰ অভাৱ। আংগিক আৰু ছন্দ বৈচিত্ৰৰতো কথাই সুকীয়া। ছন্দকলৈ তেওঁৰ কত যে পৰীক্ষা নিৰীক্ষা; মুক্তক ছন্দক শক্তিশালী ৰূপত স্থাপন কৰাৰ লগতে তেওঁৰ স্পন্দিত গদ্য সমৃদ্ধ কবিতা সমূহেও অনন্য মাত্ৰা লাভ কৰিছে। প্ৰতীক প্ৰয়োগত তেওঁ যিদৰে সিদ্ধহস্ত, মনোৰম চিত্ৰকল্পৰ প্ৰয়োগ তেওঁৰ কবিতাৰ অন্যতম আকৰ্ষণীয় বৈশিষ্ট্য। উদাহৰণস্বৰূপে এটি সুন্দৰ চিত্ৰকল্প —

"চুলিৰ মেঘত লাহী আঙুলিৰ বহুতো জোন
(জোৱাৰৰ বাবে সাগৰ নাছিল!)
বৰফৰ দৰে চেঁচা পৰশতো
সি যে কি শান্তি!
অৰুন্ধতী।"

(এটা প্ৰেমৰ পদ্য)

এনেকুৱা আৰু অনেক চিত্ৰকল্পৰ উপস্থিতিৰে নৰকান্ত বৰুৱাৰ কবিতা উপচি আছে।

মুঠতে অধ্যয়নপুষ্ট মন, পৃথিৱীৰ বিভিন্ন দেশৰ সাহিত্যৰ পৰা লাভ কৰা জ্ঞান, ভাব-চিন্তাই বিচিত্ৰ কৰি তোলা মনোজগত, ভাষা আৰু শব্দচয়নৰ সংহত পৰিশীলিত ৰীতি, অভিজ্ঞতাৰ বুদ্ধিনিষ্ঠ আৰু যুক্তিপূৰ্ণ ৰূপায়নে এই কবিৰ কবিতাসমূহক প্ৰদান কৰিছে অনন্য সুন্দৰতা। কবিতা যিসকলৰ

বাবে হৃদয়ৰ স্বতঃস্ফুৰ্ত আবেগ মাত্ৰ, সিসকলৰ বাবে বৰুৱাৰ কবিতা দুৰ্বোধ্য হোৱা স্বাভাৱিক। তেওঁ কেৱল হৃদয়েৰে কবিতা লিখা নাই, বুদ্ধি আৰু যুক্তিৰ ব্যঞ্জনাৰে তাক উজ্জীৱিত কৰিছে। স্বচ্ছন্দতা আৰু প্ৰযত্নই হাত ধৰি সোমাই আছে তেওঁৰ কবিতালৈ। আপোন মাটিৰ সুবাসে কবিক যিদৰে সজীৱ কৰি ৰাখিছে, সেইদৰে মায়াক'ভস্কি, এলিয়ট, খলিল জিব্ৰান, হুইটমেন অথবা জীৱনানন্দ আদি দেশ-বিদেশৰ কবিৰ কাব্যাদৰ্শই তেওঁৰ মনোজগত আৰু অধিক উৰ্বৰ কৰি তুলিছে। তথাপি কবিৰ কবিতা তেওঁৰ স্বকীয় চিন্তা-ভাবনাৰ ফচল, যাৰ বাবে অসমীয়া কবিতাৰ জগতখনত নৱকান্ত বৰুৱা চিৰ সেউজ ৰূপৰ গৰিমাৰে উজ্জ্বল।

❖❖❖❖❖❖❖❖❖

# বিলাসীপাৰাৰ পৰ্যটন উদ্যোগ

সুভাষ চৌধুৰী

এঠাইৰ পৰা আন এঠাইলৈ যাত্ৰা কৰাকে সাধাৰণতে ভ্ৰমণ বুজায়। আনহাতে পৰ্যটনৰ আক্ষৰিক অৰ্থ হৈছে মূলতঃ অৱসৰ বিনোদনৰ লক্ষ্যৰে কোনো ঠাই ঘুৰি পকি স্বগৃহলৈ প্ৰতাবৰ্তন কৰা। শিল্প বিপ্লৱৰ আগলৈকে বিদেশ ভ্ৰমণ কৰা সকল আছিল মূলতঃ বণিক বা ধৰ্মযাজক। শিল্প বিল্পৱৰ ফলত হোৱা উৎপাদনী ব্যৱস্থাৰ বৈপ্লৱিক পৰিবৰ্ত্তন তথা যান্ত্ৰিক সভ্যতাই আনি দিয়া উদ্বৃত্ব সম্পদ, মটৰ গাড়ী, ৰেলগাড়ী, জাহাজ, বিমান আদিৰ আবিস্কাৰে সৃষ্টি কৰা সুচল যাতায়ত ব্যৱস্থা, লগতে স্বয়ং চালিত যন্ত্ৰই আনি দিয়া উদ্বৃত্ব সময়ে, বিংশ শতিকাৰ প্ৰাৰম্ভৰে পৰা পৰ্যটনৰ ক্ষেত্ৰত এক নৱ দিগন্তৰ সূচনা কৰে। পৰ্যটন আজি কেৱল অৱসৰ বিনোদনে নহয়, ই এটা বিশাল উদ্যোগত পৰিণত হৈছে। ৰপ্তানি আৰু সেৱাৰ বাহিৰে পৰ্যটন উদ্যোগ বিদেশী মূদ্ৰা আহৰণৰ অন্যতম পথ। বিশ্বৰ প্ৰতিখন দেশে পৰ্যটন উদ্যোগত পূজিৰ লগ্নিৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়ে। বিদেশী মূদ্ৰা অৰ্জনৰ লগতে নিবনুৱা সমস্যা উপশম কৰাত পৰ্যটন উদ্যোগৰ ভূমিকা অনন্য। পৰ্যটনৰ যোগেদি বিশ্বৰ বিভিন্ন সভ্যতা সংস্কৃতিৰ সমন্নয়ৰ বাট মুকলি হৈছে। পৰ্যটনে পৃথিবীক এখন গোলকীয় চুবুৰীত পৰিণত কৰিব।

প্ৰতিবছৰে বিশ্বৰ ৬০ কোটিৰো অধিক পৰ্যটকে বিদেশৰ মাটিত ভৰি দিয়ে। ইয়াৰে মাথো ০.৪% পৰ্যটকে ভাৰত ভূমিত পদাৰ্পণ কৰে। প্ৰাচীন সভ্যতাৰ দেশ ভাৰতত ঐতিহাসিক কীৰ্তিচিহ্ন, আড়ম্বৰপূৰ্ণ ৰাজপ্ৰাসাদ, মৰুদুৰ্গ, সাগৰতীৰ, শৈলাবাস, তূষাৰাবৃত শৃঙ্গমালা, সুনীল স্বচ্ছপানীৰ হ্ৰদ, অভয়াৰণ্য আদি অসংখ্য পৰম্পৰাগত পৰ্যটন স্থলী থকা স্বত্বেও ইমান কম সংখ্যক বিদেশী পৰ্যটকৰ আগমনে, পৰ্যটন খণ্ডৰ আন্তৰ্গাথনিৰ শিথিলতাকে উদঙাই দিয়ে। অথচ পৰ্যটক আকৰ্ষণত পেৰিচৰ আইফেল টাওৱাৰৰ পিছতে আগ্ৰাৰ তাজমহলৰ স্থান। ফ্ৰান্সতে আটাইতকে বেছি বিদেশী পৰ্যটকৰ আগমন হয়।

পৰ্যটনৰ ক্ষেত্ৰত সৰ্বভাৰতীয় পৰ্যায়তে এনে পূতৌলগা অৱস্থা, সেই ক্ষেত্ৰত সৰ্বদিশতে পশচাৎপদ বিলাসীপাৰা অঞ্চলত পৰ্যটকৰ সংখ্যা সহজে অনুমেয়। তৎসত্বেও বিলাসীপাৰাত পৰ্যটকক কেইটামান দিন ব্যস্ত ৰখাৰ বাবে যথেষ্ট সমল আছে বুলিয়ে কব পাৰি।

মফতমিলছৰ প্ৰতিবেদন মতে ১৮৫৩ চনত বিলাসীপাৰাত মাত্ৰ এখন বিদ্যালয় আছিল। বিদ্যালয় খনত ৫জন গোৱাল, ৩জন হাৰী আৰু ৩জন চাৰাল ছাত্ৰ আছিল। পূৰ্বতে ব্ৰহ্মপুত্ৰ নদী বিলাসীপাৰা চহৰৰ কিছু দক্ষিণেদি প্ৰবাহিত হৈছিল। অসম উপত্যকাত হাল কৃষিৰ বিকাশৰ লগে লগে ভাটিৰ ফালৰ পৰা বিভিন্ন বৃত্তিমূলক জাতি ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰে থিতাপি লবলৈ আৰম্ভ কৰে। ইয়াৰে এখন চিত্ৰ মফতমিলৰ প্ৰতিবেদনত প্ৰতিফলিত হৈছে। ১৮৫৮ চনত চাপৰ জমিদাৰীৰ সদৰ চাপৰৰ পৰা বিলাসীপাৰালৈ স্থানান্তৰ কৰা হৈছিল। ইয়াৰে কেইবছৰমান আগেয়ে জাওলীয়া দেৱানৰ নেতৃত্বত এদল ভূটীয়া সৈন্যই বিজনী, চিদলীৰ ৰাজবাৰী আৰু চাপৰ জমিদাৰবাৰী জ্বলাই ভস্মীভূত কৰিছিল।

জমিদাৰীৰ সদৰ আগমনৰ পৰবৰ্তীকালত বিলাসীপাৰালৈ কিছু ভাগ্য অন্নেষণকাৰী ব্যৱসায়ীৰো আগমন হয়। দেশ বিভাজনৰ পিছতে চহৰখনৰ শ্ৰীবৃদ্ধি হয় আৰু ১৯৫৯ চনত বিলাসীপাৰা নগৰ সমিতি গঠন হয়। চহৰখনৰ দক্ষিণ প্ৰান্তত থকা দুমহলীয়া টাইলৰ জমিদাৰ গৃহটো ঢাকাৰ মিস্ত্ৰি আনি নিৰ্মাণ কৰা হৈছিল। জমিদাৰৰ বৈঠকখানাতে অৰ্দ্ধশতিকা আগে চাপৰৰ শেষ জমিদাৰ নৃপেন্দ্ৰ নাৰায়ণৰ নামেৰে এখন মহাবিদ্যালয় আৰম্ভ কৰা হৈছিল। বিশেষ কাৰণত পিচলৈ এই নাম সলাই বিলাসীপাৰা মহাবিদ্যালয় কৰিব লগিয়াত পৰে। জমিদাৰবাৰী আৰু মহাবিদ্যালয়ৰ মাজত অষ্টভূজা মহামায়াৰ মন্দিৰ। জমিদাৰবাৰীৰ সদৰ স্থানান্তৰ হোৱাৰে পৰা মন্দিৰটোত প্ৰতি বছৰে ধুমধামেৰে দুৰ্গাপূজা অনুষ্ঠিত হৈ আহিছে। পূজা উপলক্ষে জমিদাৰে লক্ষ্ণৌ আদিৰ পৰা নৰ্তকী আৰু বায়'স্কপ আনি প্ৰজাৰ মনোৰঞ্জন কৰিছিল। পূজাৰ সময়ত বিশিষ্ট প্ৰজাগনৰ পৰা জমিদাৰে চালামী (কাৰ্য্যতঃ ভিক্ষা) গ্ৰহণ কৰিছিল। বিজয়া দশমীৰ দিনা প্ৰতিমা বিসৰ্জন উপলক্ষে মহাবিদ্যালয় চৌহদত ভাসানী মেলা অনুষ্ঠিত হৈছিল। তাহানি কালত এনে বিশাল মেলা অসমৰ কতো হোৱা নাছিল। বিলাসীপাৰা পাব্লিক খেল

পথাৰত অনুষ্ঠিত ৰাস মেলাও একালত অসমৰ বৃহত্তম আছিল। এই খেলপথাৰত অনুষ্ঠিত সতীশ সোঁৰৰণী ফুটবল টুৰ্ণামেন্টৰ সুনাম আছিল। ভূপাল, পাটনা, কলিকতা, কোচবিহাৰ, আলিপুৰ দূৱাৰ, বাৰহুঙ্কা আদি নামী দলে এই খেলত অংশ গ্ৰহণ কৰিছিল।

জমিদাৰবাৰীলৈ যোৱা পথত থকা বিলাসীপাৰা থানাত সংৰক্ষিত কৰা আছে ওচৰৰে টোকৰাবান্ধা পাহাৰত প্ৰাপ্ত শৈল ব্যাঘ্ৰমূৰ্ত্তি। সম্ভৱত এই অঞ্চলত ব্যাঘ্ৰদেৱতা সোনাৰায়ৰ জনপ্ৰিয়তাৰ বাবেই কোনো ধৰ্ম প্ৰচাৰকে মূৰ্ত্তিটো সাজি উলিয়াইছিল। মূল বজাৰতে আছে বিগত শতিকাৰ ৩০ৰ দশকত নিৰ্মিত বৰ মছজিদ। হিন্দু মাৰোৱাৰীসকলৰ হনুমান মন্দিৰটো বজাৰৰ উত্তৰে অৱস্থিত। এই পথেৰে প্ৰস্তাবিত ৰেল আস্থানৰ দিশে গলে পোৱা যায় শিৱ মন্দিৰ। শিৱ ৰাত্ৰিৰ দিনা মন্দিৰটোৱে প্ৰাণ পাই উঠে। চহৰৰ পশ্চিম উপকণ্ঠত সুন্দৰ পৰিবেশত আছে সৎসঙ্গ বিহাৰ আৰু ৰামকৃষ্ণ মিছন। পূবৰ বানিয়াপাৰাত থকা বিজনী ৰজাৰ কাছাৰীটো সংৰক্ষণৰ অভাৱত ধ্বংসপ্ৰাপ্ত। চহৰত থকা ময়নামতী আৰু কাজল ভোমৰা সাংস্কৃতিক গোষ্ঠী দুটাই স্থানীয় কলা সংস্কৃতিক জীয়াই ৰখাৰ বাবে অহোপুৰুষাৰ্থ কৰি আহিছে। কিঞ্চিত ধনৰ বিনিময়ত উপভোগ কৰা যায় এতদ অঞ্চলৰ প্ৰসিদ্ধ কুশান গীতি-নাট্য। একালত চহৰ চুমী বোৱা লুইত সম্প্ৰতি ১২ কিঃমিঃ দক্ষিনেদি প্ৰবাহিত হৈ বিস্তীৰ্ণ চৰৰ সৃষ্টি কৰিছে। চৰবাসীৰ সংস্কৃতি আৰু জীৱন জীৱিকাৰ প্ৰণালী ইচ্ছুক সকলে দৰ্শন কৰিব পাৰে। চহৰৰ ১২ কিঃমিঃ উত্তৰে আই শাকাতি মন্দিৰ। ইয়াৰ সাত বিষুৱাৰ মেলাত অগনন পূণ্যাৰ্থীৰ সমাগম হয়। মাৰৈ আৰু আজঙ্গৰ পূজাৰ সৈতে শাকাতি পূজাৰ সম্পৰ্ক বিচাৰ্য বিষয়।

চহৰৰ পূবপ্ৰান্তত থকা হাকামা বিল আৰু পশ্চিম প্ৰান্তৰ ৰঘুনাথেৰ সৰাবিল, জলক্ৰিড়া, মৎস চিকাৰ, নৌকা বিহাৰৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ উপযোগী। বিলৰ পৰিধিত উদ্ভিদ উদ্যান নিৰ্মান কৰি বিল দুখনৰ সৌন্দৰ্য বৃদ্ধি কৰা যায়। একাধিক সংগঠনে হাকামা বিলক পক্ষীৰালয় ৰূপে গঢ় দিয়াৰ প্ৰচেষ্টা চলাই আছে। জাৰকালি তিব্বত-চাইবেৰিয়াৰ শীতল মৰুভূমিৰ পৰা জাকে জাকে পৰিভ্ৰমী চৰাই বিলাসীপাৰাৰ বিল সমূহত বাহৰ পাতে। কিন্তু খাদ্য আৰু নিৰাপত্তাৰ ব্যৱস্থা নথকা বিলবোৰত পৰিভ্ৰমী চৰায়ে আশ্ৰয় লোৱা বাদেই দেশী বিহঙ্গমবোৰো গৃহচাৰা হব।

বিলাসীপাৰাৰ ৪ কিঃমিঃ পূবত গৌৰাংখাচ ফ্লৰিকান উদ্যান এখন মনোৰম ঠাই। বনভোজ, মৎস চিকাৰ, সাতোঁৰ আৰু নৌকা বিহাৰৰ বাবে শীতকালত ভিৰ হয়। ইয়াৰ পৰাই আৰম্ভ হৈছে লানি নিছিগা ইটা উদ্যোগ। ইটাৰ লগতে বিড়ি, চাবোন,মম, বিস্কুট, ষ্টিলৰ আচবাব আদি লঘু উদ্যোগৰ বাবে বিলাসীপাৰা বিখ্যাত। ইয়াৰ ৬ কিঃ মিঃ উত্তৰত মনোৰম প্ৰাকৃতিক পৰিবেশত নিস্তৰঙ্গ, প্ৰশান্ত, সুনীল স্বচ্ছ জলৰাশিৰ ডিব্লাই বিল। ১৬৬২ খ্ৰীঃত মোগল সেনাপতি মীৰজুমলা অসম আক্ৰমনলৈ আহি ইয়াতে চাউনি পাতিছিল। ডিব্লাই, ধীৰ, ডাকাৰাকে প্ৰমূখ্য কৰি এই অঞ্চলত অসংখ্য জলাশয় থকা বাবে ঠাইখনৰ নাম ৰাখিছিল পুস্কৰপুৰ। পুস্কৰৰ অৰ্থ পুখুৰী। দৰাচলতে এই জলাশয়বোৰক পুস্কৰ নকৈ ঝিলহে কব লাগিছিল। পুস্কৰপুৰৰ পৰাই পুখুৰীপাৰা গাওঁৰ নাম আহিছে। ডিব্লাইৰ নাতি দূৰেদি সেই সময়ত গৌৰাং নদী বৈ গৈ চান্দৰডিঙাত মহাবাহু ব্ৰহ্মপুত্ৰত মিলিত হৈছিল। গৌৰাং আৰু ডিব্লাই বিলৰ মাজত থকা শিলগাৰাত শিলাখণ্ড এটা গাড়ি কোচবিহাৰ আৰু কোচহাজো ৰাজ্যৰ সীমা নিৰ্দ্ধাৰিণ কৰা হৈছিল। ডিব্লাই বিলৰ মাছ সুস্বাদু। বিস্তীৰ্ণ বিলটোত নৌকাবিহাৰ আৰু বনভোজৰ বাবে শীত কালত ভিৰ জমে। বিলৰ উত্তৰে চিৰ সেউজ অষ্ঠাইগুফুৰ বা দামোদৰপুৰ পাহাৰৰ টিঙত থকা শুভ্ৰ শিলটোৰ ওপৰত আছে এটা শিৱ মন্দিৰ। দৌল পূনিৰ্মাৰ সময়ত ইয়াত মেলা বহে। পাহাৰৰ ওপৰৰ পৰা চাৰিওফালৰ চিত্ৰসদৃশ দৃশ্য নয়ন জুৰোৱা। জোনাক নিশা ইয়াৰ পৰা কোকৰাঝাৰ আৰু বিলাসীপাৰা চহৰৰ বিদ্যুত আলোকিত দৃশ্য চিৰকাল মনত থাকিবলগীয়া। দামোদৰপুৰ পাহাৰৰ গাতে লাগি আছে বাওখুংগ্ৰী বা বৌকুৱামাৰী পাহাৰ। মীৰ্জানাথানৰ বাহাৰিস্তানে ঘায়েবী গ্ৰন্থত পাহাৰখনক পাওকুমাৰী বুলি উল্লেখ কৰিছিল। বড়ো লোককাহিনীৰ ৰাজকুমাৰী বাওখুংগ্ৰীয়ে ইয়াত চুলি শুকোৱা শিলাখণ্ডটো আজিও দেখিবলৈ পোৱা যায়। 'খুংগ্ৰী' মানে কুমাৰী। বাওখুংগ্ৰী পাহাৰত সৰ্বদেৱতাৰ তুষ্টিৰ কাৰণে প্ৰতি বছৰে অনুষ্ঠিত গাৰ্জা পূজাত দূৰ দূৰান্তৰ পূণ্যাৰ্থীৰ আগমন হয়। পাহাৰৰ পাদ দেশত কোচ, বড়ো, ৰাভা, গাৰোসকলৰ কলা সংস্কৃতিৰ নিভাজ ৰূপ দৰ্শনৰ বাবেও এই ঠাই উপযোগী। দামোদৰপুৰ আৰু বাওখুংগ্ৰী পাহাৰত ট্ৰেকিং বেছ ৰোমাঞ্চকৰ।

১৬১৪ খ্ৰীঃত বাওখুংগ্ৰী পাহাৰত শিবিৰ পাতি নোবৰ ৰজাই মোগল সৈন্যৰ বিৰুদ্ধে গেৰিলা যুদ্ধ কৰিছিল। গৌৰাং নৈৰ পাৰত নোবৰ ৰজাই আলামা বেগ, খুৰামা বেগ ময়দানী, চৰ্দাৰ বেগ আদিৰ নেতৃত্বত অহা মোগল সৈন্যক কচুকটা দিয়ে।

ইয়াৰ পিছতে নোবৰ ৰজাই পাণবাৰী আৰু ঘিলাজয়পুৰ মোগলৰ পৰা দখল কৰিছিল। ইতিমধ্যে ঢাকাৰ পৰা আগত মোগল সেনা বাহিনীৰ প্ৰতাপত নোবৰ ৰজা তিষ্ঠিব নোৱাৰি কোচবিহাৰৰ ৰজা লক্ষ্মীনাৰায়ণৰ আশ্ৰয় বিচাৰে। লক্ষ্মীনাৰায়ণে নোবৰ ৰজাক মোগলৰ হাতত গতাই দিছিল।

ডিব্ৰাইবিলৰ পূবে চক্ৰশীলা অভয়াৰণ্য। দুষ্প্ৰাপ্য সোণালী বান্দৰ আৰু পক্ষী নিৰীক্ষণৰ বাবে চক্ৰশীলাৰ প্ৰশস্তি। ইয়াত যোৰনাগাৰা বা যৌথ প্ৰস্তৰ সৰ্পমূৰ্ত্তি আৰু পাহাৰৰ কিছু ওপৰত ২০০০ লিটাৰ পানী সঞ্চয় কৰিব পৰা শিলত কটা চৌবাচ্ছা এটা আছে। শৈল ভাস্কৰ্যসমূহে ইয়াত বৌদ্ধ, শৈৱ ধৰ্ম প্ৰচাৰকসকলে বাহৰ পাতি থকাৰ কথা প্ৰমাণ কৰে। ব্ৰহ্মপুত্ৰই প্ৰাচীন কালত অসমলৈ অহাৰ একমাত্ৰ পথ আছিল। ব্ৰহ্মপুত্ৰৰে অহা ভাটিৰ সিদ্ধপুৰুষ সকলে গৌৰাং নৈৰে উজাই চক্ৰশীলা অঞ্চলত বাহৰ পাতি জনজাতীয়সকলক দিক্ষিত কৰাৰ চেষ্টা কৰিছিল। মদ-গাহৰি এৰিব নোৱাৰা জনজাতি সকলৰ বাবে সেয়েহে তন্ত্ৰ-পুৰাণসমূহত পূৰ্ব দেশত মদগাহৰি শাস্ত্ৰ সন্মত বুলিবলৈ বাধ্য হৈছিল। চক্ৰশীলাৰ পাদদেশত থকা বুঢ়াবুঢ়ী পাহাৰত এটা শিলত ৪ ইঞ্চি ব্যাসৰ আৰু ১ ফুটমান দ ৩২টা ছিদ্ৰ আছে। এনে শৈলছিদ্ৰ সূৰ্যপাহাৰ আৰু উত্তৰ গুৱাহাটীতো দেখা যায়। সৰল ৰেখাত থকা ছিদ্ৰবোৰত কেচাঁ কাঠ ভৰাই পানী ঢালি দিলে শিলাখণ্ডটো দুফাল হয়। সমান হোৱা পিঠিত মূৰ্ত্তি বা লিখনি খোদাই কৰা হয়। ষষ্ঠ বহাগত ইয়াত বুঢ়াবুঢ়ীৰ পূজা আৰু মেলা বহে। ছিদ্ৰ ১০৮টা বুলি ধৰা হয় আৰু ১০৮ জনী গাইৰ গাখীৰ পূজাৰ দিনা ঢালি দিয়া হয়। ছিদ্ৰৰ ওপৰেৰে নিগৰি পৰা গাখীৰ ভক্তসকলে প্ৰসাদৰূপে গ্ৰহণ কৰে।

বিলাসীপাৰাৰ পৰা ৮ কিঃমিঃ পূৰ্বত ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰত দূধনাথ শিৱ মন্দিৰ। ইয়াৰ পৰা ভট-ভটি দক্ষিণ পাৰৰ চুনাৰী আৰু জলেশ্বৰলৈ যাতায়ত কৰে। গৃহ-পথ নিৰ্মাণৰ শিল দূধনাথ অঞ্চলৰ পৰাই সংগ্ৰহ কৰা হয়। ইয়াৰ ২ কিঃমিঃ পূবত বেউলা-লক্ষীন্দৰ খ্যাত চান্দৰডিঙা। দূৰৰ পৰা পাহাৰখন দেখাত উবুৰিয়াই থোৱা নাওঁৰ দৰে। সেইবাবে চান্দ সদাগৰৰ নাওঁ ইয়াত ডুব যোৱা বুলি লোককাহিনীৰ প্ৰচলন হৈছিল। বস্তুতঃ বেউলা লক্ষীন্দৰৰ কাহিনী শাক্ত আৰু শৈৱ অনুগামীসকলৰ দন্দৰ ফলত সৃষ্টি হৈছিল। কাহিনীটোৰে শিৱ ভক্ত চান্দক বঙ্গৰ আদিবাসীসকলৰ মনসা দেৱী তথা কোচ ৰাজবংশীসকলৰ মাৰৈদেৱীৰ শ্ৰেষ্ঠত্ব মানি লবলৈ বাধ্য কৰোৱা হৈছিল। বৃটিছ আমোলত জাহাজ যাতায়তৰ সুবিধাৰ্থে চান্দৰডিঙা পাহাৰত নিৰ্মাণ কৰা আলোকগৃহটোৰ ভগ্নাংশ অদ্যপি দৃশ্যমান। ইয়াতে আছে এটি শিৱ মন্দিৰ, বিশ্ৰামগৃহ আৰু লুইতৰ গৰ্ভত এটা সৰু নদীদ্বীপ। সাঁতোৰ, মৎস চিকাৰ, নৌকাবিহাৰ, বনভোজ আদিৰ বাবে চান্দৰডিঙা অধিক জনপ্ৰিয়।

ডিব্ৰাই বিল, দামোদৰপুৰ-বাওখুংগ্ৰি পাহাৰ, চক্ৰশীলা অভয়াৰণ্য, চান্দৰডিঙা, দুধনাথ, ধীৰ বিল, বহলপুৰ-কোকৰাঝাৰ পথত থকা কেবাখনো চাহ-ৰবৰ বাগিছা আৰু গৌৰাং খাচক কেন্দ্ৰ কৰি এটা পৰ্যটন আবৰ্ত (Circuit) হব পাৰে। বিশেষকৈ ডিব্ৰাই বিলত এটা সুন্দৰ স্বাস্থ্য নিবাস গঢ়ি তোলা যায়। ডিব্ৰাই বিলৰ পৰা এটা জৰীপথ (Ropeway) অষ্ঠাই গুফুৰ আৰু বাওখুংগ্ৰী পাহাৰ সংলগ্ন কৰিলে স্বয়ংক্ৰিয়ভাবে পৰ্যটকৰ সমাগম হব। পাহাৰ দুটাৰ টিঙত একোটাকৈ পৰ্যটক নিবাস আৰু শিৱ মন্দিৰটোৰ বিকাশৰ লগতে প্ৰচাৰ কৰিব লাগিব। পাহাৰৰ মূধচৰ পৰা পেৰাগ্লাইডিং আৰু হেং গ্লাইডিংৰ প্ৰশিক্ষণ দিয়া যায়। সেইদৰে পাহাৰৰ পাদদেশত দূঃসাহসিক ক্ৰিড়া, শৈলাৰোহন আৰু পৰ্বতাৰোহনৰ প্ৰশিক্ষণ কেন্দ্ৰ প্ৰতিষ্ঠা কৰিলে স্থলটোৰ গৰিমা বৃদ্ধি হব। ইয়াৰ বিশাল শুভ্ৰ শিলাখণ্ডটো শৈলাৰোহন-শৈলাবতৰণৰ প্ৰশিক্ষণৰ বাবে উপযোগী। ডিব্ৰাই বিলত সাঁতোৰ, বটিং, মটৰ বটিং, কেনোয়িং, হাউচবোট আদিৰ ব্যৱস্থা সহজে কৰা যায়। সমুদায় অঞ্চলটোতে অলঙ্কৰণীয় অৰ্কিড আৰু বৃক্ষৰোপনেৰে এটি উদ্ভিদ উদ্যান সাজি উলিওৱা যায়। চক্ৰশীলাত এটা চিৰিয়াখানা মুকলি কৰি বন্য প্ৰাণী আৰু বিহঙ্গৰ সংৰক্ষণৰ ব্যৱস্থা কৰিলে সময়োপযোগী কাম হব। একেদৰে ধীৰ বিলতো জলক্ৰীড়া আৰু হাউচ বোটৰ ব্যৱস্থা কৰা যায়।

অসমৰ ভিতৰত বিলাসীপাৰাতে টেক্সি ভাৰা কম। ইয়াৰ গন্তব্য স্থল সমূহত টেক্সিৰে সহজে যাব পাৰি। চহৰৰ ১০ কিঃমিঃ পশ্চিমত ৩১ (ক) নং ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰে বিখ্যাত শক্তিপীঠ মহামায়া। পশ্চিম অসমৰ বৃহতম এই মন্দিৰত বছৰি অনুষ্ঠিত বিবাহৰ সংখ্যা বিস্ময়কৰ। ইয়াত বহাগত অনুষ্ঠিত মেলাত অগনন ভক্তৰ সমাগম হয়। কাৰ্যতঃ এতদ অঞ্চলৰ গাড়ী মটৰ, দোকান, গৃহ সকলোতে মহামায়াৰ ফটো চকুত পৰে। মন্দিৰৰ ১ কিঃমিঃ পূবত অৱস্থিত স্নানঘাটত বিশ্ব শান্তিৰ বাবে অনুষ্ঠিত যজ্ঞত দুৰদুৰান্তৰ পৰা ভক্তৰ লানি নিছিগা স্ৰোত বয়। মহামায়া আৰু স্নানঘাটলৈ নিতৌ অহা ভক্তৰ সংখ্যাও কম নহয়। ৰাষ্ট্ৰীয় পথৰ দক্ষিণে থকা পৰ্বত জোৱাৰ এষ্টেটৰ প্ৰাচীন জমিদাৰবাৰীও দৰ্শনীয়। জমিদাৰ গৃহৰ বিশাল বিশাল

শালৰ খুটিবোৰে একালত ইয়াত শালগছৰ উভৈনদীৰ কথায় সোঁৰবায়। ব্ৰিটিছ সকলে কচুগাঁও সংৰক্ষিত বনাঞ্চলত শাল আদি কাঠ কঢ়িয়াবলৈ প্ৰায় ১০০ কিঃমিঃ ৰেল পথ নিৰ্মাণ কৰা কথা আজি সাঁথৰ যেন লাগে। টিপকাই নদীৰে মোঘলসকলে কচুগাওঁৰ পৰা ঢাকা-চিৰাজগঞ্জলৈ কাঠ লৈ গৈছিল। টিপকাই নদীৰ পাৰতে দেশী মুছলমানৰ ঘনত্ব বেছি। ৰাষ্ট্ৰীয় পথৰ উত্তৰে আছে বিশ্বৰ বিশালতম ২৫ হাত কালীমূৰ্ত্তি।

বিলাসীপাৰা-ধুবুৰী পথত আছে ইতিহাসখ্যাত ৰাঙামাটী। ১৭৬৫ খ্ৰীঃত উপনিবেসিক বৃটিছসকল অহাৰ আগেয়ে ইয়াত মোগলসকলৰ প্ৰশাসনিক কেন্দ্ৰ আছিল। ৰাঙামাটীত অৱস্থান কৰি বহুতো পৰ্তুগালী বনিকে অসমৰ সৈতে লোণৰ ব্যৱসায় কৰিছিল। কোৱা বাহুল্য ইয়াৰ বেছিভাগে আছিল ভেজাল। ৰাঙামাটিতে আছে ১৬৮৮ খ্ৰীঃত ইন্দোচেৰাচেনিক স্থাপত্যৰে নিৰ্মিত অসমৰ দ্বিতীয় প্ৰাচীন পাণবাৰী মছজিদ। অদূৰত আছে বাঘমাৰা ঈদগাহ আৰু মোঘলৰ দিনৰ এটা খাৰ বাৰুদৰ ভঁৰাল। ইয়াতে ভগ্নপ্ৰায় মৃন্ময় দূৰ্গ জঙ্গিৰ কিল্লা আজিও সগৰ্বে দণ্ডায়মান। এই পথেদি ১০ কিঃমিঃ আগুৱাই গৌৰীপুৰ চহৰ। ওচৰতে থকা আশাৰিকান্দিৰ পোৰামাটিৰ শিল্পই দেশ-বিদেশত সমাদৰ লাভ কৰিছে। চহৰৰ প্ৰবেশ পথতে এটি অনুচ্চ টিলাৰ ওপৰত আছে গৌৰীপুৰ জমিদাৰীৰ হাওয়া মহল। প্ৰথিত যশা কণ্ঠশিল্পী প্ৰতিমা পাণ্ডেৰ স্মৃতি বিজড়িত এই হাওয়া মহল। চহৰৰ মাজ মজিয়াত আছে ঘুৰলা পৰগণাৰ জমিদাৰৰ বাসগৃহ। জমিদাৰবাৰীৰ ওচৰতে আছে কুহিলা শিল্পৰ বিপনী। কুহিলাৰে বনোৱা মনসা, আঠাৰো মাশান দেৱতাৰ মূৰ্ত্তি, পুতলা আদি স্থানীয় শিল্প কলাৰ নিদৰ্শন।

গৌৰীপুৰৰ ১০ কিঃমিঃ দক্ষিণে পঞ্চপীৰ নগৰী ধুবুৰী। ইয়াতে কোচ হাজোৰ ৰজা তথা মহাবীৰ চিলাৰায়ৰ পৌত্ৰ পৰিক্ষিত নাৰায়ণে অপ্ৰতিৰোধ্য মোঘল আৰু বঙ্গৰ বাৰভূঞাৰ সন্মিলীত সৈন্য বাহিনীক তিনিমাহ ভেটা দিছিল। সম্ৰাট শাহজাহানৰ ৰাণী মমতাজৰ ভাতৃ তথা বঙ্গৰ গভৰ্ণৰে বন্ধু ৰামসিংহক কামৰূপৰ কপট স্ত্ৰী তথা যাদুমন্ত্ৰ সম্পৰ্কে সাৱধান কৰি দিয়া কথা ইতিহাসত পোৱা যায়। বাহাৰিস্তানে ঘায়েবী গ্ৰন্থতো খুটাঘাট পৰগণাৰ যাদু মন্ত্ৰৰ কথা বাৰাংবাৰ উল্লেখ আছে। যাদু মন্ত্ৰৰ লগতে কামৰূপৰ বানপানী, মহামাৰী, দূষিত পানীৰ বাবে মোগল সৈন্যই জলাকলা দেখিছিল। সেয়ে সৈন্য বাহিনীৰ সৈতে পীৰ, পয়গম্বৰ, আওলীয়া, ফকিৰ, সিদ্ধ পুৰুষ আদি আনিছিল। এনেদৰেই মোগল সৈন্যৰ সৈতে শিখগুৰু টেগবাহাদুৰ আৰু পঞ্চপীৰৰ ধুবুৰীলৈ আগমন হৈছিল। গুৰু টেগ বাহাদুৰে প্ৰতিষ্ঠা কৰা ধুবুৰীৰ গুৰুদ্বাৰত ডিচেম্বৰ মাহত বহা বিশাল মেলাত দেশ বিদেশৰ তীৰ্থ যাত্ৰীৰ আগমন হয়। পঞ্চপীৰৰ দুজনৰ দৰগাহ ধুবুৰী চহৰত আছে। ইয়াৰ উপৰি নেতাই ধুবুনীৰ ঘাট আৰু জুইশলা কাৰখানা দৰ্শনীয় স্থান। ধুবুৰী আদালতৰ পূবত ব্ৰহ্মপুত্ৰৰ এটি দ্বীপত থকা বিশ্ৰাম গৃহটোৰ আকৰ্ষনো কম নহয়।

পৰম্পৰাগত এই পৰ্যটন ক্ষেত্ৰসমূহক সজাই পৰাই তোলাৰ উপৰিও পাণবাৰী অঞ্চলত এখন বিজ্ঞান নগৰী, কলকাতাৰ নিক্ক' পাৰ্ক বা গুৱাহাটীৰ একোলেণ্ড আৰ্হিৰ জলক্ৰীড়া প্ৰকল্প, উদ্ভিদ উদ্যান, ব্যঘ্ৰ প্ৰকল্প তথা অৱসৰ বিনোদনৰ আধুনিক ব্যৱস্থা সমূহ গঢ়ি তুলিব পাৰিলে, বিলাসীপাৰা পৰ্যটন মান চিত্ৰত ভোটাতৰাৰ দৰে জিলিকিব। ৰূপসী বিমান বন্দৰ আন্তৰাষ্ট্ৰীয় মানলৈ উন্নিত কৰি বাংলাদেশৰ সৈতে বাচ, ৰেল, জাহাজ আৰু বিমানৰ পোনপটীয়া যোগাযোগ ব্যৱস্থা কৰিব পাৰিলে অদূৰ ভবিষ্যতত বিলাসীপাৰাৰ পৰ্যটন উদ্যোগ লেখত লবলগীয়া পৰ্যায়ত উন্নিত হব।

বিলাসীপাৰাক কেন্দ্ৰ কৰি দৰ্শন কৰা যায় ৮৫ কিঃমিঃ উত্তৰে থকা ইতিহাসখ্যাত চিকনাঝাৰ। ভূটান সীমান্ত চহৰ সৰপানলৈ যোৱা পথত থকা উল্টাপানীৰ ৫ কিঃমিঃ পশ্চিমে এটা টিলাক কেন্দ্ৰ কৰি ১৫ শতিকাৰ শেষৰ ফালে ৰজা বিশ্ব সিংহই গঢ়ি তুলিছিল কোচ ৰাজ্যৰ ৰাজধানী। পৰৱৰ্ত্তীকালত ইয়াতে সৃষ্টি হৈছিল চিদলী ৰাজ্য। টিলাটোৰ ওপৰৰ পৰা দূৰ দূৰান্তৰ নৈসৰ্গিক দৃশ্য অতি বিতোপন। টিলাটোৰ পৰা বহল ৰাজপথেদি নামি পোৱা যায় না বাখ্ৰি হ্ৰদ। হ্ৰদটোৰ স্বচ্ছ পানীৰ তলত গাৰ্জাপূজাত ব্যৱহৃত গাম্বাৰি খামফ্লাই বা গমাৰী পীৰা এখন দেখিবলৈ পোৱা যায়। নাবাখ্ৰী বা মাছৰ বাকৰিত বিভিন্ন প্ৰজাতিৰ মাছ আছে। চিকনাঝাৰৰ কিছু পশ্চিমে শামূখা নদীৰ পাৰত আছে বাথৌশালী। বাথৌ শালীত প্ৰতি বছৰে অনুষ্ঠিত গাৰ্জা পূজাত অগনন ভক্তৰ সমাগম হয়। চিকনাঝাৰৰ ১৫ কিঃ মিঃ উত্তৰ পূবত বিযেনসিং দূৰ্গ। ১৮৬৫ খ্ৰীঃত ভাৰত ভুটান যুদ্ধত বৃটিছ সৈন্যই বিযেনসিং দূৰ্গ অধিকাৰ কৰিছিল। ৰজা বিশ্বসিংহই নিৰ্মাণ কৰা এই দূৰ্গটোতে ভূটানৰ চিৰাং চুবাৰ জংপেনে অৱস্থান কৰি বিজনী আৰু চিদলী ৰাজ্যৰ পৰা কৰ সংগ্ৰহ কৰিছিল।

অসম, বঙ্গ আৰু ভূটানৰ মিলন স্থলত, সোণকোষ নদীৰ পাৰত থকা চিত্ৰ সদৃশ যমদূৱাৰ বন্যজন্তু দৰ্শন আৰু বন্যভোজৰ বাবে জনপ্ৰিয়। পথত সাক্ষাৎ পোৱা যাব ময়ুৰৰ জাক। সোনকোষ নদীৰ সিপাৰে থকা ভূটীয়া চহৰ কাৰিখোলাও

দৰ্শনীয়। বিলাসীপাৰাৰ পৰা কচুগাঁও বা গোঁসাইগাওঁ হৈ যমদুৱাৰ যোৱা যায়। বিলাসীপাৰাৰ পৰা কোকৰাঝাৰ হৈ যাব পাৰি ৯০ কিঃ মিঃ দূৰৰ ভূটীয়া চহৰ গেলেংফুত। বনভোজ আৰু ভূটীয়া সংস্কৃতি দৰ্শনৰ লগতে অৱসৰ বিনোদনৰ বাবে গেলেংফু এখন উল্লেখনীয় ঠাই। চহৰৰ উত্তৰে পৰ্বতৰ ঢালত আছে এটা উষ্ণ প্ৰশ্ৰৱন। ইয়াত গা-ধুলে চৰ্মৰোগ ভাল হয়।

বিলাসীপাৰা চহৰৰ পৰা ৬০ কিঃমিঃ পূবত বিজনী ৰাজ্যৰ প্ৰাচীন ৰাজধানী চহৰ অভয়াপুৰী দৰ্শন কৰি ১১ কিঃমিঃ দক্ষিণত থকা যোগীঘোপালৈ যাব পাৰি। যোগীঘোপাত ব্ৰহ্মপুত্ৰৰ ওপৰত থকা নৰনাৰায়ণ সেতুৰ পূবে শিলত কটা এটা গুহা দেখা যায়। একে ধৰণৰ গুহা দক্ষিণ পাৰৰ পঞ্চৰত্নতো আছে। একাংশ পণ্ডিতৰ মতে এই গুহাবোৰত থাকি যোগীসকলে ধ্যান কৰিছিল। আগে উল্লেখ কৰা হৈছে যে প্ৰাচীন কালত ব্ৰহ্মপুত্ৰই অসমলৈ যাতায়ত কৰা একমাত্ৰ পথ আছিল। বাণিজ্য তথা বনজ সম্পদ সংগ্ৰহ কৰিবলৈ ভাটিৰ পৰা অহা ব্যৱসায়ীসকলে ব্ৰহ্মপুত্ৰৰে যাতায়ত কৰা নৌকাৰ বাবে অপেক্ষা কৰি থকাৰ সময়ত যাতে কোনো অসুবিধা নহয় তাৰ বাবে এই গুহাবোৰ কাটি উলিওৱা বুলি ধাৰণা হয়। পঞ্চৰত্নৰ ২০ কিঃমিঃ পূব-দক্ষিণত শ্ৰীসূৰ্য পাহাৰ। ইয়াত বৌদ্ধ, জৈন মূৰ্ত্তিৰ বাহিৰেও এক লাখ শিৱ লিঙ্গ আছে। শ্ৰীসূৰ্য পাহাৰক কেন্দ্ৰ কৰিয়ে প্ৰাচীন কামৰূপত নাথ, বৌদ্ধ, শাক্ত, শৈৱ আদি মত প্ৰচাৰিত হৈছিল।



# অৱিভক্ত গোৱালপাৰা অঞ্চলৰ লোকনাট্য

ডঃ উপেন্দ্ৰজিৎ শৰ্মা

লোক-পৰিৱেশ্যকলাৰ বিশিষ্ট উপাদানটো হৈছে লোকনাট্য। লোকনাট্যক নৃত্য-গীত-বাদ্যৰ ত্ৰিবেণী সংগম বুলি অভিহিত কৰিব পাৰি। লোকনাট্যক বুজাবলৈ ইংৰাজী Folk drama অভিধাটি ব্যৱহাৰ কৰা হয়। লোকনাট্যই প্ৰধানকৈ দুটা অৰ্থ সূচিত কৰে ঃ প্ৰথমতে লোকনাট্য জীৱনৰ উপযোগীকৈ ৰচনা কৰা হয়। দ্বিতীয়তে লোকনাট্য সক্ৰিয় ধাৰক আৰু বাহক সকলৰ মুখ পৰম্পৰা ৰক্ষিত হয় নাইবা ৰচিত হয়। আনহাতে সাহিত্যিক নাটকতকৈ (Literatury drama) লোকনাট্যৰ উদ্ভৱৰ পৰম্পৰা অতিকৈ প্ৰাচীন। এই প্ৰসংগত নৱীন চন্দ্ৰ শৰ্মাই উল্লেখ কৰিছেঃ 'সাধাৰণতে লিখিত নাটেই সাহিত্যিক নাট অৰ্থাৎ Literary drama আৰু মুখ পৰম্পৰা প্ৰচলিত আৰু লিখিত ৰূপ গ্ৰহণ নকৰা লোকনাট্য বা Folk drama. [১]

লোকনাট্যৰ আৰ্হি অনুসৰণ কৰিয়ে পিছৰ পৰ্যায়ত সাহিত্যিক নাটকৰ ভেটি গঢ় লৈ উঠিছিল। লোকনাট আৰু লিখিত অৰ্থাৎ সাহিত্যিক নাটক বুজাবৰ বাবে ক্ৰমে লোকধৰ্মী আৰু নাট্যধৰ্মী পদ দুটাৰ প্ৰয়োগ মন কৰিবলগীয়া। 'নাট্যশাস্ত্ৰ'ত বৰ্ণিত হৈছে এইদৰে -

ধৰ্মী যা দ্বিবিধা প্ৰোক্তা ময়া পূৰ্বঃ দ্বিজোত্তমা।
লোকিকী নাট্যধৰ্মী চ তয়োৰ্ৰাক্ষামি লক্ষণম্।।[২]

শাৰ্ঙ্গদেৱে নাট্যধৰ্মী পদটোৰ সলনি মাৰ্গী আৰু দেশীপদ দুটি ব্যৱহাৰ কৰিছে।[৩]

পৃথিৱীৰ সকলো দিশতে ধৰ্মীয় লোকউৎসৱ সমূহৰ পৰাই নাটকৰ জন্ম হৈছিল। বিশেষকৈ লোকনাট্যসমূহৰ সৃষ্টিত ধৰ্মীয়কাৰ্য্য -প্ৰকাৰ্য্যাবোৰৰ গুৰুত্ব অপৰিসীম। ভাৰতীয় নাট্য সাহিত্যৰ ক্ষেত্ৰতো এক সুদীৰ্ঘ আৰু প্ৰাচীন পৰম্পৰা প্ৰৱাহিত হৈ আহিছে। লোকনাট্যৰ জন্ম প্ৰাচীন ধৰ্মীয় উৎসৱ পাৰ্বণ সমূহৰ পৰিণতিৰ ফল বুলি ক'ব পাৰি। আদিম সমাজৰ উৎসৱ- পাৰ্বণৰ লগত প্ৰচলিত নৃত্য-গীতৰ সৈতে নাটকীয় উপাদান সংযোগৰ ফলত লোকনাট্যই জন্মলাভ কৰে।[৪] লোকনাট্যৰ উদ্ভৱ আৰু বিকাশত লোকগীত আৰু লোকনৃত্যৰ ভূমিকা সুদূৰ প্ৰসাৰী। গীত-নৃত্য আৰু বাদ্য এই তিনিওটাৰ সম্পৰ্ক অভিন্ন। সংগীত পদটোৰ বহল অৰ্থই 'গীত', 'নৃত্য' আৰু 'বাদ্য' এই তিনিওটি কলাক সামৰে। 'সংগীতৰত্নাকৰ' গ্ৰন্থতো সংগীতৰ ব্যাখা এনেদৰে দিয়া হৈছে -'গীতং বাদ্যং তথা নৃত্তং ত্ৰয়ং সংগীত মুচ্যতে।"[৫] নাট্য সাহিত্যৰ ইতিহাস অনুধাৱন কৰিলে এটা কথা প্ৰতীয়মান হয় যে ধৰ্মীয় লোক উৎসৱৰ সৈতে জড়িত নৃত্য-গীতৰ সৈতে কালক্ৰমত অনুকৰণমূলক অংগী-ভংগী আৰু উক্তি-প্ৰত্যুক্তি অথবা কথোপকথন সংযুক্ত হৈ নাটকে বিকাশ লাভ কৰে। কিন্তু জন্মৰ লগে লগে নাটকে সুগঠিত অথবা পূৰ্ণাংগ ৰূপ লাভ কৰা নাছিল। প্ৰথমতে ই আছিল লৌকিক ৰূপত নৃত্য-গীত বহুল লোকনাটৰূপে।[৬]

নাট্যৰ লগত অভিনয়ৰ সম্পৰ্ক অভিন্ন। আনহাতে অভিনয় আৰু নাট বিষয়বস্তুৰ গুৰিতে আছে নৃত্য আৰু অভিনয়ৰ এৰাব নোৱাৰা সম্বন্ধৰ এক মধুৰ পৰম্পৰা। নাট্যশাস্ত্ৰতো নৃত্যৰ ওপৰত অপসীম গুৰুত্ব আৰোপ কৰিছে। নাট্যশাস্ত্ৰত কোৱা হৈছে যে নাটক ৰচনা কৰোঁতে যাতে নৃত্যই স্থান পাই সেই বিষয়ত মনোযোগ দিব লাগে। হৰিবংশতো নৃত্যৰ ওপৰত গুৰুত্ব দি কোৱা হৈছে -"নাটকং নৃততু"।[৭] নৃত্যত পাত্ৰ-পাত্ৰীৰ শাৰীৰিক আৰু মানসিক অৱস্থাৰ অনুকাৰ বা অনুকৰণ থাকে। সেইবাবে নৃত্যক অভিনয় আখ্যা দিব পাৰি। দ্বিতীয়তে গীত-নৃত্যত নাট্যসমলো বৰ্তমান থাকে। গতিকে নৃত্যক প্ৰকাৰন্তৰে নাটকৰ পূৰ্বস্তৰ বুলিব পাৰো।[৮]

আগতে উল্লেখ কৰি আহিছোঁ যে লোকনাট্য লোকসমাজৰ সৃষ্টি আৰু ইয়াক লোকসমাজৰ কাৰণে সৃষ্টি কৰা হয়। লোকনাট্য গওঁৱা সমাজৰ জীৱনৰ পটভূমিত ৰচিত হয়। এই শ্ৰেণীৰ নাটেই মুকলিভাবে অথচ আঁৰ-বেৰ নোহোৱাকৈ কৃত্ৰিমতা বৰ্জিত ভাবে কাহিনীবস্তু পৰিবেশন কৰিব পাৰে। লোকনাট্যৰ কাহিনী সাধাৰণতে ধৰ্মমূলক আৰু ধৰ্মনিৰপেক্ষ হ'ব পাৰে। এই শ্ৰেণীৰ নাটকৰ কাহিনীত আদৰ্শাত্মক গুণ নিহিত হৈ থাকে। ধৰ্মমূলক কাহিনীৰ মাজত আনন্দ, উল্লাস, বিষাদ আদি গুণ নিহিত হৈ থাকে।

সাধাৰণতে উৎসৱ-পাৰ্বণসমূহৰ লগত সংগতি ৰাখি লোকনাট্যানুষ্ঠান সমূহ প্ৰদশিত হয়। অৱশ্যে কোনো কোনো ক্ষেত্ৰত উৎসৱ-পাৰ্বণ অবিহনেও লোকনাট্যৰ প্ৰদৰ্শন লক্ষ্য কৰা যায়। লোকনাট্য প্ৰদৰ্শনৰ কাৰণে কোনো ধৰণৰ স্থায়ী ৰঙ্গমঞ্চৰ

আৱশ্যক নাই। মুকলি ঠাইতে মুক্ত আকাশৰ তলত সামাজিকৰ উপস্থিতিত লোকনাট্যৰ প্ৰদৰ্শন হয়। অস্থায়ীভাৱে সজা ৰভাৰ তলত লোকসমাজৰ সোঁমাজত লোকনাট্যৰ অভিনয় প্ৰদৰ্শিত হয়। দৰ্শকে পৰিস্থিতি সাপেক্ষে কেতিয়াবা তিনিফালৰ পৰা কেতিয়াবা চাৰিওফালৰ পৰা নাট উপভোগ কৰিব পাৰে। লোকনাট্য প্ৰদৰ্শনৰ বাবে বিশেষ আড়ম্বৰৰ প্ৰয়োজন নাই। লোকনাট্যানুষ্ঠানৰ ভাৱৰীয়া সকলে সাধাৰণ সাজ-সজ্জা পৰিধান কৰে। ঠিক তেনেদৰে স্থানীয় সামগ্ৰীৰে প্ৰস্তুত কৰি উলিওঁৱা মুখাৰ ব্যৱহাৰ লোকনাট্যৰ অভিনয়ত দেখা যায়। বাদ্যযন্ত্ৰৰ ক্ষেত্ৰতো লোকবাদ্যৰ ব্যৱহাৰ কৰা হয়। মুঠৰ ওপৰত লোকনাট্যানুষ্ঠান লোকসমাজৰ আধাৰত সম্পূৰ্ণৰূপে গঢ়লৈ উঠা এক নাটকীয় শিল্প কৰ্ম।

গোৱালপাৰা অঞ্চলৰ লোকনাট্য পৰম্পৰাৰ এক সুদীৰ্ঘ ইতিহাস লক্ষ্য কৰা যায়। ইতিহাসে ঢুকি নোপোৱা দিনৰ পৰাই গোৱালপাৰা অঞ্চলত লোকধৰ্মী নাট্য পৰম্পৰাৰ প্ৰচলন হৈ আহিছে। এসময়ত গোৱালপাৰা অঞ্চল অসমীয়া সাহিত্য-সংস্কৃতিৰ বৰঘৰ আছিল। ৰাজকীয় পৃষ্ঠপোষকতাত কবি-সাহিত্যিকসকলে এই অঞ্চলৰ পৰাই সাহিত্য চৰ্চা কৰিছিল। সাহিত্যক্ষেত্ৰখনৰ শ্ৰীবৃদ্ধিৰ লগে লগে সংস্কৃতিৰ ক্ষেত্ৰখনো এক বৈচিত্ৰময় ৰূপ পৰিগ্ৰহ কৰিছিল। লোকনাট্যানুষ্ঠানৰ ক্ষেত্ৰত গোৱালপাৰা অঞ্চল অসমৰ ভিতৰত চহকী. এই অঞ্চলৰ লোকনাট্যানুষ্ঠানৰ বাৰেবৰণীয়া ৰূপটো অধ্যয়নৰ প্ৰয়োজন আছে। অসমৰ লোকনাট্যানুষ্ঠান পৰম্পৰাৰ বিকাশত গোৱালপাৰা অঞ্চলে আটাইতকৈ বেছি অৰিহণা আগবঢ়াই আহিছে। লোকনাট্যৰ গুণৰাজিৰ ওপৰত দৃষ্টি নিক্ষেপ কৰি গোৱালপাৰা অঞ্চলৰ লোকনাট্যশৈলীক প্ৰধানকৈ দুটা ভাগত বিভক্ত কৰিব পাৰি - নাটকীয় আৰু অৰ্ধনাটকীয় লোকনাট্যানুষ্ঠানৰ গুণৰাশি প্ৰায় সম্পূৰ্ণৰূপে প্ৰকাশিত হোৱা অনুষ্ঠানসমূহৰ ভিতৰত কুশান গান, ভাৰীগান বা ভাওগান, পালাগান বা দোতৰাগান অৰ্ধনাটকীয় অনুষ্ঠানৰ ভিতৰত পদ্মাপুৰাণৰ গান, সোণাৰায় পূজাৰ গান, কাতি পূজা, মদনকাম বাঁশপূজা, হুদুম পূজা আদিক বিশেষভাৱে উল্লেখ কৰিব পাৰি। তলত গোৱালপাৰা অঞ্চলৰ প্ৰচলিত লোকনাট্যৰ গুণ বিশিষ্ট অনুষ্ঠানসমূহৰ কেইটামানৰ সাধাৰণ আলোচনা আগবঢ়োৱা হ'ল।

**কুশান গানঃ-** কুশান গান গোৱালপাৰা অঞ্চলৰ এবিধ জীৱন্ত লোকনাট্যানুষ্ঠান। লৱ-কুশে ৰামায়ণৰ কাহিনী পৰিৱেশন কৰা পৰম্পৰাৰ লগত কুশান গানৰ সম্পৰ্ক থকা বুলি এক লোকপ্ৰবাদ এই অঞ্চলত প্ৰচলিত আছে। পৰম্পৰা অনুযায়ী ৰামপুত্ৰ লৱ-কুশে পোন প্ৰথমে ৰামায়ণ কাহিনী গীত আকাৰে আবৃত্তি কৰিছিল। গতিকে 'কুশান গান' 'কুশ' শব্দটো ৰামৰ পুত্ৰ 'কুশ'ৰ পৰা অহাটো একো অস্বাভাৱিক নহয়। কাৰণ কোনো কোনো ঠাইত কুশান-গানক 'ৰাৱাণ-গান' বুলিও কোৱা হয়। ৰাৱণ চৰিত্ৰ কেন্দ্ৰিক অভিনয়ে 'ৰাৱাণ গান'। আনহাতে কুশান-গানক 'বেনা-গান' বুলিও অভিহিত কৰা হয়। 'বেনা' কুশানৰ মূল বাদ্যযন্ত্ৰ। 'বেনা' সংগত কৰি ৰামায়ণৰ কাহিনী পৰিৱেশন কৰা অনুষ্ঠান বিধক 'বেনা-গান' বোলা হয়।

কুশান-গানৰ দল এটাত এজন মূল গায়ক (মূল, মৌল, গীতাল, গীদাল) এজন প্ৰধান সহকাৰী (দোৱাৰী, দোহাৰী) খোলবাদক (বায়ন, বাইন) এদল নৰ্তকীবেশী ল'ৰা (চেঙ্ৰা) কেইজনমান সহযোগী গায়ক (পালি, পাইলা, পালিয়া) থাকে। এসময়ত কুশান-গানৰ জৰিয়তে ৰামায়ণৰ কাহিনী পৰিৱেশন কৰা পৰম্পৰা প্ৰচলিত আছিল; যদিও বৰ্তমানে ৰামায়ণৰ লগতে মহাভাৰত আৰু অন্যান্য পৌৰাণিক কাহিনীও পৰিৱেশন কৰিবলৈ লোৱা দেখা গৈছে।

পৰম্পৰা অনুযায়ী মূল গায়কে হাতত এখন বেনা লৈ মঞ্চত প্ৰৱেশ কৰে। মূলে বেনা সংগত কৰি সৰস্বতীদেৱীৰ বন্দনা গীত গাই মঞ্চৰ চাৰিওফালে বৃত্তাকাৰভাৱে ঘূৰে। মূলৰ পিছে পিছে দোৱাৰী আৰু চেঙ্ৰা কেইজনে মঞ্চত প্ৰৱেশ কৰি মূলৰ নিৰ্দেশ অনুযায়ী গীত পদ-নৃত্য পৰিৱেশনত মূলক-সহায় কৰে। বন্দনা গীতৰ অন্তত পৰিৱেশন কৰিবলগীয়া কাহিনীভাগ মূলে বেনা সংগত কৰি এফালৰপৰা গাই যায় আৰু দোৱাৰী, চেঙ্ৰা আৰু মঞ্চৰ মাজত বহা বাইন আৰু পালি সকলে সহযোগ কৰি যায়। নাট্য কাহিনী পৰিৱেশনৰ সময়ত পৰিস্থিতিৰ লগত ৰজিতা খুৱাই দৰ্শকৰ মনোৰঞ্জনৰ অৰ্থে পয়াৰ আৰু খেম্‌টা গীত গোৱা হয় আৰু ইয়াৰ লগত নৃত্য পৰিৱেশন কৰা হয়। পৰিৱেশিত কাহিনী ভাগৰ সৰল ব্যাখ্যাৰ বাবে 'ভংতি' বা ভাঙনি দিয়া হয়। কুশান গানৰ সংলাপ আৰু অভিনয় প্ৰদৰ্শনত গায়ক, বাদক আৰু নৰ্তক সকলে বিশেষ ভূমিকা গ্ৰহণ কৰে। কুশান গান নামৰ লোকনাট্যানুষ্ঠান বিধৰ অগ্ৰগতিত মূলৰ পিছতে মুখ্য ভূমিকা গ্ৰহণ কৰা ব্যক্তিগৰাকী হ'ল দোৱাৰী। দোৱাৰীয়ে নাট্য কাহিনী ভাগ আগবঢ়াই নিয়াৰ ক্ষেত্ৰত মূলক সহায় কৰাৰ লগতে নৃত্য-গীত আৰু অভিনয় অংশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ইয়াৰোপৰি হাস্য-কৌতুকেৰে দৰ্শকক আমোদ-প্ৰমোদ দিয়াৰ দায়িত্বও দোৱাৰীৰ ওপৰত অৰ্পণ কৰা হৈছে।

ভাৱীগান বা ভাওগান ঃ- গোৱালপাৰা অঞ্চলৰ আন এবিধ পূৰ্ণ পৰ্যায়ৰ লোক নাট্যানুষ্ঠান হ'ল ভাৱীগান বা ভাওগান। অবিভক্ত গোৱালপাৰা অঞ্চলৰ দক্ষিণ অংশত এই অনুষ্ঠানবিধ ভাৱীগান ৰূপে আৰু উত্তৰ বংগত ভাওগান ৰূপে পৰিচিত। ভাৱঈ শব্দটো 'ভাওৱীয়া' শব্দৰ পৰা উদ্ভৱ হ'ব পাৰে। ভাওৰ অৰ্থ অভিনয় গতিকে গান বা গীত আৰু অভিনয়ৰ সমাহাৰ বিশিষ্ট অনুষ্ঠানেই ভাৱীগান বা ভাওগান।[৮] ভাওগানৰ পৰিৱেশনকাৰী অৰ্থাৎ নিৰ্বাহিকাসকলৰ মতে ৰামায়ণৰ কাহিনী 'ভাও' দি কৰা অভিনয়ৰ নামেই ভাওগান।

ভাৱীগান বা ভাওগানৰ দল গঠন পদ্ধতিত দুটা খলপ লক্ষ্য কৰা যায়। প্ৰথম খলপত গীত-মাত আৰু বাদ্য বাজনাৰ লগত জড়িত ব্যক্তিসকলক অন্তৰ্ভুক্ত কৰিব পাৰি। ভাৱীগান বা ভাওগানৰ দলটোত এজন মূল ব্যক্তি থাকে। তেওঁক 'মূল' বা 'গাঁৱনীয়া' বা 'গীদাল' বা 'ওজা' নামেৰে জনা যায়। মূলৰ গীত পদ গোৱাত সহায় কৰিবৰ কাৰণে একাধিক পাইল, পাইলা বা দোহাৰীয়া থাকে। গান আৰু নৃত্যৰ তালে তালে খোল তালৰ বাদ্য-বাজনা পৰিৱেশন কৰিবৰ কাৰণে কেইবাজনো বায়ন বা বাইন থাকে। অভিনয় কৰিবলগীয়া পালাৰ ওপৰত নিৰ্ভৰ কৰি ভাৱৰীয়াৰ সংখ্যা নিৰূপণ কৰা হয়। ভাৱীগানত নাটকীয় কাহিনীৰ মাজে মাজে দৰ্শকক হাস্য-ৰসৰ খোৰাক যোগাবৰ কাৰণে একশ্ৰেণীৰ চৰিত্ৰ ব্যৱহাৰ কৰা হয়। এই শ্ৰেণীৰ চৰিত্ৰক কেতুৰা বোলে।

ভাৱী গানৰ পৰিৱেশনৰ আৰম্ভণিতে খোল-তালৰ বাদ্য-বাজনাৰ লগে লগে মূলে সোঁহাতত চোঁৰৰ এডাল লৈ নৃত্য প্ৰদৰ্শন কৰে আৰু নৃত্যৰ অন্তত বন্দনা পৰিৱেশন কৰা হয়। গুৰুবন্দনাৰ অন্তত মূলে পুনৰ নৃত্য ভংগী প্ৰদৰ্শন কৰে আৰু পালি আৰু বাইনসকলে খোল তাল পৰিৱেশন কৰে। ইয়াৰ পিছত মূলে সোঁহাতত থকা চোঁৰৰ ডাল ঘূৰাই ঘূৰাই নৃত্যসহ কাহিনীভাগ এফালৰ পৰা গাই যায় আৰু বাইন আৰু পালিসকলে মূলে লগাই দিয়া নাটকীয় কাহিনীভাগ সমস্তৰে দোহাৰে। মূলৰ ইংগিত অনুযায়ী আৰু নাটকীয় কাহিনীৰ গীত-পদৰ লগত সম্পৰ্ক থকা চৰিত্ৰসমূহৰ মুখত সংলাপো দিয়া হয়। নাটকীয় কাহিনীৰ মাজে মাজে কেতুৰা চৰিত্ৰৰ জৰিয়তে হাস্যৰস মিশ্ৰিত দুই এটা গীত বা লঘু কাহিনী বা অসংগতিপূৰ্ণ কথা বাৰ্তাৰে দৰ্শকক হাঁহিৰ খোৰাক যোগায়। ভাৱীগান বা ভাওগান বা ভাওগান অনুষ্ঠানবিধ পুৰুষ প্ৰধান অনুষ্ঠান। এই অনুষ্ঠান বিধত পুৰুষে মহিলাৰ সাজপাৰ পৰিধান কৰি মহিলাৰ ভাও দিয়ে।

ভাৱীগান বা ভাওগান অনুষ্ঠান বিধত পৰম্পৰাগতভাৱে ৰামায়ণৰ কাহিনী পৰিৱেশন কৰা হয় যদিও বৰ্তমান সময়ত ভাৱীগানৰ জৰিয়তে ৰামায়ণ কাহিনীৰ লগতে মহাভাৰত আৰু অন্যান্য পৌৰাণিক আখ্যানৰ কাহিনী পৰিৱেশন কৰা দেখা যায়। ৰাম-লক্ষ্মণ আৰু সীতা চৰিত্ৰৰ বাহিৰে আন চৰিত্ৰবোৰে (যেনে-হনুমান, জাম্বুবন, সুগ্ৰীৱ, ৰাৱণ, ৰাক্ষস) আদি চৰিত্ৰই সুগঢ়ি কাঠেৰে প্ৰস্তুত কৰা মুখা পৰিধান কৰি ভাও দিয়ে। কেতুৰা চৰিত্ৰই দেখিলেই হাঁহি উঠা ধৰণৰ অসংগতিপূৰ্ণ মুখা এখন পিন্ধি দৰ্শকৰ আগত প্ৰৱেশ কৰে। ভাৱীগান বা ভাওগানৰ মুখাৰ ব্যৱহাৰ অপৰিহাৰ্য হেতুকে এই অনুষ্ঠানবিধক কোনো কোনোৱে 'মুখাৰ গান' বুলিও অভিহিত কৰে।

**পালাগান বা দোত্ৰা গানঃ-** পালা গান বা দোত্ৰা গান কুশানগানৰ সমপৰ্যায়ৰ আন এবিধ লোকনাট্যানুষ্ঠান। পালাগানত মূল গায়কে বেনাৰ সলনি দোত্ৰা সংগতি কৰে গতিকে এইবিধ অনুষ্ঠানক দোত্ৰা গান বুলিও অভিহিত কৰা হয়। আনহাতে পালাগান বা দোত্ৰা গানৰ কাহিনীবস্তু ৰামায়ণ বা আন পৌৰাণিক কাহিনী আশ্ৰিত নহয়। এই অনুষ্ঠান বিধৰ জৰিয়তে ধৰ্মনিৰপেক্ষ লোককাহিনীহে পৰিৱেশন কৰা হয়। লোককাহিনী অৰ্থাৎ কেচ্ছা বা কিচ্ছাৰ লগত এইবিধ অনুষ্ঠানৰ সম্পৰ্ক গভীৰ বাবে কোনো কোনো অঞ্চলত এইবিধ অনুষ্ঠান 'কেচ্ছা-বন্দী' গান বুলিও কোৱা হয়। পৰিৱেশ ৰ দিশলৈ লক্ষ্য কৰি পালাগান বা দোত্ৰা গানক দুভাগত বিভক্ত কৰিব পাৰি। খাড়াতালি বা খাড়াতাল আৰু বৈস্না-তালি। পূৰ্ণ পৰ্যায়ৰ দলৰ দ্বাৰা সম্পূৰ্ণভাৱে নাট্যকাহিনী ভাগ পৰিৱেশিত হোৱা পালাগানক 'খাড়াতালি' বা খাড়তাল' বুলি কোৱা হয়। আনহাতে মূল গায়কে দোৱাৰীৰ সহায়ত বহি বহি যদি গীত-পদ আৰু কথোপকথন কাহিনীভাগ পৰিৱেশন কৰিলে তাক 'বৈস্না-তালি' বুলি কোৱা হয়।

**পদ্মপুৰাণৰ গান ঃ-** সৰ্পদেৱী মনসা বা পদ্মা পূজাৰ সৈতে জড়িত লোকনাট্য সমল বিশিষ্ট এবিধ অনুষ্ঠান হ'ল পদ্মা পুৰাণৰ গান। এইবিধ অনুষ্ঠানক সুকনান্নী ওজাপালিৰ স্থানীয় ৰূপ বুলিব পাৰি। পদ্মাপুৰাণৰ গানৰ দল একোটিত এজন মূল গায়ক (মূল, গীদাল) আৰু কেইজনমান পালি (পাইল) থাকে। পদ্মাপুৰাণৰ গানত ওজাপালি অনুষ্ঠানৰ দাইনা-পালিৰ সমপৰ্যায়ৰ এজন ব্যক্তি থাকে, তেওঁক 'দোহাৰী' বুলি জনা যায়। দোহাৰীয়ে মূল বা গীদালৰ লগত কথোপকথন কৰি গীতৰ অৰ্থ সৰল গদ্যত দৰ্শকক বুজাই দিয়ে। পদ্মাপুৰাণৰ

গানৰ একোটি দলৰ এজন বা দুজন বাইন থাকে। বাইনে খোল বজায়। গীত আৰু নৃত্য পৰিৰেশনৰ সময়ত মূল বা গীদালে হাতত চামৰলৈ মুদ্রা ভংগীসহ নৃত্য প্ৰদৰ্শন কৰে। পালিসকলে খুটি তাল বা মঞ্জিৰা বজায় আৰু মূলে লগাই দিয়া গীত-পদ সমস্তৰে দোহাৰে।

অঞ্চল বিশেষে পদ্মা পুৰাণৰ গানক বিষহৰি গান বুলিও কোৱা হয়। পদ্মাপুৰাণ গান নৃত্য-গীত আৰু অভিনয়ৰ সমষ্টি। গীদাল আৰু পাইলৰ গীত পদৰ লগে লগে বিষয়বস্তুৰ লগত সংগতি ৰাখি পদ্মা, শিৱে, চান্দো, বেউলা, লখিন্দৰ আদিৰ চৰিত্ৰ পৰিৰেশনাস্থলীত প্ৰৱেশ কৰোৱা হয়। সাধাৰণতে লখিন্দৰৰ জন্মৰ পৰা আৰম্ভ কৰি পুণৰ্জীৱন লাভলৈকে এই অংশৰ ঘটনাৱলীৰ নাট্যৰূপ প্ৰদৰ্শন কৰাতো পদ্মাপুৰাণৰ গানৰ আন এটি উল্লেখযোগ্য বৈশিষ্ট্য। নাট্যৰূপ দিয়াৰ প্ৰসংগত সাপ আৰু পদ্মাৰ বিভিন্ন ৰূপৰ মুখা আদি ব্যৱহাৰ কৰে। পদৰ মাজে মাজেহে অভিনয় চলে। অভিনয় চলি থকা সময়ত গীদাল আৰু পাইল সকলে গীত-পদ নাগায়।[১০] এই দিশৰ পৰা বিচাৰ কৰিলে পদ্মাপুৰাণৰ গান বা বিষহৰি গানক লোকনাট বুলিব পাৰি।

**ভাসান যাত্ৰাঃ**- ভাসান যাত্ৰা অবিভক্ত গোৱালপাৰা অঞ্চলৰ পশ্চিম প্ৰান্তৰ কোনো কোনো অঞ্চলত পৰিৰেশন কৰা দেখা যায়। ভাসান যাত্ৰা, 'মনসা ভাসান' নামেৰেও জনা যায়। বেউলাই মৃত স্বামী লখিন্দৰৰ মৰাশলৈ স্বৰ্গপুৰীলৈ যোৱাৰ সম্পূৰ্ণ বিৱৰণ গীত-পদ আৰু নৃত্যসহ গীদালে পালিৰ সহায়ত পৰিৰেশন কৰে। ভাসান গানৰ গীত- পদবোৰ সুকবি নাৰায়ণদেৱৰ পদ্মপুৰাণৰ পৰা আহৃত। ভাসান গানৰ গীত-পদবোৰ ইমান করুণ যে শুনিলে অশ্ৰু সম্বৰণ নহয়। ভাসান গানৰ সুৰ পৰিৰেশনৰ ওপৰত গীদাল আৰু পালিৰ শ্ৰেষ্ঠত্ব নিৰ্ভৰ কৰে।

**মাৰেগানঃ**- মাৰে গান বৰ্তমানৰ গোৱালপাৰা জিলাৰ ঠাই বিশেষ পৰিৰেশিত হৈ আহিছে। পাতিৰাভা আৰু বড়োসকলৰ মাজতো এই অনুষ্ঠানবিধ পৰম্পৰাগত ভাৱে প্ৰচলিত হৈ অহা দেখা যায়। মাৰেগানৰ এটা দলত এজন ওজা আৰু ৪/৫ জন মান পালি থাকে। ইয়াৰ বাহিৰেও এই অনুষ্ঠানবিধত কেইজনীমান দেধনী বা দেওধনী থাকে। মাৰে গানৰ ওজা আৰু পালিয়ে মনকৰ, দুৰ্গাবৰ, সুকবি নাৰায়ণদেৱৰ লগতে বংগীয় মনসা কবিৰ গীত পদৰ এক সংমিশ্ৰিত মৌলিক ৰূপৰ গীত-পদ পৰিৰেশন কৰে। মাৰেগানত নাটকীয় উপাদান প্ৰচুৰ পৰিমাণে নিহিত আছে। ওজা আৰু পালিয়ে গীত-পদ পৰিৰেশন কৰি থকা সময়ত বিষয়বস্তুৰ লগত সংগতি ৰাখি দেওধনী আৰু আন আন নিৰ্বাক চৰিত্ৰৰ সহযোগত অভিনয় প্ৰদৰ্শন কৰা হয়। উদাহৰণ স্বৰূপে বিষহৰিৰ কোপত সৰ্বস্বান্ত হোৱা চান্দো সদাগৰৰ ৰূপ দিবৰ বাবে এজন ব্যক্তিয়ে মৰাপাটেৰে চুলি আৰু দাড়ি-গোফ সাজি চান্দো সদাগৰৰ ভাও লৈ মঞ্চলৈ আহে। এজনী দেওধানীয়ে সোনেকাৰ ভাও লয়। দাড়ি-গোফেৰে ভোবোকাৰ আৰু জীৰ্ণ-শীৰ্ণ শৰীৰ চান্দো সদাগৰক চিনিব নোৱাৰি নিজপত্নী সোনেকাই স্বামী চান্দোক লঘু-লাঞ্চিত কৰে। মাৰে গানত নাটকীয় ঘটনাৱলী প্ৰায় প্ৰহসন ৰূপত অৱতাৰণা কৰা দেখা যায়।

**বাঁশী পুৰাণৰ গান** ঃ- বাঁহীক গোৱালপাৰা অঞ্চলত বাঁশী বোলা হয়। মুখবাঁশী এই অঞ্চলৰ এবিধ পুৰণি লোকবাদ্যযন্ত্ৰ। গীদাল আৰু পাইলে মুখবাঁশী সংগতকৰি পদ্মা বা পদ্ম পুৰাণৰ কাহিনী গোৱাৰ যি পৰম্পৰা প্ৰচলিত আছিল তাকে বাঁশী পুৰাণৰ গান বুলি কোৱা হয়। বাঁশী পুৰাণৰ গান নৃত্য গীত আৰু অভিনয়ৰ সমষ্টি। বাঁশী পুৰাণৰ গীত-পদবোৰ সাধাৰণতে নাচি নাচি গোৱা হয়।

**সোণাৰায় গীতঃ**- সোণাৰায় গীত অবিভক্ত গোৱালপাৰা অঞ্চলৰ অতি পুৰণি গীত। ব্যাঘ্ৰ দেৱতাক সন্তুষ্ট কৰিবৰ কাৰণে এইবিধ গীত পৰিৰেশন কৰা হয় বুলি এক জনবিশ্বাস এই অঞ্চলত প্ৰচলিত আছে। সাধাৰণতে সাতদাল 'মাদুৰা' (বিৰিণা, বাতা) সমানকৈ কাটি মৰাপাটেৰে এটা ফুল তৈয়াৰ কৰি মাদুৰাৰ মূৰত বান্ধি দিয়ে; ফুলটোত ৰঙা-নীলা, বগা তিনি প্ৰকাৰৰ ৰং দিয়ে। ইয়াকে সোণাৰায় বুলি গণ্য কৰা হয়। আঘোণৰ সংক্ৰান্তিৰ পৰা আৰম্ভ কৰি গোটেই পুহ মাহ জুৰি এই অঞ্চলৰ গাঁৱৰ ডেকাবোৰে দলবান্ধি সোণাৰায় কান্ধত লৈ ঘৰে ঘৰে গৈ খোল-তাল বজায় আৰু হাতত থকা বাঁহৰ লাঠিৰে মাটিত খুন্দিয়াই গীত-পদ গায় আৰু গৃহস্থৰ পৰা মাগন মাগে। মাগন মাগিবৰ বাবে এই গীত-পদ গোৱা হয় কাৰণে কোনো কোনোৱে ইয়াক 'মাগন গীত' বুলিও কয়। সোণাৰায় পূজাৰ বাবে ধন-ধান দিবলৈ অৱহেলা কৰিলে ডেকা সকলে বিভিন্ন ধৰণে গীত গাই অভিনয় কৰি ভয় দেখুৱায় আৰু অভিশাপ দিয়ে। সমগ্ৰ পুহৰ মাহতো গৃহস্থৰ ঘৰে ঘৰে গৈ মাগি পোৱা ধনেৰে পুহৰ সংক্ৰান্তিৰ দিনা সোণাৰায় পূজা পাতে আৰু ডেকাবোৰে ভোজ ভাত খায়।

**বাঁশ পূজাৰ গীত ঃ**-বাঁশ পূজা গোৱালপাৰা অঞ্চলৰ এক উল্লেখযোগ্য অনুষ্ঠান। এই পূজা অনুষ্ঠানবিধ বসন্ত কালত অনুষ্ঠিত হয়। বাঁশ পূজাক মদন কাম কামদেৱ পূজা বুলি কোৱা হয়। অঞ্চল বিশেষে মুছলমান সকলেও এই পূজা কৰাৰ তথ্য পোৱা যায়। মুছলমান সকলেও এই পূজা কৰা তথ্য পোৱা যায়। মুছলমান সকলৰ বাঁশপূজাক মাদাৰ পূজা বা দাকা পূজা বুলি কয়। কেইডালমান বাঁহক ৰঙা-বগা কাপোৰ মেৰিয়াই সুসজ্জিত কৰি বাঁহৰ মূৰত একোটাকৈ চোঁৰৰ বান্ধি দিয়া হয়। জাতি-বৰ্ণ নিৰ্বিশেষে কেইজনমান লোকে সাত্ত্বিক নিয়ম-আচাৰ পালন কৰি কঁকালত গামোছা বান্ধি তাত বাঁহডালক থিয় কৰাই লৈ ঘৰে ঘৰে গীত গাই নাচি ফুৰে। গীতৰ তালে তালে খোল তাল আদি পৰিৱেশন কৰে। এজনে গীত-পদ লগাই দিয়ে আৰু আনবোৰে নাচি নাচি গীত-পদবোৰ সমস্বৰে দোহাৰে। এই অঞ্চলত প্ৰচলিত বাঁশ পূজাৰ গীতক প্ৰধানকৈ দুটা পৰ্বত ভাগ কৰা হৈছে। বাঁশপৰ্ব আৰু ভাং পৰ্ব। বাঁশ পৰ্বৰ ভাগ কৰা হৈছে। বাঁশপৰ্ব আৰু ভাং পৰ্ব। বাঁশ পৰ্বৰ গীতত বাঁশ স্ৰজন, চোঁৰৰ স্ৰজন, কাপোৰ স্ৰজন, মদন কামেৰ বাঁশ আৰু বাঁশ খেলা বিষয়ক কাহিনী গীত পৰিৱেশন কৰা হয়। বাঁশ পৰ্বৰ গীতৰ অন্তত ভাংপৰ্বৰ গীত-পদ পৰিৱেশন কৰা হয়। বাঁশ পৰ্বৰ গীতৰ অন্তত ভাংপৰ্বৰ গীত-পদ পৰিৱেশন কৰা হয়। বাঁশ পূজা অনুষ্ঠানটো সম্পূৰ্ণ পুৰুষ প্ৰধান অনুষ্ঠান।

**কাতি পূজাৰ গান ঃ**- কাতি মাহৰ সংক্ৰান্তিৰ দিনাখন কাতি পূজা অনুষ্ঠিত হয়। অৱশ্যে ইয়াৰ বাহিৰেও অসময়ত কাতিপূজা কৰিলে ইয়াৰ নাম হল 'নমলা কাতি'। এই বিধ অনুষ্ঠান সম্পূৰ্ণৰূপে মহিলা আচাৰকেন্দ্ৰিক অনুষ্ঠান। বংশ বৃদ্ধি আৰু শস্য বৃদ্ধিয়ে হ'ল কাতি পূজাৰ প্ৰধান উদ্দেশ্য। এই অঞ্চলৰ বিভিন্ন ঠাইত গাঁৰৰ আয়তী সকলে কাতি ঠাকুৰৰ পূজা অনুষ্ঠিত কৰিবৰ কাৰণে বহুতো আশা পালি ৰৈ থাকে। যিসকল তিৰোতাই গোটেই দিনটো উপবাসে থাকে তেওঁলোকে প্ৰতিজনে এজোৰ ঘট আৰু গুৱা-পাণ আগবঢ়াই. ওপৰত চন্দ্ৰ তাপ তৰি তাৰ তলত চাৰিটা কলপুলি পুতি কলপুলিৰ মাজত ময়ুৰ বাহনৰ সৈতে কাতি ঠাকুৰৰ মূৰ্তি স্থাপন কৰে। মণ্ডপত ঘট, কলপুলিত ধানৰ সিহ আৰু চাৰিওটি কল পুলিতে একোখনকৈ ধনুকাঁড় ওলোমাই দিয়া হয়। পূজাৰী ব্ৰাহ্মণৰ আচাৰ-অনুষ্ঠানৰ সামৰণিৰ অন্তত সন্তানকামী তিৰোতা সকলক কোচত তামোল-পাণ দি মণ্ডপৰ সন্মুখত বহুৱাই আৰু আনবোৰ তিৰোতাই নাচি নাচি কাতি ঠাকুৰৰ গীত পৰিৱেশন কৰে। প্ৰথমে সৃজন গীত গাই কাৰ্ত্তিক ঠাকুৰৰ জন্মৰ কথা কোৱা হয়। তাৰ পিছত কাতি ঠাকুৰৰ মূৰ্ত্তি বৰ্ণনা কৰা হয়। গীতৰ তালে তালে অন্যান্য তিৰোতাবোৰে কাতিৰ চাৰিওপিনে নৃত্য কৰে। তিৰোতাবোৰৰ মাজৰে দুই এজনে মতা মানুহৰ পোছাক পিন্ধি নাচে। বিভিন্ন ধৰণৰ অভিনয় প্ৰদান কৰে। পাৰ্বতীৰ গৰ্ভধাৰণৰ পৰা আৰম্ভ কৰি প্ৰসৱ হোৱা সময়লৈকে অৰ্থাৎ কাতি ঠাকুৰৰ জন্মলৈকে সম্পূৰ্ণ কাহিনীটো কাতি পূজাৰ গীতত বৰ্ণিত হয়। গীত-পদৰ বিষয়বস্তুৰ আঁত ধৰি অভিনয় প্ৰদান কৰা হয়। কাতি পূজাৰ গীতত শ্লীল-অশ্লীল দুয়োটা ৰূপে প্ৰকাশ পায়। কাতি পূজাৰ গীতত লোকনাট্যৰ সমল পূৰা মাত্ৰেই বিদ্যমান।

**হুদুমদেওৰ গীতঃ**-হুদুমদেওৰ পূজা গোৱালপাৰা অঞ্চলৰ পালিত হোৱা এক বিশিষ্ট নৃত্য-গীত প্ৰধান অনুষ্ঠান। হুদুমদেওৰ পূজা সম্পূৰ্ণ মহিলা আচাৰ কেন্দ্ৰিক অনুষ্ঠান। সাধাৰণতে অনাবৃষ্টি হ'লে বৰষুণৰ কামনা কৰি পৃথিৱীখনক জীপাল কৰাৰ উদ্দেশ্যে হুদুম পূজা কৰি হুদুমদেওৰ গীত পৰিৱেশন কৰা হয়। প্ৰৱাদ আছে যে পূৰ্বতে এই অঞ্চলত বনৰীয়া হুদু চৰাই ধৰি আনি আঁউসীৰ এন্ধাৰ নিশা পথাৰত এটি খুটি পুতি তাত বান্ধি থৈ এই পূজা কৰিছিল। গাঁৱৰ তিৰোতা সকলে আন্ধাৰত গোপনে ইয়াৰ চাৰিওপিনে উলঙ্গ হৈ গীত গাই গাই নৃত্য কৰে। তিৰোতাৰ এই আকুল আহ্বান আৰু এওঁলোকে সকলো লাজ-কাজ ভাব অদৃশ্য শক্তিৰ উদ্দেশ্যে অৰ্পিত হোৱাত প্ৰকৃতিয়ে আৰ্শীবাদ দিয়ে আৰু বসুমতীৰ বুকুলৈ বৰষুণ নামি আহে। এই ঘটনাৰ একমাত্ৰ সাক্ষীহে থাকে জীৱন্ত হুদু চৰাইটো। বৰ্তমান সময়ৰ হুদু পৰিৱৰ্তে এটি কলপুলি পুতি এই অনুষ্ঠান পালন কৰা হয়। হুদু চৰাইৰ পৰিৱৰ্তে পোতা কলপুলিটোক হুদুমখুটি বোলা হয়। হুদুম খুটি সম্পূৰ্ণ নিয়ম-নীতিৰে পোতা হয়। বিশ্বাস আছেযে হুদুম খুটি পোতাৰ দিনাখনেই বৰষুণ হয়। যদিহে তিনি দিনলৈ বৰষুণ নহয় তেতিয়া হলে আয়তীসকলে হুদুম পূজা আৰম্ভ কৰে। এই পূজা অনুষ্ঠানত পূজাৰীণীসকলে উলঙ্গ হৈ যৌন ধৰ্মী গীত-পদ গাই বিভিন্ন অংগী ভংগীৰ নৃত্য কৰি আকুলভাৱে বৰষুণৰ বাবে হুদুমদেউক প্ৰাৰ্থনা জনায়। গীত-নৃত্যবোৰত অশ্লীল ভংগীমা বিৰাজমান। আনকি অভিনয় প্ৰদৰ্শনো অশ্লীল পৰ্যায়ৰ যদিও ইয়াত যৌন ব্যাভিচাৰ নাই। হুদুমদেওৰ পূজাত লোকনাট্যৰ গুণ পুৰামাত্ৰে বিৰাজমান।

ওপৰত সংক্ষেপে আলোচনা কৰা লোকনাট্য গুণ বিশিষ্ট অনুষ্ঠানবোৰৰ উপৰি আৰু যথেষ্ট সংখ্যক লোকনাট্য গুণ বিশিষ্ট অনুষ্ঠান প্ৰচলন গোৱালপাৰা অঞ্চলত আছে। এই অনুষ্ঠানবোৰৰ ভিতৰত ময়নামতীৰ গান, গোৱালনী যাত্ৰা,

সত্যপীৰপালা, মনাই যাত্ৰা, নয়নাশ্বৰী গীত, চাৰযুগী গান, মনোমতীৰ গান আদি বিশেষভাৱে উল্লেখযোগ্য। সাধাৰণতে এইবোৰ অনুষ্ঠান স্বকীয় কলাৰীতি বিশিষ্ট নহয়। কাৰণ বিশেষ বিশেষ একোটা কাহিনীক কেন্দ্ৰকৰি একোখন গানৰ সৃষ্টি হৈছে। আনহাতে এই অঞ্চলত অনুষ্ঠিত হোৱা চড়ক পূজা, অশোকাষ্টমী আদিক কেন্দ্ৰ কৰি দুই এখ ব্যংগ কৌতুকপূৰ্ণ নাটক সৃষ্টি হোৱা দেখা যায়। প্ৰবন্ধৰ সীমাবদ্ধতাৰ প্ৰতি লক্ষ্য কৰি এই আটাইবোৰ লোকনাট্যানুষ্ঠানৰ পৰিচয়মূলক বিশ্লেষণ আগবঢ়াব নোৱাৰিলোঁ।

অবিভক্ত গোৱালপাৰা অঞ্চলৰ লোকনাট্যানুষ্ঠানবোৰৰ যিটো বৈচিত্ৰময় ৰূপ প্ৰতিভাত হয়। এইধৰণৰ অনুষ্ঠান অসম, ভাৰত নহয় পৃথিৱী ঘূৰিলেই বোধহয় পোৱা নাযাব। আমাৰ পূৰ্বজ সকলে সৃষ্টি কৰি থৈ যোৱা এই অনুষ্ঠানসমূহ; যিবোৰৰ জৰিয়তে আমি বিশ্ব দৰবাৰত নিজকে চিনাকি দিব পাৰো। সেই অনুষ্ঠানবোৰৰ আজি আমাৰ হাততে বিলুপ্ত হ'বলৈ ওলাইছে সময় থাকোতে এই অনুষ্ঠানবোৰৰ সংৰক্ষণ, সংবৰ্ধন কৰিব নোৱাৰিলে এদিন আমাৰ নিজৰ চিনাকি হেৰাই যাব। যুগৰ লগত পৰিৱৰ্তন অৱশ্যম্ভাৱী। কিন্তু পৰিৱৰ্তনৰ নামত বিলুপ্তিয়েই হ'ব আমাৰ ঐতিহ্য বিনাশৰ হঠকাৰী সিদ্ধান্ত। সেয়েহে গোৱালপাৰা অঞ্চলৰ লগতে অসমৰ প্ৰতিজন ব্যক্তি আৰু প্ৰতিটো সামাজিক অনুষ্ঠানৰ দায়িত্ব হ'ব লাগিব এই অঞ্চলৰ সংস্কৃতিক পুণৰ উজ্জীৱিত কৰা।

# শিক্ষকতা বৃত্তি-
# আদিৰ পৰা আজিলৈ - এটি পৰ্য্যালোচনা।

✍ ধনঞ্জয় সিন্‌হা

শিক্ষকতা হল পৃথিৱীৰ সবাতকৈ প্ৰাচীন বৃত্তিবোৰৰ ভিতৰত এটা আৰু ই নিশ্চিতভাৱে আটাইতকৈ মহানতম বৃত্তি। প্ৰাচীনকালত বিষ্ণু শৰ্মা বা ছক্ৰেটিছৰ দৰে শিক্ষকে ছাত্ৰ মনৰ মনন আৰু নৈতিকতাৰ সৌধ নিৰ্মাণত এক শক্তিশালী প্ৰভাৱ বিস্তাৰ কৰিছিল। তেতিয়াৰ দিনত বিদ্বান আৰু পণ্ডিত ব্যক্তি একোজনে বিদ্যোৎসাহী ছাত্ৰ সমাজক তেওঁৰ নৈকট্যলৈ আমন্ত্ৰণ জনাইছিল। তেওঁৰ অন্তৰংগ সান্নিধ্যত কাল কটাই তেওঁৰ নিজা ব্যক্তিগত সাধনালব্ধ জীৱনৰ উদাহৰণ আৰু তেওঁৰ মুখ নিঃসৃত অমৃতময় উপদেশ বাণীবোৰ শ্ৰৱণ তথা হৃদয়ংগম কৰি ছাত্ৰকুলে নিজৰ জ্ঞানৰ সফুঁৰা পূৰণ কৰিছিল। শিক্ষকজনে যি জানিছিল তাক তেওঁ ছাত্ৰ সমাজক প্ৰদান কৰি তেওঁলোকক তেওঁৰ মন আৰু প্ৰজ্ঞাৰ অংশীদাৰ তথা উত্তৰাধিকাৰী কৰি গঢ়ি তুলিছিল। তেওঁ জনাখিনিৰ পৰিধি আছিল হয়তোবা সীমিত, কিন্তু তাৰ গভীৰতা আছিল অতলান্ত অসীমিত। জাগতিক অৰ্থত তেওঁ হয়তোবা আছিল আকিঞ্চন, দীন; কিন্তু তেওঁৰ বৌদ্ধিক জীৱন আছিল অতিশয় সম্পদময় আৰু সমৃদ্ধিশীল।

অতীতত শিক্ষকে তেওঁৰ বজ্ৰনিনাদ সমগুৰু গৰ্জনেৰে আৰু হাতৰ বেতডালৰ অবাধ প্ৰয়োগেৰে শিক্ষাদান অৰ্থাৎ 'চেকনিৰ আগত বিদ্যা' এই প্ৰবচনটিৰ যথাৰ্থ প্ৰয়োগ কৰিছিল। শিক্ষকে ছাত্ৰৰ স্মৃতি শক্তি বা মনত ৰখা কথাটোৰ ওপৰত অধিকতৰ ৰূপত চাপ সৃষ্টি কৰিছিল। কাৰণ তেতিয়াৰ দিনত পুস্তক-গ্ৰন্থাদিৰ সংখ্যা আছিল তেনেই সীমিত। কিন্তু সেয়া আধুনিক পদ্ধতি নহয়। আজি শিক্ষকে জ্ঞানৰ পথ প্ৰদৰ্শন কৰে, ব্যাখ্যা-বিশ্লেষণ আগবঢ়ায় আৰু প্ৰত্যক্ষ ব্যৱহাৰিক প্ৰমাণেৰে কোনো ধাৰণাক সাব্যস্তও কৰি দেখুৱায়। বৰ্তমান সময় প্ৰবাহত শিক্ষকতা পেছা এটা বৈপ্লৱিক পৰিৱৰ্তনৰ মাজেৰে গতিকৰি আছে। ইয়াৰ বিশেষীকৰণ হৈছে। এজন শিক্ষক শিশু মনস্তত্ত্বৰ এজন ভাল ছাত্ৰও হোৱা উচিত। তেওঁৰ সৰ্বোচ্চ দায়িত্ব কেৱল ছাত্ৰৰ মনক জ্ঞানোৎসাহী কৰি তোলাই নহয়, ছাত্ৰৰ সুমানসিক দৃষ্টিভংগী সৃজন কৰাটোও তেওঁৰ একান্ত কৰ্তব্য। তেওঁ তেওঁৰ সংস্কৃত স্ব-মতাদৰ্শ ছাত্ৰৰ মনত ক্ৰমশঃ প্ৰৱেশ কৰোৱাই নহয়, তেওঁ ছাত্ৰসকলক নিজাববীয়াকৈ ভাবিবলৈ আৰু নিজা মত গঠন কৰিবলৈ উপযুক্ত কৰি গঢ়ি তোলা উচিত। তেওঁৰ দৃষ্টিকোণ সৰ্বদা মানবীয় আৰু সহমৰ্মিতাপূৰ্ণ হোৱা উচিত। ছাত্ৰ-ছাত্ৰীক প্ৰকাৰান্তৰে সমাজখনক গঢ়িবলৈ আৰু সমাজৰ কাৰণে উপযোগীকৈ গঢ়ি তুলিবলৈ শিকোৱাই শিক্ষকৰ প্ৰধান কাম বা দায়িত্ব। দূৰ অতীতত একোগৰাকী শিক্ষকেই আছিল যেন একো একোটি শিক্ষানুষ্ঠানস্বৰূপ।

যি জাতিৰ শৈক্ষিক সামাজিক দিশত যুগোপযোগী পৰিৱৰ্তন অনা শিক্ষক নাই, সেই জাতি কদাপি মহান হ'ব নোৱাৰে। বহুকথা জানিলেই সৎ শিক্ষক ৰূপে পৰিগণিত হ'ব নোৱাৰি, যদি সেই জনা কথাখিনিৰে পোনতে নিজক গঢ়ি তুলিব নোৱাৰি আৰু পিছত ছাত্ৰ সমাজক ধৰি বহল সমাজখনক গঢ়ি তোলাত আত্ম নিয়োগ কৰিব নোৱাৰি। ছাত্ৰ মনত বৰ্ত্তমানে পৰিলক্ষিত হোৱা ক্ৰমবৰ্ধিত উদ্ভগুলিৰ মূলতে হল কিছুসংখ্যক নীতিভ্ৰষ্ট শিক্ষকৰ অবিবেচক প্ৰশ্ৰয়। ফলত আদৰ্শ নিষ্ঠাবান শিক্ষক সকলেও ইয়াৰ কুফল ভোগ কৰিব লগা হৈছে।

একো একোটা শ্ৰেণীত বৰ্ত্তমানে প্ৰয়োজনাধিক ছাত্ৰ-ছাত্ৰী (গুণগতমান) যিয়েই নহওক কিয় ভৰ্তি হোৱাত শ্ৰেণী কক্ষবোৰ বজাৰ সদৃশ ৰূপ ধাৰণ কৰিছে। ফলত শিক্ষাদান আৰু শিক্ষা গ্ৰহণ প্ৰক্ৰিয়া যথেষ্ট বাধাৰ সন্মুখীন হৈছে তথা ইয়াৰ সাৱলীলতাও ক্ষুন্ন হৈছে।

এতিয়া অধিক সংখ্যক শিক্ষকেই বিশেষ পঢ়া-শুনা নকৰে। কেনেকৈ, কি কৌশল বা পদ্ধতিৰে শিক্ষাদান কৰিলে ছাত্ৰ-ছাত্ৰীসকলৰ পক্ষে গ্ৰহণীয় হ'ব, সেয়া তেওঁলোকে শ্ৰেণীলৈ পঢ়াবলৈ যোৱাৰ আগতে ভালদৰে চিন্তা কৰি নেদেখে। অকল ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ কলেই নহব, নিজে অধ্যয়ন কৰি জ্ঞানাৰ্জনৰ পিছত ছাত্ৰসকলৰ সন্মুখত নিজকে জ্ঞান সাধকৰ আৰ্হি ৰূপে প্ৰতিষ্ঠা কৰিব লাগিব। চৰকাৰে শিক্ষানুষ্ঠান সমূহৰ পুথিভৰালৈ লাখ লাখ টকা গ্ৰন্থ ক্ৰয়ৰ কাৰণে ব্যয় কৰি আহিছে। কিন্তু বাস্তৱ ক্ষেত্ৰত শিক্ষকসকলে সেই গ্ৰন্থসমূহ অধ্যয়ন কৰাত কণমানো আগ্ৰহবোধ নেদেখুৱায়।

প্ৰত্যেক ছাত্ৰৰে শিক্ষাগ্ৰহণৰ সামৰ্থ বেলেগ বেলেগ। সেয়ে শিক্ষক সমাজে ছাত্ৰৰ ব্যক্তিগত পাৰ্থক্যৰ কথা মনত

নৰখাকৈ কৰা পাঠদান কেতিয়াও ফলপ্ৰসূ হ'ব নোৱাৰে। আকৌ গতানুগতিক আৰু আসোঁৱাহপূৰ্ণ পাঠদান ছাত্ৰ-ছাত্ৰীৰ বাবে বিৰক্তিকৰ হৈ পৰে। সেয়ে পাঠদান অধিক ৰসাল আৰু অৰ্থপূৰ্ণ কৰি তুলিবৰ বাবে শিক্ষকজন সদা প্ৰস্তুত, উপস্থিত বুদ্ধিমত্তাযুক্ত আৰু ব্যক্তিত্বসম্পন্ন হ'ব লাগিব। আজি ছাত্ৰ-ছাত্ৰীসকলক সুন্দৰ, সঠিক বাস্তৱবাদী পথ প্ৰদৰ্শনকাৰী পৰিচালকৰো অভাৱ হৈছে। সেয়ে অভিভাৱক আৰু শিক্ষকসকলে এইক্ষেত্ৰত মন কৰিবৰ হল। আজি শ্ৰেণীকক্ষত সম্পূৰ্ণ শিক্ষাদানৰ সলনি প্ৰাইভেট টিউচনৰ প্ৰতিযোগিতাহে যেন চলিছে। যাৰ বলি হৈছে সাধাৰণ শ্ৰেণীৰ দুখীয়া ছাত্ৰ-ছাত্ৰীসকল। ছাত্ৰ, শিক্ষক আৰু অভিভাৱক এই ত্ৰিমূৰ্ত্তিৰ পাৰস্পৰিক সম্বন্ধ সুদৃঢ় নহলে আমাৰ শিক্ষা জগতখনে কেতিয়াও সফলতা আৰু পূৰ্ণতা লাভ কৰিব নোৱাৰিব। বৰ্তমানৰ অস্থিৰ সামাজিক পৰিৱেশত বিশেষকৈ লৰা-ছোৱালীৰ নিয়মিত পঢ়া-শুনা, লগ সংগ, নৈতিকতা মূল্যবোধ আদি দিশৰ ওপৰত অভিভাৱক আৰু শিক্ষকসকলে সততে সুতীক্ষ্ণ দৃষ্টি ৰখা উচিত।

আজিৰ যুগত এগৰাকী সফল শিক্ষক হোৱাৰ প্ৰত্যাহ্বান বৃদ্ধি পাইছে। আজি ছাত্ৰক যুগৰ সতে ৰজিতা খুৱাই শিক্ষাদান কৰিব লগা শিক্ষকজনো সমানে গতিশীল হব লাগে। এতিয়া শিক্ষকগৰাকীৰ বাবে বিষয়বস্তু সম্পৰ্কীয় জ্ঞানেই যথেষ্ট নহয়, সেই জ্ঞান প্ৰতিদিন নিত্য নতুনভাৱে আহৰিত হ'ব লাগিব অৰ্থাৎ বিষয় বস্তুৰ শেহতীয়া অগ্ৰগতি সম্পৰ্কে শিক্ষকগৰাকী সম্পূৰ্ণৰূপে অৱগত হব লাগিব। এই ক্ষেত্ৰত কব পাৰি যে এগৰাকী ভাল ছাত্ৰৰ সকলোখিনি গুণাগুণ থাকিলেহে এজন ব্যক্তিয়ে প্ৰকৃতাৰ্তত শিক্ষকতাৰ জীৱিকা গ্ৰহণ কৰিব পাৰে।

দুৰ্ভাগ্যজনকভাৱে শিক্ষকসকলেই যে ৰাষ্ট্ৰ নিৰ্মাণৰ মূল স্থপতি বা বাস্তুকাৰ সেয়া আজি ক্ৰমশঃ পাহৰণি প্ৰায়। অথচ' শিক্ষকসকলৰ মহান আত্মোৎসৰ্গী সেৱাদানেই ৰাষ্ট্ৰ এখনৰ, জাতি এটাৰ অগ্ৰগতিৰ পাথেয়স্বৰূপ। ছক্ৰেটিছ, প্লেটো আৰু এৰিষ্টটলৰ দৰে শিক্ষকৰ কথা নভবাকৈ পুৰণি গ্ৰীচৰ স্বৰ্ণোজ্জ্বল সভ্যতাৰ কল্পনাই অসম্ভৱ। তেনেদৰে পুৰণি ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থালৈ চকু দিলে শীলভদ্ৰ আৰু নাগাৰ্জুনৰ দৰে সুধী শিক্ষকসকলৰ কথাই আমাৰ মনলৈ আহে। সেয়েহে এৰিষ্টটলে এইদৰে কৈছিল, *" Those who educate children are more to be honoured than even their parents; for those only give than life; those, the art of living".* ছক্ৰেটিছ, কাৰ্লমাৰ্ক্স, ড০ জাকিৰ হুছেইনৰ দৰে মহান অকুতোভয়সম্পন্ন শিক্ষক সকল আজি মৰিও মানৰ মনত সদা অমৰ হৈ আছে। কালৰ মামৰে এই মহান তপস্বী সাধক শিক্ষক সকলক কেতিয়াও স্পৰ্শ কৰিব নোৱাৰে। কাৰণ এই চিৰ নমস্য ব্যক্তি সকলৰ জীৱন, দৰ্শন আৰু আদৰ্শ আছিল এক আৰু অভিন্ন।

বিগত কেবা বছৰ ধৰি চৰকাৰ তথা সংশ্লিষ্ট কৰ্তৃপক্ষৰ ভুল নীতিৰ ফলত এনে কিছুমান অৰ্হতাক্ষীণ লোকক বিদ্যালয় বিলাকত শিক্ষক হিচাপে নিয়োগ কৰা হ'ল যে তেওঁলোকৰ পুতৌলগা, মনোবৃত্তিৰ শিক্ষাদান আৰু কাৰ্যপন্থাই সচেতন মহলক চিন্তিত তথা স্তম্ভিত কৰি তুলিছে। সেয়ে বিষয়বস্তুৰ ওপৰত কম দখল থকা আৰু শিক্ষাদানত যথেষ্ট আসোঁৱাহ থকা শিক্ষকসকলৰ বাবে ওপৰঞ্চিভাৱে মাজে সময়ে প্ৰশিক্ষণ, কৰ্মশালা, আলোচনা চক্ৰ আদি অনুষ্ঠিত কৰি তাত তেওঁলোকৰ যোগদানৰ ব্যৱস্থা সুনিশ্চিত কৰিব লাগে। এই প্ৰশিক্ষণ প্ৰতিষ্ঠান সমূহত অকল মতবাদ আৰু পদ্ধতি শিকোৱাই নহয়, শিক্ষকতা কলাত অপৰিহাৰ্য ব্যৱহাৰিক দিশবোৰো যথোচিত গুৰুত্ব পোৱা উচিত। লগতে শিক্ষকসকলৰ অৰ্হতা, দক্ষতা, অভিজ্ঞতা আদি দিশবোৰৰ ওপৰত পৰীক্ষামূলক বাচনি কৰি, সেইমতে নিৰ্দিষ্ট উৰ্দ্ধহাৰৰ দৰমহা গাঁথনিৰে বিভিন্ন পৰ্য্যায়ৰ শিক্ষকসকলক পদোন্নতি দিয়াৰ ব্যৱস্থা কৰিব লাগে। এনে ব্যৱস্থা থাকিলে বহুতো মেধাৱী আৰু দক্ষ যুৱক-যুৱতীয়ে শিক্ষকতা বৃত্তি গ্ৰহণ কৰিবলৈ আগবাঢ়ি অহাৰ উপৰিও উৎসাহিতও হব তথা শিক্ষাদানত ব্ৰতী শিক্ষকসকলৰ মাজতো শিক্ষাৰ মানদণ্ড উন্নত আৰু ফলৱতী কৰাৰ কাৰণে এক সকাৰাত্মক শৈক্ষিক আৰু বৌদ্ধিক প্ৰতিযোগিতামূলক মনোভাৱৰ সৃষ্টি হব। ৰাছিয়া, চীন আদিৰ দৰে দেশসমূহত শিক্ষকসকলে তেওঁলোকৰ কৰ্তব্য সম্পাদনত কোনো পেছাগত দুশ্চিন্তাই যাতে বিচলিত কৰি তেওঁলোকক সঠিক লক্ষ্যপথৰ পৰা বিচ্যুত কৰিব নোৱাৰে, তাৰ বাবে লগা সকলোবোৰ গ্ৰহণযোগ্য পদক্ষেপেই হাতত লৈছে।

তাৰোপৰি আজি কালি বিদ্যালয়সমূহৰ প্ৰশাসনীয় মুৰব্বীসকলৰ কিছুমান দুৰ্বলতা আৰু অৱহেলাৰ বাবেই বিদ্যালয়ৰ শৈক্ষিক বাতাৱৰণ আৰু নিয়ম কানুন একেবাৰে নোহোৱাৰ দৰে হৈছে। এই ক্ষেত্ৰত চৰকাৰ তথা সংশ্লিষ্ট কৰ্তৃপক্ষৰ উপৰিও স্থানীয় সচেতন ৰাইজেও বিদ্যালয়ৰ প্ৰশাসনিক আৰু শৈক্ষিক দিশটোৰ ওপৰত সততে সজাগ দৃষ্টি ৰখা উচিত।

সি যি কি নহওক সুস্থ, সুন্দৰ, সমৃদ্ধ আৰু ৰুচিশীল জীৱনৰ বাবে প্ৰস্তুত হব পৰাকৈ শিক্ষাচক্ৰৰ লগত জড়িত আমি সকলোৱেই নিজ নিজ নৈতিক দায়িত্ব আন্তৰিকতাৰে পালন কৰোঁ আহক।

শিক্ষা, শিক্ষাৰ্থী আৰু শিক্ষক বিষয়ক আলোচনাটিৰ যৱনিকাপটত আমি মহান মনিষী এলবাৰ্ট আইনষ্টাইনৰ এযাৰী মহামূল্যবান উক্তিৰ উদ্ধৃতিৰ লোভ সামৰিব পৰা নাই। তেখেতে কৈছিল, "শিক্ষা হল জীৱনৰ উৎকৰ্ষ সাধন, এটা যুগৰ পৰা আন এটা যুগলৈ তথা এটা পুৰুষৰ পৰা আন এটা পুৰুষলৈ পৰম্পৰা, সম্পৰ্কখিনি কঢ়িয়াই নিয়া ক্ষেত্ৰবোৰ হল বিদ্যালয়সমূহ আৰু ইয়াৰ বাহক হল মানৱ সভ্যতাৰ গুৰিয়ালস্বৰূপ শিক্ষকসকল।"

## বিহংগম দৃষ্টিৰে অবিভক্ত
# গোৱালপাৰা জিলাত সাহিত্য আৰু সাহিত্যিক

চম্পা চক্ৰৱৰ্ত্তী
প্ৰাক্তন ছাত্ৰী।

গোৱালপাৰা এসময়ত ৰত্নপীঠ নামে পৰিচিত আছিল। ইয়াৰ অধিবাসী, লোকগীত, লোক-সংস্কৃতি, লোক-কৃষ্টি আৰু প্ৰাকৃতিক সম্পদ পণ্ডিত গৱেষকৰ চৰ্চাৰ বিষয় আছিল। পিছে ইয়াৰ সাহিত্য আৰু সাহিত্যিকৰ কথা উঠিলেই অলপ থমকি ৰব লগা হয়। সাহিত্য আৰু সাহিত্যিক বুলি কওতে সাধাৰণতে যাক বুজায়, সেই ক্ষেত্ৰত জিলাখনে অসমৰ আন জিলাতকৈ যেন পিছ পৰি আছে। অৱশ্যে ইয়াৰ কাৰণো আছে। কাৰনবোৰ ফঁহিয়াই চাবলৈ অন্যলৈ এৰি এই জিলাখনত বিংশ শতিকাত হোৱা সাহিত্য চৰ্চাৰ পৰিচয় দিয়া যাওক।

মূল কথালৈ যোৱা আগতে গৌৰীপুৰৰ তাৰিনী প্ৰিয়া চতুষ্পাঠীৰ এসময়ৰ প্ৰধান আচাৰ্য যড়ানন তৰ্কতীৰ্থ দেৱে ১৯২৬ চনত ধুবুৰীত অনুষ্ঠিত অসম সাহিত্য সভাৰ ৯ম অধিবেশনত পাঠ কৰা অভিভাষনত উল্লেখ কৰিছিল যে, "যি দেশ উন্নতিৰ জখলাত দোপতদোপে উঠি উন্নতিৰ চৰমসীমা পায়গৈ, বহিঃশত্ৰু আৰু অন্তঃ শত্ৰুৰ উপদ্ৰপৰ পৰা দূৰত থাকে, দেশব্যাপী শান্তিৰ শীতল মলয়া বৈ থাকে, ধন সম্পদৰ অভাৱ নাথাকে, বিদ্যামন্দিৰত দেশবাসী সকল জ্ঞান চৰ্চাত নিবিষ্ট থাকে, তেতিয়া সভ্য দেশত উন্নতমানৰ সাহিত্য দৰ্শনৰ উৎপত্তি হয়।"

গোৱালপাৰা জিলাৰ ৰাজনীতি, সমাজ আৰু অৰ্থনীতিত কেবাটি শতিকাজুৰি সংকটে আচ্ছন্ন কৰি ৰাখিছিল। সংযোজন-বিয়োজনৰ কূটনৈতিক পাশাখেলৰ বলি হৈছিল। আনহাতে জিলাখনৰ কথিত ভাষাই মান্য ভাষাৰ মৰ্যদা হেৰুৱাৰ দুখজনক পৰিনতি, আকৌ মান্য ভাষাক থলুৱা লোকে পৰিপক্ক ভাবে আয়ত্ব কৰিব নোৱাৰালৈকে, সাহিত্য চৰ্চাৰ দৰে এটি কঠিন কামত আত্মনিয়োগ কৰা সম্ভৱ নাছিল। চুবুৰীয়া বংগদেশৰ লগত যিখিনি শিক্ষিত মানুহৰ যোগাযোগ আছিল তেওঁলোকে বাংলাভাষাৰ লগত সংপৃক্ত হোৱাৰ বাবে তাৰে দুই একে কিছু পৰিমানে সাহিত্য চৰ্চা কৰিলেও, বাংলা ভাষাতেই কৰাৰ কথা জনা যায়।

অৱশ্যে সংস্কৃত ভাষাৰ মাধ্যমেৰে সাহিত্য চৰ্চা কৰা কিছু পণ্ডিতৰ কথা জনা যায়। তেওঁলোকে বহু প্ৰাচীন ধৰ্ম আৰু দৰ্শন সম্বন্ধীয় গ্ৰন্থ নকৈ লিখি উলিয়াই বা পুনৰুদ্ধাৰ কৰি সংস্কৃত সাহিত্য জগতত উজ্বল পটন্তৰ ৰাখি থৈছে। তেনেহলেও, সেইবোৰ সাহিত্য জনসাধাৰণৰ বাবে বোধগম্য নোহোৱাত প্ৰকৃততে সেইখিনি সাহিত্য মুষ্টিমেয় পণ্ডিতৰ ব্যক্তিগত সম্পদৰূপে চিহ্নিত হৈছিল। সংস্কৃত সাহিত্যৰ ভড়ালত বিংশ শতিকাত বৰঙণি যোগোৱা অনন্য পণ্ডিত যড়ানন তৰ্কতীৰ্থ দেৱৰ কথা ইতিমধ্যে উল্লেখ কৰা হৈছে। তেখেত ন্যায়, সাংখ্য, বেদান্ত, মীমাংসা, স্মৃতি আৰু কাব্য-ব্যাকৰণৰ এগৰাকী বিদগ্ধ পণ্ডিত আছিল। তেখেতে ৰচনা কৰা মূল্যবান গ্ৰন্থৰাজি সংস্কৃত সাহিত্যৰ অমূল্য সম্পদৰূপে চিহ্নিত হৈছে। পশ্চিম অসমৰ একমাত্ৰ মহামহোপধ্যায় উপাধিৰে ভূষিত আদ্যনাথ ন্যায়ভূষন এগৰাকী প্ৰখৰ বুদ্ধিদীপ্ত পণ্ডিত আছিল। ১৯০৯ চনত তেওঁক এই উপাধি প্ৰদান কৰা হয়। এওঁৰ প্ৰচেষ্টাতে অসমত নব্য ন্যায়ৰ জনপ্ৰিয়তা বৃদ্ধি হয়। এওঁৰ অপ্ৰকাশিও গ্ৰন্থৰ বিশাল ভাণ্ডাৰটো বহু বছৰ পূৰ্বে গুৱাহাটী বিশ্ব-বিদ্যালয়লৈ হস্তান্তৰ কৰা হৈছিল। আদ্যনাথৰ পূৰ্বসূৰী আৰু গৌৰীপুৰৰ সেই চতুষ্পাঠীৰে প্ৰথম গৰাকী আচাৰ্য যজ্ঞপতি উপাধ্যায়ৰো এই ক্ষেত্ৰত যথেষ্ট অবদান আছে। ৰমানাথ বিদ্যালংকাৰ দেৱে পুৰুষোত্তম বিদ্যাবাগীশৰ 'প্ৰয়োগ ৰত্নমালা ব্যকৰণখনৰ নতুন সংস্কৰণ উলিয়াইছিল। লগতে গংগাজল, জ্যোতিষ মুক্তাৱলী, দায়-কৌমুদী, অদ্ভুৎসাৰ, ৰুচীস্তৱ আদি মূল্যবান গ্ৰন্থ প্ৰনয়ন কৰিছিল। দূৰ্গাকিংকৰ শাস্ত্ৰীদেৱে 'পুষ্পোৎসৱ' গ্ৰন্থ ৰচনা কৰি খ্যাতি আৰ্জিছিল। বিৰুপাক্ষ ন্যায়বাগীশে বিজনীৰ ৰাজ বংশাৱলীৰ ইতিহাসো লিখি থৈ গৈছে। এওঁলোকৰ বাহিৰেও আৰু বহু কেইগৰাকী পণ্ডিতে সংস্কৃত ভাষাত গ্ৰন্থ ৰচনা কৰি সাহিত্য ভাণ্ডাৰত অক্ষয় কীৰ্তি স্থাপন কৰিছে।

বাংলাভাষাত সাহিত্য চৰ্চাঃ- বিংশ শতিকাৰ প্ৰথম তিনিটা দশকত জিলাখনত বাংলাভাষাত ৰচিত কিছু সাহিত্য আৰু সাহিত্যিকৰ পৰিচয় পোৱা যায়। বাংলা ভাষাৰ প্ৰতি আকৃষ্ট হৈ অনেকে এই ভাষাৰ মাধ্যমত সাহিত্য ৰচনা কৰি প্ৰত্যক্ষভাবে কলিকতাৰ সাহিত্য জগতৰ লগত সংযোগ কৰিছিল। এই সকলৰ ভিতৰত অন্যতম আছিল গৌৰীপুৰৰ ৰাজ পৰিয়ালৰ দুগৰাকী জীয়ৰী ক্ৰমে নিহাৰবালা আৰু নীলিমা বৰুৱা। অন্যান্য কিছুৱে চেষ্টা চলাইছিল যদিও খ্যাতি অৰ্জন

কৰাৰ কথা জনা নাযায়। অৱশ্যে লক্ষীপুৰৰ জমিদাৰ বংশৰ নগেন্দ্ৰ নাথ চৌধুৰীৰ নাম জনা যায়।

অসমীয়া ভাষাত সাহিত্য চৰ্চাঃ- ১৯২৯ চনত মেছপাৰাৰ জমিদাৰ বংশৰ নগেন্দ্ৰ নাথ চৌধুৰীয়ে বাংলা সাহিত্যৰ উপৰিও দীননাথ শৰ্মাৰ দ্বাৰা সম্পাদিত 'আৱাহন' আলোচনীখন নিজ খৰচত প্ৰকাশ কৰিছিল। চৌধুৰীদেৱে নিজে অসমীয়া ভাষাত গল্প-প্ৰৱন্ধ লিখি অকল আবাহনতেই নহয় পৰবৰ্তীকালত 'বৰদৈচিলা', 'মিলন' আৰু সাহিত্য সভা পত্ৰিকাত নিয়মিত ভাবে লিখিছিল। ১৯৩১ চনত শিৱসাগৰত বহা অসম সাহিত্য সভাৰ ত্ৰয়োদশ অধিবেশনত সভাপতিত্ব কৰিছিল। সভাপতিৰ আসনৰ পৰাই তেওঁ লক্ষ্মীনাথ বেজবৰুৱা দেৱক 'ৰসৰাজ' উপাধি প্ৰদান কৰি খ্যাতি আৰ্জিছিল।

আন দুগৰাকী লেখত লবলগীয়া ব্যক্তি হৈছে দলগোমাৰ অমৃতভূষন দেৱ অধিকাৰী আৰু ফকিৰাগ্ৰমৰ (পিছত বঙাইগাওঁ) সীতা নাথ ব্ৰহ্মচৌধুৰী। দুয়োগৰাকীয়ে সৃষ্টিশীল সাহিত্যৰ অধিকাৰী। অধিকাৰীদেৱে অন্যান্য সাহিত্যৰ উপৰিও গৌৰীপুৰৰ ৰাজ পৰিয়ালৰ পৃষ্ঠপোষকতাত 'শ্ৰী মন্নাম ঘোষৰ ব্যাখ্যা' নকৈ ৰচনা কৰি উলিয়ায়। আনহাতে ব্ৰহ্মচৌধুৰীয়ে 'কদমকলি', 'চকুলো' আদি কবিতা পুথি প্ৰকাশ কৰি খ্যাতি আৰ্জিছিল। দুয়োগৰাকীয়ে অৰ্থাৎ অধিকাৰীদেৱে ১৯৩২ চনত যোৰহাট আৰু ব্ৰহ্মচৌধুৰীদেৱে ১৯৮১ চনত তিনিচুকীয়াত বহা অসম সাহিত্য সভাৰ অধিবেশনত সভাপতিৰ আসন অংলকৃত কৰিছিল।

শতিকাটিৰ ষাঠিৰ দশকৰ পৰা ভালেকেইগৰাকীমান সাহিত্যিক নিজ প্ৰতিভাগুনে আত্মপ্ৰকাশ কৰি খ্যাতি আৰ্জিছিল। সেই সকলৰ ভিতৰত অন্যতম হৈছে ৰেবতীমোহন দত্ত চৌধুৰী। এওঁ 'শীলভদ্ৰ' এই ছদ্মনামেৰে ছুটি গল্প, উপন্যাস, প্ৰৱন্ধ আদি লিখি কৃতিত্বৰ পৰিচয় দিয়ে। 'মধুপুৰ বহুদূৰ' নামে উপন্যাসৰ জৰিয়তে তেওঁ সাহিত্য একাডেমীৰ পুৰস্কাৰ আৰু প্ৰশংসা লাভ কৰি সৰ্বভাৰতীয় স্বীকৃতি লাভ কৰিছে। ইয়াৰ পিছতে নলিনী শৰ্মা, অম্বিকা চৰন চৌধুৰী আৰু শিবানন্দ শৰ্মাই লেখক হিচাপে প্ৰতিষ্ঠ লাভ কৰিছে। ইয়াৰ বাহিৰেও অতনু ভট্টাচাৰ্য, উত্তম চন্দ্ৰ দাস, শৰৎ চন্দ্ৰ সিংহ, হৰিপ্ৰসাদ মুক্তিয়াৰ, কালীৰাম ব্ৰহ্ম, যতীন্দ্ৰ নাৰায়ণ চৌধুৰী, শুভানন্দ চক্ৰৱৰ্ত্তী, শ্যামাচৰন নাথ, যামিনী বৰুৱা, অমল দাস, মোহিনী মোহন ব্ৰহ্ম, এম.মফিজুদ্দিন আহমেদ, দীনবন্ধু দিহিদাৰ, কাছেমা খাতুন, ধীৰেন দাস, ক্ষীৰেন ৰায়, উপেন্দ্ৰ সৰকাৰ, হাকিম চন্দ্ৰ ৰাভা, দ্বিজেন ভকত, অজয় চক্ৰৱৰ্ত্তী, হৰিমোহন সৰকাৰ, শিবেন্দ্ৰ নাৰায়ন কোচ, অজিত বৰুৱা, ৰঘুনাথ চৌধুৰী, নিখিলেশ বৰুৱা, নিৰেদিন্দু ৰায়, পৃথিশ নাৰায়ন গোস্বামী, আব্দুল গফুৰ আহমেদ, সুভাষ চৌধুৰী আদি লগতে আৰু বহুতে সাহিত্য চৰ্চাত মনোনিবেশ কৰি জিলাখনৰ সাহিত্য কৰ্মক আগবঢ়াই লৈছে। বৰ্তমানে ন ন লেখক লেখিকাই বিভিন্ন বাতৰি কাকত, আলোচনীত লিখি সাহিত্য ক্ষেত্ৰখনক সজীৱ কৰি ৰাখিছে। প্ৰত্যেকৰে নাম উল্লেখ কৰিব নোৱাৰাৰ বাবে ক্ষমা কৰে যেন।

সাহিত্য সভাৰ এই অধিৱেশনবোৰ পতাৰ মূল মাধ্যম হৈছে শাখা সভা সমূহ। জিলাখনৰ প্ৰায় প্ৰতিখন গুৰুত্বপূৰ্ণ ঠাইতে 'অসম সাহিত্য সভাৰ' শাখা সভা আছে। এই সভাবোৰে মূল সভাৰ লগত সংগতি ৰক্ষা কৰি আছে। বৰ্তমানে ধুবুৰীত সাহিত্য সভাৰ এটি আঞ্চলিক কাৰ্য্যালয় প্ৰতিষ্ঠা কৰা হৈছে।

সম্প্ৰতি জিলাখনত বড়ো, ৰাভা, কোঁচ-ৰাজবংশী জনগোষ্ঠী সকলৰ মাজৰ পৰাও নিজ নিজ দোৱানত বাতৰি কাকত, আলোচনী আদি প্ৰকাশ কৰি তাৰ মাধ্যমত তেওঁলোকে সাহিত্য চৰ্চাত ব্ৰতী হৈছে।

গোৱালপাৰা জিলা সাহিত্য পৰিষদ ঃ- ১৯১৭ চনতে প্ৰতিষ্ঠিত হোৱা অসমৰ সাহিত্য সভাই অসমৰ সামাজিক সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনৰ লগত বৰ নিবিড়ভাবে জড়িত হৈ আহিছে। অসমীয়া ভাষাৰ বিকাশৰ লগত যিহেতু সাহিত্য সভা জড়িত হৈ আছে, গতিকেই সামগ্ৰীকভাবে ইয়ে অসমৰ জনজীৱনতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। প্ৰাথমিক পৰ্য্যায়ত সেয়েহে সাহিত্য সভাৰ অধিবেশন প্ৰায় ওপৰাওপৰিকৈ তিনিখন বাৰ্ষিক অধিবেশন অবিভক্ত গোৱালপাৰা জিলাত পাতি অসমীয়া ভাষা-সংস্কৃতিৰ বিকাশৰ লগতে জিলাখনৰ থলুৱা ভাষা-সংস্কৃতিকো উৎসাহিত কৰা যেন ধাৰণা হৈছিল। কিন্তু দিন অতিবাহিত হোৱাৰ লগে লগে সাহিত্য সভাৰ সভাৰ মঞ্চত কিছু অদুৰদৰ্শী নেতাৰ পদাৰ্পনে সাহিত্য সভাৰ ভিতৰে বাহিৰে বিতৰ্কৰ সৃষ্টি কৰিছিল। বিশেষকৈ ষাঠিৰ দশকত এই জিলাখনৰ এচাম সচেতন ব্যক্তিয়ে অনুভব কৰিব ধৰিলে যে সাহিত্য সভাই যেন জিলাখনৰ জনমনক আকৰ্ষন কৰি ৰখাত ব্যৰ্থ হৈছে। এই জিলাৰ ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি যেন সাহিত্য সভা উদাসীন হৈছে, তেওঁলোকৰ কোনো দায়বদ্ধতা নাই। এনে কিছু কাৰণৰ বাবে সাহিত্য সভাৰ প্ৰতি বিৰক্ত হৈ, বিশেষকৈ ১৯৭২ চনত ধুবুৰী অধিবেশনত সাহিত্য সভাৰ ভিতৰ চৰাৰ কাণ্ড-কাৰখানা পৰ্যবেক্ষন কৰি জিলাবাসীয়ে ১৯৭৩ চনত 'গোৱালপাৰা জিলা সাহিত্য পৰিষদ'ৰ জন্ম দিয়ে। এই পৰিষদে নিয়মীয়াকৈ জিলাৰ বিভিন্ন ঠাইত বাৰ্ষিক অধিবেশন পাতি তাৰ জৰিয়তে জিলাখনৰ থলুৱা

## অবিভক্ত গোৱালপাৰা জিলাত অনুষ্ঠিত সাহিত্য সভাৰ অধিবেশন

| | স্থান | চন | সভাপতিৰ নাম | অধিবেশন নম্বৰ |
|---|---|---|---|---|
| ১) | গোৱালপাৰা | ১৯১৮ | চন্দ্ৰধৰ বৰুৱা | ২য় |
| ২) | ধুবুৰী | ১৯২৬ | বেনুধৰ ৰাজখোৱা | ৯ম |
| ৩) | গোৱালপাৰা | ১৯২৭ | তৰুন ৰাম ফুকন | ১০ম |
| ৪) | ধুবুৰী | ১৯৫৬ | বেণুধৰ শৰ্মা | ২৪ম |
| ৫) | ধুবুৰী | ১৯৭২ | হেম বৰুৱা | ৩৭তম |
| ৬) | অভয়াপুৰী | ১৯৭৭ | চৈয়দ আব্দুল মালিক | ৪২তম |
| ৭) | বঙাইগাওঁ | ১৯৮৩ | ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য | ৪৭তম |
| ৮) | দুধনৈ | ১৯৯১ | ডঃ নিৰ্মল প্ৰভা বৰদলৈ | ৫৪তম |
| ৯) | বিলাসীপাৰা | ১৯৯৭ | ডঃ নগেন শইকীয়া | ৬৩তম |
| ১০) | চাপৰ | ২০০৭ | কনক সেন ডেকা | ৬৯তম |

ভাষা-সাহিত্য-সংস্কৃতিক উন্নয়ন আৰু বিকাশৰ অৰিহনা যোগাইছিল। পিছত অসম সাহিত্য সভাৰ বিষয় ববীয়া সকলৰ লগত আলোচনাৰ মাধ্যমেৰে ই জিলা সাহিত্য সভা হিচাপে স্বীকৃতি লাভ কৰে। আজিও ই জিলা সাহিত্য সভা ৰূপে ধুবুৰী, গোৱালপাৰা, কোকৰাঝাৰ আৰু বঙাইগাওঁ জিলাত স্বতন্ত্ৰ ৰূপে কাম কৰি আছে।

বাতৰি কাকত আৰু আলোচনীঃ- জিলাখনত সাহিত্য চৰ্চাৰ বা সৃষ্টিৰে পৰিবেশ কম বুলি আগতেই উল্লেখ কৰা হৈছে। সেইকাৰণে বাতৰি কাকত, আলোচনী আদিৰ সংখ্যা আঙুলিৰ মুৰত গনিব পৰা বিধৰ। কাকত আলোচনী আদি ওলায়, কিন্তু স্থায়ীভাবে বৰ্তী নাথাকে। অসহযোগ আন্দোলনৰ কালছোৱাত ধুবুৰীৰ পৰা 'প্ৰান্তবাসী' নামে এখন কাকত প্ৰথম অৱস্থাত বাংলাভাষাত আৰু পিছত বাংলা আৰু অসমীয়া উভয় ভাষাতে প্ৰকাশিত হোৱাৰ কথা জনা যায়। তাৰ পিছত ১৯৪১ চন মানত ধুবুৰীৰ পৰাই 'গণসেৱক' আৰু ১৯৫১ চনত 'কৰ্মী' নামে বাৰ্তা-আলোচনী প্ৰকাশিত হৈছিল। ইয়াৰ বাহিৰেও জিলাৰ মুখ্য কিছু ঠাইৰ পৰা 'ধূমকেতু', নৱ-দিগন্ত', সীমান্ত বাৰ্তা', 'সপ্তবাৰ্তা, 'ৰত্নপীঠ', অজন্তা, ফুলৰা, প্ৰবাহ, ঝংকাৰ, অনুভা আদি প্ৰকাশ হৈ অকালতে মৃত্যু হোৱাৰ বাতৰি পোৱা যায়। নিৰ্ভৰযোগ্য তথ্যৰ অভাৱত এইবোৰৰ পূৰ্ণ তালিকা লিপিবদ্ধ কৰা সম্ভৱ নহল।

লোক সাহিতঃ- লোক সাহিত্য লোক জীৱনৰ ইতিহাস। গ্ৰাম্য জন জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, উৎসৱ আনন্দ, আচাৰ-বিচাৰ আদিক কেন্দ্ৰ কৰি মুখে মুখে ৰচিত হোৱা গীত মাত। ইয়ে এখন সমাজৰ ছবি দাঙি ধৰে। এইবোৰক সাহিত্যৰ দৃষ্টিৰে বিচাৰ কৰিলে দুটা ভাগত ভাগ কৰিব পাৰি। জনজাতীয় লোক সাহিত্য আৰু অজনজাতীয় লোক সাহিত্য। লোকগীত, সাধুকথা, প্ৰবাদ-বচন ইয়াৰ অন্তৰ্গত। এইবোৰ লোকগীত, কিচ্ছা/কিচ্ছাবন্দী, ছিল্কা বা শ্লোক নামেৰেও জনাজাত। লোকজীৱনৰ এইবোৰ মহত্বপূৰ্ণ অংগ। গদ্য-পদ্য উভয় ৰূপতেই ৰচনা হোৱা এই সাহিত্যবোৰৰ প্ৰকৃত ৰচকৰ সন্ধান পোৱা টান।

জনজাতীয় লোক-সাহিত্য ঃ- জনজাতি সকলৰ হোৱা ভিতৰত ইয়াত কেবল বড়ো, ৰাভা আৰু হাচং সকলৰ লোকসাহিত্যকে চমুকৈ আলোচ্য বিষয় হিচাপে অনা হৈছে। বড়ো সকলৰ বাগ কথা, বিয়াগীত (খীচা), খেৰাই, সাউৰীৰ গীত ইত্যাদি। ৰাভা সমাজত প্ৰচলিত বাযুখ পূজাৰ গীত, গ্ৰীমবুদাৰ গীত, বহুৰঙী গীত, ভালুক নচুৱা গীত, ফাৰকান্তি গীত, লাঙা ৰজাৰ গীত, তুকুৰীয়া গীত ইত্যাদি। জিলাখনৰ বড়ো, ৰাভা, হাছং আৰু লগতে গাৰো সমাজৰ মাজত প্ৰচলিত অলেখ গীত মাত, সাধুকথা আদি এতিয়াও উদ্ধাৰ নোহোৱাকৈ আছে। অৱশ্যে বৰ্তমানে এইবোৰ জনগোষ্ঠীৰ শিক্ষিত চামে সুকীয়া সুকীয়া ভাবে তেওঁলোকৰ সমাজত প্ৰচলিত বা মৃত্যুৰ গৰাহত পৰা লোকসাহিত্যবোৰক উদ্ধাৰ কৰাৰ পৰিকল্পনা হাতত লৈছে। কিছুৱে ইতিমধ্যে বিচাৰি উলিয়াই পাঠকৰ হাতত তুলিও দিছে।

অজনজাতীয় লোকসাহিত্যঃ- অজনজাতীয় লোকসাহিত্যখিনি মোটামুটিভাবে গোৱালপাৰীয়া লোক-গীত, লোক-নৃত্য, সাধু কথা, প্ৰবাদ বাক্য, শ্লোকৰ জৰিয়তে বিভিন্ন ৰূপত ব্যৱহাৰ হয়। লোকগীতৰে যে কিমান ভাগ আছে সেই সম্বন্ধে লিখিবলৈ এখন সুকীয়া কিতাপৰ প্ৰয়োজন হব। ইয়াত

সাধাৰণভাবে তাৰে কেইটিমানুহে উল্লেখ কৰা হল। দোৱাৰী-গীদাল, পূজা পাৰ্বনৰ গীত, প্ৰেম-বিৰহৰ গীত, মাছমৰা গীত, খেল-ধেমালী গীত, হাস্য ৰসৰ গীত, সামাজিক উৎসৱৰ গীত, নিচুকনি গীত (নিন্দালি), ঘৰুৱা জীৱন বিষয়ক গীত, কাহিনীমূলক গীত, বাৰমাহী গীত, কুশান গান ইত্যাদিয়ে প্ৰধান। এইবোৰৰ ভিতৰত উল্লেখযোগ্য আৰু সমাজত প্ৰচলিত গীতৰ ভিতৰত পদ্মা পুৰাণৰ গীত, কাতি পূজাৰ গীত, বাঁশ পূজাৰ গীত, মদন কামৰ গীত, হুদুম পূজাৰ গীত, সোনা ৰায়ৰ গীত, গুপুনী নাম, এউৰী, হোলী, বিয়া গীত, হাচান ৰাজাৰ গীত, ময়নামতীৰ গীত, নয়নশ্বৰী, সত্যপীৰ, ভাৰীগান, মনাই যাত্ৰা, দোতৰা গান, নাও খেলৰ গীত, কীৰ্ত্তন, ভাৱাইয়া বা চটকা, দেহতত্ব আদিৰ গীত নৃত্যই লোক সাহিত্যৰ ভৰাল সমৃদ্ধ কৰাৰ লগতে ৰাক্ষস, ভূত-প্ৰেত, দৈত্য-দানৱ, পশু-পক্ষী আদিৰ ওপৰত ৰচিত সাধু কথাবোৰে এই ভড়ালক চহকী কৰিছে।

জিলাখনত বহু যুগৰে পৰা বসবাস কৰি থকা চাওতাল আৰু চাহ বাগিছাত কাম কৰা উৰাও সকল জিলাখনৰ জনগোষ্ঠীৰ এটা অংশ। চাওতাল সকলৰ মাজত প্ৰচলিত 'কাৰাম পূজা', দাঁসাই নৃত্য, লোকগীতৰ ভিতৰত 'গাম কুদুম' আৰু ছেন্দাসুৰ' আদিয়ে যিদৰে লোকসাহিত্যত অৰিহনা যোগাইছে, সেইদৰে দাহ বনুৱা সকলৰ ঝুমুৰ নৃত্য, সোহৰাই, খেৰাং আদিয়েও লোক সাহিত্যক সমৃদ্ধ কৰিছে। নেপালী সকলৰ চণ্ডী, খালাক, ধামী, মাৰুনী আদি লোকগীত আৰু লোকনৃত্য সমূহো এই জিলাখনৰ অনন্য সম্পদ।

ইয়াৰ ফঁকৰআ-যোজনা, শ্লোক বা ছিলকা আদিক মান্য ভাষাত সাঁথৰ (সাস্তৰ) বোলে। লোক সাহিত্যৰ অন্তৰ্গত এইবিধ সাহিত্যত জিলাখনৰ চহকী। গাৱেঁ-ভূঁঞে, নগৰে-চহৰে এই সাহিত্যবোৰে সমাজ জীৱনৰ চিত্ৰ প্ৰতিফলিত কৰাৰ উপৰিও মানসিক উৰ্বৰতাৰ পৰিচয় দিয়ে। জন সাহিত্যৰ ইও এটা অংগ। এইবোৰ মৌখিক সাহিত্যই জনজীৱনক সামৰি লোৱাৰ উপৰিও, সমাজখনক ভাতৃত্বৰ বান্ধোনেৰে বান্ধি ৰাখিছে। এতিয়াও আধুনিক ব্যস্ত জীৱন ধাৰাৰ মাজতো সময় উলিয়াই গাঁৱে-ভূঁঞে বিভিন্ন উৎসৱ পাৰ্বনত বিভিন্ন জনগোষ্ঠীৰ লোক গোট খালেই এই লোক সাহিত্যৰ উপভোগ্য অনুষ্ঠান পতা চকুত পৰে।

জিলাখনত নাট্য চৰ্চাঃ- প্ৰাক বৃটিচ যুগৰে পৰাই জিলাখনত নাট্য চৰ্চাৰ পৰিবেশ আছিল যদিও বৃটিচ যুগৰ পৰা জিলাখনত সাহিত্য চৰ্চাৰ ক্ষেত্ৰত স্থবিৰতা আহি পৰাৰ কথা আগতে উনিকিওৱা হৈছে। জিলাখনত প্ৰচলিত লেওটানী যাত্ৰা, খেমতা যাত্ৰা আৰু ঘুৰীৰ গঠনৰ পিছতে বঙলা নাট্যাভিনয়ৰ সূচনা হয়। বিংশ শতিকাত এই আন্দোলনে বিকাশ লাভ কৰে আৰু জিলাখনৰ বিভিন্ন ঠাইত নাট্যদল সৃষ্টি হৈছিল। ১৯১০ চন মানৰ পৰা বিলাসীপাৰা, বগৰীবাৰী, গৌৰীপুৰৰ জমিদাৰ সকলৰ পৃষ্ঠপোষকতাত প্ৰতিবছৰে দূৰ্গা পূজাত কলিকতাৰ পৰা আমন্ত্ৰণ কৰি তেওঁলোকৰ দ্বাৰা নাটক উপস্থাপন কৰোৱা হৈছিল। এই যাত্ৰা দলবোৰৰ পৰা অনুপ্ৰেৰনা লাভ কৰি স্থানীয় যুৱক সকলে নাট্যদল গঠনত মনোনিবেশ কৰে। তেনেবোৰ নাট্যদলে উদমাৰী, কোকৰাঝাৰ, বইটামাৰী, ধৰ্মপুৰ, দেওহাটী, পীৰধৰা, বহলপুৰ, হাকামা, গোৱালপাৰা, পাচনীয়া, ধূপধৰা, দুধনৈ, বিজনী, চিদলী আদি ঠাইত নাট্য চৰ্চাৰ শুভাৰম্ভ কৰে বুলি জনা যায়। ১৯১২ চনত গোৱালপাৰাত অসম ক্লাৱ স্থাপিত হোৱাৰ পিছত প্ৰথম অসমীয়া নাট মঞ্চস্থ হৈছিল। ১৯২০ চন মানত কলিকতাৰ পৰা গান মাষ্টাৰ আনি থলুৱা লোক সকলে নাটক মঞ্চস্থ কৰাৰ কলা-কৌশল শিকাৰ কথা জনা যায়। লগতে থিয়েটাৰ মঞ্চ নিৰ্মান আৰু মঞ্চত ব্যৱহাৰ কৰা আঁৰ কাপোৰ আদিও তৈয়াৰী কৰিছিল। এইবোৰ মঞ্চত ছাহজাহান, পানীপথ, কালাপাহাৰ, আলীবাবা, মিচৰ কুমাৰী, ৰাজা হৰিশ্চন্দ্ৰ, চন্দ্ৰগুপ্ত আদি নাটক অভিনয় কৰা হৈছিল। ১৯২৬ চনত অসম সাহিত্য সভাৰ ধুবুৰী অধিৱেশনৰ পিছৰে পৰা ধুবুৰীত অসমীয়া নাট্যাভিনয় আৰম্ভ হৈছিল। পিছত ইয়ে জিলাখনৰ বইটামাৰী, বঙাইগাওঁ, পাচনীয়া, কচুদোলা, বহলপুৰ, দেওহাটী, ধুপধৰা, আমগুৰি, কাকৈজানা, মালিগাওঁ, দলগোমা আদিলৈ বিস্তৃতি লাভ কৰিছিল। ১৯৩৯ চন মানত বিলাসীপাৰা উদমাৰীৰ খেমটাযাত্ৰা আৰু লেওটনী যাত্ৰা অভিনয়ৰ জৰিয়তে সুৰৎ উদ্ধাৰ, বাচস্পত্তি, ভাস্কৰ পণ্ডিত, ধৰ্মবল, কালাপাহাৰ আদি নাটক মঞ্চস্থ হৈছিল. এইদৰে জিলাখনৰ উত্তৰপাৰৰ এলেংমাৰী, চাপৰ, বহলপুৰ, আৰেয়াৰঝাৰ, শালকোচা, ৰাৱনটাৰী, ৰাণীগঞ্জ, গোপীগাওঁ আদি ভিতৰুৱা গাওঁ অঞ্চলতো নাট্যদল গঠন কৰি নাটক মঞ্চস্থ কৰাৰ ধুম উঠে। কেবলমাত্ৰ বাংলা বা অসমীয়া ভাষাতে নহয় জিলাখনৰ প্ৰচলিত কথিত ভাষাতো নাটক মঞ্চস্থ কৰাৰ উদাহৰণ আছে। সত্তৰৰ দশকৰ বড়ো জনগোষ্ঠীৰ মাজতো বড়ো ভাষাত নাটক ৰচনা কৰি বিভিন্ন বড়ো অধ্যুসিত অঞ্চলত মঞ্চস্থ কৰা হৈছিল। অৱশ্যে এই কথা উল্লেখ কৰা উচিত যে নাটক মঞ্চস্থ কৰাৰ ক্ষেত্ৰত ৰাইজ যিমান আগ্ৰহী আছিল মৌলিক নাটক ৰচনাৰ ক্ষেত্ৰত কিন্তু সিমান আগ্ৰহী নাছিল যেন লাগে।

৬০ৰ দশকৰ পৰা ৰাজ্যখনত অশান্ত ৰাজনৈতিক

বাতাবৰন আৰু অসমত উদীয়মান উন্নত কলা-কৌশলৰ প্ৰদৰ্শন কৰা পেশাদাৰী যাত্ৰা থিয়েটাৰ দলৰ আবিৰ্ভাৱৰ ফলত জিলাখনত নাট্যাভিনয়ৰ গতি মন্থৰ হবলৈ ধৰে। দুই এঠাইত ছেগা চেৰেকাকৈ যাত্ৰাদলে ভূমুকি মাৰিলেও ই কিন্তু পেশাদাৰী দলৰ লগত সমতা স্থাপন কৰিব পৰা নাছিল। তথাপি তাৰে মাজত জিলাখনৰ বিভিন্ন ঠাইত উৎসৱ পাৰ্বন উপলক্ষে বিভিন্ন নাটক মঞ্চস্থ কৰি নাট্য চৰ্চাৰ ধাৰাটো অব্যাহত ৰখাৰ চেষ্টা কৰি আছে।

আমি আমাৰ শিৰোনামতে উল্লেখ কৰিছো যে ই এটি বিহংগম দৃষ্টিৰে চোৱাও প্ৰচেষ্টা। ইয়াত সমস্তখিনি তথ্য সন্নিবিষ্ট কৰা সম্ভৱ নহয়। তথাপিও পুৰণি আৰু নতুনৰ সমন্বিত প্ৰচেষ্টাৰে সৃষ্টি ৰচনা ৰাজিয়ে কঢ়িয়াই আনে আনন্দৰ বতৰা লগতে আনে নতুন আশা আৰু চেতনা। এই ছেগতে হাকামাত ১৯০৬ চনতে জন্মলভি জীৱনত বিভিন্ন ঘাত-প্ৰতিঘাতৰ, সন্মুখিন হৈও কিদৰে মহিলাসকলৰ মানসিক আৰু বৌদ্ধিক বিকাশত অৰিহণা যোগাইছিল লগতে সাহিত্য চৰ্চা কৰিছিল, সেইগৰাকী গুৰুৱালা দেৱীৰ দুই চাৰি কথা উল্লেখ কৰি আমাৰ এই ৰচনাটি সামৰিম। বাল্য-বিধবাৰ সাজ পিন্ধিও সাহিত্য সংগীত আৰু সমাজ উন্নয়ণৰ ক্ষেত্ৰত নিৰাবিচ্ছিন্ন সেৱা আগবঢ়াই, বাংলামাধ্যমত শিক্ষা লাভ কৰিও অসমীয়া ভাষাত কেবাখনো পুথি ৰচনা কৰি যি অপূৰ্ব কীৰ্ত্তি সাঁচি থৈ গ'ল তাৰ বাবে বিলাসীপাৰা বাসী গৌৰৱবোধ কৰে। এই ক্ষেত্ৰত মাত্ৰ দুটা উদাহৰণেই তেওঁৰ সৃষ্টি চেতনাৰ সম্ভেদ পাব পাৰি। সৰু ল'ৰা-ছোৱালীয়ে অভিনয় কৰিব পৰা একাঙ্কিকা নাট 'শকুন্তলা'আৰু 'আমিন গাওঁৰ কাহিনী' নামৰ কবিতা পুঞ্জ। শ্ৰদ্ধেয়া নিৰুপনা বৰগোঁহাই ৰচিত 'অভিযাত্ৰীত চন্দ্ৰপ্ৰভা শইকীয়াই এই গৰাকী তৰুবালাদেৱীৰ কথা উল্লেখ কৰিছে।

*ৰচনাটিত বিভিন্ন গুণীজনে লিখা লেখনিৰ ছাঁ পৰিছে। ভুল ত্ৰুটিখিনিৰ বাবে ক্ষমা মাগিলো।*



# কোচ-ৰাজবংশীসকলৰ মদন কাম বা বাঁশ পূজা

ডঃ দ্বিজেন্দ্ৰ নাথ ভকত

**সূচনাঃ-** কোচ-ৰাজবংশীসকলৰ জীৱন ধাৰণ ক্ষেত্ৰত বাঁহৰ প্ৰয়োজন সৰ্বাধিক। বাঁহ তেওঁলোকৰ ধৰ্মীয় বিশ্বাস আৰু পৰম্পৰাৰ ক্ষেত্ৰত ঘণিষ্ঠভাৱে জড়িত হৈ আছে। মদন কাম উৎসৱ বা বাঁশ পূজা সেই অনুসঙ্গতে সুদীৰ্ঘ কালৰ পৰা তেওঁলোকৰ মাজত কিছুমান বিশ্বাস আৰু পৰম্পৰা ধাৰাবাহিকভাৱে চলি আহিছে। মদন কাম দেৱতাক ৰাজবংশীসকলে বাঁশ হিচাপে পূজা কৰে। সমাজ বিজ্ঞানী সকলৰ মতে বাঁশ পৰ্বতৰ চূড়া, স্তম্ভ অথবা তেনে সমান ধৰণৰ ওখ কোনো বস্তুক আদিম লোকসকলে পুৰুষত্বৰ প্ৰতীক বুলি ভাবিছিল। আনহাতে গুহা, গহ্বৰ, হ্ৰদ, নদী আদি গভীৰতা থকা বস্তুবোৰক নাৰীত্বসূচক প্ৰতীক ৰূপে জ্ঞান কৰিছিল। এই সূত্ৰে মদনো (কামনাৰ দেৱতা) ৰাজবংশীসকলৰ মানত বাঁহৰ মাজেৰে উপাস্য হৈ উঠিছে। আমি ইয়াত ৰাজবংশীসকলৰ মাজত প্ৰচলিত মদনকাম বা বাঁশপূজাৰ বিষয়ে এটি আভাস দিবলৈ যত্ন কৰিছোঁ।

**বাঁশ পূজাঃ-** পশ্চিম অসম আৰু উত্তৰবঙ্গ অঞ্চলত নিবাস কৰা ৰাজবংশী লোকসকলৰ মাজত বাঁশ পূজা বৈচিত্ৰপূৰ্ণ। মানুহৰ বিপদ-বিঘিণী, মাৰি-মৰক, ৰোগ ব্যাধি, শস্য খেতি বিশেষকৈ বাঁহৰ প্ৰজনন বৃদ্ধি কামনা কৰি বাশপূজা কৰা হয়। অঞ্চলভেদে ইয়াৰ নাম, পূজাবিধি, গীতমাত আদি পৃথক পৃথক। বাঁশ পূজা ভিন ভিন ধৰণে কৰা হয় যথা মদনকামৰ বাঁশ, কামদেৱৰ বাঁশ, চাতালি বাঁশ, অঁকাল বাঁশ, ধুমসিয়া বাঁশ ইত্যাদি। এই উৎসৱ বা পূজা সাধাৰণতে বসন্ত কালত অনুষ্ঠিত হয়। পূজাৰ দিনা পুৱা ৰাজবংশী পুৰুষসকলে বিভিন্ন দেৱদেৱীৰ নামেৰে জাতি বাঁহ নিয়ম অমুযায়ী কাটি আনে। পূজাৰ কাৰণে সাধাৰণতে মাকলা আৰু বৰো বাঁশ (মাখল আৰু ভলুকা) ব্যৱহাৰ কৰা হয়। ৭ফুটৰ পৰা ২০ ফুটলৈ দীঘল বাঁহ আৰু পথালিভাৱে বাঁশ পূজা কৰা হয়। পথালিভাৱে বন্ধা বাঁহবোৰক চাতালি বাঁশ বুলি কোৱা হয়। বাঁহবোৰ চিকুনাই ধুই পখালি ৰঙা বা বিভিন্ন ৰঙৰ কাপোৰ পিন্ধাই মূৰত চোঁৱৰ বা নিচান কিছুমানে কুঁহিলাৰ কদম ফুল লগাই বাঁহবোৰ পূজা কৰে। ইয়াক মদন কামৰ বাঁশ বুলি কয়। বাঁহবোৰ থিয় কৰাই তলত মাটিৰ বেদী তৈয়াৰ কৰি পূজা দিয়া হয়। প্ৰসাদ হিচাপে ডাঙৰ লাড়ু পিঠাগুৰিৰ লাড়ু, ফল-মূল আদি আগবঢ়োৱা হয়। এই লাড়ুবোৰক মদনকামৰ লাড়ু বুলি কয়। পূজাৰ কেইদিনত বাঁহবোৰক গধূলি নৈলৈ লৈ গৈ গা ধুৱায়। গা ধুৱাওঁতে ল'ৰাবোৰে যৌনগন্ধী গালি শপনি আৰু গীত গায়। পূজাৰ শেষত মদন কামৰ বাঁশবোৰ মেলালৈ লৈ যায়। সাধাৰণতে, বাসন্তী পূজাৰ ত্ৰয়োদশী তিথিত বাঁশ তোলে মদন চতুদৰ্শীৰ দিনা আৰু কিছুমানে পূৰ্ণিমাৰ দিনা পুৰোহিতৰ দ্বাৰা অথবা অধিকাৰী বা দেউৰীৰ জৰিয়তে হোম কৰি পূজা দিয়ে। প্ৰতিপদৰ দিনা বাঁহবোৰ মেলালৈ লৈ যোৱা হয়। বাঁশৰ মেলাক থলাবাৰী 'বা' থলা বুলি কয়। থলাবাৰীত বাঁহবোৰ মিলিত কৰি বিভিন্ন ধৰণৰ যৌণগন্ধী গীত মাত গায়। আগতে থলাবাৰীত মহিলা যোৱা নাছিল। সম্প্ৰতি গীতবোৰ কিছু পৰিমাণে সলনি বা যৌনগন্ধী কথাবোৰ নথকাত মহিলাৰ উপস্থিতি দেখা যায়।

**বাঁহৰ বিভিন্ন নাম আৰু সংখ্যা ঃ-** ৰাজবংশী লোকসকলে পূজা দিয়া বাঁহবোৰৰ বিভিন্ন অঞ্চলত বিভিন্ন নাম আৰু সংখ্যা লক্ষ্য কৰা যায়। প্ৰত্যেক অঞ্চলতে বাঁহবোৰ বিভিন্ন দেৱতাৰ নামত উৎসৰ্গীত। উত্তৰবঙ্গৰ জলপাইগুড়ি জিলাৰ ৰাজবংশীসকলৰ মাজত পাঁচডাল বাঁহ পূজাৰ বাবে প্ৰচলন আছে। সেই পাঁচডাল বাঁহৰ নাম যথাক্ৰমে ১। সন্নাসী, ২। কালী, ৩। জগন্নাথ, ৪। বলৰাম আৰু ৫। মাদাৰ পীৰ।

সেই একেখন জিলাতে তিস্তা নদীৰ পশ্চিম পাৰৰ অঞ্চলত ৭ জন দেৱতাৰ নামত ৰাজবংশীসকলে বাঁহ উছৰ্গা কৰে সেইবোৰৰ নাম হ'ল - ১। শালসিৰি, ২। গাৰাম, ৩। সন্নাসী, ৪। কালী, ৫। তিস্তাবুঢ়ী, ৬। বিষহৰি, ৭। মাদাৰপীৰ।

অসমত ধুবুৰী জিলাত বেছিভাগ ৰাজবংশীয়ে তিনিডাল বাঁহ তোলা দেখা যায় - মানস থাকিলেহে তেওঁলোকে অতিৰিক্ত বাঁহ তোলে। তিনিডাল বাঁহৰ নাম - শিৱ, পাৰ্বতী আৰু মদন কাম। আন এটি সৰু বাঁহ ধুবুৰী জিলাৰ বিছ্ন দৈঃ হৰিৰ হাট অঞ্চলত তাৰ লগত তোলা দেখা যায়। তাৰ নাম হ'ল বাৰুদ ঠাকুৰ।

কোকৰাঝাৰ অঞ্চলত বিশেষকৈ চন্দ্ৰপাৰা অঞ্চলত চৈধ্যডাল বাঁহ তোলা দেখা পাওঁ। সেইবোৰৰ নাম হ'ল - ১।

কালীৰ বাঁশ, ২। সৰ্দাৰ বাঁশ, ৩। বুঢ়া সৰ্দাৰ, ৪। গাঙুৰ সৰ্দাৰ, ৫। বুঢ়ী সৰ্দাৰ, ৬। কাচাই খায়, ৭। বিদ্যাগাড়া, ৮। চিকনা ৰাজা, ৯। দুধ নাখা, ১০। মেৰু বাঁশ, ১১। হাল মাঝি, ১২। মাদাৰ পীৰ, ১৩। হৰি পাগলা, ১৪। গাঁও ৰাজা।

পশ্চিম অসমৰ বিশেষকৈ গোৱালপাৰা জিলাৰ অন্যান্য ঠাইত ১৮ ডাল বাঁহ থকাৰ নাম পোৱা যায়। সেইবোৰ হ'ল - ১। ভাগৱতী, ২। কাচাই খাই, ৩। কাজলমতি, ৪। শীতলা, ৫। শ্যামাকালী, ৬। বামাকালী, ৭। অষ্টকালী, ৮। ৰক্ষা কালী, ৯। হাগুৰী, ১০। মুতুৰী, ১১। কাশুলী, ১২। পাদুৰী, ১৩। খুদি খাই, ১৪। ঠাকুৰাণী, ১৫। পাগলা ঠাকুৰাণী, ১৬। বুঢ়ী মাদাৰ, ১৭। চেংৰা মাদাৰ, ১৮। ফাতেমা বিবি।

পশ্চিমবঙ্গৰ বগুড়া জিলাত মুছলমানসকলৰ মাজত বাঁশ পূজা প্ৰচলন আছে। কাপোৰেৰে বাঁহবোৰ মেৰিয়াই পূজা দিয়া হয়। তাত বিভিন্ন নামত পাঁচডাল বাঁহ আছে, যেনে - ১। গাজী মিঞা, ২। হাতীলা সাহেব, ৩। বিবি, ৪। শাহ মাদাৰ, ৫। বৰ মাদাৰ।

**মদন কাম আৰু বাঁশ পূজাৰ গান** ঃ- মদন কাম বা বাঁশ পূজাৰ বিধে বিধে গান প্ৰচলিত আছে। ৰাজবংশী সমাজত প্ৰচলিত বাঁশ পূজাৰ গানবোৰক বিভিন্ন ভাগত ভাগ কৰিব পাৰি যেনে ১। কাহিনী যুক্ত গান, ২। বিক্ষিপ্ত যৌন কথাযুক্ত গান, ৩। জাগ গান, ৪। মাগনৰ গান।

**কাহিনীযুক্ত গান** ঃ- বাঁশ পূজাৰ সময়ত তিনি চাৰিজন শিল্পীয়ে বাঁশ তোলা গৃহস্থৰ ঘৰত তিনি চাৰিদিন ধৰি মদন কামৰ গীত গোৱা দেখা যায়। এই গীতবোৰত সাধাৰণতে একোটা কৈ কাহিনী থাকে। কাহিনী গীতবোৰত মদনকামৰ বন্দনা, শিৱৰ বিয়া, মদনকাম সিজ্জন, বাঁশ সিজ্জন, কপাহ বা বাঙা সিজ্জন, ভাং সিজ্জন ইত্যাদিৰ - দীঘল কাহিনী থাকে। কিছুমান ঠাইত মদন কামৰ লাড়ু সিজ্জন আৰু বাঁশ পূজাৰ ব্যৱস্থাৰ কথাও পোৱা যায়। শিল্পীসকলে গৃহস্থৰ ঘৰত বহি এই গীত পৰিৱেশন কৰে। দোতৰা, জুৰি, খোল, বাঁহী আদি যন্ত্ৰ ব্যৱহাৰ কৰা হয়।

কাহিনীযুক্ত গীতাংশৰ দুটামান উদাহৰণ তলত দিয়া হ'ল -

শিৱৰ বিয়াত -

হৰিবোল হৰিবোল শিৱৰাম
ৰজনীখান পোহাইল বত্ৰিশ বিহাৰ
বস্ত্ৰ বিশো লৈয়া ৰাজা বসিল দেওয়ান
ইয়ো পখিৰ বিয়াৰ কথা কৰে আলাপন।।
হেন কালে সাজি আইল নাৰদমুনিগণ।
বসিতে আসন দিল ৰত্ন সিংহাসন।।

আৰে টেপৰা দাদাৰ বিয়াদ হয়
টেপৰি দিদিক দিয়া
বাটা ভৰা দিলেক গুয়া ডিশি ভৰা পান।
খাইতে লঙ্গৰ দিল লজ্জাৰ মিলন।
শিৱেৰ বিয়াৰ কথা কতো হয় গেইল
আৰে দুইটা বিলাই জোকাৰ দেয়
কেতা মাথাত দিয়া
নাৰদ মুনি সবে এখন উঠিয়া চলিল
চলিলেন দেৱ এখন হৰিসিত মন
আগে পাচে যাবে চলে দেৱ গণ।।

ইত্যাদি

মদন কাম সিজ্জন ঃ-

হায়ৰে হায়ৰে ৰজনী খান পোহাইল।
পুণ্ডিম বিহানে।।
পুণ্ডিম ভাণ্ডাৰ দিল ছাৰা ছান।
ঘৰে ঘৰে গিয়া সখি অৰশে ডাকিল।।
হাটুপানীত পৰিয়া কন্যা হাট কৰিল সেও।
শিৰা পানীত নামি কন্যা দিলে পঞ্চ ডুব।।
আলো এতো বৰো কতো আলোকৰো ডোল।
মত্ত সব তুলিল শূণ্যে সোণাৰ ভূবন।।
সোণাৰ ভূৱনে হইল মাঝি কাণ্ডেমাৰ ।
তিল তুলসী ফুল জলে নিল বেলেৰ পাত।।
ভূৰ সেন্দুৰ গুয়া লাগে কামদেৱেৰ টাত।
বাচেৰা দেখিয়া পাৰ্বতী এচাতাল চেচিল।।
অখণ্ড কালাৰো মাঝ ডাকিয়া আনিল।

ইত্যাদি

(গান দুটা বিষখোৰা নিবাসী চম্ভু বৰ্মন (৫০) গীতালৰ পৰা সংগ্ৰহ কৰা হৈছে)।

**যৌন কথাযুক্ত বিক্ষিপ্ত গান** ঃ- যৌন কথাযুক্ত বিক্ষিপ্ত গানবোৰ সাধাৰণতে আঁচুতীয়া নিৰল ঠাইত গোৱা হয়। এই গীতবোৰ বিশেষকৈ বাঁহক গা ধুৱাওঁতে, থলাবাৰী আদি ঠাইত গায়। বিক্ষিপ্তভাৱে যৌন কথা মিহলাই গীতবোৰ গায়। গীতবোৰ নিষিদ্ধ শব্দ থকাৰ বাবে ইয়াত তুলি দিয়া নহ'ল।

**জাগ গান** ঃ- বাঁশ পূজাৰ লগত জড়িত আন এবিধ গীত হ'ল জাগ গান। ইয়াৰ ভাগ দুটা হ'ল - সৰু জাগ আৰু মোটা জাগ। সৰু জাগ গানক- কানাই ধেমালি বা লীলা জাগ বুলিও কোৱা হয়। এইবোৰ সৰু সৰু কাহিনী বা পালাত বিভক্ত। ইয়াতো যৌন কথাযুক্ত গীত থাকে যদিও কিছু পৰিমাণে সংযত। মোটা জাগৰ গানবোৰ বেছিভাগেই যৌনগন্ধী। বিভিন্ন অঞ্চলত অসংখ্য জাগ গান সিচৰতি হৈ আছে। ১৯০৮ চনত পণ্ডিতৰাজ যাদৱেশ্বৰ তৰ্কৰত্ন মহাশয়ে ৰংপুৰ অঞ্চত ৰাউৰাম দাসে লিখা প্ৰাচীন জাগগান সংগ্ৰহ কৰি ৰংপুৰ (বৰ্তমান বাংলাদেশ) সাহিত্য পৰিষদ পত্ৰিকাত প্ৰকাশ কৰিছিল। ৰাউৰাম দাস আছিল অষ্টাদশ শতিকাৰ শেষ ভাগৰ কবি। সম্পূৰ্ণ ৰচনা খনিক তৰ্কৰত্ন মহাশয়ে কেবাটাও ভাগত ভাগ কৰিছে। যেনে- ১। ৰাধাৰ শাক ডালা, ২। কৃষ্ণৰ ধোৰে মাছমাৰা, ৩। কৃষ্ণৰ বড়শীত মাছধৰা, ৪। ৰাস ইত্যাদি। এই গীতবোৰ আধুনিক ৰাজবংশী ভাষাৰ প্ৰাচীনতম নিদৰ্শন। এটি গীতৰ অংশ তুলি দিয়া হ'ল -

কৃষ্ণৰ বড়শীতে মাছধৰা -

ছিপছিপানি বিষ্টি পড়ে খাড়ে নিল ছিপ।
অন্তৰে আগুন জ্বলে কৰিয়া ধিপ ধিপ।।
বাঁও হাতে বোল্লাৰ চাক ধৰাত গুজে বাঁশী।
মাছ মাৰিতে চলে কানাই মুখে মধুৰ হাসি।।
যেই ঘাটে ছিনান কৰি ৰাধা বিনোদিনী।
সেই ঘাটে বড়শী ফেলায় কানাই গুণমণি।।
জলেতে ভাসিয়া পাতা কৰে টিপ্‌টিপ।
দুই হাতে টানিয়া কানাই তুলিয়া ধৰে ছিপ।।

**মাগনৰ গান** ঃ- মাগনৰ গানবোৰত সাধাৰণতে ভাওয়াইয়া গান গোৱা দেখা যায়। বেছি ভাগ গান খণ্ড খণ্ড আৰু গুমৰ কথাই বেছি।

**বাঁশ পূজাৰ নাচ** ঃ- বাঁশ পূজাৰ দুইধৰণৰ নাচ দেখা যায়। এদলত কুৰি পচিশজন ডেকা ল'ৰাই হাতত চোঁৰৰ যুক্ত সৰু বাঁহ আৰু চাণ্ডালি বাঁহ লৈ ঘৰে ঘৰে নাচি মাগন মাগে। নাচনৰ সময়ত ঢোল, কৰকা আদি যন্ত্ৰ ব্যৱহাৰ কৰে। আনহাতে আন এদলত চোঁৰৰ নাথাকে খালি হাতে মদন কামৰ নাচ নাচি মাগন মাগে। নাচনৰ সময়ত মদনকামত নাচ দলটোৱে কঠীয়াতোলা, কঠীয়া বোৱা, ধানকটা, ধান কৰিওঁৱা, ঢেকী দিয়া আদি ভঙ্গী দেখুৱায়। তদুপৰি অন্যান্য বিভিন্ন ধৰণৰ ভঙ্গিবোৰো আমোদজনক। দলত ১৫/২০ জন পুৰুষ থাকে। নাচোনৰ দলত কৃত্ৰিম লিঙ্গ আৰু মদন ঘোঁৰা দেখা যায়। ঢোল, কৰকাই হ'ল মুখ্য যন্ত্ৰ। পিন্ধনত গেঞ্জি আৰু পেন্ট বা গামোছা থাকে। খণ্ড খণ্ড গীত গায়।

**প্ৰসঙ্গ নিৰ্দেশ** -

১। বৰ্মা, সুখ বিলাস, জাগ গান প্ৰাককথন - পল্লবসেন গুপ্ত ১৯৯৭; পৃষ্ঠা-৯
২। ৰায়, গিৰিজা শঙ্কৰ (৬০), উত্তৰবঙ্গে ৰাজবংশী ক্ষত্ৰিয় জাতিৰ পূজা পাৰ্বণ, ১৯৯৯; পৃষ্ঠা-২৩-২৪
৩। সংবাদদাতা - শ্ৰীহৰেন্দ্ৰ নাথ ৰায়, (৬০) গাওঁ চন্দ্ৰপাৰা, কোকৰাঝাৰ।
৪। সুভাষ চৌধুৰী, ঃ কোচ ৰাজবংশী সমাজত বাঁশ পূজাৰ পৰম্পৰা,অসমীয়া খবৰ ৩১মাৰ্চ ২০০৪ পৃষ্ঠা-৪
৫। মনসুৰ উদ্দিন, মহম্মদ ঃ হাৰামণি ১৯৪২; পৃষ্ঠা-১
৬। বৰ্মা, সুখবিলাস ঃ জাগগান -পৃষ্ঠা-৬৩।

# বিলাসীপাৰাৰ শিক্ষা ব্যৱস্থা

## অতীত আৰু বৰ্তমান

বিভৱ কুমাৰ চক্ৰৱৰ্ত্তী
প্ৰাক্তন ছাত্ৰ- হাকামা।

**একান্ত ব্যক্তিগত কথাঃ-** আমাৰ এই লেখনীৰ শিৰোনামাটি স্মৃতিগ্ৰন্থখনিৰ মাননীয় সম্পাদক গৰাকীয়ে নিৰ্দ্ধাৰিত কৰি দিয়া। পিছে শিৰোনামত অৰ্ন্তভূক্ত বিলাসীপাৰা আৰু 'অতীত' - এই শব্দ দুটিৰ সন্দৰ্ভত আমাৰ ওলপ বক্তব্য আছে। বিলাসীপাৰা'ৰ তিনিটা ভৌগলিক সীমা হ'ব পাৰে।এক বিলাসীপাৰা মহকুমা, দুই বিলাসীপাৰা থানা আৰু তিনি বিলাসীপাৰা নগৰ সমিতিৰ এলেকাভূক্ত অঞ্চল। সম্পাদক ডাঙৰীয়াই ইয়াৰ কোনটো এলেকা বুজাব খুজিছে ই পৰিস্কাৰ নহয়। পিছে আমি এই ৰচনাটিত বিলাসীপাৰা ভৌগলিক সীমা ক্ষেত্ৰ কেবলমাত্ৰ বিলাসীপাৰা নগৰ সীমাতে আবদ্ধ ৰাখিছো। আনহাতে 'অতীত'টোক উনবিংশ শতিকাৰ মাজ ভাগৰ পৰা একবিংশ শতিকালৈ বান্ধি ৰাখিছো। এইখিনি কথাৰ উল্লেখ এই কাৰণতেই কৰা হ'ল যাতে পাঠকৰ মনত কোনো বিভ্ৰান্তি নহয়। দ্বিতীয়তে, ৰচনাটিত উল্লেখ কৰা তথ্যপাতিবোৰৰ অধিকাংশই বিজ্ঞ বা বয়োবৃদ্ধ ব্যক্তিৰ মুখে শুনা যিসকলৰ আজি অধিকাংশই ইহজগতত নাই। বাকীখিনি বুৰঞ্জী আদি বিভিন্ন সূত্ৰে উদ্ধাৰ কৰা। তেনেধৰণৰ প্ৰামান্য দলিল আমাৰ হাতত নাই।

**আগ কথাঃ-** এই কথা কোনেও নুই কৰিব নোৱাৰে যে শিক্ষা মানৱজীৱনৰ এক অপৰিহায্য বিষয়। জ্ঞান লাভৰ প্ৰথমটি সোপানেই হৈছে শিক্ষা। পিতৃ-মাতৃৰ কোলত থাকিয়েই পাওক অথবা ঘৰুৱা পৰিবেশৰ পৰাই পাওক শিক্ষা -জীৱনৰ আৰু বিকশিত সভ্যতাৰ প্ৰাথমিক চৰ্ত। সেইকাৰণে শিশুৰ দৈহিক বিকাশৰ পিছে পিছে মানসিক বিকাশৰ বাবে প্ৰয়োজন হয় শিক্ষাৰ পৰিবেশ সাপেক্ষে সমন্বিত পাঠ্যক্ৰম আৰু প্ৰাথমিকৰ পৰা উচ্চতৰ পৰ্যায়লৈ কিছুমান শিক্ষানুষ্ঠানৰ। যি সমাজে এই অত্যাৱশ্যকীয় চৰ্ত পূৰণ কৰিব নোৱাৰে তেনে সমাজ স্বাভাৱিক ভাবেই সময়ৰ লগত খোজত খোজ মিলাই চলিব নোৱাৰি পিছপৰি থাকে। জ্ঞান-লাভৰ পৰা বঞ্চিত হয়।

এইখিনিতে এটা কথা উল্লেখ নকৰিলে নহয় যে বহুতে আকৌ জ্ঞানতকৈ প্ৰজ্ঞা-অৰ্জনকে জীৱনৰ লক্ষ্য হিচাপে বাচি লয়। তেওঁলোকৰ মতে জ্ঞান লাভ কৰিব পাৰি অধ্যয়নৰ জৰিয়তে। ই কিন্তু পৰিপূৰ্ণ জ্ঞান নহয়। যেতিয়ালৈকে জ্ঞানে বাস্তৱ পৃথিৱীৰ লগত সংগতি বৰ্তাই নিজৰ চিন্তা আৰু আত্মাক আলোকিত কৰিব নোৱাৰে তেতিয়ালৈকে জ্ঞান যান্ত্ৰিক পৰ্যায়তে সীমাবদ্ধ হৈ ৰয়। জাগতিক উপলব্ধিয়ে জ্ঞানক জ্যোতিৰ্ময় কৰিলেহে সৃষ্টি হ'য় প্ৰজ্ঞাৰ। এই প্ৰজ্ঞাই মানুহক কৰ্তব্যা কৰ্তব্য স্থিৰ কৰাৰ অধিকাৰ দিয়ে। প্ৰজ্ঞালাভৰ একমাত্ৰ পথ হৈছে অধ্যয়ন। ইয়াৰ বিকল্প নাই। সেই কাৰণে তাহানি কালতে ভাৰতীয় উপনিষদে উনুকিয়াই থৈ গৈছে "তমসোমা জ্যোতিৰ্গময়' বুলি। সম্ভৱত শিক্ষাৰ তেনে এক পৰমগুণ সম্পন্ন মাধূৰ্যৰ প্ৰতি আকৃষ্ট হৈয়ে পৰৱৰ্তি কালত ভাৰতৰ বিভিন্ন প্ৰান্তত গঢ় লৈ উঠে জ্ঞান-লাভৰ পৰম্পৰা। প্ৰজন্মৰ পৰা প্ৰজন্মলৈ নিৰবিচ্ছিন্ন গতিত চলি থকা প্ৰচেষ্টাৰ ধাৰক-বাহক সকল যুগে যুগে জ্ঞানৰ প্ৰজ্বলিত শিখা হাতত লৈ প্ৰতিটো এন্ধাৰ অঞ্চলৰ মানুহৰ ঘৰৰ দুৱাৰ দলিত উপস্থিত হৈ কয় - 'আত্ম দীপো ভৱ' বুলি।

**বুৰঞ্জীৰ কথাৰেঃ-** আমাৰ ৰচনাৰ শিৰোনামত সন্নিবিষ্ট বিলাসীপাৰাৰ শিক্ষা ব্যৱস্থাৰ 'অতীত' লৈ যোৱাৰ পূৰে তৎকালীন সমাজ ব্যৱস্থা প্ৰশাসনিক পটভূমিৰ আভাস দাঙি নধৰিলে ৰচনাটিৰ বক্তব্য পৰিচ্ছন্ন নহ'ব। কিয়নো শিক্ষা ব্যৱস্থাকে ধৰি অন্যান্য বহু কথাই ইয়াৰ লগত সংপৃক্ত হৈ আছে। বুৰঞ্জীৰ প্ৰতি সামান্য সচেতন ব্যক্তিয়ে জানে যে ভৌগলিক, সামাজিক আৰু ৰাজনৈতিক ভাৱে (১৯৬৫-১৮৭৪) অবিভক্ত গোৱালপাৰা জিলাখন বিভিন্ন সময়ত বংগদেশৰ লগত চামিল হৈ আছিল। ইংৰাজ চৰকাৰে এই ভূ-খণ্ডক জমিদাৰী শাসনৰ এলেকাভূক্ত কৰি ৰাখিছিল। ইংৰাজ শাসকৰ উদ্দেশ্য শিক্ষা বিস্তাৰ নাছিল, আছিল বিভাজন আৰু শাসন (Devide and Rule)। গতিকে শিক্ষা লাভৰ প্ৰাথমিক স্তৰ শিক্ষানুষ্ঠান পতাত কোনো গুৰুত্ব বা প্ৰয়োজন অনুভৱ কৰা নাছিল। অন্তত এই অঞ্চলত নাছিলেই। অৱশ্যে এই ক্ষেত্ৰত ইংৰাজ শাসকতকৈ খ্ৰীষ্টান মিছনাৰীসকলৰ ভূমিকা শলাবলীয়া আছিল বুলি কলেও ভুল কোৱা নহ'ব।

দ্বিতীয়তে, জন-গাথনি, পৰিবেশ, সামাজিক পটভূমি আদিৰ ক্ষেত্ৰত আজিৰ বিলাসীপাৰাৰ লগত উনবিংশ শতিকা, এনেকি বিংশ শতিকাৰ পঞ্চাশৰ দশকলৈ তুলনাই কৰিব

নোৱাৰি। অন্তত আজিৰ জন-অৰণ্যৰে আবেষ্টিত বিলাসীপাৰাৰ লগত নুন্যতম সাদৃশ্যই নাই। তাহানিৰ কথা বাদেই সৌ সিদিনা ১৯৬৯ চনত বিলাসীপাৰাখন নগৰ সমিতিৰ আওতালৈ অহাৰ পূৰ্ব্বে আছিল কিছুমান গাওঁৰে পৰিবেষ্টিত অঞ্চল। যিবোৰ গাওঁৰ অস্তিত্ব এতিয়ালৈ বিলুপ্ত হৈ যোৱা নাই। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য কেইখন হৈছে হাকামা, বানিয়াপাৰা (ৰোকাখাতা), বামুনপাৰা, হীৰাপাৰা, পুৰণি বজাৰ, মূল বাজাৰ অঞ্চল, জমিদাৰ বাৰী সংলগ্ন পাছিলাপট্টি, ঘোষপাৰা, বেপাৰীপট্টি, বৰগাওঁ, ডিমাতোলা, নয়াপাৰা, কুকুৰীৰপাৰ, দূৰ্গাপুৰ, ভৈৰৱগঞ্জ, গাক্টাপাৰা, বটেৰতল, সাতবেৰ, মেধিৰঝাৰ আৰু উপৰটাৰী। এই গাওঁবোৰৰ বাসিন্দাসকল বিভিন্ন সম্প্ৰদায়ৰ আৰু কৃষিজীৱি। বিংশ শতিকাৰ পঞ্চাশৰ দশকলৈ এইবোৰ গাওঁৰ জনসংখ্যা আছিল আঙুলিত লেখিব পৰা ধৰণৰ। দুই এক এলেকাৰ সচেতন ব্যক্তিৰ বাহিৰে শিক্ষা লাভৰ প্ৰতি বাকীসকলৰ কোনো আগ্ৰহে নাছিল। গতিকে সুবিধা গ্ৰহণ কৰাৰো প্ৰশ্ন নাছিল।

সামাজিকভাৱে সচেতন ব্যক্তি বা পৰিয়ালে স্বপ্ৰনোদিতভাৱে কিছু কিছু ক্ষেত্ৰত ব্যক্তিগত পৰ্যায়ত শিক্ষা লাভৰ চেষ্টা কৰিছিল যদিও তাৰ ধাৰাও আছিল ক্ষীন। অসমৰ তৎকালীন লেখক তথা পণ্ডিত প্ৰতাপ চন্দ্ৰ গোস্বামীয়ে সেইকালত দুইধৰণৰ পঢ়াশালীৰ কথা উল্লেখ কৰিছে। বামুনীয়া আৰু কাইথেলী। বামুনীয়া পঢ়াশালিত সংস্কৃত আৰু মাইথেলীৰ যোগ-বিয়োগ, পূৰণ-ভাগ, মাটিকালি উলিওৱা গণিত আদি শিকোৱা হৈছিল। ই আছিল জীৱিকা নিৰ্বাহৰ বাবে শিকা বিদ্যা।

গতিকে এই সুযোগ-সুবিধা গ্ৰহণ কৰা ব্যক্তিসকল সাধাৰণতে উচ্চ বৰ্ণৰ আছিল। তেনে এক 'টোল'ৰ তথ্য হাকামা অঞ্চলত আছিল বুলি তথ্য পোৱা যায় য'ত কেৱল বিলাসীপাৰা অঞ্চলৰে নহয়, তদানীন্তন কামৰূপ, দৰং আদিৰ পৰা শিক্ষালাভ কৰি সংস্কৃত উপাধিৰে বিভূষিত হৈছিল।

তেনে পৰিবেশত শিক্ষালাভৰ প্ৰক্ৰিয়া কিমান কাললৈ চলিছিল জনা নেযায়। কিন্তু ১৮৯১ চন মানত প্ৰতিষ্ঠিত হৈছিল বিলাসীপাৰা অঞ্চলৰ প্ৰথমখন আনুষ্ঠানিক শিক্ষানুষ্ঠান 'হাকামা বালক বিদ্যালয়'। সম্ভৱত বিদ্যালয়খন বিজনী ৰাজ ইষ্টেটৰ পৃষ্ঠপোষকতাত আৰু স্থানীয় হাকামা অঞ্চলৰ শিক্ষানুৰাগী ৰাইজৰ চেষ্টাত গঢ়লৈ উঠিছিল। উল্লেখযোগ্য যে তদানীন্তন চাপৰ ইষ্টেটৰ শেষ জমিদাৰ প্ৰয়াত নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰী দেৱেও এই বিদ্যালয়ৰ ছাত্ৰ আছিল। (উৎস-শ্ৰীযুত শিৱেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী ৰোকাখাতা)। পৰবৰ্ত্তিকালত (প্ৰকৃত চন জনা নাযায়) বৰ্ত্তমানৰ বিলাসীপাৰাস্থ প্ৰাথমিক বিদ্যালয় সমূহৰ সহঃ পৰিদৰ্শকৰ কাৰ্যালয় প্ৰাংগনত নাৰী শিক্ষাৰ উৎসাহাৰ্থে 'হাকামা বালিকা বিদ্যালয়' নামে আন এখন বিদ্যালয় প্ৰতিষ্ঠা হৈছিল। পিছে স্বাধীনতা লাভৰ পিছত চৰকাৰৰ নতুন শিক্ষানীতিৰ উজুহাতত ১৯৫২ চনত এইখন বিদ্যালয় ওচৰৰে আৰু পূৰ্বতে প্ৰতিষ্ঠিত 'হাকামা বালক বিদ্যালয়'ৰ লগত একত্ৰিত কৰি পূৰ্ব্বৰ নামৰ পৰিবৰ্ত্তে নতুনকৈ নামকৰণ কৰে ৯৪ নং হাকামা নিম্ন বুনিয়াদী বিদ্যালয় ৰূপে। আমি তেতিয়া 'খ-শ্ৰেণী'ৰ ছাত্ৰ আৰু সেই বালিকা বিদ্যালয়ৰ ভৱনটিত দুমাহমান পাঠ গ্ৰহণ কৰাৰ কথাও মনত আছে। এই দুয়োখন বিদ্যালয়তে প্ৰাথমিক পৰ্যায়ত শিক্ষাৰ মাধ্যম আছিল বাংলা।

আমি পূৰ্ব্বেই উল্লেখ কৰি থৈছো যে ইংৰাজে এই ভূ-খণ্ড নিজৰ অধীনলৈ অনাৰ পিছত আৰু ইয়াক ঢাকা প্ৰশাসনৰ লগত সংযুক্ত কৰাৰ ফলত তৎকালীন মধ্যবিত্ত শ্ৰেণীৰ বহুলাংশই বংগদেশৰ ভাষা সংস্কৃতি আৰু ইতিমধ্যে ৰাজা ৰামমোহন ৰায়ৰ নেতৃত্বত আৰম্ভ হোৱা 'নৱোন্যাস যুগ'ৰ সম্পৰ্কলৈ আহি বাংলাপ্ৰীতিত উদ্বেলিত হৈ উঠিছিল। দ্বিতীয় কাৰণটো আছিল, ইতিমধ্যে বংগদেশত বাংলাভাষা সাহিত্য-সংস্কৃতি, শিক্ষানীতি, ছপাযন্ত্ৰৰ ব্যৱহাৰ, আলোচনী বাতৰি কাকত আদিৰ বহুল প্ৰচলনে বাংলা আৰু বাঙালীৰ সুধীজনৰ মন মগজুত যি জোৱাৰ তুলিছিল সেইবোৰক আওকান কৰা পাশ্ববৰ্তি অঞ্চলৰ শিক্ষানুৰাগী সকলৰ পক্ষে সম্ভৱ নাছিল। এই অঞ্চলৰ মধ্যবিত্তসকল বংগদেশৰ মধ্যবিত্ত সংস্পৰ্শলৈ আহি ৰংপুৰ, ঢাকা আৰু কলিকাতৰ লগত নিবিড় সংযোগ স্থাপন কৰিছিল। উনৈশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ কালছোৱাত শিক্ষা-দীক্ষা, চাকৰি-বাকৰি, ব্যৱসায়-বাণিজ্য কৰা লোকসকলৰ ওপৰত সেইবোৰ ঠাইৰ প্ৰভাৱ পৰিছিল। গতিকে এই অঞ্চলৰ শিক্ষানুষ্ঠানবোৰত বাংলা ভাষাৰ প্ৰয়োগ পূৰ্ণগতিত চলিল আৰু ই বিংশ শতিকাৰ পঞ্চাশৰ দশকলৈ অব্যাহত থাকিল।

১৮৫৩ চনত চাপৰত অৱস্থিত চাপৰ ইষ্টেটৰ জমিদাৰীৰ সদৰ বিলাসীপাৰালৈ স্থানান্তৰিক হয়। এই ইষ্টেটৰ শেষ জমিদাৰ নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱে পিতৃ ইন্দ্ৰ নাৰায়ণ চৌধুৰীৰ নামত ১৯২৮ চনত এখন মধ্য ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠা কৰে। এয়া আছিল এই অঞ্চলত শিক্ষা ব্যৱস্থা প্ৰসাৰৰ

দ্বিতীয় প্ৰচেষ্টা। এইখিনিতে এটা উল্লেখযোগ্য কথা সংযোজন কৰাৰ প্ৰয়োজন আছে। নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৰ প্ৰশাসনিক দিশত সফল নে বিফল আছিল তাৰ মূল্যায়ন কৰাৰ প্ৰয়োজন আমাৰ নাই কিন্তু তেখেত নিজেই এজন অধ্যয়ন প্ৰিয় ব্যক্তি হোৱাৰ উপৰিও শিক্ষাক জনতাৰ মাজৰ বিলাই দিয়াৰ ক্ষেত্ৰত যে অনন্য ভূমিকা পালন কৰিছিল, এই কথা তেখেতৰ পৰম শত্ৰুৱেও স্বীকাৰ কৰিব লাগিব। তাৰ ভূমিকা কেৱল বিদ্যালয় স্থাপনতে সীমাবদ্ধ নাছিল বিদ্যালয়খনক আকৰ্ষণীয় শিক্ষা কেন্দ্ৰলৈ ৰূপান্তৰিত কৰিবলৈ সুদূৰ বংগদেশৰ পৰা লৈ আহিছিল পাৰদৰ্শী শিক্ষক আৰু বিদ্যালয় এখনৰ বাবে অতিকৈ প্ৰয়োজনীয় পুথি ভঁড়ালৰ বাবে প্ৰয়োজন হোৱা পাঠ্যপুথিৰ বাহিৰেও দেশ-বিদেশৰ মহামূল্যবান আৰু আপুৰুগীয়া কিতাপ। কালক্ৰমত এই মধ্য ইংৰাজী বিদ্যালয়খন উচ্চ ইংৰাজী বিদ্যালয়লৈ উন্নীত হ'ল যদিও এটা সময়ত এক অশুভ শক্তিৰ হাতত সম্পূৰ্ণৰূপে ভস্মীভূত হৈছিল। লগে লগে বিলাসীপাৰাৰ শিক্ষাৰ জগতখনক মহিমামণ্ডিত কৰিব পৰা এক অমূল্য সম্পদ চিৰদিনৰ বাবে ধ্বংস হ'ল। ই এক অপূৰণীয় ক্ষতি। পৰবৰ্তি কালত অৰ্থাৎ ১৯৬০ চনত এই গৰাকী শিক্ষানুৰাগী ব্যক্তিয়ে কিদৰে এসময়ত নৃপেন্দ্ৰ নাৰায়ণ কলেজ' প্ৰতিষ্ঠাৰ ক্ষেত্ৰত প্ৰভাৱশালী ভূমিকা লৈছিল তাৰ কথা প্ৰতিজন বিলাসীপাৰাবাসী ৰাইজৰ অৱগত। সেই সময়ত বৰ্তমান বিলাসীপাৰা মহাবিদ্যালয় কাৰ্যালয় ভৱন হিচাপে ব্যৱহাৰিত সুদৃশ্য আটোক ধুনীয়া ভৱনটো প্ৰদান কৰি বিলাসীপাৰাত মহাবিদ্যালয় প্ৰতিষ্ঠাৰ সূচনা কৰিছিল। ব্যক্তি পূজাৰ পক্ষপাতি আমি নহও, কিন্তুএজন বিশেষ ব্যক্তিৰ দূৰ-দৃষ্টি সম্পন্ন চিন্তাধাৰা আৰু কৃতকৰ্ম নিশ্চয় আদৰ্শৰ প্ৰতীক। সিযিকি নহওক লাগে, শিক্ষা জগতখনত এখোপ দুখোপকৈ বিলাসীপাৰাই যি অগ্ৰগতি লাভ কৰিলে ই পৰবৰ্ত্তি কালত পৰ্যায়ক্ৰমে চলি থাকিল। শিক্ষানুষ্ঠান পতাৰ আগ্ৰহ, সমাজখনক 'তমসা মা জ্যোতিৰ্গময়'ৰ প্ৰতি অগ্ৰসৰ হোৱাৰ গতি সঞ্চাৰিত হ'ল।

এই ইন্দ্ৰ নাৰায়ণ একাডেমী'ক কেন্দ্ৰ কৰিয়েই বিলাসীপাৰাত এক সুকীয়া শৈক্ষিক পৰিবেশৰ সৃষ্টি হ'ল। বাংলা মাধ্যমৰ এইখন বিদ্যালয়ত অধ্যয়নৰ বাবে কেৱল বিলাসীপাৰা অঞ্চলৰে নহয় ওচৰ চুবুৰীয়া চাপৰ, বহলপুৰ, শালকোচা, লক্ষীগঞ্জ, ফুটকীবাৰী আদিৰ পৰাও হাইস্কুলীয়া শিক্ষা লাভাৰ্থে ছাত্ৰ আহি বিলাসীপাৰাৰ বিভিন্ন গাওঁ ভৰি পৰিল। কাৰণ এইখনেই আছিল তদানীন্তন কালৰ একমাত্ৰ হাইস্কুল পৰ্যায়ৰ শিক্ষালাভৰ একমাত্ৰ শিক্ষানুষ্ঠান। ১৯৩০ চনৰ ভিতৰতে স্থানীয় আৰু ওপৰোক্ত অঞ্চলৰ বহু মেধাবী, নিষ্ঠাবান ছাত্ৰৰে ওচৰ চুবুৰীয়া গাওঁবোৰৰ স্থানীয় বাসিন্দা সকলৰ ঘৰ ভৰি পৰিল। এই ক্ষেত্ৰত হাকামা প্ৰকৃতাৰ্থত এখন আবাসিক ছাত্ৰাবাসত পৰিণত হ'ল বুলি তদান্তিন কালৰ এগৰাকী বিশিষ্ট পৰবৰ্তি কালত অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ সিংহদেৱে এক প্ৰৱন্ধত উনুকিয়াইছিল।

বহু ঘাত-প্ৰতিঘাতৰ পাছত ১৯৯২ চনত অবিভক্ত গোৱালপাৰা জিলাখনক স্থায়ীভাৱে অসমৰ লগত চামিল কৰা হয়। ফলত অন্যান্য ক্ষেত্ৰ বাবেও শিক্ষাৰ জগতত, বিশেষকৈ শিক্ষাৰ মাধ্যম প্ৰসংগত, একপৰিৱৰ্ত্তনৰ সূচনা হয়। ইমান দিনে বাংলা মাধ্যমত প্ৰচলিত শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তে অসমীয়া মাধ্যমৰ প্ৰসংগটো স্থানীয় জনগণৰ মনত গা-কৰি উঠিল। দ্বিতীয়তে সমগ্ৰ ভাৰতবৰ্ষত স্বাধীনতা সংগ্ৰামৰ উন্মাদনা লগতে জাতীয়তাবাদী চিন্তা চৰ্চাই মানুহক উদ্বুদ্ধ কৰাৰ মুহুৰ্ত্তত অসমীয়া ভাষা-সংস্কৃতি প্ৰতিষ্ঠাৰ মৰ্যদাৰ যুঁজখনৰ প্ৰতিক্ৰিয়া সৰ্ব্বস্তৰত বিয়পি পৰিছিল।

তৃতীয়তে, ইতিমধ্যে বংগদেশৰ পৰা প্ৰব্ৰজিত হিন্দু-মুছলমানৰ এক বিশাল জনশ্ৰোত অসমত নিগাজীকৈ বাস কৰিবলৈ আৰম্ভ কৰাৰ পৰিপ্ৰেক্ষিত আন এক নতুন পৰিৱেশৰ সৃষ্টি হ'ল। ১৯৩৩ চনত ইংৰাজ চৰকাৰে কানিংহাম চাৰ্কুলাৰ যোগে বিদ্যালয়ত মাতৃভাষা মাধ্যমৰূপে ব্যৱহাৰৰ নিৰ্দ্দেশ দিছিল। তাৰেই আধাৰত অসমীয়া ভাষাপ্ৰেমী দূৰদৰ্শী নেতাসকলে বাংলাভাষাৰ পৰিৱৰ্ত্তে অসমীয়া ভাষাকে শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিছিল। এই ক্ষেত্ৰত অভিবাসী মুছলমান সকলে বাস কৰা চৰ-চাপৰিকো সামৰি লৈছিল, এনে এক ধামখুমীয়া পৰিস্থিতিত স্থানীয় ৰাইজে ইন্দ্ৰ নাৰায়ণ একাডেমী কতৃপক্ষক বাংলাৰ লগতে অসমীয়া মাধ্যম প্ৰৱৰ্তন কৰিবলৈ অনুৰোধ জনায় যদিও কতৃপক্ষই সেই অনুৰোধ প্ৰত্যাখ্যান কৰাত ১৯৪০ চনত বিজনীৰাজ ইষ্টেটৰ পৃষ্ঠপোষকতাত ৰোকাখাতা উচ্চ ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠা হয়। মন কৰিবলগীয়া কথাটো হৈছে, এইখনেই ধুবুৰী জিলাৰ ভিতৰত প্ৰথম অসমীয়া মাধ্যমৰ হাইস্কুল। শিক্ষাৰ মাধ্যমতকৈ শৈক্ষিক পৰিৱেশ সৃষ্টিত বিলাসীপাৰাক এই বিদ্যালয়খনে আৰু এখোপ আগবঢ়াই ললে, এইটোহে গুৰুত্বপূৰ্ণ কথা।

ইতিমধ্যে ওপৰত উল্লিখিত কাৰণবোৰৰ বাবে বিলাসীপাৰাৰ জন-গাথনিত ব্যাপক পৰিৱৰ্ত্তন হ'ল। তদুপৰি ওচৰ-পাজৰৰ গাওঁবোৰতো শিক্ষালাভৰ বাবে জনগন সচেতন

হৈ পৰিল। ফলত, ইতিমধ্যে প্ৰতিষ্ঠিত বিদ্যালয়বোৰত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ব্যাপকভাৱে বৃদ্ধি পালে। সেই সময়ৰ পৰিকাঠামে এই বৰ্দ্ধিত শিক্ষানুৰাগী ছাত্ৰ-ছাত্ৰীৰ পক্ষে অনুকুল হৈ নাথাকিল। সময় আৰু পৰিবেশৰ আহ্বানৰ প্ৰতি সচেষ্ট হৈ বিলাসীপাৰাৰ নেতৃত্বস্থানীয় ব্যক্তিসকলে বিংশ শতিকাৰ পঞ্চাশৰ দশকৰ পৰা শিক্ষানুষ্ঠান গঢ়ি তোলাত গুৰুত্ব দিবলৈ আৰম্ভ কৰিলে। তাৰেই পৰিপ্ৰেক্ষিতত বিলাসীপাৰাত প্ৰায় সমান্তৰাল ভাবে মহাবিদ্যালয় আৰু এখন অসমীয়া মাধ্যমৰ হাইস্কুল প্ৰতিষ্ঠাত হাত দিলে আৰু ১৯৬০ চনৰ ভিতৰত বিলাসীপাৰা মহাবিদ্যালয় আৰু পাব্লিক হাইস্কুল গঢ়ি উঠিল. এই ক্ষেত্ৰত প্ৰাথমিক আৰু মধ্য ইংৰাজী প্ৰৰ্যায়ৰ বিদ্যালয়ো এই কাৰ্যসূচীৰ ভিতৰত অন্তৰ্গত আছিল।

ইয়াৰ পিছতো কিন্তু সমস্যাৰ ওৰ নগৰিল। হাইস্কুল প্ৰয্যায়ৰ প্ৰতিখন বিদ্যালয়ে আছিল সহশিক্ষাৰ অন্তৰ্গত। কিন্তু কেইটামান বছৰৰ পিছতে এই কথা স্পষ্ট হৈ পৰিল যে বিদ্যালয়ত অধ্যায়ণৰত ছাত্ৰীৰ সংখ্যা ইমান দ্ৰুত গতিত বৃদ্ধি পালে যে ইতিমধ্যে প্ৰতিষ্ঠিত বিদ্যালয়বোৰে এই বৰ্দ্ধিত ছাত্ৰীবৃন্দকআসন প্ৰদান কৰাত অসমৰ্থ হ'ল। পুনৰ প্ৰয়োজন হ'ল অতিৰিক্ত শিক্ষানুষ্ঠানৰ। অন্ততঃ এখন ছোৱালী হাইস্কুল। আকৌ বিলাসীপাৰাৰ গণ্য মান্য ব্যক্তিসকল আগবাঢ়ি আহিল ছোৱালী হাইস্কুল এখন প্ৰতিষ্ঠাৰ বাবে। এয়া ১৯৬৮ চনৰ কথা। হাইস্কুলখন প্ৰতিষ্ঠিত হ'ল। পিছে ইয়াৰ মাধ্যম অসমীয়া আৰু বাংলা দুয়োটাকে ৰখা হ'ল। জাক্ জাক্ ছাত্ৰীয়ে বিদ্যালয় কোঠালি ভৰি পৰিল। প্ৰথমে মধ্য ইংৰাজী পৰ্য্যায়লৈ আৰম্ভ কৰা বিদ্যালয়খনত আনুসংগিক কেবাটা কাৰণত কেইবছৰমান পাছত মাধ্যম ভিত্তিত দুখন বিদ্যালয়লৈ বিভাজিত হ'ল আৰু দুয়োখনে বিলাসীপাৰাত নাৰী শিক্ষাৰ অগ্ৰগতিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ব্যোমকেশ স্মৃতি মহাবিদ্যালয় প্ৰতিষ্ঠাও তেনে এক প্ৰচেষ্টাৰ অংগ যদিও এইখনে এতিয়াও চৰকাৰী সাহাৰ্য্য লাভৰ পৰা বঞ্চিত হৈ আছে।

ওপৰত উল্লিখিত আটাইবোৰ শিক্ষানুষ্ঠানে বিভিন্ন সময়ত চৰকাৰী সাহাৰ্য্য লাভ কৰি ঠন ধৰি উঠিছে। কিন্তু ক্ৰমাগতভাৱে বৰ্দ্ধিত ছাত্ৰ-ছাত্ৰী, গুণগতমান আৰু আধুনিক শিক্ষা পদ্ধতি, বিশেষকৈ ইংৰাজী মাধ্যমৰ প্ৰতি আকৰ্ষিত বহু অভিভাৱকে বেচৰকাৰী খণ্ডত ভালে কেইখন বিভিন্ন স্তৰৰ শিক্ষানুষ্ঠান গঢ়ি তুলিছে। কিছুমানে আকৌ জাতীয় ভাবাপন্নৰে উদ্বুদ্ধ হৈ অসমীয়া মাধ্যমৰ বিদ্যালয়ো প্ৰতিষ্ঠা কৰি নিজ নিজ সন্তানক যুগপোযোগী শিক্ষা প্ৰদানত ব্ৰতী হৈছে। 'লিটল ফ্লাৱাৰ', শংকৰদেৱ শিশু নিকেতন, কন-মইনা আদি এই ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা পালন কৰিছে। অসমীয়া বা বাংলা মাধ্যমতে বৈ নাথাকি হিন্দী মাধ্যমৰো কেইখনমান বিদ্যালয় প্ৰতিষ্ঠা কৰি হিন্দীভাষী জনগণে বিলাসীপাৰাৰ শিক্ষাৰ জগতত উজ্জ্বল দৃষ্টান্ত ৰাখিবলৈ সক্ষম হৈছে।

**সামৰণিঃ-** সংস্কৃত শিক্ষা ব্যৱস্থা প্ৰচলিত থকা কালছোৱাত বিলাসীপাৰাত যিদৰে মহামোহপধ্যায়, বিদ্যা বাগিশ, ন্যায়-বাগিশ, ব্যাকৰণ শাস্ত্ৰীৰ দৰে বিদগ্ধ পণ্ডিত সমাজৰ সৃষ্টি হৈছিল সেইদৰে ইছলামী শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰতো মৌলানা, মৌলবী মুকতিৰ দৰে অসংখ্য আলমেৰে বিলাসীপাৰা ভৰি আছে। আধুনিক আৰু বিজ্ঞান প্ৰযুক্তি জগতৰ লগত সংপৃক্ত ছাত্ৰ-ছাত্ৰীসকলে মেধাৰ পৰিচয় দি নিজ নিজ কৰ্মক্ষেত্ৰত পৰিদৰ্শিতা প্ৰদৰ্শন কৰিছে। শিক্ষা, প্ৰশাসন, চিকিৎসা, অভিযান্ত্ৰিক ইত্যাদি বিভিন্ন ক্ষেত্ৰত এই সকল বিলাসীপাৰাৰ সন্তানে দেশ-বিদেশত দক্ষতাপূৰ্ণ সেৱা আগবঢ়াই বিলাসীপাৰাক ধন্য কৰিছে, আদৰ্শনীয় পথ প্ৰদৰ্শন কৰিছে ভৱিষ্যতৰ প্ৰজন্মক আমি প্ৰত্যেকেই তেওঁলোকৰ কৃতিত্বত গৌৰবান্বিত যিদৰে গৌৰবান্বিত সেই সকল ব্যক্তিৰ বাবে যিসকল মহৎপ্ৰান ব্যক্তিয়ে বিলাসীপাৰাক শিক্ষাৰ ক্ষেত্ৰত অগ্ৰনীয় ভূমিকা লৈ বিলাসীপাৰাত অতবোৰ শিক্ষানুষ্ঠান গঢ়ি তুলিছিল।

অৱশেষত, যিখন মহাবিদ্যালয়ে আমাক স্নাতক উপাধি লাভ কৰাত মুখ্য ভূমিকা পালন কৰিলে, যিসকল শিক্ষাগুৰুৰ স্নেহপূৰ্ণ সংস্পৰ্শত জ্ঞান লাভৰ সুযোগ পালো, যিসকল কৰ্মচাৰীৰ পৰা সহায়-সহযোগিতা লাভ কৰিলো সেইসকলৰ আটাইলৈ এই স্মৃতিগ্ৰন্থৰ জৰিয়তে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

Contd. ..................................

বিলাসীপাৰা নগৰ সমিতি এলেকা অন্তৰ্গত
শিক্ষানুষ্ঠান সমূহৰ তালিকা

# বিলাসীপাৰা নগৰ সমিতি এলেকা অন্তৰ্গত শিক্ষানুষ্ঠান সমূহৰ তালিকা

| ক্ৰমিক নং | প্ৰকাৰ | মাধ্যম | মাধ্যম অনুসৰি সংখ্যা | মুঠ |
|---|---|---|---|---|
| ১ | প্ৰাথমিক বিদ্যালয় | বাংলা - ৬<br>অসমীয়া - ১৮<br>হিন্দী - ১ | | ২৫ খন |
| ২ | মধ্য ইংৰাজী বিদ্যালয় | বাংলা - ১<br>অসমীয়া - ৩<br>হিন্দী - ১ | | ৫ |
| ৩ | উচ্চ মাধ্যমিক | বাংলা - ১<br>অসমীয়া - ১<br>হিন্দী - ১ | | ৩ |
| ৪ | উচ্চতৰ মাধ্যমিক বিদ্যালয় | বাংলা - ১<br>অসমীয়া - ২ | | ৩ |
| ৫ | মহাবিদ্যালয় | ইংৰাজী আৰু অসমীয়া | | ১ |
| ৬ | হাই মাদ্ৰাছা | | | ১ |
| ৭ | অন্যান্য | | | |
| বেচৰকাৰী খণ্ডত প্ৰতিষ্ঠিত শিক্ষানুষ্ঠান | | | | |
| ১ | প্ৰাথমিক | ইংৰাজী - ৪<br>অসমীয়া - ১ | | ৫ |
| ২ | উচ্চ মাধ্যমিক | ইংৰাজী - ১<br>অসমীয়া - ১ | | ২ |
| ৩ | কনিষ্ঠ মহাবিদ্যালয় | | | ১ |

# স্বাধীনতা সংগ্ৰামত বিলাসীপাৰা

শ্ৰীহিৰণ্য কুমাৰ নাথ

অসমৰ পশ্চিম সীমাৰ বিলাসীপাৰা অঞ্চলো দেশৰ স্বাধীনতা আন্দোলনৰ অংশীদাৰ হৈছিল। অতীতৰ বিলাসীপাৰাত মেচ সম্প্ৰদায়ৰ লোকৰ বসতি আছিল আৰু বসতি বৰ সেৰেঙা আছিল। ব্ৰহ্মপুত্ৰ আৰু গৌৰাং নদীৰ তটভূমি হোৱা বাবে নদীপথৰ যাতায়ত সুবিধাজনক আছিল। এই নদী পথেৰে ব্যৱসায় বা অন্যান্য কাৰণত আন আন ঠাইৰ মানুহ আহি ইয়াৰ সাৰুৱা মাটি আৰু প্ৰাকৃতিক সৌন্দৰ্যত মুগ্ধ হৈ ইয়াতে স্থায়ীভাৱে থাকিবলৈ লৈছিল। ১৬৬৩ খৃঃত হোৱা বৃহৎ ভূমিকম্পত ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ মানুহ বৰ বেয়াকৈ ক্ষতিগ্ৰস্থ হৈছিল আৰু উত্তৰ পাৰলৈ আহি বিলাসীপাৰা অঞ্চলতে সংস্থাপিত হৈছিল। ইয়াৰ ফলত সেই সময়ৰ পৰাই এই ঠাই বিভিন্ন জনগোষ্ঠীৰ মিলনভূমি হৈ পৰিছিল। ১৭৭০ খৃঃত বংগদেশৰ শাসনকৰ্ত্তাৰ অত্যাচাৰৰ পৰা পৰিত্ৰান পোৱাৰ লক্ষ্যৰে বহুতো মানুহে দেশত্যাগ কৰি এই ঠাইলৈ আহি আগৰ মানুহখিনিৰ সৈতে মিলা প্ৰীতিৰে বসতি কৰিছিল। ১৮৯৭ খৃঃৰ ১২ জুন তাৰিখৰ ভূমিকম্পত ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ ঘন বসতিপূৰ্ণঅঞ্চলৰ প্ৰভূত ক্ষতি হোৱাত এইবোৰ অঞ্চলৰ লোকৰ প্ৰব্ৰজন বিলাসীপাৰালৈকে হৈছিল। একেদৰে ১৯৩০ চনৰ ভূমিকম্পতো ক্ষতিগ্ৰস্থ হৈ অনেক পৰিয়াল ইয়াত আহি সংস্থাপিত হৈছিল। বিভিন্ন সময়ত প্ৰাকৃতিক, ৰাজনৈতিক বা সামাজিক কাৰণত বিভিন্ন ঠাইৰ বিভিন্ন ভাষাভাষী বা ধৰ্মৰ লোকৰ আগমন আৰু সংস্থাপনৰ মাজেৰে সমন্বয় গঢ়ি উঠিছিল আৰু ইয়ে এই অঞ্চলৰ জনগাঁথনিৰ পৰিৱৰ্ত্তনৰ সূচনা কৰিছিল।

গোৱালপাৰা জিলাৰ (বৰ্ত্তমান গোৱালপাৰা, ধুবুৰী, বঙাইগাঁও, কোকৰাঝাৰ) ইতিহাস অসমৰ ইতিহাসৰ পৰা আছিল পৃথক। কমতা-কোচ ৰাজত্বৰ বিপৰ্যয়ত এই জিলাখন মোগল আৰু ইংৰাজৰ তলতীয়া হ'বলগীয়া হৈছিল। ১৭৯৩ খৃঃত বৃটিছ গভৰ্ণৰ জেনেৰেল লৰ্ড কৰ্ণৱালিচৰ শাসন কালত চিৰস্থায়ী বন্দোৱস্তী সূত্ৰে সমগ্ৰ গোৱালপাৰাখন কেইবাজনো জমিদাৰৰ শাসনাধীন কৰা হৈছিল। বিলাসীপাৰা অঞ্চলৰ বৃহৎ অংশ চাপৰ জমিদাৰৰ আৰু কিয়দংশ গৌৰীপুৰ আৰু বিজনী জমিদাৰৰ অন্তৰ্গত আছিল আৰু সেই জমিদাৰৰ প্ৰজাৰূপে অধিবাসীসকল পৰিচিত হৈছিল। চাপৰক কেন্দ্ৰ কৰি জয় নাৰায়ণ শৰ্মাই চাপৰ জমিদাৰীৰ আৰম্ভ কৰিছিল। ভূটিয়াৰ আক্ৰমন আৰু কেন্দ্ৰস্থ স্থান হোৱা হেতুকে ১৮৩৬ খৃঃত জমিদাৰ কীৰ্ত্তি নাৰায়ণ চৌধুৰীৰ দিনত জমিদাৰীৰ গৃহ বিলাসীপাৰালৈ স্থানান্তৰীত কৰা হৈছিল। সেই সময়ত বিলাসীপাৰা বিলাসুপাৰা নামে খ্যাত আছিল। বিলাসু নামৰ প্ৰতিপত্তি থকা মেচ ব্যক্তি এজনৰ নামেৰে এই নাম হৈছিল বুলি লোকশ্ৰুতি শুনা যায়। জমিদাৰীৰ কেন্দ্ৰস্থল হোৱাৰ লগে লগে আৰু বজাৰ স্থাপনৰ ফলত অলপ দিনৰ ভিতৰতে বিলাসীপাৰা বিখ্যাত হৈ পৰিবলৈ ধৰিলে। ১৯২৮ চনত উচচ শিক্ষাৰ লক্ষ্যৰে জমিদাৰৰ পৃষ্ঠপোষকতাত ইন্দ্ৰনাৰায়ণ একাডেমী আৰু ১৯৩০ চনত জাহাজঘাট স্থাপনৰ লগে লগে বিলাসীপাৰা গুৰুত্বপূৰ্ণ আৰু উল্লেখযোগ্য স্থানলৈ পৰিবৰ্ত্তিত হৈছিল।

সমগ্ৰ ভাৰতবৰ্ষতে স্বাধীনতা আন্দোলন আৰম্ভ হোৱাৰ পৰা অন্ত পৰালৈকে বিলাসীপাৰা তথা অবিভক্ত গোৱালপাৰা জিলাত জমিদাৰৰ শাসন চলিছিল। জমিদাৰৰ শাসন-শোষন, দমন, নিৰ্যাতন, অত্যাচাৰে সৰ্বসাধাৰণ প্ৰজাক অসন্তুষ্ট কৰিছিল। এনে সময়তে আন্দোলনৰ বতাহে বিলাসীপাৰা বাসীক চুই যোৱাত জমিদাৰৰ বিপক্ষে থকা অসন্তুষ্ঠিয়ে জ্বলা জুইত ঘিউ ঢলাৰ দৰে হৈছিল। প্ৰজা সাধাৰণে জমিদাৰ তথা ইংৰাজৰ শাসনৰ পৰা মুক্তি পোৱাৰ আকাঙ্খা কৰিছিল। এই আকাঙ্খা বাস্তৱায়িত কৰাৰ লক্ষ্যৰে প্ৰজা সাধাৰণ কংগ্ৰেছৰ পতাকাৰ তলত ঐক্যবদ্ধ হৈ মহাত্মা গান্ধী নিৰ্দ্দেশিত পন্থাৰে আন্দোলনত সহযোগ আগবঢ়াইছিল। ইয়াৰে কিছু সংখ্যকে অহিংস আন্দোলনত অংশ লৈছিল আৰু কিছু সংখ্যকে সহিংস-সশস্ত্ৰ বিপ্লৱত বিশ্বাস ৰাখি দেশক পৰাধীনতাৰ শৃঙ্খল মুক্ত কৰাৰ বাবে নানা দমন, নিৰ্যাতন মূৰ পাতি লৈছিল।

১৯১৭ চনত ধুবুৰীত জাতীয় কংগ্ৰেছৰ শাখা স্থাপন হয় আৰু এই জিলা সমিতিয়ে দেশৰ জাতীয় আন্দোলনৰ বাতৰি জিলাবাসীৰ মাজত প্ৰচাৰ কৰা; সংগঠন কৰা আৰু আন্দোলন পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰে। ১৯২০ চনৰ পৰাই বিলাসীপাৰা অঞ্চলত আন্দোলনৰ স্পৰ্শ পৰিবলৈ ধৰে। ১৯২১ চনত বিলাসীপাৰাত প্ৰাথমিক কংগ্ৰেছ কমিটী গঠন কৰা হয়। এই

সমিতিৰ মহাদেৱ সিংহ সভাপতি, কালু কাজি সম্পাদক, প্রফুল্ল চক্রৱর্ত্তী, হৰেন্দ্র সৰকাৰ, পূৰ্ণদত্ত, মতিলাল সাহা, বসন্তশীল, পৰমানন্দ সৰকাৰ আদিয়ে সদস্যৰূপে আন্দোলন পৰিচালনাৰ দায়িত্ব লৈছিল। ১৯২৬ চনৰ নিখিল ভাৰত কংগ্ৰেছৰ পাণ্ডু অধিবেশনৰ প্ৰতিনিধি ৰূপে বিলাসীপাৰাৰ ডিমাতলা গাঁও নিবাসী শৰৎ চন্দ্ৰ সিংহই যোগদান কৰি বিলাসীপাৰাৰ প্ৰতিনিধিত্ব কৰিছিল।

১৯২৮ চনৰ ৩ ফ্রেব্রুৱাৰীত চাইমন কমিচন ভাৰতত পদাৰ্পন কৰাৰ প্ৰতিবাদত সমগ্ৰ দেশতে যি বিক্ষোভ প্ৰদৰ্শন হৈছিল, বিলাসীপাৰাৰ স্বাধীনতা সংগ্ৰামী সকলেও এই কাৰ্যসূচী ৰূপায়িত কৰিছিল। ১৯৩০ চনৰ জানুৱাৰীত লোণ আইন অমান্য আন্দোলন আৰু বিদেশী বস্তু বৰ্জন আন্দোলনত বিলাসীপাৰাৰ বহু লোকে অংশলৈ কৰাবৰণ কৰিছিল। ইন্দ্ৰনাৰায়ণ একাডেমীত পঢ়া জাতীয়তাবাদী ভাৱধাৰাৰ ছাত্ৰসকলে শ্ৰেণী বৰ্জন কৰি বন্দেমাতৰম ধ্বনি দি শোভাযাত্ৰা কৰি ৰাজহুৱা পথাৰত বিলাতী কাপোৰ দাহ কৰিছিল। সেই সময়ৰ ছাত্ৰ দেৱাজউদ্দিন সৰকাৰ, ফণীভূষণ শিকদাৰ, হেমন্ত দাস, নৃপেন ৰায়, শ্যামাদাস, সুধীৰ চন্দ, সত্যেন চক্ৰৱৰ্ত্তী আদিয়ে এই আন্দোলনত আগভাগ লৈছিল। মদৰ দোকানত পিকেটিং কৰাৰ অপৰাধত হেমন্ত দাস আৰু ফণীভূষণ শিকদাৰক গ্ৰেপ্তাৰ কৰি ধুবুৰী থানালৈ প্ৰেৰণ কৰিছিল। ইন্দ্ৰ নাৰায়ণ একাডেমী কৰ্ত্তপক্ষই ইংৰাজ শাসক বৰ্গ আৰু জমিদাৰৰ নিৰ্দ্দেশত আন্দোলনত সহযোগ কৰা বহু কেইজন ছাত্ৰক বিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰিছিল। এই সময় চোৱাতে শৰৎ চন্দ্ৰ সিংহ আৰু প্ৰফুল্ল চক্ৰৱৰ্ত্তীৰ নেতৃত্বত স্বদেশী আন্দোলন আৰম্ভ কৰি যঁতৰত কপাহৰ সূতা কাটি খদ্দৰৰ কাপোৰ তৈয়াৰ কৰাৰ ব্যৱস্থা কৰিছিল। বসন্ত কুমাৰীৰ ঘৰত কপাহৰ সূতাকাটা আৰু কাপোৰ বোৱা কেন্দ্ৰ গঢ়ি উঠিছিল। গাঁও অঞ্চলতো এনে কেন্দ্ৰ গঢ়ি তুলিছিল। অমৰ সাহা নামৰ ব্যক্তি এজনে স্বদেশী বস্তু কিনা-বেচা কেন্দ্ৰ স্থাপন কৰিছিল আৰু তাঁতত তৈয়াৰী খদ্দৰৰ কাপোৰ ইয়াত জমা কৰি স্বেচ্ছাসেৱক সকলক যোগান ধৰা হৈছিল। নিধুদাসে এই ক্ষেত্ৰত বিশেষ দায়িত্ব পালন কৰিছিল।

১৯৩৪ চনত আই, এন, একাডেমীত শিক্ষকৰূপে যোগদান কৰা ৰমেশ চক্ৰৱৰ্ত্তীয়ে বিলাসীপাৰা অঞ্চলত কংগ্ৰেছ সংগঠন শক্তিশালী কৰা তথা স্বাধীনতা আন্দোলন তীব্ৰতৰ কৰাত পৰ্যাপ্ত অৰিহণা আগবঢ়াইছিল। তেওঁ গাঁও উন্নয়নমূলক কাম-কাজত ছাত্ৰ-যুৱক সকলক জড়িত কৰিছিল। নিধুদাস, সূৰ্য্যকান্ত শৰ্মাৰ সহযোগত তেওঁ এই দিশত সফল হৈছিল আৰু ইয়াৰ মাজেৰে স্বদেশ প্ৰেমৰ ভাৱাদৰ্শৰ সৃষ্টি কৰিছিল। মহাত্মা গান্ধী ধুবুৰীলৈ অহাৰ সময়ত ৰূপসী জমিদাৰবাৰীত তেওঁৰ নেতৃত্বত ছাত্ৰ-যুৱকৰ দল এটাই খোজ কাঢ়ি গৈ গান্ধীক সাক্ষাৎ কৰিছিল। পৰৱৰ্ত্তী সময়ত মাধৱ ভট্টাচাৰ্যক সভাপতি, ৰমেশ চক্ৰৱৰ্ত্তীক সম্পাদক আৰু প্ৰফুল্ল চক্ৰৱৰ্ত্তী, নৃপেন চক্ৰৱৰ্ত্তী, মানিক লাল চক্ৰৱৰ্ত্তী, দেৱাজউদ্দিন সৰকাৰ, শৰৎ চন্দ্ৰ সিংহ (ডিমাতলা) কলৈ বিলাসীপাৰা কংগ্ৰেছ কমিটিখন নতুনকৈ গঠন কৰি সামাজিক সংগঠন আৰু আন্দোলনৰ দিশত গুৰুত্ব দিছিল। এই সময়তেই অমিয় কুমাৰ দাস, বিষ্ণুৰাম মেধি, সিদ্ধিনাথ শৰ্মাই সংগঠনৰ লক্ষ্যৰে বিলাসীপাৰাত উপস্থিত হোৱাত বিৰাট জনসভা অনুষ্ঠিত কৰি ৰাইজৰ মাজত জনজাগৰণ সৃষ্টি কৰিছিল। ফলশ্ৰুতিত বৃহৎ সংখ্যক লোকে কংগ্ৰেছ দলৰ সভ্য হ'বলৈ উৎসাহিত হৈছিল।

১৯৩৮ চনত অসমৰ প্ৰথম কংগ্ৰেছ প্ৰধান মন্ত্ৰী গোপীনাথ বৰদলৈ বিলাসীপাৰালৈ জাহাজযোগে আহি উপস্থিত হোৱাত বিৰাট ৰাজহুৱা সভাযোগে তেওঁক সম্বৰ্দ্ধনা জনোৱা হৈছিল। সেই বছৰতে ভাৰতীয় কংগ্ৰেছৰ সভাপতি নেতাজী সুভাষ চন্দ্ৰ বসু ধুবুৰীলৈ অহাত বিলাসীপাৰা কংগ্ৰেছৰ সভাপতি দেৱাজ উদ্দিন সৰকাৰে ধুবুৰীত আৰু নিধুদাসৰ নেতৃত্বত ছাত্ৰৰ এটা দলে ফকিৰাগ্ৰাম ৰেল ষ্টেচনত বসুক সাক্ষাৎ কৰি আন্দোলন সম্পৰ্কে প্ৰয়োজনীয় দিহা পৰামৰ্শ গ্ৰহণ কৰিছিল। ১৯৩৯ চনত সৰ্ব্ব ভাৰতীয় কৃষক নেতা স্বামী সহজানন্দ বিলাসীপাৰালৈ আহি বিৰাট জনসভাত ভাষণ দিছিল। ৰমেশ চক্ৰৱৰ্ত্তী আৰু প্ৰফুল্ল চক্ৰৱৰ্ত্তীয়ে এই বামপন্থী নেতা গৰাকীক আদৰণি জনাই ভাষণ দিছিল। এই সময়ৰ পৰাই বামপন্থী আন্দোলন আৰু সংগঠনৰ আৰম্ভণি হৈছিল।

ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ নিৰ্দ্দেশত প্ৰখ্যাত কমিউনিষ্ট নেতা শিলচৰবাসী কমৰেড প্ৰাণেশ বিশ্বাসে বিলাসীপাৰাত থাকি এই অঞ্চলত পাৰ্টিৰ সংগঠন সুদৃঢ় কৰিছিল। ৰমেশ চক্ৰৱৰ্ত্তীয়ে কৃষক আন্দোলনৰ নেতৃত্ব লৈছিল আৰু ১৯৩৯ চনত বিখ্যাত মৎস্যজীৱী আন্দোলনৰ গুৰি ধৰিছিল। মৎস্যজীৱী সকলৰ জীৱিকাৰ স্থলী বিল সমূহ জমিদাৰে বাহিৰৰ মানুহক পত্তন দিয়া কাৰ্যক কেন্দ্ৰ কৰি জমিদাৰৰ বিপক্ষে এই আন্দোলন পৰিচালিত হৈছিল। স্থানীয় শাসক গোষ্ঠীৰ বিৰুদ্ধে প্ৰজাৰ অহিংস সংগ্ৰামৰ এইটোৱে আছিল প্ৰথম উদাহৰণ। লক্ষ্মণ বিশ্বাসে সাতদিন ধৰি অনশন চলাইছিল।

এই আন্দোলন আৰু সত্যাগ্ৰহ এমাহ ধৰি চলিছিল। আন্দোলন ধ্বংস কৰাৰ উদ্দেশ্যে জমিদাৰৰ মেনেজাৰ সুৰেন মুখাৰ্জ্জীয়ে হাটত নিৰস্ত্ৰ সত্যাগ্ৰহী সকলৰ ওপৰত বৰকন্দাজ বাহিনী লৈ আক্ৰমন আৰু মাৰপিট কৰিছিল। জমিদাৰৰ এই অত্যাচাৰৰ বিপক্ষে বিৰাট শোভাযাত্ৰা আৰু জনসভা আয়োজিত হৈছিল। জমিদাৰৰ বিপক্ষে গঢ় লোৱা এই অসন্তোষে প্ৰজা-জমিদাৰৰ মাজত থকা সম্পৰ্ক ছিন্ন হোৱাত সহায়ক হৈছিল। ইয়াৰ ফলশ্ৰুতিতে সৰ্বসাধাৰণ ৰাইজ স্বাধীনতা আন্দোলনৰ প্ৰতি আকৰ্ষিত হৈ পৰিছিল।

বিলাসীপাৰা অঞ্চলত বামপন্থী আন্দোলন তীব্ৰতৰ কৰাত ৰমেশ নাথ, প্ৰফুল্ল চক্ৰৱৰ্ত্তী, হৰিচৰণ দাস, নিধুদাস, বিশ্বেশ্বৰ মণ্ডল, হৰিপদ বিশ্বাস, জীৱন সৰকাৰ, নন্দগোপাল সিংহ, দিব্যলোচন নাথ, গোৱিন্দ নাথ, বাদশা সেখ, শহৰ আলী, প্ৰভাতদেৱ, ফণী বোস, আব্দুল মান্নান, জীতেন নাথ অপূৰ্ব শীল, ৰমেশ নাথ আদি সক্ৰিয় কৰ্মী ৰূপে অৰিহণা আগবঢ়াইছিল। এই সকলে প্ৰাক্ স্বাধীনতাকালৰ পৰাই সংগঠনৰ কামত দেহেকেহে লাগিছিল। গাঁও অঞ্চলত সাংগঠনিক কাম  কাজ দ্ৰুত কৰাৰ লগতে দেশীয় আৰু বহিৰাগত শোষক গোষ্ঠীৰ বিপক্ষে জনজাগৰণ আনিছিল আৰু স্বাধীনতা আন্দোলনৰ প্ৰতি  আনুগত্যশীল কৰিছিল।

দেশৰ স্বাধীনতা আন্দোলনে একাংশ ছাত্ৰৰ মাজত জাতীয়তাবাদী চেতনা জাগৰিত কৰিছিল। ১৯৩২ চনৰ পৰাই বিদ্যালয় সমূহত বাংলা ভাষাৰ পৰিবৰ্ত্তে অসমীয়া মাধ্যমত শিক্ষা লোৱাৰ চিন্তা চেতনা আৰম্ভ হয় আৰু এইলৈ ব্যাপক গণ-জাগৰণ আৰম্ভ হয়। এই গণ-জাগৰণৰ ফলতে একাংশ লোকে  জমিদাৰৰ বিপক্ষে প্ৰত্যক্ষ সংগ্ৰামত অৱতীৰ্ণ হোৱাৰ অনুপ্ৰেৰণা লাভ কৰে। ইন্দ্ৰ নাৰায়ণ একাডেমীত বাংলা ভাষাৰ মাধ্যমটোৰ সৈতে অসমীয়া ভাষা শিকাৰ সুযোগ, সুবিধা নিদিয়াত জমিদাৰ পৰিচালিত বজাৰ পৰিত্যাগ কৰি ভৈৰৱগঞ্জত এখন বজাৰ প্ৰতিষ্ঠা কৰা হয় আৰু অসমীয়া মাধ্যমৰ বিদ্যালয় স্থাপনৰ প্ৰস্তুতি চলোৱা হয়। ১৯৩৯ চনত জগদীশ চন্দ্ৰ মেধিৰ সভাপতিত্বত নিখিল গোৱালপাৰা ছাত্ৰ সন্মিলনৰ অধিবেশন ৰোকাখাতাত অনুষ্ঠিত হৈছিল। এই সন্মিলনত দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ ওপৰত বিস্তৃত আলোচনা কৰি কাৰ্মপন্থা গ্ৰহণ কৰিছিল। ইয়াতে জাতীয়তাবাদী আন্দোলন শক্তিশালী কৰাৰ বাবে উদ্যোগ লৈছিল। এই সন্মিলনৰ উদ্যোক্তা আছিল ডালিম কুমাৰ মেধি, হৰিমোহন ৰায়, নৃপেন ৰায়, সুশান্ত চক্ৰৱৰ্ত্তী, গুণীন্দ্ৰ চক্ৰৱৰ্ত্তী, ৰহিমুদ্দিন আহমেদ, ব্যোমকেশ শৰ্মা আদি। এই জাতীয়তাবাদী ভাৱধাৰাৰ উন্মেষৰ ফলশ্ৰুতিতে জমিদাৰৰ বিদ্যালয়ত পঢ়া ত্যাগ কৰি ১৯৪০ চনত পুৰণি গোৱালপাৰা জিলাৰ ভিতৰত প্ৰথম অসমীয়া মাধ্যমৰ বিদ্যালয় ৰূপে ৰোকাখাতা হাইস্কুল (বৰ্ত্তমান উচ্চতৰ মাধ্যমিক) স্থাপন কৰা হৈছিল। এই বিদ্যালয় স্থাপনৰ ক্ষেত্ৰত হৰেন্দ্ৰ চন্দ্ৰ সৰকাৰ, পৰমানন্দ সৰকাৰ, বসন্তশীল, শৰৎ চন্দ্ৰ সিংহ (ডিমাতলা), কেদাৰ নাথ চক্ৰৱৰ্ত্তী, মাধৱ ভট্টচাৰ্য, প্ৰফুল্ল চক্ৰৱৰ্ত্তী,  মহেশ্বৰ দাস, গোলক চন্দ্ৰ দাস, শয়ানুদ্দিন, হৰিচৰণ দাস, আনন্দ চন্দ্ৰ হীড়া, লক্ষণ নমঃ শূদ্ৰ, পূৰ্ণ চন্দ্ৰ দাস, পূৰ্ণ চন্দ্ৰ দত্ত,  ছমিৰ সেখ, ৰমেশ চন্দ্ৰ চক্ৰৱৰ্ত্তী, নৃপেন ৰায়, ফণীন্দ্ৰ চক্ৰৱৰ্ত্তী,  বিনয় কুমাৰ চক্ৰৱৰ্ত্তী, নৃপেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী, দেৰাজ উদ্দিন আহমেদ, শৰদিন্দু চক্ৰৱৰ্ত্তী আদি অনেকে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। বিদ্যালয় স্থাপনৰ নামত জমিদাৰৰ বিপক্ষে প্ৰত্যক্ষ সংগ্ৰামত অৱতীৰ্ণ হৈ এই সকল লোকে দেশৰ স্বাধীনতা আন্দোলনকে শক্তিশালী কৰিছিল।

আন্দোলনকাৰী সকলৰ বাবে ভৈৰৱগঞ্জ বজাৰখন কেন্দ্ৰস্থ ঠাই আছিল। প্ৰফুল্ল চক্ৰৱৰ্ত্তী, পূৰ্ণ দত্তৰ নেতৃত্বত শান্তি সেনা গঠন কৰা হৈছিল। দলে দলে ছাত্ৰ যুৱক এই শান্তি সেনাৰ সেনানী হৈছিল। ৰমেশ নাথ, হৰমোহন সৰকাৰ, জীতেন নাথ, নিধুদাস, শিবানন্দ শৰ্মা আদি সেনানীৰ আগৰণুৱা আছিল। ১৯৪০ চনত স্বামী যোগানন্দ গিৰিৰ তত্বাৱধানত ৰোকাখাতাত 'গ্ৰাম সেৱক সংঘ' স্থাপিত হৈছিল। প্ৰফুল্ল চক্ৰৱৰ্ত্তী ইয়াৰ সভাপতি আৰু নিধু দাস এই সংঘ সম্পাদক আছিল। সংঘৰ সক্ৰিয় কৰ্মীৰূপে ৰেণুকা দেৱী, তৰুলতা দেৱী, ক্ষণপ্ৰভা দেৱী আদিয়ে সহযোগ আগবঢ়াইছিল। সমাজ তথা গাঁও মূলক কাম কাজৰ লগতে স্বাধীনতাৰ চেতনা জাগৃত কৰাই সংঘৰ প্ৰধান উদ্দেশ্য আছিল। তৰুলতা দেৱীৰ নেতৃত্বত মহিলা সমিতি গঠন কৰা হৈছিল।

১৯৪০ চনত বিলাসীপাৰা কংগ্ৰেছ কমিটিৰ প্ৰতিনিধি ৰূপে দেৰাজ উদ্দিন সৰকাৰ নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ বিহাৰৰ ৰামগড় অধিবেশনত যোগদান কৰিছিল। ১৯৪২ চনৰ অসহযোগ আন্দোলনত এই অঞ্চলৰ আন্দোলনকাৰী সকলে সকলো ধৰণৰ কাৰ্যসূচী ৰূপায়ণ কৰিছিল। বঙ্গদেশৰ বিপ্লৱী আন্দোলনৰ কৰ্মী ডাঃ নৰেন্দ্ৰনাথ ভট্টচাৰ্য ১৯৪১ চনত বিলাসীপাৰালৈ আহি থাকিবলৈ লয় আৰু আন্দোলনক শক্তিশালী কৰাৰ বাবে উঠি পৰি লাগিছিল। মাধৱ ভট্টাচাৰ্য আৰু নৃপেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তীয়ে বিলাসীপাৰা কংগ্ৰেছ কমিটিৰ

সভাপতি আৰু সম্পাদক ৰূপে নেতৃত্ব দিছিল। ১৯৪২ চনৰ আগষ্ট আন্দোলনৰ সময়ত চৰ্দাৰ বৈৰামা সিং, ধৰণীধৰ দাস, চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে শান্তি সেনা আৰু আগষ্ট বিপ্লৱ সংগঠন কৰাৰ বাবে ইয়ালৈ আহিছিল। এই উপলক্ষে এখন বিৰাট সভা অনুষ্ঠিত হৈছিল। ছাত্ৰ সকলে আন্দোলনৰ সমৰ্থনত ধৰ্মঘট আৰু শোভাযাত্ৰা উলিয়াইছিল। সেই সময়ত ছাত্ৰ সকলক নেতৃত্ব দিছিল ৰনেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী, নিধু দাস, শিৱানন্দ শৰ্মা আদিয়ে।

১৯৪৩ চনত দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত সামৰিক বাহিনীৰ যোগাযোগ বন্ধ কৰি দিবলৈ প্ৰায় সাত হেজাৰ স্বেচ্ছাসেৱকে বিলাসীপাৰাৰ প্ৰধান পথটো কাটি দিছিল। এই কামৰ নেতৃত্ব দিয়াৰ অপৰাধত হৰিচৰণ দাস আৰু পূণ্য দাসক গ্ৰেপ্তাৰ কৰি যথেষ্ট শাৰীৰিক নিৰ্যাতন দিছিল।

এই অঞ্চলৰ ৰাইজৰ স্বাধীনতা প্ৰীতি দেখি আৰু ৰাইজক অধিক উৎসাহিত কৰাৰ লক্ষ্যত পণ্ডিত জৱাহৰলাল নেহেৰু ১৯৪৫ চনৰ ১০ ডিচেম্বৰত বিলাসীপাৰাত পদাৰ্পন কৰি বিশাল জনসভাত ভাষণ দিছিল। নেহেৰুক সম্বৰ্দ্ধনা জনাইছিল জগদানন্দ চক্ৰৱৰ্ত্তীয়ে আৰু স্থানীয় পৰিস্থিতি সম্পৰ্কে নেহেৰুক অবগত কৰাই ভাষণ দিছিল। কংগ্ৰেছ সেৱাদলৰ যিসকলে নেতৃত্ব আগবঢ়াইছিল তেওঁলোকৰ ভিতৰত নিধুদাস, শিৱানন্দ শৰ্মা, মহম্মদ আলী সৰকাৰ, নীল সৰকাৰ, ননীমোহন দাস আদিয়ে আছিল উল্লেখযোগ্য।

"দেশ-স্বাধীন কৰিম কিম্বা মৰিম" মন্ত্ৰেৰে প্ৰতিজ্ঞাবদ্ধ হৈ নিৰ্যাতন, অত্যাচাৰ মূৰ পাতিলৈ জীৱনৰ সৰ্বস্ব ত্যাগ কৰি যিসকল ব্যক্তি এই অঞ্চলৰ মুক্তি সংগ্ৰামৰ নেতৃত্ব দিছিল, সেই সকলৰ ভিতৰত প্ৰফুল্ল চক্ৰৱৰ্ত্তী, হৰেন্দ্ৰ নাৰায়ণ সৰকাৰ, ডাঃ নৰেন্দ্ৰ নাথ ভট্টাচাৰ্য, জগদানন্দ চক্ৰৱৰ্ত্তী, হৰিচৰণ দাস, নৃপেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী, ব্যোমকেশ শৰ্মা, আব্দুল ৰহমান সৰকাৰ, লক্ষণ চন্দ্ৰ বিশ্বাস, শশাংক মোহন চক্ৰৱৰ্ত্তী, বসন্ত কুমাৰ শীল, নন্দ কিশোৰ ৰায়, নিশিকান্ত দেৱনাথ, নৰেনহীৰা, পঞ্চানন নাথ, শৰৎ চন্দ্ৰ সিংহ (ডিমাতলা), ৰমেশ চক্ৰৱৰ্ত্তী, মাধৱ কিংকৰ ভট্টাচাৰ্য, যোগেন নাথ, নিধুদাস, ৰমেশ নাথ, নৃপেন্দ্ৰ কুমাৰ ৰায়, উপেন্দ্ৰ বিজয় দাস, দিব্যলোচন নাথ, ফণীভূষণ চক্ৰৱৰ্ত্তী, আব্দুল ৰেজ্জাক সৰকাৰ, তৰুলতা দেৱী, বসন্ত কুমাৰী দাস, ৰেণুকা দেৱী ছেকোন্দোৰ আলী, ভূৱনেশ্বৰী বৰ্মন, মইনা বেনাৰ্জ্জী, সুবোধ চক্ৰৱৰ্ত্তী, হৰিমোহন বিশ্বাস, সুকুমাৰ বিশ্বাস, জীৱন সৰকাৰ, নীল সৰকাৰ, মহম্মদ আলী সৰকাৰ, ননীমোহন দাস, পৰমানন্দ সৰকাৰ, হেমন্ত সৰকাৰ, দেৰাজ উদ্দিন সৰকাৰ, শশাঙ্ক মোহন সাহা, শিৱানন্দ শৰ্মা, জীতেন নাথ, শৈলেন শৰ্মা, যোগেশ্বৰ নাথ, ৰমেন্দ্ৰ কুমাৰ চক্ৰৱৰ্ত্তী, শৰদিন্দু চক্ৰৱৰ্ত্তী, দ্বাৰীক নাথ চক্ৰৱৰ্ত্তী আদিৰ নাম উল্লেখযোগ্য।

ভাৰতৰ জাতীয় একতা বিঘ্নিত কৰি হিন্দু মুছলমানৰ মাজত বিভাজন আনি স্বাধীনতা আন্দোলনৰ শক্তি হ্ৰাস কৰাৰ লক্ষ্যৰে শাসক ইংৰাজসকলে ষড়যন্ত্ৰ কৰিছিল। লৰ্ড কাৰ্জনৰ প্ৰৰোচনাতে ১৯০৬ চনত ঢাকাৰ নবাব ছামিলউল্লাই "মুছলিম লীগ"ৰ জন্ম দিছিল। কংগ্ৰেছৰ বিৰোধিতা কৰাই আছিল লীগ পন্থী সকলৰ প্ৰধান উদ্দেশ্য। ১৯৩৪ চনৰ পৰা গোৱালপাৰা জিলাত মৌলানা আব্দুল হামিদ ভাষানীয়ে মুছলিম লীগৰ নেতৃত্ব দিয়ে আৰু জাতীয়বাদী আন্দোলনৰ মুছলমান সমৰ্থক সকলক লীগ সমৰ্থন কৰাৰ বাবে চেষ্টা চলাবলৈ ধৰিলে। লীগ সমৰ্থক সকলে জনসমৰ্থন আৰু জনবলৰ বাবে ব্ৰহ্মপুত্ৰ আৰু উপনৈ সমূহৰ চৰ অঞ্চল সমূহত বসবাস কৰা মুছলমান সকলক ঐক্যবদ্ধ কৰাৰ বাবে উঠি পৰি লাগিবলৈ ধৰিলে। ১৯৩৫ চনৰ পৰাই বিলাসীপাৰাত লীগৰ সংগঠন গঢ়ি উঠিছিল। বৃহত্তৰ চৰ অঞ্চল সমূহ হাবি-জংঘল আদিৰে পৰিব্যপ্ত আছিল আৰু ঠায়ে ঠায়ে ম'হৰ বাথান কিছুমানহে আছিল। ৰাজহ সংগ্ৰহৰ লক্ষ্যৰে জমিদাৰে চৰ অঞ্চল সমূহ পট্টন দিবলৈ স্থিৰ কৰি কিছুমান 'জোত'ত ভাগ কৰে আৰু এই জোত সমূহ শাসন কৰাৰ বাবে ময়মন সিংহ জিলাৰ পৰা প্ৰভাৱশালী ব্যক্তি আনি দায়িত্ব দিছিল। 'জোত'ৰ অধিকাৰীক 'জোতদাৰ' আখ্যা দিয়া হৈছিল আৰু জমিদাৰক ৰাজহ আদায়ৰ চৰ্ত সাপেক্ষে 'জোত'ৰ দায়িত্ব দিছিল। জোতদাৰ সকলে খালী ঠাই পূৰণৰ বাবে ময়মন সিংহ জিলাৰ পৰা পৰ্যাপ্ত সংখ্যক মুছলমান কৃষক আনি এই চৰ অঞ্চলসমূহত বহুৱাইছিল।

মুছলিম লীগৰ নেতৃত্বই জোতদাৰ সকলৰ সহযোগত চৰ অঞ্চলবাসীক লীগৰ সমৰ্থক কৰাত চেষ্টা যত্ন কৰিছিল। ধৰ্মসভা অনুষ্ঠিত কৰাৰ মাজেৰে পূৰ্ব বংগৰ পৰা মোল্লা, মৌলবীসকলক আনি সাম্প্ৰদায়িক বিদ্বেষ আৰু ধৰ্মীয় বিদ্বেষ সৃষ্টি কৰি জাতীয় আন্দোলনৰ পৰা মুছলমান ৰাইজক আঁতৰাই ৰখাৰ চেষ্টাত সফল হৈছিল। ধৰ্মৰ নামত প্ৰচ্ছন্নভাৱে দুই জাতিতত্ব প্ৰচাৰত লীগপন্থী সকলে ধৰ্মক ব্যৱহাৰ কৰিছিল। ধৰ্ম আৰু ৰাজনীতিৰ পাৰ্থক্য মানিব নোৱাৰি অধিকাংশ চৰবাসী ৰাইজ মুছলিম লীগৰ প্ৰতি আকৃষ্ট হৈছিল। লীগপন্থী সমৰ্থক সকলে বিভিন্ন ঠাইত জাতীয়বাদী মুছলমান কৰ্মীসকলক আক্ৰমন আৰু নিৰ্য্যাতন আৰম্ভ কৰিছিল। বহুতৰে জীৱন বিপন্ন কৰিবলৈ উগ্ৰপন্থী মুছলিম লীগ সমৰ্থকে ষড়যন্ত্ৰ কৰিছিল।

গোৱালপাৰা জিলাখন পাকিস্থানত পৰিণত কৰাৰ দাবী আৰু শোভাযাত্ৰা মুছলিম লীগৰ নেতৃত্বত হ'বলৈ ধৰিলে। কংগ্ৰেছ নেতৃত্বই এই দাবীৰ বিৰোধিতা কৰি অসমৰ সৈতে গোৱালপাৰা জিলাখন ৰখাৰ বাবে যুক্তি দাঙি ধৰিছিল। ১৯৪৬ চনৰ এপ্ৰিলত বৃটিছ চৰকাৰে বহুওৱা 'কেবিনেট মিছন'ৰ আগত আৰু তেতিয়াৰ গৱৰ্ণৰ জেনেৰেল ওৱাভেলৰ সন্মূখত গোপানাথ বৰদলৈয়ে মুছলিম লীগৰ দাবী অবাস্তৱ, অসম্ভৱ আৰু অবিবেচ্য বুলি দৃঢ়ভাবে যুক্তি দাঙি ধৰিছিল। ১৯৪৭ চনত ৰেডক্লীফ চাহাবক বংগদেশ আৰু পঞ্জাৱত ভাৰত আৰু পাকিস্থানৰ সীমা নিৰ্ধাৰণ কৰিছিল দিয়া হৈছিল। ৰেডক্লীফ বাটোৱাৰা মতে গোৱালপাৰা জিলাখন অসমৰ সৈতে ভাৰত ভূক্তি কৰা হৈছিল।

মুছলিম লীগে ইয়াৰ প্ৰতিবাদ কৰে আৰু ধুবুৰী, শালমাৰা, মানকাচৰ, বিলাসীপাৰা, গোলকগঞ্জ এই পাঁচখন থানা এলেকা সংখ্যাগৰিষ্ঠ মুছলমান অধ্যুষিত এলেকাৰূপে পূৰ্ব-পাকিস্থানৰ অন্তৰ্ভূক্ত হোৱা বুলি ব্যাপকভাবে প্ৰচাৰ চলায়। লীগৰ সমৰ্থক সকলে চৰ অঞ্চলসমূহত কংগ্ৰেছৰ বিপক্ষে ষড়যন্ত্ৰ তীব্ৰতৰ কৰিলে আৰু কংগ্ৰেছৰ নেতৃত্বত থকা ৰেজ্জাক সৰকাৰ, দেৰাজ উদ্দিন সৰকাৰ, প্ৰফুল্ল চক্ৰৱৰ্ত্তী, জগদানন্দ চক্ৰৱৰ্ত্তী, বিষ্ণু চক্ৰৱৰ্ত্তী, শিৱানন্দ শৰ্মা, নৰেন্দ্ৰ ভট্টাচাৰ্য, নিধুদাস আদিক হত্যা কৰাৰ ষড়যন্ত্ৰ কৰিছিল। তেওঁলোকৰ বদ্ধমূল ধাৰণা আছিল যে বিলাসীপাৰা পূৰ্ব-পাকিস্থানৰ ভিতৰুৱা হ'বই।

১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা প্ৰথম স্বাধীনতা দিৱস পালনৰ প্ৰস্তুতি সম্পৰ্কে নিধুদাস, যোগেশ্বৰ দাস আদিৰ নেতৃত্বত ১৪ আগষ্টৰ দিনা সমগ্ৰ অঞ্চলটোতে প্ৰচাৰ কৰা আৰু অৰ্থ সংগ্ৰহ কৰা হৈছিল। আবেলি সময়ত যোগেশ্বৰ দাসৰ সৈতে ভোলানাথ চক্ৰৱৰ্ত্তী, দিলীপ ৰায়, নৰেশ্বৰ দাস, শৈলেন শৰ্মা, নীৰেন ভট্টাচাৰ্য, ননীদাস, ভূপেন দাস আদি স্বেচ্ছাসেৱক সকলে ট্ৰাক এখনও উঠি প্ৰচাৰ কাৰ্য চলাবলৈ বগৰীবাৰী হাটলৈ গৈছিল। লীগপন্থীসকলে সমগ্ৰ বিলাসীপাৰা অঞ্চলকে লৈ পাঁচখন থানা এলেকা পূৰ্ব-পাকিস্থানৰ অন্তৰ্গত হোৱা বুলি সৰ্ব্বসাধাৰণ ৰাইজৰ মাজত যি অপপ্ৰচাৰ চলাইছিল ইয়ে অধিকাংশ মছলমানক আনন্দিত কৰিছিল। কংগ্ৰেছৰ স্বেচ্ছাসেৱক দলটোৰ আগমনত লীগপন্থীসকল উত্তেজিত হৈ পৰে আৰু দলটোৰ ওপৰত আক্ৰমণ চলায়। আকষ্মিকভাবে চলোৱা এই আক্ৰমনত বজাৰৰ পৰিৱেশ ৰণস্থলী লৈ পৰিৱৰ্ত্তিত হয় আৰু সাম্প্ৰদায়িক সংঘৰ্ষলৈ গতি কৰে। বহুকেইজন কংগ্ৰেছ স্বেচ্ছাসেৱক এই ঘটনাত আহত হয় আৰু স্থানীয় ৰাইজৰ সহায়ত জীৱন ৰক্ষা পৰে। এই ঘটনাৰ বাতৰি বিলাসীপাৰা পোৱাত আনন্দৰ পৰিৱৰ্ত্তে উত্তেজনাই গা- কৰি উঠে আৰু পৰিস্থিতি বেয়াৰ ফাললৈ গতি কৰে। সেই সময়ৰ কংগ্ৰেছ সভাপতি দ্বাৰিকানাথ চক্ৰৱৰ্ত্তী, জগদানন্দ চক্ৰৱৰ্ত্তী, নৃপেন চক্ৰৱৰ্ত্তী, শিৱানন্দ শৰ্মা, নিধুদাস আদি নেতৃবৃন্দই পৰিস্থিতি নিয়ন্ত্ৰনাধীন কৰি ঘটনাস্থলীলৈ যায়। তেওঁলোকে আহত স্বেচ্ছাসেৱক সকলক উদ্ধাৰ কৰি চিকিৎসাৰ ব্যৱস্থা কৰে। ইতিমধ্যে এই সাম্প্ৰদায়িক সংঘৰ্ষৰ বাতৰি পাই ধুবুৰীৰ পৰা জিলা উপায়ুক্ত আৰ. বি. ভাগাইয়ালা, পুলিচ ছুপাৰিনটেণ্ডেন্ট এছ.কে.দত্তই বৃহৎ সংখ্যক সশস্ত্ৰ পুলিচ বাহিনীলৈ ঘটনাস্থলীত উপস্থিত হৈ লীগ সমৰ্থক সকলক খেদি পঠিয়াই পৰিস্থিতি নিয়ন্ত্ৰন কৰে। এই ঘটনাই সমগ্ৰ অসমতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে আৰু বিলাসীপাৰাৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত লীগ পন্থীৰ অধ্যায়ৰূপে চিহ্নিত হয়।

বহুতো নিৰ্যাতন, ত্যাগ আৰু সংগ্ৰামৰ অন্তত ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত স্বাধীন হয়। স্বাধীনতাৰ এই প্ৰথম দিনটো বিলাসীপাৰাত উৎসাহ উদ্দীপনাৰ মাজেৰে পালন কৰা হৈছিল। হেজাৰ হেজাৰ হিন্দু-মুছলমান নাৰী-পুৰুষে দুই মাইল দীঘল শোভাযাত্ৰা উলিয়াই গাৱে গাৱে পৰিভ্ৰমণ কৰি দেশৰ স্বাধীনতাৰ বাতৰি জনাইছিল। কংগ্ৰেছ সভাপতি দ্বাৰীকানাথ চক্ৰৱৰ্ত্তী নেতৃত্বত আৰু জগদানন্দ চক্ৰৱৰ্ত্তী, নিধুদাস, শিৱানন্দ শৰ্মা, সুশীল ভট্টাচাৰ্যৰ পৰিচালনাত এই শোভাযাত্ৰাই সমগ্ৰ অঞ্চল পৰিভ্ৰমণ কৰি আহি দিনৰ এঘাৰ বজাত স্থানীয় ৰাজহুৱা খেল পথাৰত সমবেত হৈ জাতীয় পতাকা উত্তোলন কৰি পতাকাক অভিবাদন জনাইছিল। এই শোভাযাত্ৰা আৰু পতাকা উত্তোলন স্থলীত লক্ষণীয়ভাৱে মুছলমান ৰাইজৰ সহযোগ আছিল অতি আশাব্যঞ্জক। মুছলিম লীগৰ প্ৰতি আনুগত্য পৰিহাৰ কৰি সকলো সমৰ্থকে কংগ্ৰেছ দলত যোগদান কৰি দেশ আৰু সমাজৰ শান্তি, সম্প্ৰীতি, একতা সুদৃঢ় কৰি বিলাসীপাৰাৰ উন্নয়ণ অংশীদাৰ হৈছিল।

১৯৭২ চনৰ ১৫ আগষ্টত ভাৰত চৰকাৰে স্বাধীনতাৰ মুক্তি যুঁজাৰুৰূপে শৰৎ চন্দ্ৰ সিংহ (এওঁ বিলাসীপাৰাৰ ডিমাতলা নিবাসী আৰু ১৯২১ চনত ১৪ মাহ কাৰাবাস খাটিছিল) আৰু উপেন্দ্ৰ বিজয় দাসক (এওঁ ধুবুৰী মহকুমা জামাদাৰহাটৰ গজৰীয়া গাঁওৰ নিবাসী আৰু ধুবুৰী চৰকাৰী হাইস্কুলত পঢ়া সময়ত ১৯৩০ চনত ৬ মাহ সশ্ৰম কাৰাবাস খাটিছিল। পঞ্চাশৰ দশকত বিলাসীপাৰাত স্থায়ীভাবে থাকিবলৈ নানা সামাজিক কাম কাজত অংশ লৈছিল। ১৯৯৭ চনৰ এক জুলাইত পৰলোক

প্ৰাপ্তি ঘটে) তাম্ৰপত্ৰ আৰু পেন্সন প্ৰদান কৰে। এই অঞ্চলৰ মুক্তি যুঁজাৰু সকলৰ অধিকাংশই ইহসংসাৰ ত্যাগ কৰিছে আৰু অঞ্চলবাসীৰ আজিও শ্ৰদ্ধাৰ পাত্ৰ হৈ আছে।

(প্ৰৱন্ধটো যুগুত কৰোতে ১৯৯৭ চনৰ ১৫ আগষ্টত বিলাসীপাৰা মহকুমা প্ৰশাসনে স্বাধীনতাৰ সোণালী জয়ন্তী উপলক্ষে প্ৰকাশ কৰা স্মৃতিগ্ৰন্থত প্ৰকাশিত প্ৰৱন্ধ, বিভিন্ন পত্ৰ-পত্ৰিকা, তথ্যৰ সহায় লোৱা হৈছে। দেৱাজ উদ্দিন আহমেদ, শৰদিন্দু চক্ৰৱৰ্ত্তী, ৰমেশ ৰায়, দিলীপ সিংহ, অলক কুমাৰ চক্ৰৱৰ্ত্তী, দয়ালপাল, বিভৱ কুমাৰ চক্ৰৱৰ্ত্তীৰ সহায় পোৱা হৈছিল। অজ্ঞাতে কোনো স্বাধীনতা সংগ্ৰামীৰ নাম বৈ যাব পাৰে। ইয়াৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছো।)

# গোৱালপাৰীয়া লোকগীতত নাৰী

কুমাৰী কাছেমা খাতুন।

সমগ্ৰ মানৱ জাতিৰ প্ৰায় আধাই হ'ল নাৰী। নাৰী আৰু পুৰুষ উভয়েই মানুহ আৰু মানুহ মাত্ৰই অমৃতৰ সন্তান। দুয়ো একেখন সমাজৰ ৰথৰ দুটা চকৰি। নাৰীক সমাজৰ মেৰুদণ্ড বুলি কোৱা হয়। গতিকে নাৰীক বাদ দি সমাজ এখন কেতিয়াও সুষ্ঠভাৱে আগুৱাই যাব নোৱাৰে। আচলতে নাৰী পুৰুষৰ ভেদাভেদ কেৱল দৈহিক গঠনৰহে। নাৰীক বাদ দি সমাজ কেতিয়াও সম্পূৰ্ণ নহয় কাৰণ পৃথিৱীৰ উন্নতি কেৱল মাত্ৰ পুৰুষৰ ওপৰত নিৰ্ভৰ নকৰে বিশ্বৰ যি কোনো মহৎ কামৰ আঁৰতেই আছে নাৰীৰ উৎসাহ উদ্দীপনা পৰোক্ষ আৰু প্ৰত্যক্ষভাৱে মাতৃ ভগ্নী প্ৰেয়সী, সহ-ধৰ্মিনী বান্ধবী বা কণ্যা হিচাপে নুই কৰিব নোৱাৰি। পুৰুষৰ জীৱনত জন্মৰ পৰা মৃত্যুলৈকে প্ৰতিটো স্তৰতে নাৰীৰ উদ্‌গণি যোগোৱাৰ মূল চাবি, কাঠি নাৰীৰ হাততেই নৱৈ শতাংশ। সমাজত নাৰীক অৰ্দ্ধকাশ বুলি কোৱা হয়। অৰ্থাৎ সমাজত আধা নাৰী আধা পুৰুষ অৰ্দ্ধ আকাশ মেঘাচ্ছন্ন হৈ থাকিলে বাকী আধা আকাশত সূৰ্যৰ ৰেঙণি ....... এতেকে সমাজৰ আধা অংশ বাদ দি বা মূল্য নিদি কোনো সমাজ, দেশ বা জাতি সম্পূৰ্ণ হ'ব নোৱাৰে। বিদ্ৰোহী কবি নজৰুল ইছলামে তেখেতৰ কবিতাত কৈছে –

বিশ্বৰ যিমান মহান সৃষ্টি
চিৰ কল্যাণকৰ,
আধাখিনি তাৰ কৰিলে নাৰীয়ে
আধাখিনি তাৰ নৰ।

নাৰী অবিহনে বিশ্বৰ ৰূপ কল্পনাই কৰিব পৰা নাযায়। সি যি কি নহওক আমাৰ প্ৰৱন্ধৰ বিষয় বস্তু হ'ল গোৱালপাৰীয়া । উল্লেখ নকৰি নোৱাৰিলোঁ যে তাহানি অবিভক্ত গোৱালপাৰা জিলাখন আছিল বৰ্তমানৰ গোৱালপাৰা, বঙ্গাইগাওঁ, চিৰাং, কোকৰাঝাৰ, ধুবুৰী এই পাঁচখন জিলাৰ সমষ্টি। জিলাখনত বিভিন্ন জনগোষ্ঠীৰ যেনে - বড়ো, কছাৰী, ৰাভা, চাওঁতাল, যোগী, নাথ, হীৰা, কুমাৰ, নাপিত, বৰ্ণ হিন্দুৰ ব্ৰাহ্মণ, কলিতা, কায়স্থ, ৰাজবংশী ধৰ্মালম্বীৰ মুছলমান আদি বিভিন্ন ভাষা-ভাষী, ধৰ্ম-বৰ্ণৰ নৰ-নাৰীৰ বসবাস। প্ৰতিটো জনগোষ্ঠীৰে নিজা নিজা ভাষাত ৰচিত লোকগীত, কিম্বদন্তী, ফঁকৰা-যোজনা, প্ৰৱাদ-প্ৰৱচন, ৰীতি-নীতি, লোককথা, সাধুকথা, বিচিত্ৰ ভাৱানুভূতি, বুদ্ধি, চিন্তাধাৰা, সমাজৰ ধ্যান-ধাৰণা, উৎসৱ, পাৰ্বন পালন কৰা আদি আছে। এই সকলোবোৰ ক্ষেত্ৰতে নাৰীৰ অৱদান নুই কৰিব নোৱাৰি। এই ক্ষেত্ৰত প্ৰাচীন ভাৰতীয় নাৰী লোপামুদ্ৰা, ঘোষা, বিশ্ববাৰা , অপালা, গাৰ্গী, মৈত্ৰেয়ী, আত্ৰেয়ী আদি উল্লেখযোগ্য।

প্ৰথমতে অহা যাওক গোৱালপাৰীয়া লোকগীতৰ বিষয়ে। লোকগীত হ'ল লোক সাহিত্যৰ প্ৰধান অংগ। ইংৰাজী ফোক ছঙৰ প্ৰতিশব্দ হ'ল - লোকগীত বা জনগীত বা অশিক্ষিত জনগণৰ মুখে মুখে বাগৰি অহা মৌখিক গীত। গোৱালপাৰীয়া লোকগীতসমূহ বিশ্লেষণ কৰিলে এনে লগে যেন দূৰ অতীতত কোনোবা প্ৰগাঢ় ৰসজ্ঞা নাৰীয়ে এইবোৰ ৰচনা কৰিছিল, কাৰণ নাৰী মনৰ অনুভূতি এই গীতবোৰৰ মাজেদি প্ৰকাশ পাইছে। নাৰী বিষয়ক ইমান গভীৰ অনুভূতিৰ প্ৰকাশ ভংগী কেৱল নাৰীয়েহে প্ৰকাশ কৰিব পাৰে। পুৰুষৰ প্ৰকাশভংগী ইমান সূক্ষ্ম হ'ব নোৱাৰে। অনাখৰী বাই, ভনী, আইতা, মাহী, পেহী, খুড়ী, সখী, ধাইমা, দিদি, নানী আদিৰ মুখত যি আইনাম ধাইনাম, বিয়াগীত, বিহুগীত, বিলাপ গীত, আধ্যাত্মিক গীত আদি প্ৰকাশ পাই আজি লিখিত ৰূপ পাইছেহি। সেই সকলোবোৰতে নাৰীৰ অন্তৰৰ দুখ-বেদনা, আনন্দ-উল্লাস, মিলন-বিচ্ছেদ, বিলাপ-বিৰহ শোক সন্তাপ আদিৰ উমান আমি বাৰুকৈয়ে পাওঁ। নাৰীৰ প্ৰয়োজন অপ্ৰয়োজনৰ কথা নাৰীয়েহে বুজি পায় যিদৰে "লুইতেহে জানে বঠা কিমানলৈ বহে।" নাৰী সৃষ্ট গোৱালপাৰীয়া লোকগীতবোৰ অতি উচ্চমান সম্পন্ন আৰু গীতবোৰত অৰ্থৰ গভীৰতাই মন প্ৰাণ চুই যায় -

কালা আৰ না বাজান বাশৰী
বাশীৰ সুৰে ঘৰে ৰইতে না পাৰি।
কালাৰে তোৰ ঐ মধুৰ বাশীৰ
নাৰীৰ মন মোৰ না ৰয় ঘৰে
ক্যানেৰে বাজান কালা শুন দুপুৰ সনে
কালাৰে কুল গেল কলংক যে ৰইল
তুই মোৰ কালা গালাৰ কাঠি।

প্ৰেম যন্ত্ৰণাত জাতি কুলৰ ভয় আদিকো উপেক্ষা কৰা এই গীতবোৰৰ অন্যতম বৈশিষ্ট্য। কিয়নো জীৱন যাত্ৰাত

যৌৱনৰ মধুৰ উচ্ছল জলধি তৰংগত পিছলি পৰা মনৰ দুৰ্বাৰ আকাংক্ষাবোৰক ক'তনো লুকাব পৰা যায় -

বাশীৰ ফুকে মন মোৰ
বাইৰ হং বাইৰ হং কৰে।
ৰান্ধা ভাত মোৰ
না সোন্দায় শৰীলে।

কি যে দুৰ্নিবাৰ প্ৰেমৰ বিশালতা। গাভৰু কালৰ আগ মুহূৰ্ত্তবোৰত যেন ৰৌদ্ৰ ছাঁ ধেমালি কৰে তপত উশাহবোৰ। চৌদিশে উপচি পৰা ৰঙীণ সপোনবোৰ দুচকুত খেলি থাকে সুমধুৰ গুঞ্জনত -

বেচেয়া খাৰে দাদা
বেচেয়া খা
গাভুৰ বয়সে মন বান্ধিয়া
না-যায়ৰে ৰাখা
এ্যাক সাথেৰ চেংৰি গুলে
সগাৰে হৈল বিয়ে
মোৰ বিয়ে হৈল হয়
নাকে সোণা দিনু হয়
শাংখায় সিন্দুৰে মুই
খেলা বা কৰিনু হয়।

মনৰ গুপুত ইচ্ছাবোৰ জানো বান্ধি ৰাখিব পৰা যায়? ই যে প্ৰৱল বানৰ তাণ্ডৱ ঢল। ভাঙি-ছিঙি আগবাঢ়ি। কোনো বাধা মানিবলৈ বাধ্য নহয়। অসীমৰ পিনে লক্ষ্যৰ পিনে ইয়াৰ প্ৰবল গতি। লাজ-লজ্জাৰ প্ৰশ্ন যেন অবান্তৰ কথা -

কলসীৰ পানী পাক জ্বালায় ঢালিয়ে
কলসী হৈল মোৰ খালি ৰে
আৰে কলসীতে নাই মোৰ জলসি
সেইনে কলসী ধৰিয়ে গেনু
অগন দৰিয়াৰ মাজেৰে। আৰে কলসীতে ---
সুন্দিহোলাৰ ফুলৰে আৰে কলসীতে নাই মোৰ ----
সেইনে ফুলো তুলিয়ে দিলুং
ঢালুৰে খোপাৰ মাজেৰে
ধুপুনী চিলায় ছুপনী দিয়ে
নিয়ে গেইল খোপাৰ ফুলৰে আৰে কলসীতে নাই মোৰ
.......

প্ৰেমৰ চল চাতুৰিও যেন এটা কলা। এখন্তেক বন্ধুৰ মুখ দৰ্শনে যেন ফুলি উঠে সপোনত হেজাৰ ফুল। পৰিয়ালৰ মানুহবোৰক সহজে ফাঁকি দিয়া সম্ভব নহয়। যাৰ বাবে অজুহাতৰ প্ৰয়োজন। বন্ধু দৰ্শনৰ সুযোগ বিচাৰি ছলনাৰে বাচি লয় কিছু কৰ্ম। ভৰা কলহৰ পানী ৰান্ধনী ঘৰৰ পিছফালৰ (পোকজালা) খিৰিকীৰে ঢালি পেলাই দি শূণ্য কলহ কঁকালত লৈ নদীৰ ঘাটলৈ ঢাপলি মেলা দৃশ্য সচাঁকৈ অপূৰ্ব। পানৰ বৃন্ত অতি ক্ষন্তেকীয়া। নাৰীৰ যৌৱনো সীমা ৰেখাৰ ভিতৰত শেষ হৈ যায় যৌৱন জ্বালাত ছাটি-ফুটি কৰা পাৰ ভাঙা গুপুত বাসনাবোৰ করুণ ৰূপত ওলাই আহে --

বাপো মাও মোৰ হিয়া ছাড়া
বেচেয়া খাইচে ছোটোতে
যৌৱন ঢোলে মোৰ পূৱাল বাতাসে .....
নাৰীৰ যৌৱন পানেৰ বোটা
ৰাখিম কত কাল।

কেতিয়াবা দূৰ দেশৰ মাহুত, মৈযাল বন্ধুৰ লগত পীৰিতি হয়, আকৌ এদিন বিচ্ছেদৰ বেদনাত নাৰীমন হাহাকাৰ কৰি উঠে। কি জানিবা বন্ধুৰ স'তে দুনাই দেখা নহয় -

তোমৰা গেইলে কি আসিবেন
ও মোৰ মাহুত বন্ধুৰে।
খাটা খুটে মাহুতৰে তোৰ
মুখে চাপ দাড়ি
সত্য কৰিয়ে কন ৰে মাহুত
কোন বা দ্যাশে বাড়ীৰে ।

নাৰী হৃদয়ৰ সঞ্চিত মৰমবোৰ বন্ধুৰ বাবেহে আছিল। হঠাতে তাত যেন আউল লাগিল --

আজি আউলাইলেন মোৰ বান্দা ময়ালৰে
হাতীৰ পিঠিত থাকিয়াৰে মাহুত, কিসেৰ বাটুল মাৰো,
পৰেৰ কামিনীক দেখিয়া জলিয়া ক্যানে মৰো
হাতীৰ পিঠিত থাকিয়াৰে মাহুত থোৰ কলা ভাঙো,
নাৰীৰ মনেৰ কথা তোমৰা কিবা জানোৰে
ৰাস্তা ছাড়ো, ৰাস্তা ছাড়ো, জলেৰ কলস কাখে
নাৰীৰ মন ভাঙিয়াৰে মাহুত, ছাড়িয়ে খাইবেন মোকে

ভাব প্ৰবন নাৰী হৃদয় সদায় প্ৰেমিক মাহুতজনৰ চিন্তাত ব্যাকুল হৈ থাকে। প্ৰেমিকজনৰ অনুপস্থিত প্ৰেমিকাই মনৰ ভিতৰতে কান্দে --

অ' মোৰ দন্তাল হাতীৰ মাহুতৰে
যেদিন মাহুত শিকেৰ যায়
নাৰীৰ মন মোৰ ঝুড়িয়া ৰয়ৰে

এচিয়াৰ একমাত্ৰ মহিলা, হস্তী প্ৰশিক্ষক, ফান্দী, মাউত, গৌৰীপুৰ ৰাজ পৰিয়ালৰ কণ্যা পাৰ্বতী বৰুৱাই নাৰীৰতো নাৰীৰ, মাখুন্দা হাতীৰো দুখ-বেদনাৰ কথা জানে কিয়নো চকুৰ আৰ হোৰাজন কেতিয়া যে উভতি আহিব তাক কোৱা টান।

বন-জংগলত হাতীৰ স'তে বন্দী হোৱা মাহুত জানো আকৌ যে ঘূৰি আহিব তাৰ কোনো নিশ্চয়তা নাই সেয়ে নাৰীৰ প্ৰশ্ন —

কি অ' বন্ধ কাজল ভোমৰাৰে
কোনদিন আসিবেন বন্ধু
কয়া জান, কয়া জানৰে কি অ' বন্ধু ..........
যদি বন্ধু যাবাৰ চান
ঘাৰেৰ গামছা থুইয়ে জানৰে বন্ধু.........
বট বৃক্ষেৰ ছায়া যেমন ৰে
আৰে তোৰ বন্ধুৰ ময়া তেমন ৰে। কি অ' বন্ধু .......
বন্ধু যাইবেন খেওয়াৰ পাৰ
গেইলে কি আসিবেন আৰ ৰে ....

নদী চাপৰিত ম'হৰ বাথানত মইষালৰ অস্থায়ী ঘৰ। বন জংগলেৰে আৱৰা সেই ঠাই লোকালয়ৰ পৰা দূৰৈত অৱস্থিত । যাতায়তৰ সুবিধা নাই। ফলত প্ৰণয়িনীজনীৰ স'তে মৈষালৰ সাক্ষাত সতকাই হোৱা টান। নিশ্চয়তাৰ বাহিৰত আশংকাত প্ৰণয়িনীৰ ছট্‌ফট্ হিয়াৰ পৰা ওলাই আহে—

বিদেশে নাযানৰে মৈশাল
না হন বৈদেশী।
গলাৰ হাৰ ব্যাচেয়া
দেইম মুই ঐ চাকুৰিৰ কড়ি

প্ৰেমিকাই সংসাৰৰ নিৰ্মম সত্যক উপলব্ধি কৰি সিয়ঁৰি উঠে প্ৰেমিকাৰ বিচ্ছেদ যন্ত্ৰণা কি যে কষ্টকৰ। সেয়েহে প্ৰেমিকাই নিজৰ অলংকাৰ বিক্ৰী কৰি মইষালে কৰা চাকৰিৰ মজুৰি প্ৰৰি শোধ কৰিবলৈও ইচ্ছুক। কিয়নো মইষালৰ মহৰ ডিঙিৰ টিলিঙাৰ ধ্বনিত শুনিবলৈ পায় ----

খাটলুং খাটলুং বাজেৰে মৈষাল
মইষেৰ গলাৰ ঘান্টি
মুই নাৰী একলা ঘৰে
কৰোং কান্দা কাটি।

সাক্ষাৎকালত মইষালক নলখাগৰিৰ বিস্তৃত অঞ্চল বাথানত চাকৰি নকৰিবলৈ অনুৰোধ কৰিছিল

আগতে কইছোংৰে মইষাল
চাকৰি নাহয় ভাল
নলেৰ গুতায় খাগৰাৰ গুতায়
গায়েৰ যাইবে ছাল।

মাহুত মইষালৰ মাজতে প্ৰেমৰ লুকা-ভাকু খেল আবদ্ধ হৈ থকা নাই। নাঁৱৰীয়াৰ স'তেও প্ৰেমৰ আদান-প্ৰদানৰ গীত শুনিবলৈ পোৱা যায়। পাহোৱাল নাঁৱৰীয়াৰ প্ৰেমত মতলীয়া প্ৰেমিকাই আহ্বান কৰে —

নাও চাপাও নাও চাপাও নাইয়া
নাও চাপাও বগলে
কাখেৰ কলস ঘাটে থুইয়া
যাইবো তোমাৰ সাথেৰে।

হয়তো তেতিয়াও নাৱৰীয়াৰ হৃদয়ত নাৰীজনীৰ আকুলতাৰ প্ৰতুত্তৰ স্বৰূপে কোনো সহাঁৰি নহা দেখি হতাশ হৈ পৰে --

ওকি কালাৰে কেমন কৰিয়া
হইব দৰিয়া পাৰ
যে নাইয়া কৰিবে পাৰ
তাকে দিবো কালা গালাৰ হাৰ
পাৰ কৰিলে কৰিব
সোণাৰ যৌৱন দানৰে

ইফালে বেলিও লহিয়ায়। থাউনি নোপোৱা নদীৰ পানী তাতে আকউ ভয়ংকৰ জীৱ সমূহ, পানীত সাতোৰাৰ কৌশলো নাজানে গাভৰুজনীয়ে সেয়ে কাতৰভাৱে অনুৰোধ জনায় নাঁৱৰীয়াজনক —

অ' ধন মোৰ কানাইয়াৰে
এলুৱা কাশিয়াৰ ফুল
নদী হৈছে কানাই হুলস্থুলৰে
কেমন কৰিয়ে দৰিয়ে হৈম মুই পাৰ।
কালো নদী কুম্ভীৰেৰ ভয়
মানুষ গুৰু কালা ধৰিয়ে খায়
কেমন কৰিয়ে দৰিয়ে হৈম মুই পাৰ।

নাৰীৰ জীৱনত বসন্তাকাল আহে যৌৱনত। সেই কাৰণে জীৱনৰ পৰিপূৰ্ণ লাভৰ উপযুক্ত সময় হ'ল যৌৱনকাল —

গাছেৰ বসন্ত কালেৰে
ভৰিয়ে উঠে পাতা
নাৰীৰ বসন্ত কালেৰে
হাসিয়ে কয় কথা।
পুৰুষেৰ বসন্ত কালেৰে
বাজায় মোহন বাঁশী।
নাৰীৰ বসন্তকালে
পুৰুষ গলাৰ

এক চন্দ্ৰই যিদৰে হেজাৰ তৰাৰ উজ্জ্বলতা আনে

সেইদৰে নাৰীয়ে পুৰুষৰ অবিহনে নিজৰ ৰূপ মূল্যহীন হৈ পৰে। নাৰীৰ মনৰ এই বিলাপ গোৱালাপাৰীয়া লোকগীতৰ মাজেৰে সুন্দৰভাবে ব্যক্ত -

আকাশতে নাইৰে চন্দ্র
তাৰা কেমন জ্বলে
যে নাৰীৰ পুৰুষ নাই ও ....ও
ও তাৰ ৰূপে কি কাম কৰে।

ঋতুভেদে প্ৰিয়তমাৰ মিলনৰ আকাংক্ষা তাৰ বিৰহৰ বিচ্ছেদৰ লোকগীতবোৰৰ কৰুণ কাব্যৰস মূৰ্ত্ত হৈ উঠে বিভিন্ন পৰীক্ষা প্ৰতীকৰ মাজেৰে —

ওকি বগিলাৰে ঝাকে ঝাকে উৰি যাওৰে
উজান দ্যাশে
মুই নাৰী ফাগুণ মাসে
জ্বলিয়া মৰোং হা- হুতাশে
পতিধন মোৰ গেইছে পৰদেশ
দেখা হৈলে কবুতাৰে অভাগণী বাচে নাৰে
আউলাইছে মাথাৰ কেশ।

আক্ষেপৰ সুৰত গীতৰ কথাবোৰ অপূৰ্ব অতি বাস্তৱ —

প্ৰথম যৌৱন কালে নাহৈল মোৰ বিয়া
আৰ' কতকাল ৰহিম ঘৰে অকাকিনী হয়া ৰে বিধি

স্বামী সোণাৰ খনি, স্বামী মুকুট মণি সেই স্বামী যদি চিৰকালৰ বাবে এৰি থৈ যায়। সমগ্ৰ জীৱন। নিসংগতাৰ বৈধব্য যাতনাত ছাটি ফুটি উঠে নাৰী হৃদয়। পালতৰা ডিঙাৰ দৰে জীৱন নৈৰ বুকুত লটি ঘটি হয় নাৰীৰ জীৱন —

ও' কি পতিধন
মোকে কৰিলেন গাভৰু বয়সে আৰিৰে
বিয়াও হবাৰ নাই হয় ছয় মাস
না মিটিল মোৰ মনেৰ হাউস হায়ৰে
পতিধন নামিটিল মোৰ পেন্ধা
লাল পাৰীৰ শাৰীৰে

আকউ

অ' কি বাবা দ্যাশেৰ কুৰুৱা
হালধীয়া পঙ্খীৰে তুই
চিকণ বিধুৱা মুই
কিবে খবৰ কংতোৰ আগে।
আকাশতে পাঙ্খ মেলি
বাবাৰ দ্যাশে যান উৰি
মুই নাৰী চায়া হাকিম দূৰে
বাবাৰ দ্যাশে যায়া কন তোমৰা
আজি আগুন জ্বলে তোমাৰ বেটিৰ কপালে।

গোৱালপাৰীয়া জনজীৱনত হাতী, ফান্দী, মাহুত আদিক লৈ অজস্ৰ লোকগীত আছে। প্ৰৱন্ধত ইমানবোৰ গীতৰ সমাবেশ ঘটালে বেলেগ লেখক-লেখিকাৰ প্ৰৱন্ধ পাতিৰ ঠাইৰ অভাৱ হ'ব।

"গাল্লিটিপ্পক" শব্দটোৱে এসময়ত গোৱাল অৰ্থাৎ দুগ্ধ ব্যৱসায়ী লোকৰ বসতি থকা স্থানক সূচায়। গোৱালপাৰাত অৰ্থাৎ তাহানিৰ অবিভক্ত গোৱালপাৰা জিলাৰ কিছুমান ঠাইত বাথান অৰ্থাৎ ম'হৰ খুটি আছিল গৰুপোহা ব্যৱসায় গুৱাল সকলো আছিল। ধুবুৰী জিলাৰ ব্ৰহ্মপুত্ৰৰ সিপাৰে জৰুৱাৰ চৰ নামটো হেনো গুৰু বিলাকৰ খুৰা বাৰিযা "জাইৰে" অৰ্থাৎ খহি গৈ ঘাঁ হোৱা বাবে "জৰুৱাৰ চৰ নামটো হৈছে। ধুবুৰী জিলাৰ গৌৰীপুৰৰ জমিদাৰৰ ম'হৰ বাথান, হাতীৰ ধুৰা আছিল। ম'হ গৰু চৰাবৰ বাবে মৈযাল পাহোৱাল (গৰখীয়া) মাহুত আদি নিযুক্তি দি নৈপৰীয়া য'ত গৰু মহৰ খাদ্যৰ বাবে প্ৰচুৰ ঘাঁহ বন গজে সেইবোৰ ঠাইলৈ পঠাইছিল। দৈ, মাখন, ঘিউ, এৰা গাখীৰ যে সেই সময়ত প্ৰচুৰ পৰিমাণে আছিল। সমাজত অতীজৰে পৰা জিলাখনত অতিথিক কিদৰে নিজ হাতে খুৱাইছিল সেইবোৰ কথাও লোকগীতৰ মাজেৰে স্পষ্টকৈ অবিৱাহিত নাৰীৰ স'তে গঢ়ি উঠা অবৈধ প্ৰেমৰ কথাও চহা কবিয়ে।

নাৰী মনৰ সংবাদ দিবলৈ গৈ অবিবাহিত নাৰীৰ অবৈধ প্ৰেমৰ কথাও উল্লেখ নকৰাকৈ থকা নাই গীতবোৰত —

"অ'ৰে অ' মৈযাল
মৈষেৰ দাফাদাৰ ভাই
.........................
দুদো খোৱাইলেন সেৰে সেৰে
অ' ৰে অ' মৈষাল দৈ খোৱাইলেন হাড়ী
আমৰা বাড়ী যান মৈযালৰে
.............................
খাইবেৰ দেমো শাইল ধানেৰ চিৰে
তোলা মাটিৰ মালভোগ কলাৰে
অ' ৰে অ' মৈষাল বন্নি ধানেৰ খৈ
...............................
গামছা বান্ধা দৈ মৈযালৰে
অ' অ' মৈষাল গোলক গঞ্জেৰ পান

নিগম দুপুৰ বেলা
আসিয়ে খায়া যান মৈষালৰে।”

মৈযালক নিজান দুপৰীয়া - গাভৰুৱে অকলে ঘৰৰ ঠিকনা দিছে এইদৰে --

অ' কি আমা জাম পাণ সুপাৰি
ঐটেয় হয় মৈষাল আমাৰ বাড়ী
দৈ, দুধ ধৰি মৈষাল যান আমাৰ বাড়ীৰে।

মৈষাল চাকৰি কৰা মৈষালে গাভৰু (যুবা) পত্নীক ঘৰত এৰি থৈ বাথানলৈ যায় কেবা মাহৰ বাবে বাথানৰ দাফাদাৰ (প্ৰধানজন) বা মালিকে ছুটীয়ো নিদিয়ে সতকাই। তেনে ক্ষেত্ৰত পতিৰ বাবে অপেক্ষা কৰা নাৰীৰ নেযায় নুপুৱায় অপেক্ষাৰত সময় ঠিক যেন তলত দিয়া কবিতা ফাঁকিৰ দৰে--

আজিৰ দৰে যেতিয়া যান-বাহনৰ ব্যৱস্থা ইমান সূচল নাছিল, তেতিয়া গৰুৰ গাড়ীৰেও মাল-বস্তু অনা-নিয়া কৰা বিবাহ আদিত দূৰ-দুৰণিলৈ পাল্কী বা গৰুৰ ম'হৰ গাড়ীৰে মানুহ আহ যাহ কৰিছিল। বলদ গৰুৰ চালক বলদা দেশৰ পৰা বাংলাদেশৰ এখন ঠাইৰ নাম (বোলদিয়ে) অহাৰ কথা আছিল বন্ধুৰ বাবে শিকিয়াত দৈ পাতিছিল, বিছনা পাৰি, গুৱা পাণ, তামোল পাণ, কাটি বাটাত সজাই থৈছিল, আনকি দুৱাৰত (নঙলাত) হেঙাৰো দিয়া নাছিল কিন্তু আফ্ছোচৰ কথা যে আহিম আহিম বুলি কৈ শেষত নাহিল। ঘৰৰ আগেদি গুচি গ'ল যদিও গৰুৰ ডিঙিত আৰি দিয়া ৫ কেজি ওজনৰ লোৰ টিলিঙাৰ শব্দ শুনা গ'ল। কিন্তু সকলো প্ৰস্তুতি বিফলে গ'ল। নাৰীৰ কোমল অন্তৰ ভাগি চুৰমাৰ হ'ল কিমান দিনলৈকে যে নাৰীয়ে এই বেদনা অন্তৰতম প্ৰদেশত ৰাখি গুপুতে গুপুতে হিয়া জ্বলি পুৰি এঙাৰ হৈ যাব সেই কথা বুজিবলৈ হ'লে পুৰুষ নহয় একমাত্ৰ নাৰীয়েহে উপলব্ধি কৰিব পাৰিব --

বলদীয়া আসিবেৰ কাৰণে
দুৱাৰে নাই দেং হেঙাৰে চৌৰাশী (গুৰুৰ ডিঙিৰ টিলিঙা)
মাৰিয়ে গেইল মোৰ বলদীয়াৰে
বলদীয়া আসিবেৰ কাৰণে
শিকিয়াত পাতিছোং দৈও ৰে
চাপৰাশী মাৰিয়ে গেইল মোৰ বলদীয়াৰে ......

মুখে মুখে বাগৰি অহা এই লোকগীতসমূহ ইতিহাসৰো দলিল। উদাহৰণ স্বৰূপে বলদীয়া শব্দটোৱে এসময়ত অবিভক্ত গোৱালপাৰা জিলাৰ চাৰিসীমা আছিল উত্তৰে ভূটান, দক্ষিণে গাৰোপাহাৰ, পূবে কামৰূপ জিলা, পশ্চিমে পশ্চিমবংগৰ জলপাইগুড়ি, কোচবিহাৰ আৰু বাংলাদেশৰ ৰংপুৰ জিলা, জিলা কেইখনৰ ক্ষেত্ৰ আছিল ১০৩০৬ বৰ্গ কিঃমিঃ বা ৩৯৮৯ বৰ্গমাইল। এই বৃহৎ অঞ্চলটোত গোৱালপাৰীয়া দেশীভাষাই চলিছিল। জে. এচ. ভাচৰ উল্লেখিত গেজেটিয়াৰ মতে দেখা যায় ৰংপুৰ, কোচবিহাৰ, জলপাইগুড়ি, বগুৰা দিনাজপুৰ, গোৱালপাৰা, কোচৰাজ্যৰ তলতীয়া আৰু এইবোৰৰ ভাষা সংস্কৃতি মূল ভেটি একক আছিল বুলি ধৰাৰ থল আছে, অ' ঠিক যেন -

“নানা বৰণ গাভীৰে তাৰ,
একই বৰণ দূত
জগত ভাৰমীয়া দেখলাম
একেই মায়েৰ পুত

অসম বুৰঞ্জী মতে ১৮৭৪ খৃষ্টাব্দৰ ৬ ফেব্ৰুৱাৰী লৈকে গোৱালপাৰা জিলা পুৰণি ৰংপুৰ জিলাৰ অবিচ্ছেদ্য অংশ আছিল। সেইবাবেই হয়তো একেই সুৰ একেই তাল একেই নাৰী মনৰ উন্মনা প্ৰতিধ্বনিত হয় গীত -

ও' কি গাড়ীয়াল ভাই
হাকাও গাড়ী তুই চিলমাৰী বন্দৰেৰে
যেদিন গাড়ীয়েল উজেন যা —য়
নাৰীৰ মন মোৰ বুঝিয়া ৰয় ৰে
ও' গাড়ীয়াল ভাই কতই থাকিম মুই
পন্থেৰ ভিতি চায়াৰে ।

টোকাঃ (চিলমাৰী বাংলাদেশৰ এখন ঠাইৰ নাম।
পন্থেৰভিতি অৰ্থ বাটৰ ফালে)

নাৰীৰ হৃদয়ৰ অস্থিৰতাৰ মানসিক অৱস্থাৰ সংবেদনশীল চিত্ৰ প্ৰাণস্পৰ্শী আৰু অৰ্থবহ হৈ প্ৰকাশ পাইছে এই গীতবোৰৰ মাজেদি --

আৰ পূবালি বাতাস আসিলেৰে
মধুৰাৰ আগাল ঢোল
ঐ মতো মোৰ শাৰীৰ আঞ্চল
খসি খসি পৰেৰে।

গোৱালপাৰীয়া লোকগীতৰ সৰহভাগেই লিৰিকধৰ্মী প্ৰেম আৰু আসক্তিৰ গীত। নাৰীয়ে সদায় ভালপোৱা জনক কাষত ৰাখি প্ৰতিটো দৈনন্দিন কাম কাজত সহায় সহানুভূতি আগবঢ়াব বিচাৰে। প্ৰিয়তমাক বিপদৰ সন্মুখীন হোৱাটো নিবিচাৰে। এই সম্পৰ্কে লোকগীতত আছে -

নদী না যাইও ৰে বৈদ, নদী না যাইও
নদীৰ ঘোলা ৰে ঘোলা পানী,

নদীৰ বদলে বাড়িতে সিনান কৰ ৰে,
মুই নাৰী তুলিয়ে ৰে দিবো পানী।

হৃদয় বিদাৰক কৰুণ সুৰৰ এই গীতবোৰত ৰচয়িতা অনাখৰী গীতিকাৰে গাঁৱলীয়া অজস্ৰ জীৱনক কেন্দ্ৰ কৰি বিলাপ গীতহে যেন ৰচিছে নাৰীৰ বাবে শেষত দুটি জনপ্ৰিয় গীতেৰে লোকগীতৰ সামৰণি মৰা হ'ল।



মাৰক ছাৰিলং বাপক ছাৰিলং
ছাৰিলং সোণাৰ পুৰী
বিয়ে কৰিয়ে ছাড়িয়ে আসিলং অ'
অল্প বয়সেৰ নাৰী সখী অ'

আকৌ

হস্তীৰ কন্যা হস্তীৰ কন্যা বামনেৰ নাৰী
মাথায় নিয়ে তাম কলসী ও সখি
হস্তে সোণাৰ ঝাৰি সখি ও ......

উল্লেখিত গীতটিৰ এটি কাহিনী আছে। ঠাইৰ অভাৱত কাহিনীটি ছয়াত উল্লেখ কৰা নহ'ল।

❖❖❖❖❖❖❖❖❖❖



# "ভক্তিৰ স্বৰূপাৰ্থ আৰু ভক্তিত একানিষ্ঠতা"

✍ জ্যোতিকণা দাস, প্ৰাক্তন ছাত্ৰী।

মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি।
সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।।

আপাত দৃষ্টিত আমি ভক্তি বুলি কলে ঈশ্বৰলৈ আগবঢ়োৱা সেৱা উপাসনাকে বুজো। ভক্তি মানে ঈশ্বৰৰ প্ৰতি থকা একান্ত অনুৰাগ আৰু প্ৰগাঢ় প্ৰেম। শাণ্ডিল্য ভক্তিসুত্ৰত ঈশ্বৰত অতিশয় অনুৰুক্তিক ভক্তি বোলা হৈছে। নাৰদীয় ভক্তি সুত্ৰই ঈশ্বৰৰ প্ৰতি পৰম প্ৰেমক ভক্তি বুলিছে। কোনো-কোনো শাস্ত্ৰত, মনত ভগৱানক সম্পূৰ্ণৰূপে নিবিষ্ট কৰি কোনো ফলৰ আশা নকৰাকৈ তেওঁক নিৰন্তৰ ভজনা কৰাকে ভক্তি আখ্যা দিয়া হৈছে। নাৰদ পঞ্চৰাত্ৰ অনুসৰি প্ৰেম পৰিপ্লুত মন হৰিৰ প্ৰতি স্বাৰ্থশূণ্য হৈ থকা অৱস্থাই ভক্তি। আনহাতে কিছুমান পণ্ডিতৰ মতে ভক্তি হ'ল সীমাহীন প্ৰাপ্তিৰ অবিৰত প্ৰয়াস।

প্ৰকৃততে ভক্তি হল এটা মানসিক আৱস্থা। যাক কোৱা হয় ভক্তি উপাসকৰ পমি যাব খোজা এটা মনৰ অৱস্থা। মুঠতে ভক্তি এক গভীৰ অনুভৱ আৰু ই সদায় ধৰ্মৰ দ্বাৰা সিক্ত হৈ থাকে। ভক্তিৰ যোগেদিয়ে ভক্ত আৰু ভগৱানৰ মাজত সম্পৰ্ক স্থাপিত হয় আৰু একমাত্ৰ ভক্তিৰ যোগেদিয়েই ভক্তই ঈশ্বৰৰ সান্নিধ্য লাভ কৰিবলৈ সক্ষম হয়। অসমৰ সাহিত্যাকাশৰ ভাস্বত সূৰ্য মহাপুৰুষ শংকৰদেৱৰ 'কীৰ্ত্তন' পুথিত প্ৰহলাদে দৈত্য শিশুসৰক ভকতিৰ আৰ্হি অৱগত কৰিছে আৰু সেয়াই ভক্তি আৰ্হি।

কৃষ্ণ কথা শ্ৰৱনতে শুদ্ধ হৈব মন।
সৰ্বদায় কৰিবেক কৃষ্ণৰ কীৰ্ত্তন।।
কৃষ্ণৰ চৰণ চিন্তিবেক হৃদয়ত।
আছন্ত ঈশ্বৰ হৰি সমস্তে ভূতত।।

ভক্তিৰ অৰ্থ আৰু তাৎপৰ্য আদি ব্যপক আৰু গভীৰ, মানৱ জীৱনৰ লক্ষ্য আৰু উদ্দেশ্য, কৰণীয়-বৰ্জনীয়, ধৰ্ম-অৰ্থ-কাম মোক্ষ চাৰি পুৰুষাৰ্থ সাধন আদি ভক্তিৰ লগত জড়িত আছে। ভক্তি সাধাৰণতে দুই প্ৰকাৰৰ-কামনাৰহিত বা নিষ্কাম ভকতি আৰু কাম্য বা সকাম ভকতি। নিষ্কাম ভক্তি নিৰ্গুন, ইয়াত কামনাৰ স্থান নাই, আনকি মুক্তিৰ বাঞ্ছাও ইয়াত স্থান নাপায়। এই ভক্তি অনন্য, অপ্ৰতিহত অৰ্থাৎ নিৰ্গুন. আনহাতে তপ, যপ, যজ্ঞ, দানেৰে বিভিন্ন দেৱ-দেৱীৰ পূজা অৰ্চনা কৰি বৈষয়িক কামনা চৰিতাৰ্থ কৰিবৰ কাৰণে কৰা ভক্তিক সকাম ভক্তি বুলি কোৱা হয়। ভক্তিবাদত সেৱা ৰসৰ সাৰ হল দাস্যভাৱ, ঈশ্বৰৰ উপাসনাত দাস্যভাৱেৰে আত্মনিবেদন কৰিলে ভক্তৰ মনপ্ৰান ভগৱন্তৰ শ্ৰীচৰনত নিমৰ্জিত হয়। সেয়ে গুৰুজনাই কৃষ্ণক ভক্তি কৰি পৰমানন্দ লাভৰ উপায় বিভিন্ন শাস্ত্ৰত বিভিন্ন ধৰণে দাঙি ধৰিছে। 'হৰিত শৰন লৈয়া কেৱল হৰিৰ নাম, কীৰ্ত্তন কৰন্তে হোৱে সিদ্ধি।' মাধৱদেৱেও ভক্তিৰ যি আনন্দৰ ৰস, সেই ৰস বিন্দু মাত্ৰবিচাৰি এনেদৰে গাইছে —

'হে হে পৰামনন্দ কৃষ্ণ কৃপাসিন্ধু।
ভকতি আনন্দ ৰস মাগো এক বিন্দু।।

ভক্তি বুলিলে অকল বিষ্ণু ভক্তিক হে বুজায়, এনে নহয়। শিৱভক্তি, দূৰ্গাভক্তি, গণেশ ভক্তিও ভক্তি মাৰ্গৰ ভিতৰতে পৰে। ভজনীয় দেৱতা যিজনেই নহওঁক সাধন প্ৰনালীটোত যদি ভক্তি যোগ হয়, তেনেহলে সেই দেৱতাৰ উপাসকজনো ভক্তিপন্থীয়া বুলি কব লাগিব। শ্ৰীশ্ৰী মদ্ভাগৱতৰ লগতে আন-আন ভক্তি শাস্ত্ৰত ন বিধ ভক্তিৰ কথা উল্লেখ কৰা হৈছে। সেই ন বিধ ভক্তি হ'ল - শ্ৰৱন, কীৰ্ত্তন, স্মৰণ, পাদসেৱন, অৰ্চন, বন্দন, দাস্য, সখ্য আৰু আত্ম নিবেদন। এই ন বিধ ভক্তি যদিও দেখাত বিভিন্ন প্ৰণালীৰ, তথাপি পৰস্পৰ পৰিপূৰকহে।

ভক্তি ধৰ্মত অচলভাৱে আস্থা স্থাপন কৰাটোৱেই হল বিশ্বাস আৰু শুদ্ধ শ্ৰদ্ধা। গীতাত কৈছে-শুদ্ধ অন্তৰেৰে নিয়ম পালন কৰা, অনুশীলন কৰা, তেতিয়াহে পূণ্যাত্মাসকলৰ ভগৱৎতত্ত্ব বুজিব পৰা যাব। কাৰণ ভগৱানে কেৱল ভক্তি বিচাৰে। তাৰ বাহিৰে আৰু একো নিবিচাৰে। প্ৰেম আৰু ভক্তিৰ বিনিময়ত ভক্তই যি দিয়ে তেওঁ তাকেই গ্ৰহণ কৰে। গতিকে ভক্তি, এৰাধৰা কৰা বিষয় নহয়; ভক্তিৰ প্ৰক্ৰিয়াটো চিৰন্তন অৰ্থাৎ নিৰৱধি। যিজন একান্ত ভক্ত তেওঁৰ অন্তৰত ফলগু ধাৰাৰ দৰে ভগবৎপ্ৰীতি নিৰন্তৰভাৱে প্ৰবাহিত হৈ থাকে। এইখন বিশ্ব ব্ৰহ্মাণ্ডত কোনো জীৱেই স্বতন্ত্ৰ নহয়। সকলোবোৰ জীৱই প্ৰকৃতিৰ চাৰি স্বভাৱ আহাৰ, মৈথন, ভয় আৰু নিদ্ৰাতেই আবদ্ধ হৈ দুখ-যন্ত্ৰণা সহ্য কৰি নিজ-নিজ কৰ্মফল ভোগ কৰিবলগীয়া

হয়। জীৱ মাত্ৰেই ঈশ্বৰৰ অংশ। ঈশ্বৰৰ অংশস্বৰূপ জীৱবোৰে সংসাৰৰ মায়া-মোহত আবদ্ধ হৈ ঈশ্বৰক পাহৰি যায়। গতিকে আমি ভগৱানৰ চৰণত নিজকে সমৰ্পন কৰি মায়াৰ হাতৰ পৰা মুক্ত হবলৈ প্ৰয়াস কৰা উচিত। যিহেতু মায়া ভগৱন্তই সৃষ্টি কৰিছে সেয়েহে প্ৰভুৰ কৃপা বিনে কোনেও মায়াৰ কবলৰ পৰা মুক্ত হব নোৱাৰে। গীতাত কৃষ্ণই অৰ্জুনক কৈছে-'হে সখি, মায়া মই সৃষ্টি কৰিছো, মায়াৰ হাতৰ পৰা মুক্ত হবলৈ হলে মোত শৰণ লবই লাগিব।' স্বৰূপাৰ্থত ভক্তি হ'ল 'ভগৱানৰ প্ৰতি থকা সীমাহীন প্ৰেম; সীমাহীন প্ৰেম মানে নিৰ্যাতন ভূগিবলৈ পোৱা অপৰিসীম শক্তি।' কিয়নো ভগৱানক অন্তঃ কৰণেৰে হৃদয়ত যিজনে স্থাপন কৰি দৃঢ়তাৰে আৰু অকৃত্ৰিমতাৰে জীৱন যুজত আগবাঢ়ি গৈছে সেইজনেই হল প্ৰকৃত ভক্ত আৰু তেনে ভক্তজনক ভগৱানে সদা সৰ্বদা ৰক্ষা কৰে। ইয়াৰ সাক্ষী হল ভক্ত প্ৰহলাদ।

একান্ত শৰণে নাম লৱে যিটো
ফুৰা হৰি তাহক ৰাখি
ইহাত যদ্যপি নযাহা সজ্ঞাত
লৈয়ো প্ৰহলাদত সাক্ষী (নামঘোষা)

ভক্তিবাদৰ মতে, ঈশ্বৰ প্ৰাপ্তি যিদৰে সহজ নহয়, সেইদৰে কঠিনো নহয়। নিত্যদিনৰ কাম-কাজৰ মাজেৰে, পৰিচিত ব্যক্তিৰ মাজতে আমি ঈশ্বৰক প্ৰত্যক্ষ কৰিব পাৰো। ইয়াৰ বাবে লাগে অকপট বিশ্বাস আৰু ঐকান্তিক ভক্তি। প্ৰকৃত ভকতে বৈষয়িক স্পৃহাৰতো কথাই নাই আনকি বিষয়ত নিস্পৃহ হৈ তাৰ দ্বাৰা পাব পৰা মুকুতিকো বাঞ্চা নকৰে। তেনে ভকতে ভগৱন্তৰ লগত নিবিড় সম্পৰ্ক স্থাপন কৰিবলৈ সক্ষম হয়। যাগ-যজ্ঞ-ব্ৰত আৰু তপস্যাতকৈ ভক্তি বা প্ৰেমৰ দ্বাৰা ভগৱান সহজে উপলব্ধ হয়। ভক্তিৰ পাত্ৰাপাত্ৰ নাই। ব্ৰাহ্মণৰ পৰা চণ্ডাললৈকে সকলোৰে ভক্তিৰ ওপৰত সমান অধিকাৰ আছে। ঈশ্বৰ চিন্তাৰ প্ৰধান ক্ষেত্ৰ মানুহৰ বিশুদ্ধ হৃদয় আৰু বিশুদ্ধ মন। সৎ চিন্তা আৰু সৎভাৱে মানুহক যিমানে নিকা কৰে সিমানে ঈশ্বৰক উপলব্ধি কৰা সহজ। যিজনে ঈস্বৰক উপলব্ধি কৰিব পাৰিছে তেনে ভক্তজনক ভগৱানে নিজেই 'মৎচিত্তঃ মৎপৰ, মস্থানম'বুলি বৰ্ণনা কৰিছে। ভগৱন্তৰ প্ৰতি যিজন একান্ত তেওঁ কেতিয়াও মায়া, মোহ, কাম, ক্ৰোধ, লোভৰ প্ৰতি আকৃষ্ট নহয়। সেইজনৰ চিত্ত সদায় হিংসা, দ্বেষ, ঈৰ্ষাৰ উৰ্দ্ধত।

ভগৱান হ'ল সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ নিয়ন্তা। এনেহেন ত্ৰৈলোক্যৰ অধিকাৰী ভগৱানৰ সান্নিধ্য পাবলৈ ঋষি-মুনি সকলে কঠোৰ তপস্যা কৰিছিল। কিন্তু ভগৱানৰ সান্নিধ্য লাভ কৰিবলৈ নালাগে কঠোৰ তপস্যা নালাগে নৈবদ্য উপকৰণ; লাগে মাথোন একনিষ্ঠ ভক্তি। কিয়নো ভক্ত যেনেদৰে ভগৱানৰ দাস; ভগৱান তেনেদৰে ভক্তৰ দাস। ভক্তই কেৱল একান্ত অচলা ভক্তিৰ জৰিয়তে ভগৱানৰ সান্নিধ্য লাভ কৰিবলৈ সক্ষম হয়। যিজন অৱতাৰী পুৰুষ সমগ্ৰ চৰাচৰৰ পালনকৰ্ত্তা সেইজনক আমাৰ নিচিনা মূঢ়জনে ভক্তিত বাদে এনে একো বস্তু নাই যাক অৰ্পন কৰি সেই পৰমব্ৰহ্মাক সন্তুষ্ট কৰাৰ কথা চিন্তা কৰিব পাৰো। গতিকে এই ক্ষেত্ৰত সচৰাচৰ মঠ-মন্দিৰত চলি থকা বলি-বিধানৰ কথা উল্লেখ কৰিব বিচাৰিছো। এতিয়াও কিছুমান ঠাইত ভগৱানৰ বিগ্ৰহৰ সমূখত হাঁহ, পাৰ, ম'হ-ছাগলী আদি বলি দি আহিছে নিৰ্বিবাদে-নিসংকোচে ভগৱন্তক সন্তুষ্ট কৰাৰ উদ্দেশ্যেৰে। আনকি পূৰ্বে দেৱ-দেৱীৰ সন্তুষ্ট কৰাৰ বাবে নৰবলি দিয়া প্ৰথাও আছিল। এয়া ভক্তিৰ নামত চলা ব্যভিচাৰ। বলিপ্ৰথাত বিশ্বাসীসকলে এটা কথা হৃদয়ংগম কৰা উচিত যে বলি-বিধানতো বাদেই পৰম কৃপালু ঈশ্বৰে আনকি ফল-ফুলৰ অৰ্ঘও নিবিচাৰে ভক্তৰ পৰা। মুঠতে পূজাৰ বাহ্যিক কোনো উপকৰনেৰেই ভগৱানক সন্তুষ্ট কৰিব নোৱাৰি। ভগৱানলৈ আগবঢ়োৱা ভক্তিৰ আনকি স্থান-কলা- নিয়ম-বিধি, শুচি অশুচি একোৰে মাহাত্ম্য নাই আছে কেৱল ঐকান্তিক ভক্তিৰ মাহাত্ম্য। এইখিনিতে গুৰুজনাৰ এজন ভক্তৰ কথা উল্লেখ কৰিলে ভক্তিৰ একনিষ্ঠতা প্ৰকৃততে কি সেয়া স্পষ্ট হৈ পৰিব। মহাপুৰুষ শংকৰদেৱৰ এজন অন্যতম শিষ্য আছিল উদাৰ গোবিন্দ আতৈ। হৰিনাম কীৰ্ত্তনত তেওঁৰ অবিচল ভক্তি আৰু শ্ৰদ্ধাৰ বাবে তেওঁ এনে কিছুমান কাণ্ড কৰি ফুৰিছিল যাৰ বাবে তেওঁ গুৰুজনাৰ প্ৰিয় শিষ্যৰ এজন হৈ পৰিছিল। আতৈৰ মুখৰ পৰা হৰিনাম উচ্চাৰণ এটি ক্ষণৰ বাবেও বন্ধ নহৈছিল। শৌচ-শুদ্ধিলৈ যাওঁতেও 'ৰাম নাম' ওলায় বুলি তেওঁ নিজৰ জিভাৰ আগটোত ধৰি থাকে। এই কথা আন শিষ্যসকলে গুৰুজনাৰ আগত কোৱাত গুৰুজনাই এটি পদ গাই হৰি নামে অশুচিকো যে শুদ্ধ কৰেসেই কথা বুজাই দিয়ে।

হৰি নাম কীৰ্ত্তনত নাহি কাল দেশ পাত্ৰ।
নিয়ম সংযম একো বিধি।।

এতেকে পৰিসমাপ্তিত ইয়াকে কৈ লেখনীটোৰ মোখনি মাৰিব খুজিছো যে, কৰ্ম, জ্ঞান, যোগ আৰু ভক্তি এই আটাইকেইটা পথেৰে ঈশ্বৰ প্ৰাপ্তিৰ বাবে প্ৰয়াস কৰিব পাৰি কিন্তু আটাইকেইটা মাৰ্গ সমানে সহজ নহয়। তুলনামূলক ভাৱে, ভক্তি মাৰ্গ সহজ, যাক কোৱা হয় সুগম পন্থ। ঈশ্বৰৰ কৰুনা পাবলৈ হলে একমাত্ৰ সহজ উপায় হৈছে একনিষ্ঠা ভক্তি. এই ভক্তি হৃদয়ৰ বস্তু, মগজুৰ লগত তাৰ কোনো সম্পৰ্ক নাই।

একান্ত ভকত সৰে　নিৰ্গুন কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত।
বৈকুণ্ঠকো চাৰি হৰি　যোগীৰ হৃদয় এৰি
থাকা হৰি সাক্ষাতে তথাত।।

সহায়ক পুথি -

১। ডঃ বিমল মজুমদাৰৰ - ভক্তি সাহিত্য।
২। ডঃ যমুনা শৰ্মা চৌধুৰীৰ - অসমৰ ভক্তি আৰু সাহিত্য।
৩। মানিকাঞ্চন - মাহেকীয়া বাৰ্তালোচনী।
৪। Sankardev and his times - by M.Neog.
৫। শ্ৰীশ্ৰী নামঘোষা ভাবামৃত-শ্ৰীমৎ স্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰী সম্পাদিত।
৬। কীৰ্ত্তনঘোষা আৰু নামঘোষা - ডঃ মহেশ্বৰ নেওগ, সম্পাদিত।

# বৰ্তমান প্ৰাথমিক স্তৰৰ শিক্ষাজগত:অনুভৱৰ দৃষ্টিৰে

ধ্ৰুৱকুমাৰ তালুকদাৰ।

শিক্ষাই মানুহক জ্ঞান দিয়ে, বুদ্ধিৰ বিকাশ ঘটায়, সংস্কৃতিবান কৰি তোলে আৰু দিয়ে কৰ্মময় জীৱনটোৰ অগ্ৰগতিৰ সন্ধান। এই সত্যক উপলব্ধি কৰি আমি প্ৰত্যেকেই নিজৰ সন্তানক উপযুক্ত বয়সত শিক্ষা দিয়াৰ ব্যৱস্থা কৰি স্কুললৈ পঠাও। কাৰণ আমি সকলোৱেই জানো যে স্কুলেই হ'ল আনুষ্ঠানিক শিক্ষাৰ প্ৰথম আৰু প্ৰধান আধাৰ।

নিজৰ ল'ৰা-ছোৱালী স্কুললৈ যোৱা আৰম্ভ কৰাৰ পিচতে আমি ব্যগ্ৰহৈ পৰো সিহঁতৰ জ্ঞান-বুদ্ধিৰ উৎকৰ্ষ সাধন আৰু মানৱীয় প্ৰমূল্যবোধৰ শ্ৰীবৃদ্ধিৰ বাবে। এই কথাখিনিকে লক্ষ্য কৰি আমি সন্তানৰ ভৱিষ্যতৰ সপোন দেখো আৰু সেই সপোনবোৰ সফলকাম কৰি তুলিব পৰা এখন সৰ্বতো প্ৰকাৰৰ উন্নতমানৰ স্কুলত নাম ভৰ্তি কৰি দিয়াৰ বাবে চেষ্টা কৰো।

কিন্তু বৰ্তমান সময়ত এইটোৱেই আটাইতকৈ ডাঙৰ সমস্যা হৈ পৰিছে যে আমি কোনখন স্কুলত ল'ৰা-ছোৱালীক নামভৰ্তি কৰি দিম বা কি মাধ্যমৰ স্কুলত পঢ়িবলৈ আগবঢ়াই দিম! মেট্ৰিক পৰীক্ষাত পাছ কৰাৰ পিচত ল'ৰা-ছোৱালী কলা শাখাত নে বিজ্ঞান শাখাত নে বাণিজ্য শাখাত পঢ়িব, তাক তেওঁলোকে নিজেই নিৰ্বাচন কৰি ল'ব পাৰে। কিন্তু শিক্ষাজীৱন আৰম্ভ নকৰা বা শিক্ষানুষ্ঠান সম্পৰ্কে একো আও-ভাও নজনা অৰ্থাৎ তিনিৰ পৰা ছয় বছৰীয়া(আজিকালি ছয়বছৰত স্কুললৈ যোৱা নিয়ম অৱশ্যে নাই, তিনি বা চাৰি বছৰেই যথেষ্ট) সন্তানক কোনটো স্কুলত পঢ়িবলৈ দিয়া হ'ব বা অসমীয়া নে ইংৰাজী মাধ্যমৰ স্কুলত পঢ়িবলৈ পঠোৱা হ'ব তাৰ সিদ্ধান্ত ল'ব লগা হয় পিতৃ-মাতৃ বা অভিভাৱকসকলে।ঠিক এইখিনি সময়ত পিতৃ-মাতৃ বা অভিভাৱকসকল কিমান সচেতন হ'বলগীয়া হয় সেয়া ভুক্তভোগীসকলেহে জানে। তথাপি আমি এই কথা নিশ্চয় প্ৰতিজনেই অনুভৱ কৰিব পাৰো যে সন্তানৰ ভৱিষ্যত, অৰ্থিক নিৰাপত্তা, দৈহিক-মানসিক কষ্ট কৰিব পৰা ক্ষমতা, সামাজিক দায়বদ্ধতা, সন্তানৰ প্ৰতি অনুকম্পা আৰু বিশ্বাসযোগ্যতা আদিৰ কথাও এই ক্ষেত্ৰত জড়িত হৈ থাকে। এই কথাখিনি এইকাৰণেই উল্লেখ কৰিবলগীয়া হৈছে যে আজিকালি প্ৰায়বিলাক পিতৃ-মাতৃ বা অভিভাৱকেই ল'ৰা-ছোৱালীক প্ৰাথমিক স্তৰৰ পৰা ব্যক্তিগত খণ্ডৰ স্কুলত পঢ়িবলৈ আগবঢ়াই দিয়ে। চৰকাৰী খণ্ডৰ প্ৰাথমিক স্কুলৰ প্ৰতি আজি আমাৰ মাজৰ বহুতৰে আস্থা নাই। যিসকল ব্যক্তি বা পৰিয়াল আৰ্থিক ফালৰ পৰা অতি দুৰ্বল তেওঁলোকেহে এই চৰকাৰী প্ৰাথমিক স্কুলত নিজৰ সন্তানক পঢ়িবলৈ পঠোৱা দেখা যায়।এই কথাখিনি আমি প্ৰত্যেকজন নাগৰিকেই গভীৰ মনোযোগেৰে বিশ্লেষণ কৰি চোৱাৰ প্ৰয়োজন বুলি ধাৰণা কৰো। কিয়নো স্কুলীয়া শিক্ষাৰ প্ৰতিটো পদক্ষেপতে একোগৰাকী ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত কৰ্মপন্থাৰ একো একোটা ছিৰি থাকে। যিয়ে এখন দেশ আৰু এখন সমাজৰ প্ৰতিচ্ছবি প্ৰতিফলিত কৰে।

আমাৰ অসমৰ চহৰে-নগৰে, গাৱেঁ-ভূঞে হেজাৰ হেজাৰখন চৰকাৰী স্কুল আছে( য'ত বিনামূলীয়া পাঠদানৰ উপৰিও কিতাপ, বহী, স্কুলবেগৰ লগতে দুপৰীয়াৰ আহাৰো চৰকাৰে দি আহিছে)। তৎস্বত্তেও আমাৰ পিতৃ-মাতৃ অভিভাৱকসকলে ব্যক্তিগত খণ্ডৰ স্কুলত মাহিলী প্ৰয়োজনতকৈ বেছি মাচুল আদায় দি ল'ৰা-ছোৱালীক পঢ়িবলৈ পঠোৱাটোক এক গুৰুত্বপূৰ্ণ কথা বুলি আমি ধাৰণা কৰো। এইক্ষেত্ৰত আমি কাক জগৰীয়া কৰিম! চৰকাৰী স্কুলৰ শিক্ষাব্যৱস্থাক নে শিক্ষকসকলক, পিতৃ-মাতৃ অভিভাৱকসকলক নে চৰকাৰৰ উদাৰনৈতিক মনোভাৱক!

আমি প্ৰথমতে লক্ষ্য কৰিবলগীয়া কথা হ'ল বৰ্তমান আমাৰ সমাজ ব্যৱস্থাৰ দ্ৰুত পৰিবৰ্তন হৈছে। ভাৰতবৰ্ষ বা অসমৰ সমাজ ব্যৱস্থা যি গতিত পৰিবৰ্তন হ'ব লাগিছিল তাতকৈ বহু বেছি গতিত আমাৰ সমাজখন পৰিবৰ্তন হৈছে। এই কথাটো বিশেষ চিন্তনীয় কথা নহ'লহেঁতেন যদিহে এই পৰিবৰ্তনে আমাক প্ৰকৃত শিক্ষাৰে দীক্ষিত কৰিলেহেঁতেন। কিন্তু আজিৰ ল'ৰা-ছোৱালীক যি উদ্দেশ্য আগত ৰাখি স্কুললৈ পঠোৱা হয় সেয়া

কেৱল বণিক মানুহক জ্ঞান অৰ্জন কৰি বেপাৰ কৰাৰ বাট মুকলি কৰিদিয়াৰ লেখিয়া কথা।আমি অনুভৱেৰে লক্ষ্য কৰিছো যে, আধুনিক শিক্ষিত মানুহখিনি আজি মানুহৰ পৰা বিচ্ছিন্ন। কিয়নো এতিয়াৰ শিক্ষাক্ষেত্ৰৰ পৰা যিবোৰ শিক্ষিত মানুহৰ সৃষ্টি হৈছে সেই প্ৰায়খিনি মানুহেই অৰ্থনৈতিক মানুহ। আজি চাৰিওফালে কেৱল ভোগবাদী শিক্ষাইহে প্ৰাধান্য লাভ কৰিছে। নিজে অৰ্থনৈতিক ফালৰ পৰা স্বচ্ছল হওঁকেই বা নহওঁকেই সন্তানক ব্যক্তিগত খণ্ডৰ স্কুলত পঢ়ুওৱাটো ফেশ্বনত পৰিণত হৈছে আৰু যিবোৰ ল'ৰা-ছোৱালী চৰকাৰী স্কুলত পঢ়িবলৈ গৈছে তেওঁবিলাকৰো যেন উদ্দেশ্য মাত্ৰ এটায়ে যে যিকোনো উপায়ে পৰীক্ষাত পাছ কৰি এটা কৰ্মসংস্থান পালেই হ'ল। জ্ঞান বুদ্ধিৰ কথা বাদ দি আজিৰ মানুহৰ শিক্ষালাভৰ প্ৰধান কাৰক হৈছে ধন উপাৰ্জন কৰা। জীৱিকাৰ প্ৰয়োজন আমাৰ নিশ্চয় আছে। কিন্তু মানৱীয় প্ৰমূল্য বিসৰ্জন দি জীৱিকাৰ নামত স্বাৰ্থপৰ, নৈতিকতাহীন হোৱাৰ শিক্ষাই আমাক সংস্কৃত মানুহৰ শাৰীত থিয় কৰাবনে! যিবোৰ মানুহে কেৱল নিজৰ স্বাৰ্থসিদ্ধিৰ কাৰণেই শিক্ষানুষ্ঠানসমূহত ভিৰ কৰে তেওঁলোকৰ পৰা ত্যাগ, মানৱ-সেৱা, ঐতিহ্যৰ বিচাৰ, নতুন চিন্তাৰ উন্মেষ আদিৰ আশা কৰিব পাৰিনে! যিসকলে জাতীয় স্বাৰ্থতকৈ, দেশৰ স্বাৰ্থতকৈ নিজ স্বাৰ্থক অধিক প্ৰাধান্য দি শিক্ষাক্ষেত্ৰত এক ধৰণৰ পুতি গন্ধময় অৱস্থাৰহে সৃষ্টি কৰিছে, সেই শিক্ষিত মানুহখিনিৰ পৰা আমি ভৱিষ্যতে কি ভাল ফল লাভ কৰিম! এইবোৰ কথা চালি-জাৰি চোৱাৰ আজি খুবেই প্ৰয়োজন।

এসময়ত শিক্ষকসকল আছিল শ্ৰেষ্ঠ আদৰ্শৰ প্ৰতিভূ। অতি বুদ্ধিমান, জ্ঞানী লোকেহে আগতে শিক্ষকৰ পদত অধিষ্ঠিত হ'বলৈ বাঞ্ছা কৰিছিল বা আগবাঢ়ি গৈছিল। গভীৰ অৰ্থতে তেওঁলোকক কোৱা হৈছিল পণ্ডিত বুলি। কিন্তু আজিৰ প্ৰায় ৫০অ শিক্ষকেই হ'ল তুচ্ছাৰ্থৰ পণ্ডিতৰ লেখিয়া। কিয়নো অলপ আগতে উল্লেখ কৰি অহা অৰ্থনৈতিক মানুহৰ চৰিত্ৰই শিক্ষকসকলকো কুঁজা কৰি অনা আমি প্ৰত্যক্ষ কৰি আহিছো। এটা সময়ত শিক্ষক বুলি ক'লে আমাৰ মনত যি এক প্ৰতিচ্ছবি ভাহি উঠিছিল, সেই প্ৰতিচ্ছবি আজিৰ শিক্ষকচামৰ মাজত এশজনৰ এজন ওলায় নে নোলায় সন্দেহ ওপজে! 'অইন চাকৰি নাপালে বাবেই শিক্ষকৰ চাকৰিত সোমাল,' 'চাৰিবাৰকৈ মেট্ৰিকত ফেইল মাৰিছিল আজি তেওঁৱেই শিক্ষক হৈছে,' 'শিক্ষকৰ দ্বাৰা ১১বছৰীয়া ছাত্ৰী ধৰ্ষণ,' 'টকাৰ লোভত বেলেগৰ হৈ পৰীক্ষা দিয়া শিক্ষকক চাকৰিৰ পৰা নিলম্বিত' কথাবোৰ শুনি, বাতৰি কাকতত পঢ়ি আমাৰ সাধাৰণ মানুহৰ মনত কেনেকুৱা ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় তাক কোৱাৰ প্ৰয়োজন নিশ্চয় নাই।

আনফালে যিবোৰ ব্যক্তি প্ৰতিনিধিয়ে আমাৰ হৈ দেশ শাসনৰ বাঘজৰী হাতত লয় তেওঁলোকৰ প্ৰথম লক্ষ্য আৰু উদ্দেশ্য হৈছে গাদীখন সুৰক্ষিত কৰি ৰখা। তেওঁলোকে আন ক্ষেত্ৰৰ প্ৰতি দৃষ্টি নাৰাখি মুক-বধিৰ-অন্ধৰ ভাও ধৰি তলকা মাৰি বহি থাকিলেই হ'ল। ফলত এই মহাশয়সকলৰ কাৰণে শিক্ষাক্ষেত্ৰ হৈ পৰিছে এক ধৰণৰ খেলৰ পুতলা। তেওঁলোকৰ একমাত্ৰ কাম হ'ল লগাই নলগাই শিক্ষকৰ চাকৰি দিয়া। কিন্তু শিক্ষানুষ্ঠানসমূহৰ কি অৱস্থা, শিক্ষাব্যৱস্থাত কি ধৰণৰ পৰিবৰ্তনৰ প্ৰয়োজন, কিহৰ অভাৱ অনুভৱ কৰি প্ৰায়বোৰ চৰকাৰী স্কুল চলি আছে(একেবাৰে পিচ পৰা গাওঁ অঞ্চলৰ বাহিৰে)। আনদিশে চৰকাৰৰ এই দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি ব্যক্তিগতখণ্ডৰ কিছুমান স্কুলে ধন ঘটাৰ নিমিত্তে সমাজক কি কি ধৰণৰ অন্যায় কৰিব লাগিছে তাক আমি চকুমুদি সহ্য কৰিবলৈ বাধ্য হৈ পৰিছো। পাশ্চাত্য দৰ্শনৰ অনুকৰণেৰে তেনেবোৰ বহু স্কুলে আজি আমাৰ শিক্ষা-সংস্কৃতিৰ জগতত পয়মালৰ সৃষ্টি কৰি এক ধৰণৰ লুণ্ঠন আৰম্ভ কৰিছে। লগত এচাম ভোগবাদী, উচ্ছৃংখল অসামাজিক ভৱিষ্যত নাগৰিকৰ জন্ম দিয়াত এইবোৰ স্কুলে অধিক অৰিহণা যোগোৱা যেন আমাৰ ধাৰণা হৈছে। এনেবোৰ কথাৰ প্ৰতিও দৃষ্টি নিক্ষেপ কৰাৰ প্ৰয়োজন।

আমি প্ৰতিজনই একো একোজন সচেতন নাগৰিক হিচাপে দেশৰ ভৱিষ্যতৰ কথা চিন্তা কৰা সমীচীন। আমাৰ জনসাধাৰণৰ পৰাও চৰকাৰৰ ওচৰত এই সমস্যাবোৰৰ সমাধানাৰ্থে কিছুমান দাবী উত্থাপন কৰাৰ দৰকাৰ। কেৱল ধন উপাৰ্জন বা স্বাৰ্থলোভী হোৱাটোৱেই শিক্ষাৰ মূলমন্ত্ৰ নহয়। শিক্ষা লাভৰ পৰা যদি দেশৰ, দহৰ মঙ্গল সাধন নহয়, সাহিত্য-সংস্কৃতিৰ উৎকৰ্ষ সাধন নহয়, তেতিয়া হ'লে সেই শিক্ষাই আমাৰ সমাজ জীৱন ভৱিষ্যতত বিষাক্ত কৰি নুতুলিবনে!

আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল আমাক দেখি আজিৰ

ছাত্ৰ-ছাত্ৰীসকলৰ মনোভাৱবোৰ এতিয়া এক সংকীৰ্ণতাৰ অন্ধকূপত নিমৰ্জিত হৈ পৰিছে। কি ভাল, কি বেয়া প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়ে কেৱল নিজক লৈয়ে ব্যস্ত হৈ পৰিছে। আজিৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সামাজিক সেৱাৰ মনোভাৱ লোপ পাই অহাটোও এটা চিন্তনীয় বিষয়। গুৰু-অগ্ৰজৰ প্ৰতি শ্ৰদ্ধা-ভক্তি, অনুজৰ প্ৰতি মৰম-অনুৰাগ এইবোৰ মানৱীয় আচৰণ ছাত্ৰসমাজত বিৰল যেন অনুভৱ হৈছে। ছাত্ৰসমাজেও দেশৰ শিক্ষাজগতৰ উন্নতিৰ কাৰণে কৰিবলগীয়া আছে। ছাত্ৰ শক্তিকে পৃথিৱীৰ বৃহৎ শক্তি বুলি কোৱা হয়। গতিকে তেওঁলোকেও আমাৰ শিক্ষাক্ষেত্ৰত যি ঘূণপোকে ধৰিছে তাক আঁতৰাবলৈ তৎপৰ হোৱাৰ প্ৰয়োজন।

বৰ্তমান সমাজৰ অশান্তিকৰ পৰিবেশ, আপোন জীৱনৰ জটিল যাত্ৰাত আত্মবিভোৰ আজিৰ দেশৰ প্ৰতিজন ব্যক্তি। সময়ৰ অগ্ৰগতিয়ে আমাক হাতত সময় নিদিয়াৰ উপক্ৰম হৈছে। এনেস্থলত আনে ভাবক-নাভাবক শিক্ষাজগতৰ পৰিবৰ্তন আৰু শিক্ষাব্যৱস্থাৰ উন্নতিৰ কথা অন্ততঃ শিক্ষকসকলে নিশ্চয় ভাবে। কাৰণ শিক্ষাক্ষেত্ৰখন তেওঁলোকৰ কৰ্মক্ষেত্ৰ বা সেৱাক্ষেত্ৰ। সেইবাবেই আমি মত পোষণ কৰো যে শিক্ষকসকলেই পোণতে এইক্ষেত্ৰত মনোনিবেশ কৰক। আমি জানো তেওঁলোকৰ অভাৱ আছে, দাবী আছে বহুত। তথাপি তেওঁলোকে প্ৰতিটো স্তৰৰ মানুহক প্ৰত্যয় নিয়াই তেওঁলোকৰ লগতে থিয় কৰাওক দেশৰ মঙ্গলৰ কাৰণে, ছাত্ৰসমাজৰ উন্নতিৰ কাৰণে সকলোকে মাত মাতিবলৈ বাধ্য কৰাওক। অৰ্থনৈতিক-ৰাজনৈতিক সাজ ত্যাগ কৰি সাংস্কৃতিক ভাবে শিক্ষকসমাজ এই ক্ষেত্ৰত আগবাঢ়ি আহিলে, আমি ভাবো আমাৰ শিক্ষাজগতৰ এক আমূল পৰিবৰ্তন আনিবলৈ সক্ষম হ'ব। কাৰণ শিক্ষক সমাজ হ'ল একোটা জাতিৰ প্ৰাণবিন্দুৰ লেখিয়া। অন্যথা ব্যক্তিগতখণ্ডৱ স্কুলবোৰে আমাৰ জাতিৰ মেৰুদণ্ড গছকি ভাঙি পেলাবলৈ বেছি দিন নালাগিব।

# ইংৰাজী ভাষাৰ শিক্ষণ-কথন

জ্যোৎস্নাৰাণী বৰ্মন।

যি উচ্চাৰিত ধ্বনি বা শব্দৰ সহায়ত মানুহে নিজৰ মনৰ ভাবনা-ধাৰণা, আবেগ অথবা অনুভূতি প্ৰকাশ কৰে বা কৰিব পাৰে, তাকে আমি সাধাৰণ অৰ্থত ভাষা বুলি ক'ব পাৰো। ভাব প্ৰকাশৰ কথিত অথবা লিখিত ৰূপেই হৈছে ভাষা। পৃথিবীৰ একো একোটা অঞ্চলৰ মানুহে ব্যৱহাৰ কৰা শব্দৰাজি আৰু তাৰ প্ৰয়োগ প্ৰণালীয়ে হৈছে ভাষা। মাতৃভাষাক বাদ দি আপুনি বাৰু অইন আৰু কিমানটা ভাষা ক'ব পাৰে, বুজি পায়, পঢ়িব অথবা লিখিব পাৰে? অইন বিভিন্ন কলাৰ নিচিনা ভিন ভিন ভাষা ক'ব পৰাটোও এটা কলা বা 'আৰ্ট'। যিমান অইন ভাষা ক'ব পাৰি, বুজিব পাৰি, পঢ়িব বা লিখিব পাৰি, সিমানে অইন ভাষাৰ মানুহৰ সৈতে অইন জাতিৰ সৈতে সম্ভাৱ অতি অনায়াসে গঢ়ি তুলিব পাৰি, আমাৰ অন্তৰ্জগত চহকী কৰিব পাৰি অইন জাতিৰ সাহিত্য, সভ্যতা, কৃষ্টি-সংস্কৃতিৰ বিষয়ে জ্ঞান আহৰণ কৰি। যিকোনো ভাষা এটা শিকিবলৈ আমি প্ৰথমেই চাৰি প্ৰকাৰৰ দক্ষতা আহৰণ কৰিব লাগে, আৰু সেয়া হ'ল শ্ৰৱণ, কথন, পঠন আৰু লিখন। উল্লেখযোগ্য যে কোনো এটা ভাষা লিখিবলৈ বা পঢ়িবলৈ শিকাৰ আটাইতকৈ চমু পথ বা সহজ উপায় হ'ল প্ৰথমতে ভাষাটো ক'বলৈ শিকা। আমি যিকোনো ভাষাত কথা কওঁতে এনেদৰে ক'ব লাগে যাতে আমি কোৱা কথাখিনি আনে বুজি পায়। বহুতে ধাৰণা কৰে যে খুব খৰকৈ কথা ক'লে বেছিকৈ জনাটেকে বুজায়। কিন্তু এজনেপাৰেমানে খৰকৈ কৈ গ'ল আৰু শুনাজনে একো বুজি নাপালে, সেই খৰকৈ কোৱাৰ কিবা যথাৰ্থতা থাকিলনে? এই নিবন্ধত ইংৰাজী ভাষাৰ প্ৰয়োজন আৰু ইংৰাজী ভাষা কথনৰ ওপৰত সামান্য আলোকপাত কৰাৰ এক সামান্য প্ৰয়াস কৰা হৈছে।

ইংৰাজী ভাষাটোৱে প্ৰবল প্ৰতাপেৰে গোটেই পৃথিৱীৰ বিদ্যায়তনিক দিশটো শাসন কৰি থকাৰ এই একবিংশ শতিকাতো বহুতে ক'ব খোজে যে ইংৰাজী ভাষাটো এটা বিদেশী ভাষা। ইয়াক শিকিনো কি হ'ব? বা সেই ভাষাটোক ইমান গুৰুত্ব দিবলগীয়ানো কি আছে? ইংৰাজী ভাষাটো বিদেশী ভাষা ঠিকেই, কিন্তু গুৰুত্ব দিবলগীয়া ভাষা হয় নে নহয় তাক আমি নিম্নোক্ত শিৰোনাম তিনিটাৰ আধাৰত চালি-জাৰি চাব পাৰো।

(১) ৰাষ্ট্ৰসংযোগী ভাষা হিচাপে ইংৰাজী ভাষাই আগবঢ়োৱা সেৱা।

(২) অন্তঃৰাষ্ট্ৰসংযোগী ভাষা হিচাপে ইংৰাজী ভাষাই আগবঢ়োৱা সেৱা।

(৩) গ্ৰন্থৰ ভাষা হিচাপে ইংৰাজী ভাষাই আগবঢ়োৱা সেৱা।

আমাৰ দেশৰ ৰাষ্ট্ৰীয় ভাষা হিন্দী যদিও ইংৰাজী ভাষাটোও বহুলভাৱে ব্যৱহৃত হয়। গোটেই দেশৰ প্ৰতিজন শিক্ষিত মানুহে বুজি পোৱা একমাত্ৰ ভাষাটো হৈছে ইংৰাজী। 'ইউনিভাৰ্ছিটী ইডুকেছন কমিছন'এ(১৯৬৪-৬৬) ৰাষ্ট্ৰীয় একতা আৰু উচ্চ স্তৰৰ বিদ্যায়তনিক কাম-কাজৰ বাবে ইংৰাজী ভাষা আৱশ্যকীয় বুলি বহুদিন আগেয়ে অনুমোদন জনাইছে। মোৰাৰজী দেশায়ে ইংৰাজী ভাষাটোক "most eloquent and popular of all languages" বুলি কৈ গৈছে।

পৃথিৱীৰ আটাইতকৈ বেছিকৈ ব্যৱহাৰ হোৱা ভাষাটো হৈছে ইংৰাজী। প্ৰায় ৩২০ নিযুত মানুহে ইয়াক মাতৃভাষা আৰু ২০০ নিযুত মানুহে ইয়াক দ্বিতীয় ভাষা(second language) বা অন্যতম প্ৰয়োজনীয় ভাষা হিচাপে ব্যৱহাৰ কৰে। সাহিত্য অকাডেমীয়ে ইংৰাজী ভাষাটোক এক অন্যতম ভাৰতীয় ভাষা হিচাপে স্বীকৃতি প্ৰদান কৰিছে। বিভিন্ন

জাতি আৰু ৰাষ্ট্ৰৰ সৈতে ভাবৰ আদান-প্ৰদান কৰা, ব্যৱসায়-বাণিজ্য উন্নত কৰা, আন্তঃৰাষ্ট্ৰীয় বুজা-পৰা কৰা আদিৰ ক্ষেত্ৰত ইংৰাজীৰ দৰে সৰ্বজনগ্ৰাহ্য আৰু সমূহীয়া মাধ্যম অইন আৰু একোৱেই নাই.

গ্ৰন্থগাৰৰ ভাষা হিচাপে (ইংৰাজীয়ে) বা গ্ৰন্থৰ ভাষা হিচাপে ইংৰাজীয়ে ভাৰতৰ প্ৰতি যি সেৱা আগবঢ়াই আহিছে, সি অতুলনীয়। কোঠাৰি কমিছনে কৈছিল যে যিমানদূৰ সম্ভৱ শিক্ষাৰ মাধ্যম মাতৃভাষা হোৱা উচিত। কিন্তু কমিছনে লগতে ইয়াকো কৈছিল যে ইংৰাজীত কিছু পাৰদৰ্শিতা আহৰণ নকৰালৈকে কোনো ছাত্ৰকে বিশ্ববিদ্যালয়ৰ ডিগ্ৰী প্ৰদান কৰিব নালাগে। সকলো বিভাগৰে সকলো বিষয়ৰ কিতাপ অকল ইংৰাজীতহে পোৱা সম্ভৱ। পৃথিৱীৰ ৬০অৰ অধিক বাতৰি কাকত, কাৰিকৰী সংবাদ পত্ৰ, সমসাময়িক পত্ৰিকা ইত্যাদি ইংৰাজীত প্ৰকাশিত হয়। গ্ৰন্থ অথবা গ্ৰন্থাগাৰৰ ভাষা হিচাপে ইংৰাজীৰ গুৰুত্ব ৰাধাকৃষ্ণন কমিছনে অতি সুন্দৰকৈ বৰ্ণনা কৰিছে- 'It is a language rich in literature, humanities, scientific and technical. If under sentimental urges we should give up English, we would cut ourselves from the living stream of ever-growing knowledge. Our participation in the world movements of thought would become negligible. Its effeets would be disastrous for our political life... English is the only means of preventing our isolation from the world...."

মাতৃভাষা কোৱাৰ ক্ষেত্ৰত আমি কোনেও কাকো একো শিকাব নালাগে। জন্মলগ্নৰে পৰা শুনি অহা হেতুকে প্ৰতিটো শিশুৱে নিজৰ অজ্ঞাতে পৰিবেশ-পৰিস্থিতিৰ সৈতে নিজৰ ভাবনাৰ এক সেতু তৈয়াৰ কৰি যতোপযুক্তভাবে সেই ভাবনা ভাষাৰ মাধ্যমত প্ৰকাশ কৰে। সিহঁতে ডাঙৰ হৈ অহাৰ লগে লগে সিহঁতৰ ভাবনাৰ পৰিধিও বিশাল হয়, বেছি মানুহৰ সংস্পৰ্শলৈ আহে, একেদৰে শুনা কথাৰ পৰিমাণো বেছি হয়, কিন্তু এই ভিন্ন সময়ত, ভিন্ন পৰিবেশ-পৰিস্থিতিত সিহঁতে শুনা প্ৰতিটো শব্দৰ অৰ্থ সিহঁতক কোনেও বুজাই নিদিয়ে, দিব নালাগে। বয়স বঢ়াৰ লগে লগে সিহঁতে নিজে নিজৰ ভিতৰতে কিছু কষ্ট স্বীকাৰ কৰি সেই নতুনকৈ শুনা শব্দবোৰৰ অৰ্থ হৃদয়ংগম কৰে, ব্যৱহাৰ কৰিবলৈ শিকে। মাতৃভাষাৰ ক্ষেত্ৰত এটি শিশুৱে প্ৰথমতে শুনি শুনি ক'বলৈ, তাৰ পাছত পঢ়িবলৈ আৰু একেবাৰে শেষত লিখিবলৈ শিকে। কিন্তু অইন ভাষা বা ইংৰাজীৰ ক্ষেত্ৰত একেবোৰে নিয়ম প্ৰযোজ্য নহয়। আসমীয়া মাধ্যম বা ইংৰাজী মাধ্যমত পঢ়া অসমীয়া ছাত্ৰ এজনে কিন্তু প্ৰথমতে পঢ়িবলৈ, তাৰ পাছত লিখিবলৈ আৰু শেষতহে ভাষাটো ক'বলৈ শিকে। ইংৰাজী মাধ্যমত পঢ়া ছাত্ৰসকলৰ কথা অৱশ্যে সুকীয়া। কিন্তু অসমীয়া মাধ্যমত পঢ়া ছাত্ৰকেইজনে ইংৰাজী ক'ব পাৰে অথবা ভুলে-শুদ্ধই ইংৰাজী ক'বলৈ সাহস কৰে। অথচ গুণগত ক্ষেত্ৰত দেখা যায় যে অসমীয়া মাধ্যমত পঢ়া বা শিক্ষালাভ কৰা ছাত্ৰসকলে ইংৰাজী মাধ্যমত শিক্ষালাভ কৰা ছাত্ৰসকলতকৈ ইংৰাজী বিষয়ৰ পৰীক্ষাৰ ক্ষেত্ৰত বিশেষ সফলতা অৰ্জন কৰিবলৈ বা বেছি পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হয় বা হৈ আহিছে। পৰীক্ষাৰ ফলাফল ভাল হোৱাৰ অৰ্থ নিশ্চয় এয়া যে (১) ইংৰাজী ভাষাটোৰ ওপৰত তেওঁলোকৰ সাধাৰণভাবে হ'লেও দখল আছে, (২) তেওঁলোকৰ ইংৰাজী ব্যাকৰণৰ সম্যক জ্ঞান আছে, (৩) তেওঁলোকৰ ইংৰাজী শব্দৰ ভঁৰাল টনকিয়াল আৰু (৪) তেওঁলোক ইংৰাজী বাক্যবিন্যাস বা বাক্যসজ্জাত সিদ্ধহস্ত। ইয়াৰ পাছতো এজন অসমীয়া মাধ্যমত পঢ়া ছাত্ৰই ইংৰাজী ক'ব নোৱাৰে কিয়? তেওঁলোকক ইংৰাজীত বাকপটু কৰি তুলিবলৈ হ'লে বা তেওঁলোকৰ বাকশক্তি বঢ়াবৰ বাবে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰি?

ছাত্ৰসকলক যথেষ্ট পৰিমানে ইংৰাজীতে ক'বলৈ আৰু তেওঁলোকৰ ভিতৰতে কেৱল ইংৰাজীতে কথা পাতিবলৈ সুযোগ দিব লাগে। ভুলে-শুদ্ধই যিখিনি কয়, তাৰ দ্বাৰাই তেওঁলোকৰ অভ্যাস বা অনুশীলন হ'ব। অনুশীলনৰ কালছোৱাত ব্যাকৰণিক শুদ্ধতাৰ প্ৰতি অলপ

আওকাণ কৰি হ'লেও ক'বলৈ উৎসাহিত কৰিব লাগে। এই প্ৰসংগত আমি ইংৰাজী মাধ্যমত পঢ়া কণ কণ ল'ৰা-ছোৱালীবোৰৰ কথা উনুকিয়াব পাৰো। দুবছৰমান স্কুললৈ যোৱাৰ পাছতে আৰু বহুতে দুবছৰৰ ভিতৰতে তেওঁলোকে ক'ব খোজা কথাখিনি, নিজৰ অনুভূতিখিনি ইংৰাজীতে প্ৰকাশ কৰিবলৈ শিকে, প্ৰকাশ কৰাৰ সুবিধা পায়। এয়া কেনেদেৰ সম্ভৱ হয়? বোধহয় এই কাৰণেই যে স্কুলত থকা গোটেইখিনি সময় সিহঁতে কেৱল ইংৰাজী ভাষাটোহে শুনে, পঢ়িবলগীয়া, পাঠ্যক্ৰমৰ অন্তৰ্গত সকলো বিষয় (হিন্দী, অসমীয়াক বাদ দি) কেৱল ইংৰাজী ভাষাৰ মাধ্যমেৰে পঢ়ে। আৰু তেনেকৈয়ে ক'বলৈ শিকে- Miss, crying (অৰ্থ- লগৰ বা ওচৰৰ কোনোবাই কান্দিছে), Miss, beating (অৰ্থ- কোনোবাই মোক মাৰিছে), Miss, water (অৰ্থ- মোৰ পিয়াহ লাগিছে নাইবা মই পানী খাম), Miss, my comming (অৰ্থ- মোক নিবলৈ আহিছে) ইত্যাদি ইত্যাদি। কিন্তু অসমীয়া মাধ্যমত পঢ়া-শুনা কৰা ল'ৰা-ছোৱালীক এনে এটা পৰিবেশ দিয়াটো সম্ভৱ নহয়, যি ল'ৰা-ছোৱালীয়ে ইংৰাজী বিষয়টোও অসমীয়া ভাষাৰ মাধ্যমত বা সহায়ত শিকে। যদি আপোনাৰ স্কুললৈ নোযোৱা কণমানিটোৱে বা ঘৰৰ কাম কৰা ল'ৰা বা ছোৱালীজনীয়ে টিভি চাই চাই হিন্দী কথা শুনি শুনি হিন্দী বুজি পায়, হিন্দী ক'বলৈ পৰা হয়, তেন্তে ইংৰাজী ভাষাটো স্কুলত শুনি শুনি নিজৰ ভিতৰতে অনুশীলন কৰি ক'ব নোৱাৰাৰ কিবা যুক্তি আছেনে?

এইক্ষেত্ৰত ইংৰাজী শিকোৱা শিক্ষক এজনে কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিব পাৰে?

সম্ভৱতঃ শিক্ষক এজনে ছাত্ৰ জীৱনত ছাত্ৰসকলক যিমানখিনি প্ৰভাৱিত কৰে বা কৰিব পাৰে অইন আৰু কোনেও নোৱাৰে। শিক্ষকসকলৰ প্ৰতিটো কাম, প্ৰতিটো খোজ, প্ৰতিটো কথাত ছাত্ৰসকলে তেওঁলোকৰ মনৰ 'আদৰ্শ' মানুহজনক শিক্ষকৰ মাজত বিচাৰি ফুৰে। সেয়েহে শিক্ষকৰ দায়িত্ব স্বাভাৱিকতে বহুত। শ্ৰেণীকোঠাৰ ভিতৰত অন্ততঃ ইংৰাজী পিৰিয়ডত শিক্ষকজনে ইংৰাজী ক'ব লাগে, ক'ব পৰা হ'ব লাগে আৰু সেই ইংৰাজী হ'ব লাগে সৰল অথচ শুদ্ধ, যাতে প্ৰতিজন ছাত্ৰই কম-বেছি পৰিমানে হ'লেও শিক্ষকে কোৱা কথাখিনি বুজি পায়। একেদৰে ছাত্ৰসকলৰো ইংৰাজী কোৱাৰ অনুশীলনৰ ব্যৱস্থা কৰিব লাগে, ছাত্ৰসকলক ভুলে-শুদ্ধই ইংৰাজী ক'বলৈ উদ্‌গনি দিব লাগে।

প্ৰতিটো ভাষা কথনৰ এটা দুখলপীয়া উদ্দেশ্য থাকে। প্ৰথমতে, কথাই আমাৰ নিজস্ব ধ্যান-ধাৰণাক, অনুভূতি আৰু ভাৱনাক প্ৰকাশ কৰাত সহায় কৰে। দ্বিতীয়তে, ই আমাক অইনৰ চিন্তা-ভাবনাক জানিবলৈ সুযোগ আৰু সুবিধা দিয়ে। দুয়োটা দিশেই সমানে গুৰুত্বপূৰ্ণ। সেয়েহে উভয় দিশতে ছাত্ৰসকলক মনোনিৱেশ কৰিবলৈ শিক্ষকে কৈ দিয়া উচিত। তেওঁলোকক কেৱল মাথোঁ ক'বলৈ উৎসাহিত কৰিলে ভুল কৰা হ'ব, অইনে কি কৈছে, কেনেকৈ কৈছে, কিয় কৈছে তাকো শুনি বুজিবলৈ শিকাৰ প্ৰয়োজনীয়তাৰ কথা ছাত্ৰসকলক ক'ব লাগে। ভাষা এটা শুনি বুজি পোৱাৰ অৰ্থ এই যে শুনোতাজনৰ ভাষাটোৰ ওপৰত পঞ্চাশ শতাংশ দখল ইতিমধ্যে আহি গৈছে। এই প্ৰসংগত আমি ইতিমধ্যে উল্লেখ কৰি অহা শ্ৰৱণ দক্ষতাৰ কথা, অথবা বিদ্যালয়ৰ সীমা গচকি নোপোৱা সৰু ল'ৰা-ছোৱালী অথবা কাম কৰা ল'ৰা-ছোৱালীয়ে টিভি চাই চাই হিন্দী ভাষাটো ক'বলৈ শিকাৰ কথা উনুকিয়াব পাৰো। নিম্নশ্ৰেণীত সৰৱ পঠনৰ মাজেৰে ছাত্ৰসকলক ইংৰাজী কথনৰ প্ৰতি আকৰ্ষিত কৰিব পৰা যায়। কম বয়সতে ছাত্ৰসকলৰ ভুলৰ প্ৰতি লাজ কমালে পিচলৈ সাহস আৰু মনোবল পাব।

অপ্ৰিয় সত্য কথা এযাৰ হ'ল এই যে আমাৰ ইংৰাজী পঢ়ুওৱা শিক্ষকৰ বহুতে ইংৰাজী কথনত পাৰ্গত নহয়। আমাৰ বহুতো শিক্ষকে স্কুলৰ ইংৰাজী ভাষাৰ প্ৰয়োজনীয় পাঠ্যক্ৰমৰ বাদে ইংৰাজী ভাষাৰ কোনোধৰণৰ কিতাপ-পত্ৰ, আলোচনী অথবা বাতৰি কাকত নপঢ়ে। অৱশ্যে এইটোও সঁচা যে জন্মলগ্নত কোনেও একো শিকি নাহে। কিন্তু একাগ্ৰতা আৰু অনুশীলনৰ সহায়ত সকলো

সন্ধৰ বুলিও আমি নজনা নহয়, এইক্ষেত্ৰত আমি উনুকিয়াব পাৰো একলব্যৰ কথা। ভাষা এটা ক'ব পৰা হোৱাৰ প্ৰথম চৰ্ত এই যে ভাষাটোৰ ওপৰত কিছু দখল থাকিব লাগিব আৰু এই দখল আহৰণ কৰাৰ সহজ উপায় হ'ল পঠন। নিয়মিতৰূপে এখন ইংৰাজী কাকত পঢ়িলে, ইংৰাজী ভাষাৰ দুই-এখন আলোচনী পঢ়িলে নিঃসন্দেহে আমাৰ শব্দৰ ভঁৰালো কিছু চহকী হ'ব আৰু পঢ়া কথাখিনি বুজি পালে ক'বলৈও মনত কিছু সাহস আৰু আত্মবিশ্বাস বাঢ়িব। ঘৰত নিজৰ ল'ৰা-ছোৱালীৰ সৈতে আৰু কেতিয়াবা প্ৰয়োজন হ'লে আয়নাৰ সন্মুখত থিয় হৈ অকলে ইংৰাজী কৈ আমি আমাৰ ভয় আঁতৰাব পাৰো, দক্ষতা অৰ্জন কৰাৰ অনুশীলন কৰিব পাৰো। চেষ্টাৰ অসাধ্য একো নাই। আৰু এইটোও সঁচা আৰু যুক্তিসংগত কথা যে আমি শিক্ষকসকলে ইংৰাজী ক'ব পাৰিলেহে ছাত্ৰসকলকো এইক্ষেত্ৰত উপদেশ, উদ্গনি দিব পাৰিম, প্ৰয়োজনসাপেক্ষে সহায় কৰিব পাৰিম।

এতিয়া আহো ইংৰাজী কথন-শিক্ষনৰ দুটামান সহজ আৰু চমু উপায়লৈ :- আৰম্ভণিতে বস্তুনিষ্ঠ পাঠৰ সহায়ত মৌখিক পদ্ধতিৰে ইংৰাজী কথনৰ অনুশীলন কৰাব পাৰি। সমুখত যিকোনো এটা বস্তু থৈ তাৰ বিষয়ে বা সেই বস্তুটোৰ ওপৰত তেওঁলোকক বিভিন্ন প্ৰশ্ন সুধি, বস্তুটোৰ ওপৰত তেওঁলোকৰ ধাৰণা ব্যক্ত কৰিবলৈ সুবিধা দিব লাগে। তেওঁলোকক প্ৰথমতে সোধা প্ৰশ্নবোৰ সহজ আৰু লাহে লাহে সেই প্ৰশ্নৰ ধৰণ সহজৰ পৰা টান হ'ব লাগে। আকৰ্ষণীয় আৰু বৰ্ণনাত্মক, অথচ সহজে বোধগম্য কিছু ছবিৰ সহায়তো এই কাম কৰিব পাৰি। যিকোনো গদ্য বা কবিতা এটা নাটকৰ ৰূপত সজাই লৈ, অভিনয় আৰু সংলাপৰ সহায়তো ছাত্ৰসকলক ইংৰাজী ক'বলৈ শ্ৰেণীকোঠাৰ ভিতৰতে সুবিধা কৰি দিব পাৰি, ছাত্ৰসকলৰ মাজত ইংৰাজী কোৱাৰ অভ্যাস গঢ় দিব পাৰি, আকৌ অধিক ছাত্ৰ থকা শ্ৰেণীত ছাত্ৰসকলক একো একোটা দলত ভগাই লৈ প্ৰত্যেককে একোটাকৈ নতুন শব্দ ক'বলৈ দি তেওঁলোকৰ শব্দৰ ভঁৰাল টনকিয়াল কৰিব পাৰি। যেনে- এজনে ক'ব Mango, আন এজনে ক'ব Book, আকৌ এজনে ক'ব water ইত্যাদি। ইয়াৰ পাছত ছাত্ৰসকলৰ একোটা দলক পৰস্পৰ সংযোগী কিছু শব্দ ক'বলৈ দিব লাগে। যেনে- শিক্ষকজনে ক'লে–School, ছাত্ৰসকলে ক'ব–Teacher, Student, Book, Pen, Desk, Bench ইত্যাদি। অথবা শিক্ষকজনে ক'লে–Home, ছাত্ৰসকলে ক'ব–Family, Father, Mother, Son, Daughter, Grandpa, Grandma ইত্যাদি। শব্দৰ ওপৰত কিছু দখল আহৰণ কৰাৰ পাছত একোটা দলৰ প্ৰতিজন সদস্যক একোটাকৈ বাক্য ক'বলৈ দি এটা সাধু ৰচনা কৰিবলৈ দিব পাৰি।

কবিতা এটা আবৃত্তি কৰি শুনাই, তাত অন্তৰ্নিহিত কবিৰ ভাবনাৰাশিক নিজ ভাষাত প্ৰকাশ কৰিবলৈ দিও কথনশৈলী উন্নত কৰাৰ প্ৰয়াস কৰিব পাৰি।

মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক স্তৰৰ ছাত্ৰসমূহৰ মাজত ইংৰাজী ভাষাৰ মাধ্যমেৰে বক্তৃতা প্ৰতিযোগিতা, তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ উপৰি নানাধৰণৰ সৃজনীশীল ৰচনা(গল্প, কবিতা, প্ৰবন্ধ, ভ্ৰমণ কাহিনী, জীৱনী আদি) প্ৰতিযোগিতাৰ আয়োজন কৰি ইংৰাজী কথন আৰু লগতে সৃষ্টিশীল কাৰ্যৰ প্ৰতিও ছাত্ৰসকলক আওপকীয়াকৈ আকৰ্ষিত কৰিব পাৰি। এই আকৰ্ষণ এদিন অভ্যাসলৈ ৰূপান্তৰ হৈ প্ৰচুৰ সম্ভাৱনা আৰু সুফল কঢ়িয়াব পাৰে।- কোনে জানে!

তদুপৰি নানাধৰণৰ দৃশ্য-শ্ৰব্য মাধ্যমৰ(চিডি কেছেট, টিভিৰ বিভিন্ন কাৰ্যক্ৰম, গান, নাটক, চিনেমা)সহায়তো ইংৰাজী ভাষা শ্ৰৱ-কথনৰ অনুশীলন কৰিব পাৰি।

কেনেধৰণৰ কথন বা কথোপকথনক নামবিশিষ্ট অথবা গুণবিশিষ্ট কথন আখ্যা দিয়া হয়?

ছাত্ৰসকলক ইংৰাজী কথনৰ অতি আগ্ৰহান্বিত কৰি তুলিবলৈ হ'লৈ তেওঁলোকে যেতিয়াই যি ক'ব বিচাৰে তাক ইংৰাজীতে ক'বলৈ(বিশেষকৈ ইংৰাজী পিৰিয়ডটোত বা তেনেধৰণৰ প্ৰতিযোগিতা চলি থকা সময়ছোৱাত)

উৎসাহ আৰু মনোবল প্ৰদান কৰিব লাগে। নিম্ন শ্ৰেণীত পঢ়ি থকা এজন ছাত্ৰই কোৱা ইংৰাজী, মাধ্যমিক, উচ্চ মাধ্যমিক অথবা উচ্চতৰ মাধ্যমিক স্তৰৰ এজন ছাত্ৰই কোৱা ইংৰাজী, এজন কলেজৰ ছাত্ৰই কোৱা ইংৰাজী, এজন শিক্ষক আৰু এজন উচ্চ বিষয়াই কোৱা ইংৰাজী নাইবা এজন ইংৰাজে কোৱা ইংৰাজীৰ মাজত নিশ্চয় কিছু পাৰ্থক্য দেখা যাব। কিন্তু মানবিশিষ্ট কথোপকথন বা গুণবিশিষ্ট কথনশৈলীৰ মাজত তলত উল্লেখ কৰা গুণসমূহ থকাটো অৱশ্যেই প্ৰয়োজনীয়।

(১) স্পষ্টতা (clearity), (২) শব্দ উচ্চাৰণ (enunciation), (৩) শব্দৰ তীব্ৰতা (volume)

(৪) ক্ষিপ্ৰতা (speed)

আমি ইংৰাজী কওঁতে এইটো মনত ৰাখিব লাগে যে আমি ক'ব খোজা কথাখিনি স্পষ্টভাৱে প্ৰকাশ কৰিবলৈ যত্নপৰ হোৱা উচিত। কোৱা কথাখিনিৰ প্ৰতিটো শব্দৰ উচ্চাৰণ যথাৰ্থভাৱে কৰিব লাগে যাতে শ্ৰোতাজনৰ বুজিবলৈ অকণো অসুবিধা নহয়। কথা কওঁতে শব্দবোৰে এনে যথোপযুক্ত গতিত নিক্ষেপণ কৰিব লাগে যাতে শ্ৰোতাজনে প্ৰতিটো শব্দ ভালদৰে শুনি তাৰ অৰ্থ বুজি পায়। কথাবোৰ, অৰ্থাৎ প্ৰতিটো বাক্য তেনেধৰণৰ ক্ষিপ্ৰতাৰেহে ক'ব লাগে যাতে শুনোতাজনৰ খোকোজা নালাগে, বক্তব্যখিনিতেওঁলোকৰ (অৰ্থাৎ শ্ৰোতাৰ)সহজবোধ্য হ'ব লাগে। আপুনি ক'ব বিচৰাখিনি কৈ গ'ল আৰু যিজনক ক'লে তেওঁ একোকে বুজি নাপালে, আপোনাৰ কথাখিনি কেৱল কিছুমান অৰ্থহীন ধ্বনিৰ সমষ্টিহে হ'বগৈ। প্ৰথমে ক'বলৈ শিকোতে অথবা অনুশীলনৰ সময়ত ছাত্ৰসকলৰ কিছুমান ভুল হোৱাটো একেবাৰে স্বাভাৱিক। এই ভুলৰ শুধৰণি কেনেদৰে কৰিব পাৰি?

ধৰা হ'ল ছাত্ৰ এজনে ইংৰাজীত নিজৰ মনৰ ভাব প্ৰকাশ কৰিবলৈ ধৰোতে, কিবা বস্তুৰ বৰ্ণনা দিবলৈ যাওঁতে বা কোনোবাটো প্ৰশ্নৰ উত্তৰ দিওঁতে কিছু ভুল কৰিলে। এই ভুলখিনি যদি সঠিক সময়ত উপযুক্তভাৱে আঙুলিয়াই দিয়া নহয় তেন্তে তেওঁ কেতিয়াও সঠিককৈ ইংৰাজী ক'ব নোৱাৰিব। কিন্তু এইখিনিতে আমাৰ মনলৈ অহা প্ৰশ্নটো হ'ল এই যে এই ভুলবোৰৰ শুধৰণি কৰি দিয়াৰ সময় কোনখিনি? ভুল কৰিলেও ছাত্ৰ এজনে কৈ থকাৰ মাজতে ব্যাঘাত জন্মাই কেতিয়াও শুধৰাই দিব নালাগে, ই একেবাৰে ভুল কাৰ্যপ্ৰণালী। এই কাৰ্যই ছাত্ৰজনৰ উৎসাহত চেঁচাপানী ঢলাৰ নিচিনাহে হ'ব। ভুলে-শুদ্ধই তেওঁলোকক ক'বলৈ যিমান উৎসাহিত কৰা হ'ব সিমানে শিকিব, শিকিবৰ বাবে আগ্ৰহ বাঢ়িব, চেষ্টা কৰিব।

তেওঁলোকে ক'ব খোজা যিকোনো কথা, যিকোনো সমস্যা, তেওঁলোকে দিয়া প্ৰশ্নৰ উত্তৰ– সকলোবোৰ ভালদৰে শুনি লৈ তাৰ পাছতহে যথেষ্ট সহানুভূতি আৰু মৰমেৰে তেওঁলোকৰ ভুল শুধৰাই দিব লাগে, পিচত কওঁতে সেই ভুলবোৰৰ বিষয়ে সজাগ হৈ ক'বলৈ প্ৰেৰণা দিব লাগে। লগতে কি কৰিলে তেনেবোৰ ভুল আঁতৰাব পাৰি তাৰো কিছু আভাস ছাত্ৰসকলক দিব লাগে।

ভুলবোৰ শুধৰাই দিয়াৰ সময়ত তেওঁলোকৰ বয়স আৰু সেই অনুপাতে মনস্তত্ত্বক বিশেষ প্ৰাধান্য দিব লাগে। নহ'লে এই ভুলৰ বাবে তেওঁলোকে কেতিয়াবা হীনমন্যতা বা নীচাত্মিকাবোধত ভুগিব লগাও হ'ব পাৰে। সুন্দৰ আৰু সাৱলীলভাৱে ক'ব পৰা ছাত্ৰসকলক অইন ছাত্ৰৰ আগত আৰু যথাসম্ভৱ স্কুলৰ সভাই-সমিতিয়ে ক'বলৈ সুবিধা দিব লাগে। এনে কৰিলে লগৰ অইন ছাত্ৰসকলো অনুপ্ৰাণিত হয় আৰু একধৰণৰ বন্ধুত্বপূৰ্ণ প্ৰতিযোগিতাৰ পৰিবেশ গঢ় দিয়াতো সহায়ক হ'ব, য'ত ছাত্ৰসকলে ইজনে-সিজনক হিংসা কৰাৰ পৰিবৰ্তে প্ৰয়োজনত সহায়ৰ হাতহে আগবঢ়াবলৈ সাজু হৈ থাকিব।

কথাতে কোৱা হয়- 'যত্ন কৰিলেহে ৰত্ন পায়'। কষ্ট, অধ্যাৱসায় বা যত্ন অবিহনে কোনো ভাল ফলাফল কোনেও কেতিয়াও লাভ কৰিব পৰা নাই, নোৱাৰে। সাৱলীলভাৱে আৰু শুদ্ধ ভাষাত ছাত্ৰসকলৰ মনৰ ভাব, অনুভূতি প্ৰকাশ কৰিবলৈ, প্ৰকাশ কৰাৰ মানসিকতা গঢ়ি তুলিবলৈ শিক্ষকে তেওঁলেকক পাৰ্যমানে সংগ, সুবিধা আৰু সাহস দিয়া উচিত।

বৰ্তমান আমি সঘনাই শুনি থকা এটা সমস্যা হ'ল নিবনুৱা সমস্যা(Unemployment Problem)। অথচ এই নিবনুৱাসকলৰ (unemployed) বিভিন্ন কাৰ্যক্ষেত্ৰত নিয়োজিত হ'ব পৰাকৈ প্ৰয়োজনীয় শিক্ষাগত অৰ্হতা (educational qualification)খিনিও আছে। তথাপি তেওঁলোক নিয়োজিত হোৱা নাই কিয়? বিজ্ঞজনে কয় যে তেওঁলোক unemployed (যিজনক নিযুক্তি দিয়া হোৱা নাই) নহয়, unemploable-হে (অৰ্থাৎ যিজন বা যিসকলক নিযুক্তি দিব পৰা নাযায়, নিয়োজিত হ'ব পৰা যোগ্যতা যিসকলৰ নাই)।

ইয়াৰ প্ৰধান কাৰণ হিচাপে তেওঁলোকে দুটা দিশলৈ আঙুলিয়াইছে। (১) তথ্য আৰু প্ৰযুক্তি-বিদ্যাৰ জ্ঞানৰ অভাব। (২) ইংৰাজীত কথা ক'ব পৰা দক্ষতাৰ অভাব।

এই দুটা বিষয়ত সিদ্ধহস্ত যুৱক-যুৱতীখিনিক 'নিবনুৱা' নামৰ শব্দটোৱে পীড়া দিয়া নাই বুলি আমাৰ বিশ্বাস। গতিকে উক্ত বিষয় দুটাত কিছু দক্ষতা আহৰণ কৰিব পাৰিলে আমাৰ নৱ প্ৰজন্মই নিশ্চয় একমুখে ক'ব পাৰিব- 'বিদায়, নিবনুৱা সমস্যা'!



# মোৰ স্মৃতিৰ দাপোনত
# বিলাসীপাৰা মহাবিদ্যালয়

কান্তেশ্বৰ দেৱ নাথ
প্ৰাক্তন ছাত্ৰ, বিলাসীপাৰা কলেজ।

বৰ্ত্তমানে বিলাসীপাৰা মহাবিদ্যালখনৰ পূৱ আৰু দক্ষিণ দিশত ডাঙৰ নলা বা নদী লেখিয়া পানী নোহোৱা যি এটি অৱয়ব দৃশ্যমান হয়, এইয়া কিছুদিন আগতে বোৰতিৰ গৌৰাং নদী আছিল। কিছু বছৰ আগত এই নদী দিশ সলনি কৰি দক্ষিণ দিশেৰে প্ৰবাহিত হৈ আছে। আমি যেতিয়া বিগত ১৯৫৫-৫৬ চনত প্ৰাথমিক বিদ্যালয়ত দ্বিতীয় /তৃতীয় শ্ৰেণীৰ ছাত্ৰ আছিলো, বিলাসীপাৰাত জাহাজ ঘাট আছিল বুলি ভূগোলত পঢ়িবলৈ পাইছিলো। পাৰাপাৰ হ'বলৈ তথা মাছ ধৰা সৰু-ডাঙৰ নাওঁৰ উপৰিও হাজাৰ-মোনী বাণিজ্যিক নাৱওঁ আমি প্ৰত্যক্ষ কৰিছিলোঁ।

তেতিয়াৰ বোৰতি গৌৰাং নদীৰ পাৰত জমিদাৰ নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱৰ ১৮ কোঠালীয়া ৰং মহলটো অৱস্থিত। ৰং মহল শব্দটো এই কাৰণে কোৱা হৈছে যে এই ভৱনটোত দূৰ কলিকতাৰ পৰা গায়ন-বায়ন অনাই জলসা, মনেলগা বাঈজী-নৰ্তকী অনাই নৃত্যগীতৰ মাজেৰে ৰং তামোচা আনন্দাদি উপভোগ কৰিছিল।

উল্লেখিত মহল প্ৰাঙ্গনত দুৰ্গা পূজাৰ মেলা মহাসমাৰোহেৰে পালিত হৈছিল। ইয়াৰ নাতি দূৰৈৰ আশোকাষ্টমীৰ পূণ্য স্নানঘাট আছিল। এই স্নানঘাটত স্থানীয় ৰাইজৰ উপৰিও বাহিৰৰ হাজাৰ-বিজাৰ মানুহ আদি স্নান কৰি নিজক পূত-পৱিত্ৰ আৰু ধন্য মানিছিল।

নদীৰ পাৰটোত বিশেষকৈ মৰাপাটৰ বজাৰ বহাৰ উপৰিও ধান বিভিন্ন মাহ, বাঁহ আৰু হাঁহ কুকুৰা তথা গৰু ম'হৰো বৃহৎ বজাৰ বহিছিল। স্থানীয় মানুহৰ বাহিৰেও দূৰ-দূৰণিৰ পৰা ক্ৰেতা তথা বেপাৰী আহি এই বজাৰখনত বস্তু কিনা-বেচা কৰিছিল। গৌৰাং নদীখনত মাছ, কাছৰ উভৈনদী আছিল। নদীখনত বাৰিষা কালত আমি জলচৰ ঘৰিয়াল আদি দেখিবলৈ পাইছিলো। জমিদাৰ বাৰীৰ নদীৰ ঘাটত প্ৰতি বছৰে নাওঁ খেল মহাপয়োভৰেৰে হৈছিল। ক্ৰিয়ামোদী ৰাইজ নিজ চকুৰে নাওঁখেল চাই মহা আনন্দ লাভ কৰিছিল। যিহওক আচল বিষয়বস্তুটো লেখিবলৈ গৈ আনুষঙ্গিক কিছু কথাৰ অৱতাৰণা কৰিলোঁ এই কাৰণে যে, পিছে পূৰ্ণ বিষয়টো আধৰুৱা হয় — এই আশঙ্কাত।

জমিদাৰ নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱ তেখেতৰ ৰং মহলটো তথা সংশ্লিষ্ট জমিখিনি মহাবিদ্যালয়ৰ নামত দান দিলে। বিলাসীপাৰীয়া আশাশুধীয়া ৰাইজে ৰজাৰ অমোঘ দান অত্যান্ত আগ্ৰহেৰে গ্ৰহণ কৰিলে। ফলত এই মহাবিদ্যালয়খনৰ নাম নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱৰ নাম অনুসাৰে এন.এন.কলেজ, বিলাসীপাৰা বুলি নামকৰণ কৰা হয়। এই নামেৰে কলেজখন কিছুদিন চলিল। কিন্তু যেতিয়া চৰকাৰী মঞ্জুৰী বিচৰা হ'ল। তেতিয়াই লেঠাটো বাৰুকৈ লাগিল। চৰকাৰে একে এষাৰ কথাৰে যুক্তি দৰ্শাই চৰকাৰী সাহাৰ্য্য তথা মঞ্জুৰী দিয়াৰ পৰা বিৰত থাকিল। ব্যক্তিগত কোনো দাতাৰ নামৰ অনুষ্ঠানক চৰকাৰী মঞ্জুৰী দিয়া নহয়। দাতাই কলেজৰ যাৱতীয় খৰচ বহন কৰিব লাগিব, অসমৰ্থ হলে তেওঁৰ নামটো কৰ্ত্তন কৰি সমূহীয়া অইন এটি নাম দিব লাগিব। জমিদাৰ চৌধুৰীদেৱৰ সেই সময়ত আৰ্থিক অৱস্থা বাৰুকৈয়ে পুতৌ লগা আছিল। মহাবিদ্যালয়খনৰ সমস্ত ব্যায়ভাৰ গ্ৰহণ কৰা তেওঁৰ সামথ্যৰ বাহিৰ আছিল। নাম পৰিবৰ্ত্তনত যাতে তেওঁ কোনো বেয়া নাপায় স্থানীয় বিদ্যোৎমণ্ডলীয়ে তেখেতক বুজাই সৈমান কৰালে। তাৰ পিছত ইংৰাজী ১৯৬০ চনত স্থাপিত এন.এন. কলেজৰ ঠাইত বিলাসীপাৰা কলেজ নামেৰে নামকৰণ কৰা হল।

কলেজখনত প্ৰফুল্ল প্ৰাণ চাংকাকতি, শিৱপূজন ৰামকানু, মহেন্দ্ৰ বৰা প্ৰমুখ্যে ভালেসংখ্যক নামী-দামী মুধাফটা ব্যক্তিয়ে কলেজখনৰ অধ্যক্ষতা কৰিছিল।

জমিদাৰৰ নাম কৰ্ত্তন তথা চৰকাৰী মঞ্জুৰী পোৱা লৈকে এই সময়খিনি কলেজখনৰ আৰ্থিক অৱস্থা বৰ সুচল নাছিল বুলি ক'ব লাগিব। আমিবোৰ তেতিয়াৰ ছাত্ৰ, অধ্যক্ষ প্ৰমুখ্যে প্ৰবক্তা মণ্ডলী, কাৰ্য্যালয় সহায়ক তথা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকল বৰ নিকাৰ ভুঞ্জিব লগা হৈছে। এমুঠি খাই আন মুঠিৰ কাৰণে ভাবিব লগাত পৰিছিল। তেখেত সকলৰ মহান ত্যাগৰ ফলশ্ৰুতিত আজিৰ এই মহাবিদ্যালয়খন।

প্ৰথম অৱস্থাত কলেজখন দুটাসিপ্টৰে আৰম্ভ কৰা হৈছিল। মৰ্নিং সিপ্ট আৰু ডে সিপ্ট। মৰ্নিং সিপ্টটো আছিল চাকৰিয়াল সকলৰ বাবে আৰু ডে সিপ্টটো আছিল নিয়মীয়া ছাত্ৰ-ছাত্ৰীসকলৰ বাবে। এইদৰে কিছুদিন চলি থকা অন্তত মৰ্নিং

সিপ্টটো উঠাই দি তাৰ ঠাইত নাইট সিপ্ট খোলা হল। মই ১৯৬৫ চনত প্রি-ইউনিভাৰচিটি শ্রেণীত নাম লগাইছিলো। পিছে গাওঁৰ এখন ভেঞ্চাৰ প্রাথমিক বিদ্যালয়ত চাকৰি পোৱাত মোৰ নাম ডে সিপ্টৰ পৰা কাটি নাইট সিপ্টত লগাও।

আজিৰ দৰে বিলাসীপাৰা চহৰ খনত বিজুলি পাতি নাছিল। আমি নাইট সিপ্টত পঢ়াসকলে হেজাক বাতিৰ পোহৰত ক্লাচ কৰিছিলো। হেজাক লগাই দিছিল শুকদেৱ নামৰ এজন চতুৰ্থ শ্রেণীৰ হিন্দীভাষী কৰ্মচাৰীয়ে। মানুহজন বৰ দয়ালু আছিল। ছাৰহঁতৰো প্রিয় পাত্র আছিল। হেজাকবোৰ যাতে নুমাই নাযায় তাৰ কাৰণে তেওঁ শ্রেণীবোৰত তাঁত বাটি কাঢ়িছিল।

প্ৰাক্ বিশ্ববিদ্যালয় শ্রেণীৰ বাছনি পৰীক্ষাত মই আটাইতকৈ কম নম্বৰ পোৱাত অধ্যক্ষ শিৱ পূজন ৰামকানুদেৱে মোক বাৰুকৈ গালি পাৰিলে। অধ্যক্ষদেৱৰ গালিখিনিক মই শ্রদ্ধা সহকাৰে মূৰ পাতিলৈ চূড়ান্ত পৰীক্ষাৰ কাৰণে মনোযোগ দি অধ্যয়ন কৰিছিলো। পিছত চূড়ান্ত পৰীক্ষাৰ ফলাফলত দেখা গ'ল আন আন বিষয়তকৈ মাতৃভাষাত বেচি নম্বৰ পাইছো। এইখিনিতে উনুকীয়াই থওঁ যে চূড়ান্ত পৰীক্ষাৰ অলপ দিন আগতে বিলাসীপাৰাৰ ৰাজ আলিত ৰাজনীতি বিষয়ৰ অধ্যাপক মাননীয় অৰুণ কুমাৰ চক্রৱৰ্ত্তী ছাৰৰ লগত মোৰ দেখা। ছাৰে মোক দেখিয়ে তেখেতৰ তৰ্জনী আঙুলিটো মোৰ পিনে টোৱাই বঙলা ভাষাত ক'লে যে -"তোমার খবর কি?" মই বুজিব পাৰিলো ছাৰে মোক পৰীক্ষাৰ প্রস্তুতিৰ কথা সুধিছে। মইয়ো বঙলা ভাষাতে উত্তৰ দিলো - "ছাৰ, কিছু কিছু হয়েছে।" ছাৰে তেতিয়া মোক মৰম মিশ্রিত অনুশাসনেৰে ক'লে- "কিছু কিছু হলে চলবে না, সম্পূর্ণ হতে হবে।" অকল তেখেতেই নহয় তেতিয়াৰ সকলোবোৰ ছাৰেই আমাক মৰম মিশ্রিত অনুশাসনেৰে আমাক অধ্যয়নত উৎসাহ জগাইছিল। আমিও ছাৰসকলক অন্তৰেৰে শ্রদ্ধা জনাইছিলো। মুঠতে অধ্যক্ষ, শিক্ষক মণ্ডলী তথা আমি ছাত্র-ছাত্রীৰ মাজত সদায় সদভাৱ আৰু সম্প্রীতি অটুট আছিল।

বি.এ. প্রথম বাৰ্ষিক পঢ়ি থকা সময়ৰ এটি কথা বাৰুকৈ মনত সাঁচ বহুৱাইছিল। আমাৰ বুৰঞ্জীৰ অধ্যাপক ৰবীন বৰঠাকুৰ ছাৰ এদিনাখন ক্লাচ ল'বলৈ আহিল। সিদিনাখন মোৰ বাহিৰে ক্লাচত আন কোনো ছাত্র-ছাত্রী উপস্থিত নাছিল। ছাৰে মোৰ নাম ৰেজিষ্টাৰ বহীত উপস্থিত দি পঢ়াবলৈ আৰম্ভ কৰিলে। মই অকলে ক্লাচ নকৰিম বুলি আপত্তি কৰিব খুজিছিলো - কিন্তু নোৱাৰিলো, তেখেতৰ ৰাজধানী এক্সপ্রেছৰ নিচিনা সুৱলা বক্তৃতাৰ মই হাৰ মানিলো। পূৰা চল্লিছ মিনিট যোৰা বক্তব্য ৰাখি ঘন্টাধ্বনি পৰাৰ পিছতহে শ্রেণীৰ পৰা ওলাই গ'ল। উক্ত ছাৰৰ কৰ্ত্তব্য নিষ্ঠাই মোৰ জীৱনত বাৰুকৈ ৰেখাপাত কৰিছিল। মই মোৰ শিক্ষকতা কৰা কালছোৱাত ছাৰৰ আদর্শ পালন কৰিছিলো। কৰ্ত্তব্য নিষ্ঠা আৰু সময়ৰ মূল্যাঙ্কন সম্বন্ধে ছাত্র-ছাত্রীসকলক ছাৰৰ উদাহৰণ দি বুজাই দিছিলো।

মহাবিদ্যালয়খনত পঢ়া আমাৰ কালছোৱাত অধ্যক্ষ আছিল মাননীয় শিৱ পূজন ৰামকানুদেৱ, অধ্যাপকসকল আছিল অসমীয়াৰ মনোমোহন দাস, সত্যেন্দ্ৰ নাথ গোস্বামী, ইংৰাজীত - দীনবন্ধু ভট্টাচাৰ্য্য, আশিষ কুমাৰ চৌধুৰী আৰু ৰামাজ্ঞা শৰ্মা, বঙলাত আছিল - শ্ৰীমতী গীতা গুহৰায় আৰু ৰেৱতী মোহন সাহা, ৰাজনীতি বিজ্ঞানত - অৰুণ কুমাৰ চক্রৱৰ্ত্তী আৰু ৰাজেশ্বৰ তামুলি, অৰ্থশাস্ত্রত আছিল- প্রণৱ কুমাৰ মহন্ত আৰু যতীন্দ্ৰ চন্দ্ৰ বৰুৱা, বুৰঞ্জী বিষয়ত - ৰবীন বৰঠাকুৰ আৰু বিনদানন্দ সিং, দৰ্শন বিষয়ত - মহম্মদ হুচেইন। অংক বিষয়টো আমি পঢ়া কালৰ পিছত মুকলি কৰা হৈছে। কলেজৰ কাৰ্য্যালয় সহায়ক দুগৰাকী বুঢ়া মানুহ আছিল, সিহঁত দুজন আছিল শ্রীজগদীশ চক্রৱৰ্ত্তী আৰু হেমেন স্যানাল চতুৰ্থ শ্রেণীৰ কৰ্মচাৰী আছিল ধৰণীকান্তি ঘোষ আৰু শুকদেৱ সাহা।

আমাৰ দিনৰ মহাবিদ্যালয়খন কেৱল জমিদাৰৰ ১৮ কঠীয়া ভৱনটোৰেই আছিল। তাত অকল কলা বিভাগটো খোলা হৈছিল। সদীৰ্ঘ দিনৰ পাছতহে বিজ্ঞান বিভাগটো মুকলি কৰা হয়। এতিয়া মুলভৱনটোৰ চাৰিওফালে ভাল ভাল আৰ্হিৰ ভালে কেইটা ভৱন স্থাপন কৰা হৈছে। চাইকেল, বাইক ৰখা ধুনীয়া আস্থান কৰি দিয়া হৈছে। কলেজখনত ছাত্র-ছাত্রীৰ সংখ্যাও বহুত বাঢ়িছে। সেই অনুপাতে শিক্ষক, আমোলা চতুৰ্থ শ্রেণীৰ কৰ্মচাৰীৰ সংখ্যাও বাঢ়ি আছে। কলেজৰ পুঁথি ভঁৰালটোও পাঠ্যপুথিৰ উপৰিও বিভিন্ন প্ৰসঙ্গ পুথিৰে মেটমৰা হৈছে।

আজিৰ এই পঞ্চদশ বৰ্ষৰ পূৰ্তি উপলক্ষে মহাবিদ্যালয়খনৰ স্বৰ্ণজয়ন্তী মহোৎসৱ পতা হৈছে। এই মহোৎসৱত এগৰাকী প্রাক্তন ছাত্র হিচাবে এই লিখনীখনি যুগতাই উছৰ্গিলো আৰু মহাবিদ্যালয়খনত উত্তৰোত্তৰ শ্রীবৃদ্ধি কামনা কৰিলোঁ।



# ধুবুৰী জিলাৰ টেৰাকোটা শিল্প আৰু ইয়াৰ উন্নয়ণ

✍ জাবিদুৰ ৰহমান
গৌৰীপুৰ।

অন্তৰাত্মাৰ প্ৰতিভাৰ পৰা সৃষ্টি হোৱা কলা-কৌশল, সৃজনশীল আবিষ্কাৰেই হ'ল প্ৰকৃত শিল্প আৰু সৃষ্টি কৰাজনেই প্ৰকৃত শিল্পী। শিল্পীসকলে আধ্যাত্মিক চিন্তা-চৰ্চাক বিভিন্ন কলা শৈলীত ৰূপান্তৰহে কৰে। কিন্তু কেতিয়াবা প্ৰতিভা থকাৰ পাছতো বিশেষ পৰিৱেশ নোপোৱাত শিল্পীৰ প্ৰতিভা বিকশিত কৰাত বাধাৰ সন্মুখীন হয়। সাধাৰণ শিল্পী এজনেও উপযুক্ত পৰিৱেশৰ বাবেই প্ৰতিভাৱান শিল্পী হিচাপে পৰিচয়ৰ লগতে সুনাম অৰ্জন কৰিবলৈ সক্ষম হয়। সাধাৰণতে শিল্পকলা বংশনুক্ৰমে বিকশিত হৈ তাৰ উন্নত কৰণ তথা সামাজিক প্ৰয়োজন বোধৰ ওপৰত আন্তৰ্জাতিক খ্যাতি লাভ কৰাত বহুতেই সমৰ্থ হৈছে। বংশানুক্ৰমে চলি অহা শিল্প কলাক অধিক আকৰ্ষিত কৰাৰ বাবে আধুনিক পদ্ধতি উদ্ভাৱন কৰি অধিক উন্নত শিল্প শৈলীৰ সৃষ্টি কৰাটোও শিল্পী এজনৰ সপোন হয়। অন্তিম পৰ্য্যায়লৈকে নিজৰ সপোন বাস্তৱ ৰূপ দিয়াৰ বাবে এজন শিল্পীয়ে নিজৰ চেষ্টা সম্পূৰ্ণৰূপে অব্যাহত ৰাখে।

নামনি অসমৰ ধুবুৰী জিলাৰ গৌৰীপুৰ চহৰৰ নাতিদূৰৈত অৱস্থিত থকা আশাৰিকান্দি গাঁও টেৰাকোটাৰ বাবেই ৰাষ্ট্ৰীয়ই নহয় আন্তঃ ৰাষ্ট্ৰীয় হিচাপেও খ্যাত হৈ পৰিছে। আন্তঃ ৰাষ্ট্ৰীয় বহু শিল্পী আৰু গৱেষকেও টেৰাকোটা আশাৰিকান্দি গাঁওখনক ভ্ৰমণ কৰি উজলাই তুলিছে। টেৰাকোটা অৰ্থাৎ পোৱামাটিৰ ভাস্কৰ্য শিল্প শৈলী পূৰ্বতকৈ উন্মত ধৰণৰ বনোৱাত অধিক মনোমহা তথা আকৰ্ষিত হ'লেও প্লাষ্টিক সামগ্ৰীৰ প্ৰচলনে ইয়াৰ ব্যৱহাৰ পূৰ্বতকৈ সীমিত বুলি কব পাৰি।

কিন্তু ভাৰতবৰ্ষত টেৰাকোটাৰ ব্যৱহাৰ পূৰ্বতকৈ সীমিত হ'লেও আন্তঃ ৰাষ্ট্ৰীয় বজাৰত ইয়াৰ চাহিদা এতিয়াও যথেষ্ট পৰিমানে আছে। এই চাহিদাৰ বাবেও আশাৰিকান্দিৰ শিল্পীসকলে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত অনুষ্ঠিত বিভিন্ন প্ৰদৰ্শনী আৰু বিক্ৰী মেলাসমূহৰ উপৰি আন্তঃ ৰাষ্ট্ৰীয়ভাৱে অনুষ্ঠিত প্ৰদৰ্শনীত অন্যান্য দেশত টেৰাকোটাক প্ৰদৰ্শন কৰি এক সুনাম অৰ্জন কৰিবলৈ ইতিমধ্যে সক্ষম হৈছে। আশাৰিকান্দিৰ প্ৰখ্যাত শিল্পী ধীৰেন্দ্ৰ নাথ পালেও আন্তঃ ৰাষ্ট্ৰীয়ভাৱে টেৰাকোটা শিল্পী হিচাপে বিভিন্ন ৰাষ্ট্ৰৰ প্ৰদৰ্শনীত নিজৰ শিল্প কলাক প্ৰদৰ্শন কৰি বিশেষ সন্মান অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। এই শিল্পীগৰাকীয়ে পূৰ্বৰ কলাশৈলীক আধুনিকৰূপে গঢ় দিয়াৰ লগতে বিজ্ঞান সন্মতভাৱে তৈয়াৰ কৰিবলৈ সমৰ্থ হয়। অৱশ্যে আশাৰিকান্দিৰ বাহিৰে জিলাখনৰ বিভিন্ন অঞ্চলত বহু প্ৰতিভাবান শিল্পী আছে যদিও নিজৰ সৃষ্টিক প্ৰদৰ্শন কৰাবলৈ সুবিধা নাপাই বা পৰিবেশ উন্মত কৰিব নোৱাৰাত সেই শিল্পীসকলৰ কলা-কুশলতা প্ৰচাৰ-প্ৰসাৰৰ পৰা বঞ্চিত হৈ আছে। যাৰফলত জিলাখনৰ বিলাসীপাৰা, চাপৰ, সাপটগ্ৰাম, মানকাচৰ, বগৰীবাৰী, ধুবুৰী আদি ঠাইত থকা শিল্পীসকলে নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব পৰা নাই। অথচ এই শিল্পী সকলো নিখুতভাৱে কাম কৰিব পাৰে।

টেৰাকোটা শিল্পৰ প্ৰতি বহুতৰে ভুল ধাৰণা নাইবা অজ্ঞতা থাকিব পাৰে। কিন্তু তথ্য মতে টেৰাকোটাৰ প্ৰকৃত অৰ্থ হল টেৰা -Earth Soil আৰু কোটা - Baking or Firing.মাটিৰে সৃষ্টি কৰা কলা কুশলতা, ভাস্কৰ্যক পোৱাৰ পাছত তাক টেৰাকোটা বুলি কোৱা হয়।

হাৰাপ্পা, মহেঞ্জোদাৰোৰ সভ্যতা তথা সংস্কৃতিত টেৰাকোটাৰ প্ৰবল প্ৰচাৰ প্ৰসাৰ তথা ব্যৱহাৰ আছিল। কিন্তু সময়ৰ গতিত শিল্পীসকলৰ প্ৰতিভা বিভিন্ন কাৰণত বিভিন্ন পৰিস্থিতিৰ বাবে প্ৰকাশ পোৱাত বাধাপ্ৰাপ্ত হৈ আহিছে। মাটিৰ পাত্ৰ, সা-সামগ্ৰী তথা বাচন-বৰ্তন ব্যৱহাৰ কৰাটো আজিও বিভিন্ন সভ্যতাৰ পৰা উদ্ধাৰ হোৱাত টেৰাকোটাৰ ব্যৱহাৰৰ বিষয়ে সহজতে অনুমান কৰিব পাৰি। সেইদৰে এই সভ্যতাৰ চিনাকিৰ মাধ্যমেৰেই মাটিৰ সামগ্ৰী ত্যাগ কৰি একে আৰ্হিত নাইবা অত্যাধুনিক জগতৰ সৈতে খাপ খুওৱাকৈ অন্যান্য ধাতুৰ সামগ্ৰী আধুনিক সভ্যতাৰ সংযোজন হৈ পৰাৰ বাবেই এটা সময়ত টেৰাকোটাৰ ব্যৱহাৰ দিনে দিনে সীমিত হৈ পৰে। বিশেষকৈ টেৰাকোটা শিল্পৰ লগত জড়িত শিল্পীসকলে বংশানুক্ৰমে টেৰাকোটাৰ সৈতে জড়িত থকা, শিক্ষা-দীক্ষা, কাৰিকৰী প্ৰশিক্ষণ আদিত পিছপৰি থকা বাবে আধুনিক জগতৰ সৈতে খাপ খুওৱাকৈ সা-সামগ্ৰী তৈয়াৰ কৰাত ব্যৰ্থ হোৱাৰ বাবেও টেৰাকোটাৰ ভাস্কৰ্য সাধাৰণ গতিৰে আগবাঢ়ি বৰ্তমানৰ পৰ্যায় পাইছেগৈ। আদিম যুগ, মধ্য যুগ আদিতো মৃৎ শিল্পৰ

প্ৰচলনৰ ফলস্বৰূপে দেৱ-দেৱী গঢ়ি পূজা-পাৰ্বন কৰাৰ উপৰি প্ৰতিদিনে ব্যৱহৃত সা-সামগ্ৰীও তৈয়াৰ কৰিছিল। সাধাৰণতে জুইৰ আৱিস্কাৰৰ পাছতে মৃৎ শিল্প কলাক পুৰি উলিয়াই মজবুত কৰাৰ বাবে এই টেৰাকোটাৰ সৃষ্টি হয়। এই টেৰাকোটাই বিভিন্ন জাতিৰ সভ্যতাক মূল্যাংকন কৰি আহিছে।

আশাৰিকান্দিত থকা টেৰাকোটা শিল্পীসকলে পূৰ্বতে ঘৰুৱা ব্যৱহৃত সাধাৰণ সা-সামগ্ৰী তৈয়াৰ কৰি জীৱন নিৰ্বাহ কৰিছিল, যদিও মৃৎ শিল্পী ধীৰেন্দ্ৰ নাথ পালৰ অক্লান্ত পৰিশ্ৰমৰ বাবেই আধুনিকৰূপত শিল্প-ভাস্কৰ্যৰ ওপৰত জোৰ দিয়ে আৰু আন্তঃ ৰাষ্ট্ৰীয় বজাৰত ইয়াৰ চাহিদা দ্ৰুতগতিত বৃদ্ধি কৰিবলৈ সক্ষম হয়। বিশেষকৈ চাইকেলৰ সৈতে চালকৰ টেৰাকোটা শিল্পই আন্তঃ ৰাষ্ট্ৰীয় বজাৰত উচ্চ স্থানত থাকিলেও মাতৃ-শিশুৰ পুতলাও ভাৰতবৰ্ষৰ বিভিন্ন অংশত প্ৰদৰ্শনীত যথেষ্ট সমাদৰ পাই আহিছে। বিভিন্ন ধৰণৰ চিত্ৰ ভাস্কৰ্যৰে পৰিপূৰ্ণ ফুলৰ টাব গৌৰীপুৰৰ আশাৰিকান্দিত অধিক মনোমোহাকৈ তৈয়াৰ কৰা হয়।

ভাৰতবৰ্ষৰ বিভিন্ন সভ্যতাৰ চিত্ৰকলা-ভাস্কৰ্যৰ প্ৰতীকৰ সামগ্ৰী, চিত্ৰ খোদিত জীৱ-জন্তু, গণেশৰ মূৰ্তি, বৃহৎ আকৃতিৰ গছা, চিন্তামণি তিৰোতা-গাভৰুৰ মূৰ্তি, বিভিন্ন ধৰণৰ জীৱ-জন্তু, অন্যান্য দেশৰ চিত্ৰকলা, দৈনন্দিন ব্যৱহৃত সা-সামগ্ৰী, গ্ৰাহকৰ চাহিদাৰ ভিত্তিত তৈয়াৰ কৰা সামগ্ৰীয়ে বিখ্যাত। বিশেষকৈ নতুন নতুন চিত্ৰকলা-ভাস্কৰ্যৰ বাবেই আশাৰিকান্দি আৰ্ন্তজাতিক খ্যাতি লাভ কৰি আহিছে। আশাৰিকান্দিত ভাৰতবৰ্ষৰ বিভিন্ন বিভাগৰ বিষয়া, বিখ্যাত শিল্পী, গৱেষক, কলা-সংস্কৃতিৰ সাধক, প্ৰশিক্ষাৰ্থীয়ে ভিৰ কৰি আহিছে। প্ৰসিদ্ধ শিল্প কলাৰ বাবেই ছুইডেনৰ মিউজিয়ামত, ভাৰত বৰ্ষৰ দিল্লী, কলকাতা, মাদ্ৰাছ মিউজিয়ামত আশাৰিকান্দিৰ টেৰাকোটা সংস্থাপন কৰা হৈছে। একেদৰে টেৰাকোটাৰ শিল্প নিপুনতা, বিভিন্ন কলা-কুশলতাক চোৱাৰ বাবেই ১৯৯৬ বৰ্ষত জাপান, লণ্ডন আৰু আমেৰিকাৰ পৰা বিভিন্ন বিষয়া তথা শিল্পীৰ দলে পৰিদৰ্শন কৰি প্ৰশংসা কৰে। এনেদৰেই টেৰাকোটা শিল্পৰ বাবেই অসমৰ আশাৰিকান্দি ভাৰতবৰ্ষৰ মানচিত্ৰত সুকীয়া স্থান পাবলৈ সক্ষম হৈছে। এনেকি ভাৰতবৰ্ষৰ বিভিন্ন অংশত টেৰাকোটা ঔদ্যোগিক শিল্পৰ প্ৰগৰ্শনীত আশাৰিকান্দিৰ শিল্প কলাই বিশেষ বৈশিষ্ট্য বহন কৰি আহিছে। ইয়াৰোপৰি দৰ্শক তথা ক্ৰেতাৰ মন জয় কৰাতো সফল হৈ আহিছে। আশাৰিকান্দিৰ টেৰাকোটা শিল্পীসকলে গেংটক, চিকিম, দিল্লী, মাদ্ৰাছ, মুম্বাই, গোৱা, পুনা, মধ্য প্ৰদেশৰ ইন্দোৰ, কলকাতা আদি কৰি বৃহৎ বৃহৎ প্ৰদৰ্শনীত ভাগ লৈ সুনাম অৰ্জন কৰিছে।

টেৰাকোটাৰ নিপুন শিল্পী সৰলাবালা দেৱী তথা প্ৰখ্যাত শিল্পী ধীৰেন্দ্ৰ নাথ পালৰ মাতৃক ভাৰতীয় প্ৰাচীন শিল্প কলাক উদ্ধাৰ তথা কলা-কুশলতাৰ বাবে ভাৰত চৰকাৰে অখিল ভাৰতীয় হস্ত কলা মণ্ডলে ১৯৮২ চনত শ্ৰেষ্ঠ শিল্পীৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰদান কৰে। ১৯৮৭ চনত আন্তৰ্জাতিক শিল্পী ধীৰেন্দ্ৰ নাথ পালে ইউৰোপ ভ্ৰমণৰ সুবিধা লাভ কৰি ছুইডেন, ডেনমাৰ্ক, জাৰ্মানী ভ্ৰমণ কৰি বিশেষ খ্যাতি অৰ্জন কৰে। শিল্পী ধীৰেন্দ্ৰ নাথ পালে ১৯৮৮ চনৰ মাৰ্চ মাহত নতুন দিল্লীৰ নেচনেল একাডেমী অৱ আৰ্টৰ ললিত কলা একাডেমীত অংশ গ্ৰহণ কৰি সুনাম অৰ্জন কৰিবলৈ সক্ষম হয়। আনহাতে আশাৰিকান্দিৰ মহাদেৱ পালক ১৯৯৬ চনত ৰাজ্যিক পুৰস্কাৰেৰে সন্মানিত কৰে। গৌৰীপুৰৰ আশাৰিকান্দিয়ে অসমৰ সন্মান উজলাবলৈ সমৰ্থ হৈছে। ভৱিষ্যত প্ৰজন্মৰ শিক্ষিত যুৱকসকলে অধিক উন্নতমানৰ আৰু নতুন নতুন সৃষ্টিৰে অসমৰ নাম ভাৰতবৰ্ষতে নহয় আন্তৰ্জাতিক ভাৱেও অধিক বিখ্যাত কৰিব বুলি আশা কৰিব পাৰি। কিন্তু দুৰ্ভাগ্যৰ বিষয় জিলাখনৰ আশাৰিকান্দিতে নহয় কোনো ঠাইতে পৰ্যটন শিল্পৰ বিকাশ ঘটা পৰিলক্ষিত হোৱা নাই। এনেকি পৰ্যটন বিভাগৰ দ্বাৰা আশাৰিকান্দিত অভিলাষী আঁচনি গ্ৰহণ কৰাৰ লগতে স্বীকৃতি প্ৰদানৰ পিছতো আজিও সম্পূৰ্ণভাৱে বাস্তৱত পৰিণত হোৱা নাই। North East Craft and Rural Dev. Organisation (NECARDO) নামৰ স্বেচ্ছাসেৱী সংগঠন এটি আশাৰিকান্দিত টেৰাকোটাৰ উন্নয়ণৰ উদ্দেশ্যে গঠন হয়। 'নেকাৰ্ডো' নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ সঞ্চালক বিনয় কুমাৰ ভট্টাচাৰ্য্যৰ লগতে স্থানীয় শিল্পীসকলৰ অশেষ প্ৰচেষ্টাত কিছুমান অভিলাষী আঁচনি গ্ৰহণ কৰা পৰিলক্ষিত হয়। কিন্তু অৰ্থৰ সংকট, বাট-পথৰ লগতে দলং এখনৰ দুৰৱস্থাৰ বাবে আঁচনি সমূহ বাস্তৱৰূপ দিবলৈ সক্ষম হোৱা নাই। ইপিনে উপযুক্ত তথা পৰ্য্যাপ্তভাবে প্ৰচাৰ-প্ৰসাৰৰ অভাৱত আশাৰিকান্দিৰ দৰে জিলাখনৰ বিলাসীপাৰা, সাপটগ্ৰম, মানকাচৰ, চাপৰ, বগৰীবাৰী আদিৰ শিল্পী সকলে আগবাঢ়িবলৈ সমৰ্থ হোৱা পৰিলক্ষিত হোৱা নাই। যাৰফলত জিলাখনৰ টেৰাকোটাৰ ওপৰত অধিক গুৰুত্বৰ লগতে পৰ্য্যাপ্তভাবে প্ৰচাৰ তথা প্ৰসাৰৰ প্ৰয়োজন আছে।



# অসমীয়া সংস্কৃতিত তামোল পাণ

✍ ৰূপালী নেওগী ডেকা
প্ৰাক্তন ছাত্ৰী

অসমীয়া সংস্কৃতিত অতীজৰে পৰা তামোল পাণে এক গুৰুত্বপূৰ্ণ স্থান লাভ কৰি আহিছে। ই এবিধ একবীজ পত্ৰী গছ। ইয়াক বাদ দি কোনো শুভ কামেই কৰিব নোৱাৰি। অসমৰ গাওঁবোৰত প্ৰতিঘৰ মানুহেই ঘৰৰ চৌহদত তামোল পাণৰ গছ ৰোৱে। পাণৰ বাৰী পাৰত কৰা ব্যৱস্থা সোনোৱাল সকলৰ অবদান। ঠুৰা বা খুটি পাণৰ বাৰী খনেই তেওঁলোকৰ সংস্কৃতিৰ নিদৰ্শন দিব পাৰে। অসমীয়া মানুহে তামোল পাণৰ বাৰীখন নিয়মিয়াকৈ চিকুনাই শুৱনি কৰি ৰাখে সেয়ে কথাতে কয় আগফাল শুৱনি কাকিনী তামোল পাছফালে শুৱনি পাণ। বহুতে ব্যৱসায়ীক ভিত্তিতো তামোল গছৰ বাৰী কৰি ধন উপাৰ্জ্জন কৰিবলৈ সক্ষম হয়। আহাৰ মাহত ভাল পকা তামোল বাচি উলিয়াই পুলি কৰা হয়। পুলি বিলাক বহু কেইবাৰ ঠাই সলনি কৰি ৰুলে, গছডাল বৰ বেছি দীঘল নহয় আৰু তামোলৰ থোকবোৰ ভাল হয়। এটা তামোল চাৰি খণ্ড কৰি চাৰিজনে খাব পাৰে। আকাৰত ডাঙৰ হলে ৬/৭ জনেও খাব পাৰে।

তামোল বিলাক পকিলে মজিবৰ কাৰণে মাটিতে গাঁত খান্দি গাতত তামোলৰ ঢকুৱা আৰু ৰং ভাল হবৰ কাৰণে অলপ কেঁচা গোবৰ দি গাঁতটো বন্ধ কৰা হয়। কেইমাহ পিছত তামোল বিলাক মজি যায় আৰু প্ৰয়োজন সাপেক্ষে গাঁতৰ পৰা উঠাই লয়। ইয়াকে মজা তামোল বা বুঢ়া তামোল বোলে। মাটিৰ কলহত তামোল ভৰাই পানী ভৰ্ত্তি কৰিও তামোল মজোৱা হয়। তামোল কাটি শুকুৱাই থলে সেইবিধ তামোলক সুপাৰী বুলি কোৱা হয়। অসমত থকা মাৰোৱাৰী সম্প্ৰদায়ে কুমলীয়া তামোল সিজাই শুকাই থয় ইয়াক চিকনী গুৱা বুলি কোৱা হয়। এই তামোলবিধ তেওঁলোকৰ বৰ প্ৰিয়।

অইন অইন প্ৰদেশত কেঁচা তামোল বা মজা তামোল খোৱাৰ প্ৰচলন খুব কম। শুকান তামোল বা সুপাৰী বেলেগ প্ৰদেশত ব্যৱহাৰ হোৱা দেখা যায়।

অসমত কেঁচা তামোল, মজা তামোল-পাণৰ লগত খোৱা প্ৰচলন। তামোল খোৱা প্ৰথাটো দ্ৰাবিড়ী প্ৰথা বুলি বহু পণ্ডিতে ক'ব বিচাৰে। কাৰণ 'Betal' শব্দটোৱেই মালয়ালম ভাষাৰ 'বেটিল্লা' শব্দৰ পৰা আহিছে।

জ্যঁ পছিলুস্কিৰ মতে অষ্ট্ৰ এছিয়াটিক মন্ খেমৰ ভাষাৰ বুল ধাতুৰ লগত তম্ উপসৰ্গ লগ লাগি তামুল শব্দ নিষ্পন্ন হৈছে। পালি সাহিত্যত সৰ্বপ্ৰথম তামোল খোৱা প্ৰথাৰ উল্লেখ আছে। অসমৰ বাৰে বৰণীয়া সংস্কৃতিত তামোল পাণ এক অবিচ্ছেদ্য অংগ। বিভিন্ন ধৰ্ম্মানুষ্ঠান, ক্ৰিয়াকাণ্ড সামাজিক উৎসৱ সভা সমিতি আদিত তামোল পাণৰ ব্যৱহাৰ মন কৰিবলগীয়া।

কালিকা পুৰাণত প্ৰথমে তামোলক পূজা উপাচাৰৰ অন্যতম উপকৰণ ৰূপে গণ্য কৰিছে। প্ৰতি বৃহস্পতিবাৰে লক্ষ্মীদেৱীৰ ঘটৰ ওপৰত এযোৰ তামোল পাণ দিয়া প্ৰথা আছে।

'ঘটে সান্নিধানে দিবা লক্ষ্মীৰ আসন
বস্ত্ৰে সুশোভিতা কৰি দিয়া গুৱা পাণ।'

ঠাই ভেদে তামোলক গুৱা বুলিও কোৱা হয়। পূজাৰ নৈবেদ্যত গোটা তামোল পাণ এযোৰ আগগুৰি কাটি পাত্ৰ এটিত আগবঢ়াব লাগে। বিপদ নাশিনী, সুবচনী, মঙ্গলচণ্ডী পূজাৰ শেষত তামোল পাণ বিলোৱা হয়।

গাওঁলীয়া সমাজত কৃষকে প্ৰথম কঠীয়া ৰোৱাৰ দিনা বেলেগ উপাদানৰ লগতে তামোল পাণ এযোৰ দি সেৱা কৰিহে কঠীয়া ৰোৱে। ঘৰলৈ আলহী আহিলে প্ৰথমতে তামোল পাণ আগবঢ়াই অভ্যৰ্থনা জনোৱা হয়। অসমীয়া গাওঁলীয়া সমাজত ডেকা গাভৰুৰ প্ৰেম-প্ৰীতি, বিবাহ প্ৰক্ৰিয়া আনকি পাণ এখিলা দীঘে দীঘে দুভাগকৈ চিঙি বিবাহ বিচ্ছেদ ঘটোৱা প্ৰথা ঠাইভেদে এতিয়াও দেখিবলৈ পোৱা যায়। অমসীয়া ডেকা-গাভৰুৱে আজিও ইজনে সিজনক তামোলেৰে মৰম ভালপোৱা যাচে। বিহুগীতত আমি শুনিবলৈ পাওঁ ঃ-

"কিনো তামোলখনি দিলা মোৰ মইনা
অতি চেনেহৰে খালো
সেইনো তামুলখনি খাবৰে পৰা
তোমাৰ লগত চিনাকি হলো"।

অসমীয়া মানুহে জুতি বঢ়াবলৈ তামোল পাণৰ লগত সুগন্ধি দ্ৰব্য হিচাবে লং ব্যৱহাৰ কৰে। বিহুগীতত তামোলে স্থান পাইছে এইদৰে ঃ-

থুৰিয়াই থুৰিয়াই তামোল কাটি দিছিলা, তাৰে মাজত দিছিলা লং বিহু গীতত জাত পাতৰ সামাজিক প্ৰাধান্য নিৰ্ণয় কৰি গাই এই দৰেঃ-

তোমাৰ কটা তামোলখনি নেখাওঁ ঐ লাহৰী
আমাৰে মৰিব কুল।

হুচৰী মৰা দলক তামোল পাণৰ শৰাই আগবঢ়াই গৃহস্থই আৰ্শীবাদ বিচাৰে ৰাইজেও "ভৰাঁলত ধান, পুখুৰীত মাছ, বাৰীত তামোল পাণ উভৈ নদী হওক বুলি আৰ্শীবাদ দিয়ে। বিয়াত তামোল পাণেৰে নিমন্ত্ৰণৰ শৰাই থৈ মাতিলে অতি আন্তৰিকতাৰে মতা বুলি আজিও ভবা হয়। চিঠিৰ প্ৰচলনে ইয়াৰ কিছু ব্যতিক্ৰম ঘটায়। বিয়াৰ বহুতো ক্ৰিয়া কাৰ্য্যত তামোল পাণৰ ব্যৱহাৰ অপৰিহাৰ্য্য। অধিবাসৰ দিনৰে পৰা দৰা-কইনাই তামোল পাণ আৰু কটাৰী লগত ৰাখিব লাগে। বিবাহ পৰ্ব শেষ হোৱাৰ পিছত দৰা কইনাই এই তামোল কটাৰী সাল সলনি কৰে। জোৰণৰ দিনা কইনাৰ ঘৰলৈ এথোক তামোল আৰু পাণ নিয়াটো চিৰাচৰিত প্ৰথা। কইনা ঘৰৰ পদুলি মুখত দৰা-কইনাৰ মাকে তামোল পাণৰ বঁটা সলনা সলনি কৰে। জোৰণৰ পিন্ধাওতে লগত নিয়া তামোল পাণ কটাৰী কইনাৰ শিৰত থৈহে বাকী বস্তুখিনি এপদ এপদকৈ দিয়া হয়। বিয়াৰ দিনাখন কইনাৰ মাতৃ আৰু সম্বন্ধীয় তিৰোতা সকলে দুখন হাতত দুখিলা পাণ দৈ গাখীৰেৰে জুবুৰিয়াই কইনাৰ গা, মুখত লগাই দিয়া দেখা যায়। অঞ্চল বিশেষে প্ৰজাপত্য সপ্তপদী অনুষ্ঠানত কইনাই একেডালি গছৰে সাতখিলা পাণ গছেকে বুলি মধ্যযুগীয়া স্মৃতিশাস্ত্ৰত পোৱা যায়। বিয়াগীততো তামোলে স্থান পাইছে এইদৰেঃ-

"হাতত পাণ বটা লৈ
মাৰাক মাতা গৈ

গোৱালপাৰীয়া বিয়াৰ অধিবাসৰ গীতত দৰাপক্ষই গায় -

গুৱা আই সে আৰোনে আৰোনেৰে
পাণ আইসে বাসুৱা বৰণে
চুন আইসে খিৰিকী-দুৱাৰেৰে
দেনো গুৱা কন্যাৰ বাবাৰ আগেৰে
যায় নো গুৱা দেনো ফিৰোৱাৰ জোবাবৰে

এইবাৰ কইনা পক্ষই গায় এইদৰেঃ-

নাখাং তোৰ কাঁচা গুৱাৰ বাঁধাৰে
নাখাং তোৰ বাৰাই পাণেৰ ভিসা
নাখাং তোৰ জলধানীৰ ছুৱা চুণৰে।
ডাউফিয়া ফেলাইম কাছা গুৱাৰ বাধাৰে
ৰৌদে শুকাইং বাৰাই পাণেৰ ভিসাৰে।

দেও ধাই চকলং বিবাহৰ বৰ্ণনাতো ২১খন যুৰীয়া তামোল চোবাই পেলাব লাগে বুলি উল্লেখ আছে। অসমীয়া মানুহৰ দৰে শ্যামী আৰু ভিয়েট নামী সকলেও কেঁচা-তামোল বা পনিয়লী তামোল খায়। পালি সাহিত্যত সৰ্বপ্ৰথম তামোল খোৱা প্ৰথাৰ উল্লেখ আছে। স্মৃতি শাস্ত্ৰতো ভোজনৰ পাছত মুখশুদ্ধিৰ কাৰণে তামোল খোৱাৰ বিধান আছে। বাৎসায়নৰ কামশাস্ত্ৰতো মুখৰ নিশ্বাস সুগন্ধি কৰিবলৈ তামোল খাবলৈ পৰামৰ্শ দিছে। পুৰণি অসমত তামোলৰ সমাদৰ বৰ বেছি দেখা গৈছিল কাৰণেই হয়তো সেউজীয়া তামোলৰ থোক ভাস্কৰ বৰ্মাই হৰ্যবৰ্দ্ধনলৈ নিয়া উপহাৰৰ ভিতৰত এবিধ আছিল। সুশ্ৰুত সংহিতা, চৰক সাহিত্য, বৃহৎ সংহিতা আদি গ্ৰন্থতো তামোলৰ গুনাগুণ বনোৱা হৈছে। (তাম্বুলাশা সদা ভবেৎ) বুলি যোগিনীতন্ত্ৰত লিখা আছে।

ঘৰুৱা চিকিৎসা হিচাপেও তামোল পাণে স্থান পায়। পেটৰ ৰোগ, দাঁতৰ ৰোগ, মুখৰ দুৰ্গন্ধ, বদহজম হোৱাত আৰু বিষ নিৰাময় হয় বুলি জনবিশ্বাস আছে। গৰু, মহৰ চকুৰ বেমাৰতো তামোলৰ পিক ব্যৱহাৰ কৰা হয়।

হাত, ভৰিৰ আঙুলিত কণী পৰা বেমাৰ হলে পাণৰ ঠাৰিডাল দাঁতেৰে চোৱাই লোহা গৰম কৰি মিঠাতেল ঢালি সেই গৰম তেল পাণৰ ঠাৰিডালেৰে উক্ত স্থানত লগাই দিলে সুফল পোৱা যায়।

বুঢ়ী আইতাই তামোলৰ জুতি বঢ়াবলৈ পাণৰ লগত চুণ দি খুন্দনাত খুন্দি মুখভৰাই খোৱা তামোলখনিৰে ৰঙা ওঠযুৰিয়ে সকলোৰ দৃষ্টি আকৰ্ষণ কৰে।

আমাৰ আজু কঁকাহতে তামোলৰ হিচাব এনেকৈ কৰিছিলঃ-

| | | |
|---|---|---|
| ৪ কঁৰাই | - | ১ গণ্ডা |
| ৫ গণ্ডাই | - | ১ বুৰি |
| ৪ বুৰিত | - | ১ পোণ |
| ৪ পোণে | - | ১ পদিকা |
| ৪ পদিকাত | - | ১ কাওন |

পাণৰ হিচাব কৰিছিল এনেদৰেঃ-

| | | |
|---|---|---|
| ৫ খিলাই | - | ১ জুলি |
| ৪ জুলিত | - | ১ গুচি |
| ৪ গুচিত | - | ১ টা |
| ২১/২ টা বা ১০ গুচিত | - | ১ মুঠা |

বৰ্ত্তমান সময়ত তামোলৰ হিচাব হয় এইদৰেঃ-

| | | |
|---|---|---|
| ৪ টা | - | ১ গণ্ডা |
| ২০ গণ্ডা | - | ১ পোণ |
| ২০ পোণে | - | ১ কাওন |

বৰ্ত্তমান তামোল পাণৰ বৰ্দ্ধিত মূল্যৰ প্ৰতি লক্ষ্য ৰাখি প্ৰত্যেকে নিজে কিছু হলেও তামোল পাণ ৰোৱে আৰ্থিক দিশত স্বাৱলম্বী হোৱাৰ উপৰিও দৈনন্দিন ব্যৱহাৰৰ ক্ষেত্ৰত বজাৰলৈ ৰখি থাকিব নেলাগে। তামোলৰ লগত খোৱা আনবিধ পাত হৈছে ধপাত। এই মলাধপাতৰ প্ৰস্তুতি সম্পূৰ্ণ অসমীয়া বুলি কব পাৰি। তামোল, পাণ, চূণ, ধপাত মিলাই লৈ খালেহে তামোলৰ আচল জুতিটো আহে আৰু তামোল খোৱাতো যেন সম্পূৰ্ণ হয়। এই সন্দৰ্ভত এফাঁকি অতি সুন্দৰ ফঁকৰা আছেঃ-

তামোল এখন দিয়া ভকত
পাণ চূণ তাৰ লগত
ধপাত অকন দিবা পাছে
এলেহে সকলো লগতে আছে

অসমীয়া মানুহে থুৰিয়াই তামোল নাখায় যদিও উৎসৱ, অনুষ্ঠান, গুৰু গোসাই ঘৰত থুৰিয়াই অনা তামোল খায়। তামোল-পাণ-থুৰিওৱা কামটোৰ দ্বাৰা অসমীয়া ছোৱালী বোৱাৰীৰ কলাসুলভ মনৰ চিনাকি পোৱা যায়। তামোল পাণ কটাৰো বিধি নিয়ম আছে। হাতেৰে পাণ ছিঙিব নাপায়। এজনৰ হাতৰ পাণ আন এজনে অলপ ছিঙি খালে কাজিয়া হয় বুলি জনবিশ্বাস আছে। বিভিন্ন জনগোষ্ঠীৰে ভৰপূৰ অসমত সকলোবিলাক জনজাতিৰ ভিতৰত খাচী আৰু মিকিৰ সকলে আটাইতকৈ বেছি তামোল খায়। খাচী সকলে মৃতকৰ সৎকাৰ কাৰ্য্যতো তামোল ব্যৱহাৰ কৰে। মিকিৰ সকলে ভ্ৰমণত যোৱাৰ সময়ত হাঁচতিত তামোল পাণ বান্ধি নিয়ে আৰু তামোল এখন খোৱা পৰলৈ লক্ষ্য ৰাখি পথৰ দূৰত্বও নিৰূপণ কৰে। তামোল পাণৰ লগত ব্যৱহৃত সামগ্ৰী কেইপদ হল, কটাৰী, তামোল হাঁচতি, তামোলৰ জোলোঙা, খুদ্ধনা, পাণবটা আৰু শৰাই। গোৱালপাৰীয়া গীতত তামোল পাণে স্থান পাইছে এইদৰে,-

পৰাৰ বাৰীৰ সাঁচি পাণ
পইসা দিয়া শ্যাম কিনিয়া আন
আনোৰে গুৱা পাণ কাটোৰে খাই

অতৃপ্ত নাৰী মনৰ কামনা বন্ধ্যা হৈ ৰোৱাজনীয়ে এইদৰে গায়--

তামুল কাটিয়া পাণ সাজেয়া
খাৱইয়া নাই মোৰ ঘৰে।

প্ৰৱাদ বাক্যতো তামোল ব্যৱহাৰ হয় —

উত্তৰে গুৱা
দক্ষিণে ধুৱা

**সাঁথৰতো তামোল ব্যৱহাৰ কৰা হয়—**

(ক) খাকসা মুখে পৰছে গুৱা
গুৱা কয় মোৰ হৈছে এলা

(খ) স্বৰ্গ থাকি পৰিল ভেট
ভেট্ বোলে মোৰ কাট্ চপট

**পদ্মপুৰাণৰ গীতত শুনা যায়—**

পদ্মা বলে লেঙ্গা পাত্ৰ ৰত্ৰয়া তামুল খাওঁ
হস্তীৰ পৃষ্ঠে চৰিয়া তুমি দৰব্দামা বাজাওঁ।

**বাঁশ-পূজাৰ গীততো তামোলে স্থান পাইছে —**

আম ডালি দিয়া বান্ধে গুৱা একজোৰ
তাৰো পাথে কি কৰিল মালা গিৰিবৰ।

তন্ত্ৰ মন্ত্ৰতো তামোল পাণ ব্যৱহাৰ হয় —

এই তামোল পাণক কেন্দ্ৰ কৰি কিছুমান বিষয় বাবোত সৃষ্টি হৈছে। আহোম ৰজাৰ দিনত ডা-ডাঙৰীয়াক তামুল যোগান দিয়াৰ কাৰণে তামুলী বিষয়া আছিল সত্ৰ সমূহতো গুৱাকটা বাব আছে। তামোলক কেন্দ্ৰ কৰি কিছুমান ঠাইৰ নামো উৎপত্তি হোৱা বুলি জনসাধাৰণে বিশ্বাস কৰে। গুৱাহাটী শব্দটো এই গুৱা শব্দৰ পৰা উৎপত্তি হোৱা বুলি অনুমান হয়। তামোলবাৰী, তামুলী ছিগা, পাণবাৰী আদি ঠাইৰ নামবোৰে ইয়াৰ সাক্ষ্য বহন কৰিছে। অসমীয়া সংস্কৃতিত আন এক গুৰুত্বপূৰ্ণ অধ্যায় হল ফকৰা-যোজনাতো তামোল পাণে স্থান দখল কৰিছেঃ-

(ক) 'একে গছৰ পাণ সি কি হব আন '

(খ) আঘৈণী ঘৈণী হল দুপৰীয়া বগালে চাং
তামোল নেখাতীয়ে তামোল খালে দুই বোৱাৰীয়ে বৈ গ'ল ৰাং

(গ) টোপনি চিকুন পুৰা কটাৰী চিকুণ গুৱা।

তামোল গছৰ কামিবোৰ ঘৰ বন্ধা কামত কাঠ বাটামৰ দৰে কাম কৰে। এই কামি ধুনীয়াকৈ ডিজাইন দি ঘৰৰ চৌহদত বেৰ দিয়াও দেখা যায়।

ডাকৰ-বচনতো ঘৰৰ দিশ নিৰ্ণয় কৰোতে কোৱা হয়—

পশ্চিমে বাঁহ পূৱে বেত
উত্তৰে তামোল দক্ষিণে খেত

তামোল পাণৰ লগত জনবিশ্বাসো জড়িত হৈ আছে। ইয়াৰে আহুদি কৰিব পাৰি।

"আহো কেঞাবনে যাওঁ কেঞাবনে কেঞাবৰণ কাটিলে গা
থুৰীয়া তামোলত আহুদি কৰিলা পানীত পৰি নুজুৰায় গা।

# নাৰী মৰ্যাদা আৰু নৈতিকতা
# নাৰী নিৰ্যাতন প্ৰতিৰোধ আৰু সুৰক্ষা

*গীতালী বৰুৱা,* প্ৰাক্তন ছাত্ৰী
'থাপনা' বিলাসীপাৰা

নৈতিকতাৰ সামগ্ৰিক অবনতিত নিয়ম-নীতি, আইন-কানুন, নীতি-নিৰ্দেশনা, আয়োগ গঠন আঁচনি গ্ৰহণ আদি হৈ উঠে অসাৰ। শিক্ষাৰ ব্যাপক প্ৰচাৰ, প্ৰচলনেৰে অনবৰতে উপলব্ধ তথা দৃষ্টিগোচৰ হৈ থকা নৈতিক শিক্ষাৰ অবনমিত স্বৰূপটোক জাগৰিত কৰিব পাৰিলেহে, নাৰী নিৰ্যাতনৰ সমাপ্তি আৰু নাৰীৰ অধিকাৰ সাব্যস্তকৰণৰ বাবে প্ৰায় শতিকাযোৰা বিপ্লৱমুখী সমগ্ৰ বিশ্বৰ চৰকাৰী-বেচৰকাৰী সংগঠন আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰকৃত সাৰ্থকতা সম্ভৱ হৈ উঠিব বুলি আমি ঠাৰৰ কৰিব পৰা হ'মহক । নহ'লে পুৰুষ-প্ৰকৃতিৰ যুগ্ম সহযোগতহে বিশ্ব-ব্ৰহ্মাণ্ডখন সৰ্বদা সৃষ্টিশীল, গতিশীল আৰু স্থিতিশীল বোলা কথাষাৰৰ সাৰ্থকতাক অস্বীকাৰ কৰি পেলোৱা হ'ব । আৰ্য সমাজ ব্যৱস্থা, বেদ-বেদান্ত, স্মৃতিশাস্ত্ৰ আৰু যুগ পৰিবৰ্ত্তনৰ মাজেদি, উন্নতিৰ শিখৰ গৰকি, আজিৰ মানৱ সমাজ বিজ্ঞান-প্ৰযুক্তিৰ আধুনিক সভ্যতাত উপনীত হোৱাৰ গৰ্বৰে গৰ্বিত হৈয়ো, দুখ লগাকৈ পৰস্পৰবিৰোধী স্থিতিৰে সংস্কাৰমুক্ত সমাজ গঢ়ি তোলাত সফল হোৱা নাই বুলি ক'লে নিশ্চয় অত্যুক্তি কৰা নহ'ব। যিদৰে বিদ্যুৎৰ ঋণাত্মক মেৰু আৰু ধনাত্মক মেৰুৰ তৰিৎ গতি, বিদ্যুৎ শক্তি প্ৰৱাহৰ বাবে সমানে প্ৰযোজ্য আৰু অত্যাৱশ্যকীয় ; তদ্ৰূপ নাৰী আৰু পুৰুষ এখন সৃষ্টিশীল, গতিশীল আৰু স্থিতিশীল সমাজ ব্যৱস্থা, সভ্যতা আৰু সংস্কৃতি প্ৰজ্বলিত কৰি তোলাৰ ক্ষেত্ৰত ইজনে সিজনৰ পৰিপূৰক । এনে দৃষ্টিভংগীত বিদ্যুৎৰ ঋণাত্মক-ধনাত্মক মেৰু বা মানৱ সভ্যতাত নাৰী আৰু পুৰুষ সম পৰ্যায়ৰ, সম মৰ্যাদা সম্পন্ন ৰূপে স্বয়ং প্ৰতিষ্ঠিত । ইয়াৰে এটাক বাদ দি আনটোক গুৰুত্ব প্ৰদানৰ অৰ্থই শিক্ষা অথবা জ্ঞানৰ সীমাবদ্ধতাকেই সূচাব ।

মনু সংহিতাৰ প্ৰথম অধ্যায়ৰ ৩২ নং শ্লোকত উল্লেখ আছে --

**দ্বিধা কৃত্বাত্মনো দেহমৰ্দ্ধেন পুৰুষোহভবৎ ।**
**অৰ্দ্ধেন নাৰী তস্যাং স বিৰাজমসৃজৎ প্ৰভুঃ ।।**

অৰ্থাৎ মূল শক্তিয়ে পৰৱৰ্ত্তী সৃষ্টি কাৰ্য অব্যাহত ৰখাৰ কাৰণে ,নিজৰ দেহক দুই অংশত বিভক্ত কৰি, অৰ্দ্ধ নাৰী অৰ্দ্ধ পুৰুষলৈ ৰূপান্তৰ কৰে । সেই নাৰীয়ে বিৰাট নামৰ পৰৱৰ্ত্তী পুৰুষক সৃষ্টি কৰে।

সৃষ্টিৰ গূঢ়াৰ্থক অস্বীকাৰ কৰা মানেই নিজৰ সভ্যতা-সংস্কৃতি তথা উৎপত্তিক অস্বীকাৰ কৰা। যেতিয়াই সৃষ্টিৰ মহিমাক অপমান, লাঞ্ছনা আৰু নিৰ্যাতন কৰা হ'ব, তেতিয়াই নিজৰ স্থিতিক নিজেই বিনাশ কৰি পেলোৱাৰ সমতুল্য হ'ব। অনাদিকালৰ পৰা মানৱ সমাজেই সন্মানেৰে জীয়াই ৰখা সৃষ্টিৰ দুই অভিন্ন মেৰু শক্তি পুৰুষ-নাৰী যেনেদৰে সমগোত্ৰীয় তেনেদৰেই সমতুল্য ।

মনু সংহিতাৰ তৃতীয় অধ্যায় ৫৬ নং শ্লোকত উল্লেখ আছে --

**যত্ৰ নাৰ্যস্ত পূজ্যন্তে ৰমন্তে তত্ৰ দেৱতাঃ ।**
**যত্ৰৈতাস্ত ন পূজ্যন্তে সৰ্বাস্তত্ৰাফলাঃ ক্ৰিয়াঃ ।।**

অৰ্থাৎ য'ত নাৰী সন্মানিতা, তাত দেৱতা প্ৰসন্ন। য'ত নাৰী অপমানিতা তাত সকলো নিষ্ফল ।

মানৱ সমাজ ব্যৱস্থাৰ আদিছোৱাৰ পৰাই , নাৰী আৰু পুৰুষৰ সহ অৱস্থানে সমাজ একোখন সুশৃংখল, সমৃদ্ধিশালী আৰু বৰ্দ্ধিষ্ণু কৰিব পৰাৰ ইংগিত বহন কৰি আহিছে। শাৰীৰিক গঠনত নাৰী আৰু পুৰুষৰ ভিন্নতা বিদ্যমান যদিও, পুৰুষৰ পুৰুষসুলভ গুণক অধিক মৰ্যাদাৰে উন্নতিৰ দিশত আগুৱাই নিয়াৰ ক্ষেত্ৰত নাৰীৰ কমনীয়তা, সহনশীলতা শক্তি হ'ল মুখ্য নিৰ্ণায়ক ।

মহাভাৰতৰ আদি পৰ্বৰ ৭৪ নম্বৰ অধ্যায়ৰ ৪১ নম্বৰ শ্লোকত উল্লেখ আছে --

**অৰ্দ্ধং ভাৰ্যা মনুষ্যস্য ভাৰ্যা শ্ৰেষ্ঠতমঃ সখা ।**
**ভাৰ্যা মূলং ত্ৰিবৰ্গস্য ভাৰ্যা মূলং তৰিষ্যতঃ ।।**

অৰ্থাৎ পুৰুষৰ অৰ্দ্ধভাগী হ'ল ভাৰ্যা, ভাৰ্যাই পুৰুষৰ শ্ৰেষ্ঠতম বন্ধু। ভাৰ্যাই (ধৰ্ম-অৰ্থ-কাম) ত্ৰিবৰ্গৰ মূল, সংসাৰ সাগৰ উত্তীৰ্ণ হোৱাৰ মূল সাধন ।

সৃষ্টিৰ পাতনিৰে পৰা পুৰুষ-নাৰীক পৰিপূৰক বা সমমৰ্যদা প্ৰদানেৰে সৃষ্টি কৰাৰ সত্যতা, কালৰ সোঁতত আজি পুথি-পাঁজিতেই আবদ্ধ হৈ নিষ্ক্ৰিয় ৰূপ লোৱাৰ দৰেই, ১৯১৭ চনৰ আঠ মাৰ্চত, কাপোৰৰ মিল এটাৰ কৰ্মচাৰী, ক্লাৰা জেটকিন নামৰ মহিলা গৰাকীয়ে, উক্ত মিলৰে মহিলা কৰ্মীসকলক সংগঠিত কৰি, মালিক শ্ৰেণীয়ে মহিলা কৰ্মীক কৰা শোষণ, নিৰ্যাতন আৰু বঞ্চনাৰ প্ৰতিবাদ কৰা আন্দোলন মাথো বছৰি উদ্‌যাপিত কৰা এটি পৰম্পৰাহে হ'বগৈ। ফলত নাৰী নিগ্ৰহৰ বাস্তৱ ছবিখন গাঁৱে-নগৰে অতিশয় করুণ ৰূপ ধাৰণ কৰাৰ উপৰিও নাৰীৰ আশা-আকাঙ্খা-কামনাও অশ্ৰুসিক্ত হৈয়ে ৰ'ব। প্ৰকৃততে আমাৰ প্ৰয়োজন পুৰুষ-নাৰীৰ সহমিলনেৰে গঢ় লোৱা মানৱ সমাজখনত উভয়ে সমান্তৰাল ভাৱে সংস্কাৰমুক্ত সংস্কৃতিৰে, শিক্ষা আৰু জ্ঞানক প্ৰকৃত মূল্যায়ণ কৰি, সৃষ্টিশীল মানসিকতাৰ ভেটিক শক্তিশালী ৰূপত গঢ় দিয়া । নহ'লে শতিকা যোৰা আইন আৰু নীতি-নিৰ্দেশনাৰে মানৱ সমাজ আৰু সভ্যতাক সুস্থ-সবল ৰূপত জীয়াই ৰখাটো দুয়ো পক্ষৰ বাবে কঠিন হৈ উঠিব ।

আইন প্ৰণয়নৰ বাধ্যবাধকতাৰে এখন মৰ্যাদাপূৰ্ণ সমাজ গঢ়াটোযে অসাৰ সেয়া পূৰ্ব অভিজ্ঞতাই আমাক প্ৰতিটো পদক্ষেপতেই সোঁৱৰাই আহিছে। কিয়নো এই আইন প্ৰণয়নকাৰী আৰু ৰক্ষাকাৰীসকল আমাৰ সমাজ ব্যৱস্থাৰে পোহপাল যোৱা মানসিকতাৰ গণ্ডিৰ ভিতৰৰেই । নাৰীয়ে পুৰুষক আৰু পুৰুষে নাৰীক সমমৰ্যাদা প্ৰদানৰ মানসিকতা স্বতঃস্ফূৰ্ত হোৱাটো উচিত। নহ'লে যৌতুকৰ বাবে হত্যা, সামাজিক ভাৱে নিগ্ৰহিতা, দুখ-যন্ত্ৰণাৰে ভৰপূৰ নাৰীৰ স্বকীয় সত্তা আৰু আস্থা প্ৰদানেৰে সুৰক্ষা দিয়া কথাটো এটি মাথো শ্লগানহে হৈ পৰিব।

বিজ্ঞান-প্ৰযুক্তিৰ চৰম উৎকৰ্ষ সাধন হোৱাৰ পিছতো অতিশয় দৃষ্টিকটু আৰু পৰস্পৰবিৰোধী স্থিতিৰে সমাজত আমি নিজকে সংস্কাৰমুক্ত, উচ্চ শিক্ষিত, সংস্কৃতিৱান আৰু আধুনিক সমাজ ব্যৱস্থাৰ অংশীদাৰী বুলি ক'লেই সমস্যাৰ সমাধান হ'ব নোৱাৰে। সমাজত ভয়াবহ আৰু ধ্বংসমুখী প্ৰৱণতাৰে নাৰী আৰু পুৰুষৰ মাজত দেখা দিছে অধিকাৰ সাব্যস্তকৰণৰ একো একোখন শীতল গৃহযুদ্ধ আৰু তাৰ লগে লগে সামাজিক অবস্থিতিয়ে কোনো ইতিবাচক সহাঁৰিৰ দিশে আমাক একেলগে আগুৱাই নিব পৰা নাই। যাৰ বাবেই আজিও আমাৰ গাওঁ, চৰ বা দুৰ্গম অঞ্চলবিশেষত নাৰী শিক্ষা, নাৰী অধিকাৰ, নাৰী স্বাধীনতাৰ লগতে সহ অৱস্থানৰ মৰ্যাদাই আদিম স্তৰৰ চিত্ৰকেই স্মৰণ কৰোৱাত সূচল হৈ আছে । তেনেদৰে চহৰ-নগৰতো নাৰী আৰু পুৰুষৰ অৱস্থিতিক লৈ চলিছে অঘোষিত শীতল যুদ্ধ। য'ত নেতিবাচক দিশে সদায় আমাৰ সৃষ্টিশীল গতিক স্তব্ধ কৰি তোলে। আমি আমাৰ কৰ্ত্তব্য-দায়িত্ব, কৰণীয়-অকৰণীয়ৰে যদি নাৰী-পুৰুষ উভয়ে সুস্থ মানসিক অৱস্থিতিক গঢ় দিব নোৱাৰো তেন্তে সমগ্ৰ সমাজ ব্যৱস্থা একক ভাবে পুৰুষ বা নাৰীৰে কেতিয়াও সুস্থ ৰূপত গঢ়ি তোলাটো সম্ভৱ নহয় । সমাজ ব্যৱস্থা পুৰুষ প্ৰধান হোৱা উচিত নে নাৰী প্ৰধান হোৱা উচিত তাক আগস্থান দিয়াতকৈ, আমি উভয়ে উভয়ৰ কৰ্মদক্ষতা, শিক্ষা, সাধনা, কৰ্তব্যনিষ্ঠতা, সমাজৰ প্ৰতি দায়বদ্ধতা আৰু বিশেষকৈ নিঃস্বাৰ্থ মনোভাৱক প্ৰাধান্য দিয়াৰ সময়হে সমাগত। কিয়নো আজিৰ বিজ্ঞান প্ৰযুক্তিৰ যুগত মাথো শাৰীৰিক সক্ষমতাৰে এজনে আনজনক অযথা নিয়ন্ত্ৰণ কৰাৰ চেষ্টা অমূলক। কিয়নো বিজ্ঞান আৰু প্ৰযুক্তিৰ জ্ঞানেৰে পৰিপুষ্ঠা নাৰী যদি বৈদিক যুগৰ লেখিয়াকৈ শক্তি মাহাত্ম্য প্ৰকাশি দেবী দুৰ্গাৰ ৰূপ লয়; তেন্তে মহিষাসুৰ ৰূপী সমাজৰ অপসংস্কৃতিৰ ধাৰক বাহক পুৰুষৰ অৱস্থা ধ্বংসমুখী হোৱাটো স্বাভাৱিক । কিন্তু শিক্ষা আৰু জ্ঞানৰ জ্যোতিৰে আলোকিত মানৱ সমাজে, সংহাৰ বিনাশী সৃষ্টিশীল মানসিকতাক অৱলম্বন কৰাই হ'ব, মানৱ সভ্যতাৰ মান-সম্ভ্ৰম ৰক্ষাৰ দায়িত্ব পালন । একেই জৈৱিক পদাৰ্থৰে সৃষ্ট নাৰী আৰু পুৰুষৰ বৈষম্যক কোনো পৰিস্থিতিতেই মানি লোৱাটো উচিত নহয় । বৰং ইয়াক প্ৰশ্ৰয় দিয়া জনো সমানে দোষী। এগৰাকী নাৰী সন্তান সম্ভৱা হোৱাৰ পিছৰে পৰা, এটি দেহ নিজৰ শৰীৰত কঢ়িয়াই আৰু সুস্থ-সবল ৰূপত জন্ম দি একক সংগ্ৰামৰ সোৱাদ বোটোলে । জীৱন-মৰণৰ ই কিযে এক দোদুল্যমান অধ্যায় ; তাক ভুক্তভোগীয়েহে মৰ্মে মৰ্মে উপলব্ধি কৰে। সন্তান প্ৰতিপালনৰ আন এটি দীৰ্ঘদিনীয়া কষ্ট সহিষ্ণু স্তৰ, নাৰীয়ে ৰাতিক দিন আৰু দিনক ৰাতি কৰি কেনেদৰে অতিবাহিত কৰে, সেয়া নাৰী জাতিৰ অনন্য শক্তি । ইমানৰ পিছতো নাৰীয়ে, বিশেষকৈ শ্ৰমিক শ্ৰেণীৰ মহিলাই একে পৰিৱেশ-পৰিস্থিতিত পুৰুষৰ সমানে কাম কৰিয়ো যেতিয়া প্ৰাপ্য পাৰিশ্ৰমিক পুৰুষতকৈ কম পৰিমাণে গ্ৰহণ কৰিবলগীয়াত পৰে, সেয়া জানো মানৱীয় দৃষ্টিভংগীৰ বাহিৰৰ কাৰ্য নহয় ! গতিকে এনে মানসিকতা সমূহৰ বিনাশেৰে পুৰুষেও যদি নাৰীৰ প্ৰতি সহৃদয় আৰু সমমৰ্যাদাপূৰ্ণ ব্যৱহাৰেৰে কাৰ্য সাধন কৰে তেন্তে আমাৰ সমাজ ব্যৱস্থাত থকা বৈষম্য আঁতৰি সমতাৰ সৃষ্টি হ'ব। নাৰী নিৰ্যাতন, বৈষম্যতাকে ধৰি নাৰীৰ

অৱস্থিতিৰ সমস্যাসমূহ মাথো পুৰুষৰ দ্বাৰাই সৃষ্টি হয় বুলি ভবা হয় যদিও বহু ক্ষেত্ৰত নাৰী নিগ্ৰহ বা প্ৰতাৰিত বা নাৰীৰ মৰ্যাদা খৰ্বৰ ক্ষেত্ৰত নাৰীয়ো সমানে দোষীহে পৰাটো অত্যন্ত মৰ্মান্তিক আৰু দুৰ্ভাগ্যজনক দিশ। কেতবোৰ ক্ষেত্ৰত নাৰীয়েই নাৰীক নিৰ্যাতন বা বিপদগ্ৰস্ত কৰি তোলাৰ ক্ষেত্ৰত পুৰুষক উৎসাহিত কৰি অহা পৰিলক্ষিত হয়।

নাৰীৰ ভিন্নমুখী সমস্যা সমাধান, প্ৰাপ্য দাবীৰ বিচাৰ-বিশ্লেষণ আৰু আলোচনা কৰিবলৈ ১৯৫৩ চনত 'কোপেন হেগেন' নামক বিশ্ব মহিলা সন্মিলন অনুষ্ঠিত হৈছিল । ১৯৭৪ চনত বিবাহিতা নাৰীৰ সম্পত্তিৰ আইন গৃহীত হয়। নাৰী নিৰ্যাতন কেন্দ্ৰিক আইনৰ ক্ষেত্ৰত ১৮২৯ চনত সতীদাহ প্ৰথা বৰ্জন আইন গ্ৰহণ কৰা হৈছিল । ১৮৫৬ চনত বিধৱা বিবাহ আইন বলবৎ হৈছিল । ১৮৬৯ চনত বিবাহ বিচ্ছেদ আইন , ১৯২৩ চনত নাৰী আইন ব্যৱসায়ত ভৰ্ত্তিৰ অধিকাৰ আইন, ১৯২৯ চনত বাল্য বিবাহ বন্ধ আইন, ১৯৬১ চনত যৌতুক নিৰাৰণী আইন, ১৯৭৭ মেডিকেল টাৰ্মিনেল অৱ প্ৰেগনেন্ধি আইন, ১৯৮৪ চনত পাৰিৱাৰিক আদালত আইন, ২০০2 চনত পাৰিৱাৰিক হিংসা নিৰাৰণী আইন ইত্যাদি বহু আইন প্ৰণয়ন কৰাৰ পিছতো নাৰী নিৰ্যাতনৰ ভয়াবহ তালিকাখন হ্ৰাস হোৱাৰ পৰিৱৰ্তে বৃদ্ধিহে পোৱাৰ অলেখ উদাহৰণ আছে। শিক্ষাৰ ক্ষেত্ৰত নাৰীৰ অৱস্থিতি আজিও গ্ৰামাঞ্চলত লক্ষণীয় ভাৱে দুখ লগা হৈয়েই আছে । নাৰী সবলীকৰণৰ পৰিকল্পনা, যোজনা আদিৰে ২০০১ বৰ্ষটোক 'মহিলা সবলীকৰণ বৰ্ষ' ৰূপে পালিতহে হ'ল ; কিন্তু চৰকাৰী ধনৰ শৰাধৰে একাংশ মধ্যভোগী উপকৃত হোৱাৰ সলনি প্ৰকৃততে সাধাৰণ নাৰী কিমানখিনি উপকৃত হ'ল, সেয়া বিচাৰ্যৰ বিষয়। ১৯২৭ চনত জেনেভা চহৰত জন্ম লাভ কৰা আৰু ১৯৩৩ চনত ষ্টক হ'মত পূৰ্ণাংগ ৰূপ পোৱা, বিশ্বৰ ৬৮ খন দেশৰ ২৮৩ খন অনুষ্ঠানৰ পৰা মুঠ আঠ নিযুত সদস্যাৰে গঠিত, ৰাষ্ট্ৰসংঘৰ অবিচ্ছেদ্য অংগ হিচাপে স্বীকৃত, 'আন্তঃৰাষ্ট্ৰীয় গ্ৰামীণ মহিলা সন্মিলন'য়ে নাৰী নিৰ্যাতন ৰোধৰ ক্ষেত্ৰত ইতিবাচক ভূমিকা গ্ৰহণ কৰিব পাৰে যদিও বিশ্বৰ কোনো এখন দেশতেই ইয়াৰ প্ৰভাৱে সুদূৰ প্ৰসাৰী গতি লভিব নোৱাৰাৰ দৃষ্টান্তকে বৰ্তমানৰ প্ৰেক্ষাপটে স্পষ্ট কৰি তোলে ।

২০০5 চনত প্ৰৱৰ্ত্তিত আৰু ২০০৬ চনৰ ২৬ অক্টোবৰৰ পৰা বলবৎ হোৱা 'প্ৰটেক্‌ছন অৱ উইমেন ফ্ৰম ডমেষ্টিক ভায়োলেঞ্চ এক্ট' খনেও নাৰীক কিছু পৰিমাণে সকাহ দিয়াৰ পথ প্ৰশস্ত কৰি তুলিছে যদিও বৰ্তমানেও তাৰ প্ৰসাৰতাই সমাজৰ চুকে-কোণে নিগ্ৰহৰ বলী হোৱা নাৰীক ৰক্ষণাবেক্ষণ দিব পৰা নাই। নাৰী নিৰ্যাতন ৰোধৰ লক্ষ্যৰে সৃষ্টি হোৱা নাৰী সংগঠন, প্ৰতিষ্ঠানকে ধৰি বিভিন্ন স্বেচ্ছাসেৱী অনুষ্ঠানৰ জন্ম হ'লেও, নাৰীৰ অধিকাৰ ৰক্ষা বা মৰ্যাদা প্ৰদানত আশানুৰূপ ফল কেতিয়া পোৱা যাব সেয়া সময়ে ক'ব। এনে কিছু সংখ্যক আইন-আয়োগ, পৰিকল্পনা, যোজনা, নাৰীবাদী সংগঠনেও প্ৰায় এশ বছৰ অতিক্ৰম কৰাৰ প্ৰাক্‌কালতো অসাৰতাকে প্ৰতিপন্ন কৰালৈ লক্ষ্য কৰিয়েই, আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন গীতিকাৰ, সুৰকাৰ, শিল্পী ড° ভূপেন হাজৰিকাই, কেইবা দশক পূৰ্বে ৰচনা কৰা কালজয়ী গীতৰ চিৰ জ্যোতিস্মান কলিটিৰে বুঢ়া লুইতকে ক'বলৈ মন যায়--"নৈতিকতাৰ স্খলন দেখিও, মানৱতাৰ পতন দেখিও, নিৰ্লজ্জ অলস ভাৱে বোৱা কিয় ?"

কিমান প্ৰাসংগিক বাৰু এই নৈতিকতা আৰু মানবীয় স্থিতি ঘূৰাই অনাৰ সংগ্ৰামী প্ৰচেষ্টা ! ইমান আইন, আয়োগৰ মাজত নৈতিকতা প্ৰতিৰোধ আৰু সুৰক্ষা আইন'ৰ এক আপোচহীন প্ৰচেষ্টাই অৱশ্যেই আশাৰ ৰেঙণি কঢ়িয়াই আনে ।



# "জৈৱ ডিজেল বা ভোট এৰাৰে দেশৰ উন্নয়ণ"

হিলালী আহমেদ,
প্ৰাক্তন ছাত্ৰী

সভ্যতাৰ শিখৰত আৰোহণ কৰা মানৱ সভ্যতাৰ আজিৰ অন্যতম প্ৰধান সংকটটো হ'ল ইন্ধন শক্তিৰ সংকট। পৃথিৱী নামৰ আমাৰ এই গ্ৰহটো নিজৰ বক্ষত ধাৰণ কৰা পেট্ৰলিয়াম বা কয়লাৰ দৰে ফচিল জাতীয় ইন্ধনৰ বিশাল ভাণ্ডাৰ আজি নিঃশেষ হোৱাৰ পথত। সেয়েহে, ইন্ধন নিৰ্ভৰ আধুনিক মানৱ সভ্যতাক আজি বিপন্ন বুলি অভিহিত কৰিলেও অত্যুক্তি কৰা নহ'ব। ইয়াৰ প্ৰধান কাৰণ অধিক জনসংখ্যা আৰু জনসংখ্যা অনুপাতে যান-বাহনৰ বৃদ্ধি তথা ব্যৱহাৰ।

সমীক্ষাই কৈছে যে, আৰু মাথোন কুৰিটামান বছৰ পাছতেই পৃথিৱীয়ে ধাৰণ কৰা খনিজ, পেট্ৰলিয়াম ভাণ্ডাৰৰ অন্ত পৰিব। দ্ৰুত জনসংখ্যা বৃদ্ধি, যান-বাহন, কল-কাৰখানা আদিৰ বৃদ্ধিয়েই তাৰ জ্বলন্ত উদাহৰণ। কয়লাৰ ভাণ্ডাৰ শেষ হ'বলৈও মাথোন ত্ৰিশ চল্লিছটা মান বছৰহে বাকী। গতিকে, নৱ প্ৰজন্মৰ বাবে ই ভাবুকি স্বৰূপ হৈ পৰিছে। সাম্প্ৰতিক মানৱ সভ্যতাৰ সন্মুখত দেখা দিয়া এই প্ৰশ্নৰ উত্তৰ হিচাপে আজি চৰ্চিত হৈছে জৈৱ ইন্ধন বা বায়'ডিজেল প্ৰসংগ।

বৰ্ত্তমান অকল ভাৰতবৰ্ষৰ বাবেই প্ৰয়োজন হোৱা মুঠ পেট্ৰলিয়াম ইন্ধনৰ মাথো ত্ৰিশ শতাংশহে দেশখনে উৎপাদন কৰে, বাকী সত্তৰ শতাংশ আহে বাহিৰৰ পৰা। এই ৭০ শতাংশৰ বাবে দেশখনে ব্যয় কৰে বছৰি ৮০ হেজাৰ কোটি টকাতকৈ অধিক।

যদিহে আমাৰ দেশত ব্যৱহাৰ হোৱা মুঠ পেট্ৰলিয়ামজাত ডিজেলৰ সৈতে ৫ শতাংশ জৈৱ ডিজেল মিহলি কৰা হয়, তেন্তে প্ৰতি বছৰে দেশে ৰাহি কৰিব পাৰিব প্ৰায় ৪ হেজাৰ কোটি টকা।

জৈৱ ডিজেল উৎপাদনৰ ক্ষেত্ৰত সম্প্ৰতি বিজ্ঞানীসকলৰ নয়নৰ মণি হৈ পৰিছে আমাৰ সকলোৰে অনাদৃত, উপেক্ষিত এজোপা গছ যাক কোৱা হয় "জেট্ৰ'পা" (Jetropha-Curcas) বা সকলোৰে চিনাকী ভোট-এৰা নামৰ গছজোপাই বিশাল শক্তিৰ উৎস।

এই ভোট-এৰাৰ খেতি কৰি অসংখ্য যুৱকে কৰ্ম-সংস্থান পাব পাৰে। এই ভোট-এৰা গছক কেন্দ্ৰ কৰিয়েই গঠন হৈছে জৈৱ ইন্ধন প্ৰকল্প। বিশ্বত ক্ৰমাগত ভাৱে হ্ৰাস পাই অহা খাৰুৱা তেলৰ বিকল্প ইন্ধন ৰূপে জৈৱ ডিজেল উৎপাদন নিশ্চিত কৰাই এই অভিযানৰ মুখ্য উদ্দেশ্য।

ইউৰোপীয় বহুদেশত পেট্ৰ'লিয়াম ডিজেলৰ সৈতে ২০% জৈৱ ডিজেল মিহলি কৰাটো বাধ্যতামূলক। ফ্ৰান্সতো ৫০% মিহলি কৰা হয়।

আমাৰ দেশত ৩০ লাখ হেক্টৰ মাটিত জেট্ৰ'পাৰ খেতি কৰা হ'লে দেশত ব্যৱহাৰ হোৱা মুঠ ডিজেলৰ ৫ শতাংশ ইয়াৰ পৰা আহৰণ সম্ভৱ। ভাৰত চৰকাৰে ইতিমধ্যে ইয়াৰ ব্যৱস্থা হাতত লৈছে। জেট্ৰ'পা গছজোপাৰ আয়ুশ ৪০ বছৰ।

চমকপ্ৰদ কথা এই যে, জেট্ৰ'পাৰ খেতিৰ বাবে কোনো সাৰুৱা মাটি, উৰ্বৰ ভূমিৰ প্ৰয়োজন নহয়। অনাদৃত মাটি ইয়াৰ বাবে উপযোগী। পৰিৱেশ প্ৰদূষণ ৰোধ কৰাৰ ক্ষেত্ৰতো জৈৱ ডিজেলৰ ভূমিকা উল্লেখনীয়। এই বাবেই যে জৈৱ ডিজেলত থাকে নগণ্য পৰিমাণৰ CO, হাইড্ৰ'কাৰ্বনৰ দৰে ক্ষতিকাৰক পদাৰ্থ। গছজোপাত নিহিত হৈ থকা ঔষধি গুণো মন কৰিবলগীয়া।

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ নিবনুৱা যুৱক-যুৱতীসকল আগুৱাই আহি নিজৰ লগতে দেশখনৰো সমৃদ্ধিত অৰিহণা যোগাব পাৰে আৰু ই হ'ব দেশৰ বাবে অতিকৈ গৌৰৱৰ কথা। যুগৰ লগত খোজ মিলাই যাবলৈ প্ৰয়োজন হব দৃঢ় মন, ধৈৰ্য্য, একাগ্ৰতা আৰু সৎ সাহস। আশা কৰিব পাৰি যে - "উঠি অহা প্ৰ জন্মৰ বাবে ই হ'ব এটা আৱশ্যকীয় প্ৰসংগ"।

❖❖❖❖❖❖

# প্লেগগ্ৰস্থ এগৰাকী উদ্ভট ফৰাচী

অমিতাভ ৰঞ্জন কানু,
প্ৰবক্তা, প্ৰমথেশ বৰুৱা মহাবিদ্যালয়, গৌৰীপুৰ।

প্লেগ নে উদ্ভট? কুণ্ডলী পকোৱা চিগাৰেটৰ ধোঁৱাৰ দৰে নে আফ্ৰিকা - জীৱনটো আচলতে কি? এনে অজন লেখক যিয়ে দ্ৰৰিদ্ৰাৰ মাজতে নিজৰ জীৱনৰ বেচিভাগ সময় কটাইছে; উদ্ভট নাটক এখনৰ দৰে যাৰ জীৱন নাট্যৰ যতি পৰিছে তেওঁৰ বাবে জীৱনতো কি হ'ব পাৰে। তেওঁৰ বাবে প্ৰেমৰ অৰ্থইবা কি হ'ব পাৰে - কেৱল আশা, মৰম আৰু প্ৰজ্ঞাজনিত আবেগৰ সংমিশ্ৰনেই প্ৰেম নে? প্ৰেম যি যিকোনো মুহূৰ্ততে যিকোনো কাৰণতেই হঠাতেই মানুহৰ মৃত্যু হোৱাৰ দৰেই শেষ হৈ যোৱা বুলি ভবা নাস্তিকপন্থী লেখক এগৰাকীৰ বাবে আত্মহত্যাৰ গুৰুত্ব কিমানখিনি -অৰ্থহীন নিশ্চয়। জীৱনৰ প্ৰতি ইমান নিৰুৎসাহজনক মতপোষন কৰা এই লেখকগৰাকী অথচ এই কথাও স্বীকাৰ কৰে যে মানব জীৱন লাভ কৰা প্ৰতিজনেই কিবা এটা মহৎ কাম সমাধা কৰাৰ উদ্দেশ্যে এই পৃথিৱীলৈ আহিছে। দ্বীপ সদৃশ এই পৃথিৱীত বাস কৰা প্ৰতিজন মানুহেই ঈশ্বৰে কৰিব লগা কামটো কৰিব লাগে বুলি আহ্বান জনোৱা এই লেখক গৰাকীয়ে আফ্ৰিকাৰ মানুহক জৰাজীৰ্ণ কৰা প্লেগৰ জৰিয়তে কি হ'ব খোজে? লেখক গৰাকীৰ বাবে প্লেগ মাথো এটি বেমাৰ নে? মানুহক মৃত্যুৰ পথলৈ আগবঢ়াই নিয়া কেতিয়াও আৰোগ্য নোহোৱা এটি বেমাৰ, নাম প্লেগ নে আৰু কিবা? বুঢ়া স্পেনিআৰ্ডে কোৱাৰ দৰেই জীৱনটো লেখক গৰাকীৰ বাবেও প্লেগ নে?

প্লেগ- ইয়াৰ পেক্ষাপট হ'ল ৰ'ৰানৰ আলজেৰিয়ান চহৰ। ডাব বাৰ্নাড ৰাইক্চে শৈল্যচিকিৎসা কৰি ওলাই আহোতে নিগনি এটা মাৰি থকা অৱস্থাত দেখে। যোৱা কিছুদিনৰে পৰা নাকেৰে তেজ নিৰ্গত হৈ মৃত্যুৰ কবলত পৰা নিগনিৰ সংখ্যা বাঢ়িছে। যুৱক সংবাদদাতা ৰেম'ন্ড ৰেমৰ্বাটে শেহতীয়া ভাবে আৰবীয় মানুহৰ স্বাস্থ্য সম্বন্ধীয় বিষয়ত গবেষণাৰ পৰিপেক্ষিতত ৰাইক্চৰ কাষ চপাত, ৰাইক্চে তথ্য ভিত্তিক আলোচনা আগবঢ়োৱাৰ আগতে তেওঁ ৰে'মন্ডক সোধে - 'স্বাস্থ্য প্ৰণালীৰ পুতৌ লগা অৱস্থাৰ অকতাৰে বৰ্ণনা কৰাৰ সাহস আপোনাৰ আছেনে? মহামাৰী শাখাৰ বিষয়া মাৰ্চিয়াক যোগাযোগ কৰি ডা০ ৰাইক্চে প্লেগ দমনৰ কিছু উপায় দিয়ে। আলজেৰীয়া বাসীয়ে নিগনিৰ মৃত্যুৰ হাৰ দিনকদিনে বৃদ্ধি পোৱাত ভয়ত পেপুৱা লাগে। চহৰৰ আমলা-মন্ত্ৰীসকলে এই বিষয়টোৰ ওপৰত সম্পূৰ্ণ নিমাতৰ ভূমিকা গ্ৰহণ কৰাত বাতৰি কাকত কেইখন মানে কিছুদিন এই বিষয়টোলৈ খুবেই হুলস্থুল কৰে। জিন ট'ৰেই টোকাবহীখনত ব'ৰানত ঘটা প্ৰতিদিনৰ ঘটনাকে অতি সহজে লিখি গ'লেও, প্লেগ জৰাজীৰ্ণ কৰা মানুহৰ অবস্থা দেখি তেওঁ বিব্ৰতনোহোৱাও নহয়। 'প্লেগ' ৰ শ্ৰষ্টাৰ দৰেই এডালৰ পিছত আনডাল চিগাৰেট হুপি যোৱা ট'ৰেই জীৱনটোক দাৰ্শনিক দৃষ্টিৰে চাবলৈ গৈ প্ৰলাপ ব'লকে। ডাব ৰাইক্চে চিকিৎসকৰ মুখীয়ালজনক গুৰুত্বৰ কোনো ধৰণৰ নতুন 'কেচ' আহিলে নিৰ্জন পৰি ৰোৱা ৱাৰ্ডটোলৈ পঠাবলৈ কয়। ডা° ৰাইক্চৰ নিৰীক্ষণত থকা হাপানীৰ ৰোগীজনে বৰষুণৰ ঢল নমাত সুখী হয়। কাৰণ এনে বতৰ হাপানী ৰোগগ্ৰস্থ ৰোগীৰ বাবে খুবেই উপকাৰী। ডা° ৰাইক্চ আৰু গ্ৰান্ডে কোঁটিডৰ আত্মহত্যা কৰিবলৈ খোজা বিষয়টোৰ সংক্ৰান্তত আৰক্ষীজনক লগ ধৰেগৈ। আনৰ শান্তি ভঙ্গ কৰাৰ অপৰাধত আৰক্ষীয়ে কোটাড'ক শাস্তি বিহি শাসন কৰে। ডা° ৰাইক্চে লেনচেৰে ৰোগীকেইটাক পৰীক্ষা কৰোতে মন কৰে যে ৰোগী কেউজনৰ গল, কাখলতি, কঙ্কৰণৰ চকু ইত্যাদি ভাগ ফুলি উঠিছে আৰু তাতে থেপথেপীয়াকৈ পুঁজ জমা হৈছে। বেচি ভাগৰে অবস্থা খুউবেই সঙ্কটজনক। বাতৰি কাকত খনে নিগনিৰ মৃত্যুলৈ খুবেই লৰা ধপৰা কৰিলেও; ৰোগীৰ অৱস্থালৈ সম্পূৰ্ণ উদাসীন। ডা° ৰাইক্চে আৰু তেওঁৰ সহকৰ্মী কাচটেলে ৰোগীবোৰৰ বেমাৰৰ লক্ষণবোৰ পৰীক্ষা কৰি এয়া মাৰাত্মক প্লেগ বুলি থিৰাং কৰে। অথচ কাচটেলে জানে এই কথাটো কোনেও অতি সহজে বিশ্বাস নকৰিব। প্লেগে ভিতৰে ভিতৰে মানুহৰ শৰীৰক নিগনিয়ে কাপোৰ কুটাৰ দৰে কুটিবলৈ লোৱা সময়ছোৱাত আলজেৰীয়ানসকলে এই ভ্ৰান্ত ধাৰণালৈ দিন কটাইছে যে অনাগত উষ্ণ বতৰে তেওঁলোকৰ শৰীৰত দেখা দিয়া প্লেগৰ লক্ষণবোৰক নাইকিয়া কৰিব। অথচ ৰাইক্চৰ মতে প্লেগটো যুদ্ধৰ দৰে। কেতিয়া কোনে ইয়াৰ কবলত পৰিবহি কোনেও সঠিককৈ কব নোৱাৰে। ডা° ৰাইক্চে নিজৰ জীৱনকালত বহু এনে মৃত্যু দেখিছে যি প্লেগৰ দৰেই ভয়াবহ। অনাগত দিনবোৰত

প্লেগত মৃত্যু বৰণ কৰা মানুহৰ বাবে ৰাইক্চে নিজৰ চাৰিওফালে দূৰ্গ সাজি লৈছে যাতে তেওঁৰ বুকুত বল ভাঙ্গি নপৰে। গ্ৰেন্ডৰ কাম হ'ল প্ৰতিদিনৰ মৃত সংখ্যাৰ হিচাপ ৰখা। কোৰ্টাডৰ সহযোগত তেওঁ ডাº ৰাইক্চক বৰ্দ্ধিত মৃত্যু হাৰৰ হিচাপটো জানিবলৈ দিয়ে। গ্ৰেন্ডৰ নিজস্ব কিছু সমস্য নথকা নহয়। তেওঁৰ কুৰি বছৰৰ চাকৰি কালছোৰা ভাল দৰমহা পোৱাৰ আশাতেই চকুৰ পচৰতে যেন অতিবাহিত হৈ গ'ল। যি মানুহজন ভাল দৰমহা দিম বুলি তেওঁক কথা দিছিল, সেই মানুহজন কেতিয়াবাই ঢুকাইছে। গ্ৰেণ্ডাৰ আন এটা সমস্যা হ'ল তেওঁ নিজকে স্পষ্ট কৰিব নোৱাৰাটো। তেওঁ নিজকে আনৰ ওচৰত স্পষ্ট কৰিব পৰাকৈ শুদ্ধ শব্দ বিচাৰি নাপায়। সেয়ে নিজৰ আজোৰ-আপত্তি দৰ্শাই তেওঁ কেতিয়াও মুখীয়াল গৰাকীজনলৈ আবেদনো নকৰে। তেওঁৰ ভিতৰত ঘাঁহৰ দমৰ দৰে শব্দৰ স্তুপে পাহাৰ সাজিলেও; সেই শব্দৰে তেওঁ নিজৰ ভাৱনাক স্পষ্ট কৰিবলৈ অপাৰগ হয়। তেওঁ লিখা প্ৰথম শাৰীটোকে লৈ ঘহা-মজা কৰি থাকোতেই সময়ে বাগৰ সলায় আৰু ভাবনাত অহা পিছৰ শাৰীটো আৰু লিখা নহয়। অথচ ডাº ৰাইক্চে ভাবে গ্ৰান্ডে উৎকৃষ্টমানৰ এখন কিতাপ লিখিবলৈ চেষ্টা চলাইছে, অথচ লিখিব পৰা নাই। আনকি তেওঁ নিজৰ জীৱিকা উপাৰ্জন কৰিবলৈও অপাৰগ হৈছে। অপাৰগ হৈছে নিজৰ ঘৈণীয়েকৰ লগত সম্পৰ্ক বজাই ৰাখিবলৈ। ইমান কেইটা অসফলতাৰ মাজতো গ্ৰেন্ড জীয়াই আছে। নিজৰ কলমৰ স'তে যুঁজিছে; পলাই যোৱা নাই। দেওবাৰে গীৰ্জাৰ ফাদাৰ পেনেলক্চে ধৰ্ম্মোপদেশ দিওঁতে কয় যে ঈশ্বৰে ওৰাণবাসীক শাস্তি বিহিবলৈ প্লেগক পাইছে। ৰেমন্ডে বাৰে বাৰে ওৰান এৰি যোৱাৰ অনুমতি বিচাৰি কৰ্তৃপক্ষলৈ আবেদন কৰা সত্বেও অনুমতি পোৱা নাই। ৰেমন্ড এগৰাকী প্ৰাক্তন ফুটবল খেলুৱৈ। সদ্যহতে তেওঁ পেৰিচৰ বাতৰি কাকত এখনৰ লগত যুক্ত। প্লেগ বিষয়ক অনুসন্ধান কৰিবলৈ তেওঁ সেইসময়ছোৱাত ওৰানলৈ আহে যি সময়ছোৱাত মানুহৰ অহা-যোৱা প্ৰায়ে নিষিদ্ধ কৰা হৈছিল। অসামৰিক কতৃপক্ষ গৰাকীৰ ওচৰত ছুটীৰ আবেদন কৰাৰ পিছতো তেওঁ নিজৰ দেশ পেৰিচলৈ উভতি যোৱাৰ অনুমতি নোপোৱাত; তেওঁ দুজন প্ৰহৰী মাৰ্চেল আৰু লুইচক দহ হাজাৰ ফ্ৰান্‌চীয় ঘোঁচ দি কামটো কৰাবলৈ চেষ্টা চলায়। কিন্তু কোনোটোৱেই তেওঁৰ বাবে ফলপ্ৰসূ হৈ নুঠে। ৰেমবাৰ্টে কেতিয়াবা কেতিয়াবা অনুভব কৰিছিল যে তেওঁক অন্যায়ভাবে প্লেগগ্ৰস্ত এই এলেকাত নিৰ্বাসিত কৰা হৈছে। অথচ জীৱনৰ পিছৰ কালছোৱাত ৰেমবাৰ্টে ওৰানত স্থায়ীভাবে থাকি যোৱাটোৱে মনস্থ কৰে। নিসন্দেহ তেওঁ প্ৰথমাৱস্থাত ওৰান এৰি গুচি যাব বিচাৰিছিল; ডাº ৰাইক্চ আৰু তেওঁৰ সহযোগী জিন ট'ৰেক এৰি পলাই যাব খুজিছিল। কিন্তু পিছলৈ তেওঁৰ জীৱনলৈ আহে অভাবনীয় উত্তৰণ। তেওঁ ভাবিবলৈ ল'লে - 'নিসঙ্গ' সুখৰ কোনো অৰ্থ নাই।' সময়ৰ লগে লগে বতৰ সলনি হ'ল। গ্ৰীষ্মৰ হাতধৰি প্ৰচন্ড উত্তাপ নামি আহিল ওৰাণৰ ধৰাত। প্লেগৰ মৃত্যুৰ হাৰ বাঢ়ি যাবলৈ ধৰিল। মৃত সংখ্যাৰ হিচাপ আগতে সপ্তাহত এবাৰকৈ ৰেডিঅ'ৰ জৰিয়তে প্ৰচাৰ হৈছিল। শেহতীয়াভাবে প্ৰতিদিনে প্ৰচাৰিত হ'বলৈ ধৰিল। ৰোগীতকৈ চিকিৎসকৰ সংখ্যা বাঢ়ি গ'ল। ভৱিষ্যতলৈ বেচি চিন্তা নকৰি মানুহবোৰে বিলাসী জীৱন যাপন কৰিবলৈ ল'লে। কাৰণ মৃত্যুৰোগী প্লেগে অনাগত দিনবোৰত যে সিঁহতোকো গ্ৰাস কৰিব সেয়া নিৰ্ধাৰিত। যাজক পেনেলক্চে ধৰ্ম্মোপদেশত কোৱাৰ দৰেই মানৱ অস্তিত্বৰ সবাতকৈ সহজ সত্য হ'ল মৃত্যু। মৃত্যু কিদৰে কোন ৰূপত আহিছে সেয়া ভবাটো অৰ্থহীন। প্লেগত হোৱা মৃত্যুতকৈও আন কোনো মহৎ মৃত্যু হ'ব পাৰে বুলি কোনো কথা নাই। মৃত্যু-মৃত্যুৱেই- অৰ্থাৎ জীৱনৰ সমাপন। মৃত্যুৰ ৰং বা ৰূপ থকাটো তেনেই অৰ্থহীন। লেখক গৰাকীৰ বাবেও মৃত্যু-মৃত্যুৱেই - "death is senselen, no matter how it happens'।

তেন্তে ফৰাচী লেখক এলবাৰ্ট ক্যমুৰ মৃত্যু সঁচাই কোনো দুৰ্ঘটনা, নে আত্মঘাঠী ক্ৰিয়া? লেখক হিচাপে 'পপিউলাৰিটি'ৰ চৰম শিখৰ চুমা ১৯৫৭ চনৰ ন'বেল বঁটা বিজয়ী ক্যমুৱে ন'বেল বিজয়ৰ মাথো দুবছৰ শেষ নৌহওঁতেই মৃত্যু (জানুৱাৰী ৪, ১৯৬০) আকোৱালি লব লগা হৈছিল। সমালোচকৰ দৃষ্টিত এয়া হ'ল নিজৰ সৃষ্টিৰাজিত থকা মৃত্যু দৰ্শনক প্ৰতিষ্ঠিত কৰাৰ এক অৰ্থবহ প্ৰচেষ্টা। কাৰণ ক্যমুৰ মতে ধাৰ ব্লেডৰ ওপৰেদি খোজকাঢ়ি যোৱাটোৱেই জীৱন; মৃত্যু হ'ল ইয়াৰ সম্পূৰ্ণ বিপৰীত অৰ্থাৎ সম্পূৰ্ণ অজ্ঞানতা- a total senslessness ক্যমুৰ জন্ম আফ্ৰিকাৰ আলজেৰীয়াত (নভেম্বৰ ৭, ১৯১৩) দেউতা লুচিয়েন ক্যমু ১৯১৪ৰ প্ৰথম বিশ্ব যুদ্ধৰ মানে যুজঁত মৃত্যু বৰণ কৰা এগৰাকী চিপাহী। পিতৃ হেৰুওৱা এটি এবছৰীয়া শিশুৰ বাবে নিশ্চয় জীৱন ফলৰ সোৱাদ আৰু গতানুগতিক জীৱন শ্যৈলীৰ জীৱনাৰম্ভ কৰা শিশুৰ বাবে জীৱন ৰসৰ জুতি নিশ্চয় সম্পূৰ্ণ পৃথক - আৰু এই পৃথকতাৰ নিৰ্যাসেই হ'ল ক্যমুৰ উদ্ভট দৰ্শন-ক্যমুৰ প্লেগ। এই প্লেগৰ স'তে ধৰ্ম বা অধৰ্মৰ কোনো সম্পৰ্ক নাই। কাকুৱে কোনোদিনে কোনোধৰণৰ ক্ষতি

নকৰা গ্ৰেণ্ডৰ দৰে মানুহ এজনেও প্লেগৰ বলি হ'ব পাৰে- যি প্লেগৰ অৰ্থ হ'ল মৃত্যু আৰু জীৱনত মৃত্যুৰ বাহিৰে চৰম সত্য একোৱেই নাই। ক্যমুৰ মতে মৃত্যু হ'ল সম্পূৰ্ণ নিবাৰ্সন আৰু এই নিৰ্বাসন জীৱন যাপন কৰিবলৈ উদগ্ৰীৱ ওৰেনবাসী। কাৰাগাৰত বন্দী হোৱাৰ দৰেই কয়দী জীৱন কটোৱা প্ৰতিজন ওৰেনবাসীয়ে এতিয়া কাফে, ছবিঘৰলৈ লৈ সময় কটাইছে। জীৱটোক উপভোগ কৰিছে। উপভোগ কৰাৰ বাহিৰে সিহঁতৰ কৰিবলৈ একো নাই। কাৰণ কাইলৈ সিহঁতৰো মৃত্যু হোৱাটো নিশ্চিত। এইক্ষেত্ৰত ঈশ্বৰ দুতী মৃত্যুৱে মানুহক পবিত্ৰ কৰা কথাটো কিমান গুৰুত্বপূৰ্ণ? ঈশ্বৰক বিশ্বাস কৰা নকৰালৈ যেতিয়া ট'ৰেই ডা° ৰাইক্চ'ক প্ৰশ্ন কৰিছিল তেতিয়া ডা০ ৰাইক্চে প্ৰশ্নটোৰ পোনপটীয়াকৈ একো উত্তৰ নিদি হাতসাৰি অহিবৰ চেষ্টা কৰিছিল। কাৰণ তেওঁৰ মতে ঈশ্বৰক বিশ্বাস কৰাটো মাথো একধৰণৰ বিলাসীতা। ক্যমুৱে নিজৰ জীৱনৰ আগছোৱাত মানব জীৱনটোৰ এটা সনাতন গুৰুত্ব আছে বুলিয়েই ভাবিছিল; কিন্তু জীবনৰ পিছৰ কালছোৱাত জীৱনটো এটা অৰ্থহীন পৰিসমাপ্তিৰ বাহিৰে একোৱেই নহয় বুলিয়েই ভাবিবলৈ লৈছিল। যাৰ ফলস্বৰূপ জীবন-মৃত্যু পৰজনম ইত্যাদি বিষয়ক লৈ বেচি তাত্বীক নহৈ তেওঁ কৈছিল - 'জীৱন পৰিসম্পাতিৰ অৰ্থহীনতাক অৰ্থ দিয়াটোৱেই মানব জীৱনৰ লক্ষ্য হ'ব লাগে।' ডা০ ৰাইক্চে জীৱন তথা প্লেগ সম্পৰ্কে যি ধাৰণা 'প্লেগ' নাটকত আগবঢ়াইছে সেয়া গতানুগতিকাৰ বিৰোধী। তেওঁৰ মতে প্লেগৰ বিৰুদ্ধে যুঁজাটোত বীৰত্ব একো নাই, যুজাটো মাথো সামুহিক ভদ্ৰতা Common decency। জন্মিছো যেতিয়া মৰাটো ধ্ৰুবসত্য। এই সত্যক কোনেও টলাব নোৱাৰে। কিন্তু নিজৰ সম্পূৰ্ণ শক্তি প্ৰয়োগ কৰি মৃত্যুৰ স'তে, দাসত্বৰ দৰে প্লেগৰ স'তে যুঁজাটোৱেই জীবন-ধৰ্ম।

ক্যমুৰ মতে ঋনাত্মক শক্তিৰ স'তে যুঁজি থকাটোৱেই জীৱন, জীবন মুকতিৰ সোবাদ তাতেই অৰ্ন্তলীন। জগতটো প্লেগ আৰু প্ৰতীকী অৰ্থত এই জগতৰ প্ৰতিটি জীব, আনকি ক্যমুও প্লেগগ্ৰস্থ। ওৰেণবাসীয়ে প্লেগত কাৰাবন্দী হোৱাৰ দৰেই পৃথিবীবাসীও কিবা নহ'লে কিবা এটা কুশক্তিৰে নিৰ্মিত একো একোখন কাৰাগাৰত বন্দী আৰু এই কয়দীত্বৰ পৰা নিজকে স্বাধীন কৰাটোৱেই জীবনৰ উদ্দেশ্য। প্লেগে ওৰেণবাসীৰ ঘৰে ঘৰে গৈ নোপোৱাৰ আগতে জানো ওৰণীয় সকল সুস্থ আছিল; জানো তেওঁলোকৰ আছিল দাসমুক্ত জীৱন? এক কথাত নাছিল। প্লেগে যেতিয়া এজনক আন এজনক আত্মীয়ৰ পৰা দূৰলৈ নিলে তেতিয়াহে উভয়ে উভয়েৰ প্ৰতি প্ৰেমানুভব অনুভব কৰিল। আঙুলিৰ ফাকেৰে যেতিয়া জীবন সৰকিবলৈ ধৰিলে তেতিয়া জীৱনৰ প্ৰতি মানুহৰ মোহ বাঢ়িল। ক্যমুৰ মতে এইটোৱেই মানব জীৱনৰ বিৰাট ট্ৰেজেডি আৰু এই ট্ৰেজেডি সনাতন। দুখ যন্ত্ৰনাক সনাতনী বুলি ভাবি হাত ভৰি গোটাই অপশক্তিৰ পৰা নিজকে প্ৰতিৰক্ষা কৰিব নোখোজাটো জীৱনাদৰ্শ হ'ব নোৱাৰে। ক্যমুৰ মতে মানবতাবাদ আৰু অস্তীত্ববাদৰ সংমিশ্ৰনেই জীৱন। কোনো ঈশ্বৰকে বিশ্বাস নকৰা ক্যমুৰে মৃত্যু, যন্ত্ৰণা আৰু জীবনাস্তীত্বক কোনো নীতি তথা যুক্তিৰে বুজিব খোজা নাছিল। তেওঁ কৈছিল যে মানুহ পাৰ্থিব জীৱ আৰু ভাঙ্গি পাতি কেতিয়াও কোনো পৰিস্থিতিতে বুজিব নোৱাৰা, সম্পূৰ্ণভাবে অযুক্তিকৰ তথা উদ্ভট এটি পৰিসম্পত্তিৰ নামেই জীৱন।

# দেশী ভাষা

পাচু গোপাল চক্ৰৱৰ্ত্তী

'দেশী ভাষা' সম্পৰ্কে আলোচনালৈ অহাৰ আগতে ভাষাৰ প্ৰাসংগিকতাৰ ফালে লক্ষ্য ৰাখি ভাষা সম্বন্ধে কিছু আলোচনাৰ প্ৰয়োজন আছে। ভাষাৰ সংজ্ঞা বুজাবলৈ হ'লে অতি সংক্ষেপে ক'ব পাৰি যে নিৰ্দেশ কৰিবলৈ হ'লে মানুহৰ উচ্চাৰিত, অৰ্থবহ বহুজনে বুজিব পৰা ধ্বনিসমষ্টিকে ভাষা বুলি কোৱা হয়। সেইদৰে কোনো ভাষা সম্প্ৰদায়ৰ অন্তৰ্গত সৰু সৰু দল নাইবা অঞ্চল বিশেষত প্ৰচলিত ভাষা বেষ্টনক উপভাষা (Dialect) বোলা হয়। বিভিন্ন কাৰণত কোনো উপভাষা- সম্প্ৰদায় লোকসকলৰ নিজ মূল ভাষা-সম্প্ৰদায়ৰ পৰা বিচ্ছিন্ন হৈ কালক্ৰমত আৰু সুযোগ পালে অৰ্থাৎ সেই উপভাষী সম্প্ৰদায়ৰ লোক সংখ্যা বৃদ্ধি পালে, জীৱিকা আৰু শিক্ষা সহজলভ্য হ'লে, পণ্ডিত-লেখক আদিৰ আৱিৰ্ভাৱ হ'লে নিজৰ বাট ধৰি বিকাশপ্ৰাপ্ত হৈ নতুন ভাষাৰূপে পৰিগণিত হয়। তাৰউপৰি ৰাষ্ট্ৰবিপ্লৱৰ ফলত কোনো দল স্বদেশ ত্যাগ কৰি অইন ঠাইত গৈ উপনিৱেশ পাতিলে সেই ভাষা-সম্প্ৰদায়ে বহু ধাৰাত বিচ্ছিন্ন হোৱা পথ প্ৰশস্ত হয়। কোনো এক সময়ত সমগ্ৰ মধ্য ইউৰোপত জাৰ্মান ভাষা প্ৰচলিত আছিল। সেই ভাষা-সম্প্ৰদায়ৰ কেবাটাও দল চতুৰ্থ শতাব্দীৰ শেষৰ ফালে। বিচ্ছিন্ন হৈ ইংলেণ্ডত উপনিৱেশ পাতিছিল। জাৰ্মান ভাষা-সম্প্ৰদায়ৰ এইসমূহ বিচ্ছিন্ন দলৰ এটিউপভাষা নিজৰ পথত আগবাঢ়ি বিকশিত হৈ আধুনিক কালৰ শ্ৰেষ্ঠ ভাষা ইংৰাজীত পৰিণত হৈছিল। জাৰ্মান ভাষা-সম্প্ৰদায়ৰ আনবোৰ দল বিচ্ছিন্ন হৈ বিভিন্ন দেশত গৈ আইছলেণ্ডিক, নৰৱেজীও, ছুইডিছ, ডিনেমাৰ, ওলন্দাজ প্ৰভৃতি ভাষা সৃষ্টি কৰিছিল। যিটো দল জাৰ্মানীতে ৰৈ গৈছিল, তেওঁলোকৰ উপভাষাই পৰৱৰ্ত্তী কালত আধুনিক জাৰ্মান ভাষাৰূপে স্বীকৃতিপ্ৰাপ্ত হয়।

আজিৰ পৰা তিনি হাজাৰ বছৰ আগত ভাৰতৰ উত্তৰ-পশ্চিমফালৰ পৰা আহি আৰ্যভাষীসকল পূব ভাৰতত বসতি স্থাপন কৰে। তেওঁলোকৰ উপভাষাকে প্ৰাচ্য (নাইবা পূৰ্বী) প্ৰাকৃত বোলা হয়। এই প্ৰাচ্যভাষীসকল অংগ, বংগ, মগধ আদি কৰি অঞ্চলসমূহত স্থায়ীভাৱে বাস কৰি আছে।

উল্লেখিত উপভাষা গোষ্ঠীৰ কিছু জনসমষ্টি পুৰণি কামৰূপ ৰাজ্যত বিভিন্ন দল বান্ধি বিভিন্ন অঞ্চলত স্থায়ীভাৱে বসতি স্থাপন কৰিবলৈ লয়। ইটো দলৰ লগত সিটো দলৰ সম্পূৰ্ণ বিচ্ছিন্ন নহ'লেও প্ৰত্যেকটো দলেই নিজ স্বতন্ত্ৰ তাত গঢ়ি উঠিছিল। স্বতন্ত্ৰ দলসমূহৰ বাগ্-ব্যৱহাৰত পূৰ্ব প্ৰাকৃতৰ সেই বিশেষ উপভাষাটোৰ যি বিভিন্ন স্থানীয় ৰূপ উদ্ভৱ হৈছিল, সেইবোৰেই পৰৱৰ্তীকালত আধুনিক অসমৰ উপভাষাসমূহৰ শিপা।

এতিয়া আলোচ্য বিষয় 'দেশী ভাষা'-ৰ আলোচনালৈ অহা যাওক। 'দেশী ভাষা' বুলি উল্লেখ কৰাৰ লগে লগে নিশ্চয় এটি প্ৰশ্নৰ অৱতাৰণা হব পাৰে যে এই ভাষাটোনো কোন দেশৰ ভাষা? এই প্ৰশ্নৰ সঠিক উত্তৰ বিচাৰিব লাগিলে বহু বছৰ পিছলৈ উভতি গৈ বুৰঞ্জীৰ পাত লুটিয়াব লাগিব; কিয়নো এই ভাষাটোৰ লগত জড়িত হৈ আছে সম্বাৰাসুৰ, নৰকাসুৰ প্ৰাগজ্যোতিষপুৰকে ধৰি পুৰণি কামৰূপ ৰাষ্ট্ৰ, কামৰূপ- কমতা, কমতা, আজিৰ উত্তৰবংগ, বৰ্তমান বাংলাদেশৰ অবিভক্ত ৰংপুৰ জিলা আৰু আনকি সৌ সিদিনালৈকে একত্ৰিত হৈ থকা অবিভক্ত গোৱালপাৰা জিলাখন।

সাধাৰণতে 'দেশী ভাষা' বুলিলে কোনোবা এখন দেশৰ ভাষা বুলি ভবাৰ যথেষ্ট থল আছে। অকল 'দেশী ভাষা' বুলি এটা ভাষাৰ নাম হ'লে সেই ভাষাটো প্ৰচলিত দেশৰ নামটোনো কি তাক সঠিকভাৱে জানি লোৱা অতি প্ৰয়োজন। কিন্তু আলোচ্য বিষয় 'দেশী ভাষা'ৰ ক্ষেত্ৰত এই ভাষাটো প্ৰচলিত দেশখনৰ নাম ক'তো বিশেষভাৱে উল্লেখ থকা পৰিলক্ষিত নহয়। সেইবাবেই গভীৰ অধ্যয়ণৰ মাধ্যমত বিচাৰি উলিয়াব লাগিব এই দেশখনৰ নাম; লগতে জানিব লাগিব দেশী ভাষা সম্প্ৰদায়ৰ লোক কোন অঞ্চলত আজিও তেওঁলোকৰ ভাষাটোক দেশী ভাষা বুলি কয়। ইয়াৰ উপৰি উলিয়াব লাগিব তেওঁলোক আদিতে কোন দেশৰ মানুহ আছিল।

বৰ্তমান সময়ত দেশী ভাষা সম্প্ৰদায়ৰ লোকে বাস কৰা অঞ্চলসমূহ নিৰ্দিষ্ট কৰিলে দেখিবলৈ পোৱা যায় যে অসমৰ অবিভক্ত গোৱালপাৰা জিলা, পশ্চিমবংগৰ সম্পূৰ্ণ উত্তৰবংগ আৰু বাংলাদেশৰ অবিভক্ত ৰংপুৰ জিলাৰ উক্ত অঞ্চলৰ খিলঞ্জীয়াসকলে তেওঁলোকৰ ভাষাটোক দেশী ভাষা বুলি কয় আৰু নিজকে 'দেশী মানসী' বুলি পৰিচয় দিয়ে।

অৰণ্যে স্থান বিশেষ এই ভাষাটোৰ নাম বেলেগ বেলেগ নামাকৰণ কৰাৰ দৃষ্টান্ত সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। অবিভক্ত গোৱালপাৰা জিলাৰ বহুতে আজিও তেওঁলোকে কথিত ভাষাটো 'দেশী ভাষা' বুলি কয়, আনকি তেওঁলোকে 'দেশী মানসী' বুলি নিজকে চিনাকি দিবলৈ গৌৰৱ অনুভৱ কৰে। সেইদৰে এই অঞ্চলৰ বহুতৰ মতে দেশী ভাষাটোৰ প্ৰকৃত নাম ৰাজবংশী ভাষাহে, আকৌ এই ভাষাটো গোৱালপাৰীয়া ভাষা বুলি কোৱাৰ সংখ্যাও অতি তাকৰ নহয়। উত্তৰ বংগৰ এই ভাষা-সম্প্ৰদায়ৰ মাজতো দেশী ভাষাক লৈ এক ধৰণৰ মতানৈক্য থকা দেখা যায়। সেই অঞ্চলৰ বহুতৰ মতে, দেশী ভাষাটোৰ নাম কমতাপুৰ নাইবা কমতা-বেহাৰী। আকৌ সেই অঞ্চলতে বহুতে এই ভাষাটোক ৰাজবংশী ভাষা বুলি দাবী উত্থাপন কৰিবলৈও প্ৰচেষ্টা চলাই আছে। কিন্তু বাংলাদেশৰ মুছলমান অধ্যুষিত অবিভক্ত ৰংপুৰ জিলাৰ মানুহে তেওঁলোকৰ কথিত ভাষাটোক দেশী ভাষা বুলি কৈ আৰু নিজকে 'দেশী মানসী' বুলি কৈ আত্মসন্তুষ্টি লভে। গতিকে উপৰিউক্ত বৰ্ণনাৰ পৰা এটি স্পষ্ট সমীক্ষা পোৱা যায় যে এটা ভাষা অৰ্থাৎ দেশী ভাষাটোৰ নাম একে ভাষা-সম্প্ৰদায়ৰ মানুহে বিভিন্ন নামকৰণৰ প্ৰচেষ্টা চলাই থকাৰ বাবে চাগৈ আজিকোপতি এই প্ৰাচীনকালৰ পৰা চলি থকা ভাষাটোৰ প্ৰকৃত নাম উদ্‌ঘাটন হোৱা নাই। অথচ লক্ষ্য কৰিলে দেখিবলৈ পোৱা যায় উক্ত অঞ্চলসমূহত বসবাস কৰা সকলো শ্ৰেণীৰ নাইবা সকলো সম্প্ৰদায়ৰ মানুহে মাতৃগৰ্ভৰ পৰা ওলায়েই সেই একেটা ভাষা শিকিলৈ নিজৰ মনৰ অৰ্থবহ ভাব বিনিময় কৰে। ড০ আব্ৰাহাম গ্ৰীয়াৰ্ছন চাহাবে এই ভাষাৰ ৰূপটোক 'ৰাজবংশী' ভাষা বুলি কৈছে। কিন্তু বৰ্তমান কোচবিহাৰৰ প্ৰখ্যাত পণ্ডিত ধৰ্মনাৰায়ণ বৰ্মা এজন ৰাজবংশী সম্প্ৰদায়ৰ ব্যক্তি হোৱা সত্বেও তেওঁ ৰচনা কৰা 'কমতাপুৰী ভাষা-সাহিত্যেৰ ৰূপৰেখা' গ্ৰন্থখনত গ্ৰীয়াৰ্ছন চাহাবৰ উক্তি তৎকালে খণ্ডন কৰি দেশী ভাষাৰ প্ৰকৃত নাম কমতাপুৰী নাইবা কমতা-বিহাৰী বুলি উল্লেখ কৰিছে।

'ড০ আব্ৰাহাম গ্ৰীয়াৰ্ছন এই ভাষাটোক ৰাজবংশী dialect কইচেন।... কিন্তু উমাৰ এই বক্তব্যত বিশেষ ত্ৰুটি দেখিব পাওয়া যায়। পৈলা হইল এইটা উপভাষা নোঙায়। একটা সমৃদ্ধ ভাষাৰ যতটা লক্ষণ ঐলা কুল্যায় এই ভাষায় বিদ্যমান।' (কমতাপুৰী ভাষা-সাহিত্যেৰ ৰূপৰেখা, পৃষ্ঠা ২)

গতিকে এতিয়ালৈকে আলোচনা হোৱা তথ্যসমূহ পৰা নিশ্চয় উপলব্ধি কৰিব পৰা যায় যে এই ভাষাটোৰ আদি দেশী ভাষা; কিন্তু যিহেতু কোনো এটা ভাষা যদি উপভাষা হয়, তেতিয়াহ'লে সেই ভাষা হ'ব লাগিব। সেইবাবে এই ভাষা প্ৰচলিত দেশৰ পৰিসীমা উলিয়াব লাগিব সঠিক বিশ্লেষণৰ দ্বাৰা, গৱেষণাৰ মাধ্যমত। এতিয়ালৈ এই বিষয়ে অতি নগণ্য সংখ্যক গৱেষককেহে কিছু গৱেষণা কৰা পৰিলক্ষিত হৈছে; কিন্তু তেওঁলোকৰ গৱেষণাৰ দ্বাৰা যিখিনি তথ্য উদ্‌ঘাটন কৰিছে, সেইসবতো তেওঁলোকৰ ভিতৰত মতানৈক্য থকা দৃষ্টিগোচৰ হয়। উদাহৰণস্বৰূপে, অসমৰ সৰ্বজনপূজ্য প্ৰথিতযশা পণ্ডিত ড০ বাণীকান্ত কাকতিদেৱে এইদৰে মন্তব্য কৰিছে - It was under the patronage of kinds outside the western limit of Modern Assam, under the patronage of the kings of Kamatapur, fourteen miles to the south-west of Coach-Bihar that the earliest Assamese books were written. Even now the spoken language of North Bengal and western Assam (districts of Kamrup and Goalpara) is substantially the same and seems to form on dialect group (AFD, page 6)

উপৰিউক্ত কথাখিনিৰ পৰা বুজিব পৰা যায় যে ড০ কাকতিদেৱে গোৱালপাৰা জিলা আৰু কামৰূপ জিলাৰ ভাষা একেটা উপভাষীয় গোষ্ঠীৰ পৰা গঢ় লোৱা বুলি সঠিকভাৱে নিৰ্ণয় কৰিব নোৱাৰি অকল গঢ় লোৱা যেন লাগে বুলি কৈ তেওঁৰ মন্তব্য শেষ কৰিছিল। সেয়ে তেওঁৰ মন্তব্যৰ পৰা ইয়াকো ভবাৰ থল আছে যে এই জিলা দুখনৰ ভাষা তেওঁ উল্লেখ কৰা মতে প্ৰাচীন অসমীয়া পুথিবোৰৰ ভাষাৰ লগত মিল নাথাকিবও পাৰে। ইয়াৰ বাহিৰেও তেওঁ গোৱালপাৰা জিলা আৰু কামৰূপ জিলাৰ ভাষাৰ লগতে উত্তৰবংগৰ ভাষাক উপভাষা গোষ্ঠীৰ বুলি উল্লেখ কৰিছে; আকৌ সেই উপভাষাৰ দ্বাৰা কমতাপুৰৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত প্ৰাচীন অসমীয়া পুথিবোৰ লিখা হৈছে বুলি উল্লেখ কৰিছে। এতিয়া প্ৰশ্ন হ'ল - উপভাষাৰ দ্বাৰা ৰচনা কৰা পুথিৰ ভাষা উপভাষা হয় নে ভাষা হয়? প্ৰথাগতভাৱে আৰু আগতে উনুকিওৱা মতে কোনো ভাষা-সম্প্ৰদায় সুযোগ পালে অৰ্থাৎ সেই উপভাষা-সম্প্ৰদায়ৰ লোকসংখ্যা বৃদ্ধি পালে, জীৱিকা আৰু শিক্ষা সহজলভ্য হ'লে, পণ্ডিত-লেখক আদিৰ আৱিৰ্ভাৱ হ'লে নিজৰ বাট ধৰি বিকাশপ্ৰাপ্ত হৈ এটি ভাষাৰূপে পৰিগণিত হয়। উক্ত তথ্যমতে তেতিয়াহ'লে সেই প্ৰাচীনতম অসমীয়া পুথিবোৰৰ ভাষা উপভাষাত লিখা হোৱা নাছিল। ইয়াৰ প্ৰধান কাৰণ হ'ল- সেইবোৰ পুথিৰ লেখক, কবি,

নাট্যকাৰ, কাব্যকাৰসকলক আছিল কবি হেম সৰস্বতী, মহাপুৰুষ শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, বকুল কায়স্থ, পীতাম্বৰ সিদ্ধান্তবাগীশ, পুৰুষোত্তম আদি। ইপিনে আকৌ বিখ্যাত কনকলাল বৰুৱাদেৱে লিখিছে - "The reigns of Viswasingha and Naranarayan, which covered the greater part of sixteenth century witnessed a great development of the vernacular literature of Kamrupa; (p. 3651, Early History of Kamrupa)

এইখিনিতে ড০ কাকতিদেৱে আৰু বৰুৱাদেৱৰ ওপৰত ব্যক্ত কৰা অতি মূল্যৱান তথ্য দুটিৰ ভিতৰত সামান্যতম হ'লেও গঢ়-মিল থকা নিশ্চয় দৃষ্টি আকৰ্ষণ কৰে। প্ৰথমতে, ড০ কাকতিৰ মতে কমতাপুৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত পুৰণি ভাষাৰ কিতাপবোৰ লিখা হৈছিল। দ্বিতীয়তে, কনকলাল বৰুৱাদেৱৰ মতে ষোল্লশ শতাব্দীত বিশ্বসিংহ আৰু নৰনাৰায়ণৰ দিনত কামৰূপী ভাষা-সাহিত্যৰ যথেষ্ট উন্নতি সাধন হৈছিল। সেইবাবেই তেওঁলোকৰ তথ্য দুটিত গঢ়-মিল থকা বুলি বিবেচনা কৰিলে নিশ্চয় ভুল নহ'ব। কাৰণ ড০ কাকতিদেৱে পুৰণি পুথিবোৰৰ ভাষাক অসমীয়া ভাষা বুলি উল্লেখ কৰিছে; আকৌ বৰুৱাদেৱে একেবোৰ পুথিৰ ভাষাকে কামৰূপী বুলি উল্লেখ কৰিছে। গতিকে আমাৰ গৱেষক-পণ্ডিতসকলৰ ভিতৰত যে দ্বিমত আছিল তাক এইদৰেই প্ৰমাণ কৰিব পাৰি। ড০ কাকতিদেৱ আৰু বৰুৱাদেৱৰ দিনৰ পৰা বৰ্তমানলৈ লক্ষ্য কৰিলে সেই একে ধৰণৰ দ্বিমত কিছু গৱেষকৰ উক্তিত দেখা পাওঁ। বৰ্তমান বছৰৰ অসম সাহিত্য সভাৰ সভাপতি ড০ বীৰেন্দ্ৰনাথ দত্তৰ (The Assam Academy Review No. 1,1971) ত এইদৰে উল্লেখ কৰিছে যে গোৱালপাৰা উপভাষাক দুটা প্ৰধান আঞ্চলিকৰূপত ভাগ কৰিব পাৰি। গোৱালপাৰাৰ লোকসকলে এই ভাষাটোক 'দেশী কথা' নাইবা গোৱালপৰীয়া ভাষা বুলিহে কয়। ড০ দত্তদেৱৰ উক্ত উক্তিৰ বিপৰীতে মত প্ৰকাশ কৰি প্ৰখ্যাত পণ্ডিত ড০ উপেন্দ্ৰনাথ গোস্বামীদেৱে তেখেতৰ 'অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ' গ্ৰন্থখনত লিখিছে-"গোৱালপাৰা জিলাৰ স্থানীয় লোকসকলে ভাষাটোক 'দেশী ভাষা' বুলি কোৱাহে শুনা যায়।" সেইদৰে ১৯৭২ চনত অনুষ্ঠিত অসম সাহিত্য সভাৰ ধুবুৰী অধিৱেশনৰ স্মৃতিগ্ৰন্থত 'গোৱালপাৰা জিলাত সাহিত্য-চৰ্চা আৰু লেখকগোষ্ঠী' শীৰ্ষক প্ৰবন্ধটোত শুভানন্দ চক্ৰৱৰ্ত্তীদেৱে লিখিছে -'পুৰণি কামৰূপ ৰাজ্যৰ পুৰণি কামৰূপী বা পুৰণি অসমীয়া ভাষাকেই পুৰণি কামৰূপ ৰাজ্যৰ পশ্চিম অঞ্চলৰ লোকে দেশী ভাষা বোলে।'

ড০ বীৰেন্দ্ৰনাথ দত্তদেৱে এটি প্ৰবন্ধত এইদৰে লিখিছে- "প্ৰাক্‌শংকৰী যুগৰ দুজন শ্ৰেষ্ঠ কবি হৰিবৰ বিপ্ৰ আৰু হেম সৰস্বতীয়ে কমতা ৰজা দুৰ্লভনাৰায়ণ আৰু আন এজন কবিৰত্ন সৰস্বতীয়ে দুৰ্লভ-পুত্ৰ ইন্দ্ৰ নাৰায়ণৰ পৃষ্ঠপোষকতাত নানা পদপুথি ৰচনা কৰি অসমীয়া সাহিত্যৰ সুবৰ্ণ যুগৰ আগমনৰ পথ সুগম কৰে। শংকৰোত্তৰ যুগত নৰনাৰায়ণ আৰু চিলাৰায়ৰ মৃত্যুৰ পিছতো কোঁচ ৰাজসভাত গুণীক সমাদৰৰ পৰম্পৰা অটুট আছিল। এই দুই মহান ৰাজপুৰুষৰ বংশধৰ ৰঘুদেৱ, পৰীক্ষিতনাৰায়ণ আৰু সুন্দৰনাৰায়ণ আদিৰ পৃষ্ঠপোষকতাত ৰাম সৰস্বতীয়ে আৰু তেওঁৰ সহযোগী কংসৰী আদি কবিয়ে অসমীয়া মহাভাৰত আৰু শ্ৰীনাথ দ্বিজ কবিশেখৰ, দ্বিজৰাজ, ৰামৰায় আদিয়ে পদপুথি ৰচনাত আত্মনিয়োগ কৰি অসমীয়া সাহিত্যক সমৃদ্ধ কৰে। ....নিজকে স্বদেশী বুলি পৰিচয় দিয়া এই পণ্ডিতসকলে দেশী ভাষাতে মহাভাৰত-ৰামায়ণ আদিৰ আধাৰত কৰা ৰচনাসমূহ অসমীয়া সাহিত্যৰ নিদৰ্শন বুলি স্বীকৃত হৈ সাহিত্যৰ বুৰঞ্জীত ঠাই পাইছে।"

বৰ্ত্তমান অসম সাহিত্য সভাৰ সভাপতি ড০ বীৰেন্দ্ৰনাথ দত্তদেৱৰ উক্ত বৰ্ণনাখিনিয়ে নিশ্চয় এটি বিশেষ তাৎপৰ্য বহন কৰিছে। তেওঁ দেশী ভাষাটোক অসমীয়া ভাষাৰ নিদৰ্শন বুলি অতি স্পষ্টকৈ স্বীকাৰ কৰিছে। তেতিয়াহ'লে দেশী ভাষা পুৰণিকালত প্ৰচলিত দেশ বা ৰাজ্যখনৰ চাৰিসীমা পুৰণি কামৰূপ দেশ নাইবা অসমখনক বুলি চিহ্নিত কৰাত নিশ্চয় ভুল নহ'ব; যদি সেয়ে হয় তেতিয়াহ'লে দেশী ভাষাটোৰ নাম প্ৰকৃততে হ'ব লাগে কামৰূপী দেশী ভাষা নাইবা অসম দেশী ভাষা। আকৌ অলপ সংক্ষেপে ক'ব পাৰি, কামৰূপ-ভাষা নাইবা অসম-ভাষা (অসমীয়া ঠাইত)।

আজিৰ পৰা বহু বছৰ পূৰ্বে অসমৰ খ্যাত বিদগ্ধ বুৰঞ্জীবিদ আনন্দ চন্দ্ৰ আগৰৱালাদেৱে 'গোৱালপাৰাৰ পুৰণি বিৱৰণ' নামৰ প্ৰবন্ধত লিখিছে- 'অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাসত মহাৰাজ নৰনাৰায়ণৰ নাম চিৰকাল সোণালী আখৰেৰে জিলিকি থাকিব। তেওঁৰ ৰাজত্বকালত ৰচা পুথিবিলাক আজিও আমাৰ সাহিত্য-ভঁৰালত ৰত্নৰদৰে জিলিকি আছে। সেইবিলাক পুথিৰ ভাষাই প্ৰাচীন কামৰূপৰ ভাষা আৰু সেই ভাষাকে আমি এতিয়া অসমীয়া ভাষা বুলিছোঁ- ৰংপুৰ, জলপাইগুৰি আৰু কোচবিহাৰৰ মাতৃভাষা প্ৰকৃততে কামৰূপী বা অসমীয়া।'

তাহানি ব্ৰিটিছৰ দিনতে অসমীয়া ভাষাক ভাষাৰূপে স্বীকৃতি ল'বলৈ যিসকল স্বনামধন্য ব্যক্তিয়ে যুঁজ দিছিল, তেওঁলোকৰ ভিতৰত অন্যতম অসমপ্ৰেমী লক্ষ্মীনাথ বেজবৰুৱাদেৱে এইদৰে লিখি থৈ গৈছে- 'ৰংপুৰ, দিনাজপুৰ, কোচবিহাৰ প্ৰভৃতি ঠাইৰ ভাষা পৰীক্ষা কৰি চালে ফটফটীয়াকৈ দেখি যে সেই ভাষা অসমীয়া ভাষাৰহে নিজস্ব, আগৰ অসমীয়া ভাষাৰহে নিজা বস্তু, আজিকালিৰ বলী বঙলা ভাষাৰ অধিকাৰ তাত নাই।'

দেশী ভাষালৈ অসমৰ বিভিন্ন গৱেষক-পণ্ডিত কেইগৰাকীমানৰ বিভিন্ন তথ্য আৰু মতামত সম্বন্ধে ইতিমধ্যে যথেষ্ট আলোচনা কৰা হ'ল। এতিয়া আলোচনালৈ অহা যাওক অসমৰ বাহিৰৰ অৰ্থাৎ পশ্চিমবংগৰ কিছু গৱেষক- পণ্ডিতৰ এই ভাষাৰ ওপৰত কৰা মন্তব্যসমূহ; কিয়নো সেইখন ৰাজ্যৰ উত্তৰ ভাগত আজিও দেশী ভাষা প্ৰচলিত হৈ বৰ্তি আছে। বংগৰ এনেকি ভাৰতৰ ভিতৰত প্ৰথিতযশা পণ্ডিত ড০ সুনীতি কুমাৰ চট্টোপাধ্যায়ে পূৰ্ব মাগধী প্ৰাকৃতক চাৰিটা উপভাষাত ভগাই অসমীয়া ভাষা আৰু উত্তৰবংগৰ ভাষাক উপভাষা কৈ সেই ভাষাক সাঙুৰি কামৰূপ উপভাষা নাম দিছে। এইক্ষেত্ৰত ড০ চট্টোপাধ্যায়ৰ উল্লেখিত এটা শব্দ বিশেষভাৱে আলোচ্য বিষয় হ'ব পাৰে; কিয়নো তেওঁৰ দিনত অসমত এটি নিজা মান্য ভাষা আছিল আৰু যিহেতু উত্তৰবংগত ভাষাটোৰ দ্বাৰা ইতিমধ্যে অৰ্থাৎ পুৰণিকালতে সেই অঞ্চলৰ পুৰণি দিনৰ দেশী ভাষাতে কেবাগৰাকী মহাপুৰুষে কেবাখনো গ্ৰন্থ ৰচনা কৰিছিল, সেইবাবে তেওঁ উল্লেখ কৰা 'উপভাষা' শব্দ কিমান গ্ৰহণযোগ্য তাক লৈ চিন্তা কৰাৰ সময় হৈছে। তদুপৰি তেওঁ কামৰূপ শব্দটো প্ৰয়োগ কৰাত আৰু এটি চিন্তাই আৰৰি ধৰিব পাৰে এয়া স্বাভাৱিক। পুৰণিকালত কামৰূপ বুলিলে এটি বিশাল ত্ৰিভুজ কল্পনা কৰিব লাগিব। পুৰাণ আদি গ্ৰন্থৰ মতে ইয়াৰ এক নিৰ্ধাৰিত সীমা আছিল- যাৰ এটা বাহু শদিয়াৰ পৰা ত্ৰিহুত হৈ হিমালয় পাদদেশ, দ্বিতীয় বাহু কৰতোৱা নদী আৰু তৃতীয় বাহু চলন বিলৰ কাষৰ পৰা আৰম্ভ হৈ ময়মনসিং, শ্ৰীহট্ট, কাছাৰক বেৰি লৈ মণিপুৰক বাহিৰত ৰাখি শদিয়াত গৈ শেষ হৈছিল।

কামৰূপ দেশৰ পৌৰাণিক ৰূপ এনে ধৰণৰ আছিল-

'কৰতোয়া নদীপূৰ্বং যাবদিক্কৰ বাসিনীম্।
ত্ৰিংশয যোজন বিস্তীৰ্ণং যোজনৈক শতায়তম্।।
ত্ৰিকোণং কৃষ্ণবৰ্ণঞ্চ প্ৰভূতাচল পৰিতম্।
নদীশত সমাযুক্ত কামৰূপ প্ৰকীৰ্তিতম্।।'
(কালিকা পুৰাণ, ৫১ অধ্যায়, ৫৬-৬৬ শ্লোক)

পশ্চিমত কৰতোৱা, পূবত দিক্কৰবাসিনী নদী। ই পুতলত তিনিশ যোজন আৰু দীঘলত এশ যোজন। তিনিকোণীয়া ক'লা ৰঙৰ পাহাৰে বেৰা আৰু চাৰিওফালে শ শ নদী বৈ আছে।

যোগিনীতন্ত্ৰত এইদৰে উল্লেখ আছে -
কৰতোয়া সমাশ্ৰিতাং যাবাদ্দিকৰ বাসিনী।
উত্তৰস্য কঞ্জুগিৰি কৰতোয়াস্তু পশ্চিমে।।
তীৰ্থ শ্ৰেষ্ঠা দিক্ষুদনী পূৰ্বস্যাং গিৰি কন্যকে।
দক্ষিণে ব্ৰহ্মপুত্ৰস্য লাক্ষায়া সঙ্গমাবধিঃ।
কামৰূপ ইতিখ্যাতঃ সৰ্বশস্ত্ৰেষু নিশ্চিত।।

পশ্চিমে কৰতোৱাৰ পৰা দিক্কৰ বাসিনীলৈ, উত্তৰত কঞ্জুগিৰি (ভূটান পৰ্বত)। পূৰ্বত তীৰ্থশ্ৰেষ্ঠ দিক্ষু নদী। দক্ষিণত ব্ৰহ্মপুত্ৰ আৰু লাক্ষা নদীৰ সংগ্ৰাম- ইয়াৰ মাজৰ যি ভূমি, সেইটোৱে হ'ল কামৰূপ।

দ্বাদশ শতাব্দীলৈকে উক্ত ভূ-খণ্ডত কামৰূপ দেশ নামে এখন ৰাষ্ট্ৰ আছিল। এইখন ৰাষ্ট্ৰ চাৰিভাগত বিভক্ত কৰা আছি। যেনে- ৰত্নপীঠ, কামপীঠ, স্বৰ্ণপীঠ আৰু সৌমাৰপীঠ। এই বৃহৎ ভূ-খণ্ডত বিভিন্ন জনগোষ্ঠীয়ে বাস কৰিছিল। অৱশ্যে আজিৰ তুলনাত অতি নগণ্য সংখ্যক মানুহৰ বসতি আছিল। গোটেই দেশখন হাবি-জংঘলে আৱৰি থকাৰ বাবে মানুহে দল বান্ধি আছিল আৰু প্ৰত্যেকটো দলৰ এজন দলপতি আছিল। ভাষা আৰু উপভাষা যেতিয়াৰ পৰা উদ্ভৱ হৈছিল, তেতিয়াৰে পৰা তেওঁলোকৰ মাজত ভাষা বা উপভাষা ব্যৱহাৰ হৈছিল। সেই কালতে গোটেই কামৰূপ দেশত সংস্কৃতৰ গাঁথনিত কামৰূপী দেশী ভাষা ৰাষ্ট্ৰ ভাষাৰূপে প্ৰচলিত থকাৰ যথেষ্ট প্ৰমাণ পোৱা যায়। ড০ টি চি ৰাস্তগী আৰু অৰুণ চৌধুৰীৰ মন্তব্যত উল্লেখ কৰিছে - 'Dr. K.L. Barua refers to the language as vernacular of Kamrup, although it known fast that the kings referred to were described a Kamataswara and the kingdom as Kamata. The Kamata language, Proginitor of Assamese and Bengali.'

তেতিয়াহ'লে ধৰি ল'ব লাগিব যে কমতা ভাষাৰ পৰাই অসমীয়া আৰু বঙলা ভাষাৰ সৃষ্টি হৈছে বুলি ড০ ৰাস্তগী আৰু চৌধুৰীয়ে যুটীয়াভাৱে এটি গুৰুত্বপূৰ্ণ সমীক্ষাৰে তেওঁলোকৰ মন্তব্য দাঙি ধৰিছিল। সেইবাবেই চাগৈ ড০ কনকলাল বৰুৱাদেৱে

সেই কমতা ভাষাটোক কামৰূপী ভাষা বুলি ভাবিয়েই তেওঁ মন্তব্য আগবঢ়াইছি । কমতাপুৰী বা কামৰূপী যি কি নহওক কিয়, সেই ভাষাটোৱে যে আদি দেশী ভাষা আছিল তাৰ প্ৰমাণ আজিও পোৱা যায়, কাৰণ সেই অঞ্চলৰ সৰহসংখ্যক মানুহে আজিও তেওঁলোকৰ ভাষাটো দেশী ভাষা বুলি কয়। বহু বঙালী গৱেষক-পণ্ডিতে কমতাপুৰী ভাষা বা দেশী ভাষা বঙলা ভাষাৰ উপভাষা বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰে; যিদৰে অসমৰ পণ্ডিতসকলে বঙালী পণ্ডিতৰ সৃষ্টি কৰা একেডাল ৰেখাৰ ওলোটা পিনে গতি কৰি দেশী ভাষাক কামৰূপী নাইবা অসমীয়া ভাষাৰ উপভাষা বুলি ক'ব বিচাৰে বা কয়। বঙালী পণ্ডিতৰ মতে, উত্তৰ-পূব ভাৰতৰ সকলো ঠাইতে মধ্যযুগৰ পৰা বঙালী ভাষা বিস্তাৰ আছিল আৰু দেশী ভাষাটো বঙালী ভাষাৰ উপভাষা মাথোন। উত্তৰ-পূব ভাৰত বুলি উল্লেখ কৰি তেওঁলোকে কোন ঠাইক বুজাব খুজিছে, য'ত মধ্যযুগৰ পৰা বঙলা ভাষা প্ৰচলিত আছিল তাৰ সঠিক নিৰ্ণয় দিব পৰা নাই। ই যেন ৰাম জন্ম হোৱাৰ আগতে ৰামায়ণ ৰচনা কৰাৰ দৰে এটি কল্পনা।

এটা কথা সঁচা যে অকল বঙ্গ কিয়, সমগ্ৰ ভাৰততে পঞ্চাদশ শতাব্দীৰ আগত সংস্কৃতৰ কোনো প্ৰাকৃত ভাষা সম্যকৰূপে নাছিল। পঠন, পাঠন, যজন, ধৰ্মপ্ৰচাৰ আদি সকলো ক্ষেত্ৰতে সংস্কৃত নাইবা সংস্কৃতৰ গাঁথনিত সৃষ্টি হোৱা ভাষাৰেই চলিছিল। বঙ্গৰ প্ৰথিতযশা ভাষাবিদ পণ্ডিত ড০ সুকুমাৰ সেনে তেওঁৰ ৰচিত 'বাংলা সাহিত্যের ইতিহাস' গ্ৰন্থখনত উল্লেখ কৰিছে-"১২০০ হইতে ১৪০০ অব্দেৰে মধ্যে বাঙলা সাহিত্যেৰ কোনো নিদৰ্শন তো নাই, বাঙলা ভাষাৰও কোনো হদিস পাওয়া যায়না।"

বঙালী পণ্ডিতসকলে বডুচণ্ডীদাসৰ 'শ্ৰীকৃষ্ণ কীৰ্তন' খনৰ ভাষাক প্ৰাচীনতম বঙলা ভাষাৰ নিদৰ্শন বুলি গৰ্ব কৰে। কিন্তু ১৪০০ খ্ৰীষ্টাব্দত ৰচনা কৰা এইখন পুথিৰ ভাষাত অধিকাংশ শব্দ দেশী ভাষাৰ শব্দৰ লগত মিল আছে। যেনে-

চাৰি ভিত চাহি ৰাধা বুইল বচন
কুলত কাপড় থুইআঁ জলে চাহি কাহ্নে।
দূৰত থাকিআঁ বুইল জগন্নাথ
তৰাত উঠিআঁ ৰাধা কৰ জোড়হাত।।

উক্ত পদ্যফাকিত থকা শব্দবোৰৰ বেছিভাগেই দেশী ভাষাৰ লগত মিল আছে। যেনে-

শ্ৰীকৃষ্ণ কীৰ্তন --দেশী ভাষা--অসমীয়া ভাষা
ভিত--ভিতি--ফালে বা দিশে
থুইআঁ--থুইয়া--থৈ
থাকিআঁ--থাকিয়া--থাকি বা পৰা
দূৰত--দূৰত--দূৰত
উঠিআঁ--উঠিয়া--উঠি লৈ

কিন্তু কাব্যগ্ৰন্থখন সংগ্ৰহ কৰি ভিন ঠাইত মুদ্ৰণ কৰাৰ কাৰণে যথেষ্ট পৰিমাণে পক্ষপাতিত্বতাৰ বাবে পৰিৱৰ্তন হোৱা পৰিলক্ষিত হয়; কিন্তু ইয়াৰ মূল শব্দবোৰ দেশী ভাষাতেই বৰ্তি আছে।

'সাহিত্য বাতায়ন'-ত বঙালী সহিত্যিক ড০ অৰুণ কুমাৰ মুখোপাধ্যায়ে লিখিছে- 'যে মিসিং লিঙ্ক খুঁজে নাপাওয়ায় বাংলা সাহিত্যেৰ প্ৰাচীন ও আদি মধ্যযুগেৰ ইতিহাস আজো সম্পূৰ্ণভাবে সংগঠিত হয়নি, তাকে খুঁজতে হ'বে উত্তৰবঙ্গেৰ ভাষায়। এই সত্য বোধ কৰি এখানে প্ৰতিষ্ঠিত। সুপ্ৰাচীন বাংলা কি ৰকম ছিল তা জানতে হলে এই বাবে ভাষা বা কামৰূপী উপভাষা বা কুচবিহাৰ, ৰংপুৰ, জলপাইগুড়ি, দিনাজপুৰেৰ লোকভাষা জানতে হবে।'

এতিয়ালৈ দেশী ভাষা সম্পৰ্কে আলোচনাত অসম আৰু বঙ্গৰ কেইগৰাকীমান প্ৰথিতযশা পণ্ডিতৰ গৱেষণাৰ অন্তত পোৱা কথাবোৰ আৰু এই বিষয়ে কৰা মন্তব্যবোৰৰ বিষয়ে আলোচনা কৰা হ'ল। আলোচনাৰ অন্তত তেওঁলোকৰ দ্বাৰা কৰা মন্তব্যসমূহ অলপ তীক্ষ্ণ দৃষ্টিত পৰ্যবেক্ষণ কৰি অলপ যোগ-বিয়োগ কৰিবলৈ এটা সিদ্ধান্তত উপনীত হ'ব পৰা যায় যে অসমীয়া আৰু বঙালী গৱেষক-পণ্ডিতসকলে তেওঁলোকৰ ৰাজ্যভাষাৰ আঁতিগুৰি বিচাৰি উলিয়াইছিল বৰ্তমানেও দেশী ভাষা প্ৰচলিত অঞ্চলসমূহৰ পৰা অৰ্থাৎ জলপাইগুৰি, দিনাজপুৰ, কোচবিহাৰ, ৰংপুৰ আৰু অবিভক্ত গোৱালপাৰা জিলাত। অথচ উল্লিখিত দেশী ভাষাটোক প্ৰত্যেকে নিজৰ নিজৰ ভাষাৰ এটি উপভাষা বুলি উল্লেখ কৰিবলৈ অলপো সংকোচ অনুভৱ কৰা নাছিল।

পুৰণি কামৰূপ দেশ চাৰিভাগত বিভক্ত আছিল বুলি আগতে উনুকিওৱা হৈছে। ছাৰ এডৱাৰ্ড গেইটৰ মতে, কৰতোৱা আৰু সোণকোষ নদীৰ মাজত কামপীঠ, সোণকোষ আৰু ৰূপহী নদীৰ মাজত ৰত্নপীঠ (বৰ্তমান অবিভক্ত গোৱালপাৰা জিলাত), ৰূপহী আৰু ভৰালী নদীৰ মাজত (তেজপুৰৰ পূবে) সুৱৰ্ণপীঠ আৰু ভৰালী আৰু দিক্ৰং নদীৰ মাজত (লক্ষীমপুৰ নগৰৰ প্ৰায় ১৮ মাইল পশ্চিমে নাইবা শদিয়াৰ দিক্ৰং) সৌমাৰ পীঠ। গেইট চাহাবে আকৌ লিখিছে যে অন্য ঠাইত পোৱা মতে, কৰতোৱা আৰু মানাহ নদীৰ (কামৰূপ জিলাৰ পশ্চিম সীমাত) মাজত ৰত্নপীঠ, মানাহ আৰু উত্তৰপাৰৰ শিলঘাটৰ

(নগাঁৱত তেজপুৰ নগৰৰ প্ৰায় সন্মুখত; কিন্তু কিছু পূৱে) মাজত কামপীঠ, দক্ষিণপাৰে কামৰূপৰ সন্মুখত ভদ্ৰপীঠ আৰু সৌমাৰপীঠ ওপৰত উল্লেখ কৰাৰ দৰে আছিল।

এতিয়ালৈ হোৱা আলোচনাৰ গতি অলপ সলনি কৰি আহোমসকলে কামৰূপত আহি সৌমাৰপীঠত তেওঁলোকৰ ৰাজ্য বিস্তাৰ কৰি টাই ভাষা এৰি অসমীয়া ভাষা গ্ৰহণ কৰা বুলি যি তথ্য অসমৰ বুৰঞ্জীবিদসকলে দাঙি ধৰি আছে বা আছিল, সেই তথ্যসমূহ কিমানদূৰ গ্ৰহণযোগ্য সেই বিষয়ে অলপ আলোচনালৈ অহা যাওক। প্ৰথমতে, 'আহোম' আৰু 'অসম' নাম দুটা প্ৰবন্ধটিৰ প্ৰাসংগিকতাৰ ফালে লক্ষ্য ৰাখি সেই নাম দুটাৰ উৎপত্তি সম্বন্ধে কিছু পৰ্যালোচনা কৰিলে দেখা যায় যে অসমৰ আৰু বিদেশৰ বুৰঞ্জীবিদসকলে এই দুটা নামৰ উৎপত্তি সম্বন্ধে ঐক্যমতত উপনীত হ'ব পৰা নাই। আলোচনাৰ প্ৰয়োজনত মাত্ৰ কেইজনমান বুৰঞ্জীবিদ-পণ্ডিত গৱেষণাৰ ফলপ্ৰসূ তথ্যসমূহ ইয়াত দাঙি ধৰা হ'ল। যেনে -

ছাৰ এডৱাৰ্ড গেইটৰ মতে, আহোমসকলে এই দেশ অধিকাৰ কৰাৰ আগতে এই শব্দ ক'তো ব্যৱহাৰ কৰা নাছিল আৰু কোঁচ ৰজাসকলৰ বংশাৱলীত এই শব্দ জাতিটোৱে শাসন কৰা দেশখনত ব্যৱহাৰ নকৰি 'আহোমসকলৰ' ক্ষেত্ৰতহে ব্যৱহাৰ কৰিছিল। গতিকে নিঃসন্দেহে ক'ব পৰা যায় যে এই শব্দটো বৰ্তমান 'আহোমসকলক' দিয়া পদবীৰ পৰা ওলাইছে। ১৯১৭ চনত অসম সাহিত্য সভাৰ প্ৰথম সভাপতি ৰায় বাহাদুৰ পদ্মনাথ গোহাঞিবৰুৱাৰ মতে, চুকাফাৰ অখণ্ড প্ৰতাপ দেখি পৰাজিত জাতিবিলাকে তেওঁক আৰু তেওঁৰ লগৰীয়াসকলক 'অসম' অৰ্থাৎ যাৰ সমান নাই বুলিছিল আৰু সেই শব্দ তেওঁলোকৰ মুখত 'আহম' হয় আৰু কালক্ৰমত তেওঁবিলাক 'আহোম' নামে আৰু তেওঁবিলাকে শাসন কৰা দেশখন 'অসম' নামে জনাজাত হ'ল। অসমৰ সুবিখ্যাত পণ্ডিত হেমচন্দ্ৰ বৰুৱাদেৱে তেওঁৰ দ্বাৰা প্ৰণয়ন কৰা 'হেমকোষ' অভিধানত অসম নামৰ মানে এই দৰে উল্লেখ কৰিছে-"অসম্ বিণ. (সং অসম, অতুল্য, খলা-বমা-অ, নহয় ঔ সম, সমান) সমান নোহোৱা, খলা-বমা, অতুল্য, যাৰ সমান নাই, having no equal, undulating বি, এখন দেশৰ নাম, সৌমমাৰপীঠ, এই দেশত প্ৰথম আহোম জাতি ৰজা হোৱাত ইয়াৰ আদিবাসীবিলাকে তেওঁবিলাকৰ প্ৰতাপ দেখি তেওঁলোকৰ সমান কেও নাই বুলি ভাবি সিবিলাকক 'অসম' বুলিলে; পিছত সেই শব্দ আহোমবিলাকে উচ্চাৰণ কৰাত 'স'-ৰ ঠাইত 'হ' হৈ ক্ৰমে আহম বা আহোম হ'ল; আৰু এই দেশ তেওঁবিলাকৰ অধীন, এতেকে ইয়াকো 'অসম' বোলা গ'ল। সেই অসমেই বিদেশীৰ মুখত পৰি, 'আসাম' হৈছে The Country of Assam. বি. অসমতা, Unequalness; matchlessness".

বিদগ্ধ বুৰঞ্জীবিদ পণ্ডিত সৰ্বানন্দ ৰাজকুমাৰদেৱৰ আহোম যুগৰ 'অসম বুৰঞ্জী' (১২২৮-১৮২৬) "ইতিহাসে সোঁৱৰা ছশটা বছৰত" উল্লেখ কৰিছে যে স্বৰ্গদেৱ চুকাফা ১২৪০-৪২ খ্ৰীঃত হাবুঙত আছিল। হাবুং ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে আৰু Dr. J.P. Wade চাহাবৰ অসমৰ ভৌগোলিক বিৱৰণ পৰা জনা যায় যে সোৱণশিৰি আৰু নৰৱাৰ পূবে। এই হাবুং ভুঞা ৰাজ্য আৰু চুতীয়া ৰাজ্যৰ মাজতে। চুতীয়াবিলাকৰ পৃথক কথিত ভাষা আছিল আৰু সেই ভাষা বৰ্তমান দেউৰী-চুতীয়াবিলাকৰ মাজত প্ৰচলিত। ভূঞাবিলাক শাক্ত আছিল আৰু তেওঁবিলাকৰ মন্দিৰত পূজা কৰা ব্ৰাহ্মণ পণ্ডিত আছিল। তেওঁবিলাকৰ ৰাজ্যত সংস্কৃত ভাষাৰ প্ৰচলন আছিল আৰু সম্ভৱ তেওঁবিলাক অসমীয়া ভাষা-ভাষী আছিল। ৰাজকুমাৰদেৱে আকৌ লিখিছে যে গৱেষক আৰু ইতিহাসবিদসকলৰ মতে যে আৰ্যসকলে অসমৰ অন্ততঃ খ্ৰীষ্টীয় প্ৰথম বা তাৰ আগে-পিছে উপনিৱেশ স্থাপন কৰিছিল আৰু অসমেদি এছিয়াৰ পূব অঞ্চললৈ গৈছিল। সেই কাৰণে ত্ৰয়োদশ শতিকাত স্বৰ্গদেৱ চুকাফাই স্থাপন কৰা ৰাজ্যত আৰু সেই ৰাজ্যৰ সীমাত থকা ৰাজ্যবিলাকত যে সংস্কৃত জনা মানুহ নাছিল এনে নহয়। ৰজাসকলঅনাৰ্য জাতিৰ হ'লেই যে তাত আৰ্য জাতিৰ মানুহ নাছিল সিও হ'ব নোৱাৰে। ৰজা জাতিৰ মানুহৰ অনাৰ্য কথিত ভাষা থাকিলেই যে তেওঁলোকৰ ৰাজ্যত সংস্কৃত ভাষাৰ পৰা ওলোৱা অসমীয়া ভাষা প্ৰচলন নাছিল তাকো ক'ব নোৱাৰি।

আহোমসকলৰ তলৰ অসম ব্ৰিটিছসকলক তলৰ অসমতকৈ বহুত সৰু আছিল। আহোম ৰাজ্যৰ লগত ব্ৰটিছসকলে গোৱালপাৰা, গাৰোপাহাৰ, খাচীয়া আৰু জয়ন্তীয়া পাহাৰ, চিলেট, কাছাৰ, নগাপাহাৰ আৰু লুচাই (মিজো) পাহাৰ লগ লগাই প্ৰদেশখনৰ নাম 'অসম' দিছিল। ৰাজকুমাৰদেৱে এঠাইত লিখিছে যে আহোমৰ ৰাজত্বকালৰ পৰাই গোৱালপাৰা জিলাৰ ধুবুৰী মহকুমাৰ কিছু অংশৰ বাহিৰে অসম উপত্যকাৰ প্ৰধান ভাষা অসমীয়া। ধুবুৰী মহকুমাৰ কিছু অংশত বঙালী ভাষা প্ৰচলিত। ড০ সত্যেন্দ্ৰনাথ শৰ্মা এজন অসমৰ বিদগ্ধ পণ্ডিত।

তেওঁৰ দ্বাৰা প্ৰণয়ন কৰা 'Few Aspect of Assamese Literature and Culture, P.199' গ্ৰন্থখনত উল্লেখ কৰিছে যে 'আহোমসকল অসমীয়া বুৰঞ্জী লিখিবলৈ লয় সোতৰশ শতিকাত, তেওঁলোকৰ নিজৰ ভাষা টাই এৰি।'

'Towards the middle of the seventeenth century the Ahoms formally accepted Hinduism and adopted Assamese as the court language.....Since the adoption of Assamese they prefer to write their chronicles in the spoken dialect of Eastern Assam,'

উপৰোক্ত বিশিষ্ট ভাষাতত্ত্ববিদ আৰু বুৰঞ্জীবিদ পণ্ডিত ছাৰ গেইট চাহাব, গোহাঞি বৰুৱা, হেমচন্দ্ৰ বৰুৱা, সৰ্বানন্দ ৰাজকুমাৰ আৰু সত্যেনাথ শৰ্মা ডাঙৰীয়াসকলৰ অতি মূল্যৱান তথ্যসমূহ বিশ্লেষণ কৰিলে বুজিবলৈ অসুবিধা নহয় যে তেৰশ শতিকাত আহোমসকল কামৰূপত আহি আহোম নামে পৰিচিত হৈছিল আৰু তেওঁলোকৰ দ্বাৰা অধিকৃত অঞ্চল সৌমাৰপীঠৰ নাম অসম হৈছিল। অৱশ্যে এই বিষয়ে সৰ্বানন্দ ৰাজকুমাৰদেৱে স্পষ্টকৈ লিখিছে যে, আহোমসকলৰ তলৰ অসম ব্ৰিটিছসকলৰ তলৰ অসমতকৈ বহুত সৰু আছিল।' গতিকে সেইকালত সমগ্ৰ কামৰূপ দেশখন অসম নামে পৰিৱৰ্তন হোৱা নাছিল। সেই একে কাৰণে গোটেই কামৰূপ দেশখনৰ ভাষাটো পৰিৱৰ্তন হৈ অসমীয়াও হোৱা নাছিল। এতিয়ালৈকে যিসকল পণ্ডিতৰ তথ্যসমূহ প্ৰবন্ধটোত উল্লেখ কৰা হ'ল, সেইবিলাক পণ্ডিতে তেওঁলোকৰ তথ্যৰ মাজেৰে একবাক্য স্বীকাৰ কৰিছে যে পুৰণি কামৰূপ দেশী ভাষা বা দেশী ভাষাৰ পৰা অসমীয়া ভাষাৰ সৃষ্টি হৈছে। কাৰণ তেওঁলোক সকলোৱে অসমীয়া ভাষাৰ শিপাডাল বিচাৰি পাইছিল আজিও দেশী ভাষা প্ৰচলিত হৈ থকা অঞ্চলসমূহত অৰ্থাৎ পুৰণি কোঁচ-কমতা ৰাজ্যত।

এই খিনিতে মন কৰিবলগীয়া যে সৰ্বানন্দ ৰাজকুমাৰদেৱে এটি ভুল তথ্য আগবঢ়াই অবাঞ্চিত পৰিৱেশ সৃষ্টি কৰি লিখিছে যে 'আহোমৰ ৰাজত্ব কালৰ পৰাই গোৱালপাৰা জিলাৰ ধুবুৰী মহকুমাৰ কিছু অংশৰ বাহিৰে অসম উপত্যকাৰ প্ৰধান ভাষা অসমীয়া। ধুবুৰী মহকুমাৰ কিছু অংশত বঙালী ভাষা প্ৰচলিত।' আহোমসকল কামৰূপত অহাৰ কিছু বছৰ পিছতহে তেওঁলোক আহোম বুলি জনাজাত হয় আৰু সেই অঞ্চলৰ ভাষা অসমীয়া ভাষা বুলি গণ্য কৰা হৈছিল বুলি ওপৰত উল্লেখিত পণ্ডিতসকলে মতামত আগবঢ়াইছে। সেই ক্ষেত্ৰত ধুবুৰী মহকুমাৰ বাহিৰে গোটেই অসম উপত্যকাৰ ভাষা সেইকালত অসমীয়া ভাষা আছিল বুলি তেওঁৰ মন্তব্য গ্ৰহণযোগ্য নহয় তদুপৰি তেওঁ সেই কালত অৰ্থাৎ ১২২৮ খ্ৰীষ্টাব্দত চুকাফাৰ দিনৰে পৰা ধুবুৰী মহকুমাৰ কিছু অংশৰ ভাষা বঙলা ভাষা আছিল বুলি লিখিছে, য'ত প্ৰখ্যাত বঙলা বুৰঞ্জীবিদ আৰু ভাষাবিদ পণ্ডিত সুকুমাৰ সেন লিখিছে যে ১২০০ পৰা ১৪০০ শতিকাৰ মাজত বঙলা সাহিত্যৰ কোনো নিদৰ্শন নাছিল; এনেকি তেওঁ সেই কালছোৱাত বঙলা ভাষাৰ কোনো চিনচাবেই পোৱা নাছিল। সেই ক্ষেত্ৰত ৰাজকুমাৰদেৱৰ উক্ত তথ্যখিনি ইচ্ছাপ্ৰণোদিত বুলি গণ্য কৰিব পাৰি নাইবা তেওঁৰ দেশী ভাষা সম্বন্ধে গৱেষণাৰ দৌৰ অতি সীমিত বুলিও ক'ব পাৰি।

আহোমসকল তেওঁলোকৰ নিজৰ টাই (TAI) ভাষা পৰিত্যাগ কৰি অসমীয়া গ্ৰহণ কৰিছে বুলি গেইট চাহাবৰ পৰা আৰম্ভ কৰি সকলো দেশী-বিদেশী পণ্ডিতসকলে লিখিছে বুলি সকলোৱেই অৱগত। কিন্তু কথা হ'ল, আহোমসকল সৌমৰপীঠত অহাৰ আগতে অসমীয়া ভাষা নামে কোনো ভাষা নাছিল। কাৰণ তেওঁলোকৰ পৰাক্ৰমিতাৰ ফালে লক্ষ্য কৰিয়ে খিলঞ্জীয়াসকলে তেওঁলোকৰ নাম অসম বা আহোম থৈছিল আৰু তেওঁলোকৰ নামৰ লগত সংগতি ৰাখি তেওঁলোকে অধিপত্য বিস্তাৰ কৰা অঞ্চলসমূহ অৰ্থাৎ সৌমাৰপীঠৰ নাম অসম হৈছিল। তেতিয়াহ'লে তেওঁলোকৰ সৌমাৰত পদাৰ্পণ কৰিয়েই ক'ৰ পৰা অসমীয়া ভাষাটোক বিচাৰি উলিয়াই তাক গ্ৰহণ কৰিলে? এইক্ষেত্ৰতো এটি অশুদ্ধ ধাৰণা থকা যেন লাগে; কাৰণ সেইকালৰ আহোমসকলৰ তথাকথিত অসমীয়া ভাষাৰ বুৰঞ্জীবোৰৰ পাত লুটিয়ালে দেখিবলৈ পোৱা যায় যে সেইবোৰত পুৰণি কামৰূপৰ ভাষা বা দেশী ভাষা প্ৰয়োগ কৰা আছে ইয়াৰ দ্বাৰাই প্ৰমাণ কৰিব নোৱাৰিলে সেইকালত সৌমৰপীঠত কামৰূপ দেশী ভাষা বা দেশী ভাষা প্ৰচলন আছিল?

বিদগ্ধ পণ্ডিত সূৰ্যকুমাৰ ভূঞা সম্পাদিত কামৰূপৰ বুৰঞ্জীত উল্লিখিত আহোম ৰজা জয়ধ্বজ সিংহৰ পৰা কোঁচ ৰজা প্ৰাণনাৰায়ণলৈ প্ৰেৰণ কৰা দেশী ভাষাতেই লিখা এখন চিঠিৰ (পত্ৰৰ) কিছু অংশ ওপৰত উল্লেখ কৰা কথাখিনিৰ সত্যতা প্ৰমাণৰ বাবে দাঙি ধৰা হ'ল।

'আৰ দেখ, আমাৰ তুমি যি বাৰ্তা পুচিলা কিন্তু আমাক বিধাতাএ বঞ্চিলে। চামধৰাত আমাৰ সাত দিন লেড়াই হৈল। আমাৰ লোকে বাঙ্গালত মিলি তোমাকো যেমনে পাচলৈ

ভাঙ্গালে আমাকো তেমনে মিলা মানুহে পাচেদি বাঙ্গালক নি পাচ লৈলে। এতেকে আমাৰ লোক ভাগিল।'

উল্লিখিত পত্ৰৰ অংশত থকা শব্দবোৰৰ আশী শতাংশ শব্দ সংস্পৰ্শিত ভাষাৰ প্ৰভাৱ কিছু পৰিৱৰ্তন হোৱা সত্ত্বেও আজিৰ দেশী ভাষাত দেখিবলৈ পোৱা যায়.

ড০ ৰমেশ পাঠকদেৱে তেওঁৰ গৱেষণামূলক গ্ৰন্থ 'ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত অসমীয়া ভাষাৰ গুৰুত্ব'-ত উল্লেখ কৰিছে যে 'মন কৰিবলগা অষ্টাদশ শতিকামানলৈ আমাৰ ভাষাটোৰ নাম অসমীয়া নাছিল। ইয়াক দেশী ভাষা বুলি মাজে মাজে উল্লেখ কৰা দেখা যায়।' সেই সূত্ৰ ধৰিয়েই ক'ব পৰা যায় যে আহোমসকল অহাৰ আগতে আমাৰ দেশখনৰ নাম অসম নাছিল আৰু ভাষাৰ নাম দেশী ভাষা আছিল। ইয়াৰ দ্বাৰাই প্ৰমাণ কৰিব পাৰি যে আহোমসকল কামৰূপত আহি যি ভাষা গ্ৰহণ কৰিছিল, সেই ভাষা পুৰণি কামৰূপ দেশী ভাষা আছিল আৰু পৰৱৰ্তী কালত সেই অঞ্চলত অৰ্থাৎ সৌমাৰপীঠত নাইবা তেওঁলোকে পিছলৈ অধিকাৰ কৰা অঞ্চলসমূহত লাহে লাহে এই ভাষা পৰিৱৰ্তন হৈ (টাই ভাষা সংস্পৰ্শত) ব্ৰিটিছৰ ৰাজত্ব কালত অৰ্থাৎ ১৮১৯ খ্ৰীষ্টাব্দত আধুনিক অসমীয়া ভাষাৰ প্ৰথম 'বাইবেল' গ্ৰন্থখন সৃষ্টি হয়। তেতিয়াৰে পৰা অসমীয়া ভাষা-সাহিত্য নতুন ৰূপত প্ৰস্ফুটিত হৈ আগুৱাই গৈ বৰ্তমান অৱস্থা পাইছেহি।

আলোচ্য বিষয় দেশী ভাষাৰ আলোচনাৰ গতি বিপৰীত পিনে আকৌ এবাৰ ওভতাই লক্ষ্য কৰিলে দেখিবলৈ পোৱা যায় যে ১২৫০ খ্ৰীষ্টাব্দৰ পৰা ১৪৪৫ খ্ৰীষ্টাব্দলৈকে পশ্চিম কামৰূপত কামৰূপেশ্বৰ উপাধিধাৰী যোল্লজন ৰজাই ৰাজত্ব কৰিছিল। তেওঁলোকৰ নাম যথাক্ৰমে ৰজা পৃথু, সন্ধ্যা, সিন্ধু, ৰূপনাৰায়ণ, সিংহধ্বজ, প্ৰতাপধ্বজ, ধৰ্মনাৰায়ণ, ইন্দ্ৰনাৰায়ণ, শশাংক (আৰিমত্ত), গজঙ্ক, মৃগাঙ্ক, ধৰ্মপাল, নীলধ্বজ, চক্ৰধ্বজ আৰু নীলধ্বজ আছিল। তেওঁবিলাকে ক্ষত্ৰিয়, খেন, পাল আদি বংশৰ ৰজা আছিল। সেইকালতো তেওঁলোকে ৰাজত্ব কৰা অঞ্চলত পুৰণি কামৰূপ দেশী ভাষাৰ প্ৰচলন আছিল। সেইকালত মাত্ৰ কেইখনমান পুৰণি পুথিৰ ভাষা দেশী ভাষাই আছিল বাবে এই ভাষাৰ প্ৰচলন সম্বন্ধে সঠিক প্ৰমাণ পোৱা যায়। এওঁবিলাকৰ ৰাজত্বৰ শেষৰ বছৰৰ পৰা ৫০ বছৰ কাল এই অঞ্চল মোগলৰ অধীনত থকাৰ বাবে পুৰণি কামৰূপ দেশী ভাষাৰ কিছু পৰিৱৰ্তন হোৱা লক্ষণীয় আৰু ই স্বাভাৱিক। এই অঞ্চলৰ বৰ্তমান অবিভক্ত গোৱালপাৰা জিলাৰ গোসাঁইগাঁৱৰ নিচেই ওচৰৰ সোণকোষ নৈৰ পাৰত চিকনা নামে ঠাইত একালত অতি শক্তিশালী হাৰিয়া মণ্ডল বা দলপতি নিৰ্বাচিত হৈছিল।

'সবে আসি হাৰিয়াক মণ্ডল পাতিলা।<br>
ভোজ ভাত খায়া সবে আনন্দে চলিলা।।'

তেওঁৰ পুত্ৰ বিশু অতি পৰাক্ৰমী হৈ ভূঞাসকলক দমন কৰি নিজে বিশ্বসিংহ নাম লৈ নিজকে ৰজা বুলি পৰিচয় দি তেতিয়াৰ গোৱালপাৰা জিলাৰ সীমাৰ ভিতৰতে এখন ৰাজ্য পাতি ৰাজত্ব আৰম্ভ কৰে। তেওঁৰ প্ৰত্যুৎপন্নমতিৰ দ্বাৰা ছেগ চাই কমতাপুৰৰ মোগল ৰাজ্য আক্ৰমণ কৰি তেওঁলোকক খেদি কমতেশ্বৰ উপাধি গ্ৰহণ কৰে আৰু চিকনাৰ পৰা ৰাজধানী তুলি নি কমতাপুৰত স্থাপন কৰে। তেৱেঁই কোঁচবংশৰ প্ৰথম ৰজা আছিল। বিশ্বসিংহ আৰু তেওঁৰ পুত্ৰ নৰনাৰায়ণৰ চেষ্টাত তেওঁলোকৰ ৰাজ্য শিক্ষা-দীক্ষাত আগুৱাই যাবলৈ ধৰে। তেওঁলোকৰ পৃষ্ঠপোষকতাত মহাপুৰুষ শংকৰদেৱকে আদি কৰি বিশিষ্ট পণ্ডিতসকলৰ চেষ্টাত পুৰণি কামৰূপ দেশী ভাষা উন্নতিৰ ফালে বহুদূৰ আগবাঢ়ি যায়।

এইখিনিতে মহাপুৰুষ ৰচনাৱলীৰ ভাষা আৰু নৰনাৰায়ণ, চিলাৰায়ৰ ভাষা একে ধৰণৰ থকাৰ প্ৰমাণ দাঙি ধৰা হ'ল; লগতে দেশী ভাষাতে পুৰাণ আদিত সংস্কৃত ভাষাত থকা ৰহস্যবোৰ সাধাৰণ মানুহে বুজিব পৰাকৈ লিখিবলৈ অনুৰোধ কৰাৰ প্ৰমাণো উল্লেখ কৰা হ'ল।

পীতাম্বৰ কবিৰ 'মাৰ্কেণ্ডেয়' পুৰাণত এইদৰে আছে-

একদিন সভা মাঝে বসি যুৱৰাজ।<br>
মনে আলোচিয়া যেন কহিলন্ত কাজ।।<br>
পুৰাণাদি শাস্ত্ৰে যি ৰহস্য আছয়।<br>
পণ্ডিতে বুঝায় মাত্ৰ অন্যে নাবুঝয়।।<br>
একাৰণে শ্লোক ভাঙি সবে বুঝিবাৰ<br>
নিজ দেশ-ভাষা বন্দে কৰিয়ো পয়াৰ।।

প্ৰাগৈতিহাসিক যুগৰ পৰা তন্ত্ৰ, পুৰাণ, তামৰ ফলি, ভ্ৰমণ বৃত্তান্ত, যুদ্ধৰ বুৰঞ্জী আদিৰ পৰা পোৱা তথ্য মতে কামৰূপত ৰাজত্ব কৰা ৰজাসকলৰ সংক্ষিপ্ত আভাস পোৱা যায়। আহোমসকল পদাৰ্পণ কৰাৰ আগলৈ অতীজৰে পৰা কামৰূপত দানৱ, কিৰাত, অসুৰ, ক্ষত্ৰিয়, শূদ্ৰ বৰ্মন, ম্লেছ, পাল, খেন, পৰ্বতীয়া জনজাতি, চুঙ্গি, চুতীয়া, বৰাহী, মৰাণ, কছাৰী, ভূঞা আদি বংশৰ ৰজাসকলে ৰাজত্ব কৰিছিল। অৱশ্যে

এওঁলোকৰ বেছিভাগ ৰজাক ৰজা নকৈ দলপতি বা চৰ্দাৰ বুলিও ক'ব পাৰি; কিয়নো এওঁলোকৰ বেছিভাগেই কোনো এটা দল বা সৰু সৰু জনসমষ্টিৰ ৰজা আছিল। এটা কথা সকলোৰে স্বীকৃত যে আৰ্যবিলাক কামৰূপত আহি বিভিন্ন ঠাইত দল বান্ধি থাকি তেওঁলোকৰ মাতৃভাষা সংস্কৃতৰ লগত থলুৱা কথিত ভাষাবোৰ সংমিশ্ৰণ কৰি সকলোৱে বুজিব পৰা এটি উমৈহতীয়া ভাষাৰ সৃষ্টি কৰিছিল। সেই উমৈহতীয়া ভাষাটোৱে পিছত দেশ পৰিচালনাৰ সুবিধাৰ্থে কামৰূপ দেশী ভাষা বা দেশী ভাষা বুলি স্বীকৃতি পোৱাটো গ্ৰহণযোগ্য তথ্য হ'ব পাৰে। উপৰোক্ত আলোচনামৰ্মে এতিয়া দেশী ভাষা প্ৰচলিত দেশখনৰ সীমা নিৰ্ধাৰণ কৰাত নিশ্চয় কোনো অসুবিধা নহয়। ইয়াৰ দ্বাৰা ক'ব পৰা যায় যে পুৰণি কামৰূপ দেশত প্ৰচলিত ভাষাটোৱে আছিল পুৰণি কামমৰূপ দেশী ভাষা বা দেশী ভাষা। উত্তৰবঙ্গ, ৰংপুৰ, দিনাজপুৰ আৰু অবিভক্ত গোৱালপাৰা জিলাৰ পুৰণি পুথিবোৰৰ বাহিৰেও সমগ্ৰ অসমত পোৱা পুৰণি পুথিবোৰৰ ভাষা কামৰূপ দেশী ভাষাৰ বা দেশী ভাষাৰ। অসমীয়া ভাষাৰ ওজা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাৱলীও কামৰূপ দেশী ভাষা বা দেশী ভাষাত লিখা। অৱশ্যে আজিৰ দিনত পুৰণিকলীয়া দেশী ভাষাটো সংস্পৰ্শী ভাষাৰ প্ৰভাৱত যথেষ্ট পৰিৱৰ্তন হৈছে; যিদৰে পুৰণিকলীয়া অৰ্থাৎ ১৮১৯ চনৰ প্ৰথম অসমীয়া গ্ৰন্থ 'বাইবেল'খনৰ ভাষা পৰিবৰ্তন হৈ এটি আধুনিক অসমীয়া ভাষাৰ সৃষ্টি হৈছে। আজিও অসমৰ বৰাক উপত্যকাৰ ভাষাৰ লগত পুৰণি কামৰূপ দেশী ভাষাৰ যথেষ্ট মিল পোৱা যায়। উদাহৰণস্বৰূপে কেইটামান শব্দৰ মিল থকা উল্লেখ কৰা হ'ল।

বৰাকৰ ভাষা--দেশী ভাষা--অসমীয়া
শুনি লাইছে--শুনি ফেলাইছে--শুনি লৈছে
জানি লাইছে--জানি ফেলাইছে--জানি লৈছে
পাইল হয়--পাইল হয়--পালেহেঁতেন
কৰিয়া--কৰিয়া--কৰি ইত্যাদি

আলোচনাৰ অন্তত ক'ব পাৰি যে আহোমসকল কামৰূপত আহি (কামৰূপ বুলি উল্লেখ কৰা হ'ল, কাৰণ সেইকালত অসম শব্দটো সৃষ্টি হোৱা নাছিল) টাই ভাষা এৰি কামৰূপ দেশী ভাষা বা দেশী ভাষা গ্ৰহণ কৰিছিল আৰু পৰৱৰ্তী কালত অসমীয়া ভাষা সৃষ্টি হ'লত অসমীয়া ভাষাই হয় তেওঁলোকৰ নিজা ভাষা।

উক্ত কাৰণসমূহৰ পৰা আৰু বিদগ্ধ ভাষাতত্ত্ববিদ পণ্ডিত ড০ সুকুমাৰ সেনৰ মতে, দেশী ভাষাৰ পৰাই অসমীয়াৰ সৃষ্টি হৈছিল। ড০ সেনে উল্লেখ কৰা তথ্য তলত সন্নিৱিষ্ট কৰা হ'ল।




গতিকে অযথা আহোমসকল টাই ভাষা এৰি অসমীয়া ভাষা গ্ৰহণ কৰা বুলি কৈ বা দেশী ভাষাটো বঙলা ভাষা নাইবা বঙলুৱা ভাষা নাইবা অবিভক্ত গোৱালপাৰাবাসীক গোৱালপৰীয়া বুলি কৈ তিক্ততাৰ বাতাৱৰণ সৃষ্টি নকৰি যুগান্ত সৃষ্টিকাৰী পুৰণি কামৰূপ দেশী ভাষা বা দেশী ভাষাটোৰ অস্তিত্বক স্বীকাৰ কৰি বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াত সকলো সাহিত্যিক, বুদ্ধিজীৱী, বুৰঞ্জীবিদ, ভাষাতত্ত্ববিদসকলক পক্ষপাতিত্বৰ উধৰ্বত থাকি সহায়ৰ কামনাৰে প্ৰবন্ধটোৰ মোখনি মাৰিলো।



# এইড্‌চ

✍ ডাঃ কানুলাল দাস
এম.বি.বি.এচ

**এইড্‌চ কি ?**

এইড্‌চ হ'ল একুয়াৰ্ড ইমিয়াৰ্ড ইমিউনো ডেফিচিয়েন্‌চি চিন্দ্ৰমৰ সংক্ষিপ্ত ৰূপ। একুয়াৰ্ড মানে বাহিৰৰ পৰা পোৱা অৰ্থাৎ যি জন্মগত নহয়, ডেফিচিয়েচি মানে ৰোগ প্ৰতিৰোধ কৰাৰ ক্ষমতাৰ অভাৱ, চিন্দ্ৰম মানে ৰোগৰ লক্ষণৰ সমষ্টি। ই হিউমেন ইমিউনো ডেফিচিয়েন্‌চি ভাইৰাচ সংক্ৰমণৰ অন্তিম অৱস্থা। এইড্‌চ ভাইৰাচ নিজে মানুহৰ দেহত একো বেমাৰ সৃষ্টি নকৰে, ই অকল মানুহৰ দেহত থকা স্বাভাৱিক ৰোগ প্ৰতিৰোধ ব্যৱস্থাক ধ্বংস কৰি দিয়ে ফলত বিভিন্ন সুবিধাবাদী বীজাণু যেনেঃ- আন ভাইৰাচ, বেক্টেৰিয়া, প্ৰচজোৱা, ছত্ৰাক আদি যি সাধাৰণতে মানুহৰ একো ক্ষতি কৰিব নোৱাৰে এই বেমাৰত হঠাৎ ভয়ঙ্কৰ হৈ উছে আৰু এই বীজাণু জনিত বেমাৰত মানুহৰ মৃত্যু ঘটে। কেতিয়াবা ইমিউন ব্যৱস্থাৰ পৰিবৰ্তনৰ ফলত মানুহৰ দেহত একধৰণৰ অস্বাভাৱিক কেন্সাৰ দেখা দিয়ে যাক কেপোচি চাৰকোমা বুলি কোৱা হয়। এবাৰ এইড্‌চ বেমাৰৰ লক্ষণ দেখা দিলে ৰোগীয়ে তিনি বছৰতকৈ বেচি দিন জীয়াই থাকিব নোৱাৰে।

**এইড্‌চৰ চমু বিৱৰণঃ**

এইড্‌চ ইং -১৯৭৯ চনত বিশ্বত প্ৰথম দেখা গৈছিল আৰু ইং ১৯৮১ চনত আমেৰিকাৰ ৰোগ নিয়ন্ত্ৰণ কেন্দ্ৰৰ সাপ্তাহিক ৰিপোৰ্ট'ত প্ৰথম প্ৰকাশ পাইছিল। যদিও Restrospective Study ৰ তথ্যমতে এই বেমাৰ ইং ১৯৭০চনৰ শেষৰ ফালত মধ্য আফ্ৰিকাত মহামাৰীৰ দৰে দেখা দিছিল আৰু তাৰ পৰাই পৃথিৱীৰ বিভিন্ন প্ৰান্তত সংক্ৰমিত হৈছিল। ভাৰতবৰ্ষত ইং ১৯৬৮ চনত এই বেমাৰ ধৰা পৰিছিল আৰু আক্ৰান্ত ব্যক্তিয়ে আমেৰিকাত কৰোনাৰি বাইপাচ চাৰ্জাৰী কৰোতে যি তেজ গ্ৰহণ কৰিছিল তাৰ পৰাই সংক্ৰমিত হৈছিল। ইয়াৰ এমাহ পিছত দ্বিতীয় ব্যক্তিজনও আমেৰিকাত তেজৰ উপাদান VII গ্ৰহণ কৰাৰ ফলত সংক্ৰমিত হৈছিল। ভাৰতবৰ্ষত সেই বছৰতেই প্ৰথম সমকামিৰ দেহত এই বেমাৰ ধৰা পৰিছিল আৰু এইজন ব্যক্তিয়েও ভাৰতৰ বাহিৰত সংক্ৰমিত হৈছিল।

WHO ৰ তথ্যমতে বৰ্ত্তমান গোটেই পৃথিৱীত ৩৩.৯ মিলিয়ন পজিটিভ/ এইড্‌চ বেমাৰী আছে। আৰু ইতিমধ্যে ৩.৯ মিলিয়ন এইড্‌চ বেমাৰীৰ মৃত্যু হৈছে। আজি গোটেই পৃথিৱীত যিমান এই বেমাৰী আছে তাৰ শতকৰা নব্বৈ শতাংশ উন্নয়নশীল দেশবিলাকত আছে। এচিয়া মহাদেশত এই বেমাৰ পলমকৈ আহিলেও আজি মহাদেশখনেই এইড্‌চ বেমাৰৰ বাবে আটাইতকৈ বেচি বিপদজনক হৈ পৰিছে। এই মহাদেশৰ ভাৰতবৰ্ষ আৰু থাইলেণ্ডত HIV সংক্ৰমণৰ সংখ্যা সৰ্বাধিক বুলি জনা গৈছে। আকৌ নতুনকৈ দেখা দিয়া HIV সংক্ৰমণৰ সংখ্যা শতকৰা পঞ্চাশ শতাংশই হ'ল ১৫ বছৰৰ পৰা ২৪ বছৰ বয়সৰ যুৱক-যুৱতীসকল। ভাৰতবৰ্ষৰ মাধ্যমিক বিদ্যালয় সমূহত ১৫ বছৰৰ পৰা ২৪ বছৰৰ বয়স সীমাৰ ল'ৰা-ছোৱালীৰ সংখ্যা ৪ কৌটিতকৈ অধিক তাৰে এক তৃতীয়াংশ হ'ল ছোৱালী।

HIV ৰ চমু বিৱৰণ

এই ভাইৰাচ আৰু এন.এ. ভাইৰাচৰ পৰিবাৰভুক্ত ইয়াক ৰেট্ৰো ভাইৰাচ কোৱা হয় কাৰণ এই ভাইৰাচ জীৱন পৰিক্ৰমা চক্ৰত এনজাইমৰ সহায়ত আৰ.এন.এ.ৰ পৰা ডি.এন.এ. লৈ পৰিবৰ্ত্তিত হয়। ই এটি ফ্ৰেজাইল ভাইৰাচ অৰ্থাৎ এই ভাইৰাচ দেহৰ বাহিৰত বেচিদিন জীয়াই থাকিব নোৱাৰে ই অতি সহজে ধ্বংস হয়। ইয়াক ৫৬ ডিগ্ৰী চেন্টিগ্ৰেড তাপত ৩০ মিনিট মান ৰাখিলে নাইবা চাবোন আৰু গৰমপানীত অলপ সময় ৰাখিলে ধ্বংস হয়। আকৌ ইয়াক দহ মিনিটমান ব্লিচিং পাউডাৰ, পঞ্চাশ শতাংশ এলকোহল, পইন্ট পাঁচ শতাংশ ফৰমল আদিৰ সংস্পৰ্শত ৰাখিলেও ই নিস্ক্ৰিয় হৈ পৰে। এই ভাইৰাচ দুই ধৰণৰ HIV-1 আৰু HIV-2। HIV-1 গোটেই পৃথিৱীত বিয়পি আছে আৰু ই HIV-2 প্ৰধানত আফ্ৰিকা মহাদেশৰ পশ্চিম প্ৰান্তৰ ঠাই বিলাকত বেছিকৈ আছে আৰু ই HIV-1 ৰ দৰে সমানে ভয়ানক।

**ইমিউন ব্যৱস্থা ঃ**

মানুহৰ দেহত ৰোগ প্ৰতিৰোধ কৰাৰ ব্যৱস্থাক ইমিউন ব্যৱস্থা বুলি কোৱা হয়। দেহত থকা তেজেই হৈছে এই ব্যৱস্থাৰ আটাইতকৈ শক্তিশালী উপাদান। তেজত তিনি ধৰণৰ কোষ আছে - লোহিত কণিকা, শ্বেত কণিকা আৰু অনুচক্ৰিকা। ইয়াৰ ভিতৰত শ্বেত কণিকা হৈছে ৰোগ বীজাণুৰ বিৰুদ্ধে যুজিবলগীয়া

মূল কোষ। শ্বেত কণিকা আকৌ পাঁচ ধৰণৰ যেনে - নিউট্রোফিল, লিম্ফোচাইট, বেচোফিল, ইয়োচিনোফিল আৰু মনোচাইট। এই লিম্ফোচাইট কোষবিলাক ৰোগ বীজাণু ধ্বংসকাৰী এন্টিবডি তৈয়াৰ কৰে। মানুহৰ শৰীৰত থকা বিশেষ ধৰণৰ লিম্ফোচাইট যাক T লিম্ফোচাইট আৰু B লিম্ফোচাইট কোৱা হয়। T লিম্ফোচাইট আকৌ দুই ধৰণৰ T হেলপাৰ আৰু T চাপ্রেচৰ। T হেলপাৰ কোষবিলাক B লিম্ফোচাইট কোষক এন্টিবটি তৈয়াৰ কৰোতে সহায় কৰে কিন্তু T চাপ্রেচৰ কোষবিলাক এন্টিবডি তৈয়াৰ কৰাত বাধা দিয়ে। কিন্তু সুস্থ অৱস্থাত মানুহৰ দেহত যিমান T হেলপাৰ কোষ তৈয়াৰ কৰিব পাৰে তাৰ আধাহে তৈয়াৰ হয় T চাপ্রেচৰ কোষ। ফলত চাপ্রেচৰ কোষবিলাক একোই কৰিব নোৱাৰে। কিন্তু HIV সংক্রমণ হলে T হেলপাৰ কোষতকৈ T চাপ্রেচৰ কোষৰ সংখ্যা দুগুণ হৈ পৰে ফলত এন্টিবডি অলপ তৈয়াৰ হোৱা সত্বেও ই ভাইৰাচ ধ্বংশ কৰিব নোৱাৰে।

**HIV ক'ত থাকে?**

HIV এইড্চত আক্রান্ত ব্যক্তি আৰু HIV বহনকাৰী (যি ব্যক্তিৰ শৰীৰত পোৱা গৈছে কিন্তু এইড্চ হোৱা নাই) ব্যক্তিৰ তেজত, বীৰ্য, যোনীপথৰ তৰল পদাৰ্থ, ঋতুস্রাবত তেজদত। শৰীৰৰ আন তৰল পদাৰ্থ যেনে - ঘাম, প্রসাব, চকুপানী, লেলাৰতী আদিতও HIV থাকিব পাৰে, কিন্তু এই বিলাকত ভাইৰাচ একত্রিকৰণ খুব কম হোৱা বাবে ইয়াৰ পৰা সংক্রমণৰ সম্ভাৱনা নাথাকে।

ই কেনেকৈ সংক্রমিত হয়?

১। যোনিদ্বাৰ, মালদ্বাৰ তথা খাদ্যনলীত থকা কোন ক্ষতৰ ভিতৰদি অসুৰক্ষিত যৌন সম্ভোগৰ দ্বাৰা।

২। সংক্রমিত তেজ বা তেজৰ উপাদান গ্রহণ কৰাৰ পৰা।

৩। ড্রাগচ সেৱনকাৰী সকলৰ মাজত ব্যৱহাৰ কৰা দূষিত বেজীৰ পৰা।

৪। ডাক্তাৰ, নাৰ্ছ বা আন কোনো চিকিৎসাৰ লগত যুক্ত ব্যক্তিয়ে ব্যৱহাৰ কৰা দূষিত বেজী, চিৰিঞ্জ বা চৰ্মছেদক সজুলীৰ পৰা।

৫। আক্রান্ত মাকৰ পৰা সন্তানলৈ।

ক। জন্মৰ পূৰ্বে গৰ্ভাৱস্থাত।

খ। প্রসৱৰ সময়ত।

গ। দুগ্ধ পান কৰোৱাৰ সময়ত। কেনে প্রকৃতিৰ লোকৰ মাজত এইড্চৰ সম্ভাৱনা বেচি?

১। একাধিক স্ত্রী সংগম বা সহকামিতাৰ ক্ষেত্রত সক্রিয় ব্যক্তি।

২। নুপুংসক।

৩। গণিকা-পুৰুষ /মহিলা।

৪। ইন্ট্রাভেনাচ ড্রাগ আসক্ত ব্যক্তি।

৫। তেজ বা তেজৰ উপাদান গ্রহণ কৰা ব্যক্তি।

৬। আক্রান্ত মাতৃৰ পৰা জন্ম শিশু।

ৰোগাক্রান্ত ব্যক্তিৰ লক্ষণবোৰ কি কি?

**প্রধান লক্ষণঃ-**

১। এমাহতকৈ বেছি দিন জ্বৰত ভুগি থকা।

২। এমাহতকৈ বেচি দিন ডায়েৰীয়াত ভুগি থকা।

৩। হঠাৎ দেহৰ দহ শতাংশ ওজন কমি যোৱা।

**গৌণ লক্ষণঃ-**

১। এমাহতকৈ বেচি দিন নেৰা-নেপেৰা কাঁহ।

২। সৰ্ব শৰীৰত খজুৰতী জাতীয় চৰ্ম্মৰোগ।

৩। সৰ্ব শৰীৰত লিম্ফগ্রন্থি ফুলি যোৱা।

৪। বাৰে বাৰে হাৰপিচ যোষ্টাৰ ৰোগ হোৱা (দেহৰ যিকোনো নাৰ্ভ ডালত হোৱা হাম জাতীয় বেমাৰ)।

৫। খাদ্যনলীত বাৰে বাৰে জাৰি পৰাৰ নিচিনা হোৱা।

৬। পুৰণি, ব্যপক আৰু ভয়ানক ধৰণৰ হাৰপিচ্, চিমপ্রেক্স সংক্রমণ হোৱা।বেমাৰৰ লক্ষণৰ ওপৰত কেনেকৈ ৰোগ নিৰ্ণয় কৰিব পাৰিঃ-

W.H.O. (World Health Organisation) ৰ মতে যি বিলাক ঠাইত ৰোগ নিৰ্ণয়ৰ বিশেষ কোনো ব্যৱস্থা নাই আৰু বিশেষকৈ আফ্রিকা মহাদেশৰ দেশবিলাকত তাত অকল ৰোগৰ লক্ষণৰ ওপৰত নিৰ্ভৰ কৰি এই ৰোগ নিৰ্ণয় কৰিব পাৰি।

ৰোগ নিৰ্ণয়ৰ বাবে প্রাপ্তবয়স্কৰ ক্ষেত্রত- দুটা প্রধান লক্ষণ আৰু এটা গৌণ লক্ষণ থাকিলে এইড্চ হোৱা বুলি ধৰি লব পাৰি আৰু লগতে যদি আক্রান্তত ব্যক্তিজনে কেপোচি চাৰকোমা (এক বিশেষ ধৰণৰ চামৰ কেন্সাৰ ই যি ঠাইত হয় তাৰ পৰা ক্রমাগত বাঢ়ি গৈ থাকে) নাইবা ক্রিপটোককাল মেনিনজাইটিচ (মগজুৰ চাৰিওফালে এটা প্রটেকটিভ আবৰণ বীজাণুৰ দ্বাৰা আক্রান্ত হোৱা) ভুগি থাকে তেনেহলে ব্যক্তিজন এইড্চ বেমাৰত আক্রান্ত বুলি দৃঢ় হব পাৰি।

শিশুৰ ক্ষেত্রত এই ৰোগ কেনেকৈ নিৰ্ণয় কৰিব পাৰি? ওপৰত উল্লেখ কৰা দুটা লক্ষণৰ লগত তলত দিয়া লক্ষণ সমূহৰ দুটা লক্ষণ থাকিলে লগতে মাকৰ দেহত HIV সংক্রমণ প্রমাণিত হলে শিশুটিৰ এইড্চ হৈছে বুলি ধৰি লব পাৰি।

**লক্ষণ সমূহ হ'লঃ-**

১। সৰ্ব শৰীৰত লিম্ফগ্রন্থী ফুলা।

২। কাঁহ এমাহতকৈ বেচি।

৩। বাৰে বাৰে সাধাৰণ সংক্রমণ হোৱা।

৪। সৰ্ব শৰীৰত চৰ্মৰোগ হোৱা।

৫। বাৰে বাৰে খাদ্যনলীত কেনডিডিয়চিচৰ সংক্ৰমণ হোৱা।পৰীক্ষাগাৰত কেনেকৈ এই বেমাৰ নিৰ্ণয় কৰিব পাৰি?

১। **এন্টিবডি টেষ্ট ঃ-** মানুহৰ দেহত HIV সংক্ৰমণ হ'লে দেহত HIV ক ধ্বংস কৰাৰ বাবে বিভিন্ন ধৰণৰ এন্টিবডি তৈয়াৰ হয় যদিও এই এন্টিবডি বিলাক HIV ক ধ্বংশ কৰিব নোৱাৰে। কিন্তু পৰীক্ষাৰ দ্বাৰা এই এন্টিবডি বিলাক নিৰ্ণয় কৰা যায়। দুটা টেষ্টৰ জৰিয়তে ইয়াক নিৰ্ণয় কৰিব পাৰি।

ক। ELISA টেষ্ট (এনজাইম লিন্‌কড ইমিউনো এবজৰবেন্ট)

খ। Western Blot Test.

প্ৰথম ELISA টেষ্ট পজিটিভ হ'লে আকৌ এবাৰ টেষ্ট কৰি পৰীক্ষাটো শুদ্ধ হৈছে নে নাই তাক নিশ্চিত কৰি লব লাগে। ELISA টেষ্ট দুবাৰ পজিটিভ হ'লে Western Blot Test কৰি পৰীক্ষাটো সুনিশ্চিত কৰি লব পাৰি।

ভাইৰাচ টেষ্ট ঃ-

২। P.C.R. (পলিমাৰেজ চেইন ৰিয়েকশ্বন)

এই পৰীক্ষাৰ দ্বাৰা দেহত এন্টিবডি চোৱা নহয়, এই টেষ্টৰ দ্বাৰা দেহত এইড্‌চ ভাইৰাচ আছে নে নাই সেইটো চোৱা হয়! পৰীক্ষাগাৰৰ দ্বাৰা HIV পজিটিভ প্ৰমাণিত হোৱা মানে মানুহজন HIV দ্বাৰা আক্ৰান্ত হৈছে। আক্ৰান্ত মানুহজনৰ দেহত এইড্‌চ থাকিবও পাৰে নাথাকিবও পাৰে।

ই কেনেদৰে সংক্ৰমিত নহয়?

১। কৰমৰ্দ্দন, নৈমিত্তিক চুম্বন, কাঁহ-হাঁচিৰ পৰা।

২। একে ঘৰতে বাস বা কথা-বতৰাৰ পৰা।

৩। মিটিং, মিছিল, হাট-বজাৰ, স্কুল-কলেজ আদিত হোৱা সাধাৰণ সামাজিক মিলামিছাৰ পৰা।

৪। একে পায়খানা বা ৰাজহুৱা টেলিফোন ব্যৱহাৰৰ পৰা।

৫। কাপোৰ কাণিৰ ব্যৱহাৰ বা আহাৰ ভগাই খোৱাৰ পৰা।

৬। একেলগে খেল-ধেমালি বা একে পুখুৰীত সাতোঁৰাৰ পৰা।

৭। মহৰ কামোৰৰ পৰা।

**ই মাৰাত্মক কিয়?**

১। আন আন দেহত সংক্ৰমিত হোৱা HIV ক ধ্বংস আৰু ৰোগ প্ৰতিৰোধ ব্যৱস্থাক পুন ঘুৰাই আনিব পৰাকৈ আজিলৈকে কোন চিকিৎসা ওলোৱা নাই।

২। আন আন ভাইৰাচৰ প্ৰতিষেধকৰ দৰে এইড্‌চ বেমাৰৰ কোন প্ৰতিষেধক এতিয়ালৈকে ওলাব পৰা নাই।

৩। HIV সংক্ৰমণৰ লগে লগেই এইড্‌চ বেমাৰৰ সৃষ্টি নহয় ই সাধাৰণত ৬ মাহৰ পৰা ৫ বছৰ সময় লাগে। কেতিয়াবা ১০ বছৰ সময় লাগিব পাৰে। এই সময়খিনিত আক্ৰান্ত ব্যক্তিজনে আনৰ দেহত HIV সংক্ৰমিত কৰিব পাৰে।

৪। এই বেমাৰ চিনাক্ত কৰাৰ বাবে প্ৰয়োজনীয় পৰীক্ষাগাৰ আমাৰ দেশত নাই। আকৌ ইয়াৰ পৰীক্ষা অত্যন্ত ব্যয়-বহুল যি সাধাৰণ মানুহৰ বাবে সম্ভৱ নহয়।

৫। এবাৰ বেমাৰৰ লক্ষণ দেখা দিলে মানুহজনৰ তিনি বছৰৰ ভিতৰতে মৃত্যু হব।

**প্ৰতিৰোধৰ উপায়ঃ-**

১। বহুগমন পৰিত্যাগ কৰা। প্ৰতিজন ব্যক্তিয়ে এজনকৈ যৌনসঙ্গী বিচাৰি লোৱা। স্বামী-স্ত্ৰী উভয় উভয়ৰ প্ৰতি বিশ্বাসভাজন হোৱা।

২। যদি এজনে আনজনৰ যৌন বিষয়ক ইতিবৃত্তি নাজানে তেনে ক্ষেত্ৰত 'কনডম' ব্যৱহাৰ কৰা (যদিও কনডম এক শতাংশ সুৰক্ষিত নহয়)।

৩। এইড্‌চ সম্ভাবনা বেচি থকা ব্যক্তিৰ পৰা তেজ, তেজ জাতীয় পদাৰ্থ দেহৰ কোন অঙ্গ বা শুক্ৰানু গ্ৰহণ নকৰা।

৪। তেজ গ্ৰহণ আৰু প্ৰবেশ কৰোৱাৰ সময়ত তেজত HIV-1 আৰু HIV-2 আছে নে নাই তাক নিশ্চিত কৰা।

৫। অতি আৱশ্যক ক্ষেত্ৰত বাহিৰে বেজী লোৱাৰ মানসিকতা ত্যাগ কৰা।

৬। ডিচপোজেল নাইবা বীজাণু মুক্ত বেজী আৰু চিৰিঞ্জ ব্যৱহাৰ কৰা।

৭। আনে ব্যৱহাৰ কৰা ৰেজৰ, টুথব্ৰাস, আনকোনো চৰ্মছেদক সজুলি ব্যবহাৰ নকৰা।

৮। হিমোফিলিয়া ৰোগীয়ে তেজৰ উপাদান VII আৰু IX গ্ৰহণ কৰাৰ সময়ত তাপ পদ্ধতি অৱলম্বন কৰা।

৯। ব্লাডবেংকৰ অনুজ্ঞাপত্ৰ থকা সকলৰ পৰা HIV নথকা তেজহে গ্ৰহণ কৰা।

১০। আক্ৰান্ত মাতৃয়ে গৰ্ভধাৰণ নকৰা।



# মহাবিদ্যালয় গ্ৰন্থাগাৰিকৰ কেইটামান প্ৰচেষ্টা

ওছমানিয়া বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় বৈঠকত শঙ্কৰদেৱৰ জ্ঞান পৰিচালনা পদ্ধতিৰ আলোচনাঃ- ওছমানিয়া বিশ্ববিদ্যালয়ত ২০১০ চনৰ ১০ জানুৱাৰী তাৰিখে আয়োজিত গৱেষণা পদ্ধতি সম্পৰ্কীয় এক ৰাষ্ট্ৰীয় গৱেষণা পদ্ধতিমূলক কাৰ্যক্ৰমত বিলাসীপাৰা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড০ হৰিচৰণ দাসে শঙ্কৰদেৱৰ যুগৰ জ্ঞান পৰিচালনা পদ্ধতি সম্পৰ্কে আলোচনা কৰা। উক্ত বৈঠকত তেওঁ শ্ৰীমন্ত শঙ্কৰদেৱৰ সময়ত সত্ৰসমূহৰ জৰিয়তে কেনেদৰে প্ৰণালীবদ্ধ বিজ্ঞানসন্মত জ্ঞান পৰিচালনা পদ্ধতি গঢ়ি উঠিছিল সেই বিষয়ে ব্যাখ্যা কৰে। উক্ত বৈঠকৰ অনুষ্ঠানৰ উদ্বোধন কৰিছিল ওছমানিয়া বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ বাণিজ্য গুৰু পুৰুষোত্তম ৰায়ে আৰু সামৰণি অনুষ্ঠানত উপস্থিত আছিল মহাত্মা গান্ধী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ভি. গঙ্গাধৰ।

নাট্যাংশ প্ৰতিযোগিতাত তিনিবাৰকৈ পুৰস্কাৰঃ- বিলাসীপাৰা মহকুমা প্ৰশাসনে গণৰাজ্য দিৱস আৰু স্বধীনতা দিৱস উপলক্ষে ২০০৩ আৰু ৪ চনত ধাৰাবাহিক ভাবে অনুষ্ঠিত কৰা ভ্ৰাম্যমাণ স্থিৰ নাট্যাংশ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি; বিলাসীপাৰা মহাবিদ্যালয় গ্ৰন্থাগাৰ অধ্যয়ন চক্ৰৰ সদস্যসকলে একেৰাহে তিনিবাৰকৈ প্ৰথম পুৰস্কাৰ লাভ কৰে। ফলস্বৰূপে এই উপলক্ষে প্ৰশাসনে আগবঢ়োৱা চলন্ত ট্ৰফী স্থায়ীভাৱে অৰ্জন কৰিবলৈ সক্ষম হয়।

জাতীয় ছহিদ পৰাগ কুমাৰ দাস স্মৃতি বৃক্ষঃ- জাতীয় বীৰ ছহিদ পৰাগ কুমাৰ দাসৰ সোঁৱৰণত ২০০১ চনত ১৭ মে' তাৰিখে, গ্ৰন্থাগাৰৰ চৌহদত এজোপা নিম পুলি ৰোপণ কৰা হয়। সম্প্ৰতি এই নিম পুলিটো এজোপা বৃক্ষত পৰিণত হৈছে আৰু জাতীয় বীৰ ছহিদ পৰাগ কুমাৰ দাস স্মৃতি বৃক্ষ ৰূপে অভিহিত হৈছে। নিমপাত তিতা, কিন্তু পৰম উপকাৰী। পৰাগ কুমাৰ দাসে লিখা কথাবোৰো আছিল নিমপাতৰ দৰেই তিতা। সেইবাবেই তেওঁৰ স্মৃতিত এই নিম গছজোপা ৰোপণ কৰিছিল অৰণ্য সুৰক্ষা সমিতি অসমে।

**গছ বিহুঃ-** প্ৰকৃতি সংগঠন অৰণ্য সুৰক্ষা সমিতি অসমে এক পৰিবেশ সচেতনতামূলক কাৰ্যসূচীৰূপে গছ বিহু পালন কৰি আহিছে। উক্ত সমিতিৰ উদ্যোগত বিলাসীপাৰা মহাবিদ্যালয় গ্ৰন্থাগাৰ অধ্যয়ন চক্ৰৰ সদস্যসকলে ২০০৭ চনৰ ব'হাগ মাহত, মহাবিদ্যালয় চৌহদত আয়োজন কৰে গছ বিহু। এই বিহু উদ্বোধন কৰে বিলাসীপাৰা মহাবিদ্যালয়ৰ সেই সময়ৰ অধ্যক্ষা ভাৰতী পাটগিৰিয়ে। অনুষ্ঠানত লোক শিল্পী কৰিম খানকে ধৰি ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

নায়েৰ আলগা চৰত শঙ্কৰ-আজান পুথিভঁৰাল স্থাপনঃ- গ্ৰন্থাগাৰিক ড০ হৰিচৰণ দাসৰ প্ৰচেষ্টাত আৰু নায়েৰ আলগা শাখা সাহিত্য সভাৰ সহযোগিতাত ২০০৩ চনৰ ৯ ডিচেম্বৰ তাৰিখে, নায়েৰ আলগাত 'শঙ্কৰ আজান' সমন্বয় পুথিভঁৰাল প্ৰতিষ্ঠা হয়। বিভিন্নজনৰ দান বৰঙণিৰে সম্প্ৰতি গ্ৰন্থাগাৰটোত পাঁচশমান পুথি জমা হৈছে। শিল্পী দিৱসকে ধৰি ভালেমান জাতীয় অনুষ্ঠানো ইয়াত অনুষ্ঠিত হয়। জিলা পৰিষদৰ সদস্য ময়নুদ্দিন আহমেদে এই গ্ৰন্থাগাৰৰ গৃহ নিৰ্মাণৰ বাবে শেহতীয়াকৈ পাঁচ লাখ টকাৰ অৰ্থ সাহায্য আগবঢ়াইছে।

বিলাসীপাৰা মহকুমা ৰাজহুৱা গ্ৰন্থাগাৰঃ- বিলাসীপাৰাত মহকুমা গ্ৰন্থাগাৰ এটা চৰকাৰীভাবে প্ৰতিষ্ঠা নোহোৱাত, মহকুমাটোত বৌদ্ধিক চিন্তা-চৰ্চাৰ বিকাশৰ বাবে ৰাজহুৱাকৈ বিলাসীপাৰা নগৰ সমিতিৰ ৰাজহুৱা ভৱনত, যোৱা ২০০৭ চনৰ ২ জানুৱাৰী তাৰিখে বিলাসীপাৰা মহকুমা ৰাজহুৱা গ্ৰন্থাগাৰ স্থাপন কৰা হয়। মহকুমা প্ৰশাসনৰ পৃষ্ঠপোষকতা আৰু ৰাইজৰ উদ্যোগত চলি থকা এই গ্ৰন্থাগাৰৰ অবৈতনিক গ্ৰন্থাগাৰিক তথা সম্পাদকৰূপে, মহাবিদ্যালয়খনৰ গ্ৰন্থাগাৰিক ড০ হৰিচৰণ দাসে - গ্ৰন্থাগাৰটোৰ জন্ম লগ্নৰে পৰা সেৱা আগবঢ়াই আহিছে। উক্ত গ্ৰন্থাগাৰৰ পৰা 'চিত্ৰলেখা' নামেৰে এখন সাহিত্যালোচনীয়ো প্ৰকাশ পাই আহিছে।

গ্ৰন্থাগাৰিকৰ প্ৰকাশিত গ্ৰন্থ সম্ভাৰঃ- ১৯৯৫ চনৰ পৰা ২০০০ চনলৈ 'অসমীয়া প্ৰতিদিন' কাকতৰ উপ-সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰা বৰ্তমান বিলাসীপাৰা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড০ হৰিচৰণ দাসৰ ইতিমধ্যে বাৰখন গ্ৰন্থ প্ৰকাশিত হৈছে। উক্ত গ্ৰন্থসমূহ হ'ল -

১। Reflection of rural Information in leading newspapers of Assam : A Critical Study.
২। গছ বিহু, ৩। গ্ৰন্থৰ ইতিহাস, ৪। শিয়ালী গোসানী (কবিতা)

৫। ওৱাঙৰ ৰিং শুনি (উপন্যাস),
৬। শিশু কৃষ্ণ (শিশু গ্ৰন্থ), ৭। গছ ৰোৱাৰ আনন্দ, ৮। গেলাবিল সত্ৰ, ৯। Bihu as Eco-Culture of Assam.
১০। Bibliography of 150 years of Assamese News Papers (1st Part) ১১। কলাগুৰু (সম্পাদনা গ্ৰন্থ)
১২। ৰূপকোঁৱৰ (সম্পাদনা গ্ৰন্থ)

************

# ডক্টৰ ৰেবতী মোহন সাহা,

প্ৰাক্তন অধ্যাপক বাংলা বিভাগ, বিলাসীপাৰা কলেজ।

ড° ৰেবতী মোহন সাহা মহোদয় ১৯৪০ চনৰ আহিন মাহত পূৰ্ববঙ্গৰ টাঙ্গাইলৰ শ্যামখালিৰ পাৰৰ খাঁয়েৰপাৰা গাঁৱত জন্ম গ্ৰহণ কৰে।

স্বাধীনতাৰ সময়ত দেশ বিভাজনৰ পাছত ১৯৪৯ চনত মাক-দেউতাকক এৰি ককা-দেউতাক, বুঢ়ী আই আৰু তেওঁৰ খুড়াকৰে সৈতে অসমৰ পশ্চিম সীমান্তৰ বক্সিহাটৰ ওচৰৰ বাক্‌লা লৈ গুচি আহে আৰু তাতেই তেওঁ প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি চুবুৰীয়া ছোটো শালবাৰী আৰু পাছত জলপাইগুড়ি জিলাৰ কামাখ্যাগুড়ি মাধ্যমিক বিদ্যালয়ত পঢ়ি ১৯৫৯ চনত প্ৰবেশিকা, ১৯৬১ চনত আলিপুৰ দুৱাৰৰ কলেজৰ পৰা আই.এ.; কোচবিহাৰৰ ভিক্টোৰিয়া কলেজৰ পৰা ১৯৬৩ চনত বি.এ। ১৯৬৪ চনত অনাৰ্চ আৰু ১৯৬৬ চনত বিশ্বভাৰতী বিশ্ববিদ্যালয় (শান্তি নিকেতন)ৰ পৰা বঙালী ভাষা আৰু সাহিত্যত এম.এ.পাছ কৰি অসমৰ বিলাসীপাৰা কলেজত অধ্যাপনা আৰম্ভ কৰে। তেওঁ এগৰাকী কৃতি শিক্ষক আছিল। শিক্ষকতা বৃত্তিৰ লগতে ড° সাহাই ১৯৭৩ চনৰ পৰা ৰাভা জনজাতিৰ ভাষা আৰু সংস্কৃতিৰ বিষয়ে গৱেষণা আৰম্ভ কৰে। তেওঁ ১৯৮১ চনত 'বাঙলা ভাষাৰ সঙ্গে তুলনা প্ৰসঙ্গে কোচ-ৰাভা ভাষা' নামৰ গৱেষণা গ্ৰন্থৰ কাৰণে ১৯৮৩ চনত উত্তৰবঙ্গ বিশ্ববিদ্যালয়ে তেওঁক পি.এইচ.ডি. ডিগ্ৰী প্ৰদান কৰে।

১৯৮৩ চনত তেওঁৰ কোচ-ৰাভাদেৰ সংক্ষিপ্ত ইতিবৃত্ত (বঙলা ভাষাত) প্ৰকাশিত হয়। ১৯৮৫ চনত তেওঁৰ নেতৃত্বত বিলাসীপাৰা কলেজত বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থসাহাৰ্য্যত 'The Problems of development of the Tibeto Burmese languages of North Eastern India'. বিষয়ৰ ওপৰত এখন সাতদিনীয়া 'আলোচনা চক্ৰ' অনুষ্ঠিত হয়। এই আলোচনা চক্ৰত অসম আৰু পশ্চিমবঙ্গৰ ভালেমান বিশেষজ্ঞ পণ্ডিতে যোগদান কৰিছিল।

১৯৮৮ চনত ড° সাহাদেৰৰ উল্লেখিত গৱেষণা গ্ৰন্থই ৰাভা ভাষাক অসম চৰকাৰে স্বীকৃতি দান কৰাত প্ৰভূত অৰিহণা আগবঢ়াইছিল। এইটোৱে বোধকৰো সাহাদেৰৰ জীৱনৰ আটাইতকৈ কৃতিত্বপূৰ্ণ সাফল্য।

১৯৯৭ চনত ৰাভা ভাষা আৰু সংস্কৃতিলৈ ড° সাহাৰ অনলস সাধনাৰ কাৰণে 'বেবাক ৰাভা ক্ৰৌৰাং ৰুঞ্চুম'-ৰ ধুবুৰী জিলা শাখাই তেওঁক 'হুৰগীৰাং' অৰ্থাৎ ভাষাৰত্ন উপাধিৰে ভূষিত কৰে।

ড° সাহাৰ ভালেসংখ্যক গৱেষণামূলক লেখা অসমীয়া, ইংৰাজী আৰু বঙলা ভাষাত বিভিন্ন পত্ৰ-পত্ৰিকা প্ৰকাশিত হৈছে।

ড° সাহাদেৰ কৃতিত্বেৰে অধ্যাপনাৰ অন্তত ২০০১চনৰ পহিলা জানুৱাৰী তাৰিখে বিলাসীপাৰা মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে। তেওঁৰ সু-স্বাস্থ্য আৰু দীৰ্ঘ জীৱন কামনা কৰি তেওঁৰ কাপেৰে আৰু অধিক উৎকৃষ্ট লেখনি প্ৰকাশ পোৱাৰ গভীৰ আশা ৰাখিলোঁ।

মুখ্য সম্পাদক, স্মৃতিগ্ৰন্থ



# সংস্কৃত শিক্ষাৰ আৱশ্যকতা

মীৰা দেৱী, শিক্ষয়েত্ৰী
প্ৰাক্তন ছাত্ৰী।

সংস্কৃত বিশ্বৰ অন্যতম প্ৰাচীন ভাষা। ই দেৱ ভাষা বা দেৱতাসকলে কোৱা ভাষা। সংস্কৃত ভাষাতে বিশ্বৰ প্ৰাচীনতম সাহিত্য বেদ ৰচিত হৈছিল। বেদ অপৌৰষেয় অৰ্থাৎ সাক্ষাত ইশ্বৰৰ মুখনিঃসৃত। ঋষিসকলৰ ওচৰত এই বেদ মৌখিকভাবে প্ৰকাশ হৈছিল কাৰণে সম্পূৰ্ণ বেদক শ্ৰুতি বুলি কোৱা হয়। মহামুণি কৃষ্ণ দ্বৈপায়নে বেদক ঋক, যজুঃ, সাম আৰু অৰ্থব্য এই চাৰিভাগত বিভক্ত কৰে। সেয়ে তেওঁৰ নাম বেদব্যাস হয়। বেদৰ ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদৰ উৎপত্তি। ইয়াৰ কৰ্মকাণ্ডৰ পৰা মিমাংসা দৰ্শন আৰু জ্ঞান কাণ্ডৰ পৰা বেদান্ত দৰ্শন। বেদৰ মন্ত্ৰভাগক কোৱা হয় জ্ঞান কাণ্ড আৰু ব্ৰাহ্মণ ভাগক কোৱা হয় কৰ্মকাণ্ড। এই জ্ঞান আৰু কৰ্মক লৈয়ে বেদ, ভাৰতীয় সংস্কৃতিৰ মূল আধাৰ। ইয়াৰ পিছতে পুৰাণসমূহ। অষ্টাদশ মহাপুৰাণ-ব্ৰহ্ম, পদ্ম, ভাগৱত, বায়ু, বিষ্ণু, অগ্নি, ব্ৰহ্মাণ্ড, গৰুড়, ব্ৰহ্মবৈবৰ্ত, শিৱ, লিঙ্গ, নাৰদ, স্কন্ধ, মাৰ্কণ্ডেয়, মৎস্য, কুৰ্ম্ম, ভবিষ্য আৰু বামণ। ইয়াৰ পিছত অষ্টাদশ উপপুৰাণ, ৰামায়ণ আৰু মহাভাৰত মহাকাব্য দুখন, ঋষি মুণিসকলৰ ৰচিত অমূল্য গ্ৰন্থসমূহ, মহাকবি কালিদাস, বাণভট্ট, অশ্বঘোষ, ভবভূতি, শুশ্ৰুত, পানিনী, বাৎসায়ন আদিৰ ৰচিত গ্ৰন্থসমূহক লৈ এক বিশাল সংস্কৃত সাহিত্য। এই গ্ৰন্থখিনি আমাৰ গৌৰৱময় ভাৰতীয় সংস্কৃতি আৰু ঐতিহ্য বহন কৰি আহিছে। অতীজত বিদ্যাৰ্থীসকলে এই গ্ৰন্থসমূহ গুৰুগৃহত থাকি অধ্যয়ণ কৰি জ্ঞান লাভ কৰিছিল। সময়ৰ গতিত পৰিবৰ্ত্তিত সমাজ ব্যৱস্থাত জ্ঞান অৰ্জনৰ বিভিন্ন দিশ উদ্ভাষিত হবলৈ ধৰাৰ লগে লগে পৌৰাণিক গ্ৰন্থ সমূহৰ অধ্যয়ণ লাহে লাহে কমি অহিবলৈ ধৰিলে আৰু সংস্কৃত ভাষা শিক্ষাৰ প্ৰতিও আগ্ৰহ ক্ৰমান্নয়ে হ্ৰাস হবলৈ ধৰিলে। কিন্তু ভাৰতবৰ্ষক জানিবলৈ হলে ভাৰতীয় সমাজৰ সংস্কৃতিক জানিবলৈ হলে এই গ্ৰন্থসমূহৰ অধ্যয়ণ অপৰিহাৰ্য্য পৰবৰ্ত্তীকালত যেতিয়া ভাৰতৰ বিভিন্ন প্ৰাদেশীক ভাষা সমূহৰ সৃষ্টি হল, তেতিয়া বিভিন্ন ভাষাৰ পণ্ডিত সকলে ভাৰতীয় কাব্য মহাকাব্য সমূহ তেওঁলোকৰ নিজা ভাষাত অনুবাদ কৰি সকলো শ্ৰেণীৰ জনসাধাৰণকে তাৰ জ্ঞান আৰু তাৰ সোৱাদ লোৱা সুবিধা কৰি দিলে। ইয়াৰ ফলত সকলো শ্ৰেণীৰলোকে পুৰণি গ্ৰন্থসমূহ অধ্যয়ণ কৰিবলৈ সুবিধা পালে সচাঁ, কিন্তু মানুহে লাহে লাহে সংস্কৃতি ভাষা অধ্যয়ণ বা অনুশীলনৰ পৰা আতৰি আহিল। ফললত 'অনভ্যাসে হত বিদ্যা' যেন হৈ এতিয়া এনে এটা পৰ্য্যায় পাইছেহি যে সংস্কৃত ভাষাক বহুতে অতি প্ৰাচীন, বহুতে কঠিন আৰু বহুতে আনকি ইয়াক মৃত ভাষা বুলিও ভাবিব লৈছে। সংস্কৃতি ভাষাৰ প্ৰতি ভাৰতীয় মানুহৰ অনিহাৰ ভাব সমগ্ৰ দেশবাসীৰ বাবে পৰিতাপৰ বিষয়। অবশ্যে কিছুবছৰৰ পৰা কিছুমান চিন্তাশীল, গুণীজ্ঞানী ব্যক্তি আৰু দুই চাৰিটামান সংস্কৃত প্ৰেমী সংস্থাৰ ঐকান্তিক প্ৰচেষ্টাত সংস্কৃত ভাষাই প্ৰসাৰতাৰ পথত আকৌ অগ্ৰসৰ হোৱা দেখা গৈছে।

সংস্কৃত ভাষাৰ প্ৰয়োজনৰ বিষয়ে জনাৰ আগতে এই ভাষাৰ ব্যপকতাৰ বিষয়ে কিছুজনা দৰকাৰ। সংস্কৃত ভাষাৰ ব্যপকত্বৰ পৰিচয় পোৱা যায় ইয়াৰ শব্দ ভাণ্ডাৰত। এই ভাষাৰ যিমান শব্দ সংখ্যা আছে পৃথিবীৰ আন কোনো ভাষাতে শব্দৰ এনে বৃহৎ সংখ্যা পোৱা নাযায়। প্ৰাচীনতম সংস্কৃত ভাষাৰ শব্দ সংখ্যা প্ৰায় ২৭,২০,০০০ টা। আনহাতে ইংৰাজী ভাষাৰ শব্দ সংখ্যা মাথো ৫,০০,০০০টাহে। শব্দ প্ৰাচুৰ্য্যৰ উদাহৰণ স্বৰূপে কব পাৰি যে ইংৰাজীত অকল The Sun ৰে সূৰ্য্যক বুজোৱা হয় অথচ সংস্কৃতিত ৰবি, ভানু, আদিত্য, সবিতা আদি কেইবাটাও শব্দৰে সূৰ্য্যক বুজাব পাৰি। তাৰোপৰি বিভিন্ন ধাতুৰ লগত প্ৰত্যয় যোগকৰি প্ৰয়োজনীয় শব্দৰ সৃষ্টি সংস্কৃত ভাষাৰ ব্যপকতাৰে পৰিচায়ক। অৰ্থভাণ্ডাৰৰ বিশালতাৰে ব্যক্তিৰ প্ৰতিপত্তি বিচাৰ কৰাৰ দৰে শব্দ ভাণ্ডাৰৰ বিশালতালৈ চাই সংস্কৃত ভাষাকো বিশ্বৰ ভাষা সমূহৰ ভিতৰতে এক শক্তিশালী ভাষা বুলি কব পাৰি।

বৃহৎ শব্দ ভাণ্ডাৰেৰে শক্তিশালী সংস্কৃত ভাষাৰ প্ৰয়োগত মানুহে যথেষ্ট জটিলতা অনুভৱ কৰে। উচ্চ পৰ্য্যায়ৰ ব্যকৰণ সংযোজিত বাবে এই ভাষা কিছু জটিল এইটো সচাঁ। কিন্তু জটিল বিষয়ক বিভিন্ন পদ্ধতিৰে সৰলীকৰণ কৰাৰ ব্যৱস্থাও ইয়াত আছে আৰু বৰ্ত্তমান সংস্কৃত ভাষাৰ জটিলতা হ্ৰাস কৰি সৰল সংস্কৃত প্ৰয়োগৰ ওপৰতে অধিক গুৰুত্ব দিয়া হৈছে। ইয়াৰ বাবে সমগ্ৰ ভাৰতবৰ্ষতে সংস্কৃত ভাষাৰ বিভিন্ন অনুষ্ঠান অনুষ্ঠিত হৈ আহিছে। সংস্কৃত ভাষাক জটিল ভাষা বুলি ভাবিলেও এটা কথা মন কৰিবলগীয়া যে ইয়াৰ বাক্য গঠন

প্ৰণালী বৰ সৰল। উদাহৰণ স্বৰূপে 'বালকঃ গৃহম্ গচ্ছতি' এই বাক্যটো গৃহম্ গচ্ছতি বালকঃ গচ্ছতি গৃহম্ বালকঃ বা বালকঃ গচচতি গৃহম্ বুলিও লিখিব পাৰি। কিন্তু পৃথিবীৰ ভিতৰত জনপ্ৰিয় ইংৰাজী ভাষাৰ বাক্য গঠন প্ৰণালীয় ইমান সহজ নহয়। ইংৰাজী কৰ্ত্তা, কৰ্ম, ক্ৰিয়াৰ স্থান পৰিবৰ্ত্তন কৰিলে বাক্যটো শুদ্ধ নহয়। এই বিষয়ত ইংৰাজীত কৈ সংস্কৃত ভাষা।

একবিংশ শতিকা আধুনিক বিজ্ঞান যুগ। বিজ্ঞানৰ অভিনৱ ন ন আবিস্কাৰৰ মাজত নিমগ্ন হৈ বহুতে সংস্কৃত ভাষাক 'Back dated' অৰ্থাৎ আওপুৰণি ভাষা বুলি এই ভাষাক অৱহেলা দেখুৱায়। কিন্তু সংস্কৃত সাহিত্য সমূহত বিস্তৃত আলোচনা কৰিলে দেখা যায় যে বিজ্ঞানৰ ক্ষেত্ৰতো এই ভাষাৰ অৱদান অপৰিসীম। আজিৰ বিজ্ঞানে ঢুকি নপোৱা বহুক্ষেত্ৰত বহু কথাই অতিজৰে পৰা সংস্কৃত সাহিত্যৰ ক্ষেত্ৰত বিৰাজমান হৈ আছে। ৰামায়ণ, মহাভাৰত আদি মহাকাব্যসমূহত বৰ্ণিত যুদ্ধকৌশল, যুদ্ধ বৰ্ণনা, অস্ত্ৰ-শস্ত্ৰৰ ব্যৱহাৰ আদি আধুনিক বিজ্ঞানৰ আগ্নেয়াস্ত্ৰ নিৰ্মাণ, দুৰদৰ্শন, দুৰ সংযোগকৰণ ব্যৱস্থাসমূহ প্ৰাচীন কলা কৌশলৰে নমুনা। আৰু বেদ শাস্ত্ৰৰ অবদান, আয়ুৰ্বেদীয় চিকিৎসা প্ৰণালীৰ জনপ্ৰিয়তা দিনক দিনে বৃদ্ধি হৈ অহা আমাৰ সকলোৰে পৰিলক্ষিত হৈছে। সংস্কৃত সাহিত্যৰাজিৰ গভীৰ অধ্যয়ণ আৰু গৱেষণা বিজ্ঞানৰ বাবে আৰু অধিক ফলপ্ৰসু হব বুলি আশা কৰিব পাৰি। এই ভাষা বৰ্ত্তমান কম্পিউটাৰৰ বাবেও অধিক প্ৰশস্ত বুলি ভাষা-বিজ্ঞানীসকলে স্বীকাৰ কৰিছে। আমাৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি শংকৰ দয়াল শৰ্মাই সংস্কৃত ভাষাক Store house of Science বুলি কৈছে। সেয়ে বিদেশী ভাষা বিজ্ঞানীসকলে এতিয়া সংস্কৃত ভাষা সাগৰ মন্থন কৰি তাৰপৰা লাভ কৰা অমৃত সংগ্ৰহত মনোনিৱেশ কৰিছে। বিজ্ঞানৰ উপৰিও সমগ্ৰ বিশ্বৰ অনুকৰণীয় ভাৰতীয় সংস্কৃতি সংগৃহিত হৈ আছে সংস্কৃত সাহিত্য কাননত। কিন্তু এই বিষয়ত এতিয়া ভাৰতীয় জনসাধাৰণে স্বকীয়তা পাহৰি পৰকীয় প্ৰভাৱেৰে বাৰুকৈ প্ৰভাবান্বিত হোৱা দেখা গৈছে। ফলত সংস্কৃতি নামত অপসংস্কৃতিয়ে বাঁহ লৈ দেশৰ বাতাবৰণ বাৰুকৈয়ে কুলষিত কৰি তুলিছে। ইয়াৰ প্ৰতিকাৰৰ বাবে সংস্কৃত সাহিত্যৰ অধ্যয়ণ আৰু ব্যৱহাৰিক অনুশীলন অত্যন্ত আৱশ্যকীয় হৈ পৰিছে আৰু তাৰ বাবে সংস্কৃত শিক্ষাৰ প্ৰচাৰ ব্যাপক হাৰত বৃদ্ধি কৰি এই ভাষাক জনসাধাৰণৰ মাজত মনোগ্ৰাহী কৰি তুলিব লাগিব।

ভাৰতবৰ্ষত প্ৰচলিত প্ৰধান ভাষা সংুহৰ প্ৰায় ভাগেই সংস্কৃতোদ্ভৱ। অৰ্থাৎ বেছিভাগ ভাষাৰে মূল হৈছে সংস্কৃত। মূল শিপা অবিহণে যিদৰে গছ এজোপা জীয়াই থাকিব নোৱাৰে তদ্ৰূপ মূল সংস্কৃত অবিহনে কোনো ভাৰতীয় ভাষাৰে স্থায়িত্ব আশা কৰিব নোৱাৰি। যি দেশৰ ভাষা যিমান উচ্চ, সিমান শক্তিশালী সেই দেশ আৰু দেশৰ নাগৰিক সিমানে শক্তিশালী আৰু সুসভ্য বুলি ইতিহাসে কৈ আহিছে। সংস্কৃতৰ দৰে উচ্চ পৰ্য্যায়ৰ ব্যকৰণ সম্বলিত, সমস্যামুক্ত আৰু উন্নত ভাষাৰ দেশ ভাৰতবৰ্ষও অতীজৰে পৰাই উন্নত, সুসভ্য দেশ হিচাবে চিহ্নিত হৈ আহিছে। ভাৰতবৰ্ষক সভ্যতাৰ উচ্চ শিখৰত প্ৰতিষ্ঠিত কৰি ৰাখিবলৈ হলে সংস্কৃত ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে প্ৰত্যেকজন ভাৰতবাসী সজাগ হব লাগিব। তেতিয়াহে ভাৰতবৰ্ষ স্বকীয় মহিমাৰে মহিমামণ্ডিত হৈ থাকিব পাৰি। ভাৰতৰ এই মহিমা অটুট ৰাখিবলৈ বিদেশী কবি উইল্সনৰ সুৰত সুৰ মিলাই আমিও কওঁ -

'যাবদ্ ভাৰতবৰ্ষং স্যাদ্ যাবদ্ বিন্ধ্যা হিমাচলৌ।
যাবদ্ গঙ্গা চ গোদা চ তাবদেব হি সংস্কৃতম্



❖❖❖❖❖

# এখন কলেজ স্থাপনৰ আঁৰৰ কিছুকথা

কল্যাণ চক্ৰবৰ্ত্তী
প্ৰাক্তন ছাত্ৰ

বিলাসীপাৰ আৰু ইয়াৰ আশে-পাশে থকা আটাইবোৰ উচ্চমাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক পাচ কৰাৰ পাছত বহুত ছাত্ৰৰ অৰ্থনৈতিক দুৰবস্থাৰ কাৰণে মহাবিদ্যালয়ত পঢ়িবলৈ সুযোগ পোৱা নাছিল।

বিগত শতাব্দীৰ পঞ্চাশ দশকৰ শেষৰ ফালে বিলাসীপাৰাৰ এটা সচেতন বৌদ্ধিক গোষ্ঠীয়ে কেনেকৈ বিলাসীপাৰাত এখন কলেজ স্থাপন কৰা যায় সেইটোলৈ চিন্তা-চৰ্চা কৰিছিল আৰু তাৰে ফলশ্ৰুতি হিচাবে ১৮ই আগষ্ট ১৯৫৮ চনত বিলাসীপাৰা নেচনেল ক্লাৱত মহেন্দ্ৰ মোহন সাহাৰ, প্ৰধান শিক্ষক আই এন. এ. একাডেমী, সভাপতিত্বত কলেজ স্থাপনৰ বিষয়লৈ এখন সভা অনুষ্ঠিত হয়। সভাত জমিদাৰ নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰী মহোদয়ক তেওঁৰ "কীৰ্ত্তি মন্দিৰ" নামৰ ভৱনটো কলেজৰ কাৰণে দান দিয়াৰ কাৰণে অনুৰোধ কৰিবলৈ এখন ন-জনীয়া কমিটী গঠন কৰি দিয়ে। ন-জনীয়া কমিটী খনত আছিল - ১) শিৱ কুমাৰ চক্ৰবৰ্ত্তী, ২) নৃপেন্দ্ৰনাথ চক্ৰবৰ্ত্তী, ৩) জগদানন্দ চক্ৰবৰ্ত্তী, ৪) মহেন্দ্ৰ মোহন সাহা, ৫) ৰহিমউদ্দিন আহমেদ, ৬) ডাঃ অমৰেন্দ্ৰ কুমাৰ দাস (মন্টু), ৭) দেৱাজউদ্দিন সৰকাৰ, ৮) ৰামচন্দ্ৰ লাহিড়ী, ৯) ৰবীন্দ্ৰ নাথ ৰায়।

"কীৰ্ত্তি মন্দিৰৰ"কাৰণে জমিদাৰক অনুৰোধৰ বিষয়টোত ডাঃ অমৰেন্দ্ৰ কুমাৰ দাসৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছিল। ১৯৫৪ চনৰ মাজ ভাগত জমিদাৰৰ মৃদু ষ্ট্ৰোক হয় আৰু তেওঁৰ চিকিৎসাক কেন্দ্ৰ কৰি পৰিয়ালটোৰ লগত ডাঃ দাসৰ ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠে। জমিদাৰৰ পুত্ৰতুল্য শৈলেন সেনগুপ্তৰ লগতো বন্ধুত্ব গঢ়ি উঠে।

অনুৰোধকাৰী দলটোক জমিদাৰে "কীৰ্ত্তি মন্দিৰ" টো এখন ট্ৰাষ্ট বোৰ্ডৰ ওপৰত দায়িত্ব অৰ্পণৰ কথা কোৱাত ২০ আগষ্ট'ত ১৯৫৮ চনত নেচনেল ক্লাৱত ট্ৰাষ্ট বোৰ্ড গঠনাৰ্থে এখনসভা অনুষ্ঠিত হয়। উক্ত সভাত জমিদাৰৰ পছন্দৰ চাৰিজনৰ ভদ্ৰ লোকেৰে এখন বোৰ্ড গঠন কৰা হয়। বোৰ্ডৰ সদস্যসকল আছিল ১) শিউ ভগৱান আগৰৱালা, ২) ৰবীন্দ্ৰনাথ ৰায়, ৩)ৰামচন্দ্ৰ লাহিড়ী আৰু ৪) জগদানন্দ চক্ৰৱৰ্ত্তী। পৰিয়ালসূত্ৰে জনা মতেজগদানন্দ চক্ৰৱৰ্ত্তী মহোদয়ৰ লগত জমিদাৰৰ ঘনিষ্ঠ সম্পৰ্ক আছিল ।ইয়াৰ সত্যতা জমিদাৰে চক্ৰৱৰ্ত্তীলৈ লিখা বিভিন্ন চিঠি পত্ৰত পোৱা যায়। জগদানন্দ চক্ৰৱৰ্ত্তীদেৱে জমিদাৰৰ ওচৰত ট্ৰাষ্টবোৰ্ডৰ ওপৰত কলেজ চলোৱাৰ দায়িত্ব দিয়াৰ বিষয়টোত এক মত পোষণ কৰিব নোৱাৰি দান-পত্ৰ লিখি কলেজৰ নামতেই "কীৰ্ত্তি মন্দিৰ" দিয়া কথাটো কয়। ফলত 'ট্ৰাষ্ট বোৰ্ড'ৰ কথাটো তল পৰে আৰু 'দান-পত্ৰ' সম্পাদনৰ প্ৰস্তুতি আৰু দানৰ কথা ঘোষণা কৰালৈ ২২ আগষ্টত নেচনেল ক্লাৱত মহেন্দ্ৰ মোহন সাহাৰ সভাপতিত্বতে এখন সভা অনুষ্ঠিত হয়। সভাত পাঁচজনৰ এখন দানপত্ৰ প্ৰস্তুতিৰ কাৰণে সমিতি বনাই দিয়ে। সদস্য সকল আছিল ১) জগদানন্দ চক্ৰৱৰ্ত্তী, ২) ৰহিমউদ্দিন আহমেদ, ৩) ৰামচন্দ্ৰ লাহিড়ী ৪) সুশান্ত চক্ৰবৰ্ত্তী আৰু ৫) নৃপেন্দ্ৰনাথ চক্ৰৱৰ্ত্তীদেৱ । এই সভাতেই সুবোধ চক্ৰৱৰ্ত্তী আৰু ডাঃ অমৰেন্দ্ৰ দাসক আহ্বায়ক কৰি কলেজ কমিটী গঠনৰ কাৰণে এখন সাধাৰণ সভা আহ্বানৰ দায়িত্ব দিয়া হয়। সভাত বিলাসীপাৰা টাউন প্ৰোটেক্চন কমিটীৰ সভাপতিক আগন্তুক সভাখনৰ প্ৰস্তুতিৰ কাৰণে ২০০.০০

টকা দিয়াৰ কথা কোৱা হয়। উল্লেখ্য এই ২০০.০০ টকাই কলেজ স্থাপনাৰ্থে আগবঢ়োৱা প্ৰথম বৰঙণি।

গঙ্গাৰাম শৰ্ম্মাৰ সভাপতিত্ব ২৭ আগষ্টত নেচনেল ক্লাৱত সাধাৰণ সভা অনুষ্ঠিত হয়। এইখন সভাত বিভিন্ন প্ৰস্তাবৰ জৰিয়তে কাৰ্যবাহী সমিতি গঠন, 'নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰী কলেজ' নামাকৰণ আৰু কলেজৰ কাৰণে কৃৰ্ত্তি মন্দিৰ দানৰ কথা ঘোষণাৰ কাৰণে দিন নিৰ্দ্ধাৰণ আদি কৰা হয়।

জমিদাৰ নৃপেনন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱে বিলাসীপাৰাৰ বিভিন্ন গণ্যমান্য ব্যক্তি আৰু গোৱালপাৰা জিলাৰ উপায়ুক্ত মহোদয়ৰ উপস্থিতিত ২৭ ছেপ্টেম্বৰ ১৯৫৮ চনত নাট্য মন্দিৰত বহা সাধাৰণ সভাত কীৰ্ত্তি মন্দিৰটো কলেজৰ বাবে দান দিয়াৰ কথা ঘোষণা কৰে। যি সময়ত জমিদাৰে তেওঁৰ হিয়াৰ আমঠু কীৰ্ত্তি মন্দিৰ কলেজৰ কাৰণে দান দিয়ে সেইটো সময়ত তেও ভীষণ অৰ্থনৈতিক দুৰাৱস্থাৰ মাজত দিন অতিবাহিত কৰি আছিল। এই অনাটনৰ সময়ত তেওঁ কীৰ্ত্তি মন্দিৰৰ পাছ ফালৰ ১০ কঠা মাটি এজনৰ ওচৰত বিক্ৰী কৰিছিল। তিনি নভেম্বৰৰ ১৯৫৮ চনত আঢ়ৈ বিঘা মাটিৰ সৈতে কীৰ্ত্তি মন্দিৰ দান পত্ৰ ৰেজিষ্ট্ৰাৰী কৰি দিয়ে। কলেজ কমিটীৰ অনুৰোধ ক্ৰমে দহ কাঠা মাটিও একে দিনাই ৰেজিষ্ট্ৰাৰী কৰি দিয়ে। এই দহ কঠা মাটিৰ কাৰণে কলেজৰ পৰা ১২০০.০০ টকা জমিদাৰক দিয়া হৈছিল। চাৰিশ টকা আগতেই দিছিল বাকী আঠশ টকা ৰেজিষ্ট্ৰাৰীৰ দিনা দিয়া হয়। নেচনেল ক্লাৱত দান বৰঙণি সংক্ৰান্তত চব্বিশ ছেপ্টেম্বৰত এখন সভা অনুষ্ঠিত হয়। উক্ত সভাত বিলাসীপাৰাৰ বিশিষ্ঠ পচিশজন ব্যক্তিৰ পৰা ৪৮৫১.০০ টকাৰ বৰঙণি আদায়ৰ প্ৰতিশ্ৰুতি আদায় কৰে, বিলাসীপাৰাৰ মন্টু বিড়ি কোম্পানীৰ (৫০১.০০ টকা) আৰু বিষ্ণুপদ চক্ৰৱৰ্ত্তীৰ পৰা (৩০১.০০ টকা) আটাইতকৈ বেচি অঙ্কৰ বৰঙণি আছিল। দান বৰঙণি সংক্ৰান্তত বেচি ভাগ সভা মাৰোৱাৰী এছোচিয়েচনত আৰু ইয়ংমেন্‌স ক্লাৱত অনুষ্ঠিত হৈছিল। সেই সময়ত নেচনেল ক্লাৱ, ইয়ংমেন্‌স ক্লাৱ আৰু মাৰোৱাৰী এছেচিয়েচনৰ পৰা বুজন পৰিমাণৰ ধন আগবঢ়োৱা হৈছিল।কলেজত থকা নথি পত্ৰত দেখা যায় দান বৰঙণি সংগ্ৰহৰ কাৰণে প্ৰথমে কেইখনমান পঞ্চাশ পৃষ্ঠাৰ ৰচিদ বহী ছপোৱা হয়। বজাৰৰ প্ৰতিজন ব্যৱসায়ীক এই বহী দিয়া হৈছিল; ৰচিদ বহীত এক অনা হিচাবেও অৰ্থ সংগ্ৰহ কৰা হৈছিল। কিন্তু এখন কলেজ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত যি দান বৰঙণি অৰ্থ সংগ্ৰহীত হৈছিল সেয়া পৰ্যাপ্ত নাছিল।

১৬-১২-১৯৫৮ চনত বিলাসীপাৰাত নামনি অসমৰ উপায়ুক্তৰ লগত গোৱালপাৰা জিলাৰ উপায়ুক্তদেৱে বিলাসীপাৰাত পৌৰসভা গঠনৰ সংক্ৰান্তত আহে। সেইটো সময়ত পৌৰসভা গঠনৰ বিপক্ষে এটা সক্ৰিয় গোষ্ঠী আছিল। উক্ত বিষয়াদ্বয়ক বিলাসীপাৰাত পৌৰসভা গঠনৰ প্ৰতি ৰাইজৰ সমৰ্থন কিমান সেইটো দেখুওৱাবলৈ বিলাসীপাৰা ৰাজহুৱা খেল পথাৰত ৰাইজক গোটোৱা হয়। উক্ত সভাত ৰাইজৰ উদ্দেশ্যে কোৱা হৈছিল তেওঁলোকে বিলাসীপাৰাত কলেজ বিচাৰে নে-নাই আৰু টাউন নহ'লে কলেজ কেনেকৈ হ'ব ? গতিকে টাউন হব লাগিব তাৰ পাছতে কলেজ । এই কথাত ৰাইজে উৎফুল্লচিত্তে সন্মতি প্ৰদান কৰিছিল। ১৯৫৯ চনৰ জুলাই মাহৰ ছয় তাৰিখ (সোমবাৰে) বিলাসীপাৰা চিনেমা হ'লত পৌৰসভাৰ উদ্বোধনী সভা অনুষ্ঠিত হয়। এই সভাত জে. এম. দাস, উপায়ুক্ত, গোৱালপাৰা জিলা, উপস্থিত আছিল। একে দিনাই বিয়লি পাচ বজাত পৌৰসভাৰ প্ৰথম সভা ডাক বঙলাত এম. চি. নাথৰ সভাপতিত্বত অনুষ্ঠিত হয়। তেওঁয়ে প্ৰথম পৌৰপতি ।১৯৬০ চনৰ দহ অক্টোবৰত (কলেজত থকা নথি হিচাবে) মাৰোৱাৰী এছোচিয়েচনত নৃপেন্দ্ৰনাথ চক্ৰৱৰ্ত্তীৰ সভাপতিত্বত বৰঙণি সংগ্ৰহ সংক্ৰান্ত এখন সভা অনুষ্ঠিত হয়, এইখন সভাত বিভিন্ন হাটৰ পৰা কেনে ধৰণে আৰু কি নিৰিখত বৰঙণি সংগ্ৰহ কৰা হব আৰু কোন বজাৰত কোনে পৰিদৰ্শন

কৰিব সেইটো ঠিক কৰা হয় । গো-হাটৰ বৰঙণি নিৰিখ আছিল গৰু প্ৰতি দুই অনা আৰু মহ প্ৰতি চাৰি অনা হিচাবে কিনোতা আৰু বেচোঁতাৰ পৰা আদায় কৰা হৈছিল।তেতিয়া গো-হাটৰ লেছী আছিল ছেকেন্দাৰ আলী বেপাৰী। তেওঁ এজেন্টক ১২ ১/২% কমিচন দি বৰঙণি সংগ্ৰহ কৰিছিল। পৰিদৰ্শনৰ দায়িত্বত আছিল প্ৰবোধ কুমাৰ চক্ৰৱৰ্ত্তী আৰু পুলকানন্দ কলিতাদেৰ, ছাগলী হাটৰ পৰিদৰ্শক আছিল, হীৰেন শৰ্মা আৰু প্ৰভাত চন্দ্ৰ দেৱ হাঁহ - কুকুৰা হাটৰ পৰিদৰ্শক আছিল, নীৰঞ্জন চৌধুৰী আৰু ধীৰেন্দ্ৰ নাথ ঘোষ মাছ বজাৰৰ দায়িত্বত আছিল,শীতল চন্দ্ৰ দাস আৰু শিৱ কুমাৰ চক্ৰৱৰ্ত্তী ধান হাটৰ নিৰিখ আছিল, গাড়ী আৰু চটি প্ৰতি চাৰি অনা, দায়িত্বত আছিল উপেন্দ্ৰ বিজঁয় দাস আৰু নৰেন্দ্ৰ নাথ দাস দেৱ, বাঁহ হাটৰ নিৰিখ আছিল গাড়ীয়ে প্ৰতি দুই অনা, দায়িত্বত আছিল, মহেন্দ্ৰ মোহন সাহা আৰু বাহাৰউদ্দিন, মৰাপাটৰ নিৰিখ আছিল ট্ৰাকে প্ৰতি পাচ টকা দায়িত্বত আছিল, দেৰাজউদ্দিন সৰকাৰ আৰু জগদানন্দ চক্ৰৱৰ্ত্তী দেৱে । বৰঙণি সংগ্ৰহৰ এই ব্যাপক কাৰ্যসূচী লাহে লাহে স্থিমিত হৈ আহিব ধৰিলে। ১৯৬১ চনৰ চব্বিশ ছেপ্টেম্বৰৰ সভাত কমিশনৰ আধাৰত হাটৰ পৰা বৰঙণি সংগ্ৰহৰ সিদ্ধান্ত লোৱা হয়। ৰচীদ বহী সলনি কুপনৰ ব্যৱস্থা কৰা হয়। এক অনা, দুই অনা, তিনি অনা আৰু চাৰি অনাৰ কূপন ছপোৱা হৈছিল। "বড় গদিৰ" (লক্ষী নাৰায়ণ আগৰৱালা) এখন গাড়ীত মাইক লগাই বিভিন্ন ঠাইত কলেজৰ বাবে বৰঙণি বিচাৰি প্ৰচাৰ কৰা হৈছিল। সেইটো সময়ত কলেজৰ অৰ্থনৈতিক অবস্থা এক জটিল ৰূপ ধাৰণ কৰে। ছাত্ৰ সকলে টিনৰ টেমালৈ বৰঙণি সংগ্ৰহত ওলাই আহে। কলেজ আৰম্ভ হৈছে যদিও প্ৰবক্তা সকলক দৰমহা দিয়াৰ ক্ষেত্ৰত অৰ্থনৈতিক সংকট যথেষ্ট আছিল আছিল। ইতিমধ্যে দুই এজন প্ৰবক্তাই কলেজ এৰি গুচি যায়। দুৰ দুৰণিৰ পৰা অহা ছাত্ৰবোৰে হোষ্টেলৰ দাবী কৰিবলৈ ধৰাত সমস্যা দিনে দিনে বাঢ়িয়ে থাকিল।

১৯৬১ চনত পৌৰ সভাৰ প্ৰথম নিৰ্ব্বাচন অনুষ্ঠিত হয়। জগদানন্দ চক্ৰৱৰ্ত্তীয়ে নিৰ্ব্বাচনত জিকি পৌৰপতি হয়। চক্ৰৱৰ্ত্তীদেৱে পৌৰপতি হোৱাৰ লগে লগে কলেজৰ কাৰণে টকা সংগ্ৰহৰ মোটামুটি দায়িত্ব তেওঁৰ ওপৰতে ন্যস্ত হয়। কলেজ কমিটীয়ে ভাবিছিল এক দুই বছৰতে চৰকাৰৰ পৰা ঘাটি মঞ্জুৰিৰ টকা পোৱা যাব। দৰাচলতে ঘাটি মঞ্জুৰীৰ টকা পোৱাটো এভাৰেষ্ট শৃঙ্গাৰোহণৰ লেখিয়া আছিল। প্ৰয়োজন আছিল বিশ্ববিদ্যালয়ৰ শাখা ভুক্ত হোৱাৰ। সমস্যা আৰু আছিল সেই সময় বিলাসীপাৰাত পৰ্যাপ্ত পৰিমাণত ভাড়া ঘৰ পোৱাটো। প্ৰবক্তা থকাৰ কাৰণে চক্ৰৱৰ্ত্তীদেৱে নিজৰ দুটা কোঠালি কিছুদিনৰ বাবে দিছিল। পিছত তেওঁলোকক বেলেগ ঠাইত ব্যৱস্থা কৰি কোঠালি দুটা ৰাণীগঞ্জৰ পৰা অহা ছাত্ৰ থকাৰ কাৰণে এৰি দিছিল। ১৯৬২ চনত কলেজ কমিটীয়ে প্ৰস্তুত কৰা বাজেটত দেখা যায় কলেজ চলাবলৈ বছৰত তেত্ৰিশ হাজাৰ টকাৰ প্ৰয়োজন। বাজেটখনত এনে ধৰণে লিখা-হৈছিল আৰু হয়তো দুই বছৰ অপেক্ষা কৰিব লাগিব ঘাটি মঞ্জুৰি পোৱাৰ কাৰণে। বিলাসীপাৰাৰ লেখিয়া এখন অৰ্থনৈতিক ভাৱে পিছপৰা ঠাইৰ পৰা বছৰত এইখিনি টকা সংগ্ৰহ কৰাটো দুৰুহ কাম আছিল। উল্লেখ্য ১৯৬০ চনত এক কেজি চাউল, আটা, চেনি আৰু মিঠাতেলৰ দাম আছিল যথাক্ৰমে আঠ অনা, পাঁচ অনা, বাৰো অনা, ২ টকা তিনি অনা। চক্ৰৱৰ্ত্তীদেৱে পৌৰ সভাৰ সভাপতি হোৱাৰ লগে লগে কলেজৰ কাৰণে স্থায়ী পুঁজি গঠনৰ কথা চিন্তা কৰিলে । এইটো ক্ষেত্ৰত তেওঁ টাউন কমিটীৰ হাট বিলাক আগত কলেজৰ নামত ডাকি সেই হাট বিলাক ৰাইজক ডাকিবলৈ দিয়া হয়। এই ব্যৱস্থাৰ ফলত কলেজ ফাণ্ডত বহু পৰিমানৰ টকা আহে। ইয়াৰ পাছত চিনেমা হল আৰু তেল ডিপোৰ পৰা এটা নিৰিখত টকা সংগ্ৰহ কৰা হয়।১৯৬২ চনত চীন ভাৰত যুদ্ধ।কলেজ আকৌ চৰম অৰ্থনৈতিক সংকটৰ গৰাহত পৰে। ১৯৬৩ চনত চৰম সংকট কাল, দুজন প্ৰবক্তাই পদ

ত্যাগ পত্র অধ্যক্ষৰ ওচৰত দাখিল কৰে। বস্তু বাহিনীৰ দাম জ্যামিতিক হাৰে বাঢ়ি যায়। দান বৰঙণি কমি আহে। এইটো সময়ত জমিদাৰৰো অৰ্থনৈতিক অৱস্থা এক চৰম বিপৰ্যয়পূৰ্ণ অবস্থাত উপনীত হয়। তেওঁ নাট মন্দিৰৰ টিন-পাত বিক্ৰী কৰিবলৈ লয়। পৰৱৰ্তী কালত এই নাট মন্দিৰ টোও কলেজৰ অংগ হৈ পৰে। পৌৰসভাৰ নথি পত্ৰত দেখা যায় গঙ্গাৰাম শৰ্ম্মাদেৱক ১৯৬৩ চনত পৌৰসভাৰ পৰা সাতখন কামৰ ঠিকা দিয়া হয়। ১৯৬৩ চনত আন কোনো ঠিকাদাৰেই সাতখন কাম পোৱা নাছিল। দৰচলতে ইয়াৰ লাভাংশ কলেজলৈয়ে গতি কৰিছিল। দেৱাজউদ্দিন সৰকাৰ (সেই সময়ৰ বিধায়ক)ৰ প্ৰচেষ্টাতে ফকৰুদ্দিন আলি আহমেদক (অৰ্থ মন্ত্ৰী, অসম) আৰু দেবকান্ত বৰুৱাদেৱক (শিক্ষামন্ত্ৰী, অসম) বিলাসীপাৰা কলেজলৈ অনা হয় যদিও যি উদ্দেশ্যত অনা হৈছিল সেইটো সফল নহ'ল। চৰকাৰৰ পৰা কোনো অনুদানে লাভ নকৰিলে। কলেজ কমিটীয়ে কলেজখন চলাই ৰখাৰ বাবে হাবাথুৰি খাব লগা হৈছে। মাজে সময়ে কলেজ কৰ্তৃপক্ষৰ বিৰুদ্ধে ছাত্ৰসকলেও ক্ষোভ প্ৰকাশ কৰিবলৈ ধৰিলে। প্ৰবক্তাসকলে এক অনিশ্চয়তাৰ মাজত জীৱন কাটাবলৈ ধৰিলে। চক্ৰৱৰ্ত্তীদেৱে আন সকলৰ লগত ধন সংগ্ৰহ কৰিবলৈ ধৰিলে। সেইটো সময়ত কোনো প্ৰবক্তাকেই কলেজ কমিটীয়ে একেলগে মাহিলি তেওঁলোকৰ দৰমাহৰ ধন আদায় দিব পৰা নাছিল। ১৯৬৬ চনৰ উনত্ৰিশ মাৰ্চত জমিদাৰৰ পৰা পঠোৱা এখন চিঠিত দেখা যায় যে ঘাটি মঞ্জুৰি পোৱাৰ কাৰণে সেই সময়ৰ অধ্যক্ষ শিৱ পূজন ৰামকানুদেৱে জমিদাৰৰ ওচৰত কলেজৰ নাম সলনি কৰাৰ কাৰণে জমিদাৰৰ অনুমতি বিচাৰে। জমিদাৰে সেই বিষয়ে অনুমতি দিয়া নাছিল। সেই সময়ত ছাত্ৰ সকলেও ইয়াৰ বিৰোধিতা কৰিছিল লগতে কলেজ পৰিচালনা সমিতিৰ সদস্যসকলেও কথাটো মানি লব পৰা নাছিল, যদিও জানিব পৰা মতে ১৯৬৬ চনৰ মাজ ভাগত কলেজ কমিটীয়ে কলেজৰ নাম পৰিৱৰ্তনৰ সিদ্ধান্ত লয়। ১৯৬৬, ১২ই চেপ্টেম্বৰৰ তাৰিখে কলেজ প্ৰতিষ্ঠাৰ এগৰাকী অগ্ৰণী ব্যক্তি জগদানন্দ চক্ৰৱৰ্ত্তীদেৱ হঠাতে ইহ জগতৰ পৰা বিদায় লয়। ১৯৭৭ চনৰ ২৩ জুলাইত নৃপেন্দ্ৰ নাৰায়ণ চৌধৰীদেৱেও ইহলীলা ত্যাগ কৰে। নাম পৰিৱৰ্তন কৰিলেই যে ঘাটি মঞ্জুৰি পোৱা যাব সেইটো কিন্তু নহ'ল। তিনি বছৰ পাছত প্ৰথম ছেপ্টেম্বৰ ১৯৬৯ চনতহে কলেজ ঘাটি মঞ্জুৰি লাভ কৰে লগতে কলেজখনৰ আৰ্থিক অনিশ্চয়তাৰ অৱসান ঘটে।

❖❖❖❖❖

# বিৱৰ্তন

✍ ইভাদাস, প্ৰাক্তন ছাত্ৰী

সাগৰ সদৃশ বিশালতাৰে
তুমি যেতিয়া খোজ কাঢ়িছিলা
বহল পৃথিৱীৰ বুকুত
পথ ক্লান্তি থাকিলেও, নাছিল তাত
বিষাদৰ ছাঁ, অৱসাদৰ লেশহীন ভাব।
সহযাত্ৰী নাছিল যদিও, প্ৰেৰণা যোগাই
পাইছিলা ভাল সহযাত্ৰী কৰাৰ।
"বসুধৈৱ কুটুম্বকম" এই ভাৱেৰে
প্ৰেম আৰু ভালপোৱা বিলাই
সকলো নিঃশেষ কৰিও কিবা
এক ঐশ্বৰ্য্য বিভূতিৰে তুমি
প্ৰবাহ মান লুইতৰ দৰে বৈ আছিলা
অনন্ত ধিয়াই।
ঝড়, বাস্তৱৰ বাঘনখিয়া আচোৰত
মোট সলাই ভোগ বিলাসক কৰি
লগৰীয়া তুমি এতিয়া ধন কুবেৰ।
মোৰ দৃষ্টিত তুমি কিন্তু
ৰিক্ত, সিক্ত পথৰ ভিকহু
অমৃতৰ নহয় সন্তান।

# ।। "জীৱনৰ ডুখৰীয়া ছৱি"।।

কিৰণ বৰুৱা, গুৱাহাটী।

স্মৃতি জখলাৰে উঠি আহে
জীৱনৰ ডুখৰীয়া ছৱি
বিক্ষিপ্ত সময়ত,
হৃদয় দাপোনত দেখা পাওঁ
অতীতৰ কিছু উপলব্ধি

অনুভৱৰ সফুঁৰা মেলি
নিস্তব্ধ প্ৰান্তৰত
স্তব্ধ হৈ ৰ'লো অকলশৰে।।

বহুতো উজাগৰি নিশা
হাঁহি কান্দোনৰ
বুকুৰ গভীৰত স্পন্দন হয়
অপ্ৰকাশিত শব্দবোৰ।
জীৱণৰ ডৰিয়লীত
সংগ্ৰামী জীৱন মূহূৰ্ত্তবোৰ
সমৃদ্ধৰ সেউজীয়া পথাৰত
প্ৰসাৰিত পোহৰৰ ঢৌ।।

কত ঘাট-প্ৰতিঘাট,
কত ধুমুহাৰ সতে যুঁজি
ক্লান্ত শ্ৰান্ত পৰিশ্ৰান্ত,
এক অদৃশ্য শকতিয়ে
হাতে হাত ধৰি
আগুৱাই লৈ যায়
সোঁৱৰণীৰ অটল গভীৰলৈ;

ঋতুয়ে ঋতুয়ে
কথা পাতে
সোণ সেৰীয়া মাটিৰ
চৌদিশে কোলাহল
উশৃঙ্খলতাৰ,
এবুকু ক্লান্তিৰে ভৰা
সমগ্ৰ সত্ত্বা;
স্মৃতিৰ সফুঁৰা মেলি
দৃশ্যমান হয়
কিছুমান অস্পষ্ট ছৱি
সোণালী দিনৰ।।

সময়বোৰ গৈ থাকে
কব নোৱাৰাকৈয়ে,
জোনাকী আশাৰে জীপ লোৱা
স্বপ্নৰ ফুল বুটলি বুটলি
উমলি ফুৰে
প্ৰাচীন দিনৰ
প্ৰতিচ্ছৱি খনিত।।



# ছাইকেল

দেৱপ্ৰসাদ তালুকদাৰ

ভয়ে মেৰিয়াই থোৱা ৰাতিৰ অন্তত
ক্লান্ত বতাহছাটি
নামি আহে পুৱাৰ পোহৰত

আৰু সেউজীয়াত হাত থৈ
সেউজীয়া কৰে মোৰ চকুৰ পতা
আৰু মই ছাইকেলৰ টিলিঙাটো
সোলোকাই থৈ
দোকমোকালিৰ বাঁহীৰ সুৰ এটা আঁৰি লৈ
পেডেলত ভৰি দিওঁ
ভিৰৰ মাজে মাজে

চেইন পৰা ছাইকেলখনৰ
চেইনডাল পুনৰ তুলি লওঁ
লুনীয়া ঘামত তিতিলেও
চৰাইৰ গানে মুহি থোৱা ছাঁত
শাঁত পৰি যায় মোৰ কলিজা
জাৰত ঠেঁটুৰা লাগি
উত্তাপ বিচাৰোঁ দুহাত মোহাৰি
খহটা শিলে কাটে মোৰ ছাইকেলৰ টায়াৰ
খলাবমা শিলে জীৰ্ণ ছাইকেলৰ শব্দ
কাতৰ সময়



ভগা দলং বিচ্ছিন্ন.... .....
ইপাৰ সিপাৰ
মাথোঁ চাই ৰওঁ, কান্ধত তুলি
ছাইকেল
ছাইকেলত ভেজা দি ব্যস্ত
চাৰিআলিত
ডাৱৰে খেলি থকা আকাশখনলৈ
মূৰ তুলি চাওঁ
দোপালপিটা বৰষুণ এজাকৰ
কামনাৰে
সপোনবোৰ ওপঙি ফুৰে
বুকুৰ খিৰিকি খুলি
মই উভতি আহোঁ
বেলি লহিওৱাৰ পৰত
কিছু আশা, কিছু নিৰাশা
ওপচাই মোৰ ছাইকেলখনত।

# বিলাসীপাৰা মহাবিদ্যালয়

শ্ৰীনিখিল কুমাৰ বসুমতাৰী
(বাৰ্ষি)

পশ্চিম অসমৰ সীমান্তত
ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমান্তৰ্গত
অগনন ৰাইজৰ সপোন
তুমিয়ে কৰিছা দিঠকত পূৰণ।
ন-ন ছাত্ৰ-ছাত্ৰীৰ
ন চকুযুৰিত
জ্ঞানৰ দীপ্তি ছটিয়াই
তুমি গৈ আছা
জ্ঞান পোহৰৰ পথলৈ
প্ৰকৃত মানুহ গঢ়িবলৈ।
তুমি জমিদাৰ
নৃপেন্দ্ৰ নাৰায়ন চৌধুৰীৰ
ঐতিহ্য ইতিহাস
তুমি তেওঁৰেই সোঁৰৰণী
অজৰ-অমৰ স্মৃতি।

তোমাৰ চৌপাশে আকাশে-বতাহে
আজিও প্ৰতিধ্বনি হয়
ৰাজা নৃপেন্দ্ৰ নাৰায়ন চৌধুৰী
আৰু ৰাণী বেদৱালাৰ
বিৰহ-মিলনৰ জীৱন কাহিনী।
ইয়াতেই এদিন
মহাসমাৰোহ শাৰদীয় উৎসৱ পাতি
দশভুজাক দিছিল
ম'হ-পঠাৰ বলি
আৰু আজি
ইয়াতেই উদ্ভৱ হ'ল
জ্ঞান আহোৰণৰ কেন্দ্ৰ
মানুহ গঢ়াৰ কাৰুমালা।
অসুৰক নিধন কৰি
দশভূজা দুৰ্গাই কৰিছিল
শান্তিৰে প্ৰতিপালন যেনেকৈ
অজ্ঞান-আন্ধাৰ বিনাশী
তুমিও বিলাইছা
জ্ঞানৰ পোহৰ তেনেকৈ.
জ্ঞান পিপাসু সকলে ইয়াতেই তপস্যা কৰি
হৈছে শিক্ষক, কবি, সাহিত্যিক, শিল্পী
বৈজ্ঞানিক, দাৰ্শনিক
কিম্বা সমাজৰ দেশৰ নায়ক ভৱিষ্যতৰ।
সোনোৱালী আখৰেৰে
অনুষ্ঠান পত্ৰত লিখা আছে
প্ৰতিষ্ঠাপক হিচাপ জগদানন্দ চক্ৰৱৰ্ত্তী, নৃপেন্দ্ৰনাথ
চক্ৰৱৰ্ত্তী
গঙ্গাৰাম শৰ্ম্মা, লক্ষীনাৰায়ণ আগৰৱালা
দেৱাজ উদ্দিন সৰকাৰ, মহেন্দ্ৰ কুমাৰ সাহা,
আৰু বহুতৰে নাম।
সৌৱা সময় সোঁতত
ক'লা, বগা ডেউকাৰে
মৰমৰ পখিলাবোৰে
উৰি উৰি নাচি নাচি
গুছি গ'ল দূৰ দূৰান্তলৈ .....
কিন্তু তুমি আছা
আজিও আছা
বিলাসীপাৰা গৌৰাং পাৰত
চিৰ যুগমীয়া হৈ।
সোনালী জয়ন্তীত
তোমাক জনাওঁ পৰমানন্দে
ভকতি অঞ্জলি।

☺☺☺☺☺☺☺☺☺

# বাংলা বিভাগ



# বিলাসীপাড়ার রঙিন দিনগুলি

ডক্টর অরুণ কুমার চক্রবর্তী
প্রাক্তন উপাধ্যক্ষ ও ভারপ্রাপ্ত অধ্যক্ষ,
বিলাসীপাড়া কলেজ।

আমার বড় ভগ্নীপতি ছিলেন কলকাতার এক বিখ্যাত কলেজর নামী অধ্যাপক। ছোট বেলা থেকেওঁকে দেখেছি, উনি ছিলেন আমার জীবনের আদর্শ। আমারও বাসনা ছিল, ওনার মত অধ্যাপক হব। তাই ভারতীয় রেলের উচ্চ বিদ্যালয়ের নিরাপদ সুখ স্বাচ্ছন্দ্যের শিক্ষকতার চাকরি ছেড়ে আসামের পাড়াগাঁয়ের 'ভেন্সার' কলেজে ডাক পাওয়া মাত্র কাজ করতে যেতে আমার বিন্দুমাত্র দ্বিধা হয়নি।

বিলাসীপাড়ায় আমার প্রথম দিনটির কথা মনে পড়ে। সেটি ছিল শীতের ভোৱ, জানুয়ারী মাস, কুলু কুলু করে বয়ে চলা ছোট নদী গৌরাঙ্গের পারে সেকালের জমিদারের তৈরি করা রঙ্মহলা বাড়ি। সেই বাড়িতে প্রভাতী কলেজ। সকাল ৬ টা থেকে ক্লাশ আরম্ভ হয়। অধ্যক্ষ ও পরিচালনা সমিতির সঙ্গে সাক্ষাৎ হল। তাঁরা আমাকে দেখলেন, শিক্ষার প্রমাণ পত্র গুলি দেখলেন, তারপর নিজেদের মধ্যে আলোচনা করলেন। যথাসময়ে আমি একটি নিয়োগ পত্র হাতে পেলাম। ওদের সকলের সহজ সরল আন্তরিক ব্যবহার আমাকে মুগ্ধ করলো। অধ্যক্ষ মাননীয় শিবপুজন রাম কানু, শ্রী গোপাল চন্দ্র কলিতা ও শ্রী মনোমোহন দাসের সঙ্গে আমিও সেই মুহূর্ত থেকে বিলাসীপাড়া কলেজের একজন সদস্য হয়ে গেলাম। সেটি ১৯৬৩ সাল। তখন অবশ্য কলেজের নাম ছিল নৃপেন্দ্র নারায়ণ চৌধুরী কলেজ।

কলেজের কাছেই আসাম প্যাটানের একটি সুন্দর ভাড়া বাড়িতে অধ্যাপকদেৱ 'লজ'। সেখানে আমার থাকার ব্যবস্থা হল। ওখানে আরও দুজন ছিলেন। একজন ইংরাজীর অধ্যাপক, বর্ষিয়ান ডক্টর ব্যানার্জী, অপরজন বাংলার যুবক অধ্যাপক সাঁতরা। প্রথম সাক্ষাৎ থেকেই আমাদের মধ্যে বন্ধুত্ব গড়ে ওঠে।

পরদিন সকালে প্রথম ক্লাশে গিয়েই আমার বিস্মিত হবার পালা। আমি তখন বিশ্ববিদ্যালয়ের গণ্ডীপেরিয়ে আসা সদ্য যুবক, সামনের বেঞ্চে বসা ৮/১০ জন মধ্য বয়সী লোক, কেউ শিক্ষক, কেউ বা সরকারি কর্মচারী। তাদের কাউকেই ছাত্র বলে মনে হয় না। তবু তার মধ্যে মনের দুর দুর ভাব গোপন করে প্রথম পরিচয় পর্ব সারা হলে পর সকলে বিপুল আগ্রহে নবাগত অধ্যাপককে বরণ করে নিলেন। ইংরাজীর মাধ্যমে পাঠদান ব্যবস্থা। প্রথম দিনের প্রবল কুৰ্ঝটিকা সদৃশ বক্তৃতায় বোঝা না বোঝার বিস্ময়ে শ্রোতৃকুল বিস্ময়ে বিমূঢ়। তবু ছাত্র শিক্ষকের পরিমিত সম্পর্কের বাইরে গিয়ে সকলের সঙ্গে আন্তরিক বন্ধুত্বপূর্ণ সম্পর্ক গড়ে উঠতে দেরি হয়না।

সকাল ৬টা থেকে ১০টার মধ্যে কলেজের কাজ শেষ করে লজে সারাদিন আলস্যে অবকাশ যাপন। ডক্টর ব্যানার্জী বাঁকুড়া খ্রীষ্টান কলেজের অবসরপ্রাপ্ত পোড় খাওয়া অধ্যাপক। তিনি তার জীৱনের অভিজ্ঞতার কথা বলতেন। অবসর নেবার পর বাড়িতে মন টিকতো না বলে একদিন কাগজের বিজ্ঞাপন দেখে এতদূর চলে এসেছেন, নতুন করে ছাত্র-ছাত্রীদের মধ্যে জীবন কাটাবেন বলে। সন্ধ্যা হলে স্যুট, টাই পড়ে একটি রিক্সা নিয়ে বেড়িয়ে পড়তেন। কোথায় কোথায় ঘুরে রাত্রি ৮/৯ টায় যখন রিক্সা করে ফিরতেন, তাঁর পা ঈষৎ টলতো, গলা থেকে বেরিয়ে আসতো এলোমেলো গুণ গুণ সুর। তিনি সরাসরি বিছানায় শুয়ে পড়তেন। যথাসময়ে তাঁকে উঠিয়ে রাতের খাবারের ব্যবস্থা করতে হত। এমনিতে সজ্জন, তাঁর জ্ঞানের গভীরতা ও পড়ানোর নাউকীয় ভঙ্গী ছাত্র মহলে আকর্ষণীয় ছিল।

অধ্যাপক সাঁতরা মেদিনিপুর নিবাসী এক মধ্যবিত্ত পরিবারের সন্তান। অভিভাবকেরা এক ভুস্বামীর আদরের কন্যার সঙ্গে তাঁর বিবাহের আয়োজন করিছিলেন। সেই কন্যা ঘোড়ায় চড়ে চাবুক হাতে জমিদারি তদারকি করেন, চারপাসের খবর রাখেন। বীজ, সার, খাজনা ইত্যাদি নিজ দায়িত্বে সম্পন্ন করেন। এহেন দুর্গেশ নন্দিনীকে জীবন সাথী করার ভয়ে এইদূর প্রান্তে একরকম পালিয়ে এসেছেন।

ওই বাসস্থানে আমরা তিনজন কিছুদিন একসঙ্গে ছিলাম। গ্রীষ্ম বা বসন্তের রাতে দীর্ঘ বারান্দায় পাশাপাশি বসে থাকতাম। বর্ষায় টিনের চালে অবিশ্রান্ত বৃষ্টির শব্দের নেপথ্যে দপদপানির মধ্যে ডক্তর ব্যানার্জী সেক্সপীয়র অথবা শ্যেলী আওড়াতেন। সাঁতরার প্রিয় ছিল রবীন্দ্রনাথ। সময় কোথা দিয়ে কেটে যেত। আমাদের খাবার পবিত্র হোটেল থাকে বিল্লি নিয়ে আসতো। সামনের রাস্তার ওপারে থাকতো বিন্দু, জমিদারের

একসময়ের তেজস্বী লাঠিয়াল, মাথায় ঝাঁকড়া চুল। আমাদের খোঁজ খবর রাখতো, ছোট খাট ফাইফরমাস খাটতো। সামনের মাঠে অজস্র সজনা গাছ, রাশি রাশি ডাটা ঝুলে থাকতো। মাঝে মাঝে বিল্লির মা সরসাবাটা সহযোগে সজনা ডাটার চচ্চরি দিয়ে যেত বাটি ভর্তি করে। বৃষ্টির রাতে পবিত্র হোটেলের খাবারের সঙ্গে সেই চচ্চড়ি জমতো খুব ভাল।

আমাদের এই সংসার বেশিদিন টেকেনি। ব্যানার্জী বাবুর শরীর খারাপের বার্তা যায় তাঁর বাড়িতে। এতদিন ওরা জানতো না তিনি কোথায় আছেন। এক শুভদিনে ওনার ছেলে এসে বাবাকে নিয়ে যায়। একপর সাঁতরা বাবুরও বেশিদিন থাকা হয়নি। দুর্গেশ নন্দিনী ভাবী পত্নী পেয়াদা পাঠিয়ে তাঁকে নিয়ে যাবার আগেই তিনি স্বেচ্ছায় এই কর্মস্থল ত্যাগ করে শান্ত ছেলের মত বাড়ি ফিরে যান।

এরপর একে একে নতুন অধ্যাপকরা আসতে থাকেন। কুচবিহার থেকে আসেন দর্শন শাস্ত্রের অধ্যাপক মহম্মদ হোসেন, কলকাতা থেকে বাংলার গীতা গুহরায় ও ইংরাজীর মানিক মুখার্জী, নওগাঁ থেকে অর্থনীতিৰ প্রণব মহন্ত ও যোৰহাট থেকে আসেন ইতিহাসের অধ্যাপক রবীন বরঠাকুর। এই ভাবে বিলাসীপাড়া কলেজ যোলকলায় পূর্ণ হতে থাকে। হোসেন ও গুহরায় বাদে বারিদের স্থান হয় 'লজে'। সকালে কর্মব্যস্ততার পর সারা বিকেল আমাদের অবকাশ।

তখনো বিলাসীপাড়ায় ইলেকট্রিক লাইটের প্রবেশ ঘটেনি। চাঁদের হাসি যে এত উজ্জ্বল, এত নির্মল, সেটা ওখানে নতুন করে উপলব্ধি হয়। নিস্তরঙ্গ পল্লীর মেঠো পথগুলি উজ্জ্বল জ্যোৎস্নায় উদ্ভাষিত হয়ে থাকতো। গৌরাঙ্গ তখন পূর্ণ যৌবনা। কলেজের পাশেই ঘাটে সার সার নৌকা বাঁধা থাকতো। যে কোণ একটি পছন্দ করে নিয়ে শুরু হত নৌকা বিহার। অধ্যাপক মুখার্জীর শুধু ইংরাজী সাহিত্যের ওপর ভাল দখল তাই নয়, নৌকা চালানোতেও তিনি ছিলেন পারদর্শী। এক একদিন নৌকা চালিয়ে নদীর অনেকটা দূরে চলে যাওয়া হ'ত। ওপারে দিগন্ত ব্যাপী সবুজ ক্ষেত ও তারপর নীলকান্ত টোকরাবান্ধা পাহার। সে এক অপূর্ব স্বপ্নরাজ্য বলে মনে হ'ত। কোন কোন দিন পায়ে হেঁটে চলে যাওয়া হ'ত দূরবর্তী গ্রাম, রোকাখাতা, হাঁকামা, সেখানে আমাদের ছাত্র-ছাত্রী ও তাদের অভিভাবকদের আদর আপ্যায়ণ ভুলবার নয়। বিলাসীপাড়ায় ইন্দ্র নারায়ণ একডেমি নামে একটি বাংলা ও রোকাখাতা উচ্চ বিদ্যালয় একটি অসমীয়া মাধ্যমের স্কুল দীর্ঘদিন থেকে অত্যন্ত সুনামের সঙ্গে শিক্ষাদানের দায়িত্ব পালন কলে করে আসছিল। এছাড়াও আশে পাশে আরও অনেকগুলি স্কুল ছিল। বর্তমানে একটি কলেজ হয়ে যেন শিক্ষার যোলকলা পূর্ণ হয়েছে। স্থানীয় সব সম্প্রদায়ের মানুষ এতে আনন্দিত। তখন ছাত্র-ছাত্রীর সংখ্যা কম থাকায় তাদের সকলের পরিবারের সঙ্গে ঘনিষ্ঠ সম্পর্ক গড়ে উঠেছিল। সামাজিক ও পারিবারিক অনুষ্ঠানে আমন্ত্রণ জুটতো।

কলেজের পেছনে ছিল জমিদার শ্রীযুক্ত নৃপেন্দ্র নারায়ণ চৌধুরীর সুদৃশ্য দ্বিতল বাড়ি। ইট. চুন, সুরকির পাকা অট্টালিকার ওপর জাপানী টাইলসের প্যাগোডা সদৃশ ছাদ। তার ওপর রঙিন কাচে আচ্ছাদিত মিনি প্যাগোডা ধরণের চূড়া। ওখান থেকে চারিদিকের দৃশ্যাবলীর দিকে তাকিয়ে মনে হবে নয়নাভিরাম কোন বিদেশের পর্যটন কেন্দ্র ।

তখন জমিদারি ছিলনা, কিন্তু জমিদারি মেজাজ ছিল। শ্রীনৃপেন্দ্র নারায়ণ চৌধুরী বিগত ২০ বছর নাকি দোতলা থেকে নিচে নামেন নি। এক সময় তিনি ছিলেন দোর্দন্ড প্রতাপী, খেয়ালী, বিলাস ব্যসনে সদা নিমগ্ন। জমিদারির কাজ কর্মচারীদের ওপর ন্যস্ত করে নিজ দেশ বিদেশে ঘুরে বেরাতেন। কলকাতা ও বিভিন্ন স্থানে নামী হোটেল তার জন্য ঘর বুক করা থাকতো। কিন্তু আমাদের সঙ্গে যখন দেখা হ'ল, তিনি তখন সর্বত্যাগী তাপস, ছোট খাট সৌম্য চেহারার সান্ত সুপুরুষ। নিজে পন্ডীচেরী অরবিন্দ আশ্রমে শ্রীমার অনুগত ভক্ত, ঋষি অরবিন্দের গ্রন্থবাজীর মধ্যে ভুবে থাকেন। তাঁর সাধের রঙমহল ও নাট মন্দিরের চত্বরে নতুন যুগের ছেলে মেয়েরা উচ্চ শিক্ষা পাচ্ছে, এতে তিনি বেজায় খুশি। নদীর ওপরের বিস্তীর্ণ চর এলাকার মুছলমান প্রজারা দীর্ঘদিন ধরে তাদের পরিশ্রমের ফসলে তাঁর অন্ন, বস্ত্র ও বিলাসের রসদ জুগিয়েছে। এখন তাদেরই সন্তানরা তাঁর দানে গড়ে ওঠা মহাবিদ্যালয়ে উচ্চ শিক্ষার সুযোগ পাবে, এতে তিনি অন্তরে গরম সন্তোষ অনুভব করেন।

বিলাসীপাড়া কলেজের রূপকারদের কথা এ প্রসঙ্গে উল্লেখ না করলেই নয়। সর্বাগ্রে যাদের নাম মনে পড়ে তাঁরা হলেন শ্রীজগদানন্দ চক্রবর্তী, শ্রীগঙ্গারাম শর্মা, শ্রীলক্ষী নারায়ন আগারওয়ালা, শ্রীশিব কুমার চক্রবর্তী, শ্রীনৃপেন্দ্র নাথ চক্রবর্তী, শ্রীদেরাজুদ্দিন সরকার প্রমুখ। স্ব স্ব ক্ষেত্রে এরা প্রত্যেকেই বিশিষ্টি, বিশেষ ভাবে স্মরণীয়। এদের বিষয়ে বিস্তারিত লেখার অবকাশ বর্তমান আলোচনাতে নেই। তবু বিলাসীপাড়ায় সেই সময়ে শিক্ষা বিস্তারের প্রতি তাদের নিষ্ঠা, শ্রম ও আন্তরিক ভাসবাসার কথা বিস্মরণ হলে কৃতঘ্নতা হবে।

শ্রীযুক্ত জগদানন্দ চক্রবর্তী ছিলেন টাউন কমিটির চেয়ারম্যান। মূলত টাউন কমিটির অনুদানই ছিল

কলেজের আয়ের প্রধান উৎস। বিলাসীপাড়ায় ধান, পাট, বাঁশ, গবাদি পশু ইত্যাদির ভিন্ন ভিন্ন হাট ছিল। সেখানে প্রতি বছর খাজনা তোলার ব্যাপারে নিলাম হত। এই নিলামের বেশির ভাগ টাকাই কলেজ ফান্ডে জমা পড়তো। প্রতি বছর যাতে বেশি টাকা জমা পড়ে, যাতে ঠিকমত টোল আদায় হয়, অধ্যাপকদের বেতন পেতে যাতে অসুবিধা না হয়, এবিষয়ে জগদাবাবু অতীব সতর্ক থাকতেন। শুধু তাই নয়, তাদের থাকা খাওয়ার বিষয়ে তিনি প্রায়ই খোঁজ করতেন ও কখনো সন্ধ্যাকালে নিজে এসে তাদের সঙ্গদান করতেন।

লক্ষ্মীনারায়ণ আগারওয়ালা ছিলেন কলেজের 'ট্রেজারার'। তাঁর ভান্ডারে কলেজ ফান্ডে যা জমা পড়তো, প্রতি মাসে প্রায় তার চেয়ে বেশি তাঁকে দিতে হত, এবং তিনিও হাসি মুখে সেই দায় বহন করতেন। কখনো কখনো ওঁর গদির পাশ দিয়ে গেলে সন্ধ্যাকালে বাড়ির ভেতরে ডেকে নিয়ে নানা রকম উপাদেয় খাদ্য দিয়ে আপ্যায়ন করতেন।



শ্রীগঙ্গারাম শর্মা ছিলেন কলেজের সভাপতি। মারোয়ারী সম্প্রদায় ভুক্ত হলেও তিনি ছিলেন ব্যাতিক্রমী। তাঁর আর্থিক সচ্ছলতা ছিল না। তবু অধ্যাপকদের যাতে কষ্ট না হয় সে বিষয়ে তিনি ছিলেন সদা সতর্ক। নিলামদের কাছ থেকে নিয়মিত অর্থ সংগ্রহ করা ও মাসের প্রথমেই বেতন দেবার ব্যাপারে তাঁর চেষ্টার ত্রুটি ছিল না।

একবার পূঁজোর মাস। বাড়ি যাবার তাড়া। সে মাসে বেতন পেতে বিলম্ব হচ্ছে। শর্মাজি বলেছেন, যে ভাবেই হোক সময় মত তিনি ঠিক টাকা মিটিয়ে দেবেন। কিন্তু আমাদের যাবার দিন যত এগিয়ে আসছে উৎকণ্ঠা তাই বাড়ছে। শর্মাজির দেখা নাই, টাকারও নাম গন্ধ নেই। অবশেষে নির্দিষ্ট দিনে হতাশ মনে ফকীরাগ্রাম জংশনে গেছি, ট্রেনে চেপে বসেছি। ট্রেন ছাড়ার সময় হয়ে এল। এমন সময় হন্ত-দন্ত হয়ে শর্মাজি ট্রেনে প্রবেশ করেন ও আমাদের সকলের হাতে টাকা পোঁছে দেন। বিলাসীপাড়া থেকে সাইকেল চালিয়ে তিনি সেদিন এসেছিলেন গরমে ঘেমে শুধু নিজের কথা রাখার তাগিদে, যে করেই হোক বাড়ি যাবার আগে বেতনের টাকা পৌঁছে দেবেন বলে কথা দিয়েছিলেন। কলেজকে ওরা কত ভালবাসতেন ও থেকে বোঝা যায়। সে সবদিন আর সে সব মানুষ আর দেখা যাবে কি?

শ্রীশিব কুমার চক্রবর্তী, শ্রীনৃপেন্দ্র নাথ চক্রবর্তী ও দেরাজুদ্দিন সরকার এরা নিজদের শত ব্যস্ততার মধ্যেও প্রয়োজনের মুহূর্তে কলেজের কাজে এগিয়ে এসেছেন। উল্লেখ করা ব্যক্তিরা ছাড়াও বিলাসীপাড়ার অজস্র সাধারণ মানুষের অবদান আছে কলেজের পেছনে। কলেজের টেবিল, চেয়ার, আলমারি থেকে শুরু করে প্রয়োজনীয় সামগ্রী তারা দান করেছেন নির্দ্বিধায়। নিত্য বাজারের চাষী, ব্যাপারী, শব্জি বিক্রেতারা হাসিমুখে কলেজের নামে টাউন কমিটির তোলা দিয়েছেন। তারা বলতেন, "আমাগো ছেলে মেয়েরা ওখানে পড়বার পরছে, আমরা দিমুনা ক্যান্?"

বিলাসীপাড়া তখন ছিল পাড়াগাঁ। এখন সেটি মহকুমা শহর। এখানে সরকারি সদর দপ্তর, কোর্ট, কাছারি, ট্রেজারি ও ব্যাঙ্ক নানা ধরনের অফিস তৈরি হয়েছে। এই সব চাষা, ব্যাপারী ও খেটে খাওয়া মানুষের সন্তানেরা আজ সরকারি ও বেসরকারি দপ্তরে নানা গুরুত্বপূর্ণ পদের দায়িত্ব সামলানোর যোগ্য হয়েছে, একি কম আনন্দের? ওদের সে দিনের স্বার্থ ত্যাগ ও নিষ্ঠা বিফলে যায়নি। কলকাতার ব্যস্ত জীবন ও আলিপুর দুয়ার জংশনের সুশৃংঙ্খল বেলওয়ে শহর ছেড়ে বিলাসীপাড়ার শান্ত নিস্তরঙ্গ জীবনকে রূপকথার দেশ বলে মনে হত। নদীর চরে এক পা তুলে বক যেমন সারাদিন নিস্পন্দ হয়ে কিসের ধ্যানে মগ্ন থাকে, সেই রকম মনে হত জগৎ সংসারের ব্যস্ততা থেকে বহুদূরে এক অবাস্তব কল্পলোকে বিলাসীপাড়া তার নিজস্ব ভাবনায় নিমগ্ন। এখানে শাক পাচালির অজস্র ফলন। চরের তৈলাক্ত বড় বড় বেগুন ২ আনা কিলো। দিনের শেষে বিক্রি না হলে রাস্তার ওপর বস্তা উপর করে চাষিরা ঢেলে রেখে যেত, কে আবার বোঝা টানবে? নদী বা বিল থেকে সদ্য তুলে আনা তাজা মাছ। চার আনা দিয়ে এক ভাগা আনলে গৃহস্তের দুবেলা হয়ে যায়। এক টাকায় তখন ১৬ টা ডিম।

আমাদের বেতনের কথা শুনলে এখনকার অধ্যাপকেরা হাসবেন। তবু তার মধ্যে লজ ভাড়া, মিল চার্জ ও অন্যান্য খরচ মিটিয়েও বাড়িতে গাঠাবার মত কিছু সাশ্রয় হ'ত।

ইতিমধ্যে লজের সদস্য সংখ্যা বৃদ্ধি পাওয়ায় সেখানেই রান্নার ব্যবস্থা হয়েছে। শুখদেও ছিল রান্নার দায়িত্বে। একদা জমিদারের বিশ্বস্ত কর্মচারী শুখদেও ছিল একাধারে কলেজের দারোয়ান কম পিওন, সেই সঙ্গে লজের "কেয়ার টেকার', নীরব একনিষ্ঠ কর্মী। ওর রান্নার হাতটিছিল চমৎকার।

সেই সময়কার বিলাসীপাড়ার কথা বলতে গেলে বাজারের প্রান্তে পরিত্যক্ত পাট গুদামটার কথা বলতেই হয়। ও টাই ছিল ইন্দ্রপুরী টকিজ। মাঝে দল বেধে আমরা গেছি দেবদাস বা উড়নখাটোলার মত ছবি দেখতে। ওখান থেকেই এক স্ফুলিঙ্গ উঠে একদিন বিলাসীপাড়া শান্ত জীবনকে তছনছ করে দিয়েছিল। আগের দিন রাতে আসাম বেটেলিয়ানের কয়েকজন জোয়ানের সঙ্গে স্থানীয় কিছু যুবকের বচসা হয়। তার সূত্রে ধরে পরদিন বন্ধ, পথ অবরোধ ও পুলিশের গুলি। তাতে কয়েকজন আহত হয়ে হাসপাতালে গেল। অবরোধ তুলবার অভিপ্রায়ে রাস্তায় বেরিয়ে সেদিন পুলিশের গুলিতে প্রাণ দিলেন বিলাসীপাড়া টাউন কমিটির চেয়ারম্যান শ্রীযুক্ত জগদানন্দ চক্রবর্তী। বিলাসীপাড়া একমাস ব্যাপী শোক পালন করা হয়েছিল। তখন তাঁর সন্তানরা অলক, পুলক, দীপক ও কল্যাণ সকলেই নাবালক। আমাদের পক্ষে সেটা ছিল এক মর্মান্তিক আঘাত। একজন প্রকৃত অভিভাবক হারাবার ব্যথায় আমরা শোকে মুহ্যমান হয়ে পড়েছিলাম।

১৯৬৯ সালের সেপ্তেম্বর মাস থেকে কলেজ পুরোপুরী সরকারি অনুদানের আওতায় আসে। ইতিমধ্যে কলেজের ছাত্র ও শিক্ষক সংখ্যা বৃদ্ধি পেয়েছে, নিয়ম শৃঙ্খলা কড়াকড়ি হয়, মামলা মোকদ্দমা জটিলতা শুরু হয়। নতুন নতুন প্রিন্সিপাল আসেন, আবার চলেও যান। এমনই এক অন্তর্বর্তী সময়ে আমাকেও একাদিক্রমে কয়েকবছর অধ্যক্ষর গুরু দায়িত্ব পালন করতে হয়। দুর্ভাগ্য ক্রমে সেই সময় সারা আসাম অধ্যাপকদের পরীক্ষা বয়কট কর্মসূচি পালিত হয়। কিন্তু সরকারি নির্দেশ ও ব্যবস্থাজনায় পরীক্ষা কার্য চালাতে হয়। পরীক্ষার শুরুতে একগুচ্ছ সশস্ত্র জোওয়ানের সঙ্গে গিয়ে থানা থেকে প্রশ্নপত্র আনা ও পরীক্ষার শেষে উত্তর পত্র জমা দিয়ে আসার দৃশ্য এখনো অনেকে ভুলতে পারেননি।

এই সময়কার একটি ঘটনা। কাহিলীপাড়ার ডি.পি. আই -এর অফিসে গেছি কলেজের কাজে। মাননীয় বি. ডি. শর্মা তখন ডি. পি. আই। বিলাসীপাড়া কলেজের জন্য একটি নতুন লেকচারারের পোষ্ট অনুমোদিত হয়েছে। তিনি জিজ্ঞেস করলেন, ওখানে অনুমোদিত ভাবে কেউ কাজে বহাল আছে কি না? বললাম, না ওই 'পোষ্ট'-এ আমরা একজন নতুন অধ্যাপক নিযুক্ত করবো, ও একটি বিষয়ে অনার্স কোর্স চালু করা হবে।"

তিনি বললেন, এই 'পোষ্ট' শুধু মাত্র কর্মরত লেকচারারদের জন্য, নতুন 'পোষ্ট' তৈরি করার জন্য নয়। তিনি পিওনকে দিয়ে ডিলিং এসিসটেন্ট দেব বাবুকে ডেকে এনে নতুন 'স্যাংশান লিষ্ট' থেকে বিলাসীপাড়া কলেজের নাম কেটে দিতে বলনেন। দেব বাবুও 'বারু' বলে চলে গেল।

আমি বোকার মত বসে রইলাম। একটু পরে ধীরে ধীরে বললাম, "স্যার, আপুনি বিলাসীপাড়া কলেজের নামটি কেটে দিলেন, এতে আপনার কত সময় লাগলো? এক মিনিটও নয়। অথচ দশ বছ্র ধরে আমরা একটা নতুন 'পোষ্ট'-এর জন্য আবেদন করে চলেছি। এতদিন বিলাসীপাড়ার ছেলেরা শুধু 'পাশ কোর্সে'-পড়াশোনা করছে। এতদিনে ওরা একটু আশার আলো দেখতে পেয়েছিল এই প্রথম একটি বিষটে 'অনার্স' হবে। আপনি স্যার এক মিনিটে ওদের আশা নষ্ট করে দিলেন। এখন আমি ওদের সামনে মুখ দেখাবো কি করে? বলবোই বা কি?" কথা বলতে বলতে আবেগে আমার চোখ আর্দ্র হয়ে গেল। মিষ্টার শর্মা আমার কথা শুনে কিছুক্ষণ চুপ করে থাকলেন। তারপর পিওনকে দিয়ে আবার দেব বাবুকে ডেকে এনে বললেন, "দেব, বিলাসীপাড়া কলেজের নামটা কাটার দরকার নেই। ওটা যেমন আছে, তেমন থাক।"

'বারু' বলে দেব বাবু চলে যাবার পর আমার দিকে তাকিয়ে তিনি বললেন, "কি, এবার খুশি তো? আপনারা অনার্স খোলার ব্যবস্থা করুন।"

মিষ্টার বি. ডি. শর্মার আপাত কঠোর মুখোসের আড়ালে এক সহৃদয় অন্তরের পরিচয় আরও কয়েকবাব পেয়েছি। সেবারেই আমাদের প্রথম অর্থনীতিতে অনার্স কোর্স চালু করা হয়।

এই সময় আমি ঈশ্বরের অনুগ্রহে বিশ্ববিদ্যালয় মঞ্জুরি কমিশনের 'টিচার ফেলোশিপ' পাই ও কলেজ থেকে এক বছরের ছুটি নিয়ে বাঁচি বিশ্ববিদ্যালয়ে 'শিক্ষক সদস্য' হিসাবে গবেষণার কাজ শুরু করি। ছুটির অবসানে কলেজের কাজে যোগ দিতে হয়, গবেষণার কাজও চলতে থাকে। ইতিমধ্যে অধ্যাপক প্রণব কুমার মহন্ত ও অধ্যাপক রেবতী মোহন সাহা ডক্টরেট হয়ে যান। আমরা গবেষণা পত্র জমা দেবার পর আমার গাইড ডক্টর এল.পি. বিদ্যার্থীর দেহান্ত ঘটে, ফলে ব্যাপারটি বিলম্বিত হতে থাকে। শেষে নতুন একজন গাইড ডক্টর এল.এন. মিশ্রর অধীনে পরীক্ষা পর্ব সমাপ্ত করে ১৯৮৭ সালে আমার পি.এইচ.ডি ডিগ্রী লাভ হয়। এভাবে জীবনে আরও একটি

সাধ পূর্ণ হয়।

১৯৯০ সালের পর অধ্যক্ষ শিবপুজন রাম কানু ও অধ্যাপক মনোমোহন দাসের অবসর গ্রহণের পর স্থায়ীভাবে কলেজের উপাধ্যক্ষ ও অস্থায়ী ভাবে অন্তর্বর্তী সময়ের জন্য ভারপ্রাপ্ত অধ্যক্ষ হিসাবে কলেজ নির্মানের কর্মকাণ্ডের সঙ্গে যুক্ত হতে হয়। এই সময় কলেজে বিজ্ঞান শাখার উন্মোচন হয়। তার জন্য প্রয়োজনীয় গৃহ, আসবাব পত্র, ল্যবরেটোরির সরঞ্জাম, গ্যাস ও জলের ব্যবস্থা করতে হয়। একদিকে অর্থ সংগ্রহ, অপর দিকে নির্মান, দুই-ই-সমান তালে চলতে থাকে। সেই সঙ্গে সারা আসাম থেকে বেছে বেছে শিক্ষাগত যোগ্যাতয় উজ্জ্বল শিক্ষকদের নিযুক্ত করার ব্যবস্থাও করা হয়। B.Sc.ৰ প্রথম ব্যাচের ছাত্ররা প্রথম ফাইনাল প্র্যাকটিকাল পরীক্ষা নিজস্ব কলেজের ল্যাবরেটারিতে দিয়েছে, এমন দৃষ্টান্ত আসামে সম্ভবত বেশি পাওয়া যাবে না। বিলাসীপাড়ায় শিক্ষক, ছাত্র, অভিভাবক ও ব্যবসায়ী সমাজের সহযোগিতায় এই অসম্ভব কাছটি সম্ভব হয়েছিল বলে আমরা গর্বিত।

বলতে দ্বিধা নেই, এই কাজে কিছু বিরোধিতারও সন্মুখীন হতে হয়েছিল। কিন্তু সহযোগী বন্ধুস্থানীয় মানুষদের নিষ্ঠা ও দৃঢ়তার ফলে সব বাঁধা বুদ্বুদের মত উরে যায়। প্রতিকুল পরিবেশে যারা আত্মপর ভুলে সাহায্যের জন্য এগিয়ে এসেছিলেন তাদের মধ্যে বিশেষ করে মহকুমাধিপতি ধ্রুবজ্যোতি হাজরিকা, শ্রী জব্বর আলীআহমেদ, শ্রীমদন সাহা, শ্রী গনেশমল শেঠিয়া, শ্রীঅৰুন দাস ও অধ্যাপক রাজু বরদলৈর নাম সর্বাগ্রে নিতে হয়। এ প্রসঙ্গে আরও দুজনের নাম না বললে অপরাধ হবে। একজন বিধায়ক শ্রীপ্রশান্ত কুমার বরুয়া ও অপরজন তৎকালীন রাজ্যিক মন্ত্রী ও পরবর্তীতে সাংসদ শ্রী আনোয়ার হোসেন। সংকটের সময় সর্বক্ষন এরা শুধু অর্থ ও মনোবলই জোগান নি, এরা সর্ব প্রকারে নিঃসর্ত সাহায্যের হাত বাড়িয়ে দিয়েছিলেন এবং ধর্মের মত আমাদের প্রয়াসকে রক্ষা করেছেন। বিলাসীপাড়া কলেজের পরবর্তী সময়ের নির্মান ও প্রতিষ্ঠায় এদের অবদান স্বর্ণাক্ষরে লিখে রাখার মত।

কথা শেষ হয়েও হয়নাকো শেষ। বিলাসীপাড়া কলেজের অফিস কর্মচারীদের কথা এ সুযোগে বলতে হয়। ওরা শুধু কর্মচারী নয় এক পরিবারের সদস্যর মত সদা সর্বদা, দিনে, রাত্রে দায়িত্ব পালন করেছে। বড়বাবু থেকে শুরু করে ধরণী, দীনেশ, বাহাদুর জীৱন ও হরেকৃষ্ণর নীরব সেবা কোনদিন ভুলবার নয়।

জীবনের ৩৭টি শীত, গ্রীষ্ম, বর্ষা, বসন্ত বিলাসীপাড়ার সুখ দুঃখের অংশীদার হয়ে অতিবাহিত হয়েছে। ওখানেই খুঁজে পেয়েছি কর্ম, সংসার, সন্তান। এই ক্ষুদ্র জীবনের সফলতা ব্যর্থতা সবই বিলাসীপাড়াকে ঘিরে। অবসরের পর বিদায় বেলায় অসংখ্য অনুগত ছাত্র ও প্রতিবেশী পরিজনদের ছেড়ে আসতে বড় কষ্ট হচ্ছিল। সেই সংগে আরও একটি গোপন ব্যথার স্থান, আমাদের একমাত্র পুত্র পতঞ্জলি (সুমন)-কেও বিলাসীপাড়ার মৃত্তিকা আকাশ, বাতাসে রেখে আসা।

এখন সোচ্চারে বলতে পারি, বিলাসীপাড়া তোমার স্থান হৃদয়ের মনিকোঠায় চির অম্লান হয়ে থাকবে। বিলাসীপাড়ার হৃদয়ের এককোনে আমাদের জন্যও কি একটু স্থান হবে না?



# ভরা থাক স্মৃতি সুধায়

গীতা গুহরায়
প্রাক্তন মুরুব্বী অধ্যাপিকা বাংলা বিভাগ-
ভারপ্রাপ্তা অধ্যক্ষা, বিলাসীপাড়া কলেজ।

পঞ্চাশে মানব জীবনে অপরাহ্ন। কিন্তু পঞ্চাশেতে কোন প্রতিষ্ঠানের সুবর্ণ-জয়ন্তী তার অঙ্গে তখন যৌবনের স্বর্ণময় দ্যুতি। উনিশশ ষাট সালে বিলাসীপাড়ায় যে শিশু বিদ্যাতরুটি রোপিত হয়েছিল, আজ সেটি শাখা-প্রশাখায় বিস্তৃত এক মহীরুহ। কিন্তু আরম্ভেরও আরম্ভ আছে- সন্ধ্যেবেলায় প্রদীপ জ্বালানোর আগে সকাল বেলায় সলতে পাকানো।

বিলাসীপাড়া তখনও মহকুমা শহর হয় নি। কিন্তু তখনই ছিল তিন তিনটি উচ্চ বিদ্যালয়। মহাবিদ্যালয় না থাকায় স্নাতক স্তরের পঠন পাঠনের জন্য বাইরে যাওয়া ছাড়া গত্যন্তর ছিল না। যখন বিলাসীপাড়ায় কলেজ স্থাপিত হল, যেন দূরের গঙ্গা এগিয়ে এল সংকট মোচনে।

মহানুভব জমিদারের গৃহদানে, নেতৃস্থানীয় কয়েকজনের সুচিন্তিত পরিকল্পনায় আর জনসাধারণের অকুণ্ঠ সহযোগিতায় মহাবিদ্যালয়ের শুভসূচনা হল। জমিদারের অবদান মনে রেখে নবজাত শিক্ষায়তনের নাম রাখা হল নৃপেন্দ্র নারায়ণ কলেজ, সংক্ষেপে এন.এন. কলেজ।

নবজাত মহাবিদ্যালয়ের অভিভাবকদের মধ্যে প্রথমেই মনে পড়ে তৎকালীন নগর সমিতির সভাপতি স্বর্গীয় জগদানন্দ চক্রবর্তীর নাম। এ ছাড়া ঁগঙ্গারাম শর্মা, ঁলছমী নারায়ণ আগরৱালা, নৃপেন্দ্রনাথ চক্রবর্তী, রহিমুদ্দিন আহমেদ, ঁমহেন্দ্র কুমার সাহা প্রভৃতির সঙ্গে আমার ব্যক্তিগত সম্পর্ক গড়ে উঠেছিল। সেদিনের সেই শিশু বিদ্যানিকেতন আজ সগৌরবে পঞ্চাশ বছরে পদার্পণ করল। উনসত্তরে সরকারী অনুদান পাওয়ার পর কলেজের নাম পরিবর্তন করে রাখা হল বিলাসীপাড়া কলেজ।

উনিশশ তেষট্টির অক্টোবর মাসে আমি যখন কাজে যোগ দিলাম, তখন বলতে গেলে কলেজের অর্থভাণ্ডারে মা ভবানী, নুন আনতে পান্তা ফুরোয়। ঐ মহাবিদ্যালয়ে আমার কর্মসংস্থানের ঘটনাটিও ছিল অভিনব। আমি তখন পশ্চিমবঙ্গ মধ্যশিক্ষা পর্ষদ-এ কর্মরত। যেহেতু অধ্যাপনা ছিল আমার প্রথম পছন্দ, তাই স্নাতকোত্তর ডিগ্রি লাভের পর যত্রতত্র আবেদন করে চলেছিলাম। একদিন আমার নামে একখানি টেলিগ্রাম এল আসামের বিলাসীপাড়ার কোন এক 'এন.এন. কলেজ' থেকে। টেলিগ্রামের সংক্ষিপ্ত ভাষায় জানানো হয়েছে, আমায় নিযুক্ত দেওয়া হলো- আমি যেন অবিলম্বে কাজে যোগ দিই। রেলওয়ে ষ্টেশন ফকিরাগ্রাম।

আসামের অনেক জায়গায় আমাদের আত্মীয় পরিজন ছিলেন। কিন্তু ফকিরাগ্রাম ষ্টেশনের নাম আমার শোনা ছিল না। কলকাতার বাইরে কোনদিন থাকি নি। তাই মনে একটু দ্বিধা ছিল। বাড়ির লোকের আশঙ্কা, আত্মীয় বন্ধুদের বারণ, আপন মনের দ্বন্দ্ব সঙ্গে নিয়েই একদিন পৌঁছে গেলাম নতুন কর্মস্থলে।

ফকিরাগ্রাম ষ্টেশনে নেমে মনটা দমে গিয়েছিল। এ কোন পান্ডব বর্জিত রাজ্যে এলাম। সন্ধ্যায় পৌঁছলাম বিলাসীপাড়ায়। বিজলি বাতি নেই। কেরোসিনের লণ্ঠন নিয়ে স্বয়ং অধ্যক্ষ শ্রীশিবপূজন রামকানু এবং কয়েকজন অধ্যাপক আমাদের সাদরে গ্রহণ করলেন। নিজেদের অসুবিধে করেও লজের একটি ঘর ছেড়ে দিলেন আমাদের থাকবার জন্য। কাজে যোগ দিয়ে জানলাম মহিলা শিক্ষিকা একমাত্র আমি। কোন বাসস্থানের বন্দোবস্ত না করে একজন অধ্যাপিকা নিয়োগ করা নিয়ে অসন্তোষ প্রকাশ করেছিলাম তৎকালীন পরিচালন সমিতির যুগ্ম সম্পাদক চক্রবর্তীর কাছে। তিনি বিন্দুমাত্র বিরক্ত না হয়ে পরম আশ্বাসে আমায় জানিয়ে দিলেন যে আমি যেন তাঁর বাড়িতে থাকি। পরবর্তীকালে তাঁর বাড়িতে সত্যিই আমার ছিল অবারিত দ্বার। এখন বিনা সাক্ষাতকারে টেলিগ্রামে চাকরি পাওয়া বিলাসীপাড়া কলেজে অসম্ভব।

তেষট্টিতে কলেজের বয়স মাত্র তিন। পরিবেশ ছিল শৈশবের সারল্যে ভরপুর। শিক্ষকদের বেতন ছিল নির্দিষ্ট দুশো পঁয়ত্রিশ। সে টাকাও সময় মতো যোগাড় হত না, অনেক সময়। একবার মনে আছে পশ্চিমবঙ্গবাসী আমরা তিন অধ্যাপক ছুটিতে বাড়ি আসব অথচ বেতন পাই নি। ফকিরাগ্রাম ষ্টেশনে গাড়ির জন্য অপেক্ষা করছি। মন খারাপ হঠাৎ দেখি পরিচালন সমিতির সম্পাদক শ্রীগঙ্গারাম শর্মা স্বয়ং এসেছেন আমাদের বেতন পৌঁছে দিতে। এখন তিনি পরলোকবাসী। কিন্তু কলেজের অধ্যাপকদের জন্য তাঁর দরদ আমার স্মৃতি ভাণ্ডারে অক্ষয় হয়ে

আছে।

তখনকার মহাবিদ্যালয় যেন একটি যৌথ পরিবার। অধ্যক্ষ থেকে চৌকিদার- সকলেই যেন এই পরিবারের সদস্য, একে অপরের সুখ দুঃখে ভাবিত। কেবল আমরা কেন গোটা বিলাসীপাড়া যেন জড়িয়ে ছিল তাদের সবেধন নীলমণি এই শিক্ষানিকেতনটির সঙ্গে।

উনসত্তরে সরকারী মঞ্জুরি পাওয়ার আগে পর্যন্ত অর্থের প্রধান যোগদাতা ছিল বিলাসীপাড়ার হাট। হাটের নিলাম হতো। নিলামে যিনি হাট কিনে নিতেন, তিনি বাধ্য থাকতেন চুক্তি অনুযায়ী কলেজকে টাকা দিতে। প্রতি শণি ও মঙ্গলবার হাট বসত। তখনও কলেজের সীমানা-প্রাচীর তৈরী হয় নি। অবাক হয়ে দেখতাম, পাট বিক্রেতারা অসংকোচে বসে গেছে কলেজ-চত্বরে। পাটের ধুলায় আমাদের হাঁচি কাশি। তখন ভাল লাগত না এখন ধুলো ঘুচে গিয়ে নির্মল হয়েছে ভাবনা।

বিলাসীপাড়া কলেজের ভবনটি প্রথমেই আমার দৃষ্টি আকর্ষণ করেছিল। কোন প্রতিষ্ঠান গৃহ বলে মনেই হয় না। কাঠ আর রঙ্গীন কাচের কারুকার্জ করা একটি বৃত্তাকার গৃহ। শুনলাম জমিদার বাড়ির নাচ-মহল ছিল একসময়। ঢাকা থেকে দক্ষ কারিগর আনিয়ে তৈরী করা হয়েছিল। জমিদারী লুপ্ত হয়েছিল, কিন্তু লোপ পায় নি জমিদার কর্তার দরাজ দিল। উচ্চ শিক্ষার প্রয়োজন তিনি দান করেছিলেন তাঁর নাচ-মহল। নর্তকীর শিঞ্জনে একদিন এ অলিন্দ মোহাবেশে আবিষ্ট হতো, এখন কিশোর জানপিপাসুর কলগুঞ্জনে মুখরিত হয়।

বিদ্যালয় ভবনটির সৌন্দর্য বাড়িয়ে দিয়েছিল প্রাকৃতিক পরিবেশ। একধার দিয়ে চলেছে গৌরাঙ্গ নদী ব্রহ্মপুত্রের একটি শাখা। নদীর পাড়ে চলাচলের পথ। নদী পেরিয়ে অনেকখিনি চর, তারপর টোকরাবান্ধা পাহাড়। তখন দেওয়ালের বাধা ছিল না, কলেজের বারান্দায় বসেই চোখে পড়ত অবাধ প্রকৃতি। বর্ষায় যেমন নদীর বুকে নামত ঢল, তেমনি চর পাহাড়ে সবুজের সমারোহ। আকাশ এসে মিশে যেতো পাহাড়ের সঙ্গে। চারদিক শ্যামলে শ্যামল-নীলিমায় নীল।

আজন্ম কলকাতায় লালিত আমাকে মুগ্ধ কৰত কলেজের এই প্রাকৃতিক মাধুর্য। চাঁদনি রাতে চেনা প্রকৃতি হয়ে যেতো অচেনা। যেন কোন মায়াবিনী তার জাদু স্পর্শে বদলে দিয়েছে সব কিছু। আমরা তখনকার সহকর্মীরা, প্রায়শঃই আমার কন্যার নাছোড় আব্দারে, বেরিয়ে পড়তাম নদীবক্ষে নৌকা ভ্রমণে। অকাল প্রয়াত সুনীল দাস এবং শ্রীমাণিক লাল মুখার্জী হতেন আমাদেৰ কর্ণধার। জ্যোৎস্না রাতে নদীর চরে হাঁটতাম নদীর জল, বালুচর সব রূপালী মাধুর্যে মোহময়। জঙ্গলের অখ্যাত বুনো ফুল যেন পারিজাতের সৌরভ বহন করে আনতো। একদিন আমাদের সঙ্গী অধ্যাপক স্বপন চ্যাটার্জিকে কেউ বললেন যে বালুচরে বাঘের পায়ের ছাপ দেখা যাচ্ছে। আর যায় কোথা। হুলুস্থুল কান্ড। কিছুতেই তাকে বোঝানো যাচ্ছিল না যে ওটা নেহাতই মস্করা। এ রকম অনেক মজার স্মৃতি আজ ভিড় করে আসছে।

আমার কর্মজীৱনে বেশ কয়েকজন অধ্যক্ষ এসেছিলেন বাইরে থেকে। তার মধ্যে আমাকে সবিশেষ আকৃষ্ট কৰেছিলেন শ্রীমহেন্দ্র বরা। আসামের কৃতি সন্তান। ব্যবহারে অমায়িক, কর্মদক্ষ অন্যের প্রতি সন্মান প্রদর্শনে আন্তরিক। সবচেয়ে মুগ্ধ করেছিল তাঁর সাহিত্যানুরাগ। অবসর সময়ে বাংলা ও অসমীয়া সাহিত্যের আলোচনায় আমাদের সময় কাটত। বিশ্বের শ্রেষ্ট ছোটগল্পের অসমীয়া অনুবাদ সংকলন করেছিলেন তিনি, যার মধ্যে বেছে নিয়েছিলেন রবীন্দ্রনাথের ছোট গল্প "কাবুলিওৱালা।" ওর স্ত্রী যোগ্য সহধার্মণী। সঙ্গীত শিল্পী। আমাদের বাড়ি এসে এক বৈঠকে অনেক রবীন্দ্র সঙ্গীত শুনিয়েছিলেন- যার মধ্যে একটি এখনও মনে আছে, "কান্না হাসির দোল দোলানো পৌষ ফাগুনের পালা।"

আমাদের ছোট কলেজে সে সময় তাঁকে বেশি দিন ধরে রাখা যায় নি। কিন্তু স্বল্প সময়ে তাঁর অবদান ছিল অসামান্য।

আমার অধ্যাপনা জীবনের প্রথম দিকের কয়েকজন সহকর্মীর বিষয় উল্লেখ না করলে স্মৃতি কথা অসম্পূর্ণ থেকে যাবে।

